# উপকণ্ঠ নগরের ছবি

# উপকণ্ঠ নগৰৰ ছবি

জয়কান্ত গন্ধীয়া

DIRECTORATE OF LIBRARY SERVICES
ASSAM, GUWAHATI

ষ্টুডেণ্টচ্ এম্পৰিয়াম
ডিব্ৰুগড়—৭৮৬০০১

UPAKANTHA NAGOROR CABI: An Assamese novel written by Sri Joy Kanta Gandhia, Digboi 786 171 and published by Sri Mrinal Kanti Bhattacharya, Students' Emporium, Dibrugarh, Assam First Published 1986
PRICE RUPEES THIRTY ONLY.

প্ৰকাশক
শ্ৰীমৃণালকান্তি ভট্টাচাৰ্য্য
ষ্টুডেণ্টচ্ এম্পৰিয়াম
ডিব্ৰুগড়—৭৮৬ ০০১

পৰিবেশক
শান্তি প্ৰকাশন
কলেজ হোষ্টেল ৰোড
গুৱাহাটী—৭৮১ ০০১

মূল্য
ত্ৰিশ টকা মাথোন

মুদ্ৰক
এম. এন প্ৰিণ্টাৰ্চ
৪৮, আমহাৰ্ষ্ট ৰো
কলিকতা—৭০০ ০০৬

ড° নগেন শইকীয়াদেৱৰ হাতত

# আগকথা

হাতে লেখা অৱস্থাতে উপন্যাসখন পঢ়ি চাই ভাৰতচন্দ্ৰ
হাজৰিকা আৰু সুন্দৰপ্ৰসাদ ক্ষেত্ৰীয়ে দুই এটা ভুল চুক
শুদ্ধ কৰি দিছিল। ষ্টুডেণ্টচ্ এম্পৰিয়ামে কিতাপ
প্ৰকাশৰ আলৈ-আহুকালৰ
কথা পাহৰি উপন্যাসখনৰ
প্ৰকাশৰ দায়িত্ব
লৈছিল।
এই সকলোৰে
ওচৰত মই কৃতজ্ঞ। বঙালী লেখক
'পৰশুৰাম'ৰ প্ৰতিও মই কৃতজ্ঞতা জনাইছোঁ॥

জয়কান্ত গন্ধীয়া

# এক

এসময়ত হেনৰী জেমছৰ 'হে বিদেশী বন্ধু'ৰ দৰে সুবৃহৎ উপন্যাসো বিজয় বৰুৱাই দুদিনতে শেষ কৰিছিল। আজিকালি পিছে নোৱাৰা হৈছে। চিন্তা-গধুৰ কিতাপ পঢ়া বাদেই, পাতল উপন্যাস এখন মেলি লৈ কেইখিলামান পাত লুটিওৱাৰ পিছতে আজিকালি বিজয় বৰুৱাৰ মুৰটো বিষোৱা যেন লাগে। অধিক পঢ়িব নোৱাৰা হয়।

আজিও ওপৰ মহলাৰ পিছ ফালৰ বাৰান্দাত বহি কিতাপখন মেলি লৈ বিজয় বৰুৱাই ভাবিছিল, খিলাচেৰেক পাত পঢ়া যাওক। 'লেডী চেটাৰ্লীজ লাভাৰ'খনৰে যদি দুপাতমান পঢ়িব নোৱাৰোঁ তেনেহলে 'বেদ পৰিচয়' পঢ়িব পাৰিমনে? কিন্তু ভবাৰ দৰে বিজয় বৰুৱাই লৰেন্সৰ কিতাপখনৰ পাত লুটিয়াব নোৱাৰিলে। কেইপৃষ্ঠামান পঢ়িয়েই তেওঁৰ বৰ ভাগৰ ভাগৰ লাগি আহিল। মুৰৰ বিষটোৱেও নিজৰ কাম আৰম্ভ কৰি দিলে। উপায়ন্তৰ হৈ কিতাপখন জপাই বৰুৱাই হাততে লৈ থাকিল।

সেই অৱস্থাৰেই বৰুৱাই তেওঁৰ ঘৰটোৰ বাওঁ কাষেদি নগৰৰ ফালে আগবাঢ়ি যোৱা পকা আলিটোলৈ চালে। আলিটো বৰ ব্যস্ত হৈ পৰিছে,—মানুহৰ সঘন আহ যাহ আৰম্ভ হৈছে। আবেলিৰ সময়ত সদায়েই এনেকুৱা হয়। আলিটোৰেদি নগৰৰ ফালে খোজ আগবঢ়োৱা ডেকা-গাভৰু এহালত বৰুৱাৰ চকু পৰিল। তেওঁ একো নাভাবিলে। যুগৰ পৰিবৰ্তন হৈছে। গতিকে এইবোৰ কথা ভাবি লাভ নাই। আজিৰ ডেকা-গাভৰুৱে হাতত ধৰা ধৰি কৰি এনেদৰে ফুৰেই।......

অলপ পৰৰ বাবে বিজয় বৰুৱাই আলিবাটৰ পৰা দৃষ্টি ঘূৰাই আনিলে। হাতত লৈ থকা কিতাপখনৰ বেটুপাতখনকে এবাৰ চালে। বেয়া লগা নাই। কিন্তু বেটুতাপখনে অধিক পৰৰ বাবে বৰুৱাৰ দৃষ্টি ধৰি ৰাখিব নোৱাৰিলে। তেওঁ আকৌ আলিবাটলৈ চালে।

এইবাৰ তেওঁ দুজন সমবয়সীয়া যুবক, নিশ্চয় তেওঁলোক দুয়ো দুয়োৰে বন্ধু, নিচেই ওচৰা ওচৰিকৈ আৰু হাতত ধৰা ধৰিকৈ আগবাঢ়ি গৈ থকা দেখিবলৈ পালে। লগে লগে বকুৱাৰ ভৰোথি গ্ৰাহামলৈ মনত পৰিল। মিচেচ্ ভৰোথি গ্ৰাহামক বকুৱাই বোষ্টন চহৰত লগ পাইছিল। আজি পাঁচ বছৰমানৰ আগতে আমেৰিকালৈ ফুৰিবলৈ যাওঁতে তেওঁ মিচেচ্ গ্ৰাহামক বোষ্টন চহৰত নিজে গৈ লগ ধৰিছিল।

... .মিচেচ্ ডৰোথি গ্ৰাহাম এগৰাকী মধ্যবয়সীয়া ভদ্ৰ মহিলা। ভদ্ৰ মহিলা এবাৰ ভাৰত ভ্ৰমণ কৰিবলৈ আহি কলিকতা পালেহি। ভালে কেইদিনৰ ভ্ৰমণ সূচী। প্ৰথম দিনাই তেওঁ দক্ষিণ কলিকতাত এপাক ফুৰি আহিল আৰু ফুৰি আহিয়েই তেওঁ ভ্ৰমণ সূচী বাতিল কৰি পেলালে। .. . এনে এখন অসভ্য বৰ্বৰ দেশত ভ্ৰমণ কৰা নাযায়। —পিছদিনা পুৱাই পুৱাই মিচেচ্ গ্ৰাহামে ভাৰতৰ পৰা স্বদেশলৈ বুলি উৰা মাৰিলে।

ভাৰত চৰকাৰৰ বিভাগীয় দপ্তৰত ঘম-ঘণ্টা লাগিল। ডৰোথি গ্ৰাহামে একেদিনাই কিয় তেওঁৰ দীঘলীয়া ভ্ৰমণ সূচী বাতিল কৰি পেলালে?—তেওঁক কোনে কি ক'লে? কোনোবাই হত্যাৰ ভাবুকি দিলে নেকি? কিন্তু তেনে ভাবুকিৰ উদ্দেশ্যই বা কি হ'ব পাৰে?

কিন্তু দপ্তৰক কোনে উত্তৰ দিয়ে, গ্ৰাহাম যে গ'লগৈয়ে।

বোষ্টনলৈ যাওঁতে বিজয় বকুৱাই ডৰোথি গ্ৰাহামক লগ ধৰিছিল। কৈছিল—কওক মিচেচ্ গ্ৰাহাম, এবেলা ভ্ৰমণ কৰিয়েই কিয় আপুনি ভাৰত ভ্ৰমণৰ দীঘলীয়া কাৰ্যসূচীৰ সামৰণি মাৰিলে? দক্ষিণ কলিকতাত আপোনাক কোনে কি ক'লে? অকলশৰীয়াকৈ পাই কোনো লোকে আপোনাক অশুভ ইংগিত দিলেনে কি? দক্ষিণ কলিকতাৰ লেকৰ পাৰত কোনোবা কলিকতীয়া ডেকা-গাভৰুৰ অশ্লীল কাণ্ডকাৰখানা আপনাৰ চকুত পৰিলনে কি? নে দক্ষিণ কলিকতাৰ দুৰ্গন্ধময় নলা-নৰ্দমা আপুনি সহ্য কৰিবলৈ সমৰ্থ নহ'ল ,নে কলিকতাৰ বিৰ দি বাট নোপোৱা মানুহৰ বাবেই দীৰ্ঘ দিনৰ ভ্ৰমণ ইচ্ছা ত্যাগ কৰি পেলালে?

বিজয় বৰুৱাৰ কথা শুনি তবোঁৰিছ প্ৰোগ্ৰামক কিছু গহীন যোৱা দেখা গ'ল। গহীন কণ্ঠেৰে তেওঁ ক'লে,—চাওক বৰুৱা, মোৰ বাবে আপোনালোকে অনাহক মানসিক অশান্তি ভোগ কৰিব লগা হৈছে। সেই বাবে মই বৰ দুঃখিত। মোৰ ব্যৱহাৰৰ বাবে মোক ক্ষমা কৰে যেন। দক্ষিণ কলিকতাৰ কোনো মানুহেই মোক বেয়া কথা কোৱা নাই। কোনেও মোক অশুভ ইংগিত দিয়া নাই। আৰু ডেকা-গাভৰুৰ 'কাণ্ডকাৰখানা'? ভাৰতীয় যুৱক-যুৱতীয়ে আমেৰিকাৰ মানুহক তেওঁলোকৰ 'কাণ্ডকাৰখানা' দেখুৱাই আমনি দিব? নিশ্চকিন ধাৰণা। তেনে ধৰণৰ কোনো 'কাণ্ড-কাৰখানা' ই মই তাত দেখিবলৈ নাপালোঁ। তথাপি, তথাপি—ভাৰতীয় সমাজৰ এটা অতি অশ্লীল ব্যৱস্থা হজম কৰিব নোৱাৰি দুখেৰে সৈতে মই মোৰ ভ্ৰমণ সূচী বাতিল কৰিব লগা হ'ল। আপোনালোকৰ দেশৰ উপকণ্ঠ নগৰত, অৰ্থাৎ নগৰৰ উপকণ্ঠ অঞ্চলত মই যি ছবি দেখিলোঁ, নাই নাই,—ভাৰতলৈ গৈ তেনে এখন ছবি দেখিবলৈ পাম বুলি কোনোদিনে মই ভবা নাছিলোঁ। ডেকা-গাভৰু লগ লাগি থাকে বা লগ লাগি ফুৰে,—সেয়া তেনেই স্বাভাৱিক ঘটনা। নাৰী-পুৰুষৰ দৈহিক মিলন,—সেয়াও ধৰিব লগা কথা নহয়। কিন্তু আপোনালোকৰ দেশত, ভাৰতত মতা মানুহৰ লগত যে মতা মানুহ ফুৰে, ডেকাই ডেকাই যে হাতত ধৰা ধৰি কৰে,—ছিঃ কি লাজ লগা কথা। আমাৰ ইয়াত সমকামীবিলাকৰ বাহিৰে, পুং মৈথুনত অভ্যস্তবিলাকৰ বাহিৰে কোনো তেনেকৈ নুফুৰে জানে?

বিজয় বৰুৱাৰ হাঁ কৈ মুখ মেলি থাকিবৰ পাল। তাৰ বাহিৰে সেই মুহূৰ্তত তেওঁ কৰিবই বা কি ক'বই বা কি? ল'ৰাই ছোৱালীয়ে চুমা-চুমি কৰিলেও একো নাই,—অথচ ল'ৰা এটাই ল'ৰা এটাৰ হাতখনত ধৰিলেই, পুৰুষে পুৰুষৰ হাতখন চুলেই পূৰৱ বেলি পশ্চিমে ওলাবৰ হয়? এই সাধাৰণ দৃশ্যটো চাব নোৱাৰিয়েই দীৰ্ঘ দিনৰ ভ্ৰমণ সূচী বাতিল কৰি ভাৰতৰ পৰা আমেৰিকালৈ ঘূচি আহিবৰ হয়…যেৎ… এইবোৰ কি ধৰণৰ কথা। এৰা, 'যি দেশত যি 'আচাৰ'—মনকে

আওআই লৈ বকৰাই জবোধি প্ৰাহাখন পৰা বিদায় ল'লে।—এতিয়া সেই পৰাকী জবোধিয়ে আজিব এই যুৱক যুটিক দেখা হ'লে···

এনেতে বকৰাৰ পিছকালে তেওঁৰ বিশ্বাসী লগুৱা দয়াৰাম উপস্থিত, —দেউতা চাহ এটোক দিওঁনে কি ?

বকৰা ভাৱ-ৰাজ্যৰ পৰা ঘূৰিল,—হোঁ অঁ কি কৈছিলি দয়াৰাম ?

—দেউতা চাহ এটোক দিওঁনে কি বুলি কৈছিলোঁ। টায়েম হৈছে নহয় ।

—অঁ 'টায়েম' হৈছে যদি দে। খাব যেতিয়া লাগিবই · খাওঁই আক···

দয়াৰাম চাহ আনিবলৈ বুলি গ'ল। বিজয় বকৰাই হাতত লৈ থকা কিতাপখন সন্মুখৰ টেবুলখনলৈ দলি মাৰি দিলে। দি, তাল গছ কেইজোপাৰ ফাকটোৱেদি দূৰৰ আকাশখনলৈ চালে। আকাশখন নীলা, বৰ নীলা। নীলা আকাশখনলৈ চোৱাৰ লগে লগে বিজয় বকৰাৰ বুকুখন চেৰেক কৰে ফাটি যোৱা যেন লাগিল। নীলা আকাশখনলৈ চালেই যে তেওঁৰ জয়শ্ৰীলৈ মনত পৰি যায়। জয়শ্ৰীয়েও নীলা আকাশখন বৰ ভাল পাইছিল। এইখন বাৰান্দাৰ এই ঠাইতে বহি বহিয়েই জয়শ্ৰীয়ে আকাশৰ নীলাবোৰ উপভোগ কৰিছিল ।

..কিন্তু ..কিন্তু .বকৰা থাকিল, এই বাৰান্দাখন থাকিল, তাল গছ কেইজোপা থাকিল, গছ কেইজোপাৰ ফাকটোৱেদি দেখিবলৈ পোৱা আকাশখন থাকিল, আকাশৰ নীলাবোৰো যেনে আছিল তেনেদৰেই থাকিল...কিন্তু . কিন্তু নাথাকিল মাথো জয়শ্ৰী। . তেওঁক এৰি, পিছফালৰ এই নিৰিবিলি বাৰান্দাখন এৰি, দূৰৈৰ আকাশখন এৰি জয়শ্ৰী গুচি গ'ল। দুৰাৰোগ্য কেন্সাৰৰ দ্বাৰা আক্ৰান্ত হৈ আজিৰ পৰা তিনি বছৰৰ আগতে জয়শ্ৰীয়ে মৃত্যুক সাৱটি ল'লে। সেই দিন ধৰি বিজয় বকৰাই নীলা আকাশখনলৈ চাব নোৱাৰা হ'ল। চালেই জয়শ্ৰীৰ লগত সুদীৰ্ঘ বাইশটা বছৰ যে কটাইছিল, সেই বাইশ বছৰৰ স্মৃতিয়ে একেলগে

তেওঁক হেঁচা মাৰি ধৰেছি। আৰু তেতিয়া তেওঁ বৰ নিঃসঙ্গ,···বৰ অকলশৰীয়া যেন অনুভৱ কৰে।···

...আছে, বিজয় বৰুৱাৰ মৰমৰ পাত্ৰ এটি আছে। জয়শ্ৰীয়ে একেবাৰে অকলশৰীয়া নকৰি তেওঁৰ বাবে মৰমৰ পাত্ৰ এটি থৈ গৈছে। জয়শ্ৰীয়ে বিজয় বৰুৱাৰ বাবে বিজনক থৈ গৈছে। একৈশ বছৰীয়া বিজন। কিন্তু বিজন দিনটোৰ অধিক সময় বাহিৰে বাহিৰেই ফুৰে। ভাল হওক চাৰি, বাপেকৰ কাষ চাপি আহক ছাৰি ল'ৰাটো দিনে দিনে বেয়া হৈ হৈ কিবা চেৰা বলিয়াৰ নিচিনা হৈ গৈছে, দিনক দিনে বাপেকৰ কাষৰ পৰা আঁতৰি গৈছে। সামান্য পাঞ্জাবী এটা আৰু পায়জামা এটা পিন্ধি সামাজিক কামৰ অজুহাতত দিনৰ দিনটো ক'ত যে তলৌ তলৌকৈ ঘূৰি-ফুৰে সেই কথা বিজনে নিজে আৰু আছে যদি তাৰ ঈশ্বৰে জানে। গতিকে বিজয় বৰুৱাৰ বাবে বিজন থকা যি নথকাও সি। তাৰ কথা মনলৈ আহিলে বৰুৱাৰ বেছিকৈহে অকলশৰীয়া অকলশৰীয়া লাগে।

দয়াৰামে সন্মুখৰ টেবুলখনত চাহ একাপ দি গ'ল,—দেউতা চাহ।

—অঁ, থাম বাৰু থ। তয়ো এঢোক গিলি লগৈ যা।

বৰুৱাৰ কথাষাৰ শলাগি দয়াৰাম গুচি গ'ল বৰুৱাই সি দি যোৱা ঢেল ঢেলীয়া চাহ কাপলৈ চালে। জয়শ্ৰীয়ে কেতিয়াও তেওঁক এনে একাপ চাহ নিদিলেহেঁতেন বা কোনোদিনে দিয়াও নাছিল। এইবোৰ কামত জয়শ্ৰী বৰ পৰিপাটি আছিল আৰু বৰ নিয়মীয়া আছিল। সদায় একে সময়তে চাহ আৰু একে সময়তে ভাত পোৱা গৈছিল। মাক থাকোতে বিজনো ইমান মুকলিমূৰীয়া, ইমান অহোবলিয়া নাছিল। নিয়মিত ভাৱে পঢ়া-শুনা কৰিছিল, কেনিবা ওলাই গ'লেও সময় মতে ঘূৰি আহিছিল। সদায় বৰুৱাৰ ওচৰত বহি ৰাজনীতি আৰু সমাজ-নীতিৰ কথা আলোচনা কৰিছিল। তেতিয়া তাৰ গাত সামাজিক কামৰ দেওটোও লম্ভা নাছিল। তেতিয়া অৰ্থাৎ আজিৰ পৰা তিনি

মানুহৰ আগতে বিজন আন দহোটা ল'বাৰ দৰেই বাপেক-মাকৰ বাধ্য ল'ৰা আছিল আৰু বৰ ভাল ল'ৰা আছিল।

...কিন্তু জয়শ্ৰী গুচি যোৱাৰ লগে লগে এই আটাইবোৰৰে ছন্দ পতন ঘটিল। বৰুৱাৰ জীৱনলৈ ভয়াবহ দিনবোৰ হো হোৱাই নামি আহিল।

বৰুৱাই ঢেল ঢেলীয়া চাহ কাপ হাতলৈ তুলি লৈ এঢোক গিলিলে। বৰ্ণহীনেই নহয়, চাহ কাপ স্বাদহীনো। প্ৰচণ্ড তিতা ঔষধ এটা মুখত দি বিকৃত কৰাৰ দৰে মুখখন বিকৃত কৰি বিজয় বৰুৱাই চাহৰ কাপটো হাতৰ পৰা নমাই থ'লে। চাহ কাপ এনে হোৱাৰ বাবে দয়াৰামক দোষ দি লাভ নাই। দোষ তেওঁৰ কপালৰ।

বিজয় বৰুৱাৰ যে কপাল বেয়া, বিজয় বৰুৱাৰ ভাগ্যৰ যে পৰিবৰ্তন ঘটি আছিছে সেই কথা তেওঁ জয়শ্ৰীৰ মৃত্যুৰ দিনাই বুজিব পাৰিছিল। সেই দিনা, সেই নিদাৰুণ মুহূৰ্তত উনৈশ বছৰীয়া বিজনে যি ভূমিকা গ্ৰহণ কৰিলে,—বৰুৱাই তেতিয়াই বুজি পালে যে তেওঁৰ ভাগ্যৰ পৰিবৰ্তন ঘটি আহিব ধৰিছে। সেই দিনটোৰ কথা মনত পৰিলে আজিও বৰুৱাৰ গাৰ নোম এডাল এডাল হৈ আহে।

.জয়শ্ৰীৰ শ-টো বাহিৰলৈ উলিওৱা হৈছে। বিজনে মাকৰ ভৰি দুটাত ধৰি সেৱা কৰিলে। পিছত বাৰান্দালৈ আহি গোমোঠা মাৰি বহি থাকিল। দুজন এজনকৈ চুবুৰীয়াসকল চাপ খালে। শ-যাত্ৰাৰ বাবে ৰাইজ সাজু হ'ল। ৰাইজৰ মাজৰ পৰাই কোনোবা এজনে ক'লে —ঈশ্বৰৰ ইচ্ছাত মানুহৰ কোনো হাত নাই। তেওঁৰ ইচ্ছা হ'ল—লৈ গ'ল। সেই বাবে বেজাৰ কৰি লাভ নাই। আহাঁ বিজন—ৰাইজৰ ওচৰত আঠু লোৱা আৰু জুই কুৰা ধৰা। মুখাগ্নি কৰিব লাগিব নহয়।.

বিজনে একো নামাতিলে। গোমোঠা মুখেৰে অপলক নেত্ৰে মাকৰ শ-টোৰ ফালেই চাই থাকিল। সি অযথা পলম কৰা দেখি ৰাইজৰ

মাজৰ পৰা আকৌ এজনে ক'লে,—পলম কৰি আৰু লাভ নাই; বিজন, আহাঁ—।

বিজনে গাটো লৰালে। কিন্তু সি বহি থকা ঠাইৰ পৰা উঠি নাছিল। তাৰ পৰাই সি কোৱা শুনা গ'ল,—মালৈ মোৰ অসীম শ্ৰদ্ধা আছিল। সেই শ্ৰদ্ধাৰ বাবেই তেওঁৰ শ-টোৰ ভৰিত ধৰি মই সেৱা কৰিলোঁ। নিয়ম পালনৰ বাবে পুনৰ সেৱা কৰাৰ কোনো প্ৰয়োজন বা কোনো অৰ্থ নাই। আপোনালোকে শ-টো শ্মশানলৈ লৈ যাওক।

এই উনৈশ বছৰীয়া গোফ নগজাটোৱে, যুবৰ বীজ মুখচাটোৱে' কয় কি? বিজয় বৰুৱাই পুতেকৰ চকু মুখলৈ চালে। চালে আনবিলাক মানুহেও। কিন্তু সকলোকে অবাক কৰি বিজন নিৰ্বিকাৰ ভাবে বহা ঠাইতেই বহি থাকিল।

অৱশেষত, পুতেকৰ অহমিকতাৰ বাবে দুখ প্ৰকাশ কৰি বৰুৱাই নিজেই বাইজৰ ওচৰত আঠু ল'লে। যদিওবা তেওঁ আঠু লোৱাটো প্ৰচলিত সামাজিক ৰীতিৰ ভিতৰত নপৰে।

—তেনেহলে বিজন তুই কুৰাকে লোৱা। আকৌ কোনোবা এজনে ক'লে।

—অৰ্থহীন। বহি থকাৰ পৰা বিজনে চিঞৰি উঠিল, ইয়াৰ পৰা মৰিশালীলৈ ইমান দূৰ বাট নগৰখনৰ মাজ মজিয়াইদি তুই একুৰা জ্বলাই নিয়াটো অৰ্থহীন। প্ৰচলিত ৰীতি-নীতি বা সংস্কাৰৰ নামত এই-বোৰ হাঁহি উঠা কাম মই কৰিব নোৱাৰোঁ। দয়াৰাম ককাই, মোক এটা জুইশলা আনি দিয়া। ধানখেৰ একোচা লাগিছিল। ধানখেৰ নাই যেতিয়া . . দেউতা, টকা দহটা দিয়ক খিউ বা কেৰাচিন লৈ যাম।

বিজনৰ কথা কোৱাৰ ভঙ্গী আৰু কথা কোৱাৰ সাহস দেখি সকলো বিস্ময়ত হতবাক। দুজনমানেহে মৃদু প্ৰতিবাদ কৰিছিল, বোপা-ককাৰ দিনৰ নিয়ম এটা হঠাতে এনেদৰে ...

কিন্তু তেওঁলোকে কথাষাৰ শেষ কৰাৰ আগতেই ডেকা অধ্যাপক মৃগেন হাজৰিকাৰ দলটোৱে বিজনক সমৰ্থন কৰি উঠিল। লগে লগে

বিজয় বৰুৱাই উনৈশ বছৰীয়া পুতেকৰ সাহসৰ উৎসটো বুজি পালে। তেওঁৰ প্ৰমাদ গণিবৰ সময়। মৃগেন হাজৰিকা য'ত লাগে তাত আনৰ আৰু বক্তা আছেনে ? মৃগেনে কৰিম বুলি ভবাটো কৰিবই।·· ···

বিজয় বৰুৱাই দেখিলে যে শ-টো আগত লৈ এতিয়া তৰ্কা-তৰ্কি এখন হয়। কিন্তু তেনে হ'বলৈ কোনোমতে দিব নোৱাৰি। হুয়ো কুল ৰক্ষা কৰিবৰ বাবে বুদ্ধিমানৰ দৰে বৰুৱাই পুতেকৰ পক্ষকে সমৰ্থন কৰি পেলালে। কাতৰ কণ্ঠেৰে বাইজক ক'লে, —এটা মাত্ৰ ল'ৰা। তাৰ মনত কষ্ট দিবলৈ মন নাযায়। সি যেনেদৰে ভাবিছে তেনেদৰেই কৰা হওক।

মৃগেন হাজৰিকাৰ দলটো সক্ৰিয় হৈ উঠিল। আনটো দল সেমেকি গ'ল।

পূৰ্ব-পুৰুষৰ দিনৰ পৰা চলি অহা নিয়ম এটাৰ বিৰুদ্ধে প্ৰতিবাদ কৰি একেদিনাই নাইকিয়া কৰি দিয়াটো কম সাহসৰ কথা নহয়। ভাগ্যে আনটো দল উগ্ৰ হৈ নুঠিল। উঠা হ'লে বাৰু কি হ'লহেঁতেন ?.

.....বহি থকাতে বিজয় বৰুৱাৰ গাৰ নোমবোৰ ডাল ডাল হৈ আছিল। তেওঁ সেই প্ৰসংগটো ভাবিবলৈ এৰি দিলে।

এনেতে আলিটোৰ সিপাৰে থকা সৰু সৰু ঘৰবোৰৰ কাষত কোনোবা হুটাই তৰ্কা-তৰ্কি এখন আৰম্ভ কৰিলে। বৰুৱাৰ দৃষ্টি একে চেকুৰে গৈ সেইখিনি পালেগৈ। এটা সেইটো ৰচিদ। আনটো বোধকৰোঁ তিনি আলিৰ আলু বেপাৰীটোৱেই হ'ব।

বিজয় বৰুৱাই চাই থাকোতেই ৰচিদ বোলাটোৱে অবাইচ্ মাতেৰে ঠাই ডোখৰত মানুহ থাকিব নোৱাৰা কৰি পেলালে। সিফালৰ পৰা একেই অবাইচ্ মাত মুখত লৈ আলু বেপাৰীটোও আগবাঢ়ি আহিল। হুয়োটাই ভীম আৰু বকাসুৰৰ মল্লযুদ্ধ আৰম্ভ কৰি দিলে। লগে লগে ঠাই ডোখৰত থকা আটাইবোৰ মাইকী মানুহৰ চিঞৰ বাখৰ আহি বৰুৱাৰ কাণত পৰিলহি। হুজনীমানে মল্লবীৰ হুজনক সহায় কৰা যেনো লাগিল। পিছকালৰ বাৰান্দাত বহি থকা নিৰ্মল দৰ্শকজনে

প্ৰথমতে মহাবুদ্ধখন আনন্দেৰেই উপভোগ কৰিছিল। কিন্তু ক্ৰমে ক্ৰমে সীমা পাৰ হৈ যোৱাত তেওঁৰ মন বিৰক্তি আৰু বিতৃষ্ণাৰে ভৰি পৰিল। লৰেন্সৰ লেডী চেটাৰ্লীজ লাভাৰ পঢ়ি বিৰাবলৈ আৰম্ভ কৰা মূৰটো এইবাৰ যেন ভমক ভমক জ্বলিবলৈ ধৰিলে।·

বিজয় বৰুৱা চৰকাৰৰ যোগান বিভাগৰ উচ্চ পদস্থ বিষয়া। যোগান বিভাগত যথেষ্ট বাহিৰা পইচা পোৱা যায়। গতিকে আটক ধুনীয়া এই ঘৰটো সাজিবৰ বাবে যিখিনি সামৰ্থ্যৰ প্ৰয়োজন বৰুৱাই খুব কম দিনৰ ভিতৰতে সেইখিনি গোটাই পেলাইছিল। টকাৰ গৰম থকা বাবে সেই সময়ত তেওঁ ঘৰৰ স্থান নিৰ্বাচনত বিশেষ মন কাণ নিদিলে। ইফালে নতুন পত্নী জয়শ্ৰীয়ে লাগিয়েই আছে,—এই উশাহ ল'ব নোৱাৰা ভাৰাঘৰবোৰত থাকিব নোৱাৰি। য'তে নহওক মাটি অকণ লৈ নিজাকৈ ঘৰ এটা সাজিব লাগে। আপুনি বহি নাথাকি খৰ খৰকৈ খা-খবৰ কৰক। খৰ খৰত বৰুৱাই নগৰখনৰ এই উপকণ্ঠ অঞ্চলতে ঘৰটো সাজি পেলালে। তেওঁকে দেখি মটৰ ভেহীকলৰ বৰকাকতি আছিল, পুলিচ চুপাৰ বৰশইকীয়া আছিল, মইনামতীৰ মেনেজাৰ শৰ্মাদলৈ আছিল। প্ৰত্যেকেই একোটাকৈ সুন্দৰ ঘৰ বান্ধি পেলালে। এইবোৰ বিজনৰ জন্ম সময়ৰে কথা।

এৰা! ততাতৈয়াকৈ এই ঠাইত ঘৰটো সাজি বৰুৱাই ভুলেই কৰিলে। এই ডোখৰ ঠাইত এতিয়া ঘৰৰ ভিতৰত বহি থাকিলেও মনৰ শান্তি ভংগ হয়। দিনত এইবোৰ চিঞৰ বাখৰ, মাৰপিট, নিশা দোভাগলৈকে মদপীৰ আটাহ, অবাইচ অশ্লীল কিৰিলি। শুনিলেই মূৰ গৰম হৈ যায়। এই উপকণ্ঠ অঞ্চলটোৰ পৰিবেশ আজি এনেদৰে অসুস্থ হৈ পৰিছে যে কোনো সুস্থ লোকেই ইয়াত বাস কৰিব নোৱাৰে। পুলিচেও ঠাই ডোখৰৰ গাত ৰঙা দাগ পেলাইছে।

কিন্তু আজিৰ পৰা বাইশ বছৰৰ আগতে, যেতিয়া বৰুৱাই ইয়াত ঘৰ বান্ধিছিল, যেতিয়া ইয়ালৈ শৰ্মাদলৈহঁত আহিছিল, তেতিয়া ঠাইডোখৰৰ পৰিবেশ এনে অসুস্থ নাছিল। তেতিয়া এই উপকণ্ঠ অঞ্চলটো উপকণ্ঠ

নগৰ হিচাবে জনাই নহৈছিল। অঞ্চলটোৰ কোনো গুৰুত্বই নাছিল। বৰঞ্চ, শৰ্মাদলৈহঁতৰ ঘৰ কেইটাৰ বাহিৰে, ৰামলালৰ গেলামালৰ দোকানখনৰ বাহিৰে আৰু দুই তিনি ঘৰমান বিহাৰী-দেচুৱালীৰ বাহিৰে ইয়াত একো নাছিল। গোটেই অঞ্চলটোৱেই বৃহৎ চৰণীয়া চাপৰি আছিল।...

.. সময় আগবাঢ়িল। বৃহৎ চৰণীয়া চাপৰিটো উপকণ্ঠ নগৰত পৰিণত হ'ল। অঞ্চলটোৰ গুৰুত্ব বাঢ়িল। চৰণীয়া চাপৰি পাই ইয়ালৈ চাৰিওফালৰ পৰা মানুহ আহিল। ঘৰেই ঘৰ হ'ল। বাংলাদেশী আহিল, নেপালী আহিল, খুটি বহিল, বিহাৰী, দেচুৱালী, গলিৰ পিছত গলি,—পাৰাৰ পিছত পাৰা। দুই তিনিটামান তিনি আলি হ'ল। তিনি আলিত দোকান-পোহাৰে ঠাই খালে। ইফালে ঘাই পথৰ কাষত সৰু ডাঙৰ উদ্যোগ বহিল। এলুমিনিয়াম ফেক্টৰী, উভৰ্ৰথ, ষ্টীল—নানান উদ্যোগ। হৰেক ৰকমৰ মানুহ। বেপাৰী, কৰ্মচাৰী, সাধু, গুণ্ডা, চোৰ, ঠগ, প্ৰৱঞ্চক...

চাপ্পাই ডিবেক্তৰ বিজয় বৰুৱাই চাই থাকোতেই আলিটোৰ সিপাৰে গোট খোৱা মানুহৰ জুমটো নোহোৱা হৈ গ'ল। কেইটামানে আলু বেপাৰীটোক আঁতৰ কৰি নিলে। কেইটামানে ৰচিদক ধৰিলে। ৰচিদৰ পুতেক বদিৰ বোলাটোৱেও আলু বেপাৰীটোলৈ খেদা মাৰি আহিছিল। পিছে সি আহি পোৱাৰ আগতেই দুটামানে বাটতে তাক ধৰা ধৰি কৰি সিফালে লৈ গ'ল।

গোট খোৱা মানুহবোৰ নোহোৱা হৈ যোৱাৰ পিছত সেইখিনিত বৰুৱাই নেদেখিব নলগা মুখ এখন দেখিবলৈ পালে। মুখখন দেখিয়েই বৰুৱাই বহি থকাতে গাটো লৰালে। গোটেই ভূমণ্ডলখনেই ঘূৰি যোৱা যেন লাগিল তেওঁৰ। ছেঃ, এই আপদীয়া দুটাই কাজিয়াখন কৰা বাবেহে সেই মুখখন তেওঁৰ চকুৰ আগলৈ আহিবলৈ পালে। আৰু তেওঁ নিজেওনো বাৰু এই অৰ্থহীন কথাসোপা ভাবি ইয়াত বহি আছিল কিয়? নথকা হলেই দেখোন ·। এতিয়া নাথাকিনো বাৰু তেওঁ যাব

কলৈ ? বাকনী ঘৰত বহি বহি কথা পাতিবলৈ...জয়শ্ৰীকেও যে কাহানিবাই তেওঁক এৰি নেদেখা ঠাইলৈ গুচি গৈছে।...বিজনো ঘৰত নাই। ঘৰত মানুহ বুলিবলৈ দয়াৰাম নামৰ বুঢ়াকটো আছে। তাৰ দ্বাৰা কি হ'ব ? তাৰ লগত জানো কথা পাতিব পাৰি ?

আলিবাটৰ ওপৰত থকা মানুহজনীৰ মুখখন অকস্মাতে বকৰা-ভৱনৰ পিছফালৰ বাৰান্দাখনৰ ফালে ঘূৰিল আৰু কিছু পৰ স্থিৰ হৈ ৰ'ল। মুখখনৰ স্থিৰ দৃষ্টি বিজয় বকৰাৰ গাত পৰাৰ লগে লগে তেওঁৰ এনেহে লাগিল যেন চকুৰ দৃষ্টি নহয়, তেওঁৰ গাত সেয়া তপত তেলহে ছিটিকনি পৰিছে।

তপত তেলৰ ছিটিকনিৰ বেদনা সহিব নোৱাৰি বিজয় বকৰাই ছাটি-ফুটি কৰি উঠিল। তেওঁৰ অৱস্থাটো বুজিয়েইনে কি জানো আলিবাটত ৰৈ থকা সেই বিশেষ মানুহজনীয়ে মুখখন সিফালে ঘূৰালে আৰু ভিৰৰ মাজত নিজক লুকুৱাই পেলালে।

সেই মানুহজনী আন কোনো নহয়, সেইজনী হ'ল কাঞ্চন। তাই দীনদয়ালৰ ঘৈণীয়েক। দীনদয়াল এসময়ত বকৰাৰ ড্ৰাইভাৰ আছিল। দুৰ্ঘটনাত পৰি মৰিল।কাঞ্চনৰ দুখ সহিব নোৱাৰি জয়শ্ৰীয়ে তাইক নিজৰ ঘৰতে আশ্ৰয় দিলে। ক্ৰমে ক্ৰমে কাঞ্চন বকৰা পৰিয়ালৰে মানুহ হৈ পৰিল। তাৰ পিছত ..তাৰ পিছত

নাই, নাই, তাৰ পিছত কি হ'ল বকৰাই ভাবিব নোৱাৰে। পিছৰ কথাখিনি ভাবিবলৈ ল'লেই বকৰাৰ বিজনলৈ মনত পৰে। বিজনে সেইবোৰ কথা জানিবলৈ হ'লে সৰ্বনাশ হ'ব। উৎপতীয়াটোৱে কি মূৰ্তি ধৰি পেলাই একো ক'ব নোৱাৰি। বিজনে কেনেবাকৈ কথাবোৰ জনা মানে বিজয় বকৰা জীয়াতে মৰাৰ নিচিনা হোৱা। পুতেকৰ ওচৰত তেওঁ এই দুৰ্বলতাৰ কথা প্ৰকাশ কৰিব নোৱাৰে।...

.. বিজয় বকৰাই কাঞ্চনৰ ছবিখন মনৰ পৰা ম'চি পেলাবলৈ যত্ন কৰিলে। ইতিমধ্যে সময়ো ডাজেখিনি আগবাঢ়িল। আলিবাটৰ কাষৰ নিয়ন লাইটবোৰ জ্বলিল। বকৰা-ভৱনৰ আন্ধাৰে আৱৰি ধৰা

কোঠাবোৰো ইটোৰ পিছত সিটোকৈ পোহৰ হৈ পৰিল। পিছফালৰ লাইটটো জ্বলি উঠাৰ লগে লগে—বচ্, বিজয় বৰুৱাই বুজি পালে যে এয়া দুৱাৰামৰ লাইট ওৱাৰ্নিং। আৰু বাহিৰত নাথাকিবা, ভালে ভালে ভিতৰলৈ আহাঁ। নাজানানে কি, এয়া কাল-সন্ধ্যা।...

বহাৰ পৰা উঠি বৰুৱাই জ্বলি থকা বাৰটোলৈ চালে।

আকৌ জয়শ্ৰীৰ স্মৃতিয়ে তেওঁক আচ্ছন্ন কৰি পেলালে। জয়শ্ৰীয়ে প্ৰায়ে কৈ থকা সেই কথাষাৰ তেওঁৰ কাণৰ ওচৰত বাজি উঠিল—ইয়ে, আন্ধাৰে-মুন্ধাৰে ভূতটোৰ দৰে বহি আছে যে। লাইটোও জ্বলাই লোৱা নাই। নাজানেনে কি—এয়া কাল-সন্ধ্যাৰ সময়। আহক, ভিতৰলৈ আহক।— কৈয়ে জয়শ্ৰীয়ে বাৰটো জ্বলাই দিয়ে। তাৰ পিছত বলেৰে নিয়াদি বৰুৱাক ভিতৰলৈ লৈ যায়।

কিন্তু আজি তিনিবছৰ হ'ল,—বৰুৱাই পূৰ্বৰ সেই অভ্যাস সলনি কৰি পেলাইছে। নসলাই উপায়ো নাই। .আজিকালি জয়শ্ৰীয়ে তেওঁক সেইদৰে ভিতৰলৈ নিবলৈ নাহে, জয়শ্ৰী নাই। গতিকে দুৱাৰামে বাৰটো জ্বলাই দিয়াৰ লগে লগে বৰুৱা নিজেই উঠি যায়।

...জ্বলি থকা বাৰটোৰ পৰা ক্ষণিকতে দৃষ্টি ঘূৰাই আনি বৰুৱা ভিতৰলৈ গ'ল। ভাদ মাহটো শেষ হৈ অহা বাবেইনে কি জানো— বৰুৱাৰ অলপ জাৰ জাৰ লাগিল। তেওঁ কামিজটো পিন্ধি ল'লে। লৈ আগফালৰ ফুলনিখনলৈ আহিল।

এই যে জকমকাই থকা ফুলনিখন। এইখনৰ লগতো জয়শ্ৰীৰ স্মৃতিয়েই জড়িত। এইখন ফুলনিৰ লগত আজি তিনি বছৰৰ আগলৈকে বৰুৱাৰ কোনো সম্পৰ্ক নাছিল। জয়শ্ৰী আঁতৰি যোৱাৰ পিছতহে ফুলনিখনৰ লগত তেওঁৰ পোনপটীয়া সম্পৰ্ক ঘটিল। জয়শ্ৰীয়ে ফুলনিখন যেনেদৰে যত্নসহকাৰে সজাই পৰাই তুলিছিল, আজি বিজয় বৰুৱাইও সেই একেই যত্নেৰে ফুলনিখনৰ তদাৰক কৰি আছে। বৰুৱাৰ মতে ফুলনিখন শেষ হৈ যোৱা মানে তেওঁৰ মনৰ পৰা জয়শ্ৰীৰ স্মৃতিয়েই শেষ

হৈ যোৱা।...তেওঁ যে জয়শ্ৰীৰ স্মৃতি কোনো দিনে শেষ হ'বলৈ দিব নোৱাৰে। বিগত দিনৰ সেই স্মৃতি হৃদয় বিদাৰক হ'লেও বৰ মধুৰ। এতিয়া সেই মধুৰ স্মৃতিয়েই তেওঁ জীয়াই থকাৰ একমাত্ৰ সম্বল।... সেয়াই তেওঁৰ বাবে একমাত্ৰ আশ্ৰয়।

...এৰা! দিন বাঢ়ি যোৱাৰ...বয়স বাঢ়ি যোৱাৰ লগে লগেহে তেওঁৰ যে জয়শ্ৰী বৰুৱা নামৰ নিজা মানুহ এজনী, অন্তৰংগ বান্ধৱী এজনী আছিল, সেই কথা গভীৰ ভাৱে উপলব্ধি হৈছে। বিজয় বৰুৱাৰ এনেহে লাগিছে—সুদীৰ্ঘ একৈশটা বছৰ জয়শ্ৰী তেওঁৰ লগত নাছিলেই, যেন বিগত তিনিটা বছৰহে তেওঁৰ লগত আছে। বিগত তিনি বছৰৰ ভিতৰতহে যেন জয়শ্ৰী আৰু তেওঁৰ সম্পৰ্ক নিবিড় হৈ পৰিছে। এই-ছোৱা সময়ৰ ভিতৰতেহে যেন তেওঁলোকৰ মাজত গভীৰ ভালপোৱা আৰম্ভ হৈছে...

গভীৰ ভাৱে ভালপোৱা? বিয়াৰ আগতে? নাই নাছিল!—বিয়াৰ আগতে তেওঁলোকৰ মাজত তেনেধৰণৰ কোনো সম্পৰ্কই নাছিল বুলিব লাগে। অৱশ্যে জয়শ্ৰীৰ ফালৰ পৰা টনা আজোৰা অলপ নাছিল বুলি ক'লে সত্যৰ অপলাপ কৰা হ'ব। বিজয় বৰুৱাই কটনত পঢ়িছিল। জয়শ্ৰীও কটনীয়ানেই আছিল। কেতেকীপহীয়া গাটোৰে, মেঘ মেঘ লগা চুলিটাৰেৰে ধুনীয়া মুখৰ ছোৱালীজনী জয়শ্ৰীক বৰুৱাই ভালপোৱা নাছিল। কিন্তু থাওক বাৰু এতিয়া··

কটনৰ পৰা বি এ পাছ কৰি, ঘৰলৈ আহি, চাপ্লাই অফিচত চাকৰি লৈ তেওঁ বিয়াৰ পাল্লাত পৰিল। মাক-মাহীয়েক বিয়নি সাৰটা—সোনকালে বিয়া পাতিব লাগে। ছোৱালী দিওঁতাও ওলাল। নগাঁৱৰ। সাংঘাতিক অৱস্থা এটাৰ সন্মুখীন হৈ বিজয়ে ছোৱালী চাবলৈ গৈ দেখে—চিনাকি ছোৱালীয়েই। বিজয় বৰুৱাই দেখাৰ লগে লগেই জয়শ্ৰীক পছন্দ! তাৰ পিছত ধুম-ধামেৰে বিয়া। বিয়াৰ পিছত বাইশ বছৰীয়া দাম্পত্য জীৱন···

বি· এ· পাছ কৰাৰ পৰা · নহয়, তাৰো কেইবছৰমানৰ আগৰ পৰা

বিয়া নামৰ কাণ্ডটো কৰি পেলোৱালৈকে, আজি এই মুহূৰ্তত, জয়শ্ৰীৰ আদৰৰ ফুলনিখনৰ মাজত বৈ বিজয় বৰুৱাই সেই সময়ছোৱাৰ কথা বৰ চমুকৈ ভাবি পেলালে যদিও কথা কিন্তু সিমান চমু নহয়। সেইখিনি কথা লিপিবদ্ধ কৰিলে সঁচাই মিছাই এখন উপন্যাসেই হ'ব। অৰ্থাৎ কাহিনী দীঘল।

...মাক-দেউতাকে বিচাৰি দিয়া বা পিছত নিজেই পছন্দ কৰা এই জয়শ্ৰীজনীৰ লগত বৰুৱাই বৰ সহজতে বিয়াৰ সন্মতি দিয়া নাছিল। তেওঁ আন এজনী ছোৱালীৰ লগত হিয়া দিয়া লোৱা কৰিছিল, তাইৰ লগত তেওঁৰ গভীৰ ভালপোৱা আছিল। কিন্তু বহু চেষ্টা কৰিও অৱশেষত বৰুৱাই সেই ছোৱালীজনীক বিয়া কৰাবলৈ নোৱাৰিলে।

...বিজয় বৰুৱাই স্মৃতিৰ মজিয়াইদি খুব সাৱধানেৰে খোজ পেলাব ধৰিছিল, কিন্তু তেওঁৰ গতিত বাধা পৰিল। পিছফালৰ পৰা এটি নাৰী কণ্ঠই তেওঁক উদ্দেশ্য কৰি মাত দিলে,—খুৰাদেউ।

বৰুৱাই ঘূৰি চালে,—অ' এইজনী বাসৱীচোন। কিন্তু এই সন্ধ্যা বেলিকা আহিলা যে! কোৱাচোন কোৱা, তোমাক মই কেনেদৰে সহায় কৰিব লাগিব কোৱা।

বৰুৱা বাসৱীৰ ওচৰলৈ আহিল। বাসৱীয়ে ওঁঠৰ কথাখিনি কওঁনে নকওঁ কৰি পিছত কোমলকৈ ক'লে,—বিজনদাক লগ পাব লগা আছিল।

ৰগৰ কৰিবৰ মনেৰেই বৰুৱাই মাতটো ডাঙৰ কৰিলে,—বিজনক লগ পাব লগা আছিল? অঁ—তেনেহলে লগ পাই থাকা! তাত মোৰ পাৰমিচনৰ কি প্ৰয়োজন? তোমাকতো মই কাহানিবাই বিজনক চমজি ল'বলৈ ক'লোঁ। মাকে নোৱাৰিলে, মই নোৱাৰিলোঁ, কিজানিবা তুমি তাক চম্ভালিব পাৰাই! ক'তা—মিছা কৰিলা দেখোন।

ৰগৰ নজমিল। বৰুৱাৰ ৰগৰ বাসৱীয়ে ভাল নাপালে। তাইৰ বাবে এয়া ৰগৰ কৰি থাকিবৰ সময় নহয়। তাইৰ বাবে এয়া কান্দি-কাটি বাউল হ'বৰ সময়। সেয়ে তাই অলপ গম্ভীৰ ভাৱে ক'লে—আবেলি লগ পাইছিলোঁ। আমাৰ ঘৰলৈ গৈছিল। মা-ৰ

ঔষধবিধি আনিবৰ বাবে প্ৰেচ্‌ক্ৰিপ্‌চনখন দি পঠালোঁ। সন্ধ্যাৰ আগে আগে ঘূৰি অহাৰ কথা আছিল। এতিয়া ইমান পৰেও নাহিল। ইফালে মা-ৰ তীব্ৰ কঁপে জ্বৰ উঠি আহিছে।

বাসন্তীৰ কথা শুনি বৰুৱাও গম্ভীৰ হৈ পৰিল। অকল গম্ভীৰেই নহয়, বাসন্তীৰ মাকৰ তীব্ৰকঁপে জ্বৰ উঠিছে বুলি জানি তেওঁৰ বৰ ছাটি-ফুটি লাগি আছিল। তেওঁ বাসন্তীক ক'লে,—ঔষধ আনিবলৈ যদি আন কোনো মানুহ নাছিল তেনেহলে মোৰ ওচৰলৈ নাহিলা কিয়? ই দয়াৰাম দিনৰ দিনটো ঘৰতে আছিল। সেই দায়িত্বজ্ঞানহীন চেৰা বলিয়াটোক কাগজখন দি পঠাই···খালা খালা। ক'ত বা তলৌ তলৌ ঘূৰি ফুৰিছেগৈ কি ঠিক। এতিয়া কি কৰা যায়?···মাৰাৰ নো কি হৈছে? ডাক্তৰে কি কৈ গৈছে?

বাসন্তীয়ে বিহ্বল কণ্ঠেৰে উত্তৰ দিলে,—ডাক্তৰে টাইফয়েদ বুলি অনুমান কৰিছে।

বৰুৱাৰ চকু দুটা আন্ধাৰতে জিলিকি উঠিবৰ উপক্ৰম হ'ল,—কি ক'লা? টাইফয়েদ বুলি অনুমান কৰিছে? সিনো কেনেজন ডাক্তৰ যে বেমাৰটোৰ কথা খাটাং ভাৱে কৈ যাব নোৱাৰে।...কিন্তু মোৰ এই চেৰা বলিয়াটোক এতিয়া ক'ত পোৱা যায়? যোৱাচোন, ইয়াকে—দয়াৰামকে মাতা।

কিন্তু বাসন্তীয়ে দয়াৰামক মাতিবৰ বাবে ভিতৰলৈ যাব লগা নহ'ল। সিফালৰ পৰা বাসন্তীহঁতৰ ঘৰৰ ওচৰেৰে ল'ৰা এটা ঢপলিয়াই আহি কলেহি, মাহীক ঔষধ খুৱাবৰ বাবে বিজনদাই তোমাক বেগেতে মাতিছে। শুনিয়েই বাসন্তী তাত বৈ নাথাকিল। বৰুৱাইও খৰ খেদাকৈ পঠাই দিলে,—সি আহি পালেহি যেতিয়া তুমি আৰু বৈ থাকিব নালাগে। যোৱা যোৱা, বেগাই যোৱা। ঔষধ খুউৱাৰ পিছত টেম্পেৰেচাৰ কমে নে নকমে মোক মাথো জনাবা।

খৰ খোজেৰে বাসন্তী বৰুৱাৰ কাষৰ পৰা গুচি গ'ল। বিজয়দাই যোৱাৰ ফালে চাই নিজৰ বুকুখনকে এবাৰ খেপিয়াই চালে।

আছে—বিজনলৈ যিমান মৰম আছে এই ছোৱালীজনীলৈও তেওঁৰ বুকুত সিমানেই মৰম আছে। উপকণ্ঠ অঞ্চলটোৰ নিচৌ মূৰত বাসন্তীহঁতৰ ঘৰ। জয়শ্ৰীয়ে তেওঁক এৰি যোৱা দুমাহ মে ভিনিমাহৰ পিছতেই বৰুৱাৰ বিশিষ্ট বন্ধু হিতেন দাসে বাসন্তী আৰু মাকক অথাই সাগৰত পেলাই এৰি থৈ গ'ল।···আৰু সেই দিনাই, যি দিনা দেউতাক হিতেনৰ বাবে বাসন্তী কান্দি কান্দি অচেতন হৈ পৰিছিল সেই দিনাই বৰুৱাই খাটাং কৰি পেলালে যে বন্ধুৰ অবিহনে বাসন্তীৰ দায়িত্ব তেৱেঁই ল'ব। বিজনৰ লগতে বাসন্তীকো তেওঁৰ বুকুত ঠাই দিব,—তাইক তেওঁৰ ছোৱালী হিচাবে আদৰিব।

বাসন্তীক দেখিয়েই আনদিনা অহাৰ নিচিনাকৈ আজিও বৰুৱাৰ মনলৈ সেই ভাবটো আহিল। সোনকালে বিজনৰ বিয়া পাতিব লাগে। এইখন ঘৰলৈ বাসন্তীক লৈ আহিব লাগে। জয়শ্ৰীৰ অবৰ্তমানত এইখন ঘৰ বাসন্তীক মচজাই দিব লাগে। বৰুৱাই জয়শ্ৰীৰ সলনি বাসন্তীকে মৰম কৰিবলৈ পাব।

বাসন্তী যোৱাৰ ফালে এনেয়ে বৰুৱা দুখোজমান আগবাঢ়িল।

এইবাৰ তেওঁ বাসন্তীৰ মাকৰ কথা মনত পেলালে। টাইফয়েড জ্বৰ যদি মানুহজনীয়ে বৰ কষ্ট পাইছে। বাসন্তীৰ মাকে কষ্ট পোৱা মানে উস্ বাসন্তীৰ মাকলৈ মনত পৰাৰ লগে লগে বিজয় বৰুৱাৰ বুকুখন বিষাই উঠিছে কিয় উস্···তেওঁৰ মূৰটোও ঘূৰাই যোৱা যেন লাগিছে কিয়·· উস, তেওঁৰ দেখোন জাৰ জাৰো লাগিছে বুকুখনত বৰ বিষ বৰ বেদনা·

বিজয় বৰুৱাৰ আকৌ এবাৰ জয়শ্ৰীলৈ মনত পৰিল।

আকৌ এবাৰ জয়শ্ৰীক বিয়া কৰোৱাৰ আগতে ভালপোৱা ছোৱালীজনীলৈ মনত পৰিল।·· আৰু একেবাৰে শেষত তেওঁৰ মানস চকুত জিলিকি উঠিল বাসন্তীৰ মাকৰ ছবিখন। টাইফয়েড হুট্ কটাই থকা বাসন্তীৰ মাকৰ কথা ভাবি বৰুৱাই লগুৱা দয়াৰামক চিঞৰিলে। দয়াৰাম ওচৰ চাপি আহিল,—দেউতা থকৰা বেডেনা কেইটা কাটিছিলোঁ,

বোলোঁ আজি চৰ্চবিকে এনেকৈ খোৱা হওক। পিছত দেউতা, পোকেই পোক। এই কুকুৰৰ পুতেক বেপাৰী কেইটাই বেঙেনা নেবেচি পোকহে বেচিছে দেউতা। পিছত সিদিনা কাঞ্চনৰ ঘৰৰ পৰা যে কেইটামান আনিছিলোঁ—লায়কৰ আছিল হ'লে দেই।...এৰা। তাইৰ ঘৰলৈ গলেই দীনদয়ালটোলৈ মনত পৰি যায়...

দয়াৰামৰ মুখত কাঞ্চন আৰু দীনদয়ালৰ কথা শুনি অজানিতে বিজয় বৰুৱাৰ গাটো কঁপি উঠিল। তেওঁ দয়াৰামক ভেকাহি মাৰি দিলে,—তোৰ মুখখন মেল খালে আৰু বন্ধ নহয়। তোৰ লেকচাৰ শুনিবলৈ মোৰ সময় ক'ত? যা, টৰ্চটোৰে লাখুটি ভালে লৈ আহ।

ভাল ভাল দেউতা ভাল বুলি কৈ দয়াৰাম ভিতৰলৈ গ'ল।

বৰুৱাই আকৌ দয়াৰামৰ কথাষাৰকে ভাবিলে, কাঞ্চন—সন্ধ্যাৰ আগে আগে আলিত চাকি ধৰিবলৈ অহা কাঞ্চন। তেজ গোৰা গাতকুঞ্জনী। কাঞ্চন...কাঞ্চনৰ ঘৰৰ বেঙেনা। ..কাঞ্চন—দীনদয়াল, দীনদয়াল—কাঞ্চন। ..কিন্তু বৰুৱাই সৌটো কাক দেখিছে. .তেওঁৰ ওচৰলৈ সৌটো কোন আগবাঢ়ি আহিছে?.. দীন . দীনদয়াল .ই মৰিছিল নহয়, আকৌনো ক'ৰ পৰা ওলালহি? মৰা মানুহ জীয়েনে?. সি সেইবোৰ কি চিঞৰিছে আপুনি আপুনি চাৰ আপুনি সদায় সদায় মোৰ ঘৰলৈ কিয় যায়? .আপোনাক আপোনাক বিশ্বাস কৰিব পাৰিনে? মই কাঞ্চনক বিশ্বাস কৰিব পাৰোঁনে? ..মই চাৰ চুইচাইড কৰিম মই মৰি যাম...মই .মৰি —দীনদয়াল। নিজক চম্ভালিব নোৱাৰি বৰুৱাই শেষৰ শব্দটো জোৰেৰে চিঞৰি দিলে।

—দেউতা ভুলেই হ'ল, মোৰ নাম দয়াৰাম হে।...আৰু দেউতা সদায় সদায় ভুল কৰি আপুনি মোক দীনদয়াল বুলি চিঞৰে। মৰা মানুহৰ নাম ধৰি চিঞৰিলেই মোৰ দেউতা বুকুখন চিৰিং কৰি উঠে। লওক দেউতা আপোনাৰ টৰ্চ আৰু লাখুটি।—কৈ কৈ দয়াৰামে বৰুৱাৰ কাষলে বস্তু কেইটা আগবঢাই দিলে। বৰুৱাই কঁপা হাতেৰে বস্তু কেইটা নিজৰ মুঠিলৈ আনিলে।...

বিজয় বৰুৱাই পলাবৰ বন্ধ কৰি [illegible] নিৰ্দেশ দিলে,—বা বেছিকৈ পোক আছে যদি বেঙেনা কেইটা পেলাই দে দে। পোকে-চোকে নেবাছিবি।

কথাবাৰ কৈ বৰুৱাই গেটৰ কাষে খোজ আগবঢ়ালে। বাসন্তীয়েনো ক'ত খবৰ দিবলৈ আহিব পাৰিব। ই চেৰা বলিয়াটো বা যায়গৈ কেনি ? গতিকে তেওঁ নিজেই খবৰ এটা কৰি অহা ভাল। সেইটো মানুহজনী...

## দুই

মাকে কৈছিল, আগলৈ পিছলৈ এটা মাথোন ল'ৰা—মই তাক ইমান দূৰলৈ এৰি দিব নোৱাৰোঁ। লাগে সি নপঢ়ি মুণ্ডনি ঘৰতে গৰু হৈ থাকক। ..আৰু যদি পঢ়াই-শুনাই মানুহ কৰিবলৈ মন আছে ইয়াৰে—যোৰহাটৰে কোনোবা এখন কলেজত নাম লগাই দিয়ক।

উত্তৰত দেউতাকে কৈছিল, তুমি কথাবোৰ বুজা নাই আৰু নুবুজা বাবেই তুমি সন্তানৰ মোহত এনেদৰে অন্ধ হৈ পৰিছা। ঘৰত থকাতকৈ বাহিৰত থাকিলেহে বেছি কথা শিকিব পাৰি। পুতেৰা গুৱাহাটী হেন চহৰত থাকিব, কটনৰ দৰে কলেজত পঢ়িব—কি বেয়াটো হ'ব কোৱা ? তুমি ঘৰকৈ হাঁয়ে বিয়েখন কৰি এই সময়ত তাৰ মনটো বেয়া কৰি নেথাকিবা। দেখা যাওক, সুবিধাজনক যেন নেদেখিলে আকৌ ইয়ালৈকে ঘূৰাই আনিম।

ল'ৰাৰ দেউতাকক অকলে নোৱাৰি মাকে এইবাৰ ল'ৰাৰ ককা-দেউতাকৰ আশ্ৰয় ল'লে। ভাবি-গুণি চাই ককাদেউতাকেও ল'ৰাৰ দেউতাকৰ পক্ষ লোৱাত অৱশেষত ল'ৰাটোৰ কটন কলেজত পঢ়াটোৱেই স্থিৰ হ'লগৈ। যথা সময়ত অমল বৰুৱাৰ পুতেক বিজয় বৰুৱাই গুৱাহাটী যাত্ৰা আৰম্ভ কৰিলে।

বিজয় পঢ়াত বেয়া ল'ৰা নাছিল। কটন কলেজৰ প্ৰথম দুবছৰ,

অর্থাৎ ইণ্টাৰমেডিয়েট শ্রেণীত মুৰ দঙা-দঙি কাধবাৰ নাই। পঢ়া আৰু পঢ়া। হোষ্টেলৰ কোনোবাই ধৰিলে অতি বেছি শিলপুখুৰীলৈকে ওলাই যায়। টনা আজোবা কবি উলিয়াই নিজে চিনেমা এখন চাই আহে। বচ্। তাৰ বাহিৰে পঢ়াৰ টেবুলত আৰু কিতাপৰ মাজত। সেয়ে সেই সময়ত হোষ্টেলৰ ল'ৰাবোৰে, বিশেষকৈ একে কোঠাতে থকা কেইটাই তাক পোক নাম দিছিল। পোক বুলি মাতিছিল। আনকি ছোৱালীবোৰেও চল পালেই তাক পোক বুলি জোকাবলৈ আৰম্ভ কৰিছিল।

পিছে ডিগ্রীৰ প্রথম বার্ষিকত পোকৰ মতি গতি কিছু সলনি হ'ল। কিতাপৰ মাজৰ পৰা বাহিৰলৈ ওলাই আহিল। যাৰে তাৰে লগত হাঁহি মাতি ফুৰিবলৈ ধৰিলে, হোষ্টেলৰ বাহিৰে ভিতৰে পিত্ পিতাবলৈ আৰম্ভ কৰিলে। শিলপুখুৰী পাৰহৈ পোক পূব গুৱাহাটিলৈও যাব পৰা হ'ল। ইফালে নৈৰ পাৰৰ বাট ছোৱালাটো বগাই ফুৰা দেখা গ'ল। নিশা কোনেও নজনাকৈ হোষ্টেলৰ গেটেদি বগাই চেকেণ্ড শ্ব' চোৱাতো পোক পাকৈত হৈ পৰিল। গার্লচ্ হোষ্টেল, গার্লচ্ কমন ৰুমৰ ওচৰতো পোকে চেগ বুজি সময় বুজি এপাক দুপাক বগাবলৈ আৰম্ভ কৰিলে।

পোকৰ এই দ্রুত পৰিবর্তন দেখি কটনৰ আনবোৰ ল'ৰা বিস্ময়ত এক প্রকাৰ হতবাক। অঘাইটং দুটামান চোৰাংচোৱাগিৰিত নামিল, —আবে বিজয় বৰুৱা কিমান পানীৰ মাছ অ'।..কাকতি চাৰৰ জীয়েকলৈ চাই চকু টিপিওৱা মানে ভৰ বাৰিষা ব্রহ্মপুত্র নৈ সাঁতুৰি পাৰ হ'বলৈ যোৱা। আমি তেনে কামো সমাপন কৰি থৈছোঁ যেতিয়া বিজয়ৰ মতি গতি সলনি হোৱা ৰহস্যটো বাহিৰ কৰিব নোৱাৰিমনে।... নিশ্চয় জানিবি, ই পোক পিছে এনেয়ে এইদৰে বগাই ফুৰিবলৈ আৰম্ভ কৰা নাই। ভিতৰত নিশ্চয় কিবা ঘটিছে। বাহিৰ কৰিমেই দে।

সেই সময়ৰ হোষ্টেল চুপাৰ স্বয়ং কাকতি চাৰেও পোকৰ এই পৰিবর্তন লক্ষ্য কৰিবলৈ বাধ্য হ'ল। তেওঁ এদিন পোকক মাতি নি

ক'লে,—চোৱা বিজয়, তুমি যেনিবা থকা দ'বা। তোমাৰ ওপৰত আমাৰ আশা আছে। গতিকে তুমি অলপ চিৰিয়াচ হোৱা ভাল। তুমি যৰ বেছিকৈ ঘূৰা ঘূৰি আৰম্ভ কৰিছা। এনেদৰে হ'লে তোমাৰ যি কৰ্তব্য সেইখিনি নিয়াৰিকৈ পালন কৰিব নোৱাৰিবা।

কাকতি চাৰে আৰু বহুত কিবা কিবি কৈছিল। কিন্তু সেই আটাইবোৰ কথা পোকৰ কাণত নোসোমাল। সোমালেও বাওঁ কাণে সোমাই সোঁ কাণে বাহিৰ হৈ গ'ল। গতিকে কাকতি চাৰৰ উপদেশ তাৰ কোনো কামত নাহিল। সি আগৰ দৰেই ঘূৰা-পকা কৰি ফুৰিবলৈ ধৰিলে।

অৱস্থাৰ সলনি নোহোৱাত চোৰাংচোৱা দলটো অধিক সক্ৰিয় হৈ পৰিল। বেছ কিছু কষ্ট কৰাৰ পিছতহে দলটোৱে সকলো ৰহস্য উদ্‌ঘাটন কৰিবলৈ সমৰ্থ হ'ল। জয় জয়তে সিহঁতে ৰাদাৰ যন্ত্ৰ স্থাপন কৰিলে কাকতি চাৰৰ ঘৰৰ চাৰিওফালে। নাই, কোনো সংকেত নাহিল। পিছত যন্ত্ৰ স্থাপিত হ'ল নৈ পাৰৰ ফালে। নাই, কোনো সংকেত নাই। এইবাৰ গাৰ্লচ হোষ্টেলৰ আশে-পাশে। নাই, তাৰ পৰাও ৰাদাৰ যন্ত্ৰই কোনো সংকেত আনিব নোৱাৰিলে। শেষত যন্ত্ৰ স্থাপন কৰা হ'ল কটন কলেজৰ চৌহদৰ ভিতৰত। এইবাৰ সংকেত আহিল। চোৰাংচোৱা দলৰ ৰিপৰ্ট প্ৰকাশ কৰি পাতল মুখৰ বিজিত বোলাটোৱে চিঞৰি চিঞৰি ক'বলৈ ধৰিলে,—দেখাত বৈষ্ণৱী ভকত হ'লে কি হ'ব, নেদেখাত জেওৰা চোৰ। আমি ঘূৰণ-পাকন কৰোতেই সন্দেহ কৰিছিলোঁ। পাৰিজাত হাজৰিকাৰ লগত লেনা-দেনা। আমি বোৰেহে দাঁত চেলাই থাকিলোঁ, ইফালে পোকে পাৰিজাতৰ বুকুত কামোৰ মাৰি বাহ সাজি বহিলেই।..

কথাবোৰ মিছা নহয়। গতিকে বিজয়ে অস্বীকাৰ নকৰিলে। পাৰিজাতক তাৰ ভাল লাগিছে। পাৰিজাতক সি ভাল পাইছে। পাৰিজাতৰো হেনো তাক ভাল লাগিছে। পাৰিজাতেও হেনো তাক ভাল পাইছে। বিজয় আৰু পাৰিজাতৰ মাজত যে মৰম দিয়া-লোৱা

আৰম্ভ হৈছে গাৰ্লচ্ হোষ্টেলতো কথাটো ইকাণ সিকাণ বাগৰিল। কমন ৰুমটো কথাটো ওলাল। পাৰিজাতৰ প্ৰতি চকু দিয়া ডেকা অধ্যাপক নিত্যানন্দ শইকীয়াইও গতি-প্ৰকৃতি দেখি কথাবোৰ বুজি পালে।

· বিজয়ে যেতিয়া ইন্টাৰৰ ফাইনেল পৰীক্ষা দিছিল, পাৰিজাতে তেতিয়া ইন্টাৰৰ প্ৰথম বাৰ্ষিকৰ পৰীক্ষা দি উঠিছিল। · সেইদিনা আছিল পৰীক্ষাৰ শেষ কাকত। পিছদিনাই বিজয়ে গুৱাহাটী এৰি ঘৰলৈ অহা কথা ভাবিছিল। আৰু সেয়ে পৰীক্ষা শেষ কৰি সি গৈছিল এজন বন্ধুৰ ঘৰত ফুৰিবলৈ, বন্ধুক মাত এষাৰ দি আহিবলৈ।

সি গৈ গৈ সেইদিনা দীঘলীপুখুৰীৰ পাৰ পাইছিলগৈ। এনেতে ঘটনাটো ঘটিল।

বিক্সাখন কটন কলেজৰ ওচৰৰ পৰাই আহি দীঘলীপুখুৰী পাৰত বিজয়ৰ ঠিক পিছ পাইছিলহি। হঠাৎ বিক্সাখনত জীপ গাড়ী এখনৰ প্ৰচণ্ড খুন্দা এটা লাগিল। একেই প্ৰচণ্ডতাৰে আৰোহী জনে উফৰি গৈ বিজয়ৰ গাত খুন্দা লগালে। বিজয়ো বাওঁ কাষে ছিটিকি পৰিল। সি বুকুত দুখ পাইছিল যদিও ভাৰ সাম্য ৰক্ষা কৰি ঘূৰি চাই দেখে, আৰোহী গৰাকী এগৰাকী ছোৱালী। খুন্দা খাই ঠাইতে মূৰ্চ্ছা গৈছে। সি ততাতৈয়াকৈ ছোৱালীজনীৰ মূৰটো নিজৰ কোলাত তুলি লৈ পানী পানীকৈ চিঞৰিলে। লগে লগে ইজন সিজন চাপিল। কোনোবা কেইজনমানে বিক্সাৱালাটোক ধৰিলে। কোনোবা কেইজনমানে পানী আনি দিলে। অলপ পৰৰ পিছত ঘটনাস্থলীতে বিক্সাৱালাটোৰ মৃত্যু ঘটিল। ছোৱালীজনীক বিজয়ে চিনি পালে—সিহঁতৰ কলেজৰে। বোধকৰো পিছবেলা পৰীক্ষা দি ঘৰলৈ ঘূৰি আহিছিল। ক'তো কেনিও ঘা-চা লগা নাই যদিও চেতন পাই মূঠা বাৰে ছোৱালীজনীৰো অৱস্থা সংকটজনক বুলি সকলোৰে মনত সন্দেহ হ'ল।

—এই ছোৱালীজনীয়েই হ'ল পাৰিজাত।

পাৰিজাতক লৈ বিজয় চিকিৎসালয় পালেগৈ। পাৰিজাতৰ

চিন্তিতভাৱে চলি থাকোতেই অকস্মাতে বিজয়ে বুকুত এটা বিষ অনুভৱ কৰিলে। ডাক্তৰে চাই-চিতি ক'লে বোলে দুদিন চিকিৎসালয়ত থাকি যোৱা ভাল। বুকুৰ এক্স-ৰে ল'ব লাগিব।·· পিছদিনাই ঘৰলৈ যাম বুলি ভাবি থকা বিজয় চিকিৎসালয়তে বৈ যাব লগা হ'ল।

পাৰিজাতৰ চেতনা ঘূৰিবলৈ সময় লাগিছিল যদিও বিশেষ আঘাত পোৱা নাছিল। গতিকে চিকিৎসকে তাইক পিছদিনাই চিকিৎসালয়ৰ-পৰা পঠাই দিলে। মাক-দেউতাকে আহি তাইক লৈ গ'লহি। চেতনা লোপ পোৱা নাছিল যদিও বিজয়ৰ আঘাত পাৰিজাততকৈ অলপ গুৰুতৰ আছিল। গতিকে সি পিছদিনাই গুচি যাব নোৱাৰিলে।

চিকিৎসালয়ত ভৰ্তি হ'বৰ তৃতীয় দিনা বিজয়ৰ বুকুৰ বিষটো ভালেখিনি পাতলি আহিল। চিকিৎসালয়ৰ চকচকীয়া বগা বিচনাখনত চিৎভোলোঙা দি পৰি বিজয়ে ভাবিলে, কি খনযে হৈ গ'ল। কি কুক্ষণত যে সি সেইদিনা বন্ধু চেলাবলৈ হোষ্টেলৰপৰা ওলাই আহি-ছিল। সেইদিনা ঘটনাটো নঘটা হ'লেই সি আজি চিকিৎসালয়ৰ বিচনাত পৰি নাথাকি ঘৰৰ বিচনাত পৰি থাকিলহেঁতেন। ঘৰৰ কথা মনত পৰাৰ লগে লগে বিজয়ৰ চকুৰ আগত মাক-দেউতাকৰ মুখ কেইখন জিলিকি উঠিল। তাৰ বেয়া লাগি আহিল।..আৰু ক্ৰমে ক্ৰমে সেই বেয়া লগা ভাবটোৱেই গৈ বেজাৰত পৰিণত হ'লগৈ। তাৰ চকু দুটা তাৰ অজ্ঞাতেই সেমেকি আহি এবাৰত দুগালেদি লোতক বাগৰি গ'ল।

হাতত আঙুৰ আৰু আপেলৰ টোপালা এটা লৈ কোঠাৰ ভিতৰত যে পাৰিজাত বৈ আছিল বিজয়ে কবই নোৱাৰে। 'ছিঃ নাপায় নহয়' বুলি যেতিয়া তাইৰ হাতৰ মিঠা সুবাস থকা ৰুমালখনেৰে বিজয়ৰ দুগালেদি বাগৰি অহা লোতকখিনি ম'চি দিলে তেতিয়াহে তাৰ সেমেকা চকুত আশ্চৰ্য্যৰ ভাব প্ৰকাশিত হ'ল। সি অলপ হাঁহিবৰ যত্ন কৰিলে।

বেগৰপৰা উলিওৱা প্লেটখনত আঙুৰ কেইটামান বিজয়ৰ ফালে আগবঢ়াই দি পাৰিজাতে ক'লে,—ময়েই দুৰ্ভগীয়া। মোৰ বাবেহে আপোনাৰ এইখন হ'বলৈ পালে। ডাক্তৰে অৱশ্যে সোনকালেই ভাল

হৈ যাব বুলি কৈছে। ভাবিব লগা একো নাই। আপুনি বেজাৰ কৰি নাথাকিবচোন।

বিজয়ে বিচনাতে বহিবৰ যত্ন কৰিলে। পাৰিজাতে প্ৰথমতে সামান্যভাৱে ইতস্ততঃ কৰি বিজয়ে লৈ থকা কাপোৰ জাপ কৌচাই দিলে। সি অলপ অসুবিধাত পৰা যেন দেখি চাঁৎ কৰে তাৰ বাউসী দুটাত ধৰি পাৰিজাতে তাক বহাত সহায় কৰি দিলে। কিছু দুৰ্বল হৈ থাকিলেও সম্পৰ্কহীন গাভৰু এগৰাকীৰ মৃদু স্পৰ্শত তাৰ গা-মনেদি বিজুলী সোঁত বৈ যোৱাদি কিবা এটা বৈ গ'ল। চকিত দৃষ্টিৰে পাৰিজাতৰ ফালে চাই সি আকৌ হাঁহিবৰ যত্ন কৰিলে।...

বিজয়ৰ বাউসী দুটা স্পৰ্শ কৰাৰ লগে লগে পাৰিজাতৰ গা-মনেদিও তড়িৎ প্ৰবাহিত নোহোৱাকৈ নাথাকিল। জাৰকালি বৰফ এডোখৰ ধৰি দিলে গাটো জিকাৰ খাই যোৱাৰ দৰে বিজয়ক ধৰি দি পাৰিজাতৰ গাটোও জিকাৰ খাই গ'ল। তাই ভমক কৰে বঙা পৰি উঠি বিজয়ৰ চকুলৈ চালে। চকুৱে চকুৱে পৰাত এইবাৰ তাইৰ কাণ-মুখ আটাইবোৰ ভমক কৰে একেলগে গৰম হৈ উঠা যেন লাগিল। তললৈ চকু নমাই আনি তাই বেগৰপৰা আপেল এটা উলিয়াই চকলিয়াবলৈ ধৰিলে। চকলকেইটা বিজয়ৰ প্লেটখনত দি লাজ লাজকৈ ক'লে, খাওকচোন।

পাৰিজাতলৈ চাই চাই বিজয়ৰ গধূৰ মনটো পাতল হৈ আহিল। তাইক ওচৰত পাই তাৰ ভাল লাগি গ'ল। সি তাৰ পৰিচিত শব্দবোৰৰ মাজত কেইটামান বাক্য বিচাৰি পালে। সৌজন্য প্ৰকাশ কৰি মাতটো অলপ সৰুকৈ সি কৈ উঠিল,—আপুনি যে খবৰ কৰিবলৈ আহিল, সেয়ে বহুত। ইমানবোৰ ননা হলেও হ'লহেঁতেন কাকতি চাৰ আহিছিল, তেখেতেও খাবৰ বাবে বহুত কিবা কিবি দি গৈছে।

পাৰিজাতে সামান্যভাৱে মুখ তুলি চাই ক'লে,—কিমাননো দিছোঁ? খাওকচোন বাৰু, পাৰিব। আৰু এটা কথা, কলেজত মই আপোনাক

এবছৰৰ তলৰ। গতিকে মোক আপোনা-আপুনিকৈ নামাতিব। তুমি বুলি মাতিব। তুমিয়েই যথেষ্ট।

বিজয়ে উত্তৰ দিলে,—অঁ, কলেজত দেখা যেন লাগিছে অৱশ্যে। কিন্তু তুমি তুমি কৰি থাকিলেও ভাল নালাগিব নহয়। নামটো জনা হলে—

পাৰিজাতে বিজয়ক তাইৰ নামটো ক'লে।

বিজয়ে প্লেটৰ পৰা নি আঙুৰ এটা মুখত ভৰালে। কেই মুহূর্তমান মনে মনে থকাৰ পিছত এইবাৰ পাৰিজাতৰ কোমল স্বৰ শুনিবলৈ পোৱা গ'ল,— গা কেনে পাইছে বাৰু?

—গা! বিজয়ে ধেমালি কৰি নিজৰ গাটোৰ চাৰিওফালে এবাৰ চালে। ক'লে,—গাতটো তেনেদৰে একো হোৱা নাই। বলিয়া ম'হে মৰাদি খুন্দাটো মাৰিলা পিঠিত, কিন্তু দুখ পালোঁ বুকুত। কেতিয়াবা কেতিয়াবা এনেকুৱা হয়েই দিয়াচোন। বর্তমান ভালেই পাইছোঁ। গাৰ কথা ভাবি চকু পানী ওলোৱা নাই, ঘৰৰ কথা ভাবিহে তাতে দিনৰ দিনটো পৰি থাকিলে এনেও মনটো বেয়া হৈ পৰে। তুমি আহি বেয়া হোৱা মনটো ভালেখিনি ভাল কৰি দিলাহি। আৰু চকুপানী ওলাব নালাগেচোন

পাৰিজাতে পাতলকৈ হাঁহিলে।

বিজয়ে আকৌ ক'লে,—ৰিক্সাৱালাটো ঠাইতে মৰিল। গতিকে দুর্ঘটনাটো ডাঙৰেই আছিল। তুমিও বেছ কিছুদিন চিকিৎসাধীন হৈ থাকিব লাগিব বুলিহে ভাবিছিলোঁ। পিছে তোমাৰ কপাল ভাল, পিছদিনাই গুচি গ'লা। এতিয়া মই দুৰ্কপলীয়া বা কিমান দিন থাকিব লাগে।

পাৰিজাতে নিজকে দোষী সাব্যস্ত কৰি তত্তাতৈয়াকৈ ক'লে,—নহয় নহয়, আপুনি নিজক দুৰ্কপলীয়া বুলি নাভাবিব। দুৰ্কপলীয়া মইহে। মোৰ বাবেই আপুনি ইমানখিনি কষ্ট ভুগিব লগা হ'ল। মোক ক্ষমা কৰিব। সেইদিনা মোৰ মৃত্যুৱেই আছিল কিজানি। আপোনাৰ গাত

খুন্দাটো মাৰি কোনোমতেহে নমৰাকৈ থাকিলোঁ। মই সেইবাবে আপোনাৰ ওচৰত চিৰদিন কৃতজ্ঞ হৈ থাকিম।

বিজয়ে ধেমালি কৰিবৰ মনেৰে পাতলকৈ কেইবাৰমান ক'ম বুলি ভাবিছিল। কিন্তু সি সুযোগ নাপালে। পাৰিজাতৰ কথাখিনিয়ে পৰিবেশটো গহীন কৰি তুলি তাক কথা কোৱাৰ পৰা বঞ্চিত কৰিলে। সি নীৰৱে আঙুৰ আৰু আপেলখিনি শেষ কৰাত লাগিল।

খোৱা-বোৱা আৰু কথা-বতৰা শেষ কৰি আনি বিজয় বগা বিচনা-খনত আকৌ দীঘল হৈ পৰিল। পাৰিজাতে কাপোৰজাপ তাৰ গালৈ টানি দি ক'লে,—বোধকৰোঁ পৰহি মানলৈকে আপোনাক চিকিৎসালয়ৰ-পৰা যাবলৈ দিব। যাবলৈ দিলেও পিছে আপুনি গুচি নাযাব। দেউতা অহা কথা আছে। তেখেতে আহি নাপালেহ মনতে বৰ কষ্ট পাব।

...কিছুপৰৰ পিছত পাৰিজাত গুচি গ'ল।

বিজয়ে বিচনাৰ পৰাই পাৰিজাত যোৱাৰ ফালে চালে। ছোৱালীজনী সঁচাকৈয়ে বৰ মৰমিয়াল আৰু সহানুভূতিশীল। সম্পৰ্কহীন অচিনাকি যুৱক এজনৰ ওচৰলৈ তাই এনেদৰে আহিব নালাগিছিল। কিন্তু আহিল। এয়া অৱশ্যে পাৰিজাতৰ সাহসী আৰু মুক্ত মনৰে পৰিচায়ক। পাৰিজাতৰ সাহসী আৰু মুক্ত মনটোক বিজয়ৰ বৰ ভাল লাগিল। সি পাৰিজাতৰ কায়িক ছবিখন মনতে আঁকি আঁকি বগা বিচনাখনত টোপনিয়াবলৈ যত্ন কৰিলে।

পাৰিজাত আহি যোৱাৰ তৃতীয় দিনৰ দিনা বিজয়ক চিকিৎসালয়ৰ পৰা ছুটি দিয়া হৈছিল। তাক তাৰপৰা নিবৰ বাবে পাৰিজাত আহিছিল। পাৰিজাতৰ মাক আহিছিল, দেউতাক আহিছিল। বিজয়ে হস্পিতেলৰ পৰা পোনে পোনে হোষ্টেললৈ যোৱাৰ কথা কৈছিল যদিও তেওঁলোকে তাক যাবলৈ দিয়া নাছিল। পাৰিজাতৰ দেউতাকে তাক জৰদ কৰি কৈছিল,—হ'ব, হ'ব। যাবা। পাবাগৈ তোমাৰ কাকতি চাবক কৈ পাৰক্ষিচন লৈ থৈছোঁ,—বোলোঁ, 'ল'বাটো। ডাক্তৰখানাৰপৰা

আপোনাৰ ইয়ালৈ নপঠাই আমাৰ ঘৰলৈকে নিম। চাওকচোন, জ্বৰ বাবেই মোৰ ছোৱালীজনী জীয়াই থাকিল। স্নি নহৈ সেইটো নাইট পোষ্ট হোৱা হলে বাক কি হ'লহেঁতেন? ল'ৰাটোক কিভাবে কৃতজ্ঞতা জনাম ভাবি পোৱা নাই। তাক এদিন শুশ্রূষা কৰাৰ সুযোগ দিয়ক।' তোমাৰ কাকতি চাবে বোলে,—আপুনি ঠিকেই কৈছে। দিছোঁ নিয়ক। পিছে সজে সজে পিছদিনাই ঘূৰাই দিব। বাপেক মাকে জানিলে লোকৰ ল'ৰা তেনেকৈ নিয়া বুলি ফৌজদাৰীকে তৰি দিব লাগে। গতিকে আজিয়েই তুমি হোষ্টেললৈ নগ'লেও চলিব।

আওপকীয়াভাৱে কথাখিনি কৈ পাৰিজাতৰ দেউতাক সদানন্দ হাজৰিকাই বিজয়ক জব্দ কৰি দিলে। তেখেতৰ কথা কোৱাৰ ৰসিকতাত ফিচ্ ফিচ্ কৰে হাঁহাৰ বাহিৰে বিজয়ে প্ৰতিবাদ কৰিবৰ কোনো সুবিধা বা কোনো কথা বিচাৰি নাপালে।

...প্যাৰিজাতহঁতৰ ঘৰখনত ভৰি দিয়েই বিজয়ৰ নিজৰ ঘৰত ভৰি দিয়া যেন লাগিল। তাৰ প্ৰতি সিহঁতে সেইদিনা নানা প্ৰকাৰে কৃতজ্ঞতা জ্ঞাপন কৰিলে।

পাৰিজাত, মাক-দেউতাক আৰু ছুটা ভায়েক ; পৰিয়ালটোত জন-প্ৰাণী ইমানেই। পাৰিজাতৰ দেউতাক ৰিটায়াৰ্ড অফিচাৰ। বৰ ৰসিক মানুহ। বিজয়ৰ খবা ইটো-সিটো ঘৰুৱা খবৰ লোৱাৰ পিছত গধূলি খোৱাৰ টেবুলত তেখেতে কৈছিল, —হেৰা বিজয়, তুমি বামুণৰ ল'ৰা কৈছিলা নহয় হবলা? লেঠা লাগিল। মই সৌভাগ্যবান আকৌ ইবিধৰ। দেউতাৰ জালখনেই আমাৰ ভাহানিৰ উপাৰ্জনৰ একমাত্ৰ পথ আছিল। গুৱাহাটী হেন চহৰৰ মাজ মজিয়াত থাকি আজিও মই বোপা-ককাৰ স্মৃতি পাহৰা নাই হে। জাল-জকাইৰ লগত এতিয়াও মাজে মাজে কথা বতৰা হওঁ। তুমি চাগে লগুণ-চগুণ নাই লোৱা নহয়?

একেই ৰসিকতাৰে বিজয়ে উত্তৰ দিছিল,—নাই, নাই লোৱা। আৰু ল'লেও 'প্ৰবাসে নিয়মং নাস্তি' বুলি চলাই দিব পৰা যাব। বিশেষকৈ খোৱাৰ টেবুলত ইমানখিনি বস্তু দেখাৰ পিছত কাৰো লগুণে বাধা দি

ৰাখিব নোৱাৰে।

—তুমি বাইট কথাই কৈছা। আজিকালিনো আৰু কিহৰ জাত-পাতখন বিচাৰ কৰি থাকিবাহে। আমাৰ এওঁৰ লগত কাজিয়া-পেচালৰ বাবে কেতিয়াবা মাত-বোল বন্ধ হৈ গ'লে মই সৌ চৈয়দ চাহাবৰ ঘৰতে নিশাৰ সাজৰ দিহা লগাই আহোঁ। আৰু চৈয়দ চাহাবৰো কিবা প্ৰকাৰে বেগমৰ লগত কাৰেণ্টু চলাচল বন্ধ হৈ গ'লে ইয়াতে এসাজ দুসাজৰ দিহা লগাই থৈ যায়হি। বাদ দিয়া তোমাৰ জাত-পাত। আমি মানুহবোৰ অলপ প্ৰগেচিভ মাইণ্ডৰ হোৱা ভাল হে।

কৈয়ে হাজৰিকাই খোৱা আৰম্ভ কৰি দিছিল।

· একে দিনাই ইমানখিনি সহজ হৈ পৰাত পাৰিজাতহঁতৰ ঘৰখন বৰ ভাল লাগিল। সেই বাবেই নেকি জানো, পিছদিনা আবেলিহে সি পাৰিজাতহঁতৰ ঘৰ এৰিব পাৰিছিল। বিদায়ৰ পৰত পাৰিজাতৰ দেউতাকে তাক কৈছিল,—হে'বা বিজয়, মাজে মাজে আহিবাচোন দেই। তোমাৰ লগত দেখিছোঁ জমাব পৰা যাব। কিন্তু উইথ ডিউ পাৰ্মিচন—কাকতিক কৈহে আহিবা।

ইয়াৰ পিছত কাকতি চাৰক নোকাৱাকৈয়ে পাৰিজাতহঁতৰ ঘৰলৈ বিজয়ৰ সঘন আহ-যাহ আৰম্ভ হৈছিল। সদানন্দ হাজৰিকাৰ সান্নিধ্যই, হাজৰিকাৰ ব্যক্তিত্বই, হাজৰিকাৰ ৰসলগা কথাবোৰে আকৰ্ষণ কৰাৰ উপৰিও পাৰিজাতৰ মধুৰ ব্যৱহাৰেও তাক সেইখন ঘৰলৈ আকৰ্ষণ কৰিছিল। পাৰিজাতক সি কলেজত লগ পাইছিল। কিন্তু কলেজত লগ পোৱাতকৈও তাইক তাৰ ঘৰত লগ পাইহে বেছি ভাল লাগিছিল। এইছোৱা সময়তে বিজয় কিতাপৰ মাজৰপৰা ওলাই আহি ঘূৰণ-পাকন আৰম্ভ কৰি দিছিল। এইছোৱা সময়তে কাকতি চাৰে এদিন তাক মাতি নি সতৰ্ক বাণী শুনাইছিল। এইছোৱা সময়তে লগৰ কটনিয়ানে তাক সন্দেহৰ চকুৰে চাইছিল আৰু পিছত সকলো ৰহস্য ভেদ কৰিছিল।

...পাৰিজাতৰ অনুৰোধতে বিজয়ে ঘূৰা ফুৰাবোৰ অলপ কমাই দিলে। কিতাপৰ পোক আকৌ কিতাপৰ মাজত সোমাল। বিজিতহঁতে

চিঞৰিলে : 'আৰে, ছোৱালীৰ মুঠি টান। বছৰ নৌ ধাগৰোতেই পোকক কেনেকৈ ঠিক কৰি পেলালে দেখিলি? এতিয়া পোক য'ত ত'ত বগাই ফুৰিব নোৱাৰিব। পোকক বগাবৰ বাবে ছুডোখৰ ঠাই নিৰ্দিষ্ট কৰি দিয়া হৈছে। এক—কিতাপৰ মাজত। দুই, পাৰিজাতৰ বুকুৰ ভিতৰত। বিজয়ে বিজিতহঁতৰ কথাৰ প্ৰতিবাদ নকৰিলে। পাৰি-জাতৰ ফালৰপৰা বগাবৰ বাবে তেনে কোনো ঠাই নিৰ্দিষ্ট কৰি দিয়া নাছিল যদিও বিজিতহঁতে আওপকীয়াভাৱে তাক ঠাই ছুডোখৰ ঠিক কৰি দিলে। সি সেই ছুডোখৰ ঠাইতে বগাবৰ ঠিক কৰি পেলালে।

বিজিতহঁতে ভবাৰ দৰে বিজয় অৱশ্যে অকল কলেজৰ কিতাপ কেইখনৰ মাজতে বগাই ফুৰা নাছিল। যিজন বন্ধুৰ ঘৰলৈ যাওঁতে পাৰিজাতৰ খুন্দা খাই পিছত তাইৰ লগত মধুৰ সম্পৰ্ক গঢ়িবৰ সুযোগ মিলিছিল, সেইজন বন্ধুৰ সান্নিধ্যতে পিছলৈ বিজয়ৰ আদৰ্শৰ পৰিবৰ্তন ঘটিছিল। সি ৰঙা বাকলি থকা কিতাপ পঢ়িবলৈ লৈছিল। সি ৰাজনৈতিক ভাৱে সচেতন হৈ পৰিছিল।

দিন আগবাঢ়িছিল এনেকৈয়ে।

দিন আগবাঢ়ি যোৱাৰ লগে লগে পাৰিজাত বিজয়ৰ ওচৰ চাপি আহিছিল আৰু বিজয়ো পাৰিজাতৰ নিচেই ওচৰ চাপি গৈছিল। ·· বিজয়ে সাম্যবাদী দৰ্শনত আস্থা স্থাপন কৰাৰ লগে লগে পাৰিজাতো সাম্যবাদ বিশ্বাসী হৈ পৰিল। তায়ো ৰঙা বাকলি লগা কিতাপবোৰ পঢ়িবলৈ ধৰিলে। বিজয়ৰ সুৰতে সুৰ মিলাই তায়ো কবলৈ ধৰিলে যে শোষণ নিষ্পেষণ নকমি দিনক দিনে বাঢ়িবলৈ লৈছে। পুঁজিবাদৰ অক্টোপাছটোৱে আমাক বৰ ভয় লগাকৈ চাৰিওফালৰপৰা চেপি আনিব ধৰিছে। আমি সাম্যবাদৰ বানপানীৰে এইবোৰ নোহোৱা কৰিবই লাগিব। আমি দৃঢ় সংকল্প ল'বই লাগিব। ইত্যাদি।

এদিন পাৰিজাতৰপৰা বিজয়ে কেইটামান শব্দ পালে।

শব্দ কেইটা আছিল এনে ধৰণ—'মই একো বুজা নাই! কিন্তু···মই সকলো বুজি পোৱা যেনেই লাগিছে।···আপোনাৰ হুচকুৰ

তাৰাই কেতিয়াবা মোক সকলো বুজাই থৈ যায়।·· আজিকালি মই দিনে নিশাই ভাবিবলৈ লৈছোঁ আমাৰ ভিতৰত এনে হোৱা জানো উচিত হৈছে? আমাৰ মাজত যে এখন বৰ ওখ আৰু বৰ দৃঢ় দেৱাল আছে। সেইখন দেৱাল অতিক্ৰম কৰি আমি জানো ইপাৰ সিপাৰ হ'ব পাৰিম?

—পাৰিজাতৰ শব্দ কেইটা বিজয়ে কেইবাবাৰো পঢ়ি চালে। অকস্মাতে শব্দখিনিৰ মাজত বিজয়ে তাৰ মাকৰ মুখখন দেখিবলৈ পালে। কিয় জানো সাম্যবাদী বিজয় নামৰ যুৱকজনৰ চকুৰ আগত পাৰিজাত নামৰ গাভৰুজনীয়ে দেখুৱাই দিয়া দেৱালখন ওখ হৈ ধৰা দিলে। কিয় জানো ৰঙা বাকলি লগা কিতাপ পঢ়া বিজয়ৰ কাণৰ ওচৰত সদানন্দ হাজৰিকা নামৰ মানুহজনে প্ৰথম দিনা খোৱাৰ টেবুলত বহি কোৱা কথাখিনি বাজিবলৈ ধৰিলে মই সৌভাগ্যবান আকৌ ইবিধৰ। দেউতাৰ জালখনেই

ক্ৰমে ক্ৰমে বিজয়ৰ মনত খেলি মেলি লাগি আছিল।

এসময়ত সি বিচনাত পৰি চকু মুদি পাৰিজাতে দেখুৱাই দিয়া দেৱালখনৰ ওচৰত থিয় হ'লগৈ। সেইদিনা সি বহু চেষ্টা কৰিও দেৱালখনত উঠিব নোৱাৰিলে। ৰঙা বাকলি লগা কিতাপবোৰৰ আখৰবোৰে দেৱাল বগোৱাত বিজয় বৰুৱা নামৰ যুৱকজনক দেখোন অলপো সহায় নকৰিলে! দ্বিতীয় দিনা আধামান উঠিছিল,—কিন্তু খহি আহিল, মাটিত বৰ বেয়াকৈ মুখ ঠেকেচা খাই পৰিলহি। তৃতীয় দিনা সি দেৱালখনৰ আধাতকৈ বেছি উঠিল। খাহল, কিন্তু বৰ লাহে লাহে। চতুৰ্থ দিনা সি দেৱালৰ ওপৰ পালেগৈ। তাৰ পাৰ হ'ব পাৰিব যেন লাগিল। সেই দিনা বিজয়ে পাৰিজাতে দেখুৱাই দিয়া দেৱালখনৰ ওপৰত উঠি তাইৰ দেউতাকে কোৱা কথা কেইষাৰ আওৰালে · আজিকালিনো আৰু কিহৰ জাত-পাতখন বিচাৰ কৰি থাকিবা হে? আমাৰ এওঁৰ লগত কাজিয়া পেচালৰ বাবে কেতিয়াবা মাত-বোল বন্ধ হৈ গ'লে মই সৌ চৈয়দ চাহাবৰ ঘৰতে নিশাৰ সাজৰ ·

তেনেহলে...তেনেহলে...সি এইখন দেৱাল পাৰ হ'ব নোৱাৰিব কিয়? সি পাৰ হ'বই।...

...পঞ্চম দিনা খাটাং সিদ্ধান্ত কৰি বিজয়ে পাৰিজাতক কলেজতে লগ ধৰিলে আৰু হোটেল অশোকাত একেলগে চাহ একাপ খোৱাৰ প্ৰস্তাৱ দিলে। প্ৰস্তাৱ গৃহীত হ'ল। কলেজৰ পিছত দুয়ো হোটেল অশোকাত বহিলগৈ।

প্লেটৰপৰা মিঠাই এটা তুলি লৈ মুখত ভৰাই বিজয়ে ক'লে,—তোমাৰ চিঠিখন পঢ়িলোঁ। কেইবাদিনো ভবাৰ পিছত মই এটা সিদ্ধান্তত উপনীত হৈছোঁ।

পাৰিজাতে তলমূৰ ওপৰ কৰি নিজৰ প্লেটখন ওচৰলৈ নি ক'লে,—কওঁকচোন।

বিজয়ে মিঠাইটো সিপাৰ কৰি ল'লে,—মই দেৱালখন বগাব পাৰিম।

পাৰিজাতে ডাঙৰ মিঠাই এটাৰ পৰা সামান্য অংশ চামুচখনত লৈ উত্তৰ দিলে,—বগাব পাৰিলেই নহ'ব, ইপাৰ সিপাৰো হ'ব পাৰিব লাগিব।

ইফালৰপৰা কোৱা শুনা গ'ল,—মোৰ সেই সাহস হৈছে পাৰিজাত।

সামান্য পৰিমাণে গাল দুখন ৰঙা কৰি পাৰিজাতে চামুচত তুলি লোৱা মিঠাইটো গিলি থ'লে। তাইৰ মুখখন বৰ মিঠা লাগিল। বৰ মিঠা...

হোটেল অশোকাৰপৰা ওলায়েই বিজয়ে ৰিক্সা এখন মাতিলে। পাৰিজাতে প্ৰতিবাদ কৰি উঠিল,—নাই, নালাগে।

বিজয়ে উত্তৰ দিলে,—আটাইবোৰে জানেই যেতিয়া ..আজি উঠোচোন একেলগে। গুৱাহাটী ক্লাবৰ ওচৰতে মই নামি দিম বাৰু।

এইবাৰ পাৰিজাতে একো নক'লে। তাইৰ ওঁঠৰ হাঁহিটোৱে সম্মতিৰ শব্দকে উচ্চাৰণ কৰি শুনালে যেন।

বিস্না আগবাঢ়িল। গুৱাহাটীৰ ওখ চাপৰ পথেদি আগবঢ়া বিস্নাখনৰ জোকাৰকেইটা প্ৰেমিক যুগলৰ বাবে বৰ মৃদু-মধুৰ হৈ পৰিল। বাটৰ কাষৰ ডাঙৰ ডাঙৰ ঘৰবোৰ সিহঁতৰ চকুত একোপাহ ফুল হৈ ধৰা দিলে। বাটেদি অহা যোৱা কৰা মানুহবোৰ পখিলা পখিলা যেন লাগিল।...

বিস্নাখন দীঘলীপুখুৰী পাৰ পালেহি। কোমলকৈ হাঁহি পাৰিজাতে ক'লে,—এবাৰ জীপ গাড়ীৰ খুন্দাত মৰিবৰে হৈছিল। বাচিলোঁ। বুলিছে। এইবাৰ যাতে সমাজৰ খুন্দাত..

পাৰিজাতে কথাষাৰ শেষ কৰিবলৈ নাপালে। বিজয়ে বাওঁহাত-খনেৰে অতৰ্কিতে তাইক গাৰ ফালে চপাই আনিলে আৰু ক'লে,—ভয় নকৰিবা পাৰিজাত, মই আছোঁ। সিবাৰ যেনেকৈ বচালোঁ...এইবাৰো মই তোমাক বচামেই।.. সমাজৰ এই নিয়মবোৰৰ, খেল খেল ভাগ ভাগবোৰৰ কোনো প্ৰয়োজন নাই। আমি এইবোৰ আঁতৰ কৰি এখন নতুন সমাজৰ ভেটি বান্ধিম .আমি এখন সাৰ্বজনীন সমাজৰ জন্ম দিম। তাত হৰিজনৰ যি মৰ্য্যাদা ব্ৰাহ্মণবো সেই একে মৰ্য্যাদাই হ'ব।...তাত ব্ৰাহ্মণে পোৱা সন্মান হৰিজনেও পাব। .আমি নতুন চাম মানুহ সংস্কাৰমুক্ত হ'ম।.. চৈয়দ চাহাব আৰু তোমাৰ দেউতাৰা আমাৰ প্ৰেৰণাৰ উৎস হ'ব।

বিজয়ৰ সাহসী মনৰ কথা কেইষাৰ পাৰিজাতৰ বৰ ভাল লাগিল। তাই তাৰ ওচৰত আত্মসমৰ্পণ কৰিলে।

অহুকাণে পহুকাণে কথাবোৰ গৈ সদানন্দ হাজৰিকাৰ কাণত পৰিল গৈ। এদিন তেখেতে বিজয়ক জেৰা কৰিবলৈ ধৰিলে,—হে'বা ডেকা ল'ৰা, প্ৰেম-ত্ৰেমবোৰ সহজ যদিও প্ৰেম-ত্ৰেমৰ পিছৰ চেপ্তাবটো কিন্তু টান। তুমি অলপ ভালকৈ গমি চাইছানে ?

সদানন্দ হাজৰিকাৰ কথা বিজয়ে প্ৰথমতে বুজিব পৰা নাছিল। সি কৈছিল,—ভালকৈ গমি চাম মানে...মই..

বিজয়ক অলপ বিমোৰত পেলাই সদানন্দ হাজৰিকাই প্ৰথমতে

অলপ উচ্চ স্বৰত হাঁহিলে। পিছত ক'লে,—কুটনৰ দৰে কলেজত পঢ়ি যদি এই সহজ কথাটোৰে অৰ্থ বুজি নাপালা তেনেহলে পিছৰ টান চেপ্তাৰটো কেনেকৈ বুজিবা ? তোমালোকৰ প্ৰেমৰ কথা কৈছোঁ হে। তুমি জানো সেই ঘটনাটোৰ পিছৰপৰা পাৰিজাতৰ প্ৰেমত পৰা নাই ?

মৰ এতিয়া ক'ত মৰ ? হাজৰিকাৰ কথা শুনি বিজয়ৰ ওপৰ মুৰ তললৈ গ'ল। গাল-মুখবোৰ পকা আঙঠাৰ দৰে হ'ল। জো জো কৰে ঘাম ওলাই অহা যেনো লাগিল। ৰক্ত প্ৰবাহৰ গতিও দ্ৰুত হ'ল।

বিজয়ে ভালে পৰলৈ একো মাত্তিব নোৱাৰা দেখি, তাৰ অৱস্থাটো বুজি পাই ভংভঙীয়া মাতটোৰে হাজৰিকাই ক'লে,—তাতে লাজ কৰিব লগা বা লাজ পাব লগা কিটো আছে ? কলেজ-চলেজত পঢ়ি থাকোতে এই প্ৰেম-ত্ৰেমবোৰ চলোৱাতো একপ্ৰকাৰ নিয়মেই দিয়াচোন। আমিও জানো তাহানি হাত সাৰটি বহি আছিলোঁ কিবা। মই সুধিছোঁ, তুমি জানো নিজক সংস্কাৰমুক্ত কৰিব পাৰিবা ? বা তোমাৰ ঘৰখন জানো মোৰ ঘৰখনৰ দৰে সংস্কাৰমুক্ত হ'ব পাৰিব ? সেইখন যে বামুণৰ ঘৰ। সেইখন ঘৰৰ নিজস্ব সমাজ এখন নাই ? সেইখন সমাজে তোমাক বা তোমাৰ ঘৰখনক সুখেৰে এৰিব ? তুমি সমাজলৈ ভয় নকৰা ?

এইবাৰ বিজয়ে নম্ৰভাৱে ক'লে,—পাৰিজাত আৰু মোৰ সম্পৰ্ক এনে হ'ব বুলি ভবা নাছিলোঁ। কিন্তু হৈ গ'ল। আপোনাৰ সৰলতাৰ সুযোগ লৈ আপোনাক বিশ্বাসঘাটকতাই কৰিলোঁ। মোক ক্ষমা কৰিব। ভাবিছোঁ, ৰক্ষণশীল সমাজৰ গোড়ামিবোৰ নোহোৱা কৰি পেলাওঁ, সমাজত এটা আদৰ্শ প্ৰতিষ্ঠা কৰোঁ। মই নিজক প্ৰস্তুত কৰি পেলাইছোঁ, মই সংস্কাৰমুক্ত হৈছোঁ।..মোৰ ঘৰখনকো মই সংস্কাৰমুক্ত কৰিব পাৰিম বুলি আশা কৰিছোঁ।

সদানন্দ হাজৰিকাৰ মুখখন উজ্জল হৈ উঠিল।—চাব্বাচ্। তুমি সাহস আৰু দৃঢ়তাৰ কথা কোৱা দেখি মোৰ ভাল লাগিছে। চাবা, কাৰোবাৰ ফুচুলনিত বা ৰক্ষণশীল সমাজৰ হেঁচাত আদৰ্শচ্যুত হ'ব লগা

নহয়। তুমি কমিউনিজিমৰ কিতাপবোৰ পঢ়িছা বুলি শুনিছোঁ। গতিকে তোমাৰ মন পুৰঠ হোৱা বুলিয়েই ধৰি লৈছোঁ। ...প্ৰেমৰ জালত পৰি মোৰ জীৱনতো মই তোমাৰ দৰে সংকল্প এটা লৈছিলোঁ। কিন্তু শেষ পৰ্য্যন্ত মই মোৰ সংকল্প ত্যাগ কৰিবৰগৈ লগা হ'ল। ...এতিয়া তুমি জিকিলেই মই ভাল পাম। তুমি আৰু পাৰিজাতে মিলি যদি এটা আদৰ্শ স্থাপন কৰিবলৈ সমৰ্থ হোৱা, তেনেহলে মই তোমালোকক অভিনন্দন জনাম। কিন্তু চাবা,—পিচল নাখাবা। তোমালোকে পিচল খালে সমাজৰ ভালেখিনি ক্ষতি হ'ব।

বিজয়ে সদানন্দ হাজৰিকাৰ কথাবোৰ শলাগিলে। পিচল নোখোৱাৰ প্ৰতিশ্ৰুতি দিলে।

সদানন্দ হাজৰিকাই সম্মতি জনোৱাৰ পিছত বিজয় আৰু পাৰিজাত সামান্যভাৱে হ'লেও আন এটা প্ৰতিবন্ধকৰ সন্মুখীন হোৱা কথাটো পাহৰি গ'লে নচলিব।

পাৰিজাতৰ লগে গলে লগা বৰপেটীয়া বন্ধু এজন আছিল। হাই-স্কুলৰপৰা দুয়ো একেলগে পঢ়িছিল। পঢ়া-শুনাতো দুয়ো সমানেই আছিল। কোনোবা এটা প্ৰথম হ'লে ইটো দ্বিতীয় হৈছিল। পিছৰ বছৰত আকৌ ইয়াৰ ওলোটা ফল পোৱা গৈছিল। বৰপেটীয়া বন্ধুয়ে দদায়েকৰ ঘৰত থাকি পঢ়া-শুনা কৰিছিল; থুৰীয়েকে ল'ৰা-ছোৱালী দুটাৰ মিল দেখি পাৰিজাতৰ মাকক বিয়নী বুলি মাতি ৰগৰ কৰিছিল: এই হালৰ যোৰ নাভাঙো আৰু দিয়ক। পিছে আপোনাৰ ছোৱালীৰ গাত যাতে আনে পৰুৱা মেলিব নোৱাৰে চাব আৰু'।

সৰু কালৰ এইবোৰ কথাই পাৰিজাতৰ মনত বিশেষ ৰেখাপাত কৰা নাছিল। কিন্তু ল'ৰা-বন্ধুৰ মনত হ'লে ৰেখাপাত কৰি গৈছিল। কৈশোৰ এৰি যৌৱনত ভৰি দিয়া বন্ধুজনে পাৰিজাতক লৈ সপোন দেখিছিল। ভবিষ্যতৰ ৰং বিৰঙৰ কথা ভাবিছিল। কিন্তু ভাবিছিলহে—কাকো কোৱা নাছিল।

হঠাৎ...পাৰিজাতৰ ওচৰত বিজয়ক দেখি বৰপেটীয়াই যেন চেতনা

ঘূৰাই পালে।—নিজে নিজে মজি থাকিলে মইৰ, নিজৰ মনতে নিজে-আশা লৈ থাকিলে নচলিব। আনে তিনি খাপ দিয়াৰ আগতে পাৰি-জাতক কথাবোৰ ক'ব লাগিব। ইমান দিনৰ আশাৰ কাৰেং হঠাৎ ভাগি পৰিবলৈ দিব নোৱাৰি।

ইতিমধ্যে পাৰিজাত বিজয়ৰ নিচেই ওচৰত। ইমান ওচৰত যে আঁতৰি অহাৰ উপায় নাই। গতিকে বৰপেটীয়া বন্ধুৰ আশাৰ কাৰেং ভাঁগি চূৰমাৰ হৈ গ'ল। তাৰ আশাৰ কাৰেং ভাঙি দি পাৰিজাতে জনালে,—তুমি বৰ দেখি কৰিলা জানা? তুমি যদি ভাবিছিলাই তেনেহলে কথাবোৰ মোক কোৱা নাছিলা কিয়? এতিয়া আৰু নোৱাৰি। মোক মাফ কৰিবা আৰু ভাই

কবো বোলা হলে বৰপেটীয়া বন্ধুৱে বহুত কৰিব পাৰিলেহেঁতেন। কিন্তু সি একোকে নকৰিলে। সি বৰ নিজুৰ্ ল'ৰা, সি বাট এৰি দিলে।

পাৰিজাতৰ লগত বৰপেটাৰ বন্ধুজন লজ্জাৰ পিছতে বিজয়ৰ লগত নগাঁওৰ ছোৱালী এজনী লজ্জিল। তায়ো একেই কটনীয়ান।

ঘটনাটো এনে ধৰণৰ—

ডিগ্ৰী ক'চৰ ল'ৰাবোৰে দুটা পিকনিক পাৰ্টিৰ আয়োজন কৰিছিল। আৰু দুয়োটা দলে একেদিনাই একে ঠাইলৈকে যাত্ৰা কৰিছিল। প্ৰথম বাৰ্ষিকৰটোত আছিল পাৰিজাত আৰু ত্ৰৈবাৰ্ষিকৰটোত আছিল বিজয়।

দুয়োটা দল গুৱাহাটীৰপৰা উজাই আহিছিল নগাঁৱলৈ—বাগৰিলৈ। বিজয় আৰু পাৰিজাতে গুৱাহাটীতে কথা পাতিছিল—যি কোনো প্ৰকাৰেই নহওক সিহঁত কেই-ঘণ্টামানৰ বাবে বাগৰিৰ বালিত লগ লাগিব। দুয়ো লুইতৰ বালিয়ে বালিয়ে অলপ ফুৰিব। নৈৰ পাৰৰ প্ৰাকৃতিক সৌন্দৰ্য্য উপভোগ কৰিব। মুকলি আকাশৰ তলত মুকলি-ভাৱে দুটা মনৰ কথা পাতিব।...

কিন্তু সিহঁতে ভবাব দৰে নহ'ল।—সিহঁতে লগ লাগি মনৰ কথা পাতিব নোৱাৰিলে। বাটত আছে কথা বিধি, অনলচ্ কথা নহয় সিদ্ধি।

বাগৰিৰ বাগিচাত বিজয়ক পাৰিজাতৰে ফ্লাচ ক্রেও জয়শ্রী বেজবৰুৱাই পালে। জয়শ্রীয়ে বিজয়ক হাতৰ মুঠিত পাবলৈ আপ্রাণ চেষ্টা চলাইছিল। পাৰিজাত আৰু বিজয়ৰ মাজত ইমান গভীৰ সম্পর্ক আছিল বুলি তাই নাজানিছিল। বিজিতইতে কথাবোৰ এনেয়েহে কৈ ফুৰা বুলি ভাবিছিল।

জয়শ্রী বেজবৰুৱা নামৰ ছোৱালীজনী যে বিজয়ৰ পিছত ঘূৰিছে সেই কথা সি জানিছিল। কিন্তু সি তাইক সমূলি আমোল দিয়া নাছিল। সি তাইক এৰাই ফুৰিছিল। পিছে বাগৰিৰ বাগিচাত বিজয়ে জয়শ্রীক এৰাই চলিব নোৱাৰিলে। তাই ছায়াটোৰ দৰে তাৰ লগে লগে লাগি ফুৰিবলৈ ধৰিলে। তাই যেন সেইদিনা জনাই দিবলৈ বিচাৰিলে…বিজয় পাৰিজাতৰ নহয়…বিজয় কাৰো নহয়…বিজয় তাইৰ, জয়শ্রীৰ। ইফালে বিজয়ৰ কাষত জয়শ্রীকে দেখি পাৰিজাতৰ বুকু চিৰিং কৰি গ'ল। তাই-যেন চাৰিওফালে ধোঁৱা-কোঁৱা দেখিবলৈ ধৰিলে। পাৰিজাতে জয়শ্রীক কিবা কিবি কৈ গালি পাৰি দিওঁ বুলি বাৰে বাৰে ভাবিও আনৰ চকুত হাঁহিয়াতৰ পাত্র হ'ব লাগিব বুলি ভয় কৰি মুখকত একো ক'বলৈ নোৱাৰিলে। জয়শ্রীক একো ক'ব নোৱাৰি পাৰিজাতৰ বিজয়-লৈকে খং উঠিছিল

এই ঘটনাৰ পিছত প্রেমিক যুগলৰ মাত-বোল বন্ধ।

পাৰিজাতে বিজয়ৰ কাণত পেলালে,—কিতাপৰ আখৰ পঢ়িলেই নহয়, পঢ়ি বুজিব পাৰিব লাগে, হজম কৰিব পাৰিব লাগে। মই আদর্শ বিক্রী কৰা ছোৱালী নহওঁ। দুমুখীয়া ভূমিকা মই ভাল নাপাওঁ। মযো যদি হওঁ, মযো দুমুখীয়া ভূমিকা আৰম্ভ কৰি দিব পাৰোঁ।

বিজয়ে এতিয়া কৰে কি? সি পাৰিজাতক গোটেই কথাখিনি বুজাবৰ যত্ন কৰিলে,—জয়শ্রীৰ লগত তাৰ কোনো কথা নাই, কোনো সম্পর্ক নাই। বাগৰিত তাই কৰো বুলি জেদ ধৰিয়েই এই গোটেই কাণ্ডটো কৰি পেলালে। মযো আদর্শ বিক্রী কৰিবলৈ নিবিচাৰোঁ। মযো দুমুখীয়া ভূমিকা ভাল নাপাওঁ। দুমুখীয়াবোৰক মই ঘৃণাহে কৰোঁ।—

অৱশেষত বিজয়ে নিজক নিৰ্দোষী বুলি প্ৰমাণ কৰিবলৈ সমৰ্থ হ'লগৈ। বিজয়ৰ দৃঢ়তাৰ বাবে জয়শ্ৰীয়ে পাৰিজাতক জনাই দিবলৈ বাধ্য হ'ল যে—বাগৰিব সমস্ত ঘটনাৰ বাবে দোষ মোৰহে। বিজয়ৰ নহয়। তই মোক বেয়া নাপাবি পাৰিজাত। মই হাত দাঙি দিছোঁ। তই জিকিলি ভাই

সম্পৰ্ক আকৌ আগৰ অৱস্থালৈ ঘূৰি গ'ল।

…বি. এ পৰীক্ষা শেষ হ'বৰ দিনা বিজয় পাৰিজাতহঁতৰ ঘৰলৈ গৈছিল।

চাহ-জলপানৰ পৰ্ব শেষ হোৱাৰ পিছত সদানন্দ হাজৰিকাই বিজয়ক ক'লে,—এতিয়া পিছে কি হ'ব? এতিয়া পিছে কি কৰিবা? আজি পৰীক্ষা শেষ কৰিলা যেতিয়া তুমি কাইলৈকে গুৱাহাটী এৰি গুচি যাব পাৰা। কিন্তু মোৰ ছোৱালীৰ গাত এনেকৈ পকৰা মেলাৰ পিছত মই তোমাক তেনেদৰে গুচি যাবলৈ দিব নোৱাৰোঁ। কিবা উপায় এটা দি থৈ যোৱা, তুমি মোক শেষ কথা কিবা এষাৰ কৈ থৈ যোৱা, যাতে আমি অথাই সাগৰত পৰিব নালাগে।

সদানন্দ হাজৰিকাৰ লগত এই কথা লৈ মুখামুখি হ'ব বুলি প্ৰায় তিনি মাহ মানৰ আগৰেপৰা বিজয়ে সন্দেহ কৰি আছিল। কিন্তু হাজৰিকাক সি কি উত্তৰ দিব, কি সমিধান দিব, সেইটোহে ঠিক কৰিব পৰা নাছিল। হাজৰিকাক অথাই সাগৰত পেলোৱাৰ আগতে সি নিজেহে অথাই সাগৰত পৰিব লগা হৈছিল। হাজৰিকাক ক'ব লগা শেষ কথাষাৰ ভাবি ভাবি কেতিয়াবা সি বৰ আবেগিক হৈ পৰিব লগা হৈছিল। তাৰ মাকলৈ মনত পৰিছিল।—মাকে যদি পাৰিজাত আৰু তাৰ সম্পৰ্কটো সহজ ভাৱে নলয়? তেতিয়া?—তেতিয়া সি কি কৰিব? পাৰিজাতৰ বাবে সি মাকক এৰিব পাৰিবনে?

… 'তুমি কমিউনিজিমৰ কিতাপবোৰ পঢ়িছা বুলি শুনিছোঁ।… গতিকে তোমাৰ মন পুৰঠ হোৱা বুলিয়েই ধৰি লৈছোঁ'…বুলি সদানন্দ হাজৰিকাৰ মুখৰপৰা নিৰ্গত হোৱা শব্দ সমষ্টিয়ে মুৰত হাকৈ খুন্দিয়াবলৈ

ধৰাত শেষৰ কালে বিজয়ে হাজৰিকাক দিব লগা উত্তৰটো ঠিক কৰি পেলাইছিল। প্ৰয়োজন হ'লে সি সি তাৰ মুখখন কটা নিয়াব নোৱাৰে। ...সি পাৰিজাতক বিয়া কৰাবই।

মনৰ মাজত ভালে দিনৰপৰা যুগুতাই ৰখা বাক্য কেইটাকে সেই মুহূৰ্ত্তত বিজয়ে হাজৰিকাক ক'লে,—পৰীক্ষা বেয়া হোৱা নাই। পাছ কৰাৰ পিছত কিবা এটা সংস্থান পাই যাওঁ যদি মই সোনকালেই আপোনাৰ ওচৰলৈ আহিম। আপুনি চিন্তা নকৰিব। মোৰ কথাৰ লৰচৰ নহয়।

'সংস্থান মানে চাকৰি'—শব্দ তিনিটা উচ্চাৰণ কৰি হাজৰিকাই অতি তীক্ষ্ণ দৃষ্টিৰে বিজয়লৈ চালে। অলপ বৈ স্বাভাৱিক ভংগীয়া মাতটোৰে আকৌ ক'লে,—তুমি চাকৰি কৰাৰ কথা চিন্তা কৰিবা বুলি মই অৱশ্যে ভবা নাছিলোঁ। চাকৰিৰ চিন্তা বাদ দি আন কাৰবাৰ চাৰ-বাৰ বা খেতি-বাতিৰ কথাকে ভবা হ'লে ভাল আছিল। কিন্তু তুমি হ'লা বামুণৰ ল'ৰা। আমাৰ দেশত বামুণে হাল বাবলৈ হ'লে পুবৰ বেলি পশ্চিমে ওলাব। বাৰু, যোৱা চাকৰি-বাকৰি কি হয় কিবা এটা লৈ আহিবা। মই আশাৰে বাট চাই থাকিম

ইয়াৰ চাৰি দিনৰ পিছত বিজয়ে গুৱাহাটী এৰিছিল। পাৰিজাতে ৰেল ষ্টেচনলৈকে তাক আগবঢ়াই দিছিল। ৰেলখন চলাৰ আগে আগে তাই কৈছিল,—আন ছোৱালীৰ দৰে মই এতিয়া কন্দা নাই। ঘৰলৈ ঘূৰি গৈ মই হয়তো গছৰ পাত সৰাকৈ কান্দিব লাগিব। ইমান দিন একেলগে ফুৰিছিলোঁ। কথা পাতিছিলোঁ। হাঁহিছিলোঁ। আনন্দ কৰিছিলোঁ। এইবোৰ দিন আমি আকৌ কোনো কালে ঘূৰাই নাপাম। যোৱাবোৰ গ'লগৈ। এইবোৰৰ মধুৰ স্মৃতিৰে মই নতুন দিনলৈ বৈ থাকিম। আপুনি আহিব। দেউতাৰ দৰে ময়ো আশাৰে ··

আবেগত বিহ্বল হৈ বিজয়ে পাৰিজাতৰ হাত দুখন সাৱটি ধৰি ক'লে,—তুমি· তুমি অলপো চিন্তা নকৰিবা পাৰিজাত। মই নতুন যুগৰ যুৱ-পুৰুষ। মোৰ কথাৰ লৰচৰ নহ'ব। মই আহিম।···তুমি

আৰু মই এখন ন-সমাজৰ ভেটি বান্ধিম।

ৰেলখন চলিল। বিজয় ক্ৰমে ক্ৰমে আঁতৰি গ'ল। পাৰিজাতে হাতখন দাঙি উজনিমুৰা ৰেলখনলৈ চাই থাকিল মাত্ৰ।

চাকৰি লোৱাৰ এবছৰ পূৰ হওঁতে নৌ হওঁতেই অমল বৰুৱাৰ ঘৰত ঘৰখনৰ একমাত্ৰ ল'ৰা বিজয়ৰ বিয়াৰ কথা ওলাল। বিজয়ে একে আষাৰে এতিয়াই নহ'ব বুলি জনাই দিলে। কিন্তু সিফালৰপৰা অহৰহ চেষ্টা চলিয়েই থাকিল। কেইবাজনীৰো কন্যাৰ খবৰ আহিল। কেইজনীমানৰ ফালৰপৰা অতি বিক্ত ভাৱে হেঁচাও পৰিল।

বিজয়ে ইয়াৰ পিছতো না না কৰি থকাত তাৰ ওপৰত মাহীয়েকৰ অলপ সন্দেহ হ'ল। তেওঁ বিজয়ক জেৰা কৰিবলৈ আৰম্ভ কৰি দিলে,

তোক মই ভাল বুলিহে ভাবিছিলোঁ। পিছে মই ভবাৰ দৰে তই ভাল নহয় বা ভাল হৈ থকা নাই। তোৰ মতি গতি অলপ দোচোৰা যেন দেখা গৈছে। সচ্চাহতে মুখখনেৰে নাপাতো নাপাতো কৰি আছ যদিও আচলতে তোৰ গাত ফকীৰ হৈ থকাৰ কোনো লক্ষণ নাই। তই বোধকৰোঁ তলে তলে পিতল বাটিছ। কচোন, ক'ত আৰু কাৰ ঘৰত। সাৱধান, ফাঁকি দিবলৈ যত্ন নকৰিবি।

কিন্তু বিজয়ে প্ৰথমে ফাঁকি দিবলৈকে যত্ন কৰিছিল। সি মাহীয়েকক কৈছিল, —নাই মাহীদেউ, তিনি সইত খাই কৈছোঁ, মই বৰ ভাল ল'ৰা। তুমি ভবাৰ দৰে মই ক'তো পিতল বটা নাই বা পিতল বটাৰ ব্যৱস্থা কৰা নাই। মোক বিশ্বাস কৰা।

মাহীয়েকে প্ৰথমতে বিশ্বাস কৰি কোনোবা এজনীক বিয়া কৰাবলৈ কৈ বুজাইছিল,—ক'তো একো ব্যৱস্থা কৰা নাই যদি না না কৰি আছ কিয়? ঘৰখনৰ এটা মাথো ল'ৰা। ইফালে বেমাৰটোৱে বাইদেউকো বুঢ়ী কৰি আনিছে। কোন দিনা কি হয় কোনে ক'ব? বোৱাৰী এজনী আনো বুলিছে আনক দে,—তই অমুৰি নকৰিবি।

বিজয়ে মাহীয়েকক ভাবি-চিন্তি চাওঁ বুলি কৈছিল যদিও আচলতে সি কোনো কথাকে ভাবি-চিন্তি চোৱা নাছিল। পাৰিজাতৰ বাহিৰে

অনৰ ছাৰ চিন্তা সি মনলৈ আনিব নোৱাৰে। সি পাবিজাতৰ কৈতাকক আৰু পাবিজাতক কথা দি আহিছে।...

দিন আগবাঢ়িল।

ভাবি-চিন্তি চাওঁ বুলি কৈ বিজয় ভালেদিন মনে মনে থকাত আকৌ মাহীয়েকৰ জেবা আৰম্ভ হ'ল,—ভিনীয়েৰে গুৱাহাটীত তোক বোধকৰোঁ পঢ়িবলৈহে পঠাইছিল, প্ৰেমৰ বেহানি বেহাবলৈ পঠোৱা নাছিল। বেহালি যদি বাক বেহালি। তাইকে আনি দিওঁ, কচোন, তাইৰ নাম কি? ঘৰ ক'ত?

বিজয়ে এইবাৰ ফাঁকি দিবলৈ যত্ন নকৰি আচল কথা ক'লে,—নাম পাবিজাত। ঘৰ গুৱাহাটীত।

মাহীয়েকে ফিচ্ ফিচ্ কৰে হাঁহিলে,—হয়নে সোণমূৱা। তোমাৰ গাত পখিলা পৰিলে? মই কাহানিবাই সন্দেহ কৰিছিঁলো নহয়। পিছে গুৱাহাটীৰ কাৰ ছোৱালী?

বিজয়ে গম্ভীৰ স্বৰেৰে শব্দ দুটা উচ্চাৰণ কৰিলে,—সদানন্দ হাজৰিকাৰ।

মাহীয়েকৰ ওঁঠৰ হাঁহি ওঁঠতে নোহোৱা হ'ল। তেওঁ অলপ বিস্ময়েৰে ক'লে,—হাজৰিকা? হেৰ' সদানন্দ শৰ্মা নে সদানন্দ হাজৰিকা?

বিজয়ে দৃঢ় ভাৱে ক'লে,—শৰ্মা নহয়, হাজৰিকাহে। সদানন্দ হাজৰিকা। তেওঁ লোক কৈৱৰ্ত মানুহ।

জেবাৰ পিছত লগে লগে মাহীয়েকৰ গুনানী আৰম্ভ, পূৰাদমে চিঞৰি চিঞৰি,—বাইদেউ, শুনহিচোন আহ। খালে ঐ খালে, পুতেৰে খালে। বংশৰ নাম ডুবালে। গুৱাহাটীত পঢ়িবলৈ নপঠালি, তোৰে মোৰে মূৰ কেইটা খাবলৈহে পঠালি। ই অজীণ পাতকীয়ে ওপৰলৈ উঠক চাৰি ৰসাতললৈহে নামি গৈছে। ই নীহ কুললৈ গ'ল। হেৰ' প্ৰেম যেতিয়া পাতিছিলিয়েই—হেৰ' বামুণ-গণকৰ ছোৱালী এজনীৰ লগত পাতিব নোৱাৰিলি নে? বাছি বাছি কৈৱৰ্ত কুলৰ ছোৱালীজনীহে পালিগৈ নে? এৰ, এৰ, সেইবোৰ কথাকুললৈ যোৱাৰ চিন্তা এৰ। যেন যদি আমি

আটাইবোৰে বিহ খাই মৰোঁ—তৰেই জীয়াই থাক। আৰু যোপাই এইবোৰ কথা—কৈৱৰ্ত ছোৱালীৰ লগত প্ৰেম পকোৱা কথা মোৰ আগতহে যি কলি, আনৰ আগত নকবি। নাক-কাণ নাথাকে আৰু·

তথাপি বিজয়ে মনত দৃঢ়তা এৰি দিয়া নাছিল। পাৰিজাতক বিয়া কৰাবলৈ নাপালে আন কাকো বিয়া নকৰাই বুলি মাক-দেউতাকক স্পষ্ট-ভাৱে জনাই দিছিল। পুতেকৰ মনৰ কথা জানি বাপেক-মাকৰ বুকু কঁপিল। তেওঁলোকে অকলে নোৱাৰিব বুলি জানি এদিন চুবুৰীৰ জুজনমাম আৰু সমস্ত বংশ-পৰিয়াল গোটাই আনিলে।

যথা সময়ত বৈঠক আৰম্ভ হ'ল।

দদায়েকে উদেশ্য ব্যাখ্যা কৰিলে : তোকনো আৰু কি বুজাম। তই কথা বুজি পোৱা ল'ৰা। বাহিৰত পটি দুটা কথা বেছিকৈ শিকি আছিছ। সদানন্দ হাজৰিকাক মই চিনি পাওঁ। বৰ ভংভডীয়া আৰু বৰ ৰসিক মানুহ। ছোৱালীজনীও চকুত লগা। কিন্তু সকলো ফালে ভাল হ'লেও দেখ দেখকৈ আমি সেই কাম কৰিব নোৱাৰোঁ। তেনেদৰে দেশত নোহোৱা নোপজা কাণ্ড কৰিলে সমাজত আমাৰ ঠাই নহ'ব। তই মত সলনি কৰ আৰু আমাক কথা দে—

উত্তৰত বিজয়ে মত সলাব নোৱাৰোঁ বুলি কোৱাত এইবাৰ ঐক্যবদ্ধ হেঁচা আৰম্ভ হ'ল। এই প্ৰচণ্ড হেঁচাকো চম্ভালি বিজয় অলৰ অচৰ হৈ আছিল। কিন্তু শেষৰ ফালে আকস্মিকভাৱে কথাই অন্যৰূপ ল'লে। মাক, মাহীয়েক আৰু পেহীয়েকে হঠাৎ কন্দা-কটা আৰম্ভ কৰি দিলে। এবাৰত কান্দি কান্দি মাকে 'তোক মই এনেদৰে বুকুত জুই দিবলৈহে তুলিছিলোঁ নে কি ঐ' বুলি তাৰ গাৰ কাষতে লুটি খাই পৰিল।

অলপ পিছতে পেহীয়েককো সি তাৰ গাৰ কাষত পালে। বাপেকে অদ্ভুত কাণ্ড এটা কৰি ঘৰখনৰ আটাইবোৰ দা-কুঠাৰ চপাই আনিলে আৰু কলে,—তই যদি সেইজনী আনিবলৈ নাপালে আন ছোৱালী নান তেনেহলে এইবোৰ ল আৰু আমাৰ আটাইবোৰকে কাট। কৈয়ে তেওঁ·

বুকু চপাৰিয়াই চিঞৰি চিঞৰি কান্দি মাটিত বাগৰি পৰিল। দদায়েকেও অনুৰূপ কাৰ্য্য আচৰিলে। বিজয়ৰ বুকু কঁপিল। অৱশেষত মহাক আৰু মোমায়েকেও যেতিয়া বাপেকক অনুসৰণ কৰি মাটিত লুটি খাই পৰিল, বিজয়ে তেতিয়া আটাইবোৰৰে বধৰ ভাগী হোৱাৰ ভয়ত মত সলাবলৈ বাধ্য হ'ল। সি মত সলনি কৰিলে। তাৰ আদৰ্শ ধূলিৰ লগত মিহলি হৈ গ'ল।

এই ঘটনাৰ তৃতীয় দিনা বিজয় মাহীয়েকৰ লগত ছোৱালী চাবলৈ গ'ল। ছোৱালীৰ ঘৰ নগাঁৱত। ছোৱালী আন কোনো নহয়, তাই জয়শ্ৰী। জয়শ্ৰী বেজবৰুৱা। বিজয়ৰ ছোৱালী পছন্দ। ধূম-ধামেৰে বিয়া।

পাৰিজাত! পাৰিজাতৰ বাৰু কি হ'ল? ইয়াৰ পিছত বিজয়ে পাৰিজাতৰ কোনো খবৰেই নল'লে। গল্প-উপন্যাসৰ কাপুৰুষৰ দৰে সি তাইৰ ওচৰৰপৰা পলাল।

বিজনে আনি দিয়া টেবলেট কেইটা খোৱাৰ এঘণ্টা মানৰ পিছতে বাসন্তীৰ মাকৰ জ্বৰটো কিছু কমিছিল। জ্বৰ কমাত তেওঁ বিচনাতে বহিব খুজিছিল। বিজয় বৰুৱা ওচৰত বহি আছিল। বৰুৱা আগবাঢ়ি গৈ বহিবলৈ লোৱা মানুহগৰাকীক ধৰি মেলি সহায় কৰি দিছিল আৰু তেওঁৰ শেতা পৰা মুখখনলৈ চাই চাই বৰুৱাই পাৰিজাতক লগ পোৱাৰে পৰা জয়শ্ৰীক বিয়া কৰি পাৰিজাতৰ ওচৰৰ পৰা পলোৱালৈকে এই গোটেই কথাখিনি মনত পেলাইছিল।

বিজয় বৰুৱাই তেনেদৰে চাই থকা দেখি বাসন্তীৰ মাকৰ দুৰ্বল গাটো খৰমৰাই উঠিল। কিজানি তেওঁৰো মনত কিবা ব্যক্তিগত পুৰণি কথাই খুন্দিয়াইছিল হি·

বাসন্তীৰ মাক তেনেদৰে খৰমৰাই উঠাত বিজয় বৰুৱাইও নিজৰ অজ্ঞাতেই খৰমৰাই উঠিল। তেওঁ নিজক চম্ভালিবৰ যত্ন কৰি ক'লে,· মই যাওঁ পাৰিজাত!

বাসন্তীৰ মাক পাৰিজাতেও নিজক চম্ভালি লৈ উত্তৰ দিলে,—যায়? যাওক। মই অলপ ভাল পাইছোঁ। পাৰিলে বিজনক এবাৰ পঠাবচোন।

বাকু বুলি শলাগি থৰক বৰক খোজেৰে বিজয় বৰুৱা বাহিৰলৈ ওলাই আহিল। লোহাৰ জপনাখনৰ ওচৰত চকৰাৰী নিয়ন লাইট জ্বলিয়েই আছিল। তথাপি তেওঁ হাতৰ টৰ্চটো জলাই পোহৰ এছাটি পেলালে। পেলাই ৺হিতেন দাসৰ ঘৰটোৰ ফালে ঘূৰি চাই ভাবিলে, যি বছৰ তেওঁৰ সঞ্চালক পদলৈ পদোন্নতি হৈছিল সেই বছৰেই পাৰিজাতৰ সেই বৰপেটীয়া বন্ধু হিতেন দাস যোৰহাটলৈ প্ৰচাৰ বিভাগৰ মুৰব্বী স্বৰূপে বদলি হৈ আহিছিল। যোৰহাটৰ যোগান বিভাগৰ কাৰ্য্যালয় আৰু প্ৰচাৰ বিভাগৰ কাৰ্য্যালয় একেটা বিল্ডিঙৰে দুটা ভাগত। যোৰহাট পাই হিতেন দাসে ভাৰা ঘৰৰ অনুসন্ধানত চাপ্লাই ডিৰেক্টৰ বৰুৱাকে লগ ধৰে আৰু বৰুৱাই এটা ভাল ভাৰা ঘৰ বিচাৰি দিয়ে।

ঘৰ-দুৱাৰ লৈ সুস্থিৰ হৈ নোলোৱালৈকে হিতেন দাসে গুৱাহাটীৰ-পৰা পৰিয়াল অনা নাছিল। পৰিয়াল অনাৰ কেইদিনমানৰ পিছতে দাসে এদিন বিজয় বৰুৱাক নিমন্ত্ৰণ কৰিলে। বৰুৱা গৈ পাই দেখে বাসন্তীক লৈ পাৰিজাতে দাসৰ ঘৰ গুৱনি কৰিছে। সেইদিনা পাৰিজাতক দেখাৰ লগে লগে বৰুৱাৰ হাত-ভৰিবোৰ থক থক কৰে কঁপিছিল। মুখটো আচম্বাই কৰাদি কৰিছিল। সেইদিনা তেওঁ কোনোমতেহে লুটি খাই নপৰাকৈ নিজক চম্ভালি লৈছিল।

হিতেন দাসে কথাবোৰ বুজিছিল। বুজিও কিন্তু তেওঁ নিৰ্বিকাৰ হৈ আছিল।

দিন বাতি যোৱাৰ লগে লগে বৰুৱাও সহজ হৈ পৰিছিল, হিতেন দাসৰ দৰে নিৰ্বিকাৰ হৈ পৰিছিল পাৰিজাতকো নিৰ্বিকাৰ যেনেই দেখা গৈছিল।

এদিন, পাৰিজাতৰ বৰপেটীয়া বন্ধু হিতেন দাসেই বিজয় বৰুৱাৰ বিশিষ্ট বন্ধুৰ আসনত বহিল। বৰুৱাৰ পৰামৰ্শ ক্ৰমেই তাৰে যোৰহাট নগৰৰ এই উপকণ্ঠ অঞ্চলত এই ঘৰটো কৰি স্থায়ী বাসিন্দা

ঠিক কৰিছিল। মৰিবৰ দিনলৈকে দাসে বকৰাৰ বিহা পৰামৰ্শ মতেই কাম কৰি আছিল।

৺হিতেন দাসে যদি বিয়া নকৰালেহেঁতেন···তেনেহলে পাৰিজাতৰ কি অৱস্থাই নহ'লহেতেন বাৰু? ছিঃ ছিঃ পাৰিজাতক তেনেদৰে বিশ্বাস-ঘাটকতা কৰি বৰুৱাই কম বেয়া কাম কৰিলেনে? ··তেওঁৰ পাপ হ'ল। ·· আৰু সেই পাপৰ প্ৰায়শ্চিত্ত স্বৰূপেই আজি কিজানি তেওঁ এই নিঃসঙ্গ জীৱন যাপন কৰিব লগা হৈছে। সেয়েহে জপনাখনৰ ওচৰৰ-পৰা পাৰিজাত বহি থকা ঘৰটোলৈ চাই চাই এই মুহূৰ্তত বিজয় বৰুৱাৰ চিঞৰি দিবলৈ মন গৈছে—

মোক ক্ষমা কৰিবা পাৰিজাত।·· মোক·· নাই, নাই, মোক তুমি অভিশাপ দিয়া মোক তুমি তিল তিলকৈ মৰিবলৈ কোৱা· ·মই বিশ্বাসঘাটক মই ঠগ মই প্ৰবঞ্চক · মই ভণ্ড মই·· মই আত্ম প্ৰতাৰক। মোক তুমি ক্ষমা নকৰিবা পাৰিজাত।· ·কিন্তু কিন্তু নাই নাই পাৰিজাত তুমি মোক ক্ষমা কৰিব লাগিব। তুমি মোক ক্ষমা কৰি তোমাৰ বাসৱীক মোৰ বিজনলৈ দিব লাগিব তুমি মোক· ·তুমি ক্ষমা কৰিবা? তুমি মোক ক্ষমা কৰিব পাৰিবা?·

৺হিতেন দাসৰ ঘৰটোৰপৰা চকু ঘূৰাই আনি, লোৰ জপনাখনৰ ওচৰৰ পৰা আঁতৰি আহি বৰুৱাই বাস্তাইদি খোজ আগবঢ়ালে। খোজ আগ-বঢ়ায়েই তেওঁ নিজৰ বুখুখন খেপিয়াই চালে। তেওঁ মনতে কথাবোৰ খিৰখিৰালে

—মোৰ ভুল হ'ল। মই ভুল কৰিলোঁ।· ভুল কৰি তেতিয়া মই তোমাৰ দায়িত্ব নল'লেও হিতেন গুচি যোৱাৰ পিছত এতিয়া কিন্তু হাঁহি হাঁহি মই তোমাৰ দায়িত্ব লৈছোঁ।· তুমি মোক ক্ষমা কৰা·· উদাৰ-ভাৱে তুমি তোমাৰ বাসৱীক মোৰ বিজনলৈ দিয়া। বাসৱীৰ মাজেদি তুমি পুনৰ মোতে লীন যোৱা আৰু বিজন ৰূপে ময়ো তোমাতে লীন যাওঁ। তেনেকৈয়ে আমাৰ পুনৰ মিলন হওক। আমি জীয়াই থাকোঁ···

বাটৰ নিয়ন লাইটৰ পোহৰ অতিক্ৰম কৰি বিজয় বৰুৱাৰ দৃষ্টি আন্ধাৰৰ মাজেদি নীলা আকাশলৈ গ'ল। কিন্তু কি আচৰিত··· আকাশত দেখোন নীলাবোৰ নাই। ক'লা কাপোৰ এখনৰ মাজত জিলিকি থকাৰ দৰে তৰাবোৰহে জিলিকি আছে। নীলাৰ ঠাইত আকাশৰ ৰং ক'লা হ'ল কেতিয়া? এই ক'লা আকাশখনে বৰুৱাক কিহৰ ইংগিত দিছে? এই ইংগিত কি তেওঁৰ ভাগ্যৰ? তেনেহলে তেওঁৰ ভাগ্যাকাশখন ক'লা হৈ আহিছে? তেনেহ'লে পাৰিজাতে তেওঁক ক্ষমা নকৰে? ক'লা আকাশখনৰ মাজত বৰুৱাই সৌখন কাৰ মুখ দেখা পাইছে? সেয়া সেয়া তেওঁ কি শুনিছে? তুমি তুমি মানুহ নামৰ অযোগ্য তোমাৰ মুখ চাব নাপায় কথা দি কথা ৰাখিব নোৱাৰা তোমাৰ এইখন মুখ অগ্নিয়েও দাহ নকৰে। তুমি ভণ্ড কাপুৰুষ।

বৰুৱাই ক'লা আকাশখনৰপৰা দৃষ্টি ঘূৰাই আনিলে। তথাপি সদানন্দ হাজৰিকাৰ ক্ৰুদ্ধ মুখখনে তেওঁক প্ৰচণ্ড বেগেৰে খেদি অহা যেনেই লাগিল। বৰুৱাই খৰ খেদাকৈ খোজ আগবঢ়ালে।

বৰুৱা ভৱনৰ লোহাৰ গেটখন মেলি ভিতৰলৈ আহিহে বিজয় বৰুৱাই নিজকে নিৰাপদ অনুভৱ কৰিলে। নিৰাপদ যেন অনুভৱ কৰিলেও বৰুৱাৰ মনৰ পৰা ত্ৰাসৰ ভাৱটো কিন্তু একেবাৰে আঁতৰি নগ'ল। তেওঁ ভয়ে ভয়ে আকৌ আকাশৰ ফালে চালে। আকাশখন অধিক ক'লা হৈ পৰা যেন লাগিল তেওঁৰ। ক'লাৰপৰা ক'লা হৈ আকাশ-খনে বাৰু তেওঁক কিহৰ ইংগিত দিছে?—বিজয় বৰুৱাই আকৌ এবাৰ ভাবিলে। আকাশৰ নীলাবোৰ ক'লা হৈ গৈ জয়শ্ৰীক পাহৰি যাবৰ বাবে বৰুৱাক ইংগিত দিছেনেকি বাৰু? জয়শ্ৰীক যদি পাহৰি যাব লাগে তেনেহলে জয়শ্ৰীৰ ঠাইলৈ কোন আহিব? জয়শ্ৰীৰ সলনি তেওঁ কাক মনত পেলাব? পাৰিজাতক? পাৰিজাতক?? পাৰিজাতক???

বিজয় বৰুৱাই নিজৰ গাটো জো জো কৰে ঘামি অহা যেন পালে।

তেওঁ বিজুলী চাকিৰ পোহৰত জিলিকি থকা ফুলনিখনৰ ওচৰলৈ গ'ল। নাই নাই, তেওঁ জয়শ্ৰীক নাপাহৰে। এই ফুলনিখন থাকে মানে তেওঁ জয়শ্ৰীক পাহৰিব নোৱাৰে। এই ফুল নহয়, এইবোৰ ফুলৰ পাপৰি নহয়, এইবোৰ একোজনী জয়শ্ৰী· এইবোৰ জয়শ্ৰীৰ স্মৃতিৰ পাপৰি।·

কিন্তু কিন্তু হঠাৎ এয়া কি হৈছে? হঠাৎ কিয় এনে হৈছে? ফুলনিখনৰ মাজৰপৰা জয়শ্ৰীজনী সোৰা নোহোৱা হৈ গৈছে কিয়? ধোঁৱাৰ দৰে কুণ্ডলী পকাই জয়শ্ৰী ওপৰলৈ উৰি গৈছে কিয়? · জয়শ্ৰীৰ ঠাইত খৰিকাজাঁই জোপাৰ ওচৰত স্পষ্ট হৈ পৰিছে সৌজনী পা-ৰি-জা-ত নহয়নে? হয়! হয়!! হয়!!! কিন্তু এয়া কি হৈছে? ·কিয় এনে হৈছে?

ফুলনিৰপৰা চকু ঘূৰাই আনি কঁপা খোজেৰে বৰুৱা বাৰান্দাৰ ফালে আগবাঢ়িল। নাই, পাৰিজাতৰ প্ৰতি আকৌ এবাৰ তেওঁ এনে অন্যায় কৰিব নোৱাৰে। পাৰিজাতৰ প্ৰতি তেওঁ আৰু অন্যায় নকৰে। পাৰিজাতৰ সলনি তেওঁৰ বাবে বাসন্তী আছে। বাসন্তী তেওঁৰ ঘৰলৈ বোৱাৰী হৈ আহক খৰিকাজাঁই জোপাৰ ওচৰত জয়শ্ৰীৰ সলনি বাসন্তীয়েই থিয় হওকহি আৰু

বৰুৱা বাৰান্দা পালেগৈ। দয়াৰাম বাৰান্দাতে আছিল। তেওঁ তাক মাত লগাই বন্ধা-বঢ়াৰ খবৰ ল'লে,—বেঙেনাৰ পোককেইটা আঁতৰ কৰি দলিনে? নে পোকে-চোকে সোপাকে চৰ্চৰি কৰিলি?

লগে লগে দয়াৰাম মুখৰ হৈ পৰিল,—দেউতা নষ্ট। সোপাকে নি পিছফালৰ খালত। তথাপি দেউতা, বেঙেনাৰ চৰ্চৰিয়েই আজি কপালে মিলাইছে। এই কাঞ্চন আহিছিল। নোদোকা নোদোকা বেঙেনা এগাল দি গৈছে। আ ৰু

দয়াৰামে কথাখিনি শেষ কৰিবলৈ নাপালে। কাঞ্চনৰ নামটো শুনি বৰুৱাৰ বুকুখন চিৰিং কৰি গ'ল। তেওঁ অলপ ডাঙৰ মাতেৰেই দয়াৰামক ক'লে,—কাঞ্চন আহিছিল? তাইক মই মোৰ ঘৰলৈ নাহিবলৈ কৈছিলোঁ নহয়।

বৰুৱাৰ মূৰ্তি দেখি দয়াৰাম চেঁচা পৰি গ'ল। সি সেমেকা মাতেৰে ক'লে,—ভাই দেউতা আধাপাগল। ভাই সেইবোৰ কি জানে? পিছে কাঞ্চনে আৰু এটা কথা কৈ গৈছে দেউতা—

—আৰু এটা কথা কি গৈছে?—বিজয় বৰুৱা হঠাৎ উত্তেজিত হৈ পৰিল,—কি কৈ গৈছে? ভাই কি কৈ গৈছে? ভাই বিজনক লগ পাইছিলনে কি? ভাই বিজনৰ লগত কিবা কথা পাতিছিলনে কি? ভাই কাৰ বিষয়ে কি কৈ গৈছে? ক ক, বেগাই ক।

দয়াৰাম ভয়তে মূচকচ যাবৰ উপক্রম। সি সেহাই সেহাই ক'লে,—বিজন বোপাক আকৌ কাঞ্চনে কিবা ক'ৰবাৰ লগ পাব ক'ত? সেই যে দুপৰীয়াতে ভাত কেইটা খাই ওলাই গ'ল—বোপাৰ আৰু দেখা দেখি নাই। দেউতা, মোকহে কাঞ্চনে কৈ গৈছে—ৰূপ একুৰি লাগে। বৰ টানত পৰিছে হেনো।

বিজয় বৰুৱা কোঁ কোঁ কৰে ওপৰ মহলালৈ উঠিল। খটখটিৰ আধালৈকে উঠাৰ পিছত দয়াৰামকো মাতি নিলে। বাকচ মেলি দুখন বিশটকীয়া নোট উলিয়াই দয়াৰামৰ হাতত দি ক'লে,—যা তৎক্ষণাৎ কাঞ্চনক দি আহ। একুৰিৰ ঠাইত দুকুৰি দিছোঁ। কৈ দিবি—ভাই যেন টকা বিচাৰি দ্বিতীয়বাৰ আৰু মোৰ ঘৰলৈ নাহে। দীনদয়ালে জমা ৰাখি যোৱা টকা আজি দি শেষ হৈ গ'ল—

এবাৰ বৰুৱাৰ মুখলৈ আৰু এবাৰ খমখমীয়া নোট দুখনলৈ চাই একো বুজিব নোৱাৰি দয়াৰাম খটখটিয়েদি তললৈ নামি আহিল। ইফালে বৰুৱা নিজৰ কোঠালৈ গৈ, কামিজখন আলনাডাললৈ দলি মাৰি দি বিচনাত দীঘল হৈ পৰিল। উস্ ইমান ভাগৰনে?

বৰুৱাৰ গাটো অৱশ হৈ আহিছিল। অকস্মাতে বেৰত ওলমি থকা ছবি এখনত চকু পৰাত তেওঁৰ মনটো টন টনাই উঠিল। দৈহিক অৱসতাও ক্ষন্তেকতে নোহোৱা হৈ গ'ল। তেওঁ ছবিখনলৈ একেথাৰে ভালেপৰ চাই থাকিল। সেইখন যে জয়শ্ৰীৰ ছবি...

...হঠাৎ বিজয় বৰুৱাৰ চকুৰপৰা জয়শ্ৰীৰ ছবিখন নোহোৱা হৈ গ'ল।

বৰুৱাৰ চকুৰ আগত কোনোবা ফালৰপৰা আহি কাঞ্চন ওলালহি।··· গোনে গোনে কাঞ্চনে বেৰত ওলমি থকা জয়শ্ৰীৰ ছবিখন টান মাৰি একৰাই আনিলে আৰু কোঠাটোৰ চুকটোলৈ দলি মাৰি দিলে। লগে লগে বৰুৱাৰ কাণত কাঞ্চনৰ মাতটো বাজি উঠিল,—আপুনি কাক ফাঁকি দিদিয়াকৈ থাকিল মালিক বাবু? আপুনি পাৰিজাতক ফাঁকি দিলে দীনদয়ালক ফাঁকি দিলে· মোক ফাঁকি দিলে···বিজন বাবুক··· আৰু·· আৰু এই সৰল মানুহজনীকো জ য় শ্ৰীকো ফাঁকি দিলে।

এই মানুহজনীৰ মাত্ৰ কেইমাহমানৰ অসুস্থতাৰ সুযোগ লৈয়ে আপুনি মোক আপোনাৰ চকুৰ আগত এই নিষ্পাপ মানুহজনীৰ ছবিখন ৰাখি তেওঁৰ পৱিত্ৰতাত কলংক সানিছে। মই নিজে কলংকিনী হ'লেও এই মানুহজনীৰ গাত কলংকৰ চেকা পৰিবলৈ দিব নোৱাৰোঁ।···ছবিখন টুকুৰা টুকুৰ হৈ যাওক। ইয়াত মোৰ ছবি থাকিব · আপোনাৰ চকুৰ আগত মই ওলমি থাকিম। মই। মই!! · মই!!!

—কা-ন্-চ-ন। চিঞৰ মাৰি দি বিচনাত দীঘল হৈ থকা বিজয় বৰুৱা উঠি বহিল। কিন্তু ক'ত কাঞ্চন?· আৰু জয়শ্ৰীৰ ছবিখন? ছবিখনচোন আগৰ দৰেই বেৰত ওলমি আছে। বৰুৱাই নিজৰ কপালখনকে এবাৰ পিহি দিলে। কি যে হৈছে এই কেইদিন ·

ভালেপৰ তেনেদৰে থাকি বৰুৱাই ভাবিলে স্ত্ৰীৰ সান্নিধ্যৰপৰা বঞ্চিত হোৱা বাবেই এনে হৈছে কিজানি···

তেওঁ বিচনাৰ পৰা উঠি আহি হাত-মুখ ধুই খাবলৈ গ'ল। বিজনো আহি পাইছিলহি। খোৱা-বোৱাৰ পিছত বৰুৱাই বিজনক বাসৰীহঁতৰ ঘৰলৈ গৈ মাকৰ খবৰ এটা লৈ আহিবলৈ ক'লে। বিজন গ'ল। বৰুৱাই ওপৰৰ বাৰান্দাৰপৰা তাক চাই থাকিল।

তেতিয়া নিশা এবাৰ বাজিছিল।

# তিনি

আগৰেপৰা কিতাপ পঢ়াৰ অভ্যাস আছিল বাবে অফিচৰপৰা আহি চাহ-জলপানৰ পৰ্বটো শেষ কৰি, কেইমিনিটমানৰ জিৰণিৰ পিছতে কিতাপখন মেলি লৈ বিজয় বৰুৱা টেবুলৰ ওচৰত বহিল। ১৯৭৬ চনতে সাহিত্য অকাডেমীৰ বঁটা পোৱা মৈত্ৰেয়ী দেৱীৰ 'ন হন্যতে' কিতাপখন আগ্ৰহেৰে মেলি লৈছিল যদিও প্ৰথম কেই পৃষ্ঠাত তেওঁ কাহিনীৰ কোনো আঁত ধৰিব নোৱাৰিলে। বৰ্ণনাবোৰ দীঘলীয়া হোৱাত, দীঘলীয়া বৰ্ণনাবোৰ বিজয় বৰুৱাই বুজিবলৈ যত্ন কৰাত, আজি কিছুদিনৰপৰা কিতাপ মেলিলেই আৰম্ভ হোৱা মূৰৰ বিষটো আজিও ক্ৰমে ক্ৰমে আৰম্ভ হ'বলৈ ধৰিলে। উপায়ন্তৰ হৈ বৰুৱাই কিতাপখন জপাই ৰেকডালত থৈ দিলে।

লগুৱা দয়াৰামে বা তেওঁ নিজেও চম্ভালিব নোৱাৰা বাবে প্ৰায় বাইশ বছৰ পৰিপাটি অৱস্থাত থকা বিজয় বৰুৱাৰ এই কোঠাটো যোৱা তিনি বছৰে ভালদৰেই অপৰিপাটি হৈ পৰিছে। অপৰিপাটি কোঠাটোৰ ভেঁকুৰা ভেঁকুৰা গন্ধটো বৰুৱাৰ নাকত লাগিল। বৰুৱাই বৰ অসহ্য অনুভৱ কৰিলে। এৰা! জয়শ্ৰী থকা হ'লে বৰুৱাই কেতিয়াও এই গোন্ধটো নাপালেহেঁতেন তেওঁৰেই কিবা দুৰ্ভাগ্য। কিন্তু সদায় দুৰ্ভাগ্য দুৰ্ভাগ্য বুলি হাত সাৱটি বহি থাকিলেই হ'লনে? তেওঁ জানো এই ভেকুৰা গন্ধটো নোহোৱা কৰিবৰ কিবা এটা ব্যৱস্থা কৰিব নোৱাৰে? —পাৰে। তাৰ এটা সহজ উপায়েই আছে। সেইটো হ'ল—খৰধৰকৈ বিজন আৰু বাসৱীৰ বিয়াখন পাতিব লাগিব। খৰধৰকৈ বাসৱীক এইখন ঘৰলৈ বোৱাৰী হিচাবে লৈ আহিব লাগিব। এই ঘৰখন, জয়শ্ৰীৰ স্মৃতিজড়িত এই কোঠাটো বাসৱীক চমজাই দিব লাগিব।..

কিন্তু বিজন আৰু বাসৰীৰ বিয়াৰ কথা মনলৈ আহিলেই আন এটা কথাও বকুৰাৰ মনলৈ আহে। আন এটা কথা নহয়—আন এটা চিন্তা। এই চিন্তাটোৰে হেঁচা মাৰি ধৰাৰ লগে লগেই বকুৰাই বিজন আৰু বাসৰীৰ বিয়াখনৰ কথা সাময়িক ভাৱে নভবাকৈ থাকিব লগা হয়। তেতিয়া তেওঁৰ মানস চকুৰে এই দৃশ্যটো দেখে—

এখন ডাঙৰ ৰভা। বহুত মানুহৰ মাজত দৰা হৈ বিজন বহি আছে। কেইগৰাকীমান তিৰোতা মানুহে ভিতৰৰ পৰা কন্যা বাসৰীক উলিয়াই আনিছে। বাসৰী বিজনৰ ওচৰত বহাৰ লগে লগে এনেহে লাগিছে—সেই ঠাইত দৰাৰূপে বিজন নাই, বিজয় বহিছে। আৰু দীঘল ওৰণিখনেৰে সেইজনী বাসৰী নহয়, সেইজনী সেইজনী পাৰিজাত বহিছেহি। পুৰোহিতে হোমৰ মন্ত্ৰ মাতিছে। আম খৰিৰ জুইত ঘিউ পৰি ৰভাখনৰ চাৰিও চুকতে এটা পৱিত্ৰ পৱিত্ৰ গোন্ধ বিয়পি পৰিছে। বকুৰাৰ বৰ ভাল লাগিছে। ভাল লগাৰ মাজতে নিশাটো শেষ হৈ গ'ল। নাই নাই, বকুৱা নহয় বিজনহে পৰিজাত নহয় বাসৰীহে তেওঁ মাজতে ভ্ৰমহে দেখিছিল। দৰা-কন্যা যাবলৈ ওলাল। কন্যা ঘৰৰ পৰিবেশ বৰ গধূৰ হৈ পৰিল। পাৰিজাতে গছৰ পাত সকুৰাই কান্দিবলৈ ধৰিলে। বকুৱা ভিতৰলৈ গৈ এবাৰ পাৰিজাতক সান্ত্বনা দি আহিল,—নাকান্দিবা পাৰিজাত, নাপায়। কিন্তু পাৰিজাতে বৰকৈহে কান্দিবলৈ ধৰিলে। বকুৱা বাহিৰলৈ ওলাই আহিল। পৰিজাতো চোতাল পালেহি। বকুৰাই শেষ বাৰ 'যাওঁ এতিয়া' বুলি কোৱাৰ লগে লগে পাৰিজাতে জন্তুৰ মাতেৰে চিঞৰি উঠিল—

যাওঁ?—কলৈ যায়? অ' ঘৰলৈ যায়।—যাওক। আপুনি গ'লে যে নাহে আহিব নোৱাৰে সেই কথা মই জানো। আপুনি মানুহ নে পশু মই আজিও বুজিব নোৱাৰিলোঁ। ভাবিছিলোঁ আপোনাৰ পৰা মই বাচি থাকিব নোৱাৰিলেও অন্ততঃ মোৰ ছোৱালীজনী থাকিব। কিন্তু নাথাকিল। মোৰ সমস্ত কাঢ়ি নিও আপোনাৰ হেঁপাহ নপলাল।

চলে-বলে-কৌশলে মোৰ বুকুৰ পৰা মোৰ ছোৱালীজনীকো আজি কাঢ়ি লৈ গ'ল। নিয়ক। কিন্তু চাব, যাতে মোক ঠগাৰ নিচিনাকৈ তাইকো আপুনি নঠগে। যাওক আপুনি এতিয়াই মোৰ চকুৰ আগৰ পৰা আঁতৰি যাওক। আপোনাৰ দৰে ভণ্ড কাপুৰুষ এজনৰ মুখ চাবলৈ মোৰ সমূলি মন নাই। আপুনি মোক মোক খাই খাই

পাৰিজাত বুলি বিৰ বিৰাই বকৰা ঘপহ কৰে বহাৰ পৰা উঠিল। কোঠাটোৰ ভেঁকুৰা গোন্ধটো বৰলৈ নাকত লগা যেন অনুভৱ হ'লত তেওঁ বাহিৰলৈ আহিল। আৰু পিছফালৰ বাৰান্দাখনত বহি তালগছ কেউজোপাৰ ফাঁকটোৰেদি বাহিৰৰ ফালে চাই থাকিল।

অলপ পৰৰ পিছত বকৰাৰ পিছফালে দয়াৰাম উপস্থিত। সঁহাৰি পাই বকৰাই মাত দিলে,—কচোন দয়াৰাম, কি খবৰ আছিল ক।

দয়াৰামে ক'লে, —দেউতা খবৰ তেনেকৈ নাই। কিন্তু মই আৰু নোৱাৰিম। এনেকুৱা উত্তন্দালি, বোলোঁ এইটো বামুণৰ আখল— নাপায় নাপায়, পিছে ক'ত মোৰ কথা শুনিলে? এতিয়া পা পৰাচিতৰ বেৱচথা নকৰাকৈ মই নোৱাৰিম।

পা-পৰাচিতৰ বেৱচথা?—বকৰাই দয়াৰামৰ চকুলৈ চালে। ক'লে,—চিন্তা নাই, ভোলাই বাপুটি আছে। কিন্তু কথাটো কি? আখল চুলে কোনে?

দয়াৰাম বকৰাকে ঘূৰাই ধৰিবৰ উপক্ৰম,—মই কৈছিলোঁৱেই নহয়, অজাতিক ইমান লাই দিয়া ভাল নহয়। এতিয়া চল পাই পাই আপুনিহে যি কৰিব লাগে কৰিলে। চাওকাহিচোন তাইৰ অত-পালিখন।

বকৰা তললৈ নামি গ'ল। খটখটিতে তেওঁৰ বুকুখন চিৰিং কৰি উঠিল,—যদি কাঞ্চন আহি। পিছে ৰান্ধনীশাল পায়ে তেওঁৰ ভুল ভাগিল। কাঞ্চন নহয়, বাসন্তীয়েহে দয়াৰামে মেলি থোৱা পোহাৰখন সামৰি ৰান্ধনী ঘৰটো পৰিপাটি কৰিব ধৰিছে। আজি ভালেদিন বকৰা এইফালে অহা নাই। দয়াৰামে অকলে পাই কোঠাটো গৰু গোহালি

সজাইছে। এতিয়া বাসন্তীয়ে তাকে সামৰিব ধৰাত অপৰাধতো লাগিল। বৰুৱাই দয়াৰামক ক'লে,—বাৰু হ'ব যা। বাসন্তী সোমাল বুলিয়েই চৰুত ভাত নিসিজাকৈ নাথাকে। তোৰ আছে যদি আন কাম কৰগৈ। সম্ভৱতে বাসন্তীয়ে ৰান্ধনী ঘৰটোৰ 'পৰাচিতৰ বেৱচ্থা' কৰি লওক।

দয়াৰামে 'গ'ল গ'ল—দেশ তললৈ গ'ল' বুলি বাহিৰলৈ ওলাই আহিল। দয়াৰামৰ ফালে টেলেকাকৈ চাই বাসন্তীয়ে বৰুৱাক ক'লে, —চাওকচোন খুৰাদেউ, ৰান্ধনী ঘৰটোৰনো বাৰু এনে অৱস্থা কৰি থব লাগেনে? এইটো ঘৰতনো বাৰু মানুহে ভাত ৰান্ধেনে? ছিঃ ছিঃ...

বাসন্তীৰ লগত বৰুৱাৰ অলপ ধেমালি কৰিবলৈ মন গ'ল। তেওঁ ক'লে,—দয়াৰামৰ কীৰ্তি-কাহিনী ক'বলৈ হ'লে সাত দিন সাত ৰাতি নগদ দৰকাৰ হ'ব। সেয়েহে কৈছোঁ, বোলোঁ সোনকালে ঘৰখন চমজি লোৱাৰ দিহা-পোহা এটা তলে তলে বিজনৰ লগত কৰি পেলোৱা। তুমিহে পিছে

বৰুৱাৰ মনৰ ভাব বুজিব পাৰি বাসন্তীয়েও ধেমালিৰ চলেৰে ক'লে, —হৈছে হৈছে খুৰাদেউ, আৰু আগবাঢ়িব নালাগে। পুতেকক ইমানকৈ ক'লোঁ, বোলে ক'ৰ্ট-ট'ৰ্টকে কিবা এটা কৰি পেলাওঁ। কিন্তু ক'ৰ্টৰ কথা ক'লেই সিফালে ভয়তে মূচকচ্ যায়। এতিয়া আক দোষটো পৰিল মোৰ গাত

বিজয় বৰুৱাই বাসন্তীক কোনো উত্তৰ নিদিলে। নিদি সৰু খিৰিকীখনেদি প্ৰসন্ন দৃষ্টিৰে তেওঁ ইটো সিটো কামত ব্যস্ত হৈ পৰা বাসন্তীলৈ চালে। এইজনী সঁচাকৈয়ে লখিমী। এইজনী হিতেন দাস আৰু বিজয় বৰুৱা—এই দুয়োখন ঘৰৰে লখিমী। লখিমীজনীক বৰুৱাই হেঁপাহ পলুৱাই চাই থাকিল, চায়ে থাকিল

বাসন্তীলৈ চাই চাই অসময়ত বৰুৱাই আপোন পাহৰি পেলালে। বৰ্তমানৰ বোকাপানী ফালি তেওঁৰ মনটো অতীতৰ মিহি-বহল বাটটোৱেদি ঢাপলি মেলিলে। বাসন্তীৰ সলনি ৰান্ধনীশালত বৰুৱাই

জয়শ্ৰীক দেখিবলৈ ধৰিলে। ক্ৰমে ক্ৰমে জয়শ্ৰীও তেওঁৰ চকুৰ আগতে বান্ধনীশালৰ পৰা নোহোৱা হৈ গ'ল। নলী-নাদত চচ্‌পেন কেইটা খুই মুখত ঔফুলীয়া হাঁহিটোৰে বৰুৱাৰ চকুৰ আগেদি বান্ধনী ঘৰলৈ সোজনী কোন আহিছে? এইজনী এইজনীচোন এইজনীচোন পাৰিজাত। পাৰিজাতজনী ইমান ধুনীয়া হৈ পৰিব লাগেনে? বিজয় বৰুৱাৰ বান্ধনীশালত পাৰিজাতক ইমান শুৱনি লাগিব লাগেনে? . আজি আহিবলৈ বৈ নাথাকি পাৰিজাত জীৱনৰ প্ৰথম ছোৱাতে যদি এই বান্ধনীশালখনলৈ আহিলহেঁতেন যদি যদি ।

এনেতে ওপৰ মহলাৰ আগফালৰ বাৰান্দাখনৰ পৰা এটা তীব্ৰ নাৰী কণ্ঠ ভাঁহি অহা যেন লাগিল বৰুৱাৰ। সেই স্বৰ জয়শ্ৰীৰ। বৰুৱাক উদ্দেশ্য কৰি জয়শ্ৰীয়ে যেন চিঞৰি চিঞৰি কৈছে আপুনি আপুনি সেয়া কি কৰিছে? পাৰিজাতক আনি বৰ ঘৰত বৰ পীৰা পাৰি বহিবলৈ দিছে যে? এতিয়া এই বয়সত আপোনাৰ পাৰি-জাতক কি প্ৰয়োজন? মই নাই? মোক আপুনি পাহৰিলেই নে? কি?—পাৰিজাত নহয়, বাসৱীহে। তেনেহলে আপোনাৰ চকুত সেই শালীনতাৰ সীমা পাৰ হৈ যোৱা দৃষ্টি কিয়? সেই ফুল যেন কোমল ছোৱালীজনীৰ প্ৰতি সেই দৃষ্টি নিক্ষেপ কৰিছে কিয়? আপোনাৰ সেই লম্পট স্বভাৱটো আজিও একেই থাকিল, নহয়? . আপুনি আপুনি অতিশয় কামুক পুৰুষ।

বৰুৱা বান্ধনী ঘৰৰ ওচৰৰ পৰা গুচি আহিল। পিছফালৰ বাৰান্দা পালেহি। সেই চিনাকি চকিখনত বহি লৈ তেওঁ চিনাকি আকাশখনলৈ চালে। সিফালে পদূলিমুখত বাসৱীয়ে দয়াৰামক কোৱা শুনা গ'ল,—তোমাৰ পাকঘৰৰ পৰাচিত হৈ গ'ল দয়াৰাম ককাই। যোৱা, বন্ধা-বঢ়াৰ দিহা কৰাগৈ।

লগে লগে বাসৱীক দয়াৰামে জলজলাই উঠিল। কিন্তু কি জলজলালে বৰুৱাই বুজি নাপালে। দয়াৰামৰ বুজি নোপোৱা কথা-বোৰৰ অৰ্থ বৰুৱাৰ কাণত এনেদৰে বাজি উঠিল—'কিন্তু তথাপি আমি

দেখ দেখকৈ সেই কাম কৰিব নোৱাৰোঁ। তেনেদৰে দেশত নোহোৱা নোপজা কাণ্ড কৰিলে সমাজত আমাৰ ঠাই নহ'ব। 'তই যদি সেইজনী আনিবলৈ নাপালে আন ছোৱালী নান তেনেহলে এইবোৰ ল আৰু আমাৰ আটাইবোৰকে কাট।'

বৰুৱাই আকাশৰ পৰা দৃষ্টি ঘূৰাই আনিলে আৰু নিজৰ গাটোৰ চাৰিওফালে এবাৰ চালে। তেনেহ'লে পাৰিজাতৰ দৰে তেওঁ বাসন্তীকো প্ৰতাৰণা কৰিবনে কি? বাসন্তীকো তেওঁ এইখন ঘৰলৈ আনিব নোৱাৰিব নে কি? সেই যে দেৱালখন সেইখন কি আজিও লংঘন কৰিব নোৱাৰা অৱস্থাতে আছে? সেইখন পাৰ হ'বলৈ আজি ইমান দিনেও তেওঁ প্ৰস্তুত হ'ব পৰা নাইনে?

বনিয়ন চোলাটোৰ তলত থকা উত্তৰীয়ডালত হাত দিলে বিজয় বৰুৱাই। লগে লগে দেৱালখনৰ ওচৰত বৈ থকা শত-সহস্ৰ প্ৰহৰীয়ে একেমুখে চিঞৰি উঠিল—নাহিবা নাহিবা এই দেৱালৰ ওচৰলৈ নাহিবা এই দেৱাল বগাবলৈ যত্ন নকৰিবা নাপায়

বৰুৱাই উত্তৰীযডাল এৰি দিলে।

সময বৈ থকা নাই। সময়ৰ লগে লগে বৰুৱাইও খোজ মিলাই যাবই লাগিব।-খোজ মিলাবলৈ তেওঁ মনতে খাটাং সিদ্ধান্ত কৰি পেলালে। প্ৰয়োজন হ'লে তেওঁ উত্তৰীয় উপেক্ষা কৰি যাব। এইবাৰ তেওঁ ধৰ্মীয় বা সামাজিক সকলো বাধা বান্ধোন নেওচি হ'লেও দেৱাল-খন চুবগৈয়ে। সেইখন অতিক্ৰম কৰি ইপাৰ সিপাৰ হ'বই। বাসন্তীৰ মাধ্যমেদি তেওঁ পাৰিজাতৰ লগত সম্পৰ্ক স্থাপন কৰিবই ।

কৈৱৰ্ত কুলৰ ছোৱালী এজনী বোৱাৰী হিচাপে আদৰি লোৱাত যদি সমাজ প্ৰতিবন্ধক হয়, যদি বংশ পৰিয়াল আহি সেই পূৰ্বৰ ভূমিকাত অৱতীৰ্ণ হয়হি? নাই নাই, এইবাৰ বৰুৱাই কথা নামানে। এইবাৰ তেওঁ কৰিম বুলি ভবা কাম কৰিবই। এই সময়ত বৰুৱাৰ বাবে সমাজ প্ৰথম কথা নহয়, বংশ-পৰিয়াল প্ৰথম কথা নহয়। প্ৰথম কথা—এজনী নাৰী। এই ঘৰখনক, এই ঘৰখনৰ গৰাকী বৰুৱাক,

—এজনী নাৰীৰ সান্নিধ্য লাগে। সেই নাৰী জয়শ্ৰীয়েই হওক বা পাৰিজাতেই হওক বা বাসন্তীয়েই হওক ।

নিজৰ দৃঢ়তাৰ বাবে বৰুৱাৰ নিজৰে ভাল লাগিল। তেওঁৰ গধুৰ মন আজি বহুখিনি পাতল হৈ পৰিল। আজি ভালে দিনৰ মূৰত তেওঁৰ বৰুৱা ভৱনৰ চৌহদৰ বাহিৰত ফুৰিবলৈ মন গ'ল। তেওঁ আকৌ ভেঁকুৰা গোন্ধেৰে ভৰি থকা কোঠাটোলৈ আহিল। কামিজটো পিন্ধিলে।

পদূলি মুখ পাই বৰুৱাই কিবা এটা পাহৰি অহা যেন পাহৰি অহা যেন অনুভৱ কৰিলে। হাতত টৰ্চটো দেখি হঠাৎ তেওঁৰ মনত পৰিল লাখুটিডাললৈ। লাখুটিডাল আনিবলৈ বুলি কেইখোজমান আগবাঢ়ি গৈও বৰুৱা আকৌ ঘূৰি আহিল। কোনো প্ৰয়োজন নাই, বৰুৱাই ভাবিলে, এই বয়সতে লাখুটিত ভৰ লোৱাৰ কোনো প্ৰয়োজন নাই। মৰিবৰ আগে আগেহে মানুহক লাখুটিৰ প্ৰয়োজন। বৰুৱাৰ মৰিবৰ সময় হোৱা নাই। বৰুৱা বুঢ়া হোৱা নাই। বৰুৱাৰ মনৰ বল শেষ হৈ যোৱা নাই।

জপনাখন মেলি তেওঁ চৌহদৰ বাহিৰলৈ আহিল। লাখুটিৰ সলনি তেওঁৰ কাষে কাষে যদি জয়শ্ৰী আহিলহেঁতেন? জয়শ্ৰীৰ অবৰ্তমানত যদি পাৰিজাত আহিলহেঁতেন? পাৰিজাত নাহে যদি, আহিবলৈ বেয়া পাই যদি? বাসন্তীক তেওঁৰ লগত পঠাইদিলেহেঁতেন যদি যদি

চেঙেলীয়া ছোৱালী কেইজনীমানে খিল্ খিলাই হাঁহি বৰুৱাৰ গাৰ কাষেদি পাৰহৈ যোৱাত তেওঁ বাস্তৱ ৰাজ্যলৈ ঘূৰিল। ধেৎ নাভাবোঁ নাভাবোঁ বুলিও যে কি কথাবোৰ ভাবি আছিছোঁ। এইবোৰ ভাবি ক'ব নোৱাৰা হৈ আহোতে পিছফালৰ পৰা যদি মটৰ এখনে খুন্দা মাৰি দিয়েহি? তেতিয়া তেওঁ কাৰ গাত খুন্দা মাৰি নিজক বচাব? বাওঁ কাষে পাৰিজাত থকা হ'লে ঘূৰাই তেওঁৰ গাতে ধেৎ, কি যে ল'ৰামতীয়া কল্পনা।

বৰুৱাই সন্মুখৰ ছোৱালী কেইজনীলৈ চালে। বিচিত্ৰ বেশ-ভূষাৰ

ছোৱালী কেইজনীৰ হাতে হাতে একোটাইঁত মিউজিকেল ইনষ্ট্ৰুমেণ্ট। তেনেহ'লে সিহঁত সংগীত স্কুললৈ গৈছে? . এৰা, এই উপকণ্ঠ অঞ্চলটোত তেওঁ ক'ব নোৱাৰাকৈয়ে বহুত কিবা কিবি হৈ গ'ল। আগতে মন থাকিলেও ল'ৰা-ছোৱালীবোৰে এইবোৰ শিকিবলৈ সুবিধা পোৱা নাছিল। এতিয়া ওচৰতে যেতিয়া স্কুলখন হৈছিলেই . তেওঁৰো শিকিব পৰা কোনোবা থকা হ'লে বিজনৰ সৰু ভনীয়েক এজনী থকা হ'লে · বিজনৰ সৰু ভনীয়েক বিজনৰ ভ-নী-য়ে-ক .

অকস্মাতে বিজয় বৰুৱাৰ মনটো বিষাই যোৱা যেন লাগিল। জয়শ্ৰী থকা হলে কিজানি নাথাকিলেওচোন এইবাৰ বৰুৱাই মূৰটো ঘূৰাই যোৱা যেন পালে। ক'ব নোৱাৰাকৈয়ে তেওঁৰ দৃষ্টি আকাশৰ ফালে গ'ল। বিজুলী চাকিৰ তাঁৰ কেইডালৰ অলপ ওপৰতে বৰুৱাই কিশোৰী ছোৱালী এজনী দেখিবলৈ পালে। ছোৱালীজনীয়ে খিল খিলাই হাঁহি তেওঁৰ ফালে চালে। হাতত থকা ভায়োলিনখন জোকাৰি তাই কৈ উঠিল দেউতা—দেউতা আপুনি স্বীকাৰ নকৰিলেও মই ক'ম আপুনিয়েই মোৰ দেউতা—মাই কৈছে—আপুনি মোৰ দেউতা—আপুনিহে নহয় নহয় বুলি ফাঁকি দি আছে।—কিন্তু দেউতা, সমাজক ফাঁকি দিলেও আপুনি জানো মোৰ মাক ফাঁকি দিব পাৰিব?—আপুনি জানো নিজক ফাঁকি দিব পাৰিব?—আপুনি কিন্তু সদায় এনে দৰে ফাঁকি দি থাকিলে নহ'ব—মোক এনেকুৱা ভায়োলিন এখন কিনি দিব লাগিব—আৰু শাৰী কেইখনমান—মেখেলা-চাদৰ কেইযোৰমান—আৰু বিজনদাদাৰ মাকৰ বাকচটো—সেইটো মোক দি দিব লাগিব। নিদিলে—নিদিলে—মাই আপোনাৰ কথা যাকে তাকে কৈ দিব—বিজনদাদাকো—বিজনদাদাকো—হিঃ হিঃ হিঃ বিজন-দা-দা-কো—বি-জ-ন—

ভাৱসাম্য ৰক্ষা কৰিব নোৱাৰি, স্থান-কাল পাহৰি বৰুৱাই 'বি-জ-ন' বুলি চিঞৰি দিলে।

বৰুৱাই তেনেদৰে চিঞৰা শুনি বাটেদি অহা-যোৱা কৰা দুই

এজনে তেওঁৰ কাণে ঘূৰি চালে। ওচৰৰে দোকান এখনৰ বেঞ্চ এখনত বহি থকা দুজনমানে কোৱা-কুই কৰিলে,—হেৰি, এই বকুৱা মানুহজনৰ হৈছে কি হে? সিদিনা চাপ্লাইৰ হেড্ ক্লাৰ্কে ক'লে বোলে মূৰৰ বিকাৰ আৰম্ভ হৈছে। অফিচত হোৱাই নোহোৱাই যাকে তাকে খেংখেঙাই থাকে। এঘণ্টাৰ আগতে চহী কৰি দিয়া ফাইলটো এঘণ্টাৰ পিছতে আকৌ চহী কৰিবলৈ বিচাৰে। তাতোতকৈও ডাঙৰ কথা, অফিচৰ ফাইল ক'ভাৰ বোৰত কোনোবা মাইকী মানুহৰ নাম লিখে আৰু কাটি দিয়ে। অফিচৰে অঘাইটং দুজনমানে হেনো কটা নাম কেইটামান উদ্ধাৰো কৰিছে। সেই কেইটা হ'ল—জয়শ্ৰী, পাৰিজাত, বাসন্তী ইত্যাদি।

সেইজনৰ কাষতে বহি থকা আনজনে ক'লে,—মানুহজনী মৰাৰ পিছৰ পৰাই মানুহটোৰ কিবা মতিভ্ৰম হোৱাৰ দৰে হৈছে। তাতে পুতেকৰ চিন্তাইও পাইছে। মাকজনী মৰিবৰ দিনা সি কমটো কাণ্ড কৰিলেনে? চেৰা বলিয়াটো এইবাৰ কাঞ্চনৰ ঘৰত লম্ভিছেগৈ। তাইৰ ছোৱালীজনীৰ লগতে কিবা নে কি বাকলি

আনজনে আকৌ ক'লে,—ডেকা ল'ৰা হিচাপে বিজনৰ সেইখিনি দুৰ্বলতা থকাতো কোনো ডাঙৰ কথা নহয়। কিন্তু বকুৰাই এই বয়সতো ছোৱালীৰ মায়া এৰিব নোৱাৰা কথাটোহে কিবা কিবা লাগে।

তৃতীয় জনে ক'লে,—জয়শ্ৰী বিজনৰ মাক। বাসন্তী হিতেন দাসৰ ছোৱালীজনী। পাৰিজাতক চিনি নাপালোঁ। বিজনৰ মাকৰ লগত বাসন্তীৰ নাম ছোৱালীজনীৰতো কোনোবা ডাক্তৰ ল'ৰা এটাৰ লগতহে কথা-বতৰা চলি আছে হ'বলা। দাসৰ ঘৰলৈ বকুৱাৰ অহাযোৱা আজিৰ অহা-যোৱা নহয়। কিন্তু অহা-যোৱা থাকিল বুলিয়েই সেই অকণমান ছোৱালীজনীৰ প্ৰতি এই বুঢ়া মানুহটোৰে

সিফালে বিজনৰ নামটো চিঞৰি বকুৱা আকৌ আগবাঢ়িল।

তেওঁ বিজনৰ মুখখনলৈ মনত পেলালে। মনত পেলায়েই তেওঁৰ যেন অলপ ভয় ভয় লাগি আহিল। নাই নাই,—এইবোৰ

কথা,—সেই ছোৱালীজনীৰ কথা বিজনক ক'ব নোৱাৰি। তেওঁ আত্মহত্যা কৰিব লগা হ'লেও বিজনক সেই ছোৱালীজনীৰ কথা নকয়। সেই কথা তাৰ অজ্ঞাত হৈয়ে থাকক। তাৰ যে এজনী ভনীয়েক আছে সেই কথা সি নজনাকৈয়ে থাকক। অকল সি যেই নহয়, সমাজৰ কোনেও যেন সেইজনী তাৰ ভনীয়েক বুলি নাজানক। সমাজৰ কোনেও যেন তাইৰ আচল পিতৃ পৰিচয় নাপাওক।

এৰা। এদিন বৰুৱাই ভুল কৰিলে। কিন্তু সেই ভুল যে ইমান মাৰাত্মক হ'ব তেতিয়া সেই কথা তেওঁ এবাৰলৈ ভাবিব পৰা নাছিল। সেই ভুলৰ পৰিণাম যে এতিয়া নমৰালৈকে এনেদৰে ভোগ কৰিব লাগিব তেওঁ ভবাই নাছিল। তেতিয়া নভবা কথাবোৰকে এতিয়া বৰুৱাই বাৰে ৰাৰে ভাবিব লগা হৈছে।

বৰুৱা আগবাঢ়ি তিনি আলিটো পালেগৈ। আগতে এই তিনি আলিটো নাছিল। ভিতৰৰ চৰণীয়া চাপৰিটোত ৰিফিউজীবোৰ গজ-গজীয়া হৈ বহাৰ লগে লগেহে তিনি আলিটো হ'ল। হৈয়ে দোকানে পোহাৰে ঠাইডোখৰ গম্‌গমীয়া হৈ পৰিল। আজিকালি গোটেই অঞ্চলটোৰ চেঙেৰা ল'ৰাবোৰ ইয়াত লগ লাগেহি। পৰগুহঁতৰ জুৱাৰ আড্ডাটোও ইয়াতে। দুখনমান দোকানৰ পিছফালেদি চুলাইৰ কাৰবাৰে চলে। নগৰৰ ফালৰ পৰা অহা ব্যক্তিগত যাত্ৰী-বাহী বাচবোৰ যাত্ৰী নামিব লগা থাকক বা নাথাকক এই তিনি আলিটোত ৰ'বই। আৰু ড্ৰাইভাৰ-হেন্দিমেন কেইটা নামি চুলাই বেচা দোকান কেইখনৰ পিছফালে যাবই। সেই শ্ৰেণীৰ মানুহবোৰৰ কথা বাদ দি আজিকালি গাঁৱৰ মানুহ কিছুমানো চুলাইৰ লোভত ইয়ালৈ অহা যোৱা কৰিবলৈ লৈছে। জুৱা আৰু চুলাইক কেন্দ্ৰ কৰি ঠাইডোখৰত মাজে মাজে হত্যাকাণ্ডও সংঘটিত হ'বলৈ ধৰিছে।

আজি বহুত দিন এই ঠাইডোখৰৰ লগত বৰুৱাৰ সম্পৰ্ক নাই যদিও জীৱনৰ এছোৱা সময়ত এই তিনি আলিটোৰ লগত তেওঁৰ ভাল সম্পৰ্কই আছিল। এতিয়া যিমান দোকান-পোহাৰ হৈছে তেতিয়া

কিজানি ইয়াত ইয়াৰ আধামান দোকান পোহাৰহে আছিল। এতিয়া যিমান মানুহ গোট খাইছে তেতিয়া কিজানি ইয়াৰ আধামানেই গোট খোৱা নাছিল। জুৱাৰ আড্ডা মদৰ আড্ডা অৱশ্যে তেতিয়াও সিমান কম নাছিল।

আজিৰ সন্মানীয় ব্যক্তি বিজয় বৰুৱা তিনি আলিটোৰ মাজতে থমকি ৰোৱাদি ৰ'ল। আনদিনাও এইকালে আহিলে এনেকৈয়ে থমকি ৰৈ দিব লগা হয়। কাৰণ ? সৌ ৰজত দৰ্জীৰ দোকান ঘৰটো। সেই ঘৰটোত আগতে এখন গোপন মদৰ দোকান আছিল। আৰু সেই দোকানখনৰ বাবেই বৰুৱাই এই তিনি আলিটোৰ লগত সম্পৰ্ক ৰাখিব লগা হৈছিল।

ঘৰটো দেখাৰ লগে লগেই আনদিনা মনত পৰাৰ দৰে আজিও তেওঁৰ সেই পাহৰিব নোৱাৰা কথাটোলৈ মনত পৰিল। কিবা কাৰণে বৰুৱাৰ আগৰ ড্ৰাইভাৰটোৱে কাম এৰি দিছিল। তাৰ ঠাইত বৰুৱাই দীনদয়ালক নিযুক্তি দিব লগা হৈছিল। দীনদয়ালক নিযুক্তি দিয়াৰ তিনি মাহমানৰ পিছত। সময় আবেলি। বৰুৱা জগত কাকতিৰ লগত দবা খেলিবৰ মানেৰে ওলাই আহিছিল। হঠাৎ ঘৰটোৰ ওচৰত হোৱা টনা-আজোৰা এখনৰ বাবে বৰুৱা তিনি আলিটোৰ মাজতে ৰৈ দিব লগা হ'ল। বৰুৱাৰ নতুন ড্ৰাইভাৰ দীনদয়ালক লৈ তিনি-চাৰিটা-মান মানুহৰ জোট-পোট। দলটোত গাভৰু বয়সৰ তিৰোতা এজনীয়েও যোগ দিছে। দলটোৰ কবলৰ পৰা অতৰ্কিতে এৰাই আহি দীনদয়ালে বৰুৱাৰ ভৰি দুটাত ধৰিলেহি আৰু কৈ উঠিল,—চাৰ, মই চাব মদ খালোঁ। মন-চন বেয়া লাগিলে চাৰ খাওঁৱেই তাতে চাৰ, তাই মোক দেখিব নোৱাৰে। মোক চাব চাবি দিয়াৰ কথা কয়। আজি চাৰ তাই মোক মদ খাবলৈ নিদি ফিৰাই নিবলৈ আহিছে।

বৰুৱাই এবাৰ দীনদয়াললৈ এবাৰ গাভৰু মানুহজনীলৈ চাই ক'লে —তাতে কি হ'ল ? মদ খাই এনেদৰে মান-ইজ্জত খেদোৱাতকৈ বৰং নোখোৱাকৈ থকাই ভাল। যা যা ঘৰলৈ গুচি যা। ইয়াত চিঞৰ বাখৰ কৰি নাথাকিবি।

স্বয়ং মালিকে তেনেদৰে কোৱাত দীনদয়ালৰ গাভক ভিৰোতাজনীয়ে সাহস পালে। তাই বকৰাৰ ওচৰ চাপি আহিল। ক'লে,—চাওকচোন মালিক বাবু, ৰোজ ৰোজ এই মদৰ দোকানত আহিব আৰু ঘূৰি গৈ মোক ৰাগা-ৰাগি কৰিব। নাহিবলৈ ক'লেও, নাখাবলৈ ক'লেও নামানে। আপুনি অলপ কওকচোন।

বকৰাই এতিয়া কি ক'ব? এই অৱস্থাত কোৱাৰ সাৰ্থকতাই বা কোনখিনিত? একো নকৈ তেওঁ আকৌ মানুহজনীলৈ চালে। তাৰ পিছত দীনদয়ালৰ হাতখনত খাপ মাৰি ধৰিলে আৰু মানুহজনীক সুধিলে,—তোমালোক থাকা কোনখিনিত? ব'লা,—ইয়াক মযেই ধৰি নিওঁ।

বিজয় বকৰাৰ হাতৰ মুঠিত দীনদয়াল কেঁচু হৈ পৰিল। সি বকৰাৰ গাৰ কাষে কাষে আগবাঢ়িবলৈ ধৰিলে। বকৰাই তাক নি ঘৰত থৈ আহিলগৈ।

আৰু এই দিনটোৰ পিছৰ পৰাই দীনদয়ালৰ অনুপস্থিতিত তাৰ ঘৰলৈ বকৰাৰ অহা যোৱা আৰম্ভ হ'ল। ঘৰত জয়শ্ৰীয়ে সোধে,—ক'লৈ যায়? বকৰাই উত্তৰ দিয়ে,—খেলিবলৈ যাওঁ।

প্ৰথম দিনা বকৰাই মদ খোৱাৰ বাবে দীনদয়াল মৃদু ভৎসনা কৰিছিল যদিও পিছলৈ তেওঁ সেইটোকে সুযোগ হিচাপে গ্ৰহণ কৰিছিল। দীনদয়ালৰ মাহেকীয়া বেতনৰ ঠাইত দৈনিক বেতনৰ ব্যৱস্থা কৰিছিল। বকৰাৰ প্ৰৰোচনাতে মদৰ দোকানীটোৱে দীনদয়ালক অধিক মদ খুৱাই বেহুচ কৰি পেলাইছিল। আৰু সি বেহুচ হৈ থকা অৱস্থাতে ঘৰৰ পৰা পলাই গৈ বকৰাই কাঞ্চনৰ লগত সময় কটাইছিল।

এইখিনিলৈকে ঠিকেই আছিল। ইয়াৰ পিছতহে বকৰাৰ নৈতিক স্খলন ঘটিল।

জয়শ্ৰী এবাৰ কেইবামাহো অসুখত পৰি আছিল। ডাক্তৰে সহজতে ভাল নহ'ব বুলিয়েই কৈছিল। সেই সময়তে নিজৰ যৌন তাড়নাক সংযত কৰি ৰাখিব নোৱাৰি কাঞ্চনৰ লগত বকৰাই অবৈধ ভাৱে ....

ছিঃ বৰ ভুল কাম হ'ল, বৰ বেয়া কাম হ'ল।

তিনি আলিটো পাৰ হৈ কিছুদূৰ আগবাঢ়ি যোৱাৰ পিছত উপকণ্ঠ অঞ্চলৰ আন এজন বিশিষ্ট ব্যক্তি চাৰু চলিহাৰ লগত বৰুৱাৰ ভেটা-ভেটি হ'ল। প্ৰথমে বৰুৱাই মাত লগালে—কি হে চলিহা, কেনি ওলালেনো?

চলিহাই ক'লে,—ওলাম আৰু কেনি? ওলালোঁ নামঘৰলৈ বুলি। পিছে আপুনি? অ' আপোনাক খবৰ এটা দিব লগা আছে—পাহৰি-ছোঁৱেই। আন খবৰ নহয়, নামঘৰৰে খবৰ। ৰাইজে আপোনাৰ কথা উলিয়ায়। এদিন মাতিছে। যাবচোন।

বৰুৱাই সময় পালে এবাৰ যাব বুলি কৈ চলিহাৰ ওচৰৰ পৰা আঁতৰি আহিল।

আঁতৰি আহি বৰুৱাই চলিহাৰ কথাষাৰকে ভাবি চালে। নাম-ঘৰলৈ এবাৰ যোৱা হ'লে তেওঁৰ মনটো বাৰু ভাল লাগিলহেঁতেন নে কি? কিন্তু আগতে কোনো দিন তেওঁ নামঘৰলৈ যোৱা নাই। গৈবা কি কৰিব লাগে? কি কৰিলে বা তেওঁৰ মনলৈ পৱিত্ৰ ভাব আহিব?

প্ৰত্যক্ষভাৱে নামঘৰৰ লগত জড়িত নহ'লেও পৰোক্ষ ভাৱে কিন্তু এই নামঘৰৰ লগত তেওঁ কাহানিবাৰ পৰাই জড়িত। এই অঞ্চলত এই নামঘৰটো সাজিবলৈ লওঁতেই তেওঁ ছশ টকা দান দিছিল। তেওঁ নিজে নগ'লেও জয়শ্ৰী নামঘৰলৈ প্ৰতিদিনেই গৈছিল। এটি কন্যা সন্তানৰ আশা কৰি জয়শ্ৰীয়ে ভগৱানৰ ওচৰত সদায়েই প্ৰাৰ্থনা কৰিছিলগৈ। কিন্তু ভগৱানে জয়শ্ৰীৰ প্ৰাৰ্থনাত কাণ নিদিলে। জয়শ্ৰীৰ সলনি ভগৱানে আন এজনী মানুহক থাকক, বৰুৱাৰ আৰু সেইবোৰ কথা মনলৈ আনিবৰ ইচ্ছা নাই। নিজৰ তেজৰ হ'লেও বৰুৱাই সেই ছোৱালীজনীৰ মৃত্যু কামনা কৰিছে। তাই মৰক—

নানান খেলি মেলি ভাৱৰ মাজেদি ভালেখিনি সময় কাটি যোৱাৰ পিছত এবাৰ বৰুৱাই বুজি পালে যে এটা নাহিব লগা বাটেদি বাটটোৰ ভালেখিনি অংশ তেওঁ অতিক্ৰম কৰি আহিল। ইফালে সময়ো

সন্ধ্যা লাগিল। আকৌ একেটা বাটেদি ঘূৰি যাবলৈ হ'লে দেহৰ ফালে যে গতি লাগিবই, ঘৰ পাওঁতে পাওঁতে সময়ো ভালেখিনি যাব। ইফালে ঘৰত আছে দয়াৰাম। আজি অজাতিয়ে চক চুলে বুলি যদি ভাত-পানী ৰন্ধা বন্ধ কৰি থয়? সিওটো কম বুৰ্বক নহয়।

এটা পোন গলি-পথেদি বৰুৱা ঘৰৰ ফালে আগবাঢ়িল।

কিছুদূৰ যোৱাৰ পিছত হঠাৎ বৰুৱাৰ নিজৰ ওপৰতে খং উঠিবলৈ ধৰিলে। তেওঁ এযা কি কৰি পেলালে? নকৰোঁ নকৰোঁ বুলি ভাবিও আজি তেওঁ এই ভুলটো কৰি পেলাল? তেওঁ এই গলিটোলৈ কিয় আহিল? এই গলিটোৰেদি ক'লৈ যাবলৈ আহিল? এই গলিটোতে যে কাঞ্চনৰ ঘৰ তেওঁ পাহৰি গ'ল কিয়?

নাচাওঁ বুলি ভাবিও বিজয় বৰুৱাই সন্মুখৰ ফালে চালে। কিন্তু ই কি? মানুহ কিছুমানে কন্ধা-কটা কৰিছে কিয়? কৌতূহলবশতঃ বৰুৱাই কেইখোজমান থৰকৈ দিলে। এইবাৰ তেওঁ বাটৰ কাষত কিছুমান ছাই দেখিবলৈ পালে। ছাই বোৰলৈ চাই চাই তিৰোতা আৰু ল'ৰা-ছোৱালী কিছুমানে ইনাই-বিনাই কান্দিব লাগিছে।

বৰুৱাই ঠাইডোখৰৰ অবস্থিতি ভালদৰে লক্ষ্য কৰিলে। য'ত ছাইবোৰ আছে তাৰ ঠিক মাজ ভাগতে সেই ঘৰটো নাছিলনে? সেই খিনিতে সেই খিনিতে তেনেহ'লে কাঞ্চন থকা ঘৰটোও জুইত জাহ গৈছে। ভালেই হৈছে সেই ঘৰটো ছাই হৈ, কাঞ্চন আশ্রয়হীন হৈ বৰ ভাল হৈছে। তাই ক'ৰাবলৈ গুচি যাওক। তাই ইয়াৰ পৰা গুচি গ'লেই তেওঁ ৰক্ষা পৰে তেওঁ বাচে। নেদেখাজনে যি কৰিলে ভালেই কৰিছে।

এইবাৰ বৰুৱাৰ চকু কেইটাই ছাইবোৰৰ ওচৰত বৈ থকা মানুহ-বোৰৰ মাজত পিট্‌পিটাই ফুৰিবলৈ ধৰিলে। নাই, কাঞ্চন ইয়াত নাই। তাই বোধকৰোঁ ইতিমধ্যে কেনিবা আঁতৰি গৈছে।...যাওক, যাওক, তাই তেনেদৰে আঁতৰি যোৱাটো বৰ ভাল হৈছে। বৰ ভাল

হৈছে। অকল তায়েই নহয়, তাইৰ তাইৰ যাওক যাওক.. আটাই-বোৰ যাওক সিহঁত আটাইবোৰ আঁতৰি গ'লেহে বৰুৱা বিপদ মুক্ত হ'ব।

মানুহবোৰৰ পৰা চকু ঘূৰাই আজি বৰুৱাই আকৌ এবাৰ ছাই-বোৰৰ ফালে চালে। চাওঁতে চাওঁতে সেইখিনিত য'ত সেই ঘৰটো আছিল সেইখিনিৰ সেই ছাইবোৰৰ মাজত অট্টহাস্য কৰি সেইটো কোন থিয় হৈ আছে? জপৰা চুলিৰে সেইটো দীনদয়াল নহয়নে?.. যি সেইবোৰ বৰুৱাকে কিবা কিবি কোৱা নাইনে? মদ আৰু মাইকীৰ বাবেই মই পুৰুষত্বহীন হৈ পৰিছিলোঁ। সেয়ে আপোনাক পাই কাঞ্চনে বৰ ভাল পালে। কাঞ্চন মোৰ পৰা মাতৃ হোৱা নাই কাঞ্চন আপোনাৰ পৰা আপোনাৰ পৰা মাতৃ হৈছিল .আপুনি আ-পু-নি

ছাইবোৰৰ পৰা চাঁৎ কৰে চকু ঘূৰাই আনি বৰুৱাই মানুহৰ ভিৰ ফালি গলি-পথটোৰেদি আগবাঢ়িল। বৰুৱাই কিছুপৰৰ আগতে এৰি থৈ অহা তিনি আলিটোৰ দৰে এই গলিটোও গমগমীয়া হৈ আছে। গলিটোৰ সামান্য অংশ এটাত দুপৰীয়া জুই জ্বলিল। কেইটামান পৰিয়াল গৃহহীন হ'ল। কিন্তু আনটো অংশ নিৰ্বিকাৰ। ইটো অংশ জ্বলি শেষ হৈ যোৱাৰ কোনো প্ৰতিক্ৰিয়াই এই অংশত দেখিবলৈ পোৱা নাই। ইয়াৰ প্ৰতিটো মানুহেই নিজক লৈ ব্যস্ত হৈ আছে। নলী-নাদটোৰ ওচৰত সোৱা দহ বাৰটামান মানুহে কিঞ্চিৎ মাত্ৰ কাপোৰ পিন্ধি গা ধুবলৈ আৰম্ভ কৰিছে। বাথৰুমৰ আৱৰণ এইবোৰ মানুহৰ বাবে প্ৰয়োজন নাই। এইবোৰ মানুহৰ লাজৰ পৰিমাপ শেষ হৈ আহি আহি যেন একেবাৰে নোহোৱা হৈ পৰিছে। গাধোৱা মানুহকেইটাৰ ওচৰত পানী নিবলৈ আহি দুজনীমান তিৰোতা মানুহো ৰৈ আছেহি। কাৰোৰ কাৰোলৈ সংকোচ নাই, উভয় পক্ষ নিৰ্বিকাৰ।

অলপ ভিতৰৰ ফালে থকা ঘৰ এটাৰ সম্মুখত এবাহ গেঁৰনেসীয়া ল'ৰা-ছোৱালীয়ে কিবা খেলি আছে। সিঁহতক দেখি বৰুৱাৰ ভয়েই

লাগি আছিল,—এইবোৰ মানুহেইনে? মানুহৰ চেহেৰানো এনে কিস্তুত কিমাকাৰ হ'ব পাৰেনে?

কেইখোজমান আগবাঢ়ি আহি বৰুৱাই দুটা বিহাৰী আৰু তাৰে কোনোবা এটাৰ ঘৈণীয়েকজনীৰ মাজত হোৱা জোট্-পোট্ এখন দেখিবলৈ পালে। বিহাৰী দুটাৰ এটাই অতিৰিক্ত পৰিমাণে মদ খাই আছে আৰু কিবা কাৰণে ইটোক ডাঙৰ ডাঙৰকৈ অশ্লীল মাতেৰে গালি পাৰিছে। তিৰোতাজনী আৰু আনটো মানুহে তাক মনে মনে থাকিলৈ কৈছে।

জোট-পোট্খন বৰুৱাই সমূলি সহিব নোৱাৰিলে। কাঞ্চন আৰু জয়শ্ৰীৰ মাজতো যে তেওঁ এদিন তেনে এখন জোট-পোট্ লগাই দিছিল। কাঞ্চন আৰু বৰুৱাৰ ওপৰত জয়শ্ৰীৰ সন্দেহ ঘনীভূত হৈছিল। দীনদয়ালৰ মৃত্যুৰ পিছত এই সন্দেহ সত্যত পৰিণত কৰিবলৈকে বোধকৰোঁ গৰ্ভাৱতী কাঞ্চনক জয়শ্ৰীয়ে আশ্ৰয় দিছিল। কিন্তু জয়শ্ৰীয়ে হিংসাত্মক ভূমিকা লোৱা নাছিল। তেওঁ কাঞ্চনৰ মনৰ মাজৰ পৰা বৰুৱাক আঁতৰাই আনিবলৈ নতুন প্ৰেমিকাৰ অভিনয় কৰিছিল। ইফালে কাঞ্চনো সেই একেই অভিনয়ত নামিছিল। আশ্ৰিতা হ'লেও শেষত তাই বিজয় বৰুৱাতে লীন যাবলৈ বিচাৰিছিল। কিন্তু তাই কৃতকাৰ্য্য হোৱা নাছিল। তাই মাক হোৱাৰ কেইমাহমানৰ পিছতে নতুন বিপদৰ সম্ভাৱনা দেখি বৰুৱাই নিষ্ঠুৰ ভাৱে তাইক ঘৰৰ পৰা বাহিৰ কৰি দিলে। অৱশ্যে মানৱতাৰ খাতিৰত বৰুৱাই তাইক বিশ টকাৰ মহেকীয়া সাহায্য এটা দি থাকিল।

খৰ খোজেৰে গৈ বৰুৱা নিজৰ ঘৰৰ পদূলিত উপস্থিত হ'লগৈ। লোৰ জপনাখনৰ ভিতৰলৈ আহি তেওঁ ফুলনিখনৰ ফালে আগবাঢ়িল। জোনাকবোৰ সমানে পৰিছে। ফুলনিখন জকমকাই উঠিছে। বৰুৱাৰ বৰ ভাল লাগিলে।..

বৰুৱা ফুলনিখনৰ ওচৰত'বৈ নাথাকি ৰান্ধনীঘৰৰ ফালে গ'ল। ভোৰ্ভোৰাই ভোৰ্ভোৰাই দয়াৰাম বন্ধা-বঢ়াত লাগিছে,—বাপেকে

নাম নুশুনে। ইফালে পুতেকে আনি ৰৰঘৰত ভৰাইছেহি। এতিয়া মৰ দয়াৰাম। তোৰ টেটুত পুৱা-গধূলি লাগিল এটা এটা মস্ত ভোজ

দয়াৰামৰ ভোৰভোৰনিলৈ কাণ নিদি বৰুৱা আগফালৰ বাৰান্দালৈ আহিল। তাৰ পৰা অকস্মাতে কৰিদ'ৰটোৰ সিকালে নাৰীমূৰ্তি এটা দেখা যেন লাগিল বৰুৱাৰ। তেওঁ সেইফালে আগবাঢ়িব ধৰোঁতেই খটাটোৰ আঁৰত বৈ থকা আন এটা নাৰীমূৰ্তিয়ে ক'লে,—নমস্কাৰ মালিক বাবু, মই কাঞ্চন।

বৰুৱা উচপ খাই উঠিল। তেওঁ অলপ চিঞৰি কোৱাদি ক'লে,—কাঞ্চন? কিন্তু তই ইয়াত কিয়? তোক মই মোৰ ঘৰলৈ নাহিবি বুলি কাহানিবাই কোৱা নাছিলোঁনে?

কাঞ্চনে অলপ কোমল মাতেৰে ক'লে,—ময়ো আপোনাৰ ঘৰলৈ কোনোদিন নাহিম বুলিয়ে ভাবিছিলোঁ মালিক বাবু। কিন্তু উপায় নোহোৱাত পৰিলোঁ। আজি মই অহাই নহয়, মোৰ ছোৱালীজনীও আহিছে।

বৰুৱাৰ ভৰিৰ তলৰ পৃথিৱীখন চেৰেক কৰে ফুকাল হৈ যাব যেন। খন্তেক তেওঁ একো নাই হৈ পৰিল। সিংহৰ দৰে গৰ্জন কৰি তেওঁ কাঞ্চনক ক'লে,—কি ক'লি? তোৰ ছোৱালীজনীও আহিছে? কিন্তু তহঁত কিয় মোৰ ঘৰলৈ আহিছ? মই তহঁতক এক মুহূৰ্তও মোৰ ঘৰত থাকিবলৈ দিব নোৱাৰোঁ। তহঁত এতিয়াই মোৰ ঘৰৰ পৰা বাহিৰ হৈ যা। তহঁতৰ লগত মোৰ কোনো সম্পৰ্ক নাই। তহঁতক ইয়ালৈ আহিবলৈ নিষেধ কৰি দিছোঁ। নাহিবি—নাহিবি।

কৈ কৈ বৰুৱা তলৰ মহলাৰ পিছফালৰ বাৰান্দাখনলৈ আহিল। দেখিলে, বাৰান্দাৰ খুটা এটাত ধৰি, এসাজ মলিয়ন কাপোৰ পিন্ধি কাঞ্চনৰ গাভৰু জীয়েকে বাহিৰৰ আন্ধাৰবোৰলৈ চাই বৈ আছে। এইবাৰ বৰুৱাই তাইৰ ফালে চাই চিঞৰি উঠিল,—গুচি যা, গুচি যা। মোৰ ঘৰৰ পৰা তহঁত এই মুহূৰ্ততে গুচি যা। ন'হলে,—ন'হলে তহঁত

হুজোজনীকে মই গুলি কৰি মাৰিম। ইয়াত কি কৰিবলৈ আহিছ? গেট আউট,—গেট আউট।...

কিন্তু মালিক বাবু, কৰিদ'ৰটোৱেদি কাঞ্চন আকৰ্ষাচি আহিল,—বৰ বিপদত পৰিলোঁ। তুপৰীয়াৰ দেওলগা জুই কুৰাই চৰ শেষ কৰি দিলে। একো বছাব নোৱাৰিলোঁ মালিক বাবু—পিন্ধি থকা কাপোৰ কেইসাজৰ বাহিৰে একো বছাব নোৱাৰিলোঁ। তথাপি ভাবিছিলোঁ মুকলিতে পৰি থাকিম, নগৰ আটাইখিনি মানুহেই তাতে থাকিব। কিন্তু বিজন বাবুৱে তাত থাকিব নিদি ইয়ালৈ লৈ আহিলে। আপুনি থং নাই কৰিব মালিক বাবু

বিজয বৰুৱাই একেই উত্তেজিত কণ্ঠেৰে ক'লে,—হোঁঃ থং নকৰিম? —তহঁতক মই থং নকৰিম? —তহঁতৰ হাড মই এডাল এডালকৈ গুৰি কৰিম। বিজন কোন? এইখন বিজনৰ ঘৰ নহয়। এইখন মোৰ ঘৰ। বিজনে থাকিবলৈ দিলেও তহঁতক মই থাকিবলৈ দিব নোৱাৰোঁ। মই থাকিবলৈ নিদিওঁ। মই

কৈ কৈ বৰুৱা ওপৰ মহলালৈ উঠিল।

ভযাৰ্ত দৃষ্টিৰে কাঞ্চনে বৰুৱা উঠি যোৱাৰ ফালে চালে। ভয়তে জীযেক কল্যাণেও আহি মাকৰ গাত ধৰিলেহি। ভালে পৰৰ মূৰত তাই সৰুকৈ মাকক ক'লে,—আমি গুচি যাওঁ বল মা। ইয়াত থকাতকৈ ছাইবোৰৰ মাজত পৰি থকাই ভাল। ইয়াত নাথাকোঁ—

ওপৰ মহলালৈ উঠা খট্‌খটিৰ পৰা চকু ঘূৰাই আনি কাঞ্চনে কল্যাণলৈ চালে। কিন্তু কিবা এষাৰ ক'বলৈ পোৱাৰ আগতেই খট্-খটিয়েদি খৰ খৰকৈ বৰুৱাক নামি অহা দেখা গ'ল। তেওঁ কাঞ্চনৰ ফালে তিনিখন দহ টকীযা নোট আগবঢ়াই দি আগতকৈ অলপ নিম্ন স্বৰত ক'লে,—হোঁ, ল। ত্ৰিশটা টকাকে লৈ তহঁত ইয়াৰ পৰা গুচি যা। যা·

কাঞ্চনে এবাৰ জীয়েকৰ মুখলৈ আৰু এবাৰ বৰুৱাৰ মুখলৈ চাই

তকে ভয়ে মোট কেইখন নিজৰ হাতলৈ লৈ ক'লে,—আমি এইখিনি টকা লৈ গুচি গ'লে বিজন বাবুৱে কিজানি জোলেৰা ভাবি লয়। তেওঁক আহিবলৈ দিয়ক মালিক বাবু। তেওঁ দোকানলৈহে গৈছে—পাৰহিয়েই এতিয়া।

বকৰাই কাঞ্চনক একোকে ক'বলৈ নাপালে। কাঞ্চনৰ কথা শেষ হওঁতে নৌ হওঁতেই সেইখিনিত বিজন আহি উপস্থিত। উপস্থিত হৈয়ে সি কৈ উঠিল,---মাত্ৰ ত্ৰিশ টকাৰে দুজনী মানুহ থাকিবৰ যোগ্যৰে ঘৰটো নহয় দেউতা। বাইহঁতৰ পানীত হাঁহ নচৰা অৱস্থা হৈছে। সহিব নোৱাৰি মাতি আনিছোঁ। মই সৰু'হৈ থাকোঁতে এবাৰ আমাৰ ঘৰত কাঞ্চন থাকি গৈছে। সেইবাৰ বাইক মাই আশ্ৰয় দিছিল। এইবাৰ মই দিবলৈ মাতি আনিছোঁ।··

বিজনৰ চকুলৈ চাই বকৰাই অলপ টান মাতেৰে ক'লে,—সেই বুলিয়েই যি কোনো মানুহক ইয়ালৈ মাতি আনিবিনে? বাটৰ খোজনীয়া মগনীয়াই থাকিবলৈ বিচাৰিলে বুলিয়েই ৰৰঘৰত ঠাই উলিয়াই দিবিনে? নহ'ব,—তই দিলেও ইহঁতক মই থাকিবলৈ দিব নোৱাৰোঁ।

বিজনৰ মুখখন এইবাৰ গম্ভীৰ হৈ পৰিল। সি তাৰ দৃঢ়-গম্ভীৰ স্বৰেৰে ক'লে,—কাঞ্চন বাইহঁতৰ আশ্ৰয়—সেই একমাত্ৰ ঘৰটো আজি ছাই হৈ গ'ল। নিৰাশ্ৰয়ক আশ্ৰয় দিয়াটো মানৱীয় কৰ্তব্য। কাঞ্চন বাইক যি কোনো মানুহ বা খোজনীয়া মগনীয়া বুলি কয় কিয় দেউতা? কাঞ্চন বাই দীনদয়ালৰ পৰিবাৰ, কল্যাণ দীনদয়ালৰ ছোৱালী। ইফালে দীনদয়াল আমাৰ ড্ৰাইভাৰ আছিল, দীনদয়ালৰ আমাৰ গাড়ী চলাওঁতে মৃত্যু হৈছিল। গতিকে এওঁলোকক আশ্ৰয় দিবলৈ আপুনি বাধ্য।

বকৰাই এইবাৰ চিঞৰি উঠিল,—চাট্ আপ। মুখ বন্ধ কৰ। তই মোক মানৱীয় কৰ্তব্যৰ উপদেশ দিব নালাগে।·· মই কাৰো বাধ্য

নহয়...মই কাৰো বাধ্য হ'ব নোখোজোঁ। ইহঁত যদি বাহিৰ হৈ নাযায়...মই...এতিয়াই ইহঁতক মই খুলিয়াই মাৰিম

খওক্ত একো নাই হৈ খটখটয়েদি খট্‌ খট্‌ কৰে ওপৰলৈ উঠি গল বিজয় বৰুৱা। লোলে লোলে তেওঁ আলমাৰিটো খুলি ৰিভলভাৰটো উলিয়াই আনিলে। কিন্তু ৰিভলভাৰটো হাতত লৈয়ে মানুহজন থৰ্‌ থৰ্‌ কৰে কঁপিবলৈ ধৰিলে।...এটা দিনৰ, এটা বিশেষ মুহূৰ্তৰ কেইটামান কথাই বৰুৱাৰ মূৰত বৰ জোৰেৰ খুন্দিয়াই গ'ল।

নাই নাই মালিক বাবু, আপুনি যিমান পাৰে সিমান মোক গালি কথা পাতক, কথা পাতি পাতি আপুনি চাবা খাত ইয়াতে থাকি যাওক কিন্তু আপুনি সেইচৰ নকৰিব। মোৰ কাণোৰত মোৰ পাত্ত হাত নিদিব মোক মাফ কৰিব মালিক বাবু মোক মাফ কৰিব।

মই থাকোতে তোৰ কিহৰ চিন্তা কান্‌চন্‌। দীনৰ লগত ইমানবোৰ টকা খৰচ কৰিছোঁ তাক মই ইমানকৈ মদ খাবলৈ দিছোঁ কিয় জান? একমাত্র তোৰ বাবেই। তোক মোৰ বৰ ভাল লাগিছে কান্‌চন্‌। তই মোক বাধা নিদিবি ইমানবোৰ টকা আছে · ইমান বোৰ ডাক্তৰ আছে তোৰ কোনো চিন্তা নাই কান্‌চন্‌· তোক মই বিপদত পৰিবলৈ নিদিওঁ। তোক মই সদায় সহায় কৰিম তই মোক সদায় পাবি···

নাই নাই মালিক বাবু মাফ কৰক মোক হুচুৰ

·তই অবুজ নহবি কান্‌চন্‌ তোৰ কোনো বিপদ নহয়।

নাই নাই মালিক বাবু।

··নহয় নহয় কান্‌চন্‌।

মালিক বা-বু—।

··কা-ন্‌-চ-ন্‌—।

বিজয় বৰুৱাৰ হাতৰ মুঠি শিথিল হৈ আহিল। ৰিভলভাৰটো··

হাতৰ পৰা পৰি গ'ল। পৰি যোৱা বিজনভাবটো পুনৰ তুলি ল'বলৈ চেষ্টা কৰিও তেওঁ তুলি ল'ব নোৱাৰিলে। তেওঁ জয়শ্ৰীৰ ভাগি থকা ছবিখনৰ ওচৰলৈ গ'ল। লগে লগে জয়শ্ৰীৰ ছবিখন কঁপি উঠা যেন লাগিল বৰুৱাৰ। ছবিখনৰ পৰা হাঁহিৰ খিল খিলনি এটাও ভাঁহি অহা যেন লাগিল তেওঁৰ। তথাপি ছবিখনৰ ওচৰৰ পৰা আঁতৰি নাহি ছবিখনলৈ চাই চাই বৰুৱাই মনৰ মাজতে ক'লে—জানো, মোৰ ভুল হ'ল। কিন্তু ভুল হ'ল বুলিয়েই তুমি · তুমি মোক এইবোৰ কি কৰি গ'লা জয়শ্ৰী? তুমি থকা হ'লে মই বোধকৰোঁ কেতিয়াও এনে বিপদত নপৰিলোহেঁতেন। তুমি আৰু পাৰিজাত দুয়োজনীয়ে এয়া মোৰ ওপৰত প্ৰতিশোধ লৈছা নহয়? ·কিন্তু ··মোক তোমালোকে ক্ষমা কৰা মোক তোমালোকে ৰক্ষা কৰা । বিজনে ইতিমধ্যে বহুতবোৰ কথা জানিছেই। দীনদয়াল যে মোৰ ড্ৰাইভাৰ আছিল, মোৰ গাড়ী চলাওঁতেই যে তাৰ মৃত্যু হৈছিল ( যদিওবা সেয়া আত্মহত্যা ) সেইকথা ইতিমধ্যে কাঞ্চনে তাক কৈছেই। যদি যদি

বৰুৱাই যেন টোপনিৰ পৰা সাৰ পালে। তেওঁ জয়শ্ৰীৰ ছবিখনৰ ওচৰৰ পৰা আঁতৰি আহিল। পালেংখনত দীঘল হৈ পৰিল। তেওঁৰ কাণৰ ওচৰত বিজনৰ কথাষাৰ প্ৰতিধ্বনিত হ'ল

কাঞ্চন বাই দীনদয়ালৰ পৰিবাৰ কল্যাণ দীনদয়ালৰ ছোৱালী। কিন্তু যদি কাঞ্চনে কৈ দিয়ে যে তাই দীনদয়ালৰ পৰিবাৰ হ'লেও কল্যাণ দীনদয়ালৰ ছোৱালী নহয়। কল্যাণ কল্যাণৰ পিতৃ পৰিচয় যদি কাঞ্চনে বিজনক দি দিয়ে? কল্যাণ তাৰেই ভনীয়েক বুলি জনাৰ পিছত

নাই নাই, তাক এইবোৰ কথা কেতিয়াও জানিবলৈ দিব নোৱাৰি।

তাৰ যে এজনী ভনীয়েক আছে সি নজনাকৈয়ে থাকক। অকল সিয়েই নহয়, সমাজৰ কোনেও যেন তাইৰ আচল পিতৃ পৰিচয় নাপাওক।

বৰুৱা খপহ কৰে বিচনাৰ পৰা উঠিল। তেওঁ কাঞ্চনক ওপৰলৈ মাতি অনাৰ কথা ভাবিলে। বিজনক কল্যাণৰ পিতৃ পৰিচয় নিদিবলৈ

তাইক সানুনয়ে অনুৰোধ কৰাৰ কথা ভাবিলে। ভাবি বকৰা ছুৱাৰৰ ফালে আগবাঢ়ি গ'ল।

আগবাঢ়ি গৈয়ো বিজয় বকৰা ছুৱাৰখনৰ ওচৰত বৈ দিলে। যদি হিতে বিপৰীত হৈ যায়? যদি কাঞ্চনৰ লগে লগে বিজনো ওপৰলৈ উঠি আহে? তেতিয়া? তেতিয়া কি হ'ব? তেতিয়া তেওঁ কি বুলি কথা লুটিয়াব? কি বুলি ফাঁকি দিব?

কথা লুটিয়াবলৈ কথা বিচাৰি ফুৰোঁতেই বকৰাৰ কাণত অশৰীৰী দীনদয়ালৰ স্বৰ ভাঁহি উঠিল: হোঃ হোঃ হোঃ হাঃ হাঃ হাঃ · ক'লৈ যায় চাৰ? কাঞ্চনক থাটিৰ কৰিবলৈ? কিন্তু কাঞ্চনে আপোনাৰ থাটিৰ কিয় ৰাখিব? কাঞ্চনেওতো আপোনাক এদিন থাটিৰ কৰিছিল ·মোৰ সৰ্বনাশ হৈছে মালিক বাবু পুৰুষত্বহীন দীনদয়ালে যদি মোৰ সন্তান হৈছে বুলি জানে সি মোক কাটিব মালিক বাবু। মোক আপুনি ৰক্ষা কৰক। মোৰ গাত এই সন্তানটো থাকিবলৈ নিদিব · নিদিব হোঃ হোঃ হোঃ হাঃ হাঃ হাঃ সেইদিনা আপুনি কাঞ্চনৰ থাটিৰ ৰাখিছিল নে? তাইক আপুনি কি প্ৰতিশ্ৰুতি দিছিল? আপুনি ঠগ ·প্ৰৱঞ্চক ভণ্ড কামুক আপুনি ভিতৰতে থাকক কাঞ্চনৰ ওচৰলৈ এখোজো আগবাঢ়ি নাযাব হোঃ হোঃ হাঃ হাঃ।

থৰক বৰক খোজেৰে বকৰা আকৌ বিচনাখনলৈ আহিল। বিচনাত পৰি দিয়াৰ লগে লগে মূৰ আচন্দ্ৰই কৰি এসময়ত তেওঁ অচেতন হৈ পৰিল।

ইফালে বিজন, কাঞ্চন আৰু কল্যাণে হাতত ৰিভলভাৰ লৈ ওপৰৰ পৰা নামি অহা বকৰালৈ আতংকৰে অপেক্ষা কৰি আছিল।

বিজনে ভাবিছিল, সি কাঞ্চনহঁতক এইখন ঘৰত আশ্ৰয় দিবই। দেউতাকক সি কাবু কৰিবই।·· এইখিনি কৰিবলৈ যাওঁতে যদি দেউতাকক সি টান কথা ক'ব লগা হয় যদি তেওঁৰ অবাধ্য হ'ব লগা হয়···সি সেইখিনি কৰিবলৈও আগবাঢ়ি যাব। ·কাঞ্চনক এৰিব পাৰিলেও বিজনে কল্যাণক এৰিব নোৱাৰে। কল্যাণৰ দৰে গাভৰু

এজনীক সি মুকলিত থাকিবলৈ দিব নোৱাৰে। ··ড্ৰাইভাৰৰ ঘৰত জন্ম ল'লেও এখন অৱহেলিত আৰু আবৰ্জনাপূৰ্ণ সমাজত জন্ম ল'লেও বিজনৰ মনত কল্যাণ যি কোনো এজনী ছোৱালী নহয় ··কল্যাণক সি এজনী বেলেগ ছোৱালী বুলি ভাবিবলৈ লৈছে · কল্যাণৰ প্ৰতি সি এটা বেলেগ আকৰ্ষণ অনুভৱ কৰিছে কল্যাণক বচাবৰ বাবে সি দেউতাকৰ গুলি নিজে বুকু পাতি ল'ব

কল্যাণে ভাবিছিল, গৰু-পশুৰ দৰে আছোঁ থাইছোঁ। যদিও মান অপমান আমিও বুজি পাওঁ। মানুহে মানুহক এনেদৰে অপমান কৰিব নালাগে।—এৰা, তাইৰ বাবেই মাকে য'তে ত'তে অপমান পাই ফুৰিব লগা হৈছে। আজি তাই নথকা হ'লে মাক বোধকৰোঁ মুকলিতে পৰি থাকিলহেঁতেন। কিন্তু বিজনৰ দেউতাক যে ইমান অভদ্ৰ হ'ব পাৰে তাই ভাবিবই পৰা নাছিল। মানুহজনে সঁচাকৈয়ে যদি বন্দুক লৈ খেদি আহে তেনেহ'লে বিজন আৰু মাকৰ হৈ তায়েই আগবাঢি গৈ বুকু পাতি দিব

কাঞ্চনে ভাবিছিল, বৰুৱা কিমান পানীৰ মাছ তাই কিবা নাজানেনে? ইচ্ছা কৰিলে তাই বৰুৱাক চাৰ্কাচৰ বন্দৰা নচুৱাব পাৰে। বিজন যি হে একাচেকা ল'ৰা কল্যাণৰ আচল পিতৃ পৰিচয় পাই যায় যদি লাগে বৰুৱাকে ঘূৰাই ঘৰৰ পৰা বাহিৰ কৰি দিব। কিন্তু তাই সিমানখিনি কৰিবলৈ নাযায়। বৰুৱাই যি কৰিছিল সেইখিনিক কাঞ্চনে অন্যায় বুলি নাভাবে। মৰা কাঠৰ দৰে দীনদয়ালক লৈ তাই দৈহিক ভাৱে কোনো দিন সুখী হোৱা নাছিল। কিন্তু বৰুৱাই তাইক সেইকণ সুখ দিছিল। বৰুৱাৰ বাবেই তাইৰ কোলালৈ কল্যাণ আহিল। কল্যাণ নথকা হ'লে আজি অত দিন তাই কি লৈ, কাক লৈ জীয়াই থাকিলহেঁতেন? ·অৱশ্যে বৰুৱাৰ বাবেই তাইৰ গৰ্ভত কল্যাণে স্থিতি লোৱাৰ বাবেই যে দীনদয়াল আত্মঘাতী হৈ মৰিল সেই কথাও দুই কৰিব নোৱাৰি। কিন্তু সি মৰিনো কি বেয়াটো হ'ল? ··তেনেদৰে নমৰা হ'লেও সি বেছি দিন জীয়াই নাথাকিলহেঁতেন। মৰ

থাই থাই মানুহজনীয়ে এটা কেৰা মেমাৰ চলাই আনিছিল। জোলাট ভূজাতকৈ তেনেদৰে মৰি একপ্ৰকাৰ ভালেই হ'ল। সি মৰা বাবে সেয়ে কাঞ্চনে বকৰাক জগৰীয়া নকৰে।·· কল্যাণক তাই বৰ কষ্টেৰে ডাঙৰ কৰিছে। কল্যাণ জীয়াই থাকক। বকৰাই যদি বন্দুক লৈ নামি আহে তেনেহ'লে তায়েই আগবাঢ়ি গৈ বুকু পাতি দি ··

কিন্তু সিহঁতে ভাবি থকাৰ দৰে বকৰা বন্দুক লৈ নামি নাহিল। বিজন, কল্যাণ, কাঞ্চন কোনো আগবাঢ়ি গৈ বুকু পাতি দিব লগা নহ'ল। দেউতাক নামি নহা দেখি বিজনে অন্য প্ৰসংগৰ অৱতাৰণা কৰি ক'লে,—তহঁতৰ কোঠাটো ঠিক-ঠাক কৰি ললিনে কল্যাণ ?

কল্যাণে প্ৰথমতে মাকৰ চকুলৈ আৰু বিজনৰ চকুলৈ চালে। পিছত ক'লে,—হয় ললোঁ। কিন্তু আমি ইয়াত নাথাকোঁ বিজনদাদা। আমি থাকিবলৈ অহা বাবে আপোনাৰ দেউতাকে খুব বেয়া পাইছে। আমি যাওঁ। আপুনি বেয়া নাপাব। আমি বাহিৰতে ক'ৰবাত পৰি থাকোঁগৈ।

বিজনে উত্তৰ দিলে,—বুঢ়া মানুহ, গতিকে দেউতাৰ খং উঠাটো নিতান্তই স্বাভাৱিক। তাতে মাৰ মৃত্যুৰ পিছৰ পৰা দেউতা বৰ বেছিকৈ খিংখিঙীয়া হৈ পৰিছে। তেখেতৰ ব্যৱহাৰৰ বাবে তহঁতৰ ওচৰত ময়েই ক্ষমা খুজিছোঁ। হয়তো দেউতাই মত সলাব। তেখেত বৰ অকলশৰীয়া হৈ পৰিছে। তহঁতক পালে কিজানি পিছত তেখেতে ভালেই পাবগৈ। গতিকে ইয়াৰ পৰা গুচি যোৱাৰ কথা সম্প্ৰতি মনলৈ নানিবি। অৱস্থাৰ পৰিবৰ্তন নহ'লে পিছত বাৰু দেখা যাব। এতিয়া ভিতৰলৈ আহ। তোৰ বাবে কাপোৰ এসাজ আনিছোঁ—সলাই ল-হি। তুমিও ভিতৰলৈ আহা কঞ্চন বাই—

কাঞ্চনহঁত ভিতৰলৈ আহিল। বিজনে সিহঁতক ইটো সিটো যোগাৰ দি, দয়াৰামকো বন্ধা-বঢ়াৰ দুই এটা পৰামৰ্শ দি সি ওপৰলৈ আহিল। কিন্তু নিজৰ কোঠালৈ নগৈ দেউতাকৰ কোঠাৰ

ওচৰ পালেহি। দেউতাকেনো কি কৰিছে সেই মুহূৰ্তত তাৰ চাবলৈ মন গ'ল। সি পৰ্দাখন ফাক কৰি ভিতৰলৈ চালে।

দেখিলে—দেউতাক বিচনাত দীঘল দি আছে। সি এবাৰ মাত লগাবনে কি বুলি ভাবিছিল।—কিন্তু নামাতিলে। থাকক। কথা কৈ কৈ বোধকৰোঁ ভাগৰি পৰিছে। শুতিকে থাকক তেনেকৈয়ে। দেউতাকৰ পৰা চকু ঘূৰাই আনি সি মাকৰ ছবিখনলৈ চালে। মনতে কৈ উঠিল: দেউতাই বেয়া পাইছে, কিন্তু তুমি নাপাবা মা। দুখীয়া নিছলাক সহায় কৰিবৰ বাবে, কোনোবা বিপদত পৰিলে তেওঁক সহায় কৰিবৰ বাবে তুমিয়েই এদিন মোক শিকাইছিলা। সেইবাবে কাঞ্চন-বাইহঁতক আজি আমাৰ ঘৰলৈ লৈ আহিলোঁ। আৰু আৰু তুমি যে কাঞ্চন বাইক সদায় মৰমৰ চকুৰে চাবলৈ কৈছিলা—মই পাহৰা নাই।

বিজনে দেউতাকৰ কোঠাৰ দুৱাৰখন লাহেকৈ জপাই দিলে। সি তললৈ নামি আহিল। তাৰ মনটো বৰ ভাল লাগিল। বহুত দিনৰ মূৰত দয়াৰামৰ লগত তাৰ ধেমালি কৰিবলৈ মন গ'ল। সি ৰান্ধনী ঘৰলৈ আহি দয়াৰামক ক'লে,—হৈছেগৈ নে দয়াৰাম কাই? বৰ পলম কৰিছা দেখোন। দিয়া, নহ'লে ময়ো তোমাৰ লগত লাগি ভাগি দিওঁ। আজিনো কিহৰ চৰ্চ্চৰি? মচুৰ মাহৰ?

দয়াৰামে পাচলি কুটি আছিল। বিজন ওচৰ চাপি অহা দেখি সি ক'লে,—চিঃ চিঃ বৰকৈ নাহিবা নাহিবা বিজন বোপা, বৰকৈ ওচৰ চাপি নাহিবা। তুমি বা আজি কেইদিন গা ধোৱা নাই মুঠে সৈতে।

বিজনে হাঁহি মাৰি উত্তৰ দিলে,—মুঠতে চাৰি দিনহে দয়াৰাম কাই। গা-পা ধুবলৈ তোমাৰ 'টায়েমে'ই নাপাওঁচোন হে। বাৰু, নোধোৱা গাৰে যদি তোমাৰ এই পাচলিখিনি চুই দিওঁ সিজিবনে নিসিজে বাৰু?

—এহ্, অগ্নিয়েনো কি কেঁচা-পকা শুচি-অশুচি বাচে হোঃ। কিন্তু দেশ-দস্তুৰৰ নিয়ম এটা আৰু।

দয়াৰামে ক'লে। বিজনে দয়াৰামৰ কথাষাৰ কাণ নিদি ৰান্ধনী ঘৰটোকে এবাৰ চাই ল'লে। ঘৰ পৰিপাটিকৈহে আছে। দয়াৰাম নামৰ এই আও লেতেৰা বামুণটোৱেই ঘৰ-কোঠা ইমান পৰিপাটিকৈ ৰাখিব পাৰিছেনে? বিজনে দয়াৰামক সুধিলে,—হেৰা বুঢ়া দেউ, তোমাৰ ঘৰ চাফা কৰা এই ট্ৰেইনিংটো কেতিয়া শেষ কৰিলা হে?

—টেইনিং ফেইনিং নাই। কিন্তু কেনেকৈ চাফা হ'ল সেই কথা সোধা।

—অঁ সুধিছোঁ, কোৱাচোন কি কায়দাত চাফা কৰিলা?

—বোলোঁ হাকিমনী আহিছিল,—হাকিমনী। তেঁৱেই এইবোৰ কৰি থৈ গৈছে।

বিজনে বুজি পালে। হাকিমনী মানে বাসৱী। বাসৱীৰ প্ৰসংগ ওলালে বা উলিয়াব লগা হ'লে দয়াৰামে বিজনক সদায় হাকিম আৰু বাসৱীক হাকিমনী বুলি জোকায়। বাসৱীয়ে পৰিপাটি কৰা বুলি বুজিয়েই বিজনে আকৌ এবাৰ ৰান্ধনীশালখন চাই ল'লে। এৰা! কোনোবা এজনী নাৰীয়ে নকৰিলে হাজাৰজন পুৰুষেও এইবোৰ কাম নিয়াৰিকৈ কৰিব নোৱাৰে। এইবোৰ কামৰ ক্ষেত্ৰত নাৰীৰ আঙুলি কেইটা যাদু-দণ্ড স্বৰূপ হৈ পৰে।

বিজনে বাসৱীৰ মুখখনলৈ মনত পেলালে। দেউতাকেও তাক বাসৱীৰ কথা কয়। বিজনে বুজা মতে দেউতাকে তাইক বোৱাৰী হিচাপে বিচাৰে। তাইৰ দেউতাক ঢুকোৱাৰ পিছতে বিজনেও কথাটো ডুবাৰমান ভাবিছিলি। দুয়োটো পৰিয়ালৰ ভিতৰত থকা চেনেহ-জৰী-গছ কট্‌কটীয়া কৰিবলৈ তাৰ মনো গৈছিল। মন গ'লেও কিন্তু সি সেই কাম কৰিবলৈ আগবাঢ়িব নোৱাৰিলে। কিয়নো ডাক্তৰ ত্ৰিলোচন বৰাৰ লগত বাসৱীৰ সম্পৰ্ক ইতিমধ্যে ভালেখিনি আগবাঢ়ি আছিল। দুয়োৰে বিয়া হওঁ হওঁ। আজি সেই বাসৱীয়েই আহি সিহঁতৰ ৰান্ধনীশালখনৰ গতি এটা লগাই গ'লহি। দেউতাকে চাগে কথাবোৰ অন্য ভাৱেহে লৈছে। ধেৎ, লাজেই লাগি যায়। বিজনে

দয়াৰামক ক'লে,—কিন্তু এটা কথা কৈ থওঁ দয়াৰাম কাই। মই হাকিম হ'লেও বাসন্তী কিন্তু মোৰ লগত হাকিমনী হ'বলৈ নাহে। বাসন্তীয়ে বেলেগ হাকিমৰ লগত হাকিমনী হৈ যাবৰ বাবে দিহা কৰিছে।

দয়াৰামে পাচলি কুটিবলৈ এৰি বিস্ময়েৰে বিজনলৈ চালে। ক'লে, —ইয়ে—হয়নে কি? কিন্তু দেউতাই যে বাসন্তী আইদেউক বৰকৈ আশা কৰিছিল। তেনেহলে নহ'বগৈ?

—এৰা নহ'বগৈ।

বিজন বাহিৰলৈ উঠি আহিল। কাঞ্চন আৰু কল্যাণক থাকিবলৈ দিয়া কোঠাটোৰ ফালে চালে। চিন্তিত ভাৱে দুয়োজনী বহি আছে। সিহঁতকে তেনেদৰে থকা দেখি বিজনৰ মনটোও গধুৰ হৈ আহিল। কল্যাণক সি বছাবই লাগিব। কল্যাণক সি নিৰাপত্তা দিবই লাগিব। বাসন্তীৰ ওচৰ চাপি যাব নোৱাৰি বিজন কল্যাণৰ ওচৰ চাপি গৈছে। কল্যাণক সি বোকাৰ পৰা মাণিক বুটলি আনিছে।

চাপ্লাই ডিৰেক্টৰৰ পুতেক হৈ অজ্ঞাত কুলশীল ড্ৰাইভাৰ এটাৰ ছোৱালী কল্যাণক এইখন ঘৰৰ বোৱাৰীৰ মৰ্যাদা দিলে তাক হয়তো বহুতেই বেয়া বুলিব বা বেযা পাব। কোনো কোনোৱে হয়তো হাঁহিবও। কিন্তু কোনোবাই বেয়া পোৱালৈ, কোনোবাই হাঁহি দাঁত উলিউৱালৈ বিজনে পৰোৱাই নকৰে। কাৰোবাৰ ভয়ত সি কৰিম বুলি ভবা কাম নকৰাকৈ নাথাকে। সি যিটো ভাবিছে সেইটো কৰিবই। তাতে সি সেইখিনি তাৰ নৈতিক কৰ্তব্য বুলিয়েই ভাবে

ভাবি ভাবি বিজন ওপৰ মহলাৰ নিজৰ কোঠালৈ উঠি গ'ল।

সময় আগবাঢি মাজনিশা হ'লহি। বিজন, দয়াৰাম, কাঞ্চন, কল্যাণ শুই নিঃপালি দিলে। বকুৱাৰ তেতিয়ালৈকে চেতন অহা নাছিল। অৱশ্যে বকুৱা শেষৰ ফালে গভীৰ টোপনিতহে পৰিছিল। মাজনিশা ক্ৰমে ক্ৰমে বকুৱাৰ টোপনি পাতল হৈ আহিল। পাতল টোপনিত বকুৱাই এটা সপোন দেখিলে—

বিজনক লগত লৈ বকুৱা ফুৰিবলৈ ওলাই গৈছিল। গৈ গৈ

অকস্মাতে তেওঁলোকে হাবি এখনৰ মাজত সোমাল। হঠাৎ হাবিৰ মাজত পাঁচগৰাকী তিৰোতা মানুহৰ আৱিৰ্ভাৱ হ'ল। তাৰে বয়সীয়া তিনি গৰাকীয়ে বকৰাক কলে: 'আমি আপোনাৰ বাবে আহিছোঁ।' কম বয়সীয়া যেন লগা দুগৰাকীয়ে বিজনক ক'লে: 'আমি তোমাৰ।' বকৰাই আটাইকেইগৰাকীৰ প্ৰতি উত্তৰ দিলে: 'আমি কিন্তু ইয়াত ফুৰিবলৈ আহিছোঁ। তিৰোতা বিচাৰি অহা নাই।' বকৰাৰ কথা শুনি পাঁচোগৰাকী তিৰোতাই একেমুখে কিবা এটা চিঞৰি উঠিল। তেওঁলোকে কি চিঞৰিলে বহু পৰ বুজিবলৈ যত্ন কৰিও বকৰাই বুজিব নোৱাৰিলে। বকৰাই একো নকৈ বৈ থকা দেখি তিৰোতাৰ দলটোৱে উগ্ৰ মূৰ্তি ধাৰণ কৰিলে। চাই থাকোতেই এজনী তিৰোতা এজনী বাঘিনীলৈ ৰূপান্তৰিত হ'ল। বকৰা আৰু বিজনে ভয়তে চিঞৰ-বাখৰ কৰিবলৈ ধৰিলে। এবাৰ বিজন অকস্মাতে বাঘিনীৰ মুখত পৰি গ'ল আৰু গোটেই ল'ৰাটো তাই গিলি পেলালে। বাঘিনীজনীয়ে এইবাৰ বকৰালৈ খেদি আহিল। সপোনত 'কাঞ্চন' বুলি চিঞৰিয়েই বকৰাই সাৰ পালে আৰু বিচনাতে উঠি বহিল।

কেই মুহূৰ্তমান শূন্য মনেৰে থাকি, তাৰ পিছত বকৰাই সপোনটোৰ কথাকে ভাবিবলৈ ধৰিলে। ভাবি তেওঁৰ গাৰ নোমবোৰ ভাল ভাল হৈ আহিল। সেই বাঘিনীজনী যদি কাঞ্চন হয় তেনেহলে কাঞ্চনে সঁচাকৈয়ে বিজনক খাবলৈ আহিছে। কিন্তু কেনেকৈ? কি উপায়েৰে তাই বিজনক গ্ৰাস কৰিব?—বকৰাই নিজে কাঞ্চন হৈ উপায় চিন্তিলে। কিন্তু তেওঁ উপায় নাপালে। উপায় নাপালেও তেওঁ নিশ্চিত হ'ল যে—এইবোৰ নিম্ন শ্ৰেণীৰ মানুহ। এইবোৰ মানুহক কোনো উপায়ৰ প্ৰয়োজন নাই। যি কোনো উপায়েৰেই সিহঁতে গ্ৰাস কৰিব পাৰে। এতিয়া বকৰাই কিবা কৰি বাঘিনীজনীৰ মুখৰ পৰা বিজনক বচাবই লাগিব। তেওঁ জীয়াই থাকোতেই তাক এনেদৰে বিপদত পৰিবলৈ দিব নোৱাৰে।

এতিয়া কি কৰি কাঞ্চনৰ গ্ৰাসৰ পৰা ল'ৰাটো ৰক্ষা কৰা যায়?

কাঞ্চন আৰু তাইৰ ছোৱালীজনীক এই মুহূৰ্ত্ততে ইয়াৰ পৰা বাহিৰ কৰি দি ? কিন্তু সেই কামো সিমান সহজতে কৰিব পৰা বিধৰ নহয়।· গধূলি বিজনৰ মুখত বৰুৱাই যি দৃঢ়তা দেখিলে, যি সাহসেৰে সি তেওঁৰ সন্মুখত কথা ক'লে—তেতিয়াই তেওঁ বুজি উঠিল যে কাঞ্চনহঁতক 'বাহিৰ কৰি' দিয়াটো সিমান সহজ নহয়। যদি খেদি পঠোৱা নাযায় তেনেহ'লে আন কিবা উপায় আছেনে ?

গা-মন গধুৰ আৰু দুৰ্বল দুৰ্বল লাগিলেও বিজয় বৰুৱা বিচনাৰ পৰা নামিল। সন্মুখৰ টেবুলখনত দয়াৰামে ভাত সজাই থৈছিল। বৰুৱাই উদঙাই চালে। কিন্তু তেওঁৰ খাবলৈ মন নগ'ল। ভাতখিনি আকৌ ঢাকি থ'লে। লাহে লাহে তেওঁ তললৈ নামি আহিল। পিছফালৰ বাৰান্দাত পানীৰ বাল্টিটো পাই মুখ-হাত ধুই ল'লে। দযাৰামৰ কোঠাৰ ওচৰলৈ গ'ল। সি টোপনিত লাল-কাল। দয়াৰামৰ কোঠাৰ ওচৰৰ পৰা বৰুৱা আগফালৰ বাৰান্দালৈ আহিল। কবিদ'ৰৰ ওচৰৰ কোঠাটোত তেওঁ নাকৰ ঘোৰ্ঘোৰণি শুনিবলৈ পালে। বৰুৱা কোঠাটোৰ ওচৰলৈ যোৱাত ঘোৰ্ঘোৰণিৰ শব্দটো তেওঁৰ কাণত আৰু স্পষ্ট ভাৱে পৰিল। এইটো এইটো জানো মানুহৰ নাকৰ শব্দ। এইটো জানো মানুহৰ নাকৰ শব্দ হ'ব পাৰে ? তেনেহলে বাঘিনীজনী ইযাত শুই আছে ? এইটো সেই বাঘিনীজনীৰে গোজৰণি। বাঘে গুজৰিছে বিজনে ইয়াত এজনী বাঘিনী আনি থৈছেহি এই কোঠাটোত এজনী পোহনীয়া বাঘিনী আছে বাঘিনী বাঘ বাঘ বা ঘ

বিজয় বৰুৱা ঢপলিয়াই গৈ ওপৰ মহলাত উঠিল। নিজৰ কোঠাত পৰি থকা ৰিভলভাৰটো হাতত ল'লে। কিন্তু বাঘ মাৰিবলৈ তললৈ নামি নাহি তেওঁ পিছফালৰ বাৰান্দালৈ গ'ল। তাল গছ কেইজোপাৰ ফাঁকটোৰেদি দূৰৰ ক'লা আকাশখনলৈ চালে। চাই থাকোতে থাকোতেই নাৰী কণ্ঠৰ তীক্ষ্ম স্বৰ এটা ভাঁহি আহি তেওঁৰ কাণত পৰিলহি ঃ মই জানো আপুনি কাঞ্চনক একো কৰিব নোৱাৰে।· আপুনি তাইক ভাল পায়।· আপোনাৰ সন্তানৰ মাক তাই·· তাইৰে

মোৰে একেই মৰ্যাদা।···নিপুণ অভিনেতাৰ দৰে আপুনি মোক ফাঁকি দিলে কি হ'ব ? মই সকলোবোৰ জানো···মই সকলো গম পাওঁ··· সেয়ে মই স্বইচ্ছাৰে ছুবাৰোগ্য কেন্সাৰক আহ্বান জনালোঁ। সেয়ে মই কাঞ্চনক মৰমৰ চকুৰে চাবলৈ বিজনক কৈ আহিলোঁ।···আপুনি কাঞ্চনক ওপৰলৈ লৈ আহক · বেগাই ·বেগাই··

ক'লা আকাশৰ পৰা বকৰাই চকু ঘূৰাই আনিলে। তেওঁ খোজ আগবঢ়ালে। তেওঁ তললৈ নামিব। কাঞ্চনক ওপৰলৈ নানি কোঠাৰ ভিতৰ'ত হত্যা কৰি থৈ আহিব। কাঞ্চনক হত্যা কৰি তেওঁ জয়শ্ৰীৰ আত্মাৰ ওচৰত প্ৰমাণ কৰি দেখুৱাব যে তেওঁ কাঞ্চনক ভাল পোৱা নাছিল। কাঞ্চনৰ লগত পূৰ্বতে যি সম্পৰ্ক ঘটিছিল ··বৰ্তমানে তেওঁ সেইবোৰ এৰি পেলাইছে। বৰ্তমান তাইৰ লগত তেওঁৰ কোনো সম্পৰ্ক নাই।

কিন্তু কি আচৰিত কেইখোজমান আগবাঢ়ি যাওঁতেই বকৰাই তললৈ নমা চিৰিৰ ওচৰত কাঞ্চনক দেখিবলৈ পালে। ·এতিয়া তেওঁ কি কৰিব ? তাইক হত্যা কৰিব ? নে ভিতৰলৈ মাতি আনিব ? নে ভালেৰে তললৈ নামি যাবলৈ ক'ব ? নাই ·নাই ··তাইৰ লগত বকৰাই কোনো কথা নাপাতে। তাইৰ লগত বকৰাৰ কোনো সম্পৰ্ক নাই। তাইক হত্যা কৰি বকৰাই জয়শ্ৰীৰ আত্মাৰ আগত নিজৰ সাহসৰ পৰিচয় দিব।

বকৰাই কাঞ্চনৰ চকুলৈ ৰিভলভাৰ পোনালে।

এক দুই তিনি গুলি ওলাই গ'ল।—কেনে পালি ? মনতে কথাষাৰ কৈ পিছত বকৰাই শব্দ চেক্ চেকাই হাঁহি দিলে।

হঠাৎ হাঁহি সামৰি বকৰাই এবাৰ হাতৰ ৰিভলভাৰটোলৈ আৰু এবাৰ কাঞ্চনৰ ঢলি পৰা দেহটোলৈ চালে। তেওঁৰ সম্বিত ঘূৰিল। এয়া তেওঁ কি কৰিলে ? · এয়া তেওঁ কি কৰি পেলালে ? ··তেওঁ যে আজিৰ পৰা হত্যাকাৰীত পৰিণত হ'ল। · আজিৰ পৰা যে তেওঁ আইনৰ কবলত পৰিল। আইনে তেওঁক সুখেৰে

এৰিবনে? ··আইনে তেওঁক জেলত নিদিবনে? জেল-জেল-জেল—

কাঞ্চনৰ চাঁল পৰা দেহটোৰ ওচৰত বিজয় বৰুৱাই মানুহৰ ছাঁ এটা দেখিবলৈ পালে। তেওঁ কঁপা ভৰিৰে দুখোজ পিছলৈ আহিল। ছাঁৰ ঠাইত এটা সম্পূৰ্ণ মানুহ বৰুৱাৰ দৃষ্টি গোচৰ হ'ল। তেওঁ পিছলৈ অহাৰ লগে লগে মানুহটো ডাউন-ষ্টেয়াৰৰ ওচৰৰ পৰা কেইখোজমান আগলৈ আহিল। বৰুৱাই তাক চিনি পালে—চাপ্লাই অফিচৰ প্ৰাক্তন হেড ক্লাৰ্ক ভদ্ৰেশ্বৰ দত্ত। দত্ত এই মুহূৰ্তত এইখিনিত উপস্থিত হ'লহি কেনেকৈ? দত্ত জেলত আছিল। চাপ্লাই গুদামৰ পৰা পয়সত্তৰ হেজাৰ টকাৰ বস্তু উধাও হোৱা মোকৰ্দমা এটাৰ বাবে আইনে তেওঁক জেল-বাস দিছিল। আজি দত্ত কেনেকৈ ওলাই আহিল

হাঃ হাঃ হাঃ । অট্টহাস্য কৰি ভদ্ৰেশ্বৰ দত্তই বিজয় বৰুৱাক ক'লে,—আপুনি আজি ক'ত সাৰিব ডাঙৰীয়া? আজিৰ পৰা আপুনিও মোৰ লগতে আইনৰ কবলত পৰিল। চাপ্লাইৰ গুদামৰ পৰা পয়সত্তৰ হেজাৰ টকা মূল্যৰ খাদ্য দ্ৰব্য আৰু টিন পাত হেৰাল। মই আচৰিত। বস্তুবোৰ ক'লৈ গ'ল? কি হ'ল? চৰকাৰী অনুসন্ধান চলিল। যদিওবা বস্তুবোৰ চোৰাং ভাৱে আপুনি বিক্ৰী কৰিছিল · বিক্ৰী কৰি পোৱা সেই পয়সত্তৰ হাজাৰ টকাৰে এই আটক-ধুনীয়া বৰুৱা ভৱনটো সাজিছিল ·কিন্তু তদন্তত অনুসন্ধানত ধৰা পৰি গ'লোঁ মই। কিন্তু মই নিৰপৰাধী।

টকাৰ জোৰ আছিল বাবে আপুনি আইন হাত কৰি ল'লে। আপোনাৰ হাতৰ আইনে মোক জেললৈ পঠালে। আপুনি আচল চোৰ সাৰি গ'ল।· সেইদিনা আপুনি সাৰি গ'ল যদিও আজি আপুনি কলৈ সাৰিব ডাঙৰীয়া। · আজিৰ ঘটনাৰ সাক্ষী হৈ আপোনাক মই আইনৰ পাকেৰে বান্ধি জেললৈ নিম··মোৰ লগলৈ নিম· · হাঃ হাঃ হাঃ ··

আৰু এখোজ পিছলৈ দিব খোজা বৰুৱা এইবাৰ স্থিৰ হৈ ৰ'ল। যদি এই পিশাচটোকে হত্যা কৰি পেলোৱা যায় তেওঁ আকৌ বিভলভাৰ তুলিলে এক দুই তিন গুলি ওলাই গ'ল।

এটা এটাকৈ দুটা মানুহ হত্যা কৰি বিজয় বৰুৱা অস্থিৰ হৈ পৰিল। তেওঁ বিভলভাৰটো তললৈ দলিয়াই দিলে। শ দুটাৰ কাষেদি তললৈ নামি আহিল।

বিজয় বৰুৱাই উন্মাদৰ দৰে পাৰিজাতৰ ওচৰলৈ ঢপলিয়ালে। তেওঁ পাৰিজাতক সকলো কথা কৈ দিব আৰু নৰহত্যা অপৰাধৰ বাবে ক্ষমা খুজিব। তেওঁ পাৰিজাতৰ গাৰ আঁৰতে আইনে নোপোৱাকৈ লুকাই থাকিব

## চাৰি

বাসন্তীয়ে টোপনিতে কিবা এটা বিৰবিৰাই উঠিল।

মাক পাৰিজাতে তেতিয়াও সাৰ পায়ে আছিল। বাসন্তীৰ বিৰবিৰণি শুনি তেওঁ তাইৰ ফালে মুখ ঘূৰালে। ভালেপৰ জীয়েকৰ কপাহ কপাহ লগা মুখখনলৈ চাই থাকি পাৰিজাত লাহেকৈ বিচনাতে বহিল।

দুপৰ নিশা হ'লহি, তথাপি তেওঁৰ চকুলৈ টোপনি নাহিল। আজি দুই-তিনিমাহ মানৰ পৰা এনেকুৱা হৈছেই। বিশেষকৈ বিজনৰ দেউতাকে কাঞ্চন আৰু কোনোবা ভদ্রেশ্বৰ দত্তক হত্যা কৰি আহি যিদিনা তেওঁৰ দুৱাৰত ঢকা দিছিলহি—সেই দিনাৰ পৰা।

সেইদিনা সেইদিনা মাজনিশা পাৰিজাতে কমকৈ ভয় খালেনে? মনত পৰিলে আজিও তেঁওৰ গাৰ নোম ডাল ডালকৈ আছে।

সেই দিনা সেই সময়ত পাৰিজাত লালকাল টোপনিত। অকস্মাতে দুৱাৰত ঢক্ ঢক্ শব্দ হোৱাত তেওঁৰ টোপনি ভাগিল। ভিতৰৰ পৰা মাত দিলে,—কোন? কোন দুৱাৰত? দুৱাৰত অনবৰত ঢক্ ঢকাই থকাৰ বাহিৰে কোনো মাত-বোল নাই। পাৰিজাতৰ ভয় লাগি আহিল। দিন-কাল দিনক দিনে বেয়া হৈ আহিছে। বিশেষকৈ নগৰৰ এই উপকণ্ঠ অঞ্চলটোত যে কত ধৰণৰ মানুহ গোট খাইছেহি—ভাবিলেও আচৰিত হ'ব লাগে। এতিয়া বা কোনে কি মতলবত আহি দুৱাৰত ঢকা দিছেহি। ছেঃ কি বিপদখনে পালে। ভয়ে ভয়ে পাৰিজাত দুৱাৰৰ ওচৰ পালেহি। আকৌ মাত দিলে,—দুৱাৰত কোনে ঢকিয়াইছে?—কি লাগে?

এইবাৰ বাহিৰৰ পৰা উত্তৰ আহিল,—মইহে পাৰিজাত। মই বিজয় বৰুৱা, বিজনৰ দেউতাক। বৰ বিপদত পৰি আহিলোঁ। দুৱাৰখন খোলাচোন।

পাৰিজাতে বৰুৱাৰ মাতটো চিনি পালে। চিনি পাবই। এই

মাতটো যে তেওঁৰ বহু দিনৰ চিনাকি···এই মাতটো যে তেওঁৰ কাণত বাজি থাকে। পাৰিজাতে নির্ভয়ে দুৱাৰখন খুলি দিলে। লগে লগে অস্বাভাৱিক ভাব-গতিৰে বৰুৱা কোঠাৰ ভিতৰলৈ আহিল। খৰহ কৰে তেওঁ চোকাখনত বহি দিলে। আতংকিত স্বৰেৰে ক'লে,—বন্ধ কৰি দিয়া পাৰিজাত, দুৱাৰখন বন্ধ কৰি দিয়া। বেগাই, বেগাই— অলপো পলম নকৰিবা।

পাৰিজাতে দুৱাৰখন বন্ধ কৰি দিলে। বৰুৱালৈ চাই ক'লে,— কিন্তু এই মাজনিশাখন এনেদৰে আপোনাৰ কি হৈছে ঘৰত

পাৰিজাতক ক'বলৈ নিদি ঘন ঘনকৈ উশাহ লৈ বৰুৱাই ক'লে,— অঁ ঘৰত। কোনেও গম নোপোৱাকৈ মোৰ ঘৰত এটা মই এটা অতি সাংঘাতিক কাণ্ড কৰি পেলালোঁ। কৰিয়েই তোমাৰ ওচৰলৈ আহিছোঁ। তুমি মোক ৰক্ষা কৰা। তুমি ৰক্ষা নকৰিলে এই পৃথিৱীত মোক ৰক্ষা কৰিবলৈ আৰু কোনো নাই। কোনো নাই।

—কিন্তু কি সাংঘাতিক কাণ্ড কৰি আহিল?

—হত্যা। মোৰ ঘৰত দুটা হত্যাকাণ্ড সংঘটিত হৈছে।

—হত্যাকাণ্ড? পাৰিজাতে দুখোজ পিছুৱাই আহি চিংকাৰ কৰি উঠিল।

—অঁ হত্যাকাণ্ড। এটা নহয়, দুটাকৈ মানুহ হত্যা কৰা হ'ল।

—কিন্তু কোনে কাক হত্যা কৰিলে?

—এই দুখন হাতেৰে এটা এটাকৈ দুটা মানুহ হত্যা কৰিলোঁ। মই হত্যাকাৰী।

—আপুনি? আপুনি হত্যা কৰিলে?

—নিচিঞৰিবা পাৰিজাত। কাঞ্চন আৰু ভদ্রেশ্বৰ দত্তক হত্যা কৰাৰ বাহিৰে মোৰ কোনো উপায় নাছিল। অৱশ্যে মই কাঞ্চনকহে হত্যা কৰিবলৈ বিচাৰিছিলোঁ। কিন্তু ভদ্রেশ্বৰ দত্তই নিজে গৈ বুকু পাতি দিলে মই কি কৰিব পাৰোঁ কোৱাঁ?

তথাপি নৰহত্যাৰ দৰে পাপ কাম এটা কৰিবলৈ আগবাঢ়িল কিয়? কাঞ্চনক আপুনি কিয় হত্যা কৰিব লাগে মই বুজি নাপালোঁ। এতিয়া জানো আপুনি আইনৰ কবলত নপৰিব? ছুটাকৈ মানুহ হত্যা কৰাৰ অপৰাধত আইনে আপোনাক হয়তো

—কাঞ্চনক কিয় হত্যা কৰিলোঁ সেই কথা এতিয়া থাকক। তাইক হত্যা কৰাৰ আগলৈকে মই আইনৰ কথা ভবা নাছিলোঁ। কিন্তু তাই ঢলি পৰাৰ পিছ মুহূৰ্ত্ততে মোৰ মনলৈ আইনৰ কথা আহিল। আইন আৰু জেলৰ কথা ভাবোঁতেই মোৰ চকুৰ আগত দণ্ড উপস্থিত। এতিয়া মোৰ বৰ ভয় লাগিছে পাৰিজাত। তুমি কোৱাৰ দৰে আইনে হয়তো মোক

পাৰিজাতৰ গাৰ নোমবোৰ ডাল ডাল হ'লেও, নোমৰ গুৰিবোৰ গুটি গুটি হ'লেও এইখিনিলৈকে সকলো ঠিকেই আছিল। এই-খিনিলৈকে অস্বাভাৱিক ভাৱে হ'লেও চোকাখনত বহি বহি বৰুৱাই কথা কৈ আছিল। ইয়াৰ পিছত হঠাৎ বৰুৱা বহাৰ পৰা উঠিল আৰু 'তুমি মোক বচোৱা পাৰিজাত—তুমি মোক বচোৱা—বচোৱা' বুলি অতৰ্কিতে পাৰিজাতক সাৱট মাৰি ধৰিলে। পাৰিজাতৰ বুকু এই বেলিহে বেছিকৈ কঁপিল। তেওঁ যিমানে বৰুৱাৰ কবলৰ পৰা নিজক সৰকাবলৈ যত্ন কৰিলে সিমানে বৰুৱাই পাৰিজাতক জোৰেৰে ধৰিবলৈ ধৰিলে। 'তোমাৰ গাৰ আঁৰত লুকালে মোক কোনেও নেদেখে, মোক ৰক্ষা কৰা—বচোৱা' বুলি কৈ এইবাৰ তেওঁ পাৰিজাতৰ বুকুত মুখ গুজি দিলে।

মনতে ভয় থালেও, বৰুৱাক উন্মাদ যেন লাগিলেও সেই মুহূৰ্ত্তত পাৰিজাতৰ মনত কটনত পটি থকা অৱস্থাৰ এটা দিনৰ স্মৃতিয়ে ভুমুকি মাৰি গ'ল। শৰণীয়া পৰ্বতৰ ওপৰত সেইদিনা এইজন মানুহেই এইজন বিজয় বৰুৱাই পাৰিজাতক এনেদৰে সাৱটি ধৰিছিল। সেয়া আছিল বিদায় বেলা। সেইদিনাই কেইঘণ্টামানৰ পিছতে বৰুৱাই গুৱাহাটী এৰিছিল। সেয়ে পাৰিজাতক বুকুৰ মাজত লৈ

বকৰাই সেইদিনা কৈছিল মই আকৌ আহিম পাৰিজাত ··মই আকৌ তোমাৰ ওচৰলৈ আহিম।·· পাৰিজাত শোকত ভাগি পৰিছিল, আশ্ৰয় বিচাৰি বকৰাৰ বুকুত মুখ গুজি দিছিল। সেইজন বকৰা আজি ইমান দিনৰ মূৰত পাৰিজাতৰ বুকুত চাপে ইমান বছৰে মানুহজন··এই বঞ্চিত মানুহজন ঘূৰি আহিব পৰা নাছিল আজি বহু দিনৰ মূৰত·· বহু পলমকৈ হ'লেও পাৰিজাতৰ ওচৰলৈ ঘূৰি আহিছে আজি বহু দিনৰ মূৰত পাৰিজাতে তেওঁক নিজাকৈ পাইছে আজি · বহুত দিনৰ মূৰত ·বহুত দিনৰ ব হু ত

নিজৰে অজ্ঞাতে পাৰিজাতে বাঁও হাতেৰে বকৰাক আঁকোৱালি লৈ সোঁ হাতেৰে তেওঁৰ মূৰটো পিহি দিলে।

পাৰিজাতৰ বুকুত বকৰাই কাও বাও কৰি উঠিল,—তুমি মোক ৰক্ষা কৰা পাৰিজাত তুমি ৰক্ষা নকৰিলে আন কোনেও মোক ৰক্ষা কৰিব নোৱাৰে তুমি মোক তুমি মোক

—ব'লক, আপুনি অলপ জিৰাওক গৈ। আপুনি অলপ শোৱকগৈ।

পাৰিজাতে সক সককৈ ক'লে। কৈয়ে বকৰাক বিচনালৈ লৈ গ'ল। বকৰা বিচনাখনত ধমহ কৰে পৰাদি পৰিল। পাৰিজাতে তেওঁৰ গাত অলপ পাতল ধৰণৰ কাপোৰ এখন দি দিলে। ক্ষন্তেক টোপনি মাৰি হঠাৎ বকৰা উচাপ খাই উঠিল আৰু 'পাৰিজাত পাৰিজাত' বুলি চিঞৰিলে। পাৰিজাত ওচৰতে আছিল। আগবাঢ়ি গ'ল।

বকৰা গোটেই মানুহটো কঁপি উঠিল। কঁপি কঁপি তেওঁ পাৰিজাতক ক'লে,—বচোৰা পাৰিজাত, তুমি মোক ধৰা, তুমি মোক আইনে নেদেখাকৈ আঁৰ কৰি ধৰা। মোক তুমি ধৰা—ধৰা—ধ ৰা

উপায়ন্তৰ হৈ বিচনাতে বকৰাক হেঁচা মাৰি ধৰাদি ধৰিলে পাৰিজাতে। কিছুপৰ তেনেকৈ ধৰি থকাৰ পিছত কঁপি কঁপি বকৰা টোপনি গ'ল। কাষতে বহি পাৰিজাতে টোপনি যোৱা বকৰাৰ

মুখখনলৈ চালে। আজি · আজি দ্বিতীয় দিনৰ বাবে পাৰিজাতে টোপনি গৈ থকা বৰুৱাৰ মুখখন দেখিবলৈ পালে। --ইয়াৰ আগতে · প্ৰথম দিনা · যি দিনা গুৱাহাটী মেডিকেল কলেজৰ পৰা বাহিৰে বাহিৰে বিজয়ৰ পাৰিজাতহঁতৰ ঘৰলৈ লৈ যোৱা হৈছিল সেই দিনা আঠুৱাখন পেলাই দিবলৈ আহি পাৰিজাতে টোপনি গৈ থকা বিজয় বৰুৱাৰ মুখখন প্ৰথম দেখিছিল আৰু আজি ইমান বছৰৰ মূৰত দ্বিতীয় দিনা · :দ্বিতীয় দিনা

প্ৰথম দিনাৰ সেই মুখখনৰ লগত আজি বহু বছৰৰ পিছত দেখা মুখখন পাৰিজাতে ৰিজাই চালে। বয়সৰ আঁচোৰৰ বাহিৰে আনবোৰ একেই আছে। কেনিও ক'তো অলপো সলনি হোৱা নাই।

বিজয় বৰুৱাই টোপনিতে চিঞৰি উঠিল,—বচোৱা! বচোৱা!!

পাৰিজাতে টোপনি গৈ থকা বৰুৱাৰ কপালখন পিহি দিলে। কপালখন পিহি পিহি পাৰিজাতৰ'বা চিঞৰি ক'বলৈ মন গ'ল: বচাম— বচাম! আপোনাক বচোৱাতো একপ্ৰকাৰ মোৰ নৈতিক কৰ্তব্য। মই পাহৰি যোৱা নাই, দীঘলীপুখুৰীৰ পাৰৰ সেই ঘটনাটোৰ কথা মই পাহৰি যোৱা নাই। আপোনাৰ গাত খুন্দাটো মাৰিযেই সেই দিনা মই বাচি গৈছিলোঁ।—মই নিশ্চিত মৃত্যুৰ পৰা ৰক্ষা পৰিছিলোঁ। সেই ঋণ মই আজিও পৰিশোধ কৰিব পৰা নাই। ভাবিছিলোঁ আজীৱন আপোনাৰ চৰণ সেৱা কৰি কিন্তু নাপালোঁ,--সেই সুবিধা মই নাপালোঁ। আজি বহুত পলমকৈ হ'লেও আপুনি মোক সেই সুবিধা দিছে। গতিকে মই মই

কিন্তু ই কি? চাই থাকোতে থাকোতে পাৰিজাতে বৰুৱাৰ মুখখন কঁপি উঠা দেখিছে কিয়? ক্ৰমে ক্ৰমে মুখখনৰ চেহেৰা সলনি হৈ আহিছে কিয়? এইখন এইখন দেখোন তেখেতৰ বাসৱীৰ দেউতাকৰ মুখখন। বাসৱীৰ দেউতাক বাসৱীৰ দে-উ-তা-ক—

পাৰিজাতে বৰুৱাৰ কপালখন পিহিবলৈ এৰি দিলে। বহাৰ পৰা উঠি আহিল। এইবাৰ বৰুৱালৈ চাই পাৰিজাতে থৰ্ থৰ্ কৰে

কঁপিবলৈ ধৰিলে। তেওঁ কাক বাসন্তীৰ দেউতাকৰ বিচনাত শুবলৈ দিছে? তেওঁ কাক ঘৰৰ ভিতৰত ঠাই দিছে?—এইজনযে এজন হত্যাকাৰী।—মাজ নিশা নৰ হত্যা কৰি ইয়াত পলাবলৈ আহিছে। এওঁক পলুৱাই ৰাখিলে কালিলৈ আইনে পাৰিজাতকো মেৰিয়াই নেপেলাবনে? পাৰিজাতো এদিন কাঠৰ গৰালত উঠিবগৈ নালাগিবনে? ভাবি ভাবি ভয়তে পাৰিজাত বাসন্তীৰ ওচৰ পালেগৈ।

বাসন্তীয়ে টোপনিতে আকৌ কিবা এটা বিৰ্‌বিৰাই উঠিল।

ইমান পৰে বিচনাতে বহি থকা পাৰিজাত বিচনাৰ পৰা নামি এইবাৰ খিৰিকীখনৰ ওচৰলৈ গ'ল। খিৰিকীখন মেলি দিলে। জোনৰ ৰগা কোমল পোহৰ এছাটি কোঠাটোলৈ আগবাঢ়ি আহিল। পাৰিজাতে বাহিৰৰ সৰহীয়া পোহৰবোৰলৈ চালে। শূন্য মনেৰে কিছুপৰ চায়ে থাকিল। চাই চাই এইবাৰ পাৰিজাতে ভাবিলে, আজি নিশাটো এনেকৈয়ে কটাই দিব লাগিবনে কি? আজি নিদ্ৰাদেৱীৰ লগত কোনো সম্পৰ্ক নঘটিবই নে কি? কিন্তু কিছু সময়ৰ বাবে হ'লেও শুব পৰা হ'লে ভাল আছিল। অৱশ্যে এনেকৈযো বেয়া লগা নাই দেখোন—।

জোনাকলৈ চাই চাই পাৰিজাতে আকৌ বিজয় বৰুৱাৰ কথাকে মনলৈ আনিলে। কাঞ্চন আৰু ভদ্ৰেশ্বৰ দত্তক হত্যা কৰাৰ পিছদিনাৰ কথা মনত পেলায়েই পাৰিজাতৰ অকলে অকলে হাঁহি উঠি গ'ল।

সেই যে বৰুৱাৰ কাষৰ পৰা বাসন্তীৰ ওচৰলৈ গুচি আহিছিল—, তাৰ পিছৰ গোটেইখিনি সময় পাৰিজাতে কঁপি কঁপিয়েই কটালে। পোহৰি পোহৰি হওঁতেই বাসন্তীয় সাৰ পালে। সাৰ পায়ে তাই মাকক মাত দিলে,—মা তুমি বহুত আগতে উঠিলানে কি?

বাসন্তীয়ে সাৰ পোৱাত পাৰিজাতৰ মনৰ পৰা ভয় ভয় ভাৱটো অলপ আঁতৰি যোৱা যেন লাগিল। তেওঁ তাইৰ কাষ চাপি গৈ ক'লে,—মই মাজ নিশাৰ পৰা সাৰ পাই আছোঁ। উঠচোন বাৰু, বিজনইঁতৰ ঘৰত বৰ ভয়লগা কাণ্ড এটা হৈ গ'ল।

বাসন্তী ধহ মহাই উঠিল,—ভয়লগা কাণ্ড। কি ভয়লগা কাণ্ড ?

কথাটো বাসন্তীক লগে লগে ক'বনে পিছত ক'ব পাৰিজাতে এবাৰ ভাবি চালে। কিন্তু ভাবি শেষ কৰাৰ আগতেই তেওঁৰ মুখৰ পৰা অকস্মাতে কথাটো ওলাই আহিল—কাঞ্চন আৰু কোনোবা ভদ্রেশ্বৰ দত্তক হত্যা কৰি বিজনৰ দেউতাক আমাৰ ঘৰত লুকাই আছেহি।

মাকৰ কথা শুনি বাসন্তীয়ে এক প্রকাৰ চিৎকাৰ কৰি উঠিল,—কি কৈছা মা ? খুৰাদেৱে কাৰোবাক হত্যা কৰিলে ? তেখেত এতিয়া ক'ত আছে ?

পাৰিজাতে 'সিটো কোঠাত' বুলি কোৱাৰ লগে লগে বাসন্তী বৰুৱাৰ ওচৰলৈ দৌৰ মাৰিলে। ঘূৰি আহি আকৌ ক'লেহি,—কিন্তু এতিয়া কি হ'ব মা ? খুৰাদেৱে মানুহ মাৰিও এনেদৰে শুব পাৰিছেনে ? তেওঁ যে শুই থাকোতেই সিফালৰ পৰা পুলিচ আহি পাবহি খবৰ আছেনে নাই ? খুৰাদেৱে মানুহ হত্যা কৰাৰ কথা বিজন দাদাই জানেনে নাজানে বাৰু ?

—নাজানে বোধহয়।

বাসন্তী আৰু বৈ নাথাকিল। 'মই বিজন দাদাৰ ওচৰৰ পৰা আহোঁচোন' বুলি কৈ মুখ-হাত নোধোৱাকৈয়ে ঢাপলি মেলিলে।

বিজনে তেতিয়াও সাৰ পোৱায়ে নাছিল। বাসন্তীয়ে কোঠাৰ দুৱাৰত টকা দিয়াৰ লগে লগেহে সি সাৰ পাই উঠিল। দুৱাৰ মেলি বাসন্তীক দেখি আচৰিত হ'ল। সুধিলে,—ব্রহ্মপুৰাতে আহি এইখিনি পালাহি যে ?—কি হ'ল ?

আৰু আচৰিত হৈ বাসন্তীয়ে বিজনক ফুচ্ ফুচাই কোৱা দি ক'লে, —কি হ'ল বুলি ঘূৰাই মোক প্রশ্ন কৰিছা যে ? তোমাৰ ইমান টোপনিনে ? খুৰাদেৱে নিশা কি কাণ্ড কৰি গ'ল কব নোৱাৰা ?

বিজনে চকু কেইটা মোহাৰিলে,—ওহোঁ, নোৱাৰোঁ। কি কৰিলে নো ?

অতি গোপনীয় কথা ক'বলৈ লোৱাৰ দৰে ইফালে সিফালে চাই বিজনৰ কাণৰ ওচৰলৈ মুখ নি বাসন্তীয়ে ক'লে,—মাৰদাৰ। খুৰাদেৱে

কাঞ্চন আৰু কোনোবা ভদ্ৰেশ্বৰক মাৰ্দাৰ কৰি আমাৰ ঘৰত লুকাই আছেগৈ।

বিজনে এইবাৰ আতংকেৰে চিঞৰি উঠিল,—কি ক'লা ?—মাৰ্দাৰ ? দেউতাই কাঞ্চনক মাৰ্দাৰ কৰিলে ? কাঞ্চন বাইক ?

বিজন বিজুলী বেগেৰে তললৈ নামি আহিল। বাসৱীয়েও তাক অনুসৰণ কৰিলে। দুৱাৰ চকিয়াই বিজনে কল্যাণক চিঞৰিবলৈ ধৰিলে,—কল্যাণ। অ' কল্যাণ কল্যাণ।

কল্যাণে সাৰ পাইছিল। কিন্তু তাই উঠি অহাৰ আগতেই মাক কাঞ্চনে উঠি আহি দুৱাৰ মেলি দিলে,—কি হৈছে বিজনবাবু, ইমান একা চেকাকৈ চিঞৰিছা যে ?

বাসৱীয়ে অবাক বিস্ময়েৰে এবাৰ কাঞ্চনৰ মুখলৈ আৰু এবাৰ বিজনৰ মুখলৈ চালে। সৰুকৈ ক'লে,—খুৰাদেৱে আৰু কোনোবা ভদ্ৰেশ্বৰ দত্তৰ কথা কৈছিল।

বিজন আকৌ বিজুলী বেগেৰে ওপৰ মহলালৈ আহিল। বাসৱীয়ে আকৌ বিজনক অনুসৰণ কৰিলে।

বিজন আৰু বাসৱী বৰুৱাৰ কোঠা পালেহি। আলমাৰিটো খোলা আৰু তাৰ ভিতৰখন সামান্য খেলি মেলি অৱস্থাত আছে। তাৰ বাহিৰে কোঠাটোৰ কোনো অস্বাভাৱিকতাই সিহঁতৰ চকুত নপৰিল। বিজনে আলমাৰিটো জুমি-জামি চাই ক'লে,—ৰিভলভাৰটো অৱশ্যে থাকিব লগা ঠাইত নাই।

—তেনেহ'লে খুৰাদেৱে নিশ্চয় ক'ৰবাত কিবা এটা কাণ্ড কৰিছে। তোমাৰনো ইমান টোপনিনে যে ওচৰৰ কোঠাটোত কি হৈছে ক'ব নোৱাৰা ?

—দেউতাই যে এনে কাণ্ড কৰিব কোনে জানে।

বিজন আৰু বাসৱী বাহিৰলৈ ওলাই আহিল। ডাউনষ্টেয়াৰৰ ওচৰত বাৰান্দাৰ ভাগি থকা কাঠৰ খুটা দুটা দেখুৱাই বাসৱীয়ে বিজনক সুধিলে,—এই দুটা কোনে ভাঙিলে ?

খুটা ছুটাৰ ওচৰ চাপি আহি হাঁহি মাৰি বিজনে ক'লে,—কাঞ্চন বা কোনো ভদ্ৰেশ্বৰক দেউতাই হত্যা কৰা নাই। দেউতাই আচলতে এই খুটা ছুটাকে 'হত্যা' কৰিলে। কিন্তু ৰিভলভাৰটো ক'ত ?

বিজন আৰু বাসন্তী ৰিভলভাৰটোৰ বাবে ব্যস্ত হৈ পৰিল। দুয়ো প্ৰায় একেলগে তললৈ চালে। দেখিলে 'হত্যা' কৰা খুটা ছুটাৰ পোনে পোনে মাটিত ৰিভলভাৰটো পৰি আছে। ৰিভলভাৰটো বুটলি আনি যথা স্থানত থোৱা হ'ল। বিজন হাত-মুখ ধুবলৈ গ'ল। স্বস্তিৰ নিশ্বাস পেলাই বাসন্তীয়েও তাতে হাত-মুখ ধুই ল'লে। চাহ-জলপানৰ পৰ্ব শেষ কৰাৰ পিছত বাসন্তীৰ লগত বিজন দেউতাকৰ ওচৰলৈ আহিল।

বিজয় বৰুৱাই তেতিয়াও সাৰ পোৱা নাছিল। বাসন্তীয়ে মাকক 'জানিছা মা—তুমি নিশা মিছাতে ভয় খালা' বুলি কৈ বৰুৱাৰ 'হত্যাকাণ্ডটোৰ' এটা ৰসাল বিৱৰণ দিলে। শুনি জীয়েকৰ লগতে মাকৰো হাঁহি উঠিল।

ইফালে সিটো কোঠাত সাৰ পায়ে বৰুৱাই আনদিনাৰ অভ্যাস মতে 'দয়াৰাম দয়াৰাম'কৈ চিঞৰিলে।

পাৰিজাত খৰ খেদাকৈ আগবাঢ়ি গ'ল—ইযাতনো ক'ত দয়াৰামটো আহি ওলাবহি। উঠক উঠক—এইখন আমাৰ ঘৰহে।

বৰুৱা বিচনাতে বহিল,—কিন্তু তোমাৰ ঘৰত তোমাৰ ঘৰত মই

এনেতে সেইখিনিত বিজন আৰু বাসন্তী উপস্থিত। বিজনক দেখাৰ লগে লগে যোৱা নিশাৰ গোটেই ঘটনাটো বৰুৱাৰ মনত পৰিল। তেওঁ দুৰ্বল কণ্ঠেৰে বিজনক ক'লে,—অঁ মনত পৰিছে। কিন্তু বিজন, কাঞ্চন আৰু ভদ্ৰেশ্বৰ দত্তৰ শ-ছুটা বাৰান্দাৰ পৰা আঁতৰ কৰিলিনে ? নাই কৰা যদি কোনেও নেদেখাকৈ এতিয়াই আঁতৰ কৰি পেলাগৈ যা।

বিজনৰ ওঁঠত সামান্য ভাৱে হাঁহি বিৰিঙিল। সি ক'লে,—

আচলতে আপুনি কোনো কাঞ্চন বা ভদ্ৰেশ্বৰ দত্তক হত্যা কৰা নাই। মানসিক বিভ্ৰান্তিৰ হেতুকে মানুহ বুলি আপুনি বাৰান্দাৰ খুটা দুটাকে গুলিৰে আঘাত কৰিলে।

বৰুৱাই বাসন্তীৰ কালে চাই সুধিলে,—মই ইয়াক বিশ্বাস কৰিব পাৰোনে ?

বাসন্তীয়ে ক'লে,—পাৰে। মই কাঞ্চনক আৰু ভগা খুটা দুটা এইমাত্ৰ দেখি আহিছোঁ। খুৰাদেৱে যে বৰ হাঁহি উঠা কাণ্ডটো কৰিলে।

বৰুৱাই এইবাৰ বিজনক দপ্ দপাই উঠিল,—ই পাষণ্ডই যত কূটৰ ঘাই। ই বাটৰ কুকুৰক আনি বৰঘৰত ঠাই দিছেহি। কাঞ্চন যেতিয়া নমৰিল নাই নাই, তাইক মোৰ ঘৰৰ পৰা খেদি নপঠোৱালৈকে মোৰ শান্তি নাই। মই এতিয়াই তাইক মোৰ ঘৰৰ পৰা খেদি পঠোৱাৰ ব্যৱস্থা কৰিম। মই তাইক পাঁচ হাজাৰ টকাৰ এখন চেক দিম। সেই টকাৰে তাই নতুনকৈ ঘৰ সাজি লওক। তথাপি তাই মোৰ ঘৰত থাকিব নালাগে। বল, এতিয়াই মই তাইক চেক চহী কৰি দিম

বিচনাৰ পৰা নামি বৰুৱা ঘৰলৈ বুলি ওলাল। পাৰিজাতে হাত-মুখ ধুই চাহ এঢোক খাই যাবলৈ কৈছিল। কিন্তু বৰুৱাৰ কাণত চাহ-তাহৰ কোনো কথাই নোসোমাল। চেকখন চহী কৰি নিদিয়ালৈকে, কাঞ্চনক ঘৰৰ পৰা বাহিৰ কৰি নিদিয়ালৈকে তেওঁৰ শান্তি নাই। সেয়ে তেওঁ খৰ খৰকৈ খোজ আগবঢ়ালে। বৈ নাথাকি বিজনো পিছে পিছে গ'ল। ঘৰ পাযে বৰুৱাই পাঁচ হাজাৰ টকাৰ চেক এখনত চহী কৰি দিলে। দেউতাকৰ মানসিক অৱস্থাৰ কথা ভাবি বিজনে সেই ব্যৱস্থাত সম্মত হ'ল।

বাসন্তীয়ে বাগৰ সলোৱা যেন লাগিল পাৰিজাতৰ।

তেওঁ খিৰিকীখন জপাই দি বিচনাৰ ওচৰ পালেহি। আকৌ শুব নেকি এবাৰ ভাবিলে। কিন্তু শুবলৈচোন পাৰিজাতৰ আজি

সমূলি মন যোৱা নাই। টোপনিয়ে আজি সমূলি আমনি কৰা নাই। তেনেহলে

পাৰিজাত এখোজ দুখোজকৈ নিজৰ কোঠাৰ পৰা ওলাই আহি বাসন্তীৰ দেউতাকৰ কোঠা পালেহি। স্মৃতি-এলবামৰ প্ৰথম পাত স্বৰূপে ৺ হিতেন দাসৰ বিচনাখন পূৰ্বে যেনে আছিল তেনেদৰেই সজাই ৰাখিবলৈ যত্ন কৰিছে পাৰিজাতে। এই মুহূৰ্তত স্বামীৰ খালী বিচনা খনলৈ চাই প্ৰথমে উদাস উদাস লগা পাৰিজাতৰ বুকুখন শেষৰ ফালে বেদনাত ডুকাল হৈ যোৱা যেন লাগিল। বহু পৰ বিচনাখনলৈ চাই থকাৰ পিছত পাৰিজাতৰ দুগালেদি জৰ জৰ কৰে লোতক বাগৰি আহিল। পোন্ধৰ বছৰে তেওঁ এইখন বিচনাত শুবলৈ দিয়া মানুহজন হঠাৎ এনেদৰে আজি তিনি বছৰে কিয এইখন বিচনাত শুবলৈ অহা নাই? পোন্ধৰ বছৰ একেলগে থকাৰ পিছত হঠাৎ এনেদৰে গুচি গ'ল কিয? গুচি যাব লাগেই বা কিয়? তিৰোতাক যি সময়ত পুৰুষৰ নিৰাপত্তাৰ প্ৰয়োজন সেই সময়তে মানুহজনে পাৰিজাতক নিঠৰুৱাকৈ এৰি থৈ গ'ল কিয? ভাগ্যক্ৰমে লগত বাসন্তী থাকি গ'ল বুলিহে। বাসন্তী যদি নাথাকিলহেঁতেন তেনেহলে এই ডাঙৰ ঘৰটোত অকলে অকলে তেওঁ কেনেকৈ থাকিল হেঁতেন? এইটো ঘৰত অকলে থাকিলে দিনতে ভূতে আহি টেঁটুত নধৰিবহিনে? যদি নিজে নাথাকেই তেনেহ'লে লোকৰ টেঁটুত ওলমাবলৈ ঘৰ সজাইছিল কিয়? কিয়?

পাৰিজাত ৺হিতেন দাসৰ বিচনাখনৰ নিচেই কাষ চাপি গ'ল। চক্ চক্ কৰে বগা কাপোৰখনৰ তলত পৰি থকা কোমলতাখিনি দুহাতেৰে স্পৰ্শ কৰি চালে। বেদনাত ডুকাল হৈ যোৱা পাৰিজাতৰ বুকুখন আৰু এটা ফাট মেলি চাৰিফাল হৈ যোৱা যেন লাগিল। তেওঁ বৰ থৰ থৰকৈ বগা কাপোৰখনৰ ওপৰেদি হাত দুখন চলালে। এই স্পৰ্শ সুখ পাৰিজাতৰ আজিৰ চিনাকি নহয়। বিয়াৰ পিছৰ পৰাই এইখন পালেঙৰ এই স্পৰ্শ সুখৰ লগত তেওঁৰ নিবিড় সম্পৰ্ক। কিন্তু

সেই সম্পৰ্কৰ তাঁৰডাল তিনিবছৰৰ আগতে হঠাৎ ঝনক কৰে তেনেহ'লে তেনেহ'লে এই বগা বহল বিচনাখনৰ-এই কোমলতাৰ সুখানুভূতি পাৰিজাতে ভবিষ্যতে কোনো দিনে কোনো দিনে

জোকাৰ এটা মাৰি গাক কেইটাৰ ওপৰৰ ধূলি-মাকতিবোৰ আঁতৰ কৰি আকৌ আগৰ ঠাইত ঠিক-ঠাক কৰি থৈ পাৰিজাত বিচনাতে বহিল। এনেহে লাগিল যেন তেওঁ খালী বিচনাত বহা নাই, বাসৰীৰ দেউতাকৰ কাষতহে বহিছে। যেন বাসৰীৰ দেউতাক নিশ্চিন্তে টোপনি গৈছে। যেন পাৰিজাতে মৰমতে মানুহজনৰ গাল-মুখবোৰ পিহি দিছে। টোপনি যোৱা হিতেনৰ মুখখনলৈ চাই চাই পাৰিজাতে যেন মনৰ মাজতে কৈ উঠিল ঃ

—পোন্ধৰ বছৰ বুকুৰ মাজত থাকি বিগত তিনি বছৰ তুমি স্মৃতি হৈ গ'লা হিতেন। বিযাৰ আগৰে পৰা তুমি মোক ভাল পাই আছিলা। কিন্তু মই যে তোমাক ভাল পোৱা নাছিলোঁ। তোমাক যে মই ভাল পাব পৰা নাছিলোঁ সেই কথা তুমি জানাই। বিযাৰ আগতে ভাল নাপালেও বিয়াৰ প্ৰথম বছৰতে যেতিয়া বাসৰী কোলালৈ আহিল ·· তেতিয়াৰ পৰা কিন্তু তোমাক মই ভাল পাবলৈ চেষ্টা কৰিলোঁ।

—মোৰ মনলৈ ক'ৰ পৰা জানো সেই জেদ ভাৱটো আহিল, সেই জেদ ভাৱটো নহা হ'লে তোমাৰ-মোৰ বিয়াই নহ'লহেঁতেন জানা।··· বি এ পাছ কৰাৰ পিছতে চাকৰিত নিযুক্তি লৈ তুমি বিয়াৰ প্ৰস্তাৱ দিছিলা। সেই সময়ত দেউতা সদানন্দ হাজৰিকা বা মই পাৰিজাত হাজৰিকা—কোনোৱে তোমাৰ প্ৰস্তাৱৰ প্ৰতি মন-কাণ দিয়া নাছিলোঁ। কিয়নো তেতিয়া আমাৰ বুকুত আশা আছিল। এটা প্ৰচণ্ড আশা। তিনিবছৰমান সেই আশা পুহি থকাৰ পিছত ক্ৰমে ক্ৰমে দেউতাৰ আশা ভঙ্গ হৈ আহিল। আৰু এদিন তেওঁ মোৰ বিয়াৰ বাবে আন মানুহ বিচাৰিবলৈ ধৰিলে।

সুযোগ বুজি দ্বিতীয় বাৰৰ বাবে তুমি মোক বিয়া কৰোৱাৰ প্ৰস্তাৱ দিলা।

সেই সময়ত মই যে কি হৈ পৰিছিলোঁ, মোৰ মানসিক অৱস্থা যে কেনেকুৱা হৈ পৰিছিল—ভাবিলে আজিও মোৰ ভয় লাগি আছে। তোমাৰ দ্বিতীয়বাৰৰ প্ৰস্তাৱে মোক কটা ঘাত চেঙা তেল দিয়া অৱস্থা কৰি পেলাইছিল, আশা, বিৰহ, বেদনা আটাইবোৰে একোটাইঁত শক্তি-শালী দল লৈ মোক একেলগে আক্ৰমণ কৰিছিল। সেই আক্ৰমণ সহিব নোৱাৰি সেই সময়তে মই দুবাৰ আত্মহত্যা কৰিবলৈ ওলাইছিলোঁ। কিন্তু মই আত্মহত্যা কৰিব নোৱাৰিলোঁ। কিয় জানো নোৱাৰিলোঁ।

তোমাৰ দ্বিতীয় বাৰৰ প্ৰস্তাৱ পাই বৃদ্ধ দেউতা মোৰ বিয়াৰ বাবে উঠি পৰি লাগিল। মোৰ মতামত নোলোৱাকৈযে তেখেত ভালেখিনি আগবাঢ়িছিল। তোমাৰ দেউতাৰাক কথা দিছিল। বিযাৰ পকা বন্দবস্ত হৈ গৈছিল। কিন্তু হোৱা বিয়াও মই ভাঙি দিলোঁ। প্ৰচণ্ড আশাই মোক বিয়া ভাঙিবলৈ সাহস দিছিল। সেই সময়ত বাৰে বাৰে কাণৰ ওচৰত সেই কথাষাৰ বাজি উঠিছিল 'মই আকৌ আহিম পাৰিজাত—মই আকৌ তোমাৰ ওচৰলৈ আহিম।' কৈ গৈছে যেতিয়া, আহিব। হয়তো কিবা কাৰণে দুদিন পলম হৈছে।

মই বিয়া ভাঙি দিয়াত দেউতাই মৰ্মান্তিক আঘাত পাইছিল। মোক কৈছিল,—'নাহে আই, আৰু নাহে। অহা দিন পাৰ হৈ গ'ল। তই আৰু আশা কৰি নাথাকিবি।' মই তেতিয়া দেউতাক কি কৈছিলোঁ জানা? মই লগে লগে কৈছিলোঁ,—'আহিব দেউতা, আহিব। পুৰুষবোৰে মুখৰ কথা নেৰে বুলি, মোৰ এটা বিশ্বাস আছে। মুখৰ কথাই যদি এৰিলে—তেনেহলে তেওঁ পুৰুষ হ'ল কেনেকৈ?—মই কাপুৰুষৰ বাবে আশা কৰা নাই দেউতা, মই এজন পুৰুষৰ বাবেহে আশা কৰি বৈ আছোঁ।

মোৰ মনৰ দৃঢ়তাৰ কথা জানিব পাৰি দেউতা মৌন হৈ মোৰ ওচৰৰ পৰা আঁতৰি গ'ল। আৰু তোমাৰ দেউতাৰালৈ বিয়া ভঙাৰ কথা জনাই দিলে। মই স্বস্তিৰ নিশ্বাস পেলালোঁ।

দিন আগবাঢ়িল। দেউতাৰ সম্পূৰ্ণ আশা ভংগ হ'লেও মোৰ হোৱা

নাই। মই আশা এৰি দিয়া নাই। মই আশা এৰি নিদিয়া দেখি দেউতাই মোক আশা এৰি দিবৰ বাবে দিনে নিশাই বুজাবলৈ ধৰিলে, —'অবুজ নহ'বি পাৰিজাত। সেইবোৰ জিৰণীয়া মৌ। দুদিনৰ বাবে আহি আশা দি গুচি যায়। সংসাৰত কতৰ তেনেকুৱা হৈছে কতৰ তোৰ দৰে হৈ আছে । সেই দিনৰ কথাবোৰ—বিশেষকৈ কলেজত পাঢ থকা দিনৰ কথাবোৰ মানুহে সদায় সপোন বুলিয়েই ভাবিব লাগে। তয়ো সেইটো এটা সপোন দেখা বুলিয়েই ধৰি ল আই। আশা এৰি দে—

কিন্তু মই অবিচল। মোৰ সেই এটাই মাত্র উত্তৰ,—'মই কাপুৰুষৰ বাবে আশা কৰা নাই দেউতা, মই এজন পুৰুষৰ বাবেহে আশা কৰি বৈ আছোঁ।'

দেউতাৰ লগে লগে মাৰ ফালৰ পৰাও বুজনি আহিছিল, 'হিতেন জানো বেয়া ল'ৰা? হিতেনকো কোনো ফালৰ পৰাই বেয়া বা হীন বুলি ক'ব নোৱাৰি। হিতেনক বিয়া কৰিলেও তই হাবি নাযাৱ। উচ্চ কুলৈ হাত মেলি—বাওনা হৈ চন্দ্ৰলৈ হাত মেলি তই ভুল কৰিলি। অকল তই ভুল কৰাই নহয়, তোৰ লগতে আমিও ভুল কৰিলোঁ। পিছে এতিয়া ভুল ভাগিছে। আমি আশা এৰি দিছোঁ। তয়ো আশা এৰি দে—।'

কিন্তু দেউতাৰ প্রতি যি উত্তৰ মাৰ প্রতিও মোৰ সেই একেই উত্তৰ—আশা এজন পুৰুষৰ বাবে কাপুৰুষৰ বাবে নহয়।

দিন গৈ গৈ মোৰ আশাই পাঁচ বছৰত ভৰি দিলেহি।

মোক অবিচল দেখি দেউতা দিনক দিনে বিচলিত হৈ পৰিল। আনহাতে তেখেতৰ অৱসৰৰ দিন বাঢ়ি যোৱাৰ লগে লগে আমাৰ আৰ্থিক অৱস্থাও ক্রমে বেয়া হৈ আহিবলৈ ধৰিলে। এতিয়াই যদি মোৰ বিয়াখন পাতিব পৰা নাযায় তেনহ'লে পিছলৈ—এই চিন্তাই

দেউতাক বৰকৈ বিচলিত কৰিবলৈ ধৰিলে। পিছলৈ যে কি হ'বগৈ দেউতাই ভাবিবই নোৱাৰা হ'ল।

এইবোৰ কথাকে ভাবি ভাবি দেউতাই আমাৰ চকুৰ আগতে এদিন বিচনা ল'লে। সেই যে পৰিল—দেউতা আৰু নুঠিল। বিজয়ক উদেশ্য কৰি তুমি তুমি ঠগ প্ৰবঞ্চক তুমি বিশ্বাসঘাটক। তোমাক বিশ্বাস কৰি মই মই হাতৰ কুঠাৰ ভৰিত মাৰি ল'লোঁ। বিয়া আদৰ্শ যুৱ-পুৰুষৰ লগত হাঃ হাঃ হাঃ বিয়া বিয়া কৈ কৈ দেউতাই মোৰ চকুৰ আগতে মৃত্যুকে সাৱটি ল'লে। ময়েই দেউতাৰ মৃত্যুৰ কাৰণ হ'লোঁ। মোৰ চিন্তাতেই দেউতাই ভ্ৰম বকি বকি মৰিল

দেউতা সদানন্দ হাজৰিকাৰ মৃত্যুৰ পিছত ভাগ্যৰ বলত ডাঙৰ ভাইটোৰ তোমাৰ অফিচতে—চৰকাৰৰ প্ৰচাৰ দপ্তৰতে চাকৰি পালে। এইবাৰ মোৰ পিছত সি লাগিল। দিনে নিশাই কতুৰিবলৈ আৰম্ভ কৰি দিলে,—'চা বাইদেউ, তোৰ বাবেই আমাৰ অফিচৰ চিনিয়ৰ ক্লাৰ্ক হিতেন দাসৰ দৰে বগা চগা মানুহ এটা ফকীৰ হ'বলৈ ধৰিছে। শুনি মাৰ কলেজৰ শালিকী প্ৰেম। এতিয়া হিতেন দাসৰ লগত চাকৈ-চকোৱাৰ প্ৰেম আৰম্ভ কৰ। মই কাইলৈকে হিতেন দাসক মাতি আনিম বহু বাপেক্কে।'

কাইলৈ কাইলৈ বুলি এবছৰৰ পিছত হ'লেও সি তোমাক মোৰ ওচৰত আনি হাজিৰ কৰিলেহি। তেতিয়া অৱশ্যে মোৰো আশা ভংগ হৈছিলগৈ। মই মনৰ পৰা বিয়া-চিয়াৰ চিন্তা এক প্ৰকাৰ বাদ দিয়েই পেলাইছিলোঁ।

এনেতে মোৰ মনলৈ ক'ৰ পৰা জানো জেদ ভাৱটো আহিল। মই মত সলাই পেলালোঁ।—আনে মোক এৰি বিয়া কৰাব পাৰে, মই নোৱাৰোঁ। ? মই কিয় নোৱাৰিম ?

সেই সময়তে মোৰ কাণত সেই খবৰ পৰিল। মোৰ গা-মন জ্বলি আহিল। বিজয়ে মোক এৰি জয়শ্ৰীক বিয়া কৰিব পাৰে ?—মই বিজয়ক

এৰি তোমাক হিতেনক বিয়া কৰাব নোৱাৰো কিয় ? মই বিয়া কৰামেই। লাগে তেওঁ হিতেনেই হওক বা আন কোনোবাই হওক। ভাইটোৰ মধ্যস্থতাত তুমি তৃতীয় আৰু শেষ প্ৰস্তাৱ আগ বঢ়ালা। বিজয় বৰুৱাৰ প্ৰতি চৰম আক্ৰোশৰ ভাব মনত লৈ মই তোমাক বিয়া কৰালোঁ। পোন্ধৰ বছৰে তুমি মোক আৱৰি থাকিলা। ভাগ্যৰ বলত বিজয় বৰুৱাকো মোৰ জেদ্‌টো দেখুৱাবলৈ সুযোগ পালোঁ। যোৰহাটলৈ বদলি হৈ আহি তুমি সেই সুযোগ দিলা।

সুযোগ বিজয় বৰুৱাক বিজয়ক সুযোগ ভাবি থাকোতে থাকোতে ভাৱৰ মাজতে হঠাৎ পাৰিজাতৰ ভাৱান্তৰ ঘটিল। বগা, বহল আৰু কোমল বিচনাখন কঁপি উঠিল যেন। পাৰিজাতৰ মানস দৃষ্টিত শুই থকা হিতেন দাস হঠাৎ সাৰ পাই উঠিল আৰু অট্টহাস্য কৰিবলৈ ধৰিলে। অলপ পিছতে হিতেন দাসৰ কণ্ঠত পাৰিজাতে শুনিবলৈ পালে : হাঃ হাঃ হাঃ তুমি প্ৰকৃততে সুযোগ সন্ধানী নাৰী। সুযোগ বিচাৰি আছিলা। মই সুযোগ দিলোঁ আৰু তুমি পংকৈ লৈ ল'লা।

মোক বিয়া কৰিলেও তোমাৰ অৱচেতনা মন বিজয়েৰেই পূৰ হৈ আছিল। তুমি মোৰ ওচৰত অভিনয়হে কৰি গ'লা মাত্ৰ। তুমি ভাবিছিলা তুমি ধৰা পৰা নাই কিন্তু মই তোমাক ধৰা পেলাইছিলোঁ। মোৰ চকুত তুমি ধৰা পৰি গৈছিলা। বিজয়ক দেখিলেই তোমাৰ চকুত তুমি ধৰা পৰি গৈছিলা। বিজয়ক দেখিলেই তোমাৰ চকুত যি তিৰ বিৰণি, যি উজ্জ্বলতা দেখিবলৈ পোৱা যায় তাতেই মই বুজি পাইছিলোঁ যে তুমি তোমাৰ অৱচেতন মনত বিজয়কে লৈ আছা।

—কি ? মই মিছা কথা কৈছোঁ ? তেনেহলে তেনেহলে সৌ সিদিনা মানসিক বিভ্ৰান্তিৰ বাবে মাজনিশা বিজয় তোমাৰ ওচৰলৈ আহোঁতে তুমি কিয় তেওঁক মোৰ বিচনাত শুবলৈ দিছিলা ? শুই থকা বিজয়ক হেঁচা মাৰি ধৰি বিজয়ৰ মুখলৈ চাই চাই কি ভাবিছিলা কি কথা মনত পেলাইছিলা· কোৱা ! কোৱা !! কোৱা !!!

ভাৰত আচ্ছন্ন হৈ পৰা পাৰিজাত ঘপহ্ কৰে বিচনাখনৰ পৰা উঠিল। দোভাগ নিশাৰ নিৰ্জনতাৰ মাজত মৃত লোক এজনক মনত পেলাই, মানসিক ভাৱে তেওঁৰ লগত বাক্ বিনিময় কৰি পাৰিজাতৰ পিছ মুহূৰ্তে বৰ ভয় ভয় লাগিল। প্ৰেতাত্মাটোৱে যদি কিম্ভূত কিমাকাৰ ৰূপ ধৰি সঁচাকৈয়ে পাৰিজাতৰ ওচৰত ওলাইহি যদি প্ৰেতাত্মাটোৱে পাৰিজাতক হেঁচা মাৰি ধৰিবলৈ খেদি আহে ? যদি যদি

বিজয় বৰুৱালৈ মনত পৰিল পাৰিজাতৰ। সিদিনাৰ দৰে এই মুহূৰ্ততো যদি কিবা এটা কাণ্ড কৰি দুৱাৰত উপস্থিত হ'লহেঁতেন যদি 'পাৰিজাত পাৰিজাত' বুলি মাত মাতি দিলেহিহেঁতেন তেনেহ'লে প্ৰেতাত্মাটোৰ হাতৰ পৰা পাৰিজাত নিশ্চিত ভাৱে ৰক্ষা পৰিলহেঁতেন।

পাৰিজাত হিতেন দাসৰ কোঠাৰ পৰা ওলাই আহিল যদিও দাসৰ প্ৰেতাত্মটোৱে তেওঁৰ লগ নেৰা যেনেই পালে। প্ৰেতাত্মাটোৰ পৰা ৰক্ষা পাবৰ বাবে পাৰিজাতে বিজয় বৰুৱাৰ উপস্থিতিৰ প্ৰয়োজনীয়তা বৰকৈ অনুভৱ কৰিলে বাবেই নেকি নিজৰ অজ্ঞাতেই তেওঁ ভিতৰ ফালে নগৈ বাহিৰৰ দুৱাৰখন মেলি দিলেহি। দি বাহিৰলৈ আহিল। বৰ ভাগৰ ভাগৰ যেন লগাত বাৰান্দাৰ বেঞ্চখনতে বহি ল'লে। আগৰ সমান ভাল নালাগিলেও জোনাকবোৰলৈকে পাৰিজাতে একান্ত মনে চাই থাকিল।

চাই চাই পাৰিজাতে বিজয় বৰুৱাৰ কথাকে ভাবিলে। মানুহটো বৰ ভাবুক হৈ পৰিছে। আগৰ দৰে মানুহৰ লগত মাতবোল কৰিবলৈ এৰি দিছে যদিও পাৰিজাতৰ লগত কিন্তু ইয়াৰ ব্যতিক্ৰম। পাৰিজাতক লগ পালে বা পাৰিজাতৰ ওচৰলৈ আহিলে ( উল্লেখযোগ্য যে আজিকালি বৰুৱাই এইফালে বৰকৈ অহা যোৱা কৰিবলৈ লৈছে ) বৰুৱা অধিক মুখৰ হৈ পৰে। পাৰিজাতৰ লগত বহিলে উঠি যাবলৈ পাহৰে। কেইবা·দিনো দয়াৰাম আহি 'দেউতা উঠক,

কথাৰে ব'লক আৰু বুলি কথাৰে মনত পেলাই লৈ আছেহি। একি যে হৈছে মানুহজনৰ।...

দয়াবামৰ পৰা জনামতে বকৰা খোৱা-লোৱাতো অনিয়মিত হৈ পৰিছে। আগতে 'দয়াবাম কি খাকিছ। কি নাই বকা' বুলি মাজে মাজে খা-খবৰ লৈছিল। আজিকালি সেইবোৰ বাদ পৰিল। অফিচৰ পৰা আহি চাহ কাপ পালেও পালে মাপালেও নাই—পোনে পোনে পিছফালৰ বাৰান্দাত বহেগৈ। আগতে কিছুদিন পিছফালৰ বাৰান্দাতে গ'লে হাতত কিতাপ এখন লৈ যোৱাৰ অভ্যাস কৰিছিল, আজিকালি সেই অভ্যাসো বাদ দিছে। চকীখনত বহি গছৰ আলফালে চাই থাকে। কেতিয়াবা বিৰ্‌বিৰাই, কেতিয়াবা হেনো জোৰকৈয়ে কাৰোবাক গালি পাৰে। এই প্ৰসংগতে দয়াবামে সিদিনা এৰ আচৰিত কথা এবাৰ পাৰিজাতক কৈ গ'ল।

'দেউতাৰ কথা কি ক'ব। পিছফালে থাকিলে বিৰ্‌বিৰনি, ভোৰ্‌ভোৰনি আৰু গালি-শপনি। আগফালৰ ফুলনিখনত আহিলে কিন্তু তাৰ বিপৰীত। ক'লোঁ নহয় আই, মুখত মিছিকনি। হাঁহি হাঁহি সঁচা সঁচি মানুহৰ লগত কথা পাতি থকাদি থাকে। কাৰ লগত জানো কি পাতে দেউতাই নিজেহে জানে।...পিছত সিদিনা কিন্তু আপোনাৰ নামটোও দেউতাৰ মুখত শুনা যেন লাগিছিল। অকল শুনাইনে? মিছে হ'ল।'

ইয়াৰ পিছত দয়াবামে যিটোহে হাঁহি মাৰিলে—দেখি পাৰিজাতৰ লাজেই লাগি গ'ল। তথাপি তেওঁ লাজ-কাজ সামৰি দয়াবামক সুধিলে,—'কোৱাচোন বাপুটি কোৱা, তাৰ পিছত কি হ'ল কোৱা।'

দয়াবামৰ মুখত আকৌ লাজ লাগি যাব লগা হাঁহি। হাঁহিটোহে আহিলে, কিন্তু সি কথাটো নকয়। পাৰিজাতে নেৰানেপেৰাকৈ ধৰাত অৱশেষত যেনিবা সি কথাটো ক'লেগৈ—

'দেউতাৰ কাণ্ডকাৰখানাৰ কথা নক'ব আৰু আই। ফুলনিৰ মাজত মিচ্‌ মিচ্‌ কৰে হাঁহিছে। কাৰোবাৰ লগত অকলে অকলে কথাও

পাতিছে। ইকালে মোৰ বজাৰৰ টাৰ্চৰ। আচল বস্তু তোমাকহে নিমখকণেই নাই। মই আগকালৰ বাৰান্দাৰ পৰা মাত দিলোঁ—বোৱেঁ৷ সেউতা। পিছে যেনেতেৰ কাণত নপৰিল। মই তেতিয়াকৈ চিঞৰি থকাটো অনুচিত ভাবি একে কোবে কুলনি পালোঁহি। শুনিলোঁ, আপোনাৰ নাম কৈ আপোনাৰ লগত কথা পতাদি পাতি আছে। মই বোৱা গম পায়েই নেকি জানো মোৰ ফালে চালে। মই এই বজাৰৰ কথা কওঁ কওঁ—এনেতে দেখোঁ আপোনাৰ নাম কৈ 'আঁহা—আঁহা' বুলি মোক ধৰিবলৈ হাত মেলি থেদি আহিছে। মই আহি মধুসূদন স্মৰি যে ভিতৰাই লৰ।'

দয়াৰামৰ কথা শুনি আহি মধুসূদন স্মৰি পাৰিজাতৰো ভিতৰলৈ ভিতৰাই লৰবি পলাবৰ অৱস্থা। কিন্তু দয়াৰামৰ আগত তেওঁ তেনে নকৰি বক্তা-চিন্তা পৰি অলপ পহীন হৈ বহি থাকিল। কথা কোৱাৰ সুবিধা নাপাই দয়াৰামো আৰু আগ নাবাঢ়িল।

...জোনাকবোৰৰ মাজৰ পৰা চকু ঘূৰাই আনি পাৰিজাতে নিজৰ গাটোকে এবাৰ চালে। বহি থকা বেঞ্চখনতে তেওঁ থৰ্ মৰাই উঠিল। সেয়ে যদি হয় ·সেয়ে যদি হয় · এই বয়সত...ইমান দিনৰ মূৰত নাই নাই সম্ভৱ হ'ব নোৱাৰে...বাসন্তীয়ে কি ভাবিব· বিজনে কি ভাবিব·· আন আন মানুহবোৰেই বা কি ভাবিব? দেহটো অৱশ নহ'লেও পাৰিজাতৰ মন অৱশ হৈ পৰিছে·· আজিকালি পাৰিজাতৰ মনলৈ উদাস ভাৱ আহিছে।·· আৰু নহয়, আৰু অশুচিত।

এনেতে আকৌ অশৰীৰী হিতেন দাসৰ কণ্ঠস্বৰ পাৰিজাতৰ কাণত বাজি উঠিল: হাঃ হাঃ হাঃ আৰু অনুচিত? এইবাৰ কিন্তু সাধু বাক্য মনলৈ আনিলা। কিন্তু মই জানো, বাক্যষাৰ তুমি অন্তৰৰ গভীৰতো গভীৰ স্থানৰ পৰা উচ্চাৰণ কৰিব নোৱাৰা।...তোমাৰ মন সদায়েই বিজয়ৰ ওচৰত।···তুমি মোক ফাঁকি দিলা...আৰু জানা···ময়ো তোমাক সেই বাবেই ফাঁকি দিলোঁ।···সেই বাবেই জীৱনৰ শেষৰ কালে মই কাকনৰ ওচৰলৈ জীৱনৰ অমিয়া সুধা বিচাৰি গৈলোঁ। সেইৰ প্ৰয়োজনতে

আছো মোক…তোমাজকৈ কাকন যেছি ভাল…কাকনৰ ফাঁকি নিদিয়ে। …কাকনৰ ষৰত বহি বহি মই ই বৃটলৰ পিছত সিবটল মদ শেষ কৰিবলৈ ধৰিলোঁ। মোৰ কলিজা বৰা ৰোগে খাই শেষ কৰি আনিলে। সকলো জানিও মই তোমাক ফাঁকি দি গলোঁ।…তুমি যেতিয়া গম পালা তেতিয়া বহুত পলম হৈ গ'ল।…মই মৃত্যুক সাৰটি লৈ তোমাক মুক্ত কৰি দিলোঁ। তুমি এতিয়া মুক্ত। যি মন যায় কৰি থাকা।… দেহ যেতিয়া অৱশ হোৱা নাই ··মনটোকো সতেজ কৰি লৈ তুমি বিজয়ৰ শুচৰলৈ আগবাঢ়া…আগবাঢ়া…আগ…

পাৰিজাতে নিজৰ কাণত সোপা দি ধৰিলে ··আৰু নক'বা,…আৰু শুনাবা।

বাসন্তীয়ে সাৰ পায়ে মাকক চিঞৰিছিল।

কিন্তু মাক পাৰিজাতে সেই সময়ত কাণত সোপা দি থকা বাবে বাসন্তীৰ প্ৰথম চিঞৰটো শুনিলে। গতিকে নামাতিলে। মাকৰ মাত নাপাই বাসন্তীয়ে আকৌ চিঞৰিলে,—মা কেনি গ'লানো ?

বাসন্তীৰ মাতটো শুনি এইবাৰ পাৰিজাত উচপ খাই উঠাদি উঠিল। এক মুহূৰ্তৰ পিছতে বাসন্তীক উত্তৰ দিলে,—আছোঁ। মই বাহিৰলৈ আহিছোঁ।

বেঞ্চখনৰ পৰা উঠি থৰ খেদাকৈ ভিতৰলৈ আহি পাৰিজাতে দুৱাৰখন বন্ধ কৰিলে। আৰু থৰ খেদাকৈ গৈ তেওঁ নিজৰ কোঠা পালেগৈ। মাক বাহিৰলৈ অহা বুলি জানি বাসন্তীয়ে বাগৰ সলাই আকৌ নিদ্ৰাদেৱীৰ কোলাত আশ্ৰয় ল'লে। তাই তেনেকৈ মাত মাতি আকৌ শুই পৰা বাবে পাৰিজাতে এটা ডাঙৰ বিপদৰ পৰা ৰক্ষা পোৱা যেন পালে। স্বস্তিৰ নিশ্বাস পেলাই তেওঁ এখোজ দুখোজকৈ বিচনাখনৰ কাষ পালেগৈ আৰু সৰু ছোৱালী এজনীৰ দৰে বাসন্তীৰ গাৰ কাষতে শুই পৰিল।…

পাৰিজাতে চকু দুটা বলেৰে জপাই দিলে।

তাৰপৰ মিনাৰ হৈ পৰি থকাৰ পিছত পাৰিজাতে গম পালে যে

তেজিয়াও টোপনিয়ে আমনি কৰাহি নাই। টোপনিৰ সময়ত তেওঁৰ তিনিখন মুখেহে বাৰে বাৰে আমনি কৰিছেহি। সেই তিনিখন মুখ—এখন কাঞ্চনৰ, এখন হিতেনৰ আৰু আনখন মুখ বিজয়ৰ—বিজয় বৰুৱাৰ।...মুখ তিনিখন চাঁং চাঁং কৰে পাৰিজাতৰ জপাই থোৱা চকুযোৰৰ আগেদি অহা যোৱা কৰিবলৈ ধৰাত তেওঁ বজেৰে জপাই থোৱা চকুযোৰ মেলি দিবলৈ বাধ্য হ'ল। লগে লগে মুখ তিনিখনো যেন পাৰিজাতে নেদেখা হৈ থাকিল।

পাৰিজাতে বাসৰীৰ টোপনিৰ গভীৰতাৰ জোখ ল'লে আৰু অলপ তাইৰ কাষ চাপি আহিল। মূৰটোও নিজৰ গাৰুৰ পৰা বাসৰীৰ গাকলৈ আনিলে। তাইৰ চুলিৰ সুবাসখিনি পাৰিজাতৰ নাকত লাগিল। পাৰিজাতে বৰ ভাল পালে। ভাল পায়েই বোধহয় পাৰিজাতে নিজৰ নাকটো সম্পূৰ্ণৰূপে বাসৰীৰ আউল বাউল হৈ থকা চুলিখিনিৰ মাজত গুজি দিলে। বাসৰীৰ চুলিৰ মাজত নাক গুজি থকা পাৰিজাতক এনেহে লাগিল যেন প্ৰথম প্ৰেমত পৰা ছোৱালীজনীয়েহে প্ৰেমিকৰ চুম্বনৰ ভয়ত কাপোৰৰ মাজত মুখ লুকাইছেহি।

..পাৰিজাতৰ এনেহে লাগিল যেন দেউতাকে এৰি থৈ যোৱা বাসৰী পাৰিজাতৰ আশ্ৰয়ত থকা নাই পাৰিজাতহে বাসৰীৰ আশ্ৰয়ত আছে। বাসৰীয়েই আজি পাৰিজাতৰ একমাত্ৰ আৰু নিৰ্ভৰযোগ্য সহায়। বাসৰী যদি নাথাকে তেনেহ'লে পাৰিজাত এইখন ঘৰত অকলে থাকিব নোৱাৰে। যদি পাৰিজাত নাথাকে. .নাথাকে...না...থা...

বাসৰীৰ চুলিৰ মাজৰ পৰা মুখ উলিয়াই আনি পাৰিজাতে তাইক চালে,...কিন্তু বাসৰী যে উঠন ছোৱালী। বাসৰীক যে চিৰদিন পাৰিজাতে আশ্ৰয় হিচাপে ব্যৱহাৰ কৰিব নোৱাৰে। এদিন নহয় এদিন বাসৰীক বিয়া দিবই লাগিব.. বাসৰীয়ে পাৰিজাতক এৰি আন এখন ঘৰলৈ এদিন নহয় এদিন যাবই।...বিজনৰ দেউতাকে সদায়েই বাসৰীক যোৱাৰী যোৱাৰীকৈ জোকাই থাকে। মানুহজনে ছোৱালীজনীক আশাও কৰি আছে বোধহয়। ইফালে বাসৰীয়েও ডাক্তৰ [illegible] তলে

আজ বন্দৰত এটা কৰি থোৱাৰ কথা পাৰিজাতে নজনাকৈ থকা নাই। বিজনেই হওক বা ত্ৰিলোচনেই হওক—কোনোবা এটাই বাসন্তীক তেওঁৰ বুকুৰ পৰা কাঢ়ি নিবই। এই নিয়াত বাধা দিব নোৱাৰি। ··বিজন বা ত্ৰিলোচন কোনো এটা ল'বাই বেয়া নহয়। কিন্তু বিজন আৰু বাসন্তীৰ মাজত এখন ওখ প্ৰাচীৰ আছে। সুদূৰ অতীতত বিজয় বৰুৱাই যিখন প্ৰাচীৰ অতিক্ৰম কৰিব নোৱাৰিলে..আজিও যে সেই বিজয়ৰ পুত্ৰ বিজনে সেইখন প্ৰাচীৰ অতিক্ৰম কৰিব পাৰিব—সেই আশা কৰা নাযায়।.. তথাপি বাসন্তীৰ বাবে ত্ৰিলোচন আছে। তাই পাৰিজাতৰ ওচৰত সদায় নাথাকে।

পাৰিজাতে বাগৰ সলাই বাসন্তীৰ ফালে পিঠি দিলে।

বাসন্তী যেতিয়া সঁচাকৈয়ে গুচি যাব,—এই হেন আহল বহল ঘৰটোত পাৰিজাত কি অৱস্থাতেই বা নপৰিব? তেতিয়া তেওঁ কাক মাতিব? কাৰ লগত শুব? কাৰ লগত খাবলৈ বহিব? কাৰ লগত? কাৰ ল-গ-ত??

অধিক ভাবিব নোৱাৰি পাৰিজাতে আকৌ গাৰ বলেৰে চকু দুটা জপাই দিলে।

আকৌ তিনিখন মুখ জপাই থোৱা পাৰিজাতৰ চকুৰ আগত। প্ৰথমে কাঞ্চনৰ মুখখনেই সন্মুখলৈ আহিল। পাৰিজাতে কাঞ্চনৰ কথাকে ভাবিবলৈ ধৰিলে। তেজগোৰা কাঞ্চনৰ চেহেৰাটো বিশেষ বেয়া বুলি ক'ব নোৱাৰি। · কিন্তু কাঞ্চনৰ দৈহিক ৰূপ-লাৱণ্য থাকিল বুলিয়েই তাই পাৰিজাতৰ লগত একে শাৰীতে বহিবলৈ আহিব লাগে কিয়?

তাই পাৰিজাতৰ পৰা পত্নীত্বৰ এফাল কাঢ়ি নিবলৈ আহিব লাগে কিয়? হিতেনেই বা তাইক সেই স্থান দিব লাগে কিয়?

কাঞ্চন আৰু হিতেনৰ মুখ কেইখন একেলগে পাৰিজাতৰ সন্মুখলৈ আহিল। পাৰিজাতে প্ৰথমে হিতেনৰ মুখখনকে সন্মুখত ধৰিলে।— পাৰিজাতে টানি অনা নাছিল, হিতেন দাস নিজেই পাৰিজাতৰ ওচৰলৈ আহিছিল।···প্ৰথমতে মাকজনীয়ে ঠিকেই আছিল। যোৰহাটৰ পৰা আহি

বিজয়ৰ পৰামৰ্শক্ৰমে এই ঘৰ-দুৱাৰ বন্ধালৈকে হিতেন ভাঁজ নথকা সোণৰ দৰে পবিত্ৰ আছিল। কিন্তু বয়স বাঢ়ি যোৱাৰ লগে লগে, বাসন্তী ভাঙৰ হৈ অহাৰ লগে লগে মানুহটোৰ মনটো অপবিত্ৰ হৈ আছিল। মানুহটোৰ মনলৈ মলিনতা আহিল ·

অলপ পৰৰ বাবে বিজয় বৰুৱাৰ মুখখন পাৰিজাতৰ সন্মুখলৈ আহিল। বিজয়ক পাৰিজাতে পাহৰিব পৰা নাছিল সঁচা, কিন্তু বিজয়ৰ প্ৰতি থকা সকলো আশা, প্ৰথম প্ৰেমৰ সকলো লালসা তেওঁ ত্যাগ কৰিছিল। আশা আৰু লালসা ত্যাগ কৰিব পাৰিছিল বাবেই পাৰিজাত পিছৰ ছোৱা সময়ত বিজয়ৰ ওচৰত মুকলি হ'ব পাৰিছিল। বিজয়ৰ লগত হাঁহি মাতি কথা ক'ব পাৰিছিল। বিজয়ৰ আহ্বানত কেতিয়াবা কেতিয়াবা দবা খেলতো বহিব পৰিছিল।· আৰু ইয়াতেই হিতেন দাসৰ সন্দেহ ঘনীভূত হৈছিল। এই সন্দেহৰ কথা জানিও পাৰিজাত নিৰ্বিকাৰ হৈ আছিল। তেতিয়া বিজয়ক পাৰিজাতে সেই তাহানি কলেজত ভবাৰ দৰে বিশেষ মানুহ বুলি ভবা নাছিল। আন যি কোনো দহজন পুৰুষৰে এজন বুলি ভাবিছিল।

বিজয়ক আঁতৰাই থৈ পাৰিজাতে কাঞ্চন আৰু হিতেনৰ সম্পৰ্কৰ কথা ভাবিলে। পাৰিজাতক সন্দেহ কৰি কৰিয়েই বাটৰ নাৰী কাঞ্চনক হিতেনে ওচৰ চপাই আনিছিল বা নিজে উপযাচক হৈ আগবাঢ়ি গৈছিল। হিতেনৰ মন যে বেয়া হৈ গৈছে এই কথা জানিব পাৰিলেও, কাঞ্চনৰ লগত হিতেনৰ সম্পৰ্কৰ কথা জয় জয়তে পাৰিজাতে জানিব পৰা নাছিল। এদিন পাৰিজাতৰ দুঃসাহস হ'ল। আৰু সেইদিনাহে তেওঁ সকলো কথা জানিলে।

হিতেন দাসৰ মৃত্যুৰ তিনিবছৰ মানৰ আগৰ এটা দিন। সেইদিনা দেওবাৰ। ক্লাবলৈ যাওঁ বুলি হিতেন পুৱাতে ওলাই গ'ল। পাৰিজাতে হিতেন ওলাই যোৱাত কোনো গুৰুত্ব নিদি নিজৰ কৰিবলগীয়া ঘৰুৱা কাম কৰি থাকিল। কিয়নো বন্ধৰ দিনত হিতেন প্ৰায়ে এনেদৰে ক্লাবত খেলিবলৈ যায়। আনকি কি কিছুদিনৰ পৰা অফিচৰ পৰা

আছিও খিভাজাহেই ক্লাবত খেলিবলৈ যোৱা আৰম্ভ কৰিছে। হিতেনে পাৰিজাতক কোৱা মতে খেলি থাকোতে থাকোতে কেতিয়াবা খেলৰ টেবুলতে নিশা এক দুই বাজি যায়। নিশা এক দুই বজাত মুখত মদৰ গোন্ধ লৈ হিতেন ঘৰলৈ ঘূৰি অহা কথাটো পাৰিজাতে সমূলি ভাল পোৱা নাছিল। তেওঁ প্ৰতিবাদ কৰিছিল। 'তুমি তিৰোতা মানুহ, খেল কি বস্তু কেনেকৈ বুজি পাবা' বুলি কোৱাৰ বাহিৰে হিতেনে পাৰিজাতৰ প্ৰতিবাদলৈ অলপো কাণ-সাৰ দিয়া নাছিল। উপায়ন্তৰ হৈ পাৰিজাতে হিতেনৰ সেই ব্যৱস্থাকে সহিবলৈ ধৰিছিল।

গতিকে মৃত্যুৰ তিনিবছৰ মানৰ আগৰ সেই বিশেষ দেওবাৰটোত হিতেন পুৱাতে ওলাই যোৱা কথাটোৰ প্ৰতি পাৰিজাতে কোনো গুৰুত্ব দিয়া নাছিল। বন্ধৰ দিনত তেনেকৈ গ'লে সাধাৰণতে বাৰ বজাৰ আগে-পিছে ঘৰলৈ ঘূৰি আহিছিল। সেইদিনা বাৰ বজাৰ আগে-পিছে ঘূৰি অহা হিতেন যেতিয়া দুই বজা পৰ্য্যন্ত ঘূৰি নাহিল' তেতিয়াহে পাৰিজাতে কথাটোত গুৰুত্ব আৰোপ কৰিলে। ইমান সময়ে কিয় ঘূৰি নাহিল বাৰু ?

প্ৰথমতে পাৰিজাতৰ মনলৈ ভয় লগা চিন্তা কিছুমান আহিছিল। কিবা দুৰ্ঘটনা ঘটিল নে কি ? দুৰ্ঘটনাত পতিত হৈ এতিয়া অজ্ঞান অৱস্থাত চিকিৎসালয়ত পৰি আছেগৈ নে'কি ? সেই যে দীঘলীপুখুৰী পাৰত । নাই নাই, তেনে নহয়। তেনে হ'ব নোৱাৰে। তেনে হোৱা হ'লে নিশ্চয় কোনোবাই নহয় কোনোবাই ঘৰলৈ খবৰ দিলেহেঁতেন। তেনেহলে·· তেনেহলে...ক্লাবতে কাৰোবাৰ লগত কাজিয়া-পেচাল কৰি যদি কোনোবা দুষ্ট মানুহে অকলে পাই বৰকৈ মাৰপিট কৰিলে ?.. যদি মূৰে-চুৰে দুখ পাই অজ্ঞান হৈ পৰি আছে ? যদি—যদি—যদি—বস্তুত যদিয়ে চাৰিওকালৰ পৰা আগুৰি ধৰাত পাৰিজাতৰ বুকুখন সহিব নোৱাৰাকৈ বিষাই উঠিল।

দুপৰীয়া খোৱা লোৱা কৰি দুই বজালৈকে বাসৰী শুই আছিল। দুই বজাৰ পিছত বিচনা এৰি চাহ-তাহ খাই আঢ়ৈ বজাত তাই

সংগীত স্কুললৈ গুচি গ'ল। বাসৰী গুচি যোৱাত আইক পায়, আইক পায় বুলি তোকে লগোগে থকা পাৰিজাত ঘৰখনত অকলশৰীয়া হৈ পৰিল।...দুঃচিন্তাৰ সলনি পাৰিজাতৰ মনটো ক্ৰমে ক্ৰমে খং তাপেৰে ভৰি পৰিল। ঘাটলৈ চাই চাই পাৰিজাতৰ চকু বিষালে। তেওঁ ছিতেনৰ প্ৰতি খণ্ডত একো নাই হৈ পৰিল।

ঘড়ীয়ে চাৰি বজাৰ সংকেত দিলে।

সাক্ষাৎ খণ্ডাল গোসাঁনী হৈ পাৰিজাত ছিতেন ঘূৰি অহালৈ কৈ থাকিল।

পাঁচ বজাত বাসৰী সংগীত স্কুলৰ পৰা পালেহি। বাৰান্দাতে বহি থকা মাকক তাই ভয়ে ভয়ে মাত দিলে,—মা আন্ধাৰত বহি আছা যে? লাইট অলোৱা নাই কিয়?

পাৰিজাতে একো নামাতিলে। মাকে নমতা দেখি বাসৰীয়ে আকৌ ভয়ে ভয়ে সুধিলে,—দেউতা অহাই নাইনে কি মা?

পাৰিজাতে এইবাৰো বাসৰীক একো নক'লে। মাকে নমতা দেখি, অৱস্থা বৰ সুবিধাজনক নহয় বুলি বুজি বাসৰীয়ে বাৰন্দাৰ লাইটটো জ্বলাই দি ভিতৰলৈ আহিল। বাৰান্দাৰ লাইট নজ্বলিল—যেন পাৰিজাতৰ মুখত একুৰা জুইহে জ্বলিল। তেওঁ বেগাই গৈ আকৌ লাইটটো নুমাই দিলে। দি আকৌ গুম হৈ বহিল।

বাসৰীয়ে আন দিনাৰ দৰে পঢ়া-শুনা আৰম্ভ কৰিলে। পাৰিজাত গুম হৈ থকাৰ পৰা উঠি গ'ল। কাঞ্চীজনীক মাতি আনি বাসৰীৰ ওচৰত বহি থাকিবলৈ কৈ নিজে কাপোৰ-কানি পিন্ধি ছিতেনক বিচাৰি ওলাল। এই দুঃসাহসী অভিযানৰ বাবে যেতিয়া তেওঁ বাৰান্দাৰ পৰা নামে তেতিয়া ঘড়ীত ছয় বজাৰ সংকেত পৰিছিল।

পদূলি পাৰ হৈয়ে পাৰিজাত বিভ্ৰান্ত উঠিল। উপকণ্ঠ অঞ্চলটো অতিক্ৰম কৰি নগৰৰ মাজ মজিয়াত থকা বিখ্যাত ক্লাবটোলৈ গ'ল। ক্লাব তেতিয়া সভ্যসকলৰ উপস্থিতিত গম্‌গমীয়া হৈ পৰিছিল। কোনোৱা কোনোৱা ব্ৰীজ খেলত বহিছিল। কোনোবাই কোনোবাই

মদ খোৱা আৰম্ভ কৰিছিল। কোনোবা মিচেচ চৌধুৰী কোনোবা মিঃ হাজৰিকাৰ বাহু বন্ধনত আবদ্ধ হৈছিল। কোনোবা এজনী এবিজনাৰ গালত কোনোবা এজন মিঃ বোজে ওঁঠেৰে স্পৰ্শ কৰিছিল।

বাৰান্দাৰ পৰা ভুমুকিয়াই চাওঁতে ভিতৰত এইবোৰ কাণ্ড দেখি পাৰিজাতৰ মন ঘৃণাৰে ভৰি পৰিল। বাসৱীৰ দেউতাকো যদি ইয়াতে আছেহি? খণ্ডতে কেটি সাপৰ দৰে পাৰিজাতে ফেঁাচ ফেঁাচাই উঠিল। এনেতে পাৰিজাতক উদেশ্য কৰি ভিতৰৰ পৰা ছুটামান পুৰুষ কণ্ঠই চিঞৰি উঠা শুনিবলৈ পোৱা গ'ল: আ-ৰে মিচেচ্ দা···চ্···আহক না আহক না। আপুনি থাকিলে কিম্মান যে জমিব। আ—হক।: হেল্ ঐ ফাৰিজাৎ দাচ্চ কাম কাম। . কাম হিয়েৰ। কাম হিয়ে · ৰ...ৰ..

ভিতৰৰ এই চিঞৰ-বাখৰবোৰলৈ কাণ নিদি পাৰিজাতে মুখত জমা হোৱা থু খিনি পেলাই ল'লে। ভাগ্যে গেটৰ ওচৰত বৈ থকা চকীদাৰটো পাৰিজাতৰ চিনাকি আছিল। পাৰিজাতে তাকে হিতেন দাসৰ কথা সুধিলে। উত্তৰত সি দাস পুৰা ৮ মান বজাত আহি ১২-৩০ মান বজাত ক্লাবৰ পৰা গুচি যোৱা বুলি জনালে। আৰু জনালে যে পুৰা বেলা ক্লাবত পাৰ্টি আছিল। চাহাবে অলপ বেছিকৈয়ে খাই গৈছে।

তেতিয়াও ভিতৰৰ পৰা ছুটামানে পাৰিজাতক কাম...কাম কৰি আছিল। পাৰিজাতে সেইবোৰলৈ কাণ নকৰি আঁতৰি আহি ৰিক্সাত বহিলহি। বহিয়েই তাক আন এটা ক্লাবলৈ ৰিক্সা চলাবৰ বাবে নিৰ্দেশ দিলে।

যথা স্থানত ৰিক্সাখন ৰ'লহি। পাৰিজাত নামি গৈ খবৰ কৰি আহিল। নাই, হিতেন দাস আজি ছমাহমান এই ক্লাবলৈ অহাই নাই। খণ্ডে ৰিখে পাৰিজাত ঘূৰিল। আৰু ছুঠাই মানত খবৰ কৰি হিতেন দাসৰ কোনো খা-খবৰ নাপালে। পাৰিজাতৰ ভাগৰ ভাগৰ লাগিল। নিশা আঠ বজাত থানা চাৰিআলিৰ ওচৰত পাৰিজাতে ৰিক্সাখন ৰখাই দিলে। দি ভাবিলে, মানুহটো হেৰাল বুলি থানাতে খবৰ এটা দি থৈ যাবনে কি? যদি নেহেৰোৱাকৈয়ে মানুহটো হেৰাল বুলি থোজাল

বৌজালখন লাগি যায়? যদি মদ খাই পৰি থকাৰ পৰা দাস ভাওৰীয়াক উদ্ধাৰ কৰিব লগা হয়? তেনেহ'লে দেখোন নাক কাণ জয় জয়তে পাৰিজাতৰহে কটা যাব।

পাৰিজাতে ৰিক্সাৱালাক আগবাঢ়িবলৈ নিৰ্দেশ দিলে।

ৰিক্সাখন কেইফুটমানহে আগবাঢ়িছিল, এনেতে তৃজন কনিষ্টবলে বোকাৰে লুতুৰি পুতুৰি হোৱা মানুহ এটা থানাৰ ফালে টানি-আজুৰি অনা পাৰিজাতৰ চকুত পৰিল। মানুহটোৱেযে বৰকৈ মদ খাইছে পাৰিজাতে দূৰত দেখিয়েই সেই কথা বুজিলে আৰু সেই মানুহটো যে হিতেন নহয় সেই কথা বুজিবলৈও পাৰিজাতৰ বেছি পৰ নালাগিল।

যদি বাসৰৰ দেউতাকো অতিৰিক্ত নিচাৰ বাবে ক'ৰবাত এনেদৰে পৰি আছে? যদি তেওঁ কোনেও নেদেখা ঠাইত পৰি আছে? যদি তেওঁ তাতে পৰি থাকি থাকি এতিয়া মানে ঠেৰেঙা লাগিছে?—পাৰিজাতে ৰিক্সাৱালাটোক ৰিক্সাখন আকৌ ৰখাবলৈ ক'লে। পাৰিজাত ৰিক্সাৰ পৰা নামিল। থানাৰ ফালে খোজ আগবঢ়াবলৈ লৈ তেওঁ আকৌ ৰৈ গ'ল। কিজানি মিছা মিছি হুলস্থুল লাগি যায়? কিজানি হিতেই বিপৰীত হৈ যায়? ..

পাৰিজাত আকৌ ৰিক্সাত উঠিল। ৰিক্সাৱালাক ঘৰৰ ফালে চলোৱাৰ নিৰ্দেশ দিলে। আধামান যোৱাৰ পিছত হঠাৎ পাৰিজাতৰ মনত পৰিল যদি বাহিৰে বাহিৰে বিজনৰ দেউতাকৰ লগত দবা খেলত বহিলগৈ? হয় হয়, তাতেই আছে চাগৈ। আজি গৈ পালেই হয়... বেচ্ এমজা দিয়া যাব।

পাৰিজাতৰ ৰিক্সা বিজয় বৰুৱাৰ ঘৰৰ ফালে ঘূৰিল। তিনিআলি পাওঁ পাওঁ হওঁতেই আন এখন ৰিক্সাই অগা-দেৱা কৰাত পাৰিজাতৰ ৰিক্সাখন ৰৈ যাব লগা হ'ল। এনেতে কোনোবা ফালৰ পৰা সেইখিনিত জয়াৰাম উপস্থিত। তাক দেখাৰ লগে লগে পাৰিজাতে মাত লগালে, —হেৰা বাপুটি, চাওঁ।

জয়াৰাম ওচৰ চাপি আহিল,—চাওক আই।

—আমাৰ এখেত তোমালোকৰ তাত আছেহিনে কি হে ?

—নাই, আজি ছুদিন দেউতাৰ লগত আমাৰ দেউতাৰ দেখা দেখি হোৱা নাই। ক'লৈ গ'ল ঘৰত কৈ যোৱা নাইনে কি ?

পাৰিজাতে অলপ চিন্তা কৰা যেন লাগিল। তেওঁ লাহেকৈ দয়াৰামক ক'লে,—নাই যোৱা। সেই বাবেইতো বিচাৰি ফুৰিছো।

—মাই জী, চাহেবৰ চমাচাৰ দয়াৰাম ভাই কি ৰকম জানিব ? চাহেবৰ চমাচাৰ মুক পুচক। মুই আপোনাক চব বাতাই দিব পাৰিম। হাঁ।

পাৰিজাতে মানুহটোলৈ চালে। ৰচিদ মিঞা। কথাবাৰ কৈ গোফ কোচা জোকাৰি মানুহটোৱে মিচ্ মিচ কৰে হাঁহি আছে। ৰচিদ মিঞাক দেখিয়েই পাৰিজাতৰ খং আৰু ভয় ছুয়োটা চাপি আহিল। ৰচিদ মানুহটো সুবিধাজনক নহয় বুলি এই গোটেই অঞ্চলটোতে জনাজাত। চুৰি ডকাইতি আৰু মাৰ-পিটেই তাৰ দৈনিক কৰ্ম-তালিকা সম্পূৰ্ণ হৈ থাকে। গতিকে তেনেটো মানুহক দেখি পাৰিজাতৰ ভয় লগাটোৱেই স্বাভাৱিক।

ভয়ত শুকাই অহা ওঁঠ ছুটা তিয়াই পাৰিজাতে ৰচিদক সুধিলে, —তুমি চাহাবক দেখিছিলানে কি ? দেখিছিলা যদি ক'ত আছে কোৱাচোন।

ৰচিদে মোচত তাও ছুটামান দি ক'লে,—ক'ত আছে জাগাটাৰ কথা বতালেই আপুনি নাই বুজিব। আপুনি মুৰ লগত চলক—মুই দাখাই দিম।

ৰচিদৰ লগত যাব ? পাৰিজাতৰ দৰে ভদ্ৰমহিলা এগৰাকী এই নিশাখন ৰচিদৰ দৰে গুণ্ডা এটাৰ লগত যাব ? নাই নাই, হবই নোৱাৰে। এইবোৰ মানুহৰ বিশ্বাস নাই। পাৰিজাতে দয়াৰামক মাতিলে,—হেৰা বাপুটি, ই বিজন ঘৰত···উন্না, মানুহটো আকৌ কেনি গ'ল ?—হেৰা বাপুটি···

পাৰিজাতে দয়াৰামক ওচৰত নেদেখি, ইফালে সিফালে চালে। দেখি ৰচিদে চেক্ চেক্ কৰে হাঁহিব লৈ ক'লে,—মোক দয়াৰাম ভায়াই বৰ দৰ কৰে। মুই আপোনাৰ ওচৰত অহা দেখিয়েই ভায়া পলাই পত্ৰং দিলে। হেঃ হেঃ হেঃ...

দয়াৰাম তেনেকৈ আঁতৰি যোৱাত পাৰিজাতে বৰ অসহায় অনুভৱ কৰিলে। তেওঁ ৰচিদৰ চকুলৈ চালে।..এই বিশ্বাস কৰিব নোৱাৰা, সঁজাত নোহোৱা মানুহটোৰ লগত যাবনে নাযায়? যদি ই মিছা কথা কৈছে? এনেকৈ মিছা কথা কোৱাৰ যদি ইয়াৰ কিবা কু অভিপ্ৰায় আছে? এজনক বিচাৰি গৈ আনজন যদি কচাইখানাৰ বলি হবগৈ লগা হয়? আৰু মানুহটোৱে যিটো চঙত কথা কৈছে, হিতেন দাস নিশ্চয় ভাল ঠাইত থকা নাই। ই তেওঁক কিবা কাৰণে আটক কৰি থৈছেনে কি বাৰু? যদি তেওঁক আটক কৰি থৈছে তেনেহলে যি কোনো প্ৰকাৰে পাৰিজাতে তেওঁক ৰক্ষা কৰিবই লাগিব,—উদ্ধাৰ কৰিবই লাগিব। গতিকে পাৰিজাতৰ মন ৰচিদৰ লগত যাবৰ বাবে প্ৰস্তুত হৈ পৰিল। তেওঁ ৰচিদক অলপ তীক্ষ্ণ স্বৰেৰে ক'লে,—চাহাব ক'ত আছে তুমি সঁচাকৈয়ে জানানে ৰচিদ?

ৰচিদে দাঁত কেইছটা বৰ্ঝলিয়াই ক'লে,—নাই জানিলে আপোনাক ঝুথ ক'বলৈ আহিমনে? বিচাচ্ কৰক মাইজী, চাহেব ডেৰটা বজা টাইমৰ পৰা তাত বহি আছে। আন দিনা ৰাতি যায়, আজি দিনতেই গৈছে।

পাৰিজাতৰ স্বৰ আগতকৈও চোকা হৈ বাজি উঠিল,—আনদিনা ৰাতি যায়—আজি দিনতেই গৈছে। ক'লৈ গৈছে? তুমি সঁচা কথা কোৱা ৰচিদ, চাহাব ক'লৈ গৈছে—ক'ত আছে।

ৰচিদে কণ্ঠত প্ৰচণ্ড শ্লেষ মিহলি কৰি ক'লে,—দাচ চাহাব কাঞ্চন বহীনৰ ঘৰত আছে মাইজী। মদ খাইছে আৰু বহীনৰ লগত..

পাৰিজাতৰ মুখটো আচন্ধ্ৰাই কৰি প'ল। ৰচিদ তেওঁ চকুৰ আগত দ্ৰুতগতিত চক্ৰাকাৰে ঘূৰিবলৈ ধৰিলে। কোনোমতে নিজক চম্ভালি

লৈ পাবিজাতে চিঞৰি মোখাদি সুধিলে,—কাঞ্চনৰ ঘৰত ? কাঞ্চনৰ লগত ? ৰ-চি-দ—

পাবিজাতৰ চকুলৈ চাই একেই শ্লেষ মিহলি স্বৰত ৰচিদে ক'লে,—হয় মাইজী। চাহেৰ বেয়া লাইনত গুচি গৈছে। কাঞ্চন যে বেয়া মানুহ চবেই জানে। তাত যোৱা বাবে চাহেবক আমিও বেয়া পাইছোঁ। ভাল মানুহ একজন এই ৰকম বেয়া হৈ যাব...মুৰ কথা বিচাচ্ নাই ক'বলে ব'লক মাইজী মুই কাঞ্চনৰ ঘৰটো দাখাই দিম।

পাবিজাতে নিজৰ কাণত সোপা দি ধৰিলে।—নাযায়, পাবিজাত কাঞ্চনৰ ঘৰলৈ নাযায়। পাবিজাত হিতেনৰ দৰে ইমান তললৈ নানামে। পাবিজাতে ৰচিদৰ পৰা এইবোৰ কথা মুশুন, মুশুনে ॥

বিক্সা ঘূৰাই পাবিজাত ঘৰ পালেহি। মাক অহা গম পাই বাসন্তী পঢ়া টেবুলৰ পৰা উঠি আহিল। মাকক ক'লে,—তুমি ইমান পলম কৰিলানে ? মোৰ ইমান ভয় লাগিছে।

পাবিজাতে বাসন্তীক ওঁ আঁ একো নক'লে। কথা কোৱাৰ শক্তি যেন তেওঁৰ নোহোৱা হৈ পৰিছে।·· পাবিজাতৰ বুকুত জুই জ্বলছে।... পাবিজাতৰ গোটেই গাতে জুই জ্বলিছে .পাবিজাতৰ গাৰ চাবিওফালৰ বতাহত জুই জ্বলিছে। এই জুয়েই যেন পাবিজাতৰ কথা কোৱাৰ শক্তি পুৰি পুৰি নোহোৱা কৰি আনিছে। পাবিজাত যেন বোবা হৈ পৰিব

—দেউতাক নাপালনে কি মা ?

পাবিজাতৰ বুকুখন যেন চুক্ কৰি গ'ল। ভয় ভয় দৃষ্টিৰে তেওঁ বাসন্তীলৈ চালে।—এই ছোৱালীজনীক এতিয়া কি বুলি কোৱা যাব ? এই ছোৱালীজনীক এতিয়া কি বুলি এটা বিশ্বাসযোগ্য উত্তৰ দিয়া যাব ? দেউতাকে একনী উপপত্নী লৈছে বুলি জানিলে এই তেৰ বছৰীয়া ছোৱালীজনীৰ বুকুটো জুই একুৰা নজ্বলিবনে ? নাই নাই, পাবিজাতে এই সৰু ছোৱালীজনীক আঘাত দিব নোৱাৰে...তাইৰ বুকুত জুই জ্বলাব

নোৱাৰে।...যি আঘাত পাব লাগে পাৰিজাতে নিজেই পাওক, যি জুই জ্বলিব লাগে পাৰিজাতৰ বুকুতে জ্বলক।

পাৰিজাতে জীয়েকক একো নক'লে। মাকে একো নোকোৱা দেখি বাসন্তীও মনে মনে থাকিল। ক'ৰবাত যে কিবা এটা হৈছে, দেউতাকক লগ নাপালেও মাকে যে দেউতাকৰ কিবা এটা খবৰ পাইছে সেইকথা মাকৰ ভাব-ভঙ্গী দেখিয়েই বাসন্তীয়ে বুজি পালে। তাইৰ চকু দুটা সেমেকি আহিল। সেমেকা চকুৰে তাই মাকৰ ওচৰৰ পৰা আঁতৰি গৈ পঢ়া টেবুলত বহিলগৈ।

বাসন্তীৰ চকু দুটা তেনেকৈ সেমেকি অহা দেখি পাৰিজাত আৰু স্থিৰ হৈ থাকিব নোৱাৰিলে। তেওঁ লৰৰি যোৱাদি নিজৰ কোঠালৈ গৈ বহল-ডাঙৰ বিচনাখনত পৰি দাৰুণ আঘাতত হুক্ হুক্ কৰে কান্দি দিলে।

...ৱাল ক্লকটোৱে নিশা এঘাৰ বজাৰ সংকেত দিয়াৰ লগে লগে বাহিৰৰ বাৰান্দাত হিতেনৰ মাত শুনিবলৈ পোৱা গ'ল।

কান্দি কান্দি বাসন্তীহে তেতিয়া শুই পৰিছিল, পাৰিজাত সাৰ পায়ে আছিল। পাৰিজাতে হিতেনৰ মাতটো শুনিছিল যদিও নুশুনাৰ দৰে নিঃসাৰ হৈ পৰি থাকিল।

কেইবাৰমান 'পাৰি পাৰি' বুলি মাতি মাত নাপাই হিতেন দাসে এইবাৰ ইতৰ প্ৰাণীৰ দৰে চিঞৰিবলৈ ধৰিলে। পৰিস্থিতিয়ে বেলেগ ফালে গতি কৰিব ধৰাত পাৰিজাত উঠি গৈ দুৱাৰ মেলি দিলেগৈ। খৰক বৰক খোজেৰে হিতেন ভিতৰলৈ আহিল। হিতেন ভিতৰলৈ অহাৰ লগে লগে ওকালি আহিব লগা গোন্ধটো পাৰিজাতৰ নাকত লাগিল। পাৰিজাত খঙত কঁপিবলৈ ধৰিলে।

ৰঙা, অথচ আধা মেলা আধা জপোৱা চকু দুটাৰে পাৰিজাতক এবাৰ ভাল দৰে চাই লোৱাৰ পিছত হিতেন দাসৰ কৰ্কশ মাতটো বাজি উঠিল,—ঘৰৰ মানুহ আহিবলৈ থাকিলে দুৱাৰ খোলা ৰাখিব লাগে, বহুত মাত মতাৰ লগে লগেই দুৱাৰ খুলি দিয়্গৈ লাগে।

একেই কৰ্কশভাবে পাৰিজাতে উত্তৰ দিলে,—কোন কেতিয়া ঘৰলৈ আহে, কোনে কাক কেতিয়া ঘৰলৈ আহিবলৈ এৰি দিয়ে আগভায়াকৈ জানিবলৈ মই সৰবজান নহওঁ।

হিতেন দাসে প্ৰথমতে হাঁহিলে। পিছত মদপীৰ মাতেৰে ক'লে—হোঁহ্...বৰ দেমাকা দেখুৱাইছা। ঠিক আছে, দেখুৱাই থাকা। তোমাৰ দেমাকীলৈ কোনে পৰোৱাই কৰিব। হোঁহ...

কৈ কৈ হিতেন দাস নিজৰ কোঠালৈ আহিল। পাৰিজাতে পিছে পিছে গৈ ক'লে,—পৰোৱাই নকৰিব মানে? আপোনাৰ ঘৰ এখন নাই? আপোনাৰ ছোৱালী এজনী নাই?

—আছে আছে, নাই বুলিনো কোনে ক'লে।

—তেনেহ'লে সেইবোৰলৈ আপোনাৰ মনত পৰিব নালাগে? মই মানুহজনী গোটেই দিনটো কি অৱস্থাত আছোঁ সেই কথা আপোনাৰ মনত পৰিব নালাগে?

—তোমালৈ মোৰ মনত পৰিব লাগে? হোঃ হোঃ হোঃ হাঃ হাঃ... হুঁহুৱালা। মই মনত নেপেলালেও তোমাক মনত পেলোৱা মানুহৰ অভাৱ হোৱা নাই। হোঁহ্

—মোক মনত পেলোৱা মানুহ? আপুনি কি ক'বলৈ গৈছে?

—চাফ কথাকে ক'বলৈ গৈছোঁ। মই মনত নেপেলালেও বিজয়ে—

—অৰ্থাৎ?

—মোক প্ৰশ্ন কৰাতকৈ সুধাই তুমি নিজকে প্ৰশ্ন কৰি চোৱা।

পাৰিজাতে হিতাহিত জ্ঞান হেৰুৱাই প্ৰচণ্ডভাৱে চিঞৰিবলৈ ধৰিলে,—এইবোৰ আপোনাৰ মনে সজা কথা। মোক মনত পেলাবলৈ মই বিজয় বৰুৱাৰ কোনো নহওঁ। আপুনি নিজে যেনেকৈ চৰিত্ৰহীন আনকো তেনেকৈ চৰিত্ৰহীন বুলি নাভাবিব।

হিতেন দাসে জোৰেৰে পাৰিজাতৰ ফালে ঘূৰি চালে। আধা মেলা আধা জপোৱা চকু দুটা সম্পূৰ্ণ মেলি খাই জুইৰ দৰে বঙা হৈ পৰিল। পাৰিজাতৰ হাত এখন খাপ মাৰি ধৰি বাঘৰ দৰে গুজৰি উঠিল,—এই,

তই মোক চৰিত্ৰহীন বুলি কৈছ?

—কৈছোঁ। এবাৰ কোৱাই নহয় হাজাৰ বাৰ ক'ম। ঘৰত এজন পুৰুষ থাকোতে মই উপপুৰুষৰ ওচৰলৈ যোৱা নাই। কিন্তু ঘৰত এজনী পত্নী থাকোতে আপুনি উপপত্নীৰ ওচৰলৈ গৈছে। ঘৰত মই থাকোতে মোক এৰি আপুনি কাকনৰ ওচৰলৈ গৈছে। এতিয়া আপুনি চৰিত্ৰহীন নহৈ মই চৰিত্ৰহীন হ'মনে?

—কোনে কৈছে মই কাকনৰ ওচৰলৈ যোৱা বুলি? মিছা কথা—

—সঁচা। সঁচা। সঁচা।

হিতেন দাসে ঠাঁচ কৰে পাৰিজাতৰ গালত চৰ মাৰি দিলে।

বাসৰীৰ ফালে বাগৰ সলাই পাৰিজাতে নিজৰ গাল খন এবাৰ চুই চালে। হিতেনে প্ৰায় ছুবছৰৰ আগতে মৰা সেই চৰটোৰ আঙুলিৰ দাগকেইটা পাৰিজাতে আজিও নিজৰ গালত বিচাৰি পোৱা যেন পালে। তেওঁৰ জাপ খাই থকা চকু ছুটা আকৌ মেল খাই আহিল।

বাসৰীৰ ফালে বাগৰ সলোৱাত পাৰিজাতৰ চকু তাইৰ চুলিকোছা আৰু পিঠিৰ এক অংশত পৰিল। মৰমতে পাৰিজাতে বাসৰীৰ মঙহাল পিঠিটোৰ ওপৰে ওপৰে হাতখন পিছলাই আনিলে ...এবা, এই ছোৱালীজনী আঁতৰি গ'লে অকলে অকলে পাৰিজাতৰ কি অৱস্থাই যে ন'হব—ভাবিবই নোৱাৰি। বিজন বা ত্ৰিলোচনে এইজনীক লৈ যোৱাৰ পিছত পাৰিজাত কিজানি পাগল হৈ যাব লাগিব। পাৰিজাতে কিজানি আত্মহত্যা কৰিব লাগিব।

·· বিজন বা ত্ৰিলোচনে বাসৰীক লৈ যোৱাৰ পিছত আশ্ৰয় বিচাৰি পাৰিজাতো বাসৰীৰ লগে লগে যাবনে কি বাৰু? যদি বিজনৰ লগত বাসৰীৰ বিয়া হয়...বাসৰীৰ লগে লগে গৈ পাৰিজাতে বিজনৰ ঘৰত মানে বিজয়ৰ ঘৰত···বিজয়ৰ আশ্ৰয়ত...বি-জ-য়—

পাৰিজাতে আকৌ চকু ছুটা জপাই দিলে। এইবাৰ কাকন আৰু

বিজয় বৰুৱাৰ মুখখন একেলগে পাৰিজাতৰ মানস চকুৰ আগত জঁাহি উঠিল। ...কাঞ্চন আৰু বিজয় বৰুৱাৰ মুখখন একেলগে কিয়? তাৰ মানে হিতেন আৰু কাঞ্চনৰ মাজত যি সম্পৰ্ক, বিজয় আৰু কাঞ্চনৰ মাজতো সেইএকেই সম্পৰ্ক! এই সম্পৰ্কৰ কথা জয়শ্ৰীয়ে জানিছিলনে কি বাৰু? জানিছিল যদি, পাৰিজাতে হিতেনৰ ওচৰত প্ৰতিবাদ কৰাৰ দৰে জয়শ্ৰীয়েও বিজয়ৰ ওচৰত প্ৰতিবাদ কৰা নাছিল নে? বোধকৰোঁ মৃত্যুক সাৰটি জয়শ্ৰীয়ে তাৰেই প্ৰতিবাদ কৰি গ'ল। .বিজয় আৰু কাঞ্চনৰ মাজত পাৰিজাতে ভবাৰ দৰে তেনে কোনো সম্পৰ্ক নাছিলনে কি বাৰু কিন্তু কিয় নাথাকিব? বিজয় আৰু কাঞ্চনৰ মাজত পূৰ্বে তেনে সম্পৰ্ক নাথাকিলে নিশ্চয় তেওঁ কাঞ্চনক হত্যা কৰাৰ দৰে ভয় লগা কাম এটা কৰিবলৈ আগ নাবাঢে। দুয়োৰে মাজত কিবা এটা তিক্ততা নাথাকিলে বিজয়ে কেতিয়াও তেনে এটা কাম কৰিবলৈ আগবাঢ়িব নোৱাৰে .

এৰা! বিজয় বৰুৱা সঁচাকৈয়ে বৰ বিচিত্ৰ মানুহ। বিজয় বৰুৱাই অকল পাৰিজাতকে প্ৰতাৰণা কৰি এৰা নাই, বিজয়ে জয়শ্ৰীকো ঠগিলে,—জয়শ্ৰীকো প্ৰতাৰণা কৰিলে। বিজয় বৰুৱা এজন প্ৰতাৰক।

ভাবোতে ভাবোতে পাৰিজাতৰ দুচকুৰ পতালৈ টোপনিৰ আবেশ নামি আহিল। পাৰিজাতৰ মনটোৱে কিছু সময়ৰ বাবে জিৰণি ল'লে।

আনদিনাৰ অভ্যাস অনুসৰি পুৱতি নিশা পাৰিজাতৰ টোপনি পাতলি আহিল। চিল্ মিল্ টোপনিত তেওঁ এটা সপোন দেখিলে—

: ত্ৰিলোচনৰ লগত বাসৱীৰ ল'ৰালিৰ পৰাই চিনা পৰিচয় আছিল। অকলশৰীয়া ছোৱালী বাসৱীয়ে প্ৰায়ে ত্ৰিলোচনহঁতৰ ঘৰত ত্ৰিলোচন আৰু ভনীয়েকৰ লগত খেলিবলৈ গৈছিল। সিহঁতে দৰা-কন্যা খেলিলে ত্ৰিলোচন সদায়ে দৰা হৈছিল আৰু বাসৱী সদায়ে ছোৱালী হৈছিল। দৰা-ছোৱালী সজোৱা পৰোৱা আৰু দৰা-ছোৱালীৰ বিয়া পাতি দিয়াৰ সমস্ত দায়িত্ব ত্ৰিলোচনৰ ভনীয়েক অজন্তাই বহন কৰিছিল।

দিন আগবাঢ়িল। ত্ৰিলোচন, বাসৱী আৰু অজন্তাই স্কুলত নাম

লগালে। বয়সে বাসৰী আৰু অজন্তা সমান আছিল যদিও বাসৰী সকলো ক্ষেত্ৰতে বয়সতকৈ আগবঢ়া আছিল। গতিকে স্কুলত কেইবা শ্ৰেণীৰ তলত থাকিলেও বাসৰীয়ে প্ৰায়বোৰ কথাতে ত্ৰিলোচনৰ লগত ফেৰ মাৰিব পাৰিছিল বা মাৰিছিল। সেয়ে ল'ৰালিৰ চিনাকিয়ে এদিন বন্ধুত্বৰ ৰূপ লৈছিল।

বয়স কৈশোৰলৈ আহিল। ত্ৰিলোচন, বাসৰী, অজন্তা বা সিহঁতৰ সমবয়সীয়াবোৰে সিহঁতৰ চাৰিওফালৰ জগতখনক ক্ৰমে ক্ৰমে বুজি অহাৰ লগে লগে নিজৰ দৈহিক বিকাশৰ কথাও বুজি পাই আহিবলৈ ধৰিলে। ত্ৰিলোচনে চাই থাকিলে বাসৰী লাজত ৰঙা পৰি উঠা বয়স হ'ল। অজন্তাই 'ঐ তোক দাদাই চাইছে চা' বুলি কৈ কোনেও নেদেখাকৈ বাসৰীক চিকুত মাৰি দিয়াৰ বয়স হ'ল। 'চাইছে যদি চাই থক যাহ্' বুলি বাসৰীয়ে অজন্তাক বাহিৰত দেখুৱাই গেঙেৰি মৰাৰ বয়সত ভৰি দিলেহি

কৈশোৰে যৌৱনলৈ বেঙা মেলিলে। ত্ৰিলোচনে স্কুল এৰি কলেজ পালেগৈ। কৈশোৰত গাঢ় হৈ পৰা ত্ৰিলোচন আৰু বাসৰীৰ বন্ধুত্বই সিহঁতে গম নোপোৱাকৈয়ে এক গভীৰ প্ৰণয়ত পৰিণত হ'ল। অজন্তাই বাসৰীৰ কাণত নবৌ শব্দটো পেলাবলৈ আৰম্ভ কৰিলে। শব্দটো কাণত পৰিলেই বাসৰীৰ গাত কিবা এক অচিন অনুভূতিয়ে পিৰ পিৰাই যোৱা হ'ল। সেই অনুভূতিৰ তাড়নাতে বাসৰীয়ে এদিন ত্ৰিলোচনৰ বহীৰ মাজত কাগজ এখন ভৰাবলৈ সাহস পালে। কাগজখন ত্ৰিলোচনৰ হাতত পৰিল—'তোমাক দেখিলে আজিকালি মোৰ বৰ লাজ লাগে জানা! অজন্তাই নবৌ বুলি জোকাবলৈ লৈছে। ভাবিছোঁ—মই জানো অজন্তাৰ নবৌৱেক হ'ব পাৰিম ?'

ত্ৰিলোচনৰ ফালৰ পৰা উত্তৰ আহিল,—'পাৰিবাতোন! তুমি অজন্তাৰ নবৌৱেক হৈ আহিলেযে মোৰ কিমান ভাল লাগিব! ময়ো দিনে নিশাই সেইবোৰ কথাকে ভাবি থাকিব লাগিছোঁ জানানে ?'

বাসৰীৰ অসাৱধানতাৰ বাবে ত্ৰিলোচনৰ উত্তৰটো গৈ হিতেন দাসৰ

হাতত পৰিল। হিতেনে পাৰিজাতক দেখুৱালে,—তোমাৰ ছোৱালীৰ কীৰ্তি-কাহিনী। বৰ ভাল বৰ ভাল বুলি শলাগি থকা নহয়। পাৰিজাতে হাতৰ মুঠিত ত্ৰিলোচনৰ উত্তৰ লৈ ত্ৰিলোচনৰ মাকৰ ওচৰত হাজিৰ। চাওকচোন ৰৱানী আপোনাৰ ল'ৰাৰ কাণ্ড। ৰৱানীয়ে এতিয়া কি ক'ব? একো নকৈ ভিতৰৰ পৰা বাসন্তীয়ে ত্ৰিলোচনলৈ দিয়া কাগজখন আনি পাৰিজাতৰ ফালে আগবঢ়াই দি ক'লে, চাওকচোন চাওক—আপোনাৰ ছোৱালীৰ কাণ্ড চাওক। চিঠি পঢ়ি পাৰিজাত হাঁহি হাঁহি ৰৱানীৰ গাত্তে লুটিখাই পৰিবৰ উপক্ৰম।—হ'ব হ'ব দিয়ক। দিম আপোনাৰ ল'ৰালৈকে। আনিব। ৰৱানীয়ে বোলে—দিব। কিনো অলায়ক ছোৱালীজনী। মোৰ ঘৰতে ডাঙৰ হোৱা তাই।

ত্ৰিলোচন ডাক্তৰী পঢ়িবলৈ গৈ ডাক্তৰ হৈ ঘূৰি আহিল। বাসন্তীয়েও পঢ়া সামৰিলে। দিনক দিনে সিহঁতৰ ভাল পোৱা গভীৰ হৈ আহিল।

—হিতেনৰ মৃত্যুৰ পিছত বাসন্তীক লৈ পাৰিজাত চিন্তিত হৈ পৰিল। কেঁচা গাভৰু এজনী,—যিহে দিন কাল পৰিছে, তেওঁ এতিয়া কেনেকৈ নিশ্চিন্ত হয়? উপায়হীন হৈ পাৰিজাত এদিন ৰৱানীৰ কাষ চাপিল, ছোৱালীজনী কিবা এটা কৰক। আৰু কিমান দিন ৰ'ব?

ৰৱানীয়ে আসৈ মাতিলে,—কৰোঁ বুলিলেই কিবাটো কৰিব পাৰিনে? ল'ৰাৰ মতামত ল'ব লাগিব। টকা-পইচাৰ কথা ভাবিব লাগিব।

টকা-পইচাৰ চিন্তা বাদ দি জয় জয়তে ল'ৰাৰ মতামত লোৱা হ'ল। ল'ৰাই জনালে,—নহ'ব। এতিয়াই বিয়া-বাৰু নহ'ব। আৰু সি বাসন্তীক বিয়া কৰাব বুলি ক'তো লিখি দিয়া নাই। প্ৰতিক্ৰে তাৰ মন নগ'লে সি বাসন্তীক বিয়া নকৰাবও পাৰে।

ত্ৰিলোচনৰ উত্তৰত পাৰিজাত বৰকৈ চিন্তিত হৈ পৰিল। বাসন্তীয়ে যে ভাত-পানীকে এৰি দিলে। তাই ত্ৰিলোচনৰ পৰা এনে এৰাৰ কথা

শুনিব বুলি কোনো দিনে শুবা নাছিল। গতিকে ভাত-পানী এৰিবৰ কথাই।

পাৰিজাতে চাৰিওফালে আন্ধাৰ দেখি থাকোঁতেই আন্ধাৰৰ মাজেদি এছাটি পোহৰ আগবাঢ়ি আহিল। মুখত এমোকোবা হাঁহি লৈ বিজয় বৰুৱা পাৰিজাতৰ ওচৰত উপস্থিত,—তুমি ইমান চিন্তা কৰিছা কিয় ? তোমাৰ আৰু বাসৰীৰ সকলো দায়িত্ব মই লৈছোঁ। বাসৰীক মোৰ ঘৰলৈ বোৱাৰী কৰি নিম। কেলেহুৱা ত্ৰিলোচনে নিনিয়ে—নালাগে নিব। মোৰ বিজন আছে—চিন্তা কিহৰ ?

বিজনৰ লগত বাসৰীৰ বিয়াৰ আয়োজন হ'ল। বাসৰীয়ে প্ৰথমে নাই নহ'ব কৰিছিল। পিছত অৱশ্যে তাই মনে মনে থাকিল। পাৰিজাত আৰু বিজয়ে এই মৌনতাৰ সুযোগ ল'লে।

বিয়াৰ দিনা পাৰিজাতৰ চোতাল জনপূৰ্ণ হৈ পৰিছে। বাসৰী যে গুচি যাব · বাসৰীক যে বিজনে লৈ যাব ভাবি ভাবি পাৰিজাতৰ মন ক্ৰমে গধুঁৰ হৈ পৰিল। তেওঁ স্বৰ্গীয় স্বামী হিতেন দাসৰ ছবিখনৰ ওচৰলৈ গৈ হুক হুকাই কান্দি দিলেগৈ।

কিমান সময় কান্দি আছে নাজানে, হঠাৎপিছফালৰ পৰা কোনোবাই স্পৰ্শ কৰাত পাৰিজাতে ঘূৰি চাই দেখে বিজয় বৰুৱা। বৰুৱাই জেপৰ ৰুমালখনেৰে পাৰিজাতৰ চকুপানীবোৰ ম'চি দি ক'লে,—ছিঃ পাৰিজাত, নাপায় নহয়, শুভকাৰ্য্যৰ সময়ত এনেকৈ কন্দা-কটা কৰিব নাপায়। হিতেন নাই—মইতো আছোঁ। মই নহ'লে বিজন থাকিব, তুমি নাকান্দিবা।

বৰুৱাই নাকান্দিবলৈ সান্ত্বনা দিছিল যদিও বৰুৱাৰ সান্ত্বনা পাই পাৰিজাতে বৰকৈহে কান্দি উঠিল। তেওঁ নিজক পাহৰি 'বিজয় দাদা' বুলি বৰুৱাৰ বুকুলৈ আহিল। বৰুৱাই 'পাৰিজাত' বুলি তেওঁক সাৱটি ধৰিলে।

অলপ সময়ৰ পিছতে ইয়াৰ পিছৰ দৃশ্য আৰম্ভ হ'ল।

—দৰা আহি বভাভলত বহিলহি।

—কন্যা সজাই বাসৰীক ভিতৰৰ পৰা বাহিৰলৈ উলিয়াই অনা হ'ল।

পুৰোহিতে কাম আৰম্ভ কৰিলে। আয়তীসকলৰ উৰুলিৰ মাজতে পুৰোহিতে আম খৰিত ঘিউ ঢালিলে।··বিজনৰ চেলেংখনত বাসৰীৰ চাদৰখনৰ আগটো বান্ধি দিয়া হ'ল· ·

সম্প্রদান হৈ গ'ল। ইফালে ৰাতিও পুৱাই আহিল।

বাসৰীক লগত লৈ বিজন যাবলৈ ওলাল। এনেতে—এনেতে আকাশখন চাৰিওফালৰ পৰা ভীষণ ভাৱে ক'লা হৈ আহিল। অলপ পিছতে তাতোতকৈও ভীষণ ভাৱে ধুমুহা আৰম্ভ হ'ল। কোন ক'লৈ গ'ল, ক'ৰ বস্তু ক'ত ছিটিকি পৰিল কোনেও ক'ব নোৱাৰিলে।

তাৰ মাজতে পাৰিজাতে চকামকাকৈ দেখা পালে, কোনোবা ফালৰ পৰা হঠাৎ ত্রিলোচনৰ আবির্ভাৱ হৈছে। বাসৰীৰ ওচৰলৈ আহি তাইৰ হাতত ধৰিছে। পাৰিজাত বা বিজনে বাধা দিয়াৰ আগতেই ত্রিলোচন আৰু বাসৰী দুয়োটা হাঁহি হাঁহি তাৰ পৰা আঁতৰি গৈছে।

চকুৰ পচাৰতে বিজনো তাৰ পৰা নোহোৱা হৈ গ'ল। বিজনৰ ঠাইত দৰা সাজি থিয় হৈ থাকিল বিজয় বৰুৱা।

তিৰোতা কেইগৰাকীমান বিজুলী বেগেৰে পাৰিজাতৰ ওচৰ চাপি আহিল।

পাৰিজাতক ভিতৰলৈ লৈ গ'ল।

···আৰু বলপূর্বক নতুন কাপোৰ এসাজ পিন্ধাই দিলে।

কাপোৰ সাজ পিন্ধি পাৰিজাত কিন্তু স্ব-ইচ্ছাই বাহিৰলৈ ওলাই আহিল।

বিজয় বৰুৱাই অতর্কিতে পাৰিজাতক ওচৰ চপাই নি ক'লে,—ফাঁকি পাৰিজাত। মই তোমাক আকৌ এবাৰ ফাঁকিকে দিলোঁ। আকৌ এবাৰ প্রতাৰণা কৰিলোঁ। মই বিজন আৰু বাসৰীৰ বিয়া পতা নাছিলোঁ। সিহঁতৰ বিয়াৰ কথা কৈ কৈ আচলতে মই তোমাৰ আৰু মোৰহে বিয়া পাতিছিলোঁ। আজি তোমাৰ আৰু মোৰহে বি· য়া···

থক্ মক্ কৰে সাৰ পাই পাৰিজাত বিচনাতে বহিল। বাসৰীয়ে

তেতিয়াও লাম পোৱা নাছিল। বাহিৰত কৰ্কটীয়া পোহৰ হৈছে। কৰ্কটীয়া পোহৰবোৰলৈ চাই চাই পাৰিজাত বিচনাৰ পৰা নামি আহিল। যিখন খিৰিকীয়েদি যোৱা নিশাৰ জোনাক সোমাই আহিছিল পাৰিজাতে সেই খিৰিকীখনকে মেলি দিলে। কোঠাটো ভাল দৰে পোহৰ হৈ পৰিল।

পাৰিজাত লাইফ চাইজ গ্লাচখনৰ ওচৰলৈ গ'ল। চকু কেইটা বঙা পৰিছে আৰু তলৰ ফালে বহি যোৱাদি গৈছে।

ৰঙা আৰু তললৈ বহি যোৱা চকু কেইটা মোহাৰি পাৰিজাতে এই মাত্র দেখা সপোনটোৰ কথাকে ভাবিলে।· ত্রিলোচন ডাক্তৰ হৈ অহালৈকে সেই গোটেইখিনি কথাই বাস্তৱত ঘটি যোৱা কথা। তাৰ পিছৰখিনি পাৰিজাতে মনতে ভাবি থকা কথা। কিন্তু একেবাৰে শেষৰখিনি ?

সপোনটোৰ শেষৰ কথাখিনি ভাবি পাৰিজাত কঁপি উঠাদি উঠিল।

বিজয় বৰুৱাই সঁচাকৈয়ে কি আকৌ এবাৰ ফাঁকি দিবলৈ লৈছে ?

· বিজয় বৰুৱাই কি আকৌ এবাৰ পাৰিজাতক প্ৰতাৰণা কৰিবলৈ লৈছে ?

তেনেহ'লে তেনেহ'লে

এনেতে বাসন্তীয়ে মাৰ পালে,—উঠিলা মা ?

—ওঁ। বুলি কৈ পাৰিজাতে আত্মগোপনৰ বাবে খৰখেদাকৈ কোঠাৰ দুৱাৰখন মেলি বাহিৰলৈ ওলাই আহিল। আহোঁতে এনেয়ে এবাৰ হিতেন দাসৰ বগা বহল বিচনাখনৰ ফালে চালে।

# পাঁচ

দেউতাক কেনিবা ওলাই গৈছে। যাব লগা আছিল বিজনহে। কিন্তু তাৰ আজি ওলাই যাবলৈ মন যোৱা নাই। সংগঠনৰ কামত এইকেইদিন বৰকৈ ঘূৰা ঘূৰি কৰি ফুৰা বাবে সি বৰ দুৰ্বল হৈ পৰিছে। তাৰ বৰ ভাগৰ ভাগৰ লাগিছে। তাৰ বৰ জিৰণি লবলৈ মন গৈছে। কাম বন নথকা এলেহুৱা মানুহৰ দৰে সেয়ে আজি সি বিচনাত বাগৰিছে।

বিচনাত বাগৰি বাগৰি বিজনে দেউতাকৰ কথাকে মনত পেলালে। তাৰ যে দেউতাক এজন আছে সেই কথা সি পাহৰিয়েই গৈছে বুলিব পাৰি। আজি বহুত দিন বিজনে বিজয় বৰুৱাৰ কোনো খা-খবৰ কৰা নাই। বিজয় বৰুৱাইনো কি কৰিছে, কি খাইছে, এই দুমহলীয়া ঘৰটোত অকলে অকলে কি দৰে আছে—এইবোৰৰ খা-খবৰ লোৱাটো এক প্ৰকাৰ বিজনৰ কৰ্তব্য যদিও সি সেই কৰ্তব্য পালন কৰা নাই। জানি শুনিয়েই সি সেই কৰ্তব্য অৱহেলা কৰি গৈছে। অৱহেলা কৰিবৰ কাৰণো নথকা নহয়।

কিছুমান কথাত দেউতাকক বিজনৰ ভাল নালাগে। অকল ভাল নলগাই নহয়, কেতিয়াবা কেতিয়াবা মানুহটোক তাৰ ঘৃণা কৰিবলৈকে মন যায়। আগতে এই ঘৃণা ভাৱটো মনলৈ নাহিছিল যদিও, আজি প্ৰায় এবছৰৰ আগৰ সেই ঘটনাটোৰ পৰা—কাঞ্চন আৰু ভদ্ৰেশ্বৰ দত্ত বুলি বাৰান্দাৰ খুটা কেইটাত গুলি মৰাৰ পৰা দেউতাকৰ প্ৰতি বিজনৰ মনত ঘৃণা থূপ খালে। দেউতাক হিচাপে আগতে মানুহজনক যেনেদৰে শ্ৰদ্ধা কৰিছিল আজিকালি তেনেদৰে শ্ৰদ্ধা কৰিবলৈ বিজনৰ মন নোযোৱা হ'ল। পুতেক হিচাপে দেউতাকৰ খা-খবৰ কৰিবলৈ এৰি দিলে। কৰ্ত্তব্য পাহৰিলে।

বিজন অলপ উত্তেজিত হৈ পৰিল। দেউতাকৰ কথা মনত পৰিলে আজিকালি সি অলপ উত্তেজিত হয়েই।

আগতে বিজনে এইবোৰ কথা জনা নাছিল। গতিকে আগতে বিজনে অনুসন্ধান কৰা নাছিল। পুতেক হৈ বাপেকৰ বিগত দিনৰ কথাবোৰ জানিবলৈ বিচৰাটো বৰ কেনেবা কেনেবা লগা কথা। কিন্তু কৌতূহল দমাব নোৱাৰি বিজনে সেই কেনেবা কেনেবা লগা কামবোৰকে কৰিলে। সচেতন মানুহ হিচাপে সি সেইখিনি কৰিবলৈ বাধ্যও হ'ল। অৱশেষত বিজনে বিজয় বৰুৱাৰ চৰিত্ৰৰ গোমৰ ফাক্ গোটেই বোৰকে জানি পেলালে।

কাঞ্চনক হত্যা কৰা কথাটোত, যদিওবা কাঞ্চন গুলিৰ আগত নপৰি কথাটো অন্য ধৰণৰ হৈ গ'ল,—বিজনে যথেষ্ট গুৰুত্ব আৰোপ কৰিলে। অসহায় অৱস্থাত এৰি থৈ আহিব নোৱাৰি কাঞ্চন আৰু কল্যাণক সি সেই দিনা ঘৰলৈ লৈ আহিছিল। অসহায় জনক সহায় নকৰি বিজয় বৰুৱা অতি হীন ভূমিকাতহে অৱতীৰ্ণ হ'ল কাঞ্চনক বাৰু কিয় হত্যা কৰিব লাগে? বিজনে এই কথা প্ৰথম কাঞ্চনৰ পৰাই জানিবলৈ বিচাৰিছিল। কিন্তু কাঞ্চনে তাক কথাবোৰ নজনালে। বৰুৱাই আগৰে পৰা এনেয়ে কাঞ্চনক ভাল নাপায বুলি কৈ থ'লে।

কাঞ্চন আৰু দেউতাকৰ সম্পৰ্কৰ কথা বিজনে জানিবলৈ পালে ৰচিদ মিঞাৰ পৰা। ৰচিদেও গোটেইখিনি ক'ব নোৱাৰিলে। বিজনে আধাখিনি অনুমানহে কৰি ল'ব লগা হ'ল। অনুমান কৰিলেও তাৰ অনুমান যে সত্য সেই কথা সি দেউতাকৰ সেই সময়ৰ চাল-চলনৰ পৰাই ভালকৈ বুজি পালে।

ভদ্ৰেশ্বৰ দত্ত সম্পৰ্কীয় কথাখিনি বিজনে যোগান বিভাগৰ কাৰ্য্যালয়ৰ এজন অৱসৰপ্ৰাপ্ত কেৰেণীৰ পৰা জানিবলৈ পালে। অকল ভদ্ৰেশ্বৰ দত্তৰ প্ৰতিয়েই নহয়, তেওঁৰ দৰে আন কেইবাজনো মানুহৰ প্ৰতি বিজয় বৰুৱাই চৰম অন্যায় কৰি থৈছে। আন কি পিয়ন চকীদাৰো তেওঁৰ কোপ দৃষ্টিৰ পৰা সাৰি যাব পৰা নাই। এতিয়া তিনিআলিত আলুৰ

বেপাৰ কৰা সুখদেৱ এসময়ত যোগান বিভাগৰ ভঁৰালৰে চকীদাৰ আছিল। বকৰাই নিজৰ চোৰাং কাৰবাৰত অসুবিধা পাই অন্যায় ভাবে সুখদেৱক চাকৰিৰ পৰা খেদালে।—

বিচনাত পৰি থকা বিজনে বাগৰ সলাইছিল। এনেতে দুৱাৰত দয়াৰাম উপস্থিত,—বোলো বিজন বোপা, টায়েম হৈছিল যেতিয়া চাহকে এটোক—

বিজনে দযাৰামক দিবলৈ ক'লে। দয়াৰাম চাহ আনিবলৈ গ'ল। চাহ কাপ দি দযাৰামে বিজনক কি ক'ব সি তাকে ভাবিলে। আনদিনা কোৱাৰ দৰে আজিও নিশ্চয় দয়াৰামে 'হাকিমনী'ৰ কথাকে ক'ব। দেউতাকে বোলে বৰ ঘন ঘনকৈ দযাৰামৰ আগত হাকিমনীৰ কথা কৈছে। দুই এদিনতে বিজনৰ লগতো পোনপটীয়াকৈ দেউতাকে সেই প্ৰসঙ্গ আলোচনা কৰা কথা। সঁচাকৈয়ে যদি আলোচনাত বহে দেউতাকক বাৰু সি কি উত্তৰ দিব? বাসৱী আৰু ত্ৰিলোচনৰ সম্পৰ্কৰ কথা কৈ দিবনে কি? কল্যাণৰ লগত থকা তাৰ সম্পৰ্কৰ কথাও কৈ দিবনে কি?

দয়াৰামে চাহ আনি পোৱালেহি। চাহ কাপ বিজনৰ ফালে আগবঢ়াই দি ক'লে,—বিয়াচিয়াৰ বেবচ্থা কৰা বিজন বোপা। হাকিমনীক লৈ অহাৰ বেবচ্থা কৰা। মই বুঢ়াই আৰু নোৱাৰিছোঁ।

আনদিনা হোৱা হ'লে বিজনে ক'লেহেঁতেন,—ৰ'বাহে দয়াৰাম কাই। তুমি ফচা ফচ্ কৈছাতো বিয়া পতাৰ কথা। পিছে বিয়াখন জানো মুখতে হয়? তোমাৰ হাকিমনীক মাহুৰি তুলাৰ তুলি এখন নালাগিবনে?' আজি পিছে বিজনে দয়াৰামৰ কথাৰ মূৰত তেনে কোনো ৰস লগা উত্তৰ নিদিলে। নিদি সি গহীন হৈ পৰিল। তাক গহীন দেখি দয়াৰামেও কথা নবঢ়ালে। বিজনে খালী কৰি দিয়া কাপটো লৈ নীৰবে দয়াৰাম কোঠাৰ পৰা ওলাই গুচি গ'ল।

বিজনে দয়াৰাম ওলাই যোৱাৰ ফালে চাই খাটাং সিদ্ধান্ত কৰি পেলালে : বাসৱীৰ লগত থকা ত্ৰিলোচনৰ সম্পৰ্কৰ কথা, কল্যাণৰ লগত

ঘৰখন তাৰ সম্পৰ্কৰ কথা দেউতাকক কৈ দিব। আৰু কৈ দিব যে—যদি দেউতাকে তাৰ বিয়া পাতিব বিচাৰে তেনেহলে কল্যাণৰ লগত পাতক। বাসন্তীৰ লগত নহয়। যদি এইখন ঘৰলৈ দেউতাকে বোৱাৰী আনিবলৈ বিচাৰে তেনেহলে কল্যাণক আনক, বাসন্তীক নহয়। যদি বিজয় বৰুৱাই এই কাম কৰিব নোৱাৰে, যদি বিজয় বৰুৱাৰ এই কাম কৰিবলৈ সাহস নহয়—তেনেহলে এই কামৰ সকলো দায়িত্ব তেওঁ বিজনক দিয়ক। বিজনে সাহসেৰে সেই কাম কৰিব

কথাখিনিৰ খাটাং সিদ্ধান্তৰ পিছত বিজনৰ মনটো পাতল পাতল লাগিল। সি হাৱাই চেন্দেলযোৰ চোঁচৰাই চোঁচৰাই বাৰান্দালৈ ওলাল। কোমল যদিও আবেলিৰ ৰ'দজাক সমানে পৰিছেহি। পাতলকৈ বতাহ এছাটি ইফালে সিফালে ঘূৰি ফুৰিছে যদিও গৰম গৰম লগা যেন অনুভৱ হৈছে। দুতলাৰ বাৰান্দাতে যেতিয়া এনে হৈছে, সৰু সৰু ঘৰবোৰত,—কল্যাণহঁতৰ জুপুৰিত গৰম চাগে বেছকৈয়ে পৰিছে।

ৰ'দজাকৰ পৰা চকু ঘূৰাই আনি গৰমৰ কথা ভবাৰ লগে লগে বিজনৰ মন কল্যাণহঁতৰ জুপুৰিটো পালেগৈ। দীনদয়ালৰ ঘৰটো পূৰ্বে য'ত আছিল সেই একে ঠাইতে বৰ্তমান ঘৰটো সজা হ'ল। পাৰ্থক্য ইমানেই যে আগৰ ঘৰটো ঠিহিৰা মৰা আছিল আৰু এতিয়াৰটো যৎ কিঞ্চিত আহল বহল হ'ল। দেউতাক বিজয় বৰুৱাৰ পৰা প'াচ হাজাৰ টকীয়া চেকখন নিয়াৰ দহ নে বাৰ দিনৰ পিছতে বিজনে বৰ্তমান ঘৰটোৰ সজা কাম সম্পূৰ্ণ কৰোৱালে। আৰু প'াচ হাজাৰমান টকাৰ চেক এখন লৈ কাঞ্চন আৰু কল্যাণক ঘৰটো স্থায়ী ভাৱেই সাজি দিবলৈ মন আছিল বিজনৰ। কিন্তু দেউতাকে দ্বিতীয়খন চেক চহী নকৰিলে। বিজনে অলপ জোৰ দিও দ্বিতীয়খন চেক নিব নোৱাৰি দুহেজাৰমান টকাতে ঘৰটো সজা কাম সম্পূৰ্ণ কৰি তিনি হেজাৰমান টকা হাত খৰচৰ বাবে ৰাহি কৰি কাঞ্চনক চমজাই দিলে।

কৰিছবেদি বিজন তুতলাৰ পিছফালৰ বাৰান্দাখনলৈ আগবাঢ়িল।

·· বিজয় বৰুৱাই কাঞ্চনক পাঁচ হাজাৰ টকাৰ ক্ষতিপূৰণ দিছে। কিন্তু কাঞ্চনৰ প্ৰতি যি অন্যায় কৰা হ'ল সেই অন্যায়ৰ তুলনাত এই ক্ষতিপূৰণ একোৱেই নহয়। পাঁচ হাজাৰ টকাৰে এটা জীৱন কিনিব নোৱাৰি। মানুহৰ জীৱন অমূল্য। দীনদয়াল বিজনৰ দেউতাকৰ চৰিত্ৰৰ দোষতেই আত্মঘাটী হ'ল। তেনেহলে দীনদয়ালৰ পৰিয়ালৰ সকলো প্ৰকাৰ ভৰণ-পোষণৰ দায়িত্ব দেউতাকৰ। কাঞ্চন নমৰালৈকে, কল্যাণ থকালৈকে সিহঁতৰ থকা খোৱাৰ খৰচ দেউতাকে বহন কৰিবই লাগিব।

পিছফালৰ বাৰান্দাখন পাই বিজনে ইমূৰৰ পৰা সিমূৰলৈ অহা যোৱা কৰি থাকিল। আবেলি সময়ত পিছফালৰ বাৰান্দাখনত বেয়া নালাগে। সেই কাৰণেই বোধকৰোঁ দেউতাকে ঘণ্টাৰ পিছত ঘণ্টা ইয়াতে কটাই দিয়ে।

ইফাল সিফাল কৰোতে কৰোতে বিজনৰ পুৰণি দিনৰ স্মৃতি মনলৈ আহিল। মাক-দেউতাকৰ লগত এসময়ত সিও এইখন বাৰান্দাত বহিছিল। ইযাতে বহুৱাই লৈ মাকে তাক আকাশ-পাতালৰ সাধু কৈছিল। ৰাম-ৰাৱণৰ যুদ্ধৰ কথা কৈছিল। যুধিষ্ঠিৰ-দুৰ্য্যোধনৰ কথা কৈ যুধিষ্ঠিৰৰ দৰে ন্যায়পৰায়ণ হ'বলৈ আৰু কোনোদিনে দুৰ্য্যোধনৰ দৰে অন্যায় নকৰিবলৈ উপদেশ দিছিল। ইয়াত বহি থকা অৱস্থাতে মাক-দেউতাকৰ ভিতৰত কথাই কথাই তৰ্কা তৰ্কি হোৱা কথাও বিজনৰ আজি ভালকৈয়ে মনত পৰিছে। তেওঁলোকৰ তৰ্কৰ মাজত কাঞ্চনৰ নামটোও শুনা যেন লাগিছিল তাৰ। তেতিয়া এইবোৰ বুজিব নোৱাৰিলেও এতিয়া, দেউতাকে কাঞ্চনক হত্যা কৰিবলৈ বিচৰাৰ পিছত কাঞ্চন কিয় তেওঁলোকৰ তৰ্কৰ বিষয় হৈছিল সেই কথা বিজনে ভালকৈয়ে বুজিব পাৰিছে। ছিঃ, বিজয় বৰুৱা নামৰ তাৰ দেউতাকটো কি ধৰণৰ যে লম্পট মানুহ নাছিল ? কোনে জানে—সেই স্বভাৱ কিজানি আজিও

এবিধ পৰা নাই। বিজনৰ মাকৰ অবৰ্তমানত তেওঁৰ কিজানি সুবিধাই হৈছে।

বিজনে এইবাৰ বৰুৱা ভৱনৰ নিজান পৰিবেশৰ কথা ভাবি চালে।

তলৰ মহলত দয়াৰামে কিবা সাৰি-শব্দ কৰিছে যদিও বিজনৰ কাণত পৰা নাই। ওপৰ মহলত তাৰ উশাহ-নিশাহৰ শব্দবোৰ সি নিজেই শুনিবলৈ পাইছে। ভয়ৰ কোনো কাৰণ নাই যদিও বৰুৱা ভৱনৰ নিজান পৰিবেশত বিজনৰ ভয় লাগি আছিল। এই নিৰ্জনতাক সঙ্গী হিচাপে লৈ দেউতাক বিজয় বৰুৱা কেনেকৈ থাকে বাৰু? যদি তেওঁৰ লগত তাৰ মাক থাকিলেহেঁতেন

এই মুহূৰ্তত দেউতাকক পুতৌ কৰিবলৈ মন গ'ল বিজনৰ। এই নিৰ্জনতাৰ মাজত অকলে অকলে সময় কটোৱাতো কম শাস্তিৰ কথা নহয়। মানুহজনে বেচ শাস্তি ভোগ কৰিছে। এয়া বোধকৰো তেওঁৰ পাপৰেই প্ৰায়শ্চিত্ত হৈছে হওক, আৰু হওক।

দেউতাকৰ হেলনীয়া চকীখনৰ সমুখৰ ৰেলিংখনৰ ওচৰলৈ গৈ বিজনে কোমলৰ পৰা কোমল হৈ অহা ৰ'দজাকলৈ চালে। ৰ'দজাক অতিক্ৰম কৰি তাৰ দৃষ্টি তাল গছ কেইজোপাৰ ওচৰ পালেগৈ। তাল গাছ কেইজোপাৰ ফাকটোৱেদি এসময়ত বিজনৰ দৃষ্টি দূৰৰ আকাশখনলৈ চাপলি মেলিলে

বৰুৱা ভৱনৰ এই ভয় লগা নিজান পৰিবেশটোৰ অৱসানৰ বাবেই চাগে দেউতাকে ইমান সোনকালে তাৰ বিযাৰ কথা ভাবিছে। বাসন্তীক টানি আনি নিৰ্জনতা দূৰ কৰাৰ কথা ভাবিছে। কিন্তু এই নিৰ্জনতাৰ বাবে জগৰীয়া কোন? এই নিঃসাৰ পৰিবেশটো তৈয়াৰ কৰিলে কোনে? বিজয় বৰুৱাই নিজে। আৰু তেওঁৰ কি প্ৰয়োজন আছিল এনে এটা ডুতলাৰ আহল বহল ঘৰৰ? ভদ্ৰেশ্বৰ দত্ত নামৰ সেই নিমাখিত মানুহজনৰ মূৰত ৰাম টাঙোন মাৰি ইমান এটা ঘৰ বান্ধিবৰ কি প্ৰয়োজন আছিল? এই ৰাজ প্ৰাসাদ ভাঙি চূৰমাৰ কৰি দিয়া ভাল। এই ৰাজ প্ৰাসাদৰ পৰা বিজয় বৰুৱাক কোনোবা এটা উঁৱলি যোৱা জুপুৰিলৈ

টানি উলিয়াই নিয়া ভাল। আৰু যদি সেয়ে নহয় তেনেহলে সমাজৰ গৃহহীন মানুহবোৰক, গৰু-ম'হৰ দৰে বাটে-ঘাটে পৰি থাকিব লগা হোৱা মানুহবোৰক ইয়ালৈ মাতি অনা ভাল। বৰুৱা ভৱনৰ সলনি এই ঘৰটোক দৰিদ্ৰালয় কৰি পেলোৱা ভাল। দৰিদ্ৰালয়ত বাস কৰা মানুহবিলাকৰ ভিতৰত বিজয় বৰুৱা নামৰ মানুহজনকো অন্তৰ্ভুক্ত কৰি পেলোৱা ভাল।

তাল গছ কেইজোপাৰ মাজত হাঁহিৰ খিল খিলনি এটা শুনিবলৈ পোৱা যেন লাগিল বিজনৰ। অলপ পিছতে মাক জয়শ্ৰীৰ মাতটো তাৰ কাণত বাজি উঠিল: তই পাৰিবি জানো বিজন? তই যদি পাৰ·· মোকো দেউতাৰৰ লগতে দৰিদ্ৰালয়লৈ লৈ যা। কাৰণ এই ঘৰটো সাজিবলৈ দেউতাৰক মযে উছটাইছিলোঁ। দোষ মোৰো নথকা নহয়। কিন্তু মই জনা নাছিলোঁ যে ভদ্ৰেশ্বৰ দত্তৰ মূৰত মাৰ মাৰি দেউতাৰে ঘৰ সাজিবলৈ লৈছে। · সেই দেউতাৰৰ তেজৰ পৰা হোৱা তই জানো এতিয়া এইটো ঘৰৰ মোহ এৰিব পাৰিবি? তই জানো এইটো ঘৰ দেশৰ গৃহহীন নৰ-নাৰীক উপহাৰ দিব পাৰিবি? তই পাৰিবিনে? পা-ৰি-বি-নে??

অশৰীৰী মাকক উদেশ্য কৰি বিজনৰ চিঞৰি দিবলৈ মন গ'ল: মই পাৰিম মা, মই পাৰিম। পাৰিবৰ বাবেই মই নিজক প্ৰস্তুত কৰি আনিছোঁ। এই ঘৰটোৰ প্ৰতি মোৰ কোনো মোহ নাই। এই ঘৰৰ মোৰ কোনো প্ৰয়োজন নাই। দেউতাক যদি কোনোবা এটা জুপুৰিলৈ উলিয়াই নিব পাৰোঁ তেনেহলে এই ঘৰ মই দৰিদ্ৰ জন-সাধাৰণক উপহাৰ দিম। কাৰণ মোৰ নিচিনাকৈ তোমাৰ অবিহনে দেউতাকো এই ঘৰটোৰ কোনো প্ৰয়োজন নাই।

দেউতা বিজয় বৰুৱাক মই সমাজৰ শতুৰু বুলিয়েই ভাবোঁ। অকল দেউতাই কিয়···দেউতাৰ দৰে যি বোৰে টকাৰ গৰমত তুতলা তিনি-তলাৰ প্ৰয়োজনহীন ঘৰ বান্ধিছে· যি বোৰে দৰিদ্ৰজনতাক শোষণ কৰি নিজৰ ধনৰ বাকচ ডাঙৰ কৰিছে ·প্ৰয়োজনহীন সুখ সুবিধা, আৰাম

কৰিছে সেই প্ৰতিজন মানুহকে মই সমাজৰ শত্ৰুক বুলি ভাবোঁ।... এই শত্ৰুকবোৰক নিপাত কৰিব লাগে। তেওঁলোকৰ প্ৰাসাদবোৰ হাজাৰ-বিজাৰ গৃহহীনক উপহাৰ দিব লাগে তেওঁলোকৰ ধনৰ বাকচ ভাঙি সমাজৰ দুৰ্বল শ্ৰেণীৰ মাজত ভাগ কৰি দিব লাগে।... তেওঁলোকৰ প্ৰয়োজনহীন আৰু অতিৰিক্ত সুখ-সুবিধাবোৰ কাটি আনি সকলোৰে মাজত বিলাই দিব লাগে। প্ৰচলিত সমাজনীতি আৰু ৰাজনীতিৰে এই কাম নহ'ব। এইবোৰ কাম কৰিবলৈ হ'লে প্ৰচলিত সমাজনীতি আৰু ৰাজনীতিক ধুই নিকা কৰিব লাগিব। দুয়োটা নীতিৰে ৰূপ সম্পূৰ্ণৰূপে সলাই পেলাব লাগিব। নীতি নিৰ্ধাৰণ কৰিবৰ বাবে সমাজৰ অৱহেলিত শ্ৰেণীক দায়িত্ব দিব লাগিব।

—বিজন বোপা খবৰ এটা আছিল। বিজনৰ পিছফালে সেয়া দয়াৰাম।

—কোৱাচোন, কি খবৰ। বিজনে দয়াৰামৰ ফালে ঘূৰি নোচোৱাকৈ ক'লে।

—হাকিমনী আহি আছে।

বিজনে দযাৰামৰ ফালে ঘূৰি চালে,—বাসৰী আহিছে? ক'তা?

দয়াৰামে বিজনক উত্তৰ দিয়াৰ আগতেই তলত বাসৰীৰ মাত শুনিবলৈ পোৱা গ'ল,—হেৰা দয়াৰাম কাই—ঘৰত আছানে?

—বোলোঁ আছোঁ আছোঁ। নাথাকিনো বাৰু যাম ক'লৈ?

বিজনৰ ফালে তিৰ বিৰাই থকা চকুৰে চাই দয়াৰামে বাসৰীৰ প্ৰতি ক'লে। কৈয়ে সি খৰ খোজেৰে তললৈ নামি গ'ল। বাটতে পাই তাক গহীন মাতেৰে বাসৰীয়ে সুধিলে,—বিজনদা ঘৰৰ পৰা কিমান সময়ত ওলাই গৈছে তুমি কিবা জানানে?

দয়াৰামৰ উত্তৰ,—ওলাই গৈছে মানে? হাকিমনীৰ বেজাৰত হাকিম আজি গোটেই দিনটো ভিতৰতে আছে। অঁ, অৱশ্যে বোহু ঘৰৰ পৰা পিছফালৰ বাৰান্দালৈ ঘন্টা আধ্ ঘন্টাৰ আগতহে ওলাই গৈছে।...বোৱা আই, পাৰিলে হাকিমক...ভিতৰলৈ

তাৰ কথাবাৰ শেষ নহ'ল। বাসৰীয়ে অলপ খঙেৰে ক'লে—এই-বোৰ যেমলি সকলো সময়তে ভাল নালাগে দয়াৰাম কাই। যেমালিবো এটা সীমা থকা ভাল। তুমি এইবোৰ যেমলি এৰি পেলাবা বুলিয়েই আশা কৰিছোঁ।

বাসৰীৰ কথাৰ ভমক দেখি দয়াৰাম চেঁচা পৰি গ'ল। সি চেঁচা মাতেৰে ক'লে,—ইয়ে হয়নে কি ? আমিনো আকৌ কি জানো অঁকৰা অজলা মানুহ।

দয়াৰামে বাট এৰি দিলে। বাসৰীয়ে ওপৰলৈ খোজ আগবঢ়ালে। ইফালে বাসৰীৰ কথাখিনি বিজনৰ কাণত পৰিল। বাসৰীয়ে দয়াৰামক এনেদৰে টানকৈ কথা কোৱা সি এই প্ৰথম শুনিলে। দয়াৰামে বাসৰীক লগ পালেই তাৰ লগত জোকাই আৰু তায়ো সহজ ভাৱে হাঁহি হাঁহিয়েই দয়াৰামক ক'ব লগা কথাখিনি কয়। কিন্তু আজি ইয়াৰ ব্যতিক্ৰম হ'ল কিয় ? আজি বাসৰীৰ মাতটোও আন দিনাতকৈ বেলেগ যেন লাগিল বিজনৰ।

বিজন কেইখোজমান আগবাঢ়ি আহিল। কিন্তু সি কৰিড'ৰটো অতিক্ৰম কৰাৰ আগতেই বাসৰী সেইখিনি পাই তাৰ সন্মুখতে ৰ'লহি। বিজনে বাসৰীলৈ চালে। মুখখন গোমোঠা। গাল মুখবোৰ ৰঙা। তাত খং খং ভাৱ। বিজনে বাসৰীৰ লগত অলপ ৰগৰ কৰাৰ কথা ভাবিছিল যদিও তাইৰ গতি-বিধি দেখি সি সেই লোভ সামৰিলে। সামৰি লাহেকৈ ক'লে,—কি হ'ল বাসৰী ? তোমাৰ চেহেৰা দেখিয়েই অনুমান কৰিছোঁ যে নিশ্চয় কিবা কাৰণে তোমাৰ মোৰ ওপৰত খং উঠিছে। কিন্তু ক'ত কি হৈছে কোৱাচোন।

বাসৰীয়ে কোনো উত্তৰ নিদিলে। খঙৰ লগতে এইবাৰ অভিমান যোগ দি তাই বিজনৰ সন্মুখত অধিক গোমোঠা মুখেৰে থিয় হৈ থাকিল।

বিজনে আকৌ ক'লে,—কিন্তু কি হৈছে নক'লে মই কেনেকৈ জানিম ?

এইবাৰ বাসৰীৰ মুখ মেল খালে। তাই কঠোৰ ভাৱে কৈ উঠিল,—

কেনেকৈ জানিম মানে? তুমি যদি তোমাৰ কথা নাজানা [illegible] মই জানিব লাগে? মানুহে অলপ শালীনতাবোধৰ শিক্ষা লোৱা উচিত।

—শালীনতাবোধৰ শিক্ষা? তেনেহ'লে ক'ৰবাত নিশ্চয় অশালীন কিবা হৈছে। কিন্তু ক'ত কি হৈছে মই একো জনা নাই, একো বুজি পোৱা নাই। তুমি কথাবোৰ অলপ মুকলিকৈ ক'লে মোৰ বুজি পোৱাত অলপ সহজ হ'লহেঁতেন।...মোৰ দ্বাৰাচোন কাকো ক'তো অশালীন ব্যৱহাৰ কৰা মনত নপৰে।.. তুমি মনত পেলাই দিব পাৰা যদি—

খঙত পৰি উঠা চকু মুখেৰে বাসন্তীয়ে বিজনৰ ফালে চালে আৰু পূৰ্বৰ কঠোৰ স্বৰেৰে ক'লে,—মই ভাবিছিলোঁ কথাবোৰ সকলোৱে ধেমালি কৰিবৰ বাবেহে কয়। এতিয়া দেখিছোঁ কথাই অন্যফালে গতি লৈছে। খুৰাদেউক সেই ভূমিকাৰ বাবে পঠাবলৈ তোমাৰ অলপো বেয়া নালাগিল?

বিজন অলপ আচৰিত হ'ল। ক'লে,—খুৰাদেউ?—ভূমিকা? কিন্তু দেউতাই ক'ত কি ভূমিকা ল'বলৈ গৈছে মোক কৈ যোৱা নাই। যদি কিবা অশালীন হৈছে তেনেহলে সেয়া তেখেতৰ নিজৰ ফালৰ পৰাহে হৈছে। মই সেই সম্পৰ্কে একো নাজানো।

—তেনেহ'লে খুৰাদেউক এই বিষয়ত তুমি সাৱধান কৰি দিয়া ভাল। নহ'লে এই সৰু কথাটোৱেই এদিন বৰ অনিষ্টকৰ কথা হ'বগৈ পাৰে।

—নিশ্চয়। কিন্তু মই দেউতাৰ ভূমিকাৰ বিষয়েও জানিব লাগিব।

বিজয় বৰুৱাৰ 'ভূমিকা'ৰ বিষয়ে বিজনৰ আগত যি বিবৰণ দিলে সেয়া এনে ধৰণৰ—

:: আজি সোমবাৰ। সাধাৰণতে সোমবাৰে ত্ৰিলোচন চেম্বাৰলৈ নাযায়। সেয়ে বাসন্তীয়ে আজি দুপৰীয়াৰ সাজ সিহঁতৰ ঘৰতে খাবলৈ ত্ৰিলোচনক নিমন্ত্ৰণ জনালে। ত্ৰিলোচনে প্ৰথমতে ওহোঁ আহোঁ কৰিলেও বাসন্তীৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰি শেষত অনুৰোধ ৰক্ষা কৰিবলৈ আহিল। হাঁহি খিকিন্দালিৰ মাজেদি খোৱা শেষ হৈ গ'ল।

দুপৰীয়াৰ ব'দজাক ভেতিয়া চৌ চৌ কৰে পৰিছিলহি। এনেকুৱা চৌ

চৌকাৰ পৰা ব'দ্দুৰক ভালকৈয়ে পকি উঠিছিল। ভাত-পানী খোৱা শেষ কৰি ত্ৰিলোচনে 'যাওঁ আৰু' বুলি কৈ বাৰান্দা পাইছিলহি। তেনেতে বাসন্তীৰ মাকে তাক মাত দিলে,—এতিয়াই যোৱানে? এই ব'দজাক পিঠিত লৈ যাবাই বা কেনেকৈ? আজিতো তুমি চেম্বাৰলৈ নোযোৱা। যদতো বৰানীয়ে তোমাক নাহৰৰ গুৰি কাটিবলৈ নিদিয়ে—আলসুৱা ল'বা, কৰবাত খা-খোঁচা লাগিব। আৰু এইদৰে চৌকলীয়া ব'দত পঠাই দিলে বৰানীয়ে ঘূৰাই মোকো যে জেৰা নকৰিব কোনে ক'ব? গতিকে বহা। জিৰাই-সতাই যাবা।

ত্ৰিলোচন বাৰান্দাৰ পৰা ঘূৰি গ'ল। পোনে পোনে সিমূৰৰ কোঠাটো পালেগৈ। তাতে আলহী-অতিথিৰ বাবে সক বিচনা এখন আছিল। গাৰ চোলাটো আলনাডালত থৈ 'তেনেহলে আগৰকে এটা দিয়া যাওক' বুলি কৈ ত্ৰিলোচন বিচনাত দীঘল হৈ পৰিল। ওচৰতে বহি বাসন্তীয়ে আপোন মনে দুই এটা কথা কৈ গ'ল। আন কথা পাতি পাতি শেষ হৈ যোৱা যেন লগাত মাজতে ত্ৰিলোচনে সি ডাক্তৰ হোৱাৰ কথা উলিয়ালে—

ডাক্তৰ হ'ম বুলি ভবা নাছিলোঁ, কিন্তু হৈ গ'লোঁ। মেডিকেল কলেজত এডমিচন লৈ প্ৰথমতে কিবা কিবাই লাগিছিল।—ধেৎ কি খন যে পঢ়িবলৈ আহিলোঁ। কিন্তু দিন বাঢ়ি যোৱাৰ লগে লগে ভাল লাগি আহিল। মেডিকেল পঢ়িবলৈ গৈ আন যিয়েই নহওক—মই মোৰ দেহটোৰ বিষয়ে যে খবচি মাৰি জানিব পাৰিলোঁ সেয়ে বহুত।

বেয়াও লগা নাই দিয়াচোন। ডাক্তৰ হোৱা মানে মানৱ সেৱা কৰিবলৈ আগবাঢ়ি অহা। মানুহৰ উপকাৰৰ বাবে দুজন মানুহৰেই সদায় প্ৰয়োজন হৈ থাকে।—এজন জ্ঞানী পণ্ডিত আৰু এজন ভাল ডাক্তৰ। মই ভাল ডাক্তৰ নহ'বও পাৰোঁ—কিন্তু হ'বলৈ যত্ন কৰাত অপৰ কি?

অভিজ্ঞতাৰ পৰা ক'ব পাৰোঁ যে মানুহৰ মনটোৱেই দেহৰ আধাভাগ ৰোগ বৃদ্ধি কৰে। কেন্সাৰ ৰোগী এজনক যদি তেওঁৰ কেন্সাৰ হোৱা কথা

জনোৱা নাযায় বা যি কোনো প্ৰকাৰে তেওঁ নজনাকৈ থাকে তেনেহ'লে কমেও দুবছৰ আয়ুস বেছিকৈ পায়। আৰু কেনেবাকৈ কথাটো জানিলেই দুবছৰ তেওঁৰ আয়ুস কমি আহে।

ৰোগীক ৰোগ মুক্ত কৰিও কম সুখ পোৱা যায় বুলি নাভাবিবা। কোনো এজন মানুহ ৰোগী হৈ মোৰ ওচৰলৈ অহা মানে তেওঁৰ জীৱনৰ সমস্ত দায়িত্ব মোৰ হাতত তুলি দিয়া। এজন মানুহৰ জীৱনৰ দায়িত্ব লৈ, তেওঁক ৰোগ-মুক্ত কৰি বৰ আনন্দ পোৱা যায়।

বাসৱীয়ে কথা কৈ থকা ত্ৰিলোচনৰ মুখখনলৈ চাই আছিল।

চাই থাকি থাকি তাই এবাৰ বুজি পালে যে ত্ৰিলোচনৰ দুচকু জাপ খাই আহিছে। কথাবোৰ অস্পষ্ট হৈ পৰিছে।

অলপ পিছতে তাই দেখিলে যে কথা কোৱা বন্ধ কৰি ত্ৰিলোচন শুই পৰিছে।

ত্ৰিলোচনৰ মিহি কোমল চুলিকোচাৰ মাজেদি বাসৱীয়ে তাইৰ হাতৰ কেতেকী পহীয়া আঙুলি কেইটা চলাই দিলে। বৰকৈ ভাল লাগি অহাত তাই তাৰ গালতে চুমা এটা খাই দিয়াৰ কথাও ভাবিছিল। লাজটোৱে বৰকৈ হেঁচা মাৰি ধৰাতহে তাই সিমানখিনিলৈ আগবাঢ়িব নোৱাৰিলে।

বেলি লহিয়ালে। ত্ৰিলোচনেও সাৰ পালে। সাৰ পায়ে সি বিচনাতে বহিল। বাসৱীয়ে মুখহাত ধুবলৈ পানী-চুনী যঁতাই দিলে।

এনেতে পদূলি মুখত বিজয় বৰুৱাৰ চিঞৰ,—হেৰা ভাবি, বোৱাৰী, ভাবি বোৱাৰী।

বিজয় বৰুৱাৰ মাতটো শুনাৰ লগে লগে বাসৱীৰ বুকুখন চিৰিং কৰি গ'ল। ছেঃ মানুহজন বৰ বেয়া সময়ত ওলালহি। এতিয়া কি-বা কয়, কি বা কৰে। সেইবোৰ দেখি শুনি ত্ৰিলোচনেই বা কি ভাবে। বিজয় বৰুৱাক নিয়ন্ত্ৰণ কৰাৰ বাবে খৰ খেদাকৈ বাসৱী বাহিৰৰ ফালে আহিছিল। কিন্তু তাইক পিছ পেলাই মাক পাৰিজাতহে আগবাঢ়ি গ'ল,—আছোঁ। আহক।

বিজয় বৰুৱা যেন জ্বল জলাই উঠিব,—আছোঁ মানে ?—আহক মানে ? তুমি থকা বা নথকাৰ লগততো মোৰ কোনো কথা নাই। মোৰ কথা মোৰ মৰমৰ বোৱাৰীৰ লগত। আক তুমিতো মোক আহক বুলি মাতিব নালাগে। মোক মোৰ মৰমৰ বোৱাৰীয়ে মাতিব। বোৱাৰী,—অ' বোৱাৰী।

চিঞৰি চিঞৰি বৰুৱা পিছফালে আহিল।

পাৰিজাত অপ্ৰস্তুত হৈ পৰিল। বৰুৱাই এনেকৈ চিঞৰ-বাখৰ কৰিলে ত্ৰিলোচনে নিশ্চয় ভাল নাপাব। তেওঁ বৰুৱাক সংযত কৰিবৰ বাবে ক'লে,—ৰ'বচোন। আলহী আছে।

বৰুৱাই ইফালে সিফালে চালে,—আলহী ? ক'ৰ আলহী আহিল হে ?

বিজয় বৰুৱা পিছফালৰ বাৰান্দা পাওঁতেই মুখ-হাত ধুবৰ বাবে ত্ৰিলোচন বাহিৰলৈ ওলাই আহিছিল। তাক তেনে অৱস্থাত দেখি বৰুৱা বাঘ দেখা মানুহৰ দৰে চক খাই উঠিল। পৰিবেশটো সহজ কৰিবৰ বাবে ত্ৰিলোচনে বৰুৱাৰ ফালে চাই হাঁহি মাৰি লৈ ক'লে,—ৰবদেউতা, আলহী দূৰৰ নহয়, ওচৰৰে। মই ত্ৰিলোচন বৰা।

কিন্তু ত্ৰিলোচনে ভবাৰ দৰে নহ'ল। ত্ৰিলোচনে ভবাৰ দৰে বিজয় বৰুৱাই পৰিবেশটো সহজ ভাৱে নল'লে। বৰুৱাৰ ভাৱ-গতি সলনি হৈ আহিল। তেওঁক অসংযত হৈ পৰা দেখা গ'ল। তেওঁ ত্ৰিলোচনক, ত্ৰিলোচনৰ উপস্থিতিক সমূলি সহিব নোৱাৰিলে। খণ্ডত একো নাই হৈ বিজয় বৰুৱাই তাক দপ দপাই উঠিল,—কিন্তু তই এই অৱস্থাত এই সময়ত ইয়াত কিয় ? তই নাজানে কি যে এইখন মতা মানুহ নোহোৱা ঘৰ ? তই—তই নাজান'নেকি যে ইয়াত দুজনী তিৰোতা মানুহ অকলে থাকে ? তোক এনে এখন ঘৰত এনে অৱস্থাত দেখিম বুলি মই ভাবিবই পৰা নাছিলোঁ। কিন্তু···কিন্তু··

—কিন্তু ত্ৰিলোচন দাদাইতো কোনো দোষণীয় কাম কৰা নাই। মানুহৰ ঘৰলৈ মানুহ আহিলেই দোষ লগা কথাটো বুজি নাপালোঁ। ত্ৰিলোচন দাদা নিজে অহা নাছিল, মইহে নিমন্ত্ৰণ কৰি আনিছিলোঁ।

বাসৰীয়ে আগবাঢ়ি গৈ ক'লে। তথাপি ত্ৰিলোচনৰ বাবে পৰিস্থিতি-টো সহজ হৈ নুঠিল। সি এবাৰ ৰঙা পৰিল এবাৰ ক'লা পৰিল। তাৰ ভৰিৰ তলৰ পৃথিৱীখন কঁপি উঠা যেন লাগিল। বিজয় বৰুৱাই যে এনেকৈ ক'ব পাৰিব, বিজয় বৰুৱা যে ইমান নীচ মনৰ হ'ব ত্ৰিলোচনে কল্পনাই কৰিব পৰা নাছিল। তাৰ মানুহজনৰ টেটুত চেপা মাৰি ধৰিবলৈ মন গ'ল। ত্ৰিলোচনৰ বাসৰীলৈও খং উঠি আহিল। বিজয় বৰুৱা যেতিয়া ইমান দূৰ আগবাঢ়ি আছেই তেনেহ'লে তাক কথাটো জনাই দিয়াই ভাল আছিল। · কিজানি বিজনবো মন নোহোৱা নহয়। বিজনৰ মন নহ'লে বিজয় বৰুৱা কিয় ইমান দূৰ আগবাঢ়িব ?

পৰিস্থিতি সহজ হৈ নুঠাত ত্ৰিলোচনে বাসৰীৰ চকুলৈ চালে।

বিমোৰ হৈ বাসৰীয়ে চকু তললৈ নমালে।

বাৰান্দাতে কেইখোজমান ইফাল সিফাল কৰি বিজয় বৰুৱা এইবাৰ বাসৰীৰ ওচৰলৈ আহিল। ক'লে,—কি কৈছা ? তুমি নিমন্ত্ৰণ কৰি আনিছিলা ? ত্ৰিলোচনক তুমি নিমন্ত্ৰণ কৰি আনিছিলা ? কিন্তু তুমি ত্ৰিলোচনক নিমন্ত্ৰণ কৰাৰ আগতে বিজনক নিমন্ত্ৰণ নকৰিলা কিয় ? তুমি বিজনকহে নিমন্ত্ৰণ কৰিব লাগিছিল।

এইবাৰ বাসৰীৰ সুতীব্ৰ স্বৰ বাজি উঠিল,—কিন্তু খুৰাদেউ, আপুনি মনত ৰখা উচিত যে বিজন মোৰ কোনো নহয়। বিজনৰ লগত মোৰ কোনো সম্পৰ্ক নাই।

বিজয় বৰুৱাৰ গাল দুখন ফৰ ফৰাই যোৱা যেন লাগিল। তেওঁৰ আগত বাসৰীয়ে যেন এই কেইযাৰ কথা কোৱা নাই। বাসৰীয়ে তেওঁৰ গালত ঠাঁচ ঠাঁচ এই কেইটা চৰহে বহুৱাই দিলে। এইবাৰ বৰুৱাই আহত কণ্ঠেৰে ক'লে,—কিন্তু বাসৰী, তুমি এইবোৰ কি কৈছা ? বিজনৰ লগত যদি তোমাৰ কোনো সম্পৰ্ক নাই তেনেহলে ত্ৰিলোচনৰ লগত ত্ৰিলোচনৰ লগত নাই নাই, এইকথা হ'ব নোৱাৰে · এনে হ'বলৈ মই দিব নোৱাৰোঁ · মই তোমাক বৰ আশা কৰিছোঁ···বিজনে তোমাক বৰ আশা কৰিছে···তুমি মোৰ আশাৰ মূৰত চেঁচা পানী নাঢালিবা।

হঠাৎ বৰুৱাৰ ভাৱান্তৰ ঘটিল। ভেওঁ ত্ৰিলোচনে ক'লে,—তই··· তয়েই আচল কলি। তই এতিয়াই ইয়াৰ পৰা বাহিৰ হৈ যা। এইখন ঘৰত তোৰ কোনো প্ৰয়োজন নাই। তোক তোক মই

বাসৱী আতঙ্কিত হৈ ত্ৰিলোচনৰ ওচৰ চাপি আহি তাৰ হাতখনত ধৰিলেহি,—তুমি মোক বেয়া নাপাবা ত্ৰিলোচনদা। বৰুৱাৰ বোধকৰোঁ।

একেই আতঙ্কেৰে পাৰিজাতে বৰুৱাৰ ওচৰ চাপি আহি ক'লেহি,— সেইবোৰ হৈ থাকিব। বৰ্তমান আপুনি ভিতৰত বহকহিচোন। আহক, আহক—

বৰুৱাই পাৰিজাতৰ চকুলৈ চালে। ক'লে,—কিন্তু মই ইয়াক ইয়াৰ পৰা বাহিৰ নকৰালৈকে ভিতৰত বহিবগৈ নোৱাৰোঁ। মোৰ অনুপস্থিতিত ই ননচেঞ্চ

ত্ৰিলোচনে হো হোৱাই হাঁহি লৈ ক'লে,—আজি বহুদিনৰ পৰা আপোনাৰ মূৰৰ গোলমাল চলি আছে বুলি জানো। কিন্তু গোলমাল ইমান বেছি হৈছে বুলি অৱশ্যে জনা নাছিলোঁ। আপুনি চিকিৎসাৰ ব্যৱস্থা কৰক বৰদেউতা।

—কি কলি ননচেঞ্চ?—তই মোক কি ক'লি?

—কৈছোঁ যে আপোনাৰ মূৰৰ গোলমাল অলপ বেছি হৈছে। নহ'লে আপুনি মোক এনে ব্যৱহাৰ নকৰিলেহেঁতেন। বাসৱীক বিজনলৈ বিয়া কৰাব—বোৱাৰী কৰি নিব। নিযক। মোৰ তাত কোনো আপত্তি নাই। কিন্তু এইখন ঘৰলৈ আহিলোঁ বুলিয়েই মোক এনেকৈ অভদ্ৰৰ দৰে জেৰা কৰিব কিয়? মইতো বাসৱীক বিয়া কৰিম বুলি ইয়ালে অহা নাই। এইখন ঘৰলৈ মই যদি আহিব নোৱাৰোঁ আপুনিনো আহিব পাৰে কোন যুক্তিত? এইখন তিৰোতা মানুহ থকা ঘৰ। আপুনিও এনেদৰে ইয়ালৈ নাহিব। আপোনাৰ ওপৰতো মোৰ ·

—কি কলি ননচেঞ্চ? তই মোক চৰিত্ৰহীন বুলি ক'ব খোজ? তই

নিজে যেনেকুৱা আনকো তেনেকুৱা ভাব ? তোক মই…মোক চিনি পোৱা নাই ? ‥

বৰুৱাই ত্ৰিলোচনৰ ফালে খেদা মাৰি যোৱাদি গ'ল। পাৰিজাতে অতৰ্কিতে আহি বাট ভেটি ধৰিলে,—আপুনি এইবোৰ কি কৰিবলৈ লৈছে ? বলক, আপুনি ভিতৰলৈ ব'লক। আপোনাক অলপ জিৰণিৰ প্ৰয়োজন। আপুনি অযথা উত্তেজিত হৈছে।

পাৰিজাতে বৰুৱাক টানি আজুৰি ভিতৰলৈ লৈ গ'ল। বাহিৰত ত্ৰিলোচনে ক'লে,—জানো ডাঙৰীয়া জানো। আপোনাৰ সৰল চৰিত্ৰৰ বিষয়ে ইমান দিনে আৰু জানিবলৈ বাকী থকা নাই। ভদ্ৰেশ্বৰ দত্তৰ ঘৰত দত্তৰ গাভৰু ভনীয়েকৰ হাতত ধৰি আপোনাৰ কেনে লটি ঘটি হ'ল, সেইদিনাৰ সেই অপমানৰ প্ৰতিশোধ আপুনি দত্তৰ ওপৰত কেনেদৰে ল'লে সেই কথা তিনি আলিৰ আলু বেপাৰী।সুখদেৱে মোতকৈও আপোনাক ভাল দৰে বুজাই ক'ব পাৰিব। সি প্ৰত্যক্ষদৰ্শী।

ত্ৰিলোচনে খৰ খেদাকৈ মুখখন ধুই ল'লে। বাসন্তীয়ে গামোছাখন আনি দিলে। হাত-মুখ ম'চি ম'চি ত্ৰিলোচনে তাইক ক'লে—তোমা-লোকৰ লগত এই লম্পটটোৰ এনে সম্পৰ্ক বুলি জনা নাছিলোঁ। তোমালোকৰ ঘৰলৈ আহি এনেদৰে অপমানিত হ'ব লাগিব বুলিও ভবা নাছিলোঁ। যদি বিজনৰ লগত এনে এটা সম্পৰ্ক চলি আছেই তেনে-হ'লে মোক জনাই দিব লাগিছিল। আই এম চৰী বাসন্তী

বাসন্তীৰ দুগালেদি লোতক বাগৰি আহিল। তাই থোকাথুকি মাতেৰে ক'লে,—মোক বিশ্বাস কৰা ত্ৰিলোচন দাদা। বিজনৰ লগত মোৰ কোনো সম্পৰ্ক নাই। বিজয় বৰুৱাই টানি আজুৰিহে সম্পৰ্ক লগাই লৈছে। মানুহজনৰ ব্যৱহাৰৰ বাবে তোমাৰ ওচৰত মই ক্ষমা খুজিছোঁ। তুমি সেই চেৰাবলিয়া মানুহজনৰ কথা মনত লৈ নাথাকিবা।

ত্ৰিলোচনে বাসন্তীক ঘূৰাই একো নক'লে। ভিতৰলৈ আহি চোলা-টো পিন্ধি 'মই আহিলোঁ বাসন্তী' বুলি কৈ সি খৰ খোজেৰে ওলাই গ'ল। বাসন্তীয়ে তাক বাধা দি ৰাখিব নোৱাৰিলে। অসহ্য বেদনাত

তাই ত্ৰিলোচন জিৰাই যোৱা বিচনাখনতে পৰি হুক হুকাই কান্দি দিলে। তাইৰ চুচকু ফাটি নৈ বৈ আহিল।

ইফালে বিজয় বৰুৱাই পাৰিজাতক কোৱা শুনা গ'ল,—তুমি এই-বোৰ কি কৰিছা পাৰিজাত? ত্ৰিলোচনৰ দৰে কেলেহুৱা ডাক্তৰ এটাক এনেকৈ ঘৰৰ ভিতৰত ঠাই দি বৰ ভুল কৰিছা।· বাসৱীক মই মোৰ বিজনলৈ নিম। তাইক নি মোৰ সেই অতৃপ্ত বাসনা পূৰ কৰিম। তুমি মোক সহায় কৰিবা। এই সময়ত তোমাৰ সহায় মোৰ বৰ প্ৰয়োজন।

পাৰিজাতে সৰুকৈ উত্তৰ দিলে,—কিন্তু ত্ৰিলোচনৰ লগত বাসৱীৰ মনৰ মিল আছে। মই সিহঁতক বাধা দিব নোৱাৰোঁ।

বৰুৱাই ক'লে,—নাই নাই, তুমি সিহঁতক বাধা দিবই লাগিব। বাসৱীযে পৃথিৱীৰ গোটেইবোৰ পুৰুষক ভাল পালেও, গোটেইবোৰ পুৰুষৰ লগত মনৰ মিল থাকিলেও তাই বিজনকেই বিয়া কৰাব লাগিব। বিজনকেই

পাৰিজাতে এইবাৰ একো নক'লে।

কান্দোন সামৰি বাসৱী বিচনাৰ পৰা উঠি আহিল। বিজুলী সঞ্চাৰে কাপোৰ সাজ পিন্ধি বিজনক লগ পাবৰ বাবে ওলাল ::

বৰুৱা ভৱনৰ পিছফালৰ বাৰান্দাত বিজনৰ সম্মুখত বাসৱীয়ে আকৌ চিঞৰি উঠিল,—এতিয়া কোৱা, খুৰাদেউৰ এই ব্যৱহাৰ অশালীন হয়নে নহয়?—মোৰ ইচ্ছা নহ'লে তুমি জানো মোক জোৰ কৰিব পাৰিবা? তোমাৰ সম্মতি নাথাকিলে খুৰাদেউ জানো ইমান খিনিলৈ আগবাঢ়িব পাৰে? তোমাৰ ইচ্ছা আছিল যদি মোক ক'ব লাগিছিল। মোক ক'বলৈ সাহস কৰিব নোৱাৰি কাপুৰুষৰ দৰে এনেদৰে ছালে বেৰে কোবোৱাটো তোমাৰ উচিত হোৱা নাই। তোমাক ইমান কাপুৰুষ বুলি ভবা নাছিলোঁ। নেভাৰ -

বিজনে কেইখোজমান ইফালে সিফালে দিলে। ম্লান হাঁহি এটা মাৰি ক'লে,—দেউতাৰ ভুল হৈছে। দেউতাৰ হৈ ময়েই তোমাৰ ওচৰত ক্ষমা

খুজিছোঁ। এই বিষয়ে তেখেতে মোৰ লগত কোনো কথা আলোচনা কৰা নাই।ময়ো কোনো দিনে তেখেতক এই সম্পৰ্কীয় শব্দ এটা কোৱা নাই। ত্ৰিলোচনৰ লগত তোমাৰ সম্পৰ্কৰ কথা মই জানো। গতিকে মই তোমাক জোৰ কৰাৰ কোনো কথাই নুঠে।

আকৌ তীক্ষ্ণ স্বৰেৰে বাসন্তীয়ে ক'লে—তেনেহলে খুৰাদেৱে এইবোৰ কি কৰি পেলালে। এই বলিযালিবোৰ নকৰা হ'লে নহ'লহেতেন নে?

বিজনে সমুখৰ ৰ'দজাক ফালি অলপ পৰৰ বাবে দূৰৈৰ আকাশলৈ চালে। আকাশৰ পৰা চকু ঘূৰাই আনি সি লাহে লাহে কৈ গ'ল,—তুমিতো জনাই বাসন্তী, তোমাৰ দেউতাৰ লগত মোৰ দেউতাৰ বিশেষ বন্ধুত্ব আছিল। সেই আপাহতে তোমালোকে আমাক বা আমি তোমালোকক সদায় আপোন বুলি ভাবি আহিছোঁ। দুয়োটা পৰিয়ালৰ এই আপোন ভাব তোমাৰ আৰু মোৰ যোগেদিয়েই দেউতাই স্থায়ী কৰিবলৈ বিচাৰিছে। সেয়ে দেউতাই আৰু দেউতাৰ লগতে দয়াবামেও তোমাক মোক জোৰা দি ৰগৰ কৰে। এতিয়া দেখিছোঁ, তুমি কোৱাটোৱেই ঠিক, দেউতাৰ লগতে ময়ো ভুল কৰিলোঁ। মই আগতেই তেখেতক সাৱধান কৰি দিব লাগিছিল। তেখেতক মই জনাই দিয়া উচিত আছিল যে মোৰ বিয়া তোমাৰ লগত নহয়,—মোৰ বিয়া কল্যাণৰ লগত হ'ব। কাঞ্চন বাইৰ ছোৱালী জনীৰ লগত।

ফুল ছিঙিবলৈ গৈ ফুলপাহৰ ওচৰত ফেঁটী সাপ দেখিলে মানুহৰ যি অৱস্থা হয, এই মুহূৰ্তত বাসন্তীৰো সেয়ে হ'ল। বিজনে কল্যাণক বিয়া কৰাব? গলিৰ মাজৰ এজনী বেশ্যাৰ ছোৱালীক বিজয় বৰুৱাৰ বোৱাৰী কৰি আনিব? আ-চ-ৰি-ত।

বাসন্তীয়ে বিস্ময়েৰে বিজনৰ ফালে চালে।

বিজনে আকৌ এটা ম্লান হাঁহি মাৰিলে। ক'লে,—কথাষাৰ শুনি তুমি অলপ আচৰিত হৈছা নহয়নে বাসন্তী? কিন্তু নহ'বা। মোক বিশ্বাস কৰা। মই সঁচা কথাই কৈছোঁ। সঁচাকৈয়ে মোৰ বিয়া কল্যাণৰ

লগত হ'ব। যদিওবা দেউতাই চিঞৰ-বাখৰ কৰি ফুৰিছে, মোৰ পৰা তোমাৰ কিন্তু কোনো ভয় নাই।

বিজনে কথা কৈ থকা সময়খিনিতে বাসৱীয়ে নিজক চম্ভালি ল'লে। ক'লে,—তোমাৰ বিয়া যাৰ লগতেই নহওক তাত মোৰ আচৰিত হ'ব লগা একো নাই। মই ভাবিছোঁ মোৰ কথা। ত্ৰিলোচন দাদাই যে ভুল বুজি গৈছে, ত্ৰিলোচন দাদাই যে এইবোৰ সঁচা কথা বুলি ভাবি লৈছে। এতিয়া তেওঁৰ ভুলৰ শুধৰণি কৰা যাব কেনেকৈ?

বাসৱীৰ কথা শুনি বিজনক চিন্তিত হোৱা দেখা গ'ল। অলপ পিছতে সি ক'লে,—মই বৰ দুঃখিত বাসৱী। মই বৰ দুৰ্ভগীয়াও। মই আজিয়েই ত্ৰিলোচনক লগ ধৰিম। গোটেই কথাবোৰ তাক বুজাই ক'ম। তোমাক ভুল বুজিবৰ বাবে অনুৰোধ কৰিম। দেউতাৰ ব্যৱহাৰৰ বাবে ক্ষমা বিচাৰিম। মই এতিয়াই ত্ৰিলোচনৰ ওচৰলৈ যাম। ওলাওঁ ৰ'বা। তুমিও মোৰ লগত যাব লাগিব। মোৰ লগতে তুমিও তাক ভুল বুজিবলৈ ক'ব লাগিব।

বিজন নিজৰ কোঠালৈ আহিল। সাজ-পোচাক পিন্ধি ল'লে। পিছত বাসৱীক লগত লৈ খৰ খোজেৰে তললৈ নামি আহিল।

দেউতাক বিজয় বৰুৱাৰ অশালীন ব্যৱহাৰৰ বাবে ত্ৰিলোচনৰ ওচৰত লগে লগে ক্ষমা খুজিবলৈ নোপোৱাত বিজনৰ মনটো গধুৰ হৈ পৰিল। তাৰউপৰি দেউতাকৰ আজিৰ ভূমিকাই বাসৱীৰ যথেষ্ট অনিষ্ট কৰিব পাৰে। আজিৰ ভুল বুজাবুজিৰ বাবেই যদি ত্ৰিলোচন বাসৱীৰ পৰা আঁতৰি যায় তেনেহ'লে সমস্ত দোষৰ বোজা সিয়েই কঢ়িয়াই লৈ ফুৰিব লাগিব। ত্ৰিলোচনক সি লগ পোৱাৰ বৰ প্ৰয়োজন আছিল। পলম নকৰি ঘৰৰ পৰা ওলায়ে যদি ৰিক্সাখন ল'লেহেঁতেন তেনেহ'লে হয়তো ত্ৰিলোচনক সিহঁতে ঘৰতে পালেগৈহেঁতেন। কিন্তু এছোৱা বাট খোজকাঢ়ি অলপ পলমকৈ সিহঁত ৰিক্সাখনত উঠিল। গতিকেই সিহঁতৰ যাত্ৰা অৰ্থহীন হ'ল। ত্ৰিলোচনৰ মাকে কৈছিল,—জানোপাই বাকলি,

এওঁলোকৰ ঘৰত দুপৰতে খাবলৈ গৈ আবেলি ঘূৰি আহিল। মই বোলোঁ। পলম কৰিলি যে? যিটোহে গোণ্ডৰি মাৰিলে। তাৰ পিছত বোলোঁ। চাহ-তাহ খাবনে? বোলে, নাই—নাখাওঁ। থাকিল হবলা আধা ঘণ্টামান তভক মাৰি বহি। পিছত কেনি ওলাই গ'ল জানো বাকলি, তলকিবই নোৱাৰিলোঁ। চেম্বাৰলৈকে গৈছে হ'বলা। যাচোন তাতে খবৰ এটা কৰ।

সেই মতে বাসন্তীৰ সৈতে বিজনে ত্ৰিলোচনক চেম্বাৰলৈকে বিচাৰি গ'ল। কিন্তু চেম্বাৰ বন্ধ। সম্ভাব্য আৰু দুঠাইমানত খবৰ কৰিলে। কিন্তু ত্ৰিলোচনৰ কোনো খা-খবৰ পোৱা নগ'ল। অৱশেষত বিফল মনোৰথ হৈ বাসন্তীক ঘৰলৈ পঠাই দি বিজন আন এটা বাটেদি গুচি আহিল।

বিজনে ওপৰৰ আকাশখনলৈ চালে। হাজাৰ বিজাৰ তৰাই চিক মিকাই আছে। তৰাবোৰৰ মাজতে পোহৰ এছাটি দেখা যেন লাগিল বিজনৰ। হাতীপটী চাগে। আকাশৰ পৰা চকু ঘূৰাই আনি নিজে নিজে এবাৰ সি তাৰ গধূৰ মনটো পাতল হৈছেনে কি জোখ কৰি চালে। নাই, তাৰ মনটো পাতল হোৱা যেন নালাগিল। ত্ৰিলোচনক লগ পাই তাৰ হাতে-ভৰিয়ে নধৰালৈকে মন শাঁত পৰাৰ আশা কৰিব নোৱাৰি।

উদ্দেশ্যহীন ভাবে বিজন আগবাঢ়িল। উপকণ্ঠ নগৰখনৰ আটাইতকৈ ব্যস্ত ঠাইডোখৰ, চাৰিআলি বুলি ক'লে যি ডোখৰ ঠাইক মূল নগৰখনেও জানে, সেই ঠাইডোখৰ পাই বিজনে এবাৰ চাৰিওফালে চালে। গাভৰু চানেকীয়া কেইগৰাকীমান অনাঅসমীয়া তিৰোতাই শাক-পাচলি কিনাৰ মনেৰে ইটো সিটো বস্তু দৰাই ফুৰিছে। কোনো অশোভনীয় কথা নহয়। অশোভনীয় কথা এইটোহে যে তিৰোতা কেইগৰাকীৰ পিছে পিছে তেওঁলোকক ভিৰৰ মাজত লৈ পিলিঙা ডেকাৰ আন এটা দলেও বস্তু দৰোৱাত লাগি গৈছে। বিজনে দেখিলে যে দলটোৰ ত্ৰিশ-বত্ৰিশটামান চকুৰে মানুহ কেইগৰাকীক এনেকৈ জুলুম দিছে যে তেওঁলোকে বজাৰ-সমাৰ কৰি ভাল ভাৱে ঘূৰি যাব পাৰিবনে নোৱাৰে

সন্দেহ। বিজন সেইখিনিলৈ আগবাঢ়িল আৰু তিৰোতা কেইগৰাকীক ততাতৈয়াকৈ বজাৰ কৰি সেই ঠাই এৰি যাবলৈ অনুৰোধ কৰিলে। তিৰোতা কেইগৰাকীয়েও কথাটো বুজি পালে। এগৰাকীয়ে ক'লেই,—হয় ডাঙৰীয়া, এই মানুহখিনিয়ে আমাক অথনিৰে পৰা আমনি দিছে। এনে অভদ্ৰ মানুহ কমেইহে লগ পাইছোঁ।

অত্যন্ত খঙেৰে বিজনে পিলিঙাৰ দলটোলৈ চালে। দুজনমান বয়সীয়া মানুহো তাৰ চকুত পৰিল। সি তেনেদৰে চোৱা দেখি দলটোৱে হেঁচা ঠেলা কৰি বেছিকৈহে অসভ্যালি কৰিবলৈ ধৰিলে। বিপদৰ সম্ভাৱনা দেখি তিৰোতা কেইগৰাকীয়ে শাক-পাচলি নিকিনাকৈয়ে সেই ঠাইৰ পৰা আঁতৰি গ'ল। বিজনে পিলিঙাৰ দলটোলৈ চাই চিঞৰিলে,—তহঁতৰ লাজ লগা নাই ?

লগে লগে দলটো ফৰিং ছিটিকা দি নোহোৱা হৈ গ'ল। অৰ্থহীন আস্ফালনেৰে বিজনো আঁতৰি আহি ঘাই আলি পালেহি।

সন্মুখতে বিজনে হেঁঠা-ঠেলা কৰা মানুহৰ দল এটা দেখিবলৈ পালে। সেইটো নগৰখনৰ সিমূৰে থকা চিনেমা হলটোৰ ব্ৰাঞ্চ কাউণ্টাৰ। বাঃ কি ভিৰ! এই ভিৰ যদি কিবা সৎ কামৰ বা মানুহৰ উপকাৰত অহা কামৰ ক্ষেত্ৰত হ'লহেঁতেন!

বিজনৰ পৰা অলপ দূৰৈত থকা চাহৰ দোকানখনৰ সমুখত মাৰ-পিট। বিজনে মানুহকেইটা চিনি পালে, কেইটামান নেপালী বস্তিৰ, দুটানে এটা তিনি আলিৰ। হোটেলৰ সন্মুখতে মাৰ-পিট, কিন্তু হোটেলৰ দেচুৱালী মালিকটো নিৰ্বিকাৰ। গোফকোঁচা জোকাৰি সি মিচিকিয়াই আছে। তাৰ মনত এনেহে ভাৱ, যেন সেই কেইটা মানুহ নহয়, কেইটামান বাটকৰা কুকুৰেহে কামোৰা কামুৰি কৰিছে।

মাৰ-পিটৰ মানুহকেইটাক এৰি বিজনৰ দেচুৱালীটোকহে বগৰাই পেলাবৰ মন গ'ল। তাৰ দোকানৰে পিছফালে চোৰাং মদ বিক্ৰী কৰিছে আৰু তাকে খাই এই কেইটাই মাৰ-পিট কৰি শক্তি ক্ষয় কৰিছে। আকৌ সিয়েই এতিয়া মহা সুখেৰে মাৰ-পিট উপভোগ কৰিছে।...

দেচুৱালীটোৰ দোকানৰ ফালে ভালে কেইখোজ আগবাঢ়িও বিজন আকৌ বৈ গ'ল। এই দৃশ্য আজিৰ নহয়, এই দৃশ্য সদায়েই ৰূপায়িত হ'ব লাগিছে। আৰু সদায় দেখি দেখিয়েই দেচুৱালীটো নির্বিকাৰ হৈ পৰিছে। তাৰ চোৰাং মদৰ কাৰবাৰটো বহু যত্ন কৰিও বিজন আৰু মৃগেণ হাজৰিকাই বন্ধ কৰিব নোৱাৰিলে। চৰকাৰৰ ওপৰ মহললৈ লিখাতো কোনো ফল নধৰিল। স্থানীয় পুলিচে চা-চমকনি দিলে দুদিন-মান বন্ধ কৰে। পিছত আকৌ পূৰাদমে আৰু নির্ভয়ে আৰম্ভ কৰে।

দেচুৱালীটোৰ দোকানৰ ফালৰ পৰা চকু ঘূৰাই আনি বিজনে উদ্দেশ্যহীন ভাৱে খোজ আগবঢ়াইছিল। এনেতে পিছফালৰ পৰা ফোপাই-জোপাই অহা ল'ৰা এটাই তাক আগচি ধৰি ক'লে,—মই আপোনাৰ ঘৰলৈ আপোনাক বিচাৰি দুবাৰ গৈছিলোঁ। নাপালোঁ। কল্যাণ দিদিয়ে আপোনাক খুব বিচাৰিছে। মাকৰ টান বেমাৰ। ইফালে দোচোৰা মানুহবোৰেও কল্যাণ দিদিক আজি বৰ জুলুম দিছেহি।

'হয়নে কি' বুলি বিজনে এইবাৰ কল্যাণৰ ঘৰলৈ খোজ আগবঢ়ালে। কাঞ্চন বাইৰ বেমাৰ? কালি দেখোন ভালেই আছিল—আজিনো আকৌ পৎকৰে কি হ'ল। কল্যাণক আজি মানুহবোৰে বৰ জুলুম দিছে? এৰা কল্যাণ সেইখিনিত মাকক লৈ অকলে থকাটো সমস্যাই হৈ পৰিছে। মাজে মাজে তাইক মানুহবোৰে জুলুম দিয়েই। টকাৰে তাইৰ গাটো কিনিবলৈ যায। তাই ঘূৰাই পঠালে বাহিৰলৈ আহি নানান অবাইচ মাতেৰে তাইৰ চৈধ্য পুৰুষ উদ্ধাৰ কৰে। কেই-টামানৰ হেনো তাইক বিয়া কৰাবৰো মন। তাইক নাপালে হেনো সিহঁতৰ জিন্দেগীয়েই বৰবাদ হৈ যাব। ক'বলৈ গ'লে বিজন অহা যোৱা কৰি আছে বাবেহে কল্যাণ ৰক্ষা পৰি আছে। নহলেযে কি হ'লহেঁতেন ভাবিবই নোৱাৰি। আজিকালি মানুহবোৰ পশু হৈ গৈছে যেন।

আন্ধাৰ গলিটোলৈ নামিয়েই বিজনে খোজৰ গতি কিছু মন্থৰ কৰিব লগা হ'ল। বাটটো বৰ বেয়া। পাত পানী, বোকা—অহা-যোৱা

কৰিবৰ অনুপযোগী। তাতে আন্ধাৰ নিশা...

কোনোমতে পানী বোকাত ভৰি নিদিয়াকৈ আগবাঢ়ি বিজনে বাটৰ দুয়ো কাষৰ জুপুৰি ঘৰবোৰলৈ চালে। যদিও ঠাইডোখৰ আৰু বাটৰ দুয়ো কাষৰ ঘৰবোৰ বসবাসৰ অনুপযোগী, তথাপি কেইবা শ মানুহে ঠাই ডোখৰত,—ঘৰবোৰত গৰু-গাহৰীৰ দৰে হ'লেও বসবাস কৰিছে। এইবোৰ মানুহ তথাকথিত সমাজৰ আবৰ্জনা স্বৰূপ। মানুহ হলেও মানুহ হিচাপে জীয়াই থকাৰ অধিকাৰ যেন ইহঁতৰ নাই। ইহঁতৰ সেই অধিকাৰ চলে বলে কৌশলে কাঢ়ি নিয়া হৈছে। বিজনে নিজকে নিজে প্ৰশ্ন কৰিলে—এই মানুহবোৰক কোনোবা দিনা মানুহ জ্ঞান কৰা হ'বনে? কোনোবা দিনা ইহঁতক জীয়াই থকাৰ মানবীয় অধিকাৰখিনি ঘূৰাই দিয়া হ'বনে?

বিজনৰ মনত নেতিবাচক উত্তৰহে গঠন হ'ল।

ঘৰবোৰৰ কোনোবাটো একেবাৰে আন্ধাৰ। কিন্তু তাত মানুহ থকাৰ, ল'ৰা-ছোৱালীয়ে কন্দা-কটা কৰাৰ উমান পোৱা গৈছে। কোনোবাটো আধা আন্ধাৰ আধা পোহৰ হৈ আছে। টিমিক ঢামাককৈ জ্বলা একেটা মাথোন চাকিকে চাগে পৰিয়ালটোৰ আটাইবোৰ মানুহে বেঢ়ি ধৰিছে। ঘৰখনৰ একেটা মাথোন চাকিকে চাগে ইটো কোঠাত থৈ সিটো কোঠাত কোনোবাই কাৰোবাৰ লগত ব্যভিচাৰ আৰম্ভ কৰিছে। আন্ধাৰ হৈ থকা বাবে নহয়, দিনৰ পোহৰতো এই গলিটোক আন্ধাৰ গলি বুলিয়েই কোৱা হয়। ব্যভিচাৰ এইটো গলিৰ লগৰীয়া বস্তু। গতিকে ইটো কোঠাত চাকিটো থৈ সিটো কোঠাত ব্যভিচাৰ কৰাটো তেনেই স্বাভাৱিক ঘটনা। এই আন্ধাৰ, টিমিক-ঢামাক পোহৰ আৰু ব্যভিচাৰেই হ'ল গলিটোৰ প্ৰাণ, জীৱন-স্পন্দন ..। এইবোৰকে লৈয়েই গলিটোৱে—গলিটোৰ মানুহবোৰে সভ্য জগতক উপহাস কৰিব লাগিছে।

বিজনে আন্ধাৰ গলিটোত নিজৰ অৱস্থিতিৰ কথা এবাৰ ভাবি চালে। ভাবি সি উচপ খাই উঠাদি উঠিল। এইটো পথেদি...এইটো গলিলৈ এদিন তাৰ দেউতাক বিজয় বৰুৱাও চাগে এনেদৰেই আহিছিল।

আজি সি কল্যাণৰ ওচৰলৈ আহিছে আৰু এদিন তাৰ দেউতাক সেই কল্যাণৰে মাক কাঞ্চনৰ ওচৰলৈ আহিছিল। তেনেহ'লে...তেনেহ'লে... বিজয়ৰ সেই অহাৰ লগত বিজনৰ এই অহাৰ কিবা পাৰ্থক্য আছেনে?—আছেনে??

অলপ পৰৰ পিছত বিজনে নিজকে নিজে উত্তৰ দিলে, আছে—আছে। সেই অহা আৰু এই অহাৰ মাজত ভালেখিনি পাৰ্থক্য আছে। বিজয় বৰুৱাই কাঞ্চন বাইৰ লগত ব্যভিচাৰ কৰিবলৈ আহিছিল, বিজয় বৰুৱা দৈহিক তাড়নাত আহিছিল। কিন্তু সি বিজন, কল্যাণৰ লগত ব্যভিচাৰ কৰিবলৈ অহা নাই, সি দৈহিক তাডনাত অহা নাই। সি আহিছে কল্যাণক বচাবলৈ, কল্যাণৰ মানবীয় অধিকাৰখিনি ঘূৰাই দিবলৈ।

ওচৰৰ ঘৰ এটাত কেইবাটাও ল'ৰা-ছোৱালীয়ে একেলগে ৰাউচি জোৰাত বিজন ভাৱ ৰাজ্যৰ পৰা ঘূৰিল। কন্দা-কটাই নহয়, ভিতৰফালে ল'ৰা-ছোৱালীবোৰক মাৰ-পিটো কৰা হৈছে। কাৰণটো কি? বিজনে ভিতৰৰ ফালে চালে। সি বুজি উঠিল, ঘৰখনত আটা-চাউল একো নাই। যি অলপ আটা আছিল তাৰে মাকে কটি ছুটা তৈয়াৰ কৰি সক ছুটাক খাবলৈ দিলে। ছুপৰৰ সাজ লঘোণ। গতিকে ডাঙৰ ছুটাইও ভাগ বিচাৰিলে। ভাগ নাপাই টনা আজোৰা আৰম্ভ কৰিলে। মাকৰ মূৰ গৰম হৈ গ'ল। কাকো খাবলৈ নিদি কটি ছুটা দলিয়াই পেলাই চাৰিওটাৰে পিঠিত দবা কোবোৱা আৰম্ভ কৰিলে।

ল'ৰা-ছোৱালী কেইটাৰ কথা ভাবি বিজনৰ আগৰে সেমেকা মন বৰকৈ সেমেকি পৰিল। দেহা, ল'ৰা-ছোৱালী কেইটা! দিব পৰা হ'লে এতিয়াই সি সিহঁতক চাৰিটা কটি দি আহিলেহেঁতেন।

বিজনে খোজ আগলৈ পেলালে। এনেতে তাৰ পিছফালে খলক কৰে শব্দ এটা হ'ল। সি ঘূৰি চালে। কোননো? তাক খবৰ দিবলৈ যোৱা ল'ৰাটো যে তাৰ পিছে পিছে আহি আছে ইমান পৰে সি ক'বই নোৱাৰে। সি সামান্য ভাৱে মুখখন ঘূৰাই ল'ৰাটোক সুধিলে,—ভাইটি

কাঞ্চন বাইৰ কি অসুখ হৈছে তুমি কিবা জানানে ?

ল'ৰাটোৱে উত্তৰ দিলে,—ওহোঁ, মই ভাল দৰে নাজানো। পাইখানা হৈছে কিজানি। দিদিয়ে বৰ কন্দা-কটা কৰিছে।

বিজনে আকৌ ল'ৰাটোক সুধিলে,—কল্যাণক যে জুলুম দিয়া বুলি কৈছিলা—তুমি সেই মানুহকেইটা চিনি পোৱানে কি ?

ল'ৰাটোৱে ক'লে,—নাই নাপাওঁ। কোন কোন মই দেখাও নাই। কিন্তু খুব হৈ চৈ কৰা বুলি ক'লে কল্যাণ দিদিয়ে। দিদি জোৱান আছে তো, সেইবাবেই দিগদাৰি হৈছে। দিদিক বোলে চৰে চাদী কৰিব খুজিছে। সেই বাবেই আমাৰ মাই মোক বেগাই পঠাই দিলে।

বিজনৰ বুকুখন কঁপি উঠিল। কাঞ্চন বাইৰ অসুখৰ সুযোগতে যদি কোনোবা দুষ্ট লোকে কল্যাণক · বিজনৰ হাতৰ মুঠি দুটা টান হৈ আহিল। সেয়ে যদি হয় তেনেহ'লে ··তাৰ ইমান দিনৰ সপোন ··নাই নাই, হ'বই নোৱাৰে। এই কাম কৰিবলৈ যিটো আগবাঢি আহিব—বিজনৰ হাতত তাৰ হাড়-মূৰ গুৰি হৈ যাব। সকলোকে ক্ষমা কৰিলেও সি কল্যাণৰ অনিষ্ট সাধন কৰা মানুহটোক ক্ষমা নকৰে। সেই মানুহটোক সি ক্ষমা কৰিব নোৱাৰে।

অকস্মাতে বিজনৰ এটা খোজ বোকাত পৰিল। ইয়াৰ পিছত সি বোকা-পানীৰ চিন্তা বাদ দি খৰ খৰকৈ যাবলৈ ধৰিলে।

কাঞ্চন আৰু কল্যাণ থকা ঘৰটোৰ দুৱাৰৰ ওচৰত কেইবাটাও মানুহে কিবা এটা গোপন আলোচনা কৰি আছিল। বিজন আগবাঢি যোৱাত মানুহবেইটাই তাক সামান্য ভাৱে বাট এৰি দিলে। বিজন সিহঁতৰ ওচৰত ক্ষন্তেক ৰ'ল। প্ৰতিটোৱে মুখলৈ চালে। সি তেনেকৈ চোৱাত সিহঁতৰ মুখবোৰত যেন বিদ্ৰুপৰ ভাৱে বাহ পাতি ৰ'লহি। এটাই সাহস কৰি মনৰ ভাৱ প্ৰকাশ কৰিলে,—কি ৰে বিজন বাবু ? চাচুৰীক হুচ্ পিতেল নিবলৈ আহিছানে কি ? তবে হলে চাচুৰীৰ বেটিটোক

বিজনে মানুহটোৰ মুখত ঘোচা মাৰি দিব খুজিছিল। কিন্তু সি ঘোচাটো মৰাৰ আগতে ভিতৰত আন এটা মানুহৰ মাত শুনিবলৈ

পালে,—তোক মই বৰ ভাল পাওঁ অ’ কইনাৰ। তোক দেখিলে এই ফুলীয়াখন পাহৰি যাওঁ। মই তোক চাদী কাৰ ঘৰত লৈ যাম—ব’ল। তই এতিয়া দিগদাৰি নকৰিবি। আহ, মোৰ ওচৰলৈ আহ। মোৰ কাষত বহ···

ইয়াৰ পিছত মানুহটোৱে বটলৰ মুখে মদ খোৱাৰ শব্দ।

এইবাৰ কল্যাণৰ কণ্ঠ বিজনৰ কানত পৰিল,—এইটো মহল নহয়, এইটো মদ খোৱা ঘৰ নহয়, এইখন বেশ্যালয় নহয়। তোমাক আজি মই কিমানবাৰ ক’লোঁ ইয়ালৈ নাহিবা, অথচ তুমি বাৰে বাৰে আহি আছা। ওলাই যোৱা—তুমি ভালে ভালে ওলাই যোৱা।

আকৌ মদপাটোৱে ক’লে,—আৰে চালী! মাৰে বিজয় চেহাৰৰ লগত কৰিলে, হিতেন চেহাৰৰ লগত কৰিলে। শৰ্মা চাৰভী কাঞ্চনৰ হাতৰ পৰা সাৰি নগ’ল। মাৰে বেশ্যালী কৰিলে আৰু তই তাইৰে ছোৱালী বেশ্যালী নকৰিবি? কত দিন ক’লোঁ—যিমান টাকা লাগে সিমান লবি, কিন্তু তাই আজি তোক মই নাই চাৰিম।

সিফালে কাঞ্চনে কল কল কৰে বমি কৰাৰ শব্দ। কেঁকনি-গেঁঠনি।

লগে লগে কল্যাণৰ করুণ আৰ্তনাদ,—নাহিবি। তই মোৰ ফালে আগবাঢ়ি নাহিবি পাপীষ্ঠ। তই মোক নুচুবি। তোৰ কথা মই বিজন দাদাক কৈ দিম বহ্। তোক তেওঁ

ৰচিদ মিঞাৰ পুতেক বদিৰে আকৌ মদৰ বটলত মুখ দিয়াৰ শব্দ।

বটলৰ পৰা মুখ আঁতৰ কৰি এইবাৰ সি হো হোৱাই হাঁহিলে। ক’লে,—গুলি মাৰ তোৰ বিজন দে-দা। হিতেন চেহাৰৰ ছোৱালীৰ লগত ফঁচি আছে। বিক্সা লৈ টাউনত পকাই ফুৰা মই নিজ চকুৰে দেখি আহিছোঁ।

আকৌ কাঞ্চনে বমি কৰা শব্দ। মৰ্মভেদী বেদনা।

ধপ কৰে দুৱাৰখন মেলি বিজন ভিতৰলৈ আহিল। কাঞ্চনৰ কোঠা পালেগৈ। কিন্তু সি তাত একো নেদেখিলে। কোঠাটো আন্ধাৰ।

বিজন পোহৰ হৈ থকা কোঠাটোলৈ আহিল। দেখিলে, বদিৰ আৰু কল্যাণে ভীষণ ভাৱে টনা আজোৰা কৰিছে। কল্যাণৰ মুখত সোপা দি ধৰা বাবে তাই চিঞৰিব পৰা নাই। তথাপি তাইৰ মুখৰ পৰা মোক মোক শব্দ এটা বাহিৰ হৈছে। বদিৰে তাইক বিচনাখনৰ ফালে টানিছে, তাই বাহিৰৰ কোঠালৈ আহিবলৈ যত্ন কৰিছে।

এবাৰ অকস্মাতে বদিৰে কল্যাণক আয়ত্ব কৰি পেলালে। সি তাইক বিবস্ত্ৰ কৰিবলৈ উদ্যত হৈ পৰিল। বিজনে ভাবিলে, আৰু বৈ থকা নাযায়। ভাবিয়েই সি জন্তুৰ মাতেৰে প্ৰচণ্ড ভাৱে চিঞৰি উঠিল,—ব-দি-ৰ।

বদিৰে বিজনৰ চিঞৰলৈ কাণ নিদি নিজৰ কামত আগবাঢ়িল।

বিজন তাৰ ওপৰত জপিযাই পৰাৰ লগে লগে বদিৰে কল্যাণক এৰি বিজনক ধৰিলে। দুয়োটাৰে মাজত দবৰা দবৰি আৰম্ভ হ'ল। এবাৰ সুযোগ বুজি বিজনে বদিৰক ওপৰা-ওপৰিকৈ ঘুচিয়াবলৈ ধৰাত নিজক চম্ভালিব নোৱাৰি সি বাহিৰ ওলাই পলাল।

কল্যাণে কাপোৰ-কানিবোৰ ভালকৈ পিন্ধি চাকিটো লৈ মাকৰ ওচৰলৈ আহিল। ভিতৰ ফালৰ দুৱাৰখন বন্ধ কৰি বিজনো সেইখিনি পালেহি। বিজনে নাকত দুখ পাইছিল। নাকেদি তেজ ওলাইছিল। কিন্তু সি সেইবোৰলৈ কাণ নিদি কাঞ্চনৰ বাবে ব্যস্ত হৈ পৰিল।

পুৱাবেলাতে কাঞ্চনৰ শৌচ বমি আৰম্ভ হৈছিল। প্ৰথমতে কল্যাণে বিশেষ ভবা চিন্তা কৰা নাছিল যদিও সময় বেছি হৈ যোৱাৰ লগে লগে মাকৰ অসুখ বেছি হৈ অহাত তাই চিন্তিত হৈ পৰিল। গলিটোৰ সিটো মূৰত থকা কবিৰাজজনক মাতি আনিলে। কবিৰাজে চাই-চিতি ঔষধ পাতি দি গ'ল। কিন্তু কবিৰাজৰ ঔষধে কোনো ফল নিদিলে। আবেলিলৈ কাঞ্চন এলাইচ্ হৈ পৰিল। উঠিব বহিব নোৱাৰা হ'ল।

এনেতে, কাঞ্চন পৰি থকা বুলি গম পাই, কল্যাণৰ ওপৰত বদিৰহঁতৰ জুলুম আৰম্ভ হ'ল। প্ৰথমতে তাইক টনা-আজোৰা কৰিবলৈ

আন কেইটামান আছিছিল,—আমাৰ লগত আহ। মাৰ নমৰে দে। ভয় নকৰিবি।

কিন্তু কল্যাণে সিহঁতক খেদি পঠালে। সিহঁতৰ পিছতে বদিৰব যি অহা আৰম্ভ হ'ল—হলেই আৰু।

কল্যাণে এতিয়া কোনটো কথা ভাবিব? নিজক চম্ভলাৰ কথা ভাবিব নে মাকৰ অসুখৰ কথা ভাবিব? উপায়হীন হৈ তাই বিজনলৈ খবৰ পঠালে।

বিজনে কাঞ্চনৰ কপালত হাত দি চালে। জ্বৰ আছে। হাত-ভৰিবোৰ চুই চাই সি চক খাই উঠিল—জীয়া মানুহৰ হাত-ভৰিনো এনেদৰে চেঁচা হ'ব পাৰেনে? সি কাঞ্চনৰ মুখৰ ওচৰলৈ মুখ নি সৰুকৈ মাতিলে,—কাঞ্চন বাই।

কাঞ্চনে মাতিব নোৱাৰিলে। সামান্যভাৱে চকু কেইটা মেলি চাই কেঁকাই উঠিল। কি কৰা উচিত হ'ব বিজনে এবাৰ ভাবিলে। সি কাঞ্চনক চিভিল হস্পিতেললৈ নিযাৰ কথাকে থিৰাং কৰিলে। কল্যাণক কথাটো কোৱাত তাই একো নকৈ কান্দি উঠিল।

বিজনে কাঞ্চনক কান্ধত তুলি ল'লে। কল্যাণে দুৱাৰত তলাটো লগালে। দুয়ো আন্ধাৰৰ মাজেদি বোকা-পানী ফালি আগবাঢ়িল।

গলিটো শেষ হৈছে উপপথটো। উপপথত নগৰ সমিতিৰ নিযন চাকি আছে। তাৰ তলতে ৰিক্সা দুখন আছিল। সেই দুখনকে লৈ সিহঁত চিকিৎসালয়মুখী হ'ল। চিকিৎসালয়ত ডাক্তৰে চাই-চিতি ৰোগীৰ অৱস্থা বেয়া বুলিযেই জানিবলৈ দিলে। কমেও তিনি ঘণ্টামানৰ আগতে চিকিৎসাৰ ব্যৱস্থা কৰিব লাগিছিল।

কাঞ্চনক চেলাইন দিব লগা হ'ল।

ডাক্তৰ, নাৰ্চ, বিজন আৰু কল্যাণ নীৰৱে ৰোগীৰ ওচৰত বহি থাকিল। এবাৰ ডাক্তৰজন কাঞ্চনৰ ওচৰ চাপি গৈ তাইৰ বিকৃত হৈ পৰা মুখখনলৈ চালে। চাযে তেওঁ বৰকৈ উচ্ পিচাবলৈ ধৰিলে। তেওঁ উচ পিচ কৰা দেখি নাৰ্চ গৰাকীযে তেওঁৰ চকু মুখলৈ চালে।

বিজন আৰু কল্যাণৰ চকুও তেওঁৰ মুখৰ ফালে গ'ল। সিহঁতে ডাক্তৰৰ উচ্ পিচনিৰ কাৰণটো বুজি পোৱাৰ আগতেই কোঠাটোত শব্দ এটা হ'ল। ডাক্তৰে চেলাইন পাইপডাল এৰুৱাই কাঞ্চনৰ মুখখন ঢাকি দিলে।

মা মা বুলি চিঞৰি উঠি কল্যাণে মাকৰ শ-টো সাৱটি ধৰিলে।

বিজনৰো দুগালেদি দুধাৰ লোতক বাগৰি আহিল। কল্যাণক সান্ত্বনা দিবলৈ সি ভাষা বিচাৰি নাপালে। এয়া যে কি হৈ গ'ল। ইমান সোনকালে এনে হৈ যাব বুলি সিটো ভবা নাছিল। আন কোনোবায়ে বা ভাবিছিল।

নাচ গৰাকীক এটা ইংগিত দি ডাক্তৰজন কোঠাৰ পৰা বাহিৰ ওলাই গ'ল। ডাক্তৰৰ ইংগিত পাই নার্চে কাঞ্চনৰ শ-টো ভালকৈ ঢাকি দিলে আৰু কল্যাণক শ-টো সাৱটি থকাৰ পৰা বিৰত কৰিলে। কল্যাণ বিজনৰ বুকুলৈ আহিল। বিজনে তাইক কোঠাটোৰ পৰা বাহিৰলৈ আনিলে। কিন্তু নার্চগৰাকীয়ে কোঠাটোৰ দুৱাৰখন বন্ধ কৰি দিয়াৰ লগে লগে কল্যাণে মা মা কৈ ৰাউচি জুৰি কান্দিবলৈ ধৰিলে। বিজনৰ দুহাতৰ পৰা এৰাই তাই দুৱাৰখনত মূৰ খুন্দিয়াই খুন্দিয়াই এবাৰ দুৱাৰৰ ওচৰতে লুটি খাই পৰিল।

বিজন আৰু নার্চগৰাকীয়ে ধৰা ধৰি কৰি কল্যাণক সেই ঠাইৰ পৰা আঁতৰ কৰি আনিলে।

চিকিৎসালয়ৰ বাৰান্দাৰ বেঞ্চত চিং হৈ পৰি কল্যাণে বুকু ভাঙি কান্দি থাকিল। তেতিয়া গভীৰ নিশা। ঘৰলৈকে গুচি যোৱা ভাল হ'ব নে কি? বিজনে এবাৰ ভাবি চালে। কিন্তু এই গভীৰ ৰাতি কল্যাণক তাৰ সেইটো ঘৰলৈ ঘূৰাই নিবলৈ মন নগ'ল। সি বদিৰৰ কথাও এবাৰ ভাবি চালে। ইতিমধ্যে কেইবাটাও হত্যাকাণ্ডৰ লগত জড়িত হৈ পৰা বদিৰে কেনেদৰে প্ৰতিশোধ ল'বলৈ আগবাঢ়ে কোৱা টান। দেখা দেখিকৈ নোৱাৰিলে সি সদায় পিছফালৰ পৰাই আক্ৰমণ কৰা সুযোগ বিচাৰে। এই ৰাতি এই অৱস্থাৰে কল্যাণক লৈ গ'লে

ৰদিৰক সুযোগ দিয়াহে হ'ব। যিহেতু ৰদিৰ ৰদিৰেই। ৰদিৰ ৰচিদ মিঞা নহয়।

এইবাৰ বিজনে কাঞ্চনৰ শ-টোৰ কথা ভাবিলে। শ-টো সিহঁতে সংকাৰ কৰিবলৈ হ'লে বস্তিৰ মানুহবোৰক খবৰ দিব লাগিব। খৰি-খেৰ কিনা আৰু মানুহ-দুনুহ বিচৰা—ইও বৰ জঞ্জালৰ কথা। সি এতিয়া কল্যাণকে চাব নে সেইবোৰকে কৰিব? ভাবি-চিন্তি বিজনে কাঞ্চনৰ শ-টো চিকিৎসালয় কৰ্তৃপক্ষকে চমজাই দিলে। কল্যাণৰ বাহিৰে কাঞ্চনৰ কোনো নাই বুলি জনাত কৰ্তৃপক্ষইও বিশেষ আপত্তি নকৰিলে।

পূবে ঢল কাট দিলে। বিজনে কল্যাণক ক'লে,—পৃথিৱীত জন্ম ল'লে মানুহ মৰেই। কাঞ্চন বাই দুদিন আগতে গ'ল। আমি দুদিন পিছত যাম। পাৰ্থক্য ইমানেই। মৰা শ-ৰ প্ৰতি মমতা ৰাখি লাভ নাই। গতিকে শ-টো হস্পিতেল কৰ্তৃপক্ষকে চমজাই দিলোঁ। আমি এতিয়া যাওঁগৈ ব'ল।

মানসিক ভাৰসাম্য হেৰুওৱা মানুহৰ দৰে কল্যাণে চিঞৰি উঠিল,—মই নাযাওঁ বিজনদা মই নাযাওঁ। মই মাক ইয়াত এৰি থৈ কলৈকো যাব নোৱাৰোঁ। মই মা-ৰ লগত মৰিশালীলৈ যাম। মা-ক মই মৰিবলৈ নিদিওঁ। মা মৰিলে মোৰ কি বিলৈ নহ'ব। মই কাৰ লগত কাৰ ঘৰত থাকিম?

কল্যাণৰ কথা শুনি বিজনৰো দুচকু ফাটি পানী ওলাই আহিল। কিন্তু সি তেনেকৈ কান্দিবলৈ ধৰিলে কল্যাণৰ অৱস্থা অধিক বেয়া হৈ পৰিব ভাবি ক্ষন্তেকতে নিজক সংযত কৰি পেলালে। কল্যাণৰ মূৰটো পিহি দি মৰম কৰি কৰি ক'লে,—সময় থাকোতেই মই খবৰ পোৱা হ'লে হয়তো কাঞ্চন বায়ে এনেকৈ আমাক এৰি গুচি যাব লগা নহ'লহেঁতেন। এতিয়া যিহৰ বাবেই নহওক, যাৰ দোষতেই নহওক তেওঁ আমাক এৰি গুচি গ'ল। নৰ দেহ এৰি গুচি যোৱা জনক কোনেও ঘূৰাই আনিব নোৱাৰে। মযো মোৰ মা-ক ঘূৰাই আনিব নোৱাৰিলোঁ। তয়ো

নোৱাৰ কল্যাণ। মোৰো মা নাই, তোৰো মা নাই। ব'ল—আমি এতিয়া মৰা মানুহৰ কথা পাহৰি ঘৰলৈ যাওঁ।

কল্যাণে বিজনলৈ চালে। বিজনৰ কথা শুনি তাই কিছু পৰিমাণে হ'লেও নিজক চম্ভালি লোৱা দেখা গ'ল। কথাটো বুজি উঠি বিজনে অলপ খৰ ধৰ লগালে। ডাক্তৰজনক মাত লগাই, কল্যাণক লগত লৈ বিজনে পুৰাৰ শীতল পথত ভৰি দিলে।

ঘৰ পাযে মাকৰ বিচনাখনলৈ চাই কল্যাণে আকৌ হিয়া ঢাকুৰি কান্দিবলৈ ধৰিলে। তাই তেনেকৈ কন্দা শুনি চুবুৰীয়া দুই এক চাপি আহিল। কাঞ্চন মৰিল বুলি জানি চুবুৰীয়াৰ মনটো দুখ লাগিল। বিজনে আকৌ কল্যাণক ক'লে,—নাকান্দিবি কল্যাণ। কাঞ্চন বাই নাই, কিন্তু মই আছোঁ। এতিয়া তোৰ সকলো দায়িত্ব মই লৈছোঁ। তই কাৰ লগত থাকিবি—ক'ত থাকিবি, সেই চিন্তা মই কৰিম। তই কৰিব নালাগে।

কল্যাণ ক্ৰমে ক্ৰমে সংযত হৈ আহিল। ইটো সিটো কামত হাত দিলে। কল্যাণৰ মন সলনি হোৱা দেখি বিজনৰো ভাল লাগিল। ভাল লগা মনেৰে সি ভাবিলে—যিটো অলপ পলমকৈ ভাবিলেহেঁতেন সেইটো অলপ সোনকালে ভাবিব লগা হ'ল। কল্যাণক আৰু অকলে এৰিব নোৱাৰি। তাইক সি চিৰদিনৰ বাবে বৰুৱা ভৱনলৈ লৈ যাব। বিজয় বৰুৱাক সবিশেষ বুজাই কৈ তাইক বোৱাৰীৰ মৰ্যাদা দিযাব

## ছয়

দূৰৈৰ কাঁহত দুকোব পৰিল। নিশা দুই বাজিছে।

এই দুই বজালৈকে বিজয় বৰুৱাৰ চকুত টোপনি নাই। তেওঁ শুব পৰা নাই। এবাৰ চকু মেলিছে, এবাৰ চকু জপাইছে। এবাৰ সোঁকালে বাগৰিছে, এবাৰ বাওঁকালে বাগৰিছে। এবাৰ ওপৰ মুখ হৈছে, এবাৰ বিচনাতে বহি পৰিছে। বিজয় বৰুৱাৰ আজি এনেহে লাগিছে যেন ইয়াৰ পিছত আৰু কোনোদিন তেওঁৰ চকুলৈ টোপনি নাহিব। তেওঁ যেন আৰু কোনো দিনে শুব নোৱাৰিব।

বৰুৱা আজি এটা সংকটৰ সন্মুখীন হৈছে। তেওঁ আজি মহাসংকটত পৰিছে। কিবা প্ৰকাৰে যদি তেওঁ এই সংকটৰ পৰা ৰক্ষা নপৰে তেনেহলে নিৰ্ঘাত তেওঁ মৃত্যু বৰণ কৰিব লাগিব। তেওঁ আত্মহত্যা কৰিব লাগিব।

বৰুৱাৰ কোঠাটোৰ ঠিক ওপৰৰ ঘৰৰ ছালত সৰু সৰুকৈ শব্দ কেইটামান হ'ল। তেওঁ কাণ দুখন সজাগ কৰিলে। কাণ দুখন সজাগ কৰাৰ লগে লগে বৰুৱাৰ এনেহে লাগিল—ঘৰৰ ছালত সেয়া শব্দ নহয়, সেয়া যেন কোনোবাই অহা যোৱাহে কৰিছে।

—কোন? বৰুৱাই মনৰ মাজতে প্ৰশ্ন কৰিলে।

—কাঞ্চন। বৰুৱাই নিজৰ মনৰ পৰাই উত্তৰ পালে।

—তই তই কিয় আহিছ? তোক কোনে ইয়ালৈ মাতিছে? তোক মই গুলি কৰি মাৰিম। তোক নমৰালৈকে মোৰ শান্তি নাই। তোৰ লগত সম্পৰ্ক ঘটাই মই বৰ ভুল কৰিলোঁ। মোৰ মোৰ বৰ ভুল হ'ল।

বৰুৱাই আকৌ নিজৰ মনতে চিঞৰিলে।

অলপ পিছতে ঘৰৰ ছালত কাঞ্চনৰ সঁচা সঁচিকৈ খিল খিলাই হাঁহা

যেন লাগিল বিজয় বৰুৱাৰ। হাঁহি মাৰ যোৱাৰ পিছত যেন কাঞ্চনৰ কণ্ঠত বাজি উঠিল : কি হৈছে মালিক বাবু ঘূম নাই আহিছে নহয়? কিন্তু কিয় আপোনাৰ ঘূম নাই আহিব? ঘূম নাহিবলৈ আপোনাৰ কি হৈছে? কল্যাণক দেখিয়েই আপোনাৰ ঘূম পলাই পত্ৰং দিছে নহয়? আপুনি মাথা তললৈ কৰক বাবু। কল্যাণ আপোনাৰ ছোৱালী। কল্যাণ আপোনাৰ ঘৰত না থাকি হিতেন চাহাবৰ ঘৰত থাকিবগৈ নে?

ঘপহ্ কৰে বৰুৱা বিচনাতে বহিল। তেওঁ উঠি বহাৰ লগে লগে কাঞ্চনৰ মাতটো মুগুনা হৈ থাকিল। বৰুৱাই ইফালে সিফালে চাই মনৰ মাজতে চিঞৰিলে : এই কথা হ'ব নোৱাৰে। কল্যাণক মই মোৰ ঘৰত ঠাই দিব নোৱাৰোঁ। কল্যাণক মোৰ ঘৰত ঠাই দিলে মই জয়শ্ৰীৰ ওচৰত ধৰা পৰি যাম। মই পাৰিজাতৰ ওচৰত ধৰা পৰি যাম। মই বিজনৰ ওচৰত ধৰা পৰি যাম। মোক মোৰ চাৰিওফালৰ সমাজেও ধৰা পেলাই দিব। কিন্তু মই কাৰো ওচৰত ধৰা পৰিবলৈ নিবিচাৰোঁ। মই বিজয় বৰুৱা হৈ থাকোঁ। মই কল্যাণৰ দেউতাক হ'বলৈ নিবিচাৰোঁ। মই কল্যাণৰ দেউতাক নহওঁ।

আঠুৱাথন দাঙি বৰুৱা বিচনাৰ পৰা নামি আহিল।

হঠাৎ আকৌ কাঞ্চনৰ সেই অশৰীৰী স্বৰ : হ'বই লাগিব। হ'বই লাগিব!!

—তোক মই এতিয়াই গুলিয়াম।

সজোৰে চিঞৰি বিজয় বৰুৱাই দুৱাৰখন মেলি বাহিৰলৈ ওলাই আহিল। ডাউনস্টেয়াৰৰ ওচৰৰ পৰা তেওঁ ওপৰলৈ চাবলৈ যত্ন কৰিলে। কি জানি ঘৰৰ ছালত সঁচাকৈয়ে কাঞ্চন বগাই ফুৰিছেহি। কিন্তু তেওঁ ছালখন নেদেখিলে। কাঞ্চনো তেওঁৰ দৃষ্টিগোচৰ নহ'ল।

খটখটিয়েদি কোনোবা খৰ খৰকৈ অহা যেন পাই বৰুৱাই অলপ টানকৈয়ে মাত দিলে—কোন?

সিফালৰ পৰা উত্তৰ আহিল,—দেউতা মইহে। দয়াৰাম। মাত লগোৱা যেন পালোঁ। বোলো ইমান নিশানো মাতিলে কিহলৈ? মই যে সাৰ পাই আছোঁ এই কথাকেনো জানিলে কেনেকৈ? দেউতাই যাদু-তাদুহে শিকিলে যেন পাওঁ।

উত্তেজনাবশতঃ চিঞৰ মাৰি দি কি ভুল কৰিলে বকুৰাই এতিয়াহে বুজি পালে। কিন্তু তেওঁ দয়াৰামৰ ওচৰত ধৰা দিবলৈ নিবিচাৰিলে। সেয়ে কৌশলী কায়দাত বকুৰাই কৈ উঠিল,—মাজতে তই কাহ মৰা যেন লাগিল। সেই কাৰণে সাৰ পাই আছ বুলি ভাবি মাত দিলোঁ। মই এই অলপ আগতে সাৰ পাই বাহিৰলৈ আহিলোঁ। বুঢ়া হৈ আহিছোঁ নহয়, শেষ নিশা টোপনি বৰ দকা দমকা হয় অ' দয়াৰাম।

বকুৰাই দয়াৰামৰ ফালে পিঠি দি কৰিড'ৰটোৰ ফালে আগ-বাঢ়িল। তেওঁ পলাবলৈ বিচাৰিছিল যদিও দয়াৰামে তেওঁক এৰি নিদিলে। বকুৰাৰ পিছে পিছে গৈ থাকি সি ক'লে,—মোৰো আজি টোপনি তেনেই কেচেলৰা দেউতা। ঘণ্টাই ঘণ্টাই সাৰ পাইছোঁ বুলিব লাগে। তাই ছোৱালীজনীও শোৱাই নাই। উৰাই ঘূৰাই কান্দিছে। মাকলৈ মনত পৰিছে চাগে দেহি। তাই তেনেকৈ কান্দি থকা বাবে মোৰো অনতৰখন দেউতা মৰি গৈছে যেন।

বিজয় বকুৰাই দয়াৰামৰ ফালে জোৰেৰে মখথন ঘূৰাই ক'লে— তাইলৈ তোৰো মৰম উপজিল নে?

দয়াৰামে তপৰাই মাত লগালে,—নুপজিবনে দেউতা?

বকুৰাই মনৰ ভিতৰতে ক'লে: তইঁত আটাইবোৰ একে। তইঁতৰ মৰম উপজিল বুলিয়েই মোৰো উপজিব নে? মোৰ মৰম নোপজে। মোৰ অন্তৰত সেইজনী ছোৱালীৰ বাবে কোনো ঠাই নাই। মই তাইক এতিয়াই মাৰি পেলাবগৈ পাৰোঁ।

বকুৰাই দয়াৰামলৈ আকৌ পিঠি দিলে। ফুটাই ক'লে—নিশাৰ এই বতাহ ছাটি মোৰ বৰ ভাল লাগে। মই বাহিৰতে অলপ ৰওঁ। তই শুই থাকগৈ যা। ছোৱালীজনীয়ে কান্দি আছে যদি নাকান্দিবলৈ ক'বি।

—ক'ম ক'ম, কোলেইনো নক'ম। মাক মৰা ছোৱালী দেহি।

কথাষাৰ কৈ বকুৱাক এৰি দযাৰাম গুচি আহিল। দযাৰামৰ কালে চাই বকুৱাই নিজৰ জিভাখনকে চেঁপা মাৰি ধৰিলে। দযাৰামৰ ওচৰত অভিনয় কৰিবলৈকে শেষৰ কথাষাৰ ক'লে যদিও কথাষাৰ কৈ বকুৱাৰ ডাঙৰ ভুল এটা কৰা যেনহে লাগিল। তেনে এষাৰ কথা কোৱাৰ বাবে তেওঁৰ মুখখন ধুই পেলাবলৈ মন গ'ল। মুখ ধোৱাৰ উপায় নেদখি তেওঁ থুখিনিকে তললৈ পেলাই দিলে।

বকুৱা এখোজ দুখোজকৈ পিছফালৰ বাৰান্দা পালেগৈ।

সদাই আবেলি আবেলি বহা হেলনীযা চকীখনতে গাটো পেলাই দিলে। তাল গছ কেইজোপাত নিশাচৰ চৰাই এটাই প্ৰথমতে ধপ্ ধপাই উঠি পিছত উৰি গ'ল। বকুৱাৰ এনেহে লাগিল যেন তেওঁৰ প্ৰাণটোৱেহে প্ৰথমতে ধপ্ ধপাই উঠি পিছত দেহটো এৰি গুলাই গৈছে। তেওঁ ভযে ভযে গছ কেইজোপালৈ চালে।

বিগত দিনটোৰ দৃশ্যবোৰ এটা এটাকৈ তেওঁৰ চকুৰ আগত ভাঁহি উঠিল—

দেওবাৰ। গতিকে অফিচ বন্ধ। ওপৰ মহলাৰ আগফালৰ বাৰান্দাত বহি প্ৰায গোটেই দিনটো তেওঁ বিজনৰ আগমনৰ বাবে বৈ আছিল। বিজন আজি চাৰিদিন ঘৰলৈ অহা নাই। আগতেও এনেদৰে নহাকৈ থাকে, কিন্তু কৈ মেলিহে থাকে। এইবাৰ নোকোৱাকৈয়ে সি চাৰিদিন নহাকৈ থাকিল। তাৰ বাবে বকুৱাৰ চিন্তাই হৈছে। ই মৃগেন হাজৰিকাই ৰাজনীতিত লগাই দি ল'ৰাটো তেনেই নষ্ট কৰিলে। ক'ত বা তলৌ তলৌ ঘূৰি ফুৰিছেগৈ।

বকুৱাই এতিযা ক'লৈ বিচাৰি যাব? ৰচিদ মিঞাই ক'লে বোলে সি তাক বাসন্তীৰ লগত ৰিক্সাত ঘূৰা দেখিছিল। সেইমতে পুৱাবেলাই বকুৱাই বাসন্তীক লগ ধৰি খবৰ কৰি আহিল। কিন্তু বাসন্তীয়ে তেওঁক বিজনৰ কোনো সম্ভেদ দিব নোৱাৰিলে। 'ক'ব নোৱাৰোঁ।' বুলি কৈ মুখখন গোমোঠা কৰি তাই আঁতৰি গ'ল। বাসন্তীৰ পৰা কোনো

সম্ভেদ নাপালেও সুখী মন এটা লৈয়ে বৰুৱা ঘৰলৈ ঘূৰিল। বিজনৰ লগত যে বাসৱী বিস্নাত উঠিছে এইটো তেওঁৰ বাবে কম ভাল খবৰ নহয়। আচলতে বাসৱীয়ে কিজানি বিজনকে ভাল পায়। ত্রিলোচনৰ লগত কিজানি তাই অভিনযহে কৰিছিল।

বাসৱীহঁতৰ ঘৰৰ পৰা ঘৰলৈ ঘূৰি আহোঁতে বৰুৱাই সেইদিনাৰ কাণ্ডটো কৰি পেলোৱাৰ বাবে নিজাকে নিজে ধিক্কাৰ দি আহিল। দেহি ত্রিলোচনটোৱে তেওঁৰ পৰা অযথা গালিগন খালে। ডেকা মানুহ, ছোৱালীজনী আছে বাবে আহে। এবা, কথাবোৰ তাক তেনেদৰে খেচ্ খেচ্ কৰে নকৈ ধীৰে-স্থিৰে বুজাই দিয়া হ'লেও হ'লহেঁতেন। ত্রিলোচন কিবা সুবুজা ল'ৰানে?

ঘৰ পাই সময় বাঢ়ি যোৱাৰ লগে লগে, বৰুৱাৰ পাতনি অহা চিন্তাৰ বোজাটো আৰো গধুৰ হৈ আহিল। ক'লৈ গ'লগৈ ল'ৰাটো?

আবেলি এইখন চকীত বহিও বৰুৱাই বহুত সময় তাৰ কথাকে ভাবিলে। থানাতে খবৰ এটা দিয়া ভালনে কি? যদি গধূলি ওলাই যাযহি?

চিন্তিত মনেৰে সন্ধ্যাৰ আগে আগে বৰুৱা আগফালৰ ফুলনিখনলৈ আহিল। জকমকাই থকা ফুলবোৰ দেখি তেওঁৰ ভাল লাগিল যদিও আন কিছুমান কথা ভাবি তেওঁৰ মনটো বেযাও লাগিল। ফুলনিৰ মাজত থিয় হোৱাৰ লগে লগে চাঁৎ কৰে তেওঁৰ জযশ্রীলৈ মনত পৰিল জয়শ্রীৰ ঠাইত এবাৰ তেওঁ পাৰিজাতকো ফুলনিখনলৈ আনিলে। পাৰিজাতৰ লগে লগে বাসৱীও ফুলনিৰ মাজলৈ আহিল।

এবাৰ তেওঁ বিজন আৰু বাসৱীক ফুলনিৰ মাজত একেলগে দেখিলে। পিছ মুহূর্ততে কি যে হৈ গ'ল বৰুৱাৰ মনটো—বিজনৰ ঠাইত তেওঁ হৈ পৰিল আৰু বাসৱী সলনি হৈ পাৰিজাত হৈ পৰিল।

ধেৎ, বৰুৱাৰ নিজৰে কিবা কিবা লাগি গ'ল।

জযশ্রীয়ে ভালপোৱা খৰিকা-জাই জোপাৰ ওচৰলৈ গৈ বৰুৱাই

গোটেই কথাবোৰ আকৌ এবাৰ জুকিয়াই চালে। জয়শ্ৰী থকা হ'লে তেওঁৰ হয়তো এনে নহ'লহেঁতেন। জয়শ্ৰী নথকাটোৱেই যত অনৰ্থৰ মূল। জয়শ্ৰী থকা অৱস্থাত পাৰিজাতৰ কথা বৰুৱাৰ মনলৈ ইমানকৈ নাহিছিল। নাহিছিল বাসৰীৰ কথাও। জয়শ্ৰী নোহোৱাৰ পৰা তেওঁ নিসংগ হৈ পৰাৰ পৰাহে এই কথাবোৰ বৰকৈ মনলৈ আহিবলৈ ধৰিলে।

এবা! বৰুৱাক এটা সংগ লাগে।

সময় তেতিয়া সন্ধ্যা লাগিছিল।

বিজয় বৰুৱা থৰিকাজাই জোপাৰ ওচৰৰ পৰা আঁতৰি আহিছিল।

তেওঁৰ আকৌ বিজনলৈ মনত পৰিছিল।

তেওঁ বাৰে বাৰে পদূলিমুখলৈ চাইছিল।

এনেতে বৰুৱাৰ পদূলিত দুখন ৰিক্সা ৰ'লহি। কোন আহিলনো বুলি তেওঁ তীক্ষ্ণ দৃষ্টিৰে চালে। দেখিলে প্ৰথমখন ৰিক্সাত কোনো যাত্ৰী নাই। যাত্ৰীৰ সলনি ৰিক্সাখনত কিছুমান টালি-টোপোলাহে অনা হৈছে। দ্বিতীয়খন ৰিক্সাৰ পৰা বিজন নামিল। বিজনৰ পিছতে বৰুৱাই ছোৱালী এজনী নামি অহা দেখিলে। ছোৱালীজনীক প্ৰথম ত তেওঁ বাসৰী বুলিয়েই ভাবিছিল। পিছে ভালকৈ চাই দেখে বাসৰী নহয়।

বিজন আৰু ছোৱালীজনী লোৰ জপনাখনৰ ওচৰলৈ আহিল। বৰুৱাও ফলনিৰ পৰা কেইখোজমান আগবাঢ়ি গ'ল। তেওঁ ছোৱালীজনী চিনি পালে। চিনি পায়ে বৰুৱাই চিঞৰি উঠিল, তোৰ লগত এই ছোৱালীজনীক মোৰ ঘৰলৈ কিয় আনিছ? এইৰ লগত তোৰ কি সম্পৰ্ক?

বিজনে অলপ নম্ৰ ভাৱে ক'লে,—কল্যাণৰ বৰ বিপদ দেউতা। আজি চাৰি দিনৰ আগতে কাঞ্চন বাই কলেৰাত পৰি ঢুকাল। মাকৰ অবিহনে কল্যাণ তাত অকলে কেনেকৈ থাকিব? সেয়ে আমাৰ ঘৰলৈকে লৈ আহিলোঁ। আপোনাৰো লগ এটা হ'ব—

বিজনৰ কথা শুনি বৰুৱাৰ খঙ চুলিৰ আগ পালেগৈ। খঙেৰে তেওঁ চিঞৰি চিঞৰি কবলৈ ধৰিলে—অ' আজি চাৰি দিনে ঘৰলৈ নাহি এইবাৰক কৰি ফুৰিছগৈ নহয়? কিন্তু মনত ৰাখিবি—এইখন মোৰ ঘৰ। মোৰ ঘৰত মই যাক থাকিবলৈ দিম সিহে থাকিব পাৰিব। বাটৰুৱা ছোৱালীৰ বাবে মোৰ ঘৰত ঠাই নাই।

দেউতাকৰ প্ৰতি বিজনে আকৌ নম্ৰ ভাৱেৰেই ক'লে—কল্যাণৰ প্ৰতি আপুনি অলপ সদয় হওক দেউতা। তাইক আপুনি বাটৰুৱা ছোৱালী বুলি নক'ব। কল্যাণ কাঞ্চনৰ ছোৱালী। আৰু কাঞ্চন আমাৰ কাঞ্চনৰ ছোৱালী বাবেই কল্যাণক আপুনি মৰমৰ চকুৰে চোৱা উচিত।

—নেভাৰ, নেভাৰ, নেভাৰ।—বিজয় বৰুৱাই আকৌ চিঞৰি উঠিল,—কাঞ্চন আমাৰ কোনো নহয়। কাঞ্চনৰ ছোৱালীক আমি কোনেও মৰমৰ চকুৰে চোৱা উচিত নহ'ব। মাক থাককেই বা নাথাককেই, তাইক মই ঘৰ সজাই দিছোঁ তাইক তালৈ—তাইৰ ঘৰলৈ পঠাই দে।

কিন্তু কাঞ্চনক সজাই দিয়া সেই ঘৰ-দুৱাৰ সকলো বেচি দিয়া হৈছে।

—পিছে তাতে কি হ'ল, ঘৰ নাই মুকলিত থাকিব। গছৰ তলত থাকিব।

—কিন্তু দে-উ-তা।

—ইয়াত কোনো কিন্তু নাই, কোনো কিন্তু নাই।

বিজনৰ মুখৰ চেহেৰা কিছু সলনি হ'ল। এইবাৰ সি গম্ভীৰ আৰু দৃঢ় কণ্ঠেৰে ক'লে আপুনি মানুহৰ দৰে কথা কওক দেউতা। মদমত্ত জন্তুৰ দৰে নিচিঞৰিব। কল্যাণ আমাৰ ঘৰৰ পৰা ঘূৰি নাযায়। কল্যাণ আমাৰ ঘৰত সদায় থাকিব। কল্যাণৰ প্ৰতি এইখন ঘৰৰ এটা নৈতিক দায়িত্ব আছে। তাই অকল কাঞ্চনৰ ছোৱালীয়েই নহয়, তাই কাঞ্চন দীনদয়াল দুয়োটাৰে ছোৱালী।

বিজনৰ কণ্ঠৰ গাম্ভীৰ্য আৰু দৃঢ়তাত বৰুৱাৰ গা'টো চেঁচা পৰি অহা যেন লাগিল। তেওঁৰ ভৰিৰ তলৰ পৃথিৱীখন যেন তীব্ৰ গতিত কঁপি উঠিল। তেওঁ দীনদয়ালৰ অশৰীৰী কণ্ঠস্বৰ শুনিবলৈ পালে,ঃ হোঃ হোঃ হোঃ হাঃ হাঃ হাঃ কি হৈছে চাৰ ? এইবোৰ আপুনি কি কৰিছে ? আপুনি বিজনক কৈ নিদিয়ে কিয় যে দীনদয়াল পুৰুষত্বহীন, তাৰ কোনো ল'ৰা-ছোৱালী হ'ব নোৱাৰে। কল্যাণ পৃথিৱীলৈ অহা বাবে সি জগৰীয়া নহয়। হাঃ হাঃ হাঃ

কঁপা খোজেৰে বৰুৱা বিজনৰ ওচৰ চাপি গ'ল। এইবাৰ সৰু সৰুকৈ ক'লে,—কল্যাণ সদায় থাকিব,—কল্যাণৰ প্ৰতি নৈতিক দায়িত্ব ? তই এইবোৰ কি কৈছ বিজন ? তোক এইবোৰ কথা এইদৰে ক'বলৈ কি কাঞ্চনে শিকাই গৈছে ?

একেই দৃঢ়তাৰে বিজনে দেউতাকৰ প্ৰশ্নৰ উত্তৰ দিলে,—মই উচিত কথাহে কৈছোঁ। এইবোৰ কথা ক'বলৈ কোনেও মোক শিকাই যোৱা নাই। কোনেও শিকাই নোযোৱাকৈয়ে, কোনেও কৈ নোযোৱাকৈয়ে মই কথাবোৰ বুজি পাইছোঁ,—কথাবোৰ জানিব পাৰিছোঁ।

বৰুৱাই আকৌ চিঞৰি উঠিল,—কাঞ্চনে যদি কৈ যোৱা নাই তেতিয়া হ'লে তই একোকে বুজি পোৱা নাই। তই একো জনা নাই। তই একো বুজি নাপাবি, তই একো নাজানিবি। তই একো নাজান তই একো নাজান।

কৈ কৈ বৰুৱা বাৰান্দাৰ ফালে আগবাঢ়িল। পিছ বাৰান্দাত বৈ থকাটো নিৰাপদ যেন নেদেখি পোনে পোনে তেওঁ ওপৰ মহলাৰ নিজা কোঠা পালেগৈ। তেওঁৰ বৰ বিপদত পৰা যেন লাগিল। বিপদৰ পৰা ৰক্ষা পৰিবৰ উপায় বিচাৰি বৰুৱা কোঠাটোৰ ইফালে সিফালে ঘূৰি ফুৰিবলৈ ধৰিলে। উপায় নাপাই তেওঁ আকৌ খটখটিযেদি তললৈ নামি আহিল।

যিটো কোঠাত মাকৰ লগত আগতে এবাৰ কল্যাণ থাকি গৈছিল বিজনে আকৌ তাইক সেইটো কোঠাকে চমজাই দিলে। তাই লগত

অন্য বস্তুবোৰ নিৰ্বিকাৰ চিত্তে পৰিপাটিকৈ সজাই থবলৈ লাগিব। বিজনে তাইক ইটো সিটো সহায় কৰি দিলে।

কোঠাটোৰ ওচৰলৈ আহি বিজয় বৰুৱাই গেট আউত, গেট আউত কৈ চিঞৰিব খুজিছিল। কিন্তু বিজনক দেখি তেওঁ কোনো ধৰণৰ চিঞৰ বাখৰ নকৰিলে। ঘোপ্ ঘোপ্ কৰে ভিতৰলৈ গৈ তেওঁ কল্যাণৰ হাতত বাহিৰলৈ উলিয়াই গতা মাৰি দিবৰ বাবে থাপ মাৰি ধৰিলে। কিন্তু আৰু জোৰেৰে থাপ মাৰি ধৰি বিজনে বৰুৱাৰ হাতখন কল্যাণৰ হাতৰ পৰা আঁতৰ কৰি দিলে। ক'লে,—ছিঃ ইমানখিনিলৈ আগবাঢ়িবলৈ আপোনাৰ বেয়া নালাগিলনে দেউতা? মই আপোনাক ইমান নীচ বুলি ভবাই নাছিলোঁ।

—কি, তই মোক নীচ বুলি ক'লি? অৱশেষত তয়ো মোক

বৰুৱা কোঠাৰ পৰা ওলাই আকৌ ওপৰলৈ উঠি গ'ল। জয়শ্ৰী ঢুকাবৰ আজি প্ৰায় চাৰে চাৰি বছৰৰ পিছত তেওঁ বিচনাত পৰি কান্দি দিলেগৈ। বৰুৱাই নিৰ্জন হাবিত কান্দি থকা অসহায় শিশুৰ দৰে ভালে পৰলৈ কান্দিয়েই থাকিল।

তাল গছ কেইজোপাৰ পৰা ধপ্ ধপাই উৰি যোৱা চৰাইটো আকৌ ঘূৰি আহি ধপ্ ধপাই তাতে পৰিলহি। বৰুৱাই সেইফালৰ পৰা চকু ঘূৰাই আনিলে। গাল দুখন তিতা যেন লগাত তেওঁ চুই চালে। দুচকুৰ পৰা লোতক বাগৰিছে।

ঘপহ্ ক'ৰে বৰুৱা হেলনীয়া চকীখনৰ পৰা উঠিল। কেইখোজমান ইফাল সিফাল কৰি তেওঁ নিজৰ মনক বুজনি দিলে: এতিয়া কান্দিলে নহ'ব। এতিয়া দুৰ্বল হলে নহ'ব। এতিয়া মৰমিয়াল হ'বলৈ গ'লে নচলিব। এতিয়া সবল হ'ব লাগিব। এতিয়া নিৰ্দয় হ'ব লাগিব। এতিয়া নিষ্ঠুৰ হ'ব লাগিব। সেযে যদি নহৱ বিজয় তই হাৰি যাবি তই ধৰা পৰি যাবি তই যাৰে তাৰে হাঁহিযাতৰ পাত্ৰ হ'বি।

নিষ্ঠুৰ হ তই নিৰ্দয হ।

অকস্মাতে বৰুৱাই কৰিড'ৰটোৰ সিফালে বিজনৰ কোঠাৰ ওচৰত

এটা ছাঁ দেখিবলৈ পালে। তেওঁ ধীৰে ধীৰে আগবাঢ়ি গ'ল। বৰুৱা যি গতিৰে আগবাঢ়িছিল ঠিক একেই গতিৰে ছাঁটো বিজনৰ কোঠাৰ ফালে আগবাঢ়ি আহিল। বৰুৱাই তীক্ষ্ণ দৃষ্টিৰে লক্ষ্য কৰি দেখিলে যে ছাঁটো কোনোবা তিৰোতাৰ। কিন্তু কাৰ? কল্যাণৰ? কাঞ্চনৰ ?? জয়শ্ৰীৰ ???

তাল গছত তৃতীয় বাৰৰ বাবে চৰাইটোৱে ধপ্ ধপাই উঠিল।

বৰুৱাই সেইফালে চাই চাঁৎ কৰে ছাঁটোৰ ফালে চকু ঘূৰাই আনিলে। এইবাৰ তেওঁ চকা মকাকৈ জয়শ্ৰীক তেওঁৰ কোঠাৰ ভিতৰলৈ সোমাই যোৱা যেন দেখা পালে। বৰুৱাৰ গাৰ নোমবোৰ ডাল ডাল হ'ল। এযা তেওঁৰ চকুৰ আগত কি ভৌতিক কাণ্ড ঘটিব ধৰিছে? কি কৰিব কি নকৰিব একো স্থিৰ কৰিব নোৱাৰি অপলক নেত্ৰে আৰু খুব সাৱধানেৰে বৰুৱাই দুৱাৰখনৰ ফালে চাই থাকিল।

কোঠাৰ ভিতৰত হোৱা এটা সৰু শব্দই বিজয় বৰুৱাৰ কাণৰ পৰ্দাত খুন্দা দিলেহি। তেওঁ দুখোজ আগলৈ গৈ তিনিখোজ পিছুৱাই আহিল। যদি সঁচাকৈয়ে জয়শ্ৰীৰ প্ৰেতাত্মা আহি তেওঁৰ কোঠাত ঘূৰি ফুৰিছেহি? প্ৰেতাত্মা আৰু মানুহৰ সহ অৱস্থান সম্ভৱপৰ জানো?

বিজয় বৰুৱাৰ মূৰলৈ আন এটা চিন্তা আহিল। জয়শ্ৰীৰ প্ৰেতাত্মা নহৈ সেইজনী কল্যাণীটো হ'ব পাৰে। যদি কল্যাণেই জয়শ্ৰীৰ দৰে হৈ তেওঁৰ কোঠাৰ ভিতৰলৈ আহিছে?

কল্যাণ!

কল্যাণ!!

কল্যাণ!!!

—কল্যাণ তেওঁৰ কোঠালৈ কিয় আহিব লাগে? তেওঁৰ কোঠাত কল্যাণৰ কি প্ৰয়োজন?

খৰ খোজেৰে বৰুৱা নিজৰ কোঠাৰ ওচৰলৈ আহিল। দুৱাৰখন ঠেলা মাৰি ভিতৰলৈ চালে। দেখিলে, আলমাৰিটোৰ ওচৰত দুৱাৰৰ ফালে

পিঠি দি তিৰোতাজনী বৈ আছে। ভয়তে বৰুৱাই মুখখন বাহিৰলৈ উলিয়াই আনিলে।

ক্ষন্তেক বৈ বৰুৱাই মৰসাহ কৰি আকৌ কোঠাৰ ভিতৰলৈ ভুমুকিয়াই চালে। দেখিলে, কল্যাণে দুৱাৰৰ ফালে মুখ ঘূৰাইছে। তাইক চিনি পাই বৰুৱাই গৰজি উঠিল,—তই তই ইয়ালৈ কিয় আহিছ? তোক ইয়াত কি লাগে? তই চোৰ। তোক মই তোক মই এতিয়াই

কল্যাণে অলপ হঁহাৰ নিচিনা কৰি ক'লে,—আৰু সেই কাৰণেই মই চোৰৰ দৰে আপোনাৰ কোঠালৈ আহিব লগা হ'ল। মই জানো— এতিয়াই বা অলপ পিছতে বা দুদিনৰ পিছাত আপুনি মোক গুলিযাই মাৰিব। গতিকে তাৰ প্ৰতিবিধানৰ বাবেই মই চোৰৰ দৰে

—তই চোৰ। মোৰ অনুপস্থিতিত মোৰ কোঠাত মনে মনে সোমোৱা বাবে তোক মই পুলিচত দিম। তোক মই এৰেষ্ট কৰোৱাম। তোক মই

কৈ কৈ বৰুৱাই অলপ জোৰেৰে আলমাৰিটোৰ দুৱাৰখন খুলিলে আৰু ৰিভলভাৰটো বিচাৰিলে। দেখি কল্যাণে ক'লে,—আলমাৰিটোৰ এপটা খোলাই আছিল। মইহে জপাই থৈছোঁ। মই যিটো বস্তু বিচাৰি গোটেই কোঠাটো চলাথ কৰিব লাগিলহেঁতেন, আলমাৰিৰ খোলা পটাটোৰেদি অতি সহজেই মোৰ চকুত পৰিল। ৰিভলভাৰটো মই মোৰ হাতলৈ আনিলোঁ।

বৰুৱাই সজোৰে মুখ ঘূৰাই কল্যাণলৈ চালে। তাই পিছুৱাই আহি দুৱাৰৰ ওচৰ পালেহি। বৰুৱাই চিঞৰিলে,—লোকৰ বস্তু তেনেদৰে নিবলৈ লাজ নালাগিল? তোক মই

কল্যাণে বৰুৱাৰ ফালে ৰিভলভাৰটো পোনাই ক'লে,—অনুগ্ৰহ কৰি আপুনি এখোজো আগ নাবাঢ়িব।

বৰুৱা বৈ গ'ল। কল্যাণ কোঠাৰ পৰা বাহিৰলৈ ওলাইছিল। তেনেতে বিজনে তাইক বাট ভেটি ধৰিলে,—মই সকলো কথা শুনিছোঁ। এই দুঃসাহসৰ বাবে কল্যাণে সঁচাকৈয়ে প্ৰশংসা পাব লাগে। কিন্তু

কল্যাণ, তই এইটো ভাল কাম নকৰিলি। ৰিভলভাৰটো এনেকৈ অপহৰণ কৰাৰ কোনো প্ৰয়োজন নাছিল। দেউতাই যদি তোক-মোক মাৰেই—তেনেহ'লে মাৰিবলৈ দে। জন্ম ললোঁ যেতিয়া এদিন মৰিবই লাগিব।

কৈ কৈ বিজনে ৰিভলভাৰটো কল্যাণৰ হাতৰ পৰা নিজৰ হাতলৈ ল'লে। পিছত বৰুৱাক ঘূৰাই দি ক'লে,—লওক দেউতা। মাৰিব খুজিছে যদি মাৰক। কিন্তু অকল কল্যাণক মাৰিলেই নহ'ব. কল্যাণৰ লগতে মোকো আপুনি মাৰিব লাগিব। যিহেতু কল্যাণ আৰু মোৰ আত্মাৰ মিলন হৈছে। আমি অগ্নি পাণেইৰ দৰে হৈ পৰিছোঁ। আমাৰ বিয়া হ'ব।

—বিয়া? তহঁতৰ বিয়া হ'ব? বিজয় বৰুৱাই চিৎকাৰ কৰি উঠিল,—তই এই বাটৰুৱা ছোৱালীজনীক বিয়া কৰাবি? তোৰ মান-মৰ্যাদা নাই? তোৰ বংশৰ মান-মৰ্যাদা নাই?

বিজয় গম্ভীৰ হ'ল। দৃঢ় স্বৰেৰে ক'লে,—আছে। থাকিলেও মই সেই অপ্ৰয়োজনীয় অলংকাৰ বোৰ লৈ অহংকাৰ কৰিব নোখোজো। কাঞ্চন আৰু দীনদয়ালৰ প্ৰতি সুদূৰ অতীতত আপুনি যি অন্যায় কৰিলে—সেই অন্যায়ৰ প্ৰতিবাদ কৰিবলৈকে মই কাঞ্চন আৰু দীন-দয়ালৰ একমাত্ৰ ছোৱালী কল্যাণক বিয়া কৰাম। মই কাৰো বাধা নামানো।

হোঃ হোঃ হোঃ হাঃ হাঃ হাঃ নাপাহৰিব চাৰ, মই দীনদয়াল। সম্মানৰ বাপেক হ'ব নোৱাৰেঁ।। কাঞ্চনক পলুৱাই অনাৰ আগতেই অত্যধিক মদ্যপান আৰু নাৰী সংগৰ ফলত হোঃ হোঃ হোঃ হাঃ হাঃ হাঃ

বিজয় বৰুৱাই হাতৰ ৰিভলভাৰটো কল্যাণৰ বুকুলৈ পোনাইছিল। কিন্তু অশৰীৰী দীনদয়ালৰ স্বৰ কাণত বাজি উঠাৰ লগে লগে তেওঁৰ হাত কোঁচ খাই গ'ল। তেওঁ ভয়ে ভয়ে এবাৰ বিজনৰ চকুলৈ চালে। বিজনে কৈছে কল্যাণক যদি মাৰে তেনেহ'লে তাকো মাৰিব লাগিব

কিন্তু এনে লাগে দুয়োটাকে একেলগে নিজৰ দুটা সন্তানক তেওঁ গুলিয়াই মাৰিব ? নাই নাই, তেওঁ এই কাম কৰিব নোৱাৰে ! তেওঁ এই কাম নকৰে। কিন্তু ইহঁত যে ঋদ্ধি পাণেই হোৱা বুলি কৈছে ইহঁতৰ যে বিয়া হ'ব বুলি কৈছে তেওঁৰ নিজৰ দুটা সন্তানৰ মাজত বিয়া ? দৈহিক সম্পৰ্ক ? নাই নাই, তেনে হ'বলৈ দিব নোৱাৰি।

বৰুৱাই তেনেকৈ সিহঁতৰ চকু-মুখলৈ চাই ৰৈ থকা দেখি বিজনে সৰুকৈ ক'লে—মাৰে যদি আজিয়েই—এতিয়াই—মাৰক দেউতা।

হিঃ হিঃ হিঃ হাঃ হাঃ হিঃ হিঃ

বিজয় বৰুৱাই বেৰত ওলমি থকা জয়শ্ৰীৰ ছবিখনলৈ চালে। এক অদ্ভুত ভংগীমাৰে জয়শ্ৰীক তেওঁ তাত থিয় হৈ থকা দেখিলে। এয়া আপোনাৰ ভণ্ডামিৰ পৰিণাম। এতিয়া কোনটোক মাৰিব ? বিজনক নে কল্যাণক ?

হিঃ হিং হিঃ হিঃ হিং

জয়শ্ৰীৰ ঠাইত এইবাৰ বৰুৱাই কাঞ্চনক দেখিবলৈ পালে।

কামুক পুৰুষৰ সদায় এনেকুৱাই হয় মালিক বাবু! এতিয়া আপুনি এটাকো নামাৰিব। নিজৰ সন্তানৰ ভিতৰতে বিয়া পাতি দি আপুনি দুনীয়াত নাম ৰাখি যাওক। সিহঁতৰ বিয়া পাতি দিয়ক বি-য়া পা-তি দি-য়-ক

—কাঞ্চন। নিজক পাহৰি বৰুৱাই চিঞৰ মাৰি দিলে।

—মালিক বাবু সি-হঁ-ত-ৰ বি-যা বৰুৱাৰ কাণত প্ৰতিধ্বনিত হ'ল।

—কাঞ্চন তোক মই

—মাৰক, মালিক বাবু মোকে মাৰক

—তোক তোক বিজয় বৰুৱাই চৰম উত্তেজনাৰে ট্ৰিগাৰত টিপা দিলে। ঋণক কাৰে জয়শ্ৰীৰ ছবিখন তললৈ পৰিল।

বিজনে তীক্ষ্ণ দৃষ্টিৰে দেউতাকৰ চকুলৈ চাই ক'লে ফটোখন আপুনি কিয় নষ্ট কৰিলে দেউতা ?

বিজনৰ কথা শুনি বৰুৱাৰ সম্বিত ঘূৰিল। তেওঁ এবাৰ ছবিখন ওলমি থকা ঠাইলৈ আৰু হাতৰ বন্দুকটোলৈ চালে। বৰুৱাৰ হাতৰ মুঠিটো শিথিল হৈ আহিল। হাতখন বৰকৈ কঁপি উঠাত বিভলভাৰটো তললৈ পৰি গ'ল। জয়শ্ৰীৰ পৰি থকা ছবিখনলৈ চাই আহত কণ্ঠেৰে বৰুৱাই ক'লে,—মই মা-ৰৰ একমাত্ৰ ছবিখন নষ্ট কৰিলোঁ নহয়? কিন্তু কিন্তু

কল্যাণৰ চকুৱে চকুৱে পৰাত বৰুৱাই চিঞৰি উঠিল,—নহয় নহয়, তহঁতৰ ভিতৰত বিয়া নহয়। তহঁত কোনোদিনে জন্মি-পাণেই হ'ব নোৱাৰ। তই মোৰ কথা মানিবই লাগিব বিজন। ককায়েক আৰু ভনীয়েকৰ মাজত বিয়া নহয়। কল্যাণ মোৰহে ছোৱালী, দীনদযালৰ নহয়। সি পুৰুষত্বহীন পুৰুষ। কল্যাণ তোৰ ভনীযেৰ।

—দে উ তা । বিজনে বৰুৱালৈ চালে। বৰুৱা কঁপা খোজেৰে বিচনালৈ গৈ দীঘল হৈ পৰিল।

—ক কা ই দে উ। কল্যাণে সৰুকৈ ক'লে।

ভনী বুলি বিজনে কল্যাণক সাৱটি ধৰিলে।

বিজনৰ বাহুবন্ধনৰ পৰা এৰুৱাই গৈ কল্যাণে বৰুৱাৰ ওলমি থকা ভৰি কেইটা পোনাই দি ক'লে,—আপুনি শুই থাকক দেউতা।

বিজয় বৰুৱাই পোহৰ নোহোৱালৈকে শুই থকাৰ কথাই ভাবিলে।

## সাত

ত্ৰিলোচনে ৱাল ক্লকটোলৈ চালে। এক বাজো বাজো হৈছেহে। এতিয়াও কাতিমহীয়া দিনেৰে এদিন পৰি আছে। এনেয়ে থাকি থাকি গোটেই গাটো ছিগি যায় ভাগি যায় লাগিছে। সোমবাৰে হয়েই, সোমবাৰে ৰোগী নোচোৱাৰ নিয়মটো কৰিযেই যত গোলমাল। আজি সোমবাৰ নোহোৱা হ'লেই ভাল আছিল। এতিয়া দিনটোৰ থকাখিনি সময় কেনেকৈ কটোৱা যাব?

আগৰ দৰে হোৱা হ'লে কোনো কথা নাছিল। আগৰ দৰে হোৱা হ'লে সোমবাৰৰ এইখিনি সময়ৰ বাবে অধীৰ আগ্ৰহেৰে বাট চাই থাকিলহেঁতেন। আগৰ দৰে হোৱা হ'লে ইমান পৰে ত্ৰিলোচনে ইস্ত্ৰি কৰি থোৱা কাপোৰযোৰ পিন্ধি মৃদু সুবাসৰ বাবে সামান্য চেণ্ট্ ছটিয়াই ল'লেহেঁতেন। দুই বজালৈকে ষাঠি মিনিটৰ ভিতৰত বাষষ্টিবাৰ হাতৰ ঘড়ীটো চালেহেঁতেন। আৰু দুই বজাৰ লগে লগে বাসৰীহঁতৰ ঘৰলৈ ওলাই গ'লহেঁতেন।

গেটখনত সৰু শব্দটো হোৱাৰ লগে লগে বাসৰীৰ মুখত ওফলীয়া হাঁহিটোৰে বাৰান্দাৰ পৰা নামি পদূলিৰ ফালে আগবাঢ়ি আহি তাক ক'লেহেঁতেন,—'আহক ত্ৰিলোচনদা।' সি মিছিকীয়া হাঁহিটোৰে ধেমালিৰ চলেৰে সৰুকৈ উত্তৰ দিলেহেঁতেন,—'আহিছোঁ। কিন্তু ভয়ো লাগে নহয়। কিজানি তোমাৰ মূল্যবান সময় নষ্ট হয়। জানোচা খুৰীদেৱে খং কৰি পিছফালে গৈ কয়—হেই এইডাল, দেখিবৰ মন নাথায়। কেলেই আহে জানো।' তাৰ কথা শুনি বাসৰীয়ে মুখখন গোবৰ পাছিটোমান কৰিলহেঁতেন। ক'লেহেহেঁন,— তেনে হ'লে নাহিব যক। কাৰোবাৰ নিমন্ত্ৰণ আছে চাগে। মৃগেন হাজৰিকাৰ ঘৰলৈ অহা যোৱা আছে বুলি কিবা নাজানোনে?' ত্ৰিলোচনে তেতিয়া বাসৰীৰ বাহুটোত পিছফাৰ পৰা চিকুত মাৰি দিলেহেঁতেন। বাসৰীয়ে 'মা চোৱাহিছোন' বুলি মাকক চিঞৰিলেহেঁতেন।

চাহ-তামোলৰ পৰ্ব শেষ হোৱাৰ পিছত বাসৱী আৰু তাৰ বাবে আবেলিটো ভৰপূৰ হৈ পৰিলেহেতেন। হয় গল্প জমিলেহেতেন, নহয় দবাখেলৰ ৰজা-মন্ত্ৰীৰ খেদা খেদি লাগিলেহেতেন। ত্ৰিলোচনৰ পাগুৰি মৰা মন্ত্ৰীটোৱে বাসৱীৰ মুকুট পিন্ধা ৰজাটোক চেগ বুজি এবাৰ খাই পেলালেহেতেন। 'অঁ আকৌ আকৌ' বুলি বাসৱীযে পুনৰ খেল আৰম্ভ কৰিবৰ বাবে ৰজা-মন্ত্ৰী-হাতী-ঘোঁৰাবোৰ যথা স্থানত থাপিলেহেতেন।

বাসৱীৰ মৰমতে এইবাৰ ত্ৰিলোচনে খেলৰ কিটিপ-কৌশলবোৰ কমাই দিলেহেতেন আৰু সেই সুযোগতে বাসৱীয়ে হাতী-ঘোঁৰা-সৈন্যৰে ত্ৰিলোচনৰ মকট পিন্ধা ৰজালৈ প্ৰচণ্ড চোঁচা ল'লেহেতেন। এবাৰ বুঢ়া মন্ত্ৰীক আগবঢ়াই দি তাই ব্যঙ্গ কৰি ক'লেহেতেন—'কিং চেক। বাচাও বাচাও।' আৰু ত্ৰিলোচনে হাঁহি হাঁহি নিজৰ ৰজাক বচাই নিলেহেতেন।

কিন্তু এৰা! ত্ৰিলোচনৰ বাবে এই সকলোবোৰ কিন্তু হৈযে থাকিল। ত্ৰিলোচনৰ বাবে সেযা আজি বিগত অতীত। বেদনা ভৰা স্মৃতি।

ত্ৰিলোচন কোঠাৰ পৰা বাৰান্দালৈ ওলাই আহিল।

সময় কটাবৰ বাবে চিনেমা এখনকে চাবলৈ যাওঁ যদি—ত্ৰিলোচনে ভাবি চালে। তাৰ মনটো সেমেকি আহিল—নাই, চিনেমা চাবলৈ আজি তাৰ সমূলি মন যোৱা নাই। চিনেমা চাবলৈ গৈ মূৰৰ কামোৰণিত ভোগাতকৈ ইযাতে কিবা এটা কৰি সময় কটোৱা ভাল।

বাৰান্দাইদি আগবাঢ়ি আহি আহি ত্ৰিলোচন ভনীযেক অজন্তাৰ কোঠা পালেহি। অজন্তাই চুৰেটাৰ গুঠি আছিল। ককাযেক ওচৰ চাপি অহাত তাই ক'লে,—লেখাৰিকৈ তিনি চাৰিটামান সোমবাৰ ঘৰতে কলমটিয়াই কলমটিয়াই কটাই দিযা দেখিলোঁ। সিফালে কিবা বেযা-চেযা পোৱা-পুই নে মান-অভিমান?

ত্ৰিলোচনে অজন্তালৈ চাই ক'লে,—ঐ বনি ঘৰৰ মানুহ ঘৰত

থাকিলে যদি বেয়া পায় তেনেহ'লে মই ডকাইতৰ দলত যোগ দিওঁগৈ। মানুহৰ সন্মুখৰ ফাল আৰু পিঠি ফালহে থাকে। তই কোৱা দৰে ইফাল সিফাল নাথাকে। তোৰ ইফাল সিফাল থাকিব পাৰে, মোৰ কিন্তু নাই।

অজন্তাক অধিক আগবঢ়াৰ সুবিধা নিদি ত্ৰিলোচন অজন্তাৰ ওচৰৰ পৰা আঁতৰি আহিল। সি তাৰ নিজৰ কোঠাৰ ফালে খোজ আগবঢ়াই ভাবিলেঃ বেয়া পোৱা-পুই নে মান-অভিমান? নাই বাসৰীৰ লগত তাৰ কোনো বেযা পোৱা-পুই নাই। মান-অভিমান? বাসৰীহঁতৰ ঘৰলৈ নোযোৱাটোৱেই যদি মান-অভিমান কিবা হয় হ'ব পাৰে। কিন্তু বাসৰীহঁতৰ ঘৰলৈ বা বাসৰীৰ ওচৰলৈ সি নোযোৱা বুলি কোৱাতকৈ যাব পৰা নাই বুলি কোৱাহে বেছি সমীচীন হ'ব?

সিদিনা বাসৰীহঁতৰ ঘৰত বিজয় বৰুৱাই তাক বৰ বেযাকৈ অপমান কৰিলে। সেই বাবে বাসৰীক বা বাসৰীৰ মাকক দোষ দি লাভ নাই। সেই বাবে বাসৰীক বেযা পোৱা অৰ্থহীন। কিন্তু অপমানৰ লগতে যে বিজয় বৰুৱাই বাসৰীক বিজনলৈ বিয়া কৰোৱাৰ কথা ক'লে ইয়াৰ বাবে দোষ কাৰ? বাসৰীৰ নে বাসৰীৰ মাকৰ। নে সকলো দোষ বিজয় বৰুৱাৰ?

বিজয় বৰুৱাই বাসৰীক বিজনলৈ বিয়া কৰোৱা কথা তেনেকৈ কিয় ক'লে? কিয় তেনেকৈ ক'ব পাৰিলে? বিজনৰ যদি তেনে এটা আশা আছেই—বাসৰীয়ে স্পষ্টকৈ আশাভঙ্গ কৰি দিয়া নাই কিয়? নে বাসৰীৰ মনতো বিজনৰ প্ৰতি কিবা আশাৰ ভাৱ আছে, বিজনৰ আশা আছে যদি তাৰ সেই আশা বাসৰীৰ মাকেওতো ভঙ্গ কৰি দিব পাৰে। নে বাসৰীৰ মাকৰ মনতো বিজনৰ প্ৰতি কিবা আশাৰ ভাব আছে? নে তেওঁলোকে ত্ৰিলোচন আৰু বিজন দুয়োটাকে হাতৰ মুঠিত ৰখাৰ ব্যৱস্থা কৰিছে?

ত্ৰিলোচনৰ চকুৰ আগত বিজয় বৰুৱাৰ মুখখন ভাঁহি উঠিল। যদি সেই আশা—অৰ্থাৎ বাসৰীক বোৱাৰী হিচাপে নিয়াৰ আশা বিজয়

বৰুৱাই একপক্ষীয ভাৱে কৰিছে। বাসৱীয়ে অলপতে ত্ৰিলোচনলৈ দিয়া চিঠিখনত অৱশ্যে বাৰে বাৰে সেই কথাকে উল্লেখ কৰা হৈছে। এদিন বোলে এই কথাটোকে জনাবলৈ বিজনে বাসৱীৰ সৈতে ত্ৰিলোচনক বিচাৰি ত্ৰিভুৱন চলাথ কৰিলে।

চলাথ কৰিব পাৰে, বিজনে ত্ৰিলোচনক বিচাৰিব পাৰে কিন্তু বিজনে যেতিয়ালৈকে নিজ মুখে ত্ৰিলোচনক নকয় তেতিয়ালৈকে এই আশা বিজয় বৰুৱাৰ একপক্ষীয় বুলি মানি ল'ব নোৱাৰি। বিজনৰ পৰা কিবা ইংগিত নাপালে বৰুৱা কেতিয়াও অকলে ইমান দূৰ আগবাঢ়িব নোৱাৰে।

ৱাল ক্লকটোত দুই বজাৰ সংকেত পৰিল।

ত্ৰিলোচনে নিজৰ কোঠালৈ আহি সাজ-পোচাক পিন্ধিবলৈ আৰম্ভ কৰিলে, তাৰ অলপ ওলাই যাবৰ মন গৈছে। উদ্দেশ্যহীন ভাৱে। যেনি তেনি।

ত্ৰিলোচনে মূৰ ফণীযাইছিল। এনেতে সিহঁতৰ আগফালৰ বাৰান্দাত বাসৱীৰ মাত,—অজন্তা অ' অজন্তা।

হাতৰ কাম হাততে লৈ অজন্তা বাহিৰলৈ আহিল,—আহাঁ ভাই, চিন্তাত তৰণি নোহোৱা হৈছে। সিফালে তোমাকে নেদেখি থাকিব নোৱাৰোঁ। ইছাটি-বিছাটি কৰোঁ। অৱস্থাত পেলাই দিছা। এই তহঁতৰ ভিতৰত কিবা লাগিছেনে কি অ'।

বাসৱীয়ে সৰুকৈ ক'লে,—নাই, তেনেকৈ একো লগা ভগা নাই। পিছে ত্ৰিলোচনদা ঘৰত আছেনে, মই তেওঁক লগ পাব লগা আছিল।

অজন্তাই ধেমালি কৰি বাসৱীৰ মূৰে-কপালে হাত ফুৰাই ক'লে,—দেহি আইজনী, বিৰহত তেনেই ক'লা-মলা পৰি আহিছা। যোৱা—সেই ফালেই যোৱা। সময় হয়গৈ যদি আমাৰ ফালে পিছে পৰেও আহিবা।

কৈ কৈ অজন্তাই ত্ৰিলোচনৰ কোঠাৰ ফালে বাসৱীক বাট দেখুৱাই

দিলে। বাসৰীয়ে 'যাহ্ এইজনী', বুলি অজন্তাক ঠেলা মাৰি আগবাঢ়ি গ'ল। বাসৰী অহা বুলি গম পাই ত্ৰিলোচনে মাত দিলে,—আহাঁ বাসৰী।

ভিতৰলৈ আহি বাসৰীয়ে ভালে পৰ মাত-বোল নকৰাকৈ বৈ থাকিল। পিছত সেমেকা মাতেৰে সৰুকৈ ক'লে,—কেনিও যাব লগা নাই যদি মাই মাতিছিল। ব'লাচোন।

ত্ৰিলোচনে বাসৰীলৈ চালে,—খুৰীদেৱে মাতিছে ? খুৰীদেৱে আকৌ কিহৰ বাবে মোক মাতিব লগা হ'ল ?

বাসৰীয়ে একো উত্তৰ নিদিলে। ত্ৰিলোচনেও ঘূৰাই একো নুসুধিলে।

কেইমিনিটমান তেনেকৈয়ে গ'ল। হাতত চাহ-তুকাপ লৈ অজন্তা পালেহি,—আমি ৰজা-ৰাণীক সেৱা কৰিম—সেই আশা নকৰাই ভাল। তথাপি চাহ এঢোককে দি ভাল গ্ৰহণ কৰক।

অজন্তা গুচি গ'ল। চাহ কেই কাপ শেষ কৰি ত্ৰিলোচন আৰু বাসৰী পাৰিজাতৰ ওচৰলৈ বুলি ওলাল। আলিবাটত উঠিয়েই ত্ৰিলোচনে বাসৰীক ক'লে,—খুৰীদেৱে কিয় মাতিছে তুমি কিবা গম পোৱানে বাসৰী ?

বাসৰীয়ে উত্তৰ দিলে —গম তুমি নিজেই পাব লাগিছিল।

ত্ৰিলোচনে ফুটাই একো ক'ব নোৱাৰিলে। সি মনত ক'লে এক বজাৰ পৰা তই কি কি ভাবি আছিলি ? তই বাসৰীহঁতৰ ঘৰলৈ নোযোৱা কথা—যাব নোৱাৰা কথা—বিজয় বৰুৱাৰ অপমানৰ কথা ভাবি মূৰ গৰম কৰি আছিলি নহয়, এতিয়া পিছে কি হ'ল ? বাসৰীক লগ পোৱাৰ লগে লগে সকলো পাহৰি গুচি আহিলি কিয় ? কিয় ?

ত্ৰিলোচনে একো নোকোৱা দেখি বাসৰীয়ে আকৌ ক'লে—মায়ে মতা নাছিল। আচলতে তোমাক মইহে মাতি আনিছোঁ।

—কিয় ? আকৌ অপমান কৰোৱাবলৈ ?

—অপমান জানো মই কৰোৱাইছিলোঁ ? চেৰাবলিয়া মানুহ এটাৰ কথাত লাগি তুমি

ত্ৰিলোচনে বাসৰীৰ ফালে চাই হাঁহিলে।

আকৌ বাসৰীয়ে ক'লে,—তুমি ভুল বুজিছা ত্ৰিলোচনদা। বিজয় বৰুৱাৰ অৰ্থহীন কথাত লাগি তুমি মোক অযথা ভুল বুজিছা। তুমি অকল মোক ভুল বুজাই নহয়, তুমি বিজনকো অযথা ভুল বুজিছা। খুব সোনকালেই বিজনৰ বিয়া হ'ব সচাঁ, কিন্তু সেই বিয়া মোৰ লগত নহয়। সেই বিয়া হ'ব কল্যাণৰ লগত।

—কল্যাণৰ লগত ? নাই, মোৰ বিশ্বাস নহয়।

—বিশ্বাস নকৰা যদি মোৰ উপায় নাই। কিন্তু বিজনদাই যে কল্যাণক বিয়া কৰাব সেইটো হ'লে খাটাং। বিজন বেলেগ ধাতুৰে গঢ়া মানুহ।

ত্ৰিলোচনে সেই প্ৰসংগ এৰাই গৈ বাসৰীহঁতৰ ঘৰখনলৈ আৰু বাসৰীৰ মাকলৈ মনত পেলালে। এবাৰ বিজয় বৰুৱাৰ মুখখনেও ত্ৰিলোচনৰ মনৰ মাজত ভুমুকিযাই গ'ল। তাৰ গাটো জিকাৰ খাই উঠা যেন লাগিল। যদি বাসৰীহঁতৰ ঘৰত আকৌ সেই মূৰৰ গোলমাল থকা শিষ্টাচাৰবৰ্জিত মানুহটোৰ লগত মুখামুখি হৈ যায় ? যদি আকৌ সেই মানুহটোৱে

ত্ৰিলোচনে বাসৰীলৈ চাই ক'লে,—আজি তোমালোকৰ ঘৰলৈ নাযাওঁ। ব'লা অলপ ইফালে সিফালে ঘূৰোঁ। ভালে দিনৰ মূৰত আজি ঘূৰিবলৈ মন গৈছে। কিবা আপত্তি আছে নেকি ?

আপত্তি ? বাসৰীৰ ফালৰ পৰা কি আপত্তি থাকিব পাৰে ? নাই তাই ত্ৰিলোচনৰ লগত ফুৰিবলৈ যোৱাত কোনো আপত্তি নাই। বৰং তাই তেনে এটা সুযোগকে বিচাৰি ফুৰিছিল।

সিহঁত এখন ৰিক্সাত উঠিল।

বিজনে কল্যাণক ওচৰলৈ মাতি আনি ক'লে,—এই বৰ জৰুৰী ভাৱে দুজন মানুহক লগ পাব লাগে। এক, ত্ৰিলোচন ডাক্তৰ। দুই, মৃগেন দাদা। ত্ৰিলোচনক লগ পোৱাত বিশেষ অসুবিধা নহ'ব। কিন্তু

মৃগেন দাদাক বিচাৰি যুঁৰাঁতে পলম হ'ব পাৰে। মোৰ পলম হ'লেও তই ভয় কৰিবৰ কোনো কাৰণ নাই। বাহিৰে বাহিৰে গা দেখা দিলেও সি ভিতৰলৈ আহিব নোৱাৰে। সি ভিতৰলৈ নাহে।

কল্যাণে আকৌ চকু-মুখত ভয়ৰ ভাব প্ৰকাশ কৰি বিজনলৈ চাই ক'লে, ভিতৰলৈ আহিব নোৱাৰে বা নাহে বুজিলোঁ, কিন্তু বাহিৰতটো আছে। তাৰ মতলব সমূলি ভাল নহয় যেন লাগিছে। তুমি নহ'লে আজি বাহিৰলৈ যাব নালাগে।

বিজনে কল্যাণলৈ চাই হাঁহিলে। তাৰ চকুৰ আগত ৰচিদ মিঞাৰ পুতেক বদিৰৰ মুখখন ভাঁহি উঠিল। আজিৰ দিনটোৰ ভিতৰত তাক তিনিবাৰ বৰুৱা-ভৱনৰ পদূলি মুখত দেখা পোৱা গৈছে। আৰু তিনিও বাৰেই দেখা পাইছে কল্যাণে। প্ৰথমবাৰ তাক সেইখিনিত দেখা পাই কল্যাণে একো ভবা নাছিল। দ্বিতীয় বাৰ অলপ ভাবিছিল। এই বদমাইচটো, দেখিবলৈ মন নাযায়। কি বা লাগে তাক? কিয় বা আহিছে? কিন্তু তৃতীয় বাৰ তাক পদূলিৰ ওচৰত দেখি কল্যাণ এক প্ৰকাৰ আতংকিত হৈ পৰিল। তাই কথাটো বিজনৰ কাণত পেলালে। বিজন আগফালৰ বাৰান্দালৈ আহি দেখে হয়। বদিৰে এটা দেখিলেই ভয় লাগিব লগা ভংগীৰে বৰুৱা ভৱনলৈ চাই থিয় হৈ আছে। বিজনক দেখিহে সি লাহে লাহে তাৰ পৰা আঁতৰি গ'ল।

বিজনে সেই মুহূৰ্তত বদিৰৰ কথাকে ভাবিছিল ৹ তাক কি লাগে? কি বিচাৰি সি গেটৰ ওচৰলৈ আহিছিল? কল্যাণক বিচাৰি? বদিৰে কি সঁচাকৈয়ে কল্যাণক ভাল পায়? বদিৰে কি সঁচাকৈয়ে কল্যাণক বিয়া কৰাবলৈ বিচাৰে? নে বদিৰৰ কিবা বেয়া মতলব আছে? বেয়া মতলবেৰে সি বিজনক ভয় দেখুৱাবলৈ আহিছে? সিটো নাজানে— কাঞ্চন বাইৰ ছোৱালী কল্যাণ বিজনৰ ভনীয়েক বুলি। সি চাগে ভাবিছে, বিজনে তাইক বিয়া কৰালে বা অলপতে কৰাব।

কিন্তু ক্ৰমে ক্ৰমে বিজনে বদিৰৰ কথা পাহৰি গ'ল। এই মুহূৰ্তত সি বদিৰক, বদিৰক গেটৰ ওচৰত তিনিবাৰ দেখা কথাটোত গুৰুত্ব

দিয়া নাই। সেয়ে সি হাঁহি এটা মাৰি কল্যাণক ক'লে,—পাগলী, বদিৰৰ ভয়ত মই বাহিৰলৈ নাযাম—সেইটো কোন ধৰণৰ কথা। তই একো চিন্তা নকৰিবি। মই যিমান প্যাৰোঁ সিমান সোনকালে ঘূৰি আহিম।

বিজন তললৈ নামি আহি পদূলি পালেহি। তাৰ পৰা সি বৰুৱা ভৱনলৈ ঘূৰি চালে। ভনীয়েক কল্যাণ তেতিয়া তাৰ কোঠাৰ খিৰিকী-খনৰ ওচৰতে বৈ আছিল।

আগলৈ খোজ দি বিজনে বাসৰী আৰু ত্ৰিলোচনৰ কথা মনত পেলালে। দেউতাকে নভবা-নিচিন্তাকৈ কিছুমান কথা কৈ দিয়াত ত্ৰিলোচনে বাসৰীক ভুল বুজি আছে। বিজনে কাহানিবাই তাৰ সেই ভুল ভাঙি দিব লাগিছিল। অলপ পলমেই হৈছে। আৰু পলম কৰিব নোৱাৰি। আজি সোমবাৰ। ত্ৰিলোচন বোধকৰো ঘৰতে আছে। আজি তাক যি কোনো প্ৰকাৰে লগ ধৰিবই লাগিব। বিজনে বাসৰীক বিয়া কৰোৱা কথা ভবা নাই। এদিন ভাবিছিল যদিও সেই ভবা সেই দিনাই শেষ কৰি থোৱা হৈছে। এতিয়া ত্ৰিলচনৰ লগত বাসৰীৰ বিয়া হোৱাটোকে সি মনে-প্ৰাণে বিচাৰে। দেউতাক বিজয বৰুৱাই মিছামিছি টনা আজোৰাগন কৰি থাকিলে কি হ'ব? দেউতাকক সি স্পষ্টকৈ জনাই দিছে যে সি বাসৰীক বিয়া নকৰায়। ইয়াৰ পিছতো দেউতাকে বাসৰীক বোৱাৰী হিচাপে আনিবলৈ আশা কৰি থকাটো বৰ অশোভনীয হৈছে।

বিজন ত্ৰিলোচনৰ ঘৰ পালেগৈ। খবৰ লৈ জানিলে যে ত্ৰিলোচন ঘৰত নাই। 'কেনিনো গ'ল' বুলি সোধাত অজন্তাই জনালে যে বাসৰী আহিছিল। বাসৰীৰ লগত সিহঁতৰ ঘৰলৈকে গৈছে।

বাসৰীহঁতৰ ঘৰলৈ বুলি খোজ পেলাই চাৰি আলিটোৰ ওচৰ পাওঁতে নৌ পাওঁতেই বিজনে সিফালৰ পৰা সমদল এটা আগবাঢ়ি অহা দেখিবলৈ পালে। অলপ ওচৰ চাপি গৈ ভালকৈ চাই দেখিলে যে আচলতে সেইটো সমদল নহয়, কেইজনমান পুলিচে ৰচিদ মিঞা আৰু

চাৰি আলিৰ কালী মন্দিৰৰ সাধুটোক গ্ৰেপ্তাৰ কৰি আনিছে। তেওঁলোকৰ লাগে লাগে ভালুক দেখিলে ল'ৰা-ছোৱালীবোৰ পিছে পিছে অহাৰ নিচিনাকৈ এদল মানুহ পিছে পিছে আহিছে।

—কথাটো কি হে? বিজনে পিছত অহা দলটোৰ এজনক সুধিলে।

—কথা ভয় লগাই। কালিৰ হত্যাকাণ্ডটো বোলে এই দুই পুৰুষেই কৰিলে। পুলিচে কেইবাটাও প্ৰমাণ পাইছে।

কথা শুনি বিজন হতবাক। কালি এই উপকণ্ঠৰে নেপালী বস্তিত হোৱা হত্যাকাণ্ডটোৰ কথা বিজনে জানে। কিন্তু সেই হত্যাকাণ্ডটো যে ৰচিদ মিঞা আৰু সাধুবাবাই কৰিব—সেই কথা সি কেনেকৈ জানিব? এয়া তাৰ সপোনৰো অগোচৰ আছিল।

বিজনে ৰচিদ মিঞা আৰু সাধুবাবাৰ মুখলৈ চালে। সাধুবাবাৰ মুখত মানুহ মাৰিব পৰা চিন নোহোৱা নহয়। ভাৰতৰ শতকৰা নিৰান্নবৈজন সাধুবাবাই যে পলাতক ডকাইত আৰু খুনী সেই কথা সকলোৰেই জানে। জটা, দাড়ি আৰু ৰঙা কৌপিনখন হ'ল ইহঁতৰ আত্মগোপনৰ আঁৰবেৰ। গতিকে কালী মন্দিৰৰ সাধুবাবাই মানুহ হত্যা কৰাটো কোনো আচৰিত কথা নহয়। বাবাৰ হয়তো সেই অভ্যাস থাকিব পাৰে।

কিন্তু ৰচিদ মিঞা! বিজনে আকৌ এবাৰ ৰচিদৰ চকু-মুখলৈ চালে। তাৰ বুকুখনে টিপ্ টিপ্ কৰা যেন লাগিল।—যি ৰচিদ মিঞা আজি হত্যাকাৰী বুলি পৰিচিত হৈছে সেই ৰচিদ মিঞা যে তাৰ বন্ধু-স্বৰূপ। সেই ৰচিদেই যে তাক এদিন দেউতাকৰ অতীত জীৱনৰ খবৰ কৈছিল। হয়, ৰচিদে মদ খায় মাৰ-পিট কৰে কিন্তু ৰচিদে কাৰো অন্যায় নকৰে। আৰু সেই বাবেহে বিজনে ৰচিদক ভাল পাইছিল। তাক দুই এটা ৰাজনৈতিক খবৰ সংগ্ৰহ কৰাৰ দায়িত্ব দিছিল। এতিয়া সেই ৰচিদ মিঞাই এই বুঢ়া বয়সত হত্যাৰ অপৰাধত পৰিছে। এৰা! জীয়া মানুহক বুজি পোৱা টান।

বিজনৰ বদিৰলৈ মনত পৰিল। উপকণ্ঠ অঞ্চলৰ সকলোৱে তাক ভয় কৰে। বিজনেও আজিৰ বাবে তাক ভয় কৰা হ'লেই ভাল আছিল।

মানুহবোৰ পাৰ হৈ গ'ল।

বিজনেও 'যাহ্ যি হয় হ'ব' বুলি বাসৰীহঁতৰ ঘৰলৈ খোজ আগবঢ়ালে।

বাসৰীহঁতৰ চোতালতে ৰৈ ঘৰত কোন আছে কোন নাই সি এবাৰ গমি চালে। ভিতৰ ফালৰ পৰা অহা এটা পুৰুষ কণ্ঠৰ স্বৰ তাৰ কাণত পৰিল। সি ভাবিলে: ল'ৰা যথাস্থানতে ধৰা পৰিছে। অকলশৰীয়াকৈ লগ পোৱাতকৈ বাসৰীৰ লগত, বাসৰীহঁতৰ ঘৰত ত্ৰিলোচনক লগ পাই এটা ভাল কামেই হ'ল। সি গোটেইখিনি কথা মুকলিকৈ ক'ব পাৰিব। পাৰিলে বাসৰীৰ মাকৰ লগ লাগি সিহঁতৰ বিয়াৰ তাৰিখ এটাকে থাটাং কৰি পেলাব।

বিজন বাসৰীহঁতৰ চোতালৰ পৰা বাৰান্দালৈ উঠিল।

মাত-বোল নকৰি ভমক কৰে আগতে ওলাই দিলেগৈ বেয়া হ'বনে কি? নহ'ব নিশ্চয়। কৰে যদি দুয়োটাই অলপ লাজ কৰিব। কৰক। কিন্তু বাসৰীয়ে কোৱা মতে সেইদিনাৰ পৰা ত্ৰিলোচনে অহা-যোৱাই বন্ধ কৰি দিছে। অ' আজিতো বাসৰী নিজে গৈ ত্ৰিলোচনক ধৰি অনা বুলি অজন্তাই কৈছিল। গতিকে ভিতৰত সেইটো নিশ্চয় সিয়েই হ'ব।

যিটো কোঠাৰ পৰা পুৰুষ কণ্ঠটো ভাঁহি আহিছিল বিজন সেইটো কোঠাৰ ফালে আগবাঢ়ি গ'ল। পিছে কেইখোজমান আগবাঢ়িয়েই সি ৰৈ দিলে। এইটো জানো ত্ৰিলোচনৰ মাত? ত্ৰিলোচনে জানো পাৰিজাত পেহীক তেনেকৈ কথা ক'ব? তেনেহলে তেনেহ'ল

কি আৰ্চৰিত? অতি পৰিচিত কণ্ঠত বিজনে সেয়া কি শুনিছে?

—তোমাক মই আজিও ভাল পাওঁ পাৰিজাত। কলেজীয়া জীৱনৰে তোমাৰ মোৰ সেই ভাল পোৱাক স্থায়ী কৰিবৰ বাবে মই

তোমাৰ বাসন্তীক মোৰ বিজনলৈ বিচাৰিছোঁ। তুমি যদি বাসন্তীক নিদিয়া মই মই বৰ কষ্ট পাম। এই বয়সত তুমি মোক কষ্ট নিদিবা পাৰিজাত।

—কিন্তু মই যে উপায়হীন। ত্ৰিলোচনৰ লগত বাসন্তীৰ বুজা-পৰা আছে। আনহাতে আপোনাৰ বিজনে তাইক বিয়া নকৰাওঁ বুলি স্পষ্টকৈ জনাই দিছে। গতিকে মই বাসন্তীক বাধা দিয়া নাই।

—কিন্তু তুমি তাইক বাধা দিবই লাগিব। তুমি যদি তাইক বাধা নিদিয়া মই যদি বাসন্তীক নাপাওঁ মই কাক লৈ জীয়াই থাকিম মই কি লৈ জীয়াই থাকিম মোক জীয়াই থকাৰ এটা অৱলম্বন লাগে। আৰু সেই অৱলম্বন মই তোমাৰ পৰাই পাব লাগিব।

—কিয় আপোনাৰ নিজা ছোৱালী কল্যাণ নাই?

—জন্ম দিলোঁ বুলিয়েই কল্যাণ মোৰ ছোৱালী হ'লনে? নক'বা নক'বা, কল্যাণক মোৰ ছোৱালী বুলি নক'বা। মোৰ ঘৰতে থাকিলেও কল্যাণৰ চকুলৈ মই চোৱা নাই। মই বিজনক এৰিব নোৱাৰিহে তাইক আশ্ৰয় দিছোঁ। তাইক দেখিলেই মোৰ ভয় লাগি আছে। তাই মোৰ চকুত পৰিলেই মোৰ ভৰিৰ তলৰ পৃথিৱীখন কঁপি উঠা যেন লাগে। তুমি মোক কল্যাণৰ হাতৰ পৰা ৰক্ষা কৰিব লাগিব। কল্যাণৰ পৰা ৰক্ষা পৰিবৰ বাবেই মই বাসন্তীক তাইক যদি নিদিয়া তেনেহ'লে তুমি তোমাক তোমাক মই আকৌ বিয়া মোৰ বৰ ভয় লাগিছে পাৰিজাত উস্ জয়শ্ৰী আৰু কাঞ্চন দুয়োজনীকে মই মোৰ ফালে খেদি অহা দেখিছোঁ উস্ ধৰা মোক ধৰা ধৰা

—কেনেথন কৰিছে? আপোনাৰ কি হৈছে? মূৰ ঘূৰাইছে নে কি?

—মোৰ একো হোৱা নাই পাৰিজাত। মোক ধৰা মোক তোমাৰ কোলাত লোৱা তুমি কোলাত ল'লেই মই ভাল হ'ম। উস্ তোমাৰ কোলাত মূৰ থৈ ইমান শান্তি পাইছোঁ তুমি মোক মৰম কৰা পাৰিজাত। তুমি মোক মৰম কৰিয়ে থাকা। তোমাৰ কোলাত মোৰ বৰ ভাল লাগিছে আঃ বৰ ভাল

—ঠিক আছে, মৰম কৰিছোঁ। আপুনি অলপ জিৰণি লওক। অলপ মনে মনে থাকক। এইবোৰ কথা বাহিৰৰ পৰা কোনোবাই শুনিবহি পাৰে। বিজন বা বাসন্তী কোনোবা এটাই শুনিলে বৰ লাজ পাব লাগিল।

—লাজ? লাজ কিহৰ? মোৰ কিন্তু লাজ লগা নাই। মোৰ বৰ ভাল লাগিছে। মোৰ বুকুৰ শূন্য ঠাই পূৰ হৈ যোৱা যেন লাগিছে। জীৱনৰ এই ছোৱা সময় যদি এনেকৈয়ে কটাব পাৰোঁ।—বৰ ভাল হ'ব, পাৰিজাত বৰ ভাল হ'ব।

—বাৰু, আপুনি এতিয়া মনে মনে থাককচোন। বাসন্তীহঁত ঘূৰি আহিবৰ হ'ল।

—বাসন্তী বাসন্তী আৰু বিজন তুমি আৰু মই তুমি তুমি

—বিজয় দাদা

—পাৰিজাত

বাহিৰত ৰৈ থকা বিজনৰ গাটো জোঁ জোঁ কৰে ঘামি আহিল। কঁপা হাতেৰে সি কপালৰ ঘামবোৰ মচি ললে। তাৰ চিঞৰি দিবলৈ মন গ'ল বাসন্তী ত্ৰিলোচন ক'লৈ গ'লি কিয় আঁতৰি গৈ প্ৰৌঢ়-প্ৰৌঢ়াক এই সুবিধা দিলি কিয় কিয়

কিন্তু বিজনে নিচিঞৰিলে। নিঃশব্দে সি কোঠাটোৰ ওচৰৰ পৰা গুচি আহিল। চোতাল পাৰ হৈ জপনা মেলি দ্ৰুত বেগেৰে সি সন্মুখৰ বাটটো ৰদি খোজ পেলালে। আৰু ৰৈ থাকিব নোৱাৰি আৰু পলম কৰিব নোৱাৰি আজিৰ ভিতৰতে যি কোনো প্ৰকাৰে ত্ৰিলোচনক সি লগ ধৰিবই লাগিব। ত্ৰিলোচনক এই গোটেই কথাবোৰ কৈ ইয়াৰ প্ৰতিকাৰৰ কিবা এটা ব্যৱস্থা কৰিবই লাগিব। আৰু সময় নাই, সময় নাই।

বিজন থানা চাৰিআলিৰ ওচৰ পালেগৈ। প্ৰধান পথেদি নগৈ এটা গলি পথেদি সি ত্ৰিলোচনৰ চেম্বাৰলৈ পোনালে। এনেতে বিপৰীত ফালৰ পৰা আহি হঠাৎ তাৰ সন্মুখত ৰদিৰ আৰু দুটা মানুহ

উপস্থিত। বদিৰে বিজনক বাধা দি চিঞৰি উঠিল,—এক কদম আগনাবাঢ়িবি কাকৈৰ।

বিজনেও সমানে চিঞৰি উঠিল—

কিন্তু মোক ৰাজপথত বাধা দিবলৈ তই কোন?

মই তোৰ যম।

কৈয়ে বদিৰ বিজনৰ ওপৰত জপিযাই পৰিল। বিজনে সহজতে বদিৰক চম্ভালি লৈছিল যদিও আন দুটা মানুহে তাক সহায় কৰাত বিজন উপায়হীন হৈ পৰিল। তিনিটা হটঙা মানুহৰ ওপৰা ওপৰি প্ৰহাৰত বিজনৰ জ্ঞান হেৰাল। কিন্তু জ্ঞান হেৰোৱাৰ আগতে তাক সহায় কৰিবলৈ বুলি মৃগেন হাজৰিকা দৌৰি অহা সি দেখিবলৈ পাইছিল।

বাসৱী আৰু ত্ৰিলোচন ফুৰিবলৈ বুলি গৈ ৰাজমাও পুখুৰীৰ পাৰ পাইছিলগৈ। কিন্তু সিহঁতৰ তাত ভাল নালাগিল। পুখুৰীৰ পশ্চিম পাৰৰ বাটটোৱেদি নানা ধৰণৰ মানুহ অহা যোৱা কৰি আছে। চোংৰা ল'ৰাৰ দল দুটামানে সিহঁতক দেখি অসংযত ভাৱে চিঞৰ-বাখৰ কৰি গৈছে। সেয়ে সিহঁতে পুখুৰীৰ পাৰ এৰি চকবজাৰৰ ফালে আগবাঢ়িল।

চক বজাৰটো ভাল নালাগিব ভাবি বাটতে ত্ৰিলোচনে বাসৱীক ক'লে—চেম্বাৰলৈকে যাওঁ ব'লা, বহি বহি গল্প কৰিম।

বাসৱীয়ে শলাগিলে,—ব'লা।

দুয়ো এখন ৰিক্সাত উঠিল আৰু সময়ত চেম্বাৰ পালেগৈ।

বাসৱী আৰু ত্ৰিলোচন ৰিক্সাৰ পৰা নামিছিলহে, এনেতে সিফালৰ পৰা আন এখন ৰিক্সাত বিজনক লৈ মৃগেন হাজৰিকা সেইখিনিত উপস্থিত। ৰিক্সাৰ পৰা ননমাকৈয়ে মৃগেনে ত্ৰিলোচনক ক'লে—দুৱাৰখন বেগাই খোলা ভাই।

ত্ৰিলোচনে জেপৰ পৰা চাবিপাত উলিয়াই থৰথৰকৈ দুৱাৰখন খুলি

মৃগেন হাজৰিকাক ক'লে,—বিজনৰ গায়ে-মূৰে তেজ। দুৰ্ঘটনা'টা ঘটিল কেনেকৈ ?

অধ্যাপক মৃগেন হাজৰিকাই বিজনক ৰিক্সাৰ পৰা কোলাতকৈ নমাই আনিলে আৰু চেম্বাৰৰ বিচনাখনত শুৱাই দিলে। দি যিখিনি দেখিছিল সেইখিনি জনালে। ত্ৰিলোচনে কথাও শুনি থাকিল আৰু খৰ-টকীয়াভাৱে চিকিৎসাৰো ব্যৱস্থা কৰি থাকিল।

বিজনৰ অৱস্থা দেখি বাসৱীয়ে উচ্ পিচ্ কৰিবলৈ ধৰিলে। হাজৰিকাও চিন্তিত। তেওঁ ক'লে,—বৰ বেছিকৈ দুখ পাইছে'নে কি বাৰু ডাক্তৰ।

ত্ৰিলোচনে উত্তৰ দিলে,—মূৰতহে অলপ বেছি দুখ পাইছে বোধ-হয়। বাকীবোৰ সামান্য যেনেই লাগিছে। চিন্তাৰ কোনো কাৰণ নাই, ভাল হৈ যাব।

—তেনেহলে মই নৰওঁ। মোৰ এটা বিশেষ লেঠা আছে।

—লেঠা আছে যদি যাওক।

মৃগেন হাজৰিকা গুচি গ'ল। তেওঁ যোৱাৰ পিছত ত্ৰিলোচনে প্ৰথমতে বিজনৰ মুখলৈ পিছত বাসৱীৰ মুখলৈ চালে। ক'লে,—বদিৰে বিজনক এনে অৱস্থা কৰাৰ কি কাৰণ থাকিব পাৰে তুমি কিবা অনুমান কৰিব পাৰিছানে ?

বাসৱীয়ে ক'লে,—ইয়াৰ দুটা কাৰণ থাকিব পাৰে। বদিৰ হয় কোনোবা ৰাজনৈতিক দলৰ গুণ্ডা, নহয় কল্যাণৰ লগত তাৰ কিবা সম্পৰ্ক আছে।

ত্ৰিলোচনে একো নামাতিলে। সি ভাবিছিল চেম্বাৰৰ নিভৃত কোণত বহি বহি বাসৱীৰ লগত গল্প কৰিব। কিন্তু সি ভবাটো নহৈ হ'লগৈ আন কিবা এটা। এতিয়া যিয়েই নহওক, বিজন সোনকালে ভাল হৈ উঠিলেই হয়।

ইয়াৰ পিছতো প্ৰায় আধাঘণ্টা সময় বিজন অচেতন হৈ আছিল। চেতন পায়ে সি ইফালে সিফালে চালে। ত্ৰিলোচন আৰু বাসৱী

ওচৰ চাপি আহিল। প্ৰথমে বিজনেই মাত লগালে,—এইখন তোমাৰ চেম্বাৰেই নহয় জানো ত্ৰিলোচন।

ত্ৰিলোচনে ক'লে,—হয়। কিন্তু তুমি কেনে পাইছা ?

বিজনে গাটো অলপ লৰাই চালে। পিছত ক'লে,—তিনিটা মানুহৰ ওপৰা উপৰি ঘোচাৰ ভৰ সহিব নোৱাৰি বাগৰি পৰিলোঁ। অৱশ্যে এতিয়া বিষ-চিষবোৰে বৰকৈ ধৰা নাই। উঠিব পাৰিম যেনেই লাগিছে।

—তেনেহ'লে লাহেকৈ উঠাচোন।

বিজন বিচনাতে বহিল। বাসন্তীয়ে ধৰি মেলি সহায় কৰি দিলে।

ইফালে সিফালে চাই বিজনে মৃগেন হাজৰিকাক বিচাৰিলে। ত্ৰিলোচনে অলপ আগতে তেওঁ বিশেষ লেঠা থকা বাবে গুচি যোৱা বুলি জনালে। এইবাৰ বিজনে এবাৰ ত্ৰিলোচনলৈ আৰু এবাৰ বাসন্তীলৈ চালে। ক'লে—মই আবেলিৰ পৰা তোমালোককে বিচাৰি ফুৰিছোঁ। থানা চাৰিআলিৰ পৰা ইযালৈ পোনাওঁতেই বাটতে বদিৰে পালে। বাৰু যি হ'ল হ'ল—তোমালোকৰ লগত কিন্তু মোৰ বহুত কথা আছে।

—তোমাৰ অসুবিধা নহয় যদি কোৱা।

বিজনে আৰম্ভ কৰিলে,—প্ৰথমে তোমাক বিচাৰি গ'লোঁ। পিছত অজন্তাৰ মুখে তুমি বাসন্তীহঁতৰ ঘৰলৈ যোৱা বুলি জানি সেইখিনি পালোঁগৈ। তাতো নাপালোঁ। আমো নাই, ফৰ্মুটিও নাই। তোমালোকক নাপালেও তালৈ গৈ মই এনে কিছুমান খবৰ পালোঁ যে তোমালোকক যি কোনো প্ৰকাৰে লগ ধৰাটো মোৰ বাবে অতীৱ প্ৰয়োজন হৈ পৰিল।

কথা শুনি বাসন্তীৰ উৎকণ্ঠা বাঢ়িল। তাই বৰকৈ উচ্ পিচ্ কৰি বিজনক সুধিলে,—আমাৰ ঘৰলৈ গৈ তুমি কি খবৰ পালা বিজনদা ?

বিজনে এবাৰ দেউতাকলৈ আৰু এবাৰ বাসন্তীৰ মাকলৈ মনত পেলালে। তাৰ কাণত দেউতাকৰ মাতটো বাজি উঠিল তুমি

কোলাত ল লেই মই ভাল হ'ম্। উস্ তোমাৰ কোলাত মূৰ থৈ ইমান শান্তি পাইছোঁ বৰ ভাল বৰ সুখ জীৱনৰ এইছোৱা সময় যদি এনেকৈয়ে কটাব পাৰোঁ।

বিজন মনে মনে থকা দেখি ত্ৰিলোচনে ক'লে,—কোৱাচোন।

—আৰু এখন নাটক আৰম্ভ হওঁ হওঁ হৈছে। তুমি মোক ভুল নুবুজিবা ত্ৰিলোচন। তুমি মোক ভুল নুবুজিলেই মই কিজানি আৰম্ভ হওঁ হওঁ হোৱা নতুন নাটকখন আৰম্ভ নোহোৱাকৈয়ে বন্ধ কৰিব পাৰিম। বাসন্তী আৰু মোৰ মাজত কোনো সম্পৰ্ক নাই। মই মনে-প্ৰাণে তোমালোকৰ মিলন হোৱাটোকে বিচাৰোঁ। তুমি বাসন্তীক বিয়া কৰোৱা ত্ৰিলোচন। আৰু তোমালোকৰ এই বিয়া খুব সোনকালেই হোৱা উচিত। নহ'লে নহ'লে বাসন্তীক বিয়া কৰাবৰ বাবে এজন মানসিক বিকাৰ গ্ৰস্ত মানুহ আগবাঢ়ি আহিব পাৰে। এই মানুহজনে পাৰিজাত পেহীকো পেহীৰো নিৰাপত্তাৰ প্ৰযোজন। তুমি সেই দায়িত্ব ল'ব লাগিব ত্ৰিলোচন।

—কিন্তু মানুহজন কোন? ত্ৰিলোচনে সুধিলে।

—মানুহজন মানুহজন আন কোনো নহয় মানুহজন মোৰ পৰম পূজনীয় দেউতা বিজয় বৰুৱা।

বাসন্তীয়ে অলপ গহীন স্বৰেৰে ক'লে,—মই ভালেদিনৰ আগতে এনে এটা সন্দেহ কৰিছিলোঁ। এনে সন্দেহ দেউতাইও কৰিছিল। সেই বাবেই তেওঁ উশৃংখল হৈ পৰিছিল আৰু কাঞ্চনৰ লগত সম্পৰ্ক গঢ়ি তুলিছিল।

বিজনে আকৌ ক'লে,—মোৰ দেউতাইও কাঞ্চনৰ লগত সম্পৰ্ক গঢ়িছিল। কল্যাণ দেউতাৰ ফালৰ। তাই মোৰ আপোন ভনী।

আ চ ৰি ত ত্ৰিলোচন আৰু বাসন্তীয় একেলগে উচ্চাৰণ কৰিলে।

# আঠ

কালিৰ সিদ্ধান্ত অনুসৰি আজিৰ পৰা বিজয় বৰুৱাই চাকৰি এৰি দিয়া কথা আছিল, অফিচলৈ আৰু নোযোৱা কথা আছিল। কিন্তু আনদিনাৰ অভ্যাসবশতঃ আগদিনাৰ সিদ্ধান্তৰ কথা পাহৰি তেওঁ খাই-বৈ কাপোৰ-কানি পিন্ধি অফিচলৈ যাবলৈ ওলাল। কিন্তু পর্টফলিঅ' বেগটো হাতত লওঁতে হঠাৎ তেওঁৰ আগদিনাৰ সিদ্ধান্তৰ কথা মনত পৰিল। লগে লগে বেগটো তেওঁ টেবুলত ঠেকেচা মাৰি থোৱাদি থলে।

বিভাগীয় কর্তৃপক্ষৰ উচ্চ মহলৰ পৰা পোৱা নটিচ্‌খনৰ আখৰবোৰ বৰুৱাৰ চকুৰ আগত জল্‌মলাই উঠিল। ক্ৰমে ক্ৰমে আখৰবোৰে এটা এটাকৈ আহি তেওঁৰ বুকুত খুন্দা দিবলৈ ধৰিলে। খুন্দাৰ ভৰ সহিব নোৱাৰি বিজয় বৰুৱা যেন থিতাতে লুটি খাই পৰিব।

আখৰবোৰৰ কথা ভাবি ভাবি এসময়ত তেওঁ প্ৰচণ্ডভাৱে উত্তেজিত হৈ পৰিল। কোঠাটোৰ ভিতৰতে অহা যোৱা কৰিবলৈ ধৰিলে। কোঠাটোৰ ভিতৰত অহা যোৱা কৰি কৰি আমনি লগাত এবাৰ তেওঁ বৰুৱা ভৱনৰ পিছফালৰ বাৰান্দালৈ ওলাই আহিল। বাৰান্দাত অহা যোৱা কৰি কৰি আমনি লগাত আকৌ এবাৰ তেওঁ কোঠাৰ ভিতৰলৈ গ'ল।

এই যে কোঠাৰ পৰা বাৰান্দালৈ আৰু বাৰান্দাৰ পৰা কোঠালৈ অহা যোৱা আৰম্ভ হ'ল আজি গোটেই দিনটো বিজয় বৰুৱাই একেৰাহে অহা যোৱাকে কৰি আছে। অহা যোৱা বন্ধ কৰিম বুলি বাৰে বাৰে ভাবিও তেওঁ বন্ধ কৰিব পৰা নাই। কোঠালৈ আহি বিচনা-খনতে বাগৰ দি ভাবে, নাই আৰু বাহিৰলৈ নাযাওঁ। বিচনাতে বাগৰি বাগৰি জিৰণি লওঁ। কিন্তু তেওঁ নোৱাৰে। বিগত দিনৰ স্মৃতিয়ে বৰকৈ বেৰি ধৰাত তেওঁ ইছাট বিছাট কৰি বাহিৰলৈ ওলাই আহে।

বাহিৰলৈ আহি ভাবে ইযাতে কিছুপৰ বহোঁ,—কিন্তু তেওঁ নোৱাৰে

উত্তেজিত ভাৱে প্ৰথমবাৰ বাহিৰলৈ আহি বৰুৱাই উৰ্দ্ধতন কৰ্তৃপক্ষৰ নটিচখন আৰু আগদিনাৰ সিদ্ধান্তৰ কথাকে ভাবিলে: নোৱাৰে, সেইখন নটিচ্ পোৱাৰ পিছত সেইটো অফিচলৈ তেওঁ আৰু কোনো দিন যাব নোৱাৰে তেওঁ কোনো দিন নাযায়। চুপ্ৰীম কোৰ্টে ভদ্ৰেশ্বৰ দত্তক মুক্তি দিছে। মুক্তিৰ পিছত ভদ্ৰেশ্বৰ দত্তক পুনৰ চাকৰিত মকৰল কৰিব লাগে বুলি শ্ৰমমন্ত্ৰীৰ কটা নিৰ্দেশ। বৰ্তমানৰ প্ৰধান সহকাৰীক নগাঁৱলৈ বদলি কৰা হৈছে। তেওঁৰ ঠাইত বিজয় বৰুৱাৰ অফিচত আজি প্ৰধান সহকাৰী হৈ বহি বহি এদিনৰ সেই ভদ্ৰেশ্বৰ দত্ত। ইমান বছৰৰ বিৰতিৰ পিছত ভদ্ৰেশ্বৰ দত্তক আকৌ মকৰল কৰাটো বৈধ হৈছেনে?

অৱশ্যে এই মুহূৰ্তত বৈধ অবৈধৰ কথা বৰুৱাই বৰকৈ ভৱা নাই। বৰুৱাই ভাবিছে ভদ্ৰেশ্বৰ দত্তৰ কথা, ভদ্ৰেশ্বৰ দত্ত মানুহটোৰ কথা চাকৰিটোৰ কথা নহয়। ভদ্ৰেশ্বৰ দত্তইতো টকা আত্মসাৎ কৰা নাছিল ভদ্ৰেশ্বৰ দত্তক আইনে জেলত দিযাতকৈও অতি কৌশলেৰে তেওঁহে দিছিল। এতিয়া সেইজন ভদ্ৰেশ্বৰ দত্তৰ লগত একেটা অফিচত চাকৰি মুখামুখি হৈ কথা-বতৰা। পৃথিৱীত ন্যায়-অন্যাযৰ বিচাৰ একেবাৰে শেষ হৈ যোৱা নাই চাব। আপুনি মোৰ প্ৰতি যিমানেই অন্যায নকৰক চাব—মই কিন্তু ন্যাযৰ বলতেই মুক্ত হৈ আহিলোঁ মই মুক্ত হৈ আহিলোঁ। যেতিয়া আপোনাৰ আৰু ৰক্ষা নহ'ব। এইবাৰ আপোনাক মই এৰি নিদিম। মোক মিছা অপবাদ দিযাৰ পৰিণাম মোৰ ভনীজনীক অশালীন ব্যৱহাৰ কৰাৰ পৰিণাম দুদিন পলমকৈ হ'লেও আপুনি ভুগিবই লাগিব। মই নেৰিছোঁ। নেৰিছোঁ।

কল্পিত মুখামুখিৰ প্ৰচণ্ড আঘাতত বিজয় বৰুৱাই নিজৰ কাণ দুখন নিজৰ হাতেৰে হেঁচি ধৰিলে। তোৰ সন্মুখলৈ নাযাওঁ মই

আৰু চাকৰি নকৰোঁ নকৰোঁ নকৰোঁ মনৰ মাজাতে চিঞৰি চিঞৰি বৰুৱা আকৌ কোঠাৰ ভিতৰলৈ আহিল। ধৰ ধৰকৈ অফিচলৈ যাবলৈ বুলি পিন্ধা কাপোৰযোৰ সলাই পেলালে। কান্তক বিচনাত বহিল।

বিচনাত বহাৰ লগে লগে জয়শ্ৰীৰ ছবিখন য'ত ওলোমাই থোৱা হৈছিল সেই ঠাইত চকু পৰিল তেওঁৰ। ছবিখন তাত নাছিল যদিও (এদিন তেওঁৱেই নষ্ট কৰিছিল) বৰুৱাই তাত ছবিখন দেখা যেনেই পালে। তেওঁ এখোজ দুখোজকৈ কল্পিত ছবিখনৰ ওচৰলৈ গ'ল। • তুমি তুমি মোক অভিশাপ দি গ'লানে কি জয়শ্ৰী। জানিছা আজিৰ পৰা ভদ্ৰেশ্বৰ দত্ত অ' তুমিতো ভদ্ৰেশ্বৰ দত্তক চিনি নোপোৱা। মোৰ সেই অন্যায়ৰ কথা যে তোমাক ঘূণাক্ষৰেও জানিবলৈ নিদিলোঁ। কিন্তু তুমি আজি মোৰ ফালে চাই তেনেদৰে হাঁহিছা কিয়? কি, তুমি সকলো কথা জানা? হাতখনত ধৰাৰ লগে লগে যে ভদ্ৰেশ্বৰ দত্তৰ ভনীয়েকে মোৰ গালত তুমি সেই কথাও জানা?

কাঞ্চন পাৰিজাত (পাৰিজাতৰ কথাটো জানাই) কল্যাণ সকলোৰে কথা জানা। তেনেহ'লে তেনেহ'লে তোমাক মই এতিয়াই মাৰি পেলাওঁ তোমাক মই এতিয়াই মোৰ চকুৰ আগৰ পৰা আঁতৰ কৰোঁ তোমাৰ সলনি মোৰ লগত বাসৰী পাৰিজাত পা ৰি পা ৰি জা ত

শূন্যৰ পৰা জয়শ্ৰীৰ ছবিখন নিজৰ হাতলৈ আনি বিজয় বৰুৱাই খিৰিকীয়েদি বাহিৰৰ ফালে দলিয়াই দিলে। দি তেওঁ আকৌ বাৰান্দালৈ আহিল। তাল গছ কেইজোপালৈ চালে। নীলা আকাশখনলৈ চালে বাৰান্দাৰ খুটাবোৰ চালে আচৰিত কথা যে এই সকলো-বোৰত তেওঁ জয়শ্ৰীক দেখিবলৈ পালে। এবাৰ দেখিলে তাঁতানিৰ কটন কলেজৰ কমন ৰুমত। এবাৰ দেখিলে বাগৰিৰ বাৰিত। এবাৰ ন-পত্নীৰ ৰূপত। এবাৰ মাতৃ ৰূপত। এবাৰ প্ৰচণ্ড মুখ এখনেৰে তেওঁৰ লগত তৰ্কা-তৰ্কি কৰি থকা ৰূপত। শেষত কুৎসিত কেন্সাৰ ৰোগীৰ ৰূপত।

শেষৰ দুটা ৰূপ দেখাৰ লগে লগে বিজয় বৰুৱা খণ্ডত টিকিচি বিকিচি উঠিল। জয়শ্ৰীৰ প্ৰতি ঘৃণা ওপজাৰ বাবে তেওঁৰ মুখত থু এসোপা জমা হ'ল। থু সোপা জোৰেৰে দূৰলৈ পেলাই দি তেওঁ ভোৰ ভোৰালে ঃ পত্নী জয়শ্ৰী তোমাক মই বৰ ভাল পাইছিলোঁ,—বৰ মৰম কৰিছিলোঁ। পিচে মোৰ সেইকণ দুৰ্বলতাৰ সুযোগতে তুমি মোৰ আটাইবোৰ ব্যক্তিগত কথা জানি পেলাবা হ'ব নোৱাৰে,— কেতিয়াও তেনে হ'ব নোৱাৰে। তোমাৰ মৃত্যুৰ পিছত এদিন ভাবিছিলোঁ। তোমাৰ অবিহনে মই বৰ অসহায় বৰ অকলশৰীয়া, তোমাৰ মৃত্যুৱে কিজানি মোৰ মৃত্যুকো ওচৰ চপাই আনিছে। কিন্তু আজিহে বুজিব পাৰিছোঁ যে তোমাৰ অবিহনেও মই অসহায় নহয় অকলশৰীয়া নহয়। তুমি যে মোৰ জীৱনলৈ আহিছিলা সেইটো এটা সাময়িক ঘটনাহে মাত্ৰ। তুমি নহ'লেও মোৰ বাবে বাসৰী আছে পাৰিজাত আছে। পাৰিজাতৰ কোলাত মূৰ থৈ মোৰ বৰ ভাল লাগিছে মই যেন নতুনকৈ যৌৱন পাইছোঁ। পাৰিজাতে যেন সদ্য যৌৱনা হৈ আহোনে নাহোকৈ মোৰ কাষ চাপি আহিছে। পাৰিজাত যেন মোৰ মো ৰ কি ন্তু

অকস্মাতে বৰুৱাৰ বিজনলৈ মনত পৰিল।

আজিৰ পৰা তিনিদিন মানৰ আগতে পুতেকৰ লগত হোৱা তেওঁৰ তৰ্কাতৰ্কিখনলৈ মনত পৰিল। এইবাৰ তেওঁ বৰ খৰ খৰকৈ বাৰান্দাত অহা যোৱা কৰিবলৈ ধৰিলে। বিজনলৈ বৰুৱাৰ খং উঠি আহিল। তই তই চেৰা বলিয়া হ'ব পাৰ কিন্তু মই বিজয় বৰুৱা চেৰা বলিয়া হোৱা নাই

বাৰান্দাইদি অহা যোৱা কৰি কৰি বিজয় বৰুৱাই পুতেকৰ লগত হোৱা তৰ্কাতৰ্কিখনৰ কথাবোৰ আবৃত্তি কৰিলে—

ঃ দেউতা মোক মাতিছিল?

ঃ মাতিছিলোঁ। আজিৰ পৰা মৃগেন হাজৰিকাৰ লগত ঘূৰা ঘূৰি

বন্ধ কৰি দে। মই তোৰ বিয়া পাতিছোঁ। অহা মাহত বাসৱীৰ লগত তোৰ বিয়া।

ঃ মৃগেন হাজৰিকাৰ লগত ঘূৰা ঘূৰি কৰা নকৰাটো মোৰ নিজা কথা। আৰু বাসৱীৰ লগত মোৰ বিয়া—মই আপোনাক আগতেই জনাই দিছোঁ যে বাসৱীৰ লগত মোৰ বিয়া নহয়, বাসৱীৰ লগত ত্ৰিলোচনৰ বিয়া হ'ব।

ঃ নহয—নহয়—নহয—

ঃ মই কৈছোঁ হ'ব। আপুনি তাত অযথা বলিযালি নকৰিবগৈ।

ঃ কি ক'লি ? মই বলিযালি কৰিছোঁ ? মোক তই বলিয়া বুলি কৈছ ?

ঃ ক'বলৈ বাধ্য হৈছোঁ। আপুনি সীমা পাৰ হৈ গৈছো। আপুনি নিজৰ বযসৰ কথা পাহৰি গৈছে। হিতেন দাসৰ ঘৰলৈ আপুনি বাসৱীক বিচাৰি নাযায—আপুনি আপোনাৰ বোৱাৰী বিচাৰি নাযায—আপুনি যায বাসৱীৰ মাকক বিচাৰি—আপুনি যায পাৰিজাত

ঃ মুখ বন্ধ কৰ ৰাচকেল—

ঃ মুখ বন্ধ কৰাৰ আগতে কৈ যাওঁ আপোনাৰ বলিযালি বন্ধ কৰা উচিত। আপুনি যি আশা কৰিছে সেই আশা এৰি দিয়া উচিত। ত্ৰিলোচনে অকল বাসৱীৰ দায়িত্ব লোৱাই নহয ত্ৰিলোচনে পাৰিজাত পেহীৰো দায়িত্ব ল'ব। ত্ৰিলোচনে পাৰিজাত পেহীক পোহপাল দিব।

বিজয বৰুৱাই নিজৰ বুকুখন খেপিযাই চালে। মুখৰ ভিতৰতে উচ্চাৰণ কৰিলে: ত্ৰিলোচনে পাৰিজাতক পোহপাল দিব? ত্ৰিলোচনে বাসৱীৰ লগতে পাৰিজাতৰো দাযিত্ব ল'ব? ত্ৰিলোচনে ত্ৰিলোচনে মই বিজয বৰুৱা জীয়াই থাকোতে ত্ৰিলোচনে পাৰিজাতৰ দাযিত্ব ল'ব? ত্ৰিলোচনে পাৰিজাতক পোহপাল দিব?—হ'ব নোৱাৰে,—হ'ব নোৱাৰে—কেতিয়াও হ'ব নোৱাৰে। পাৰিজাতৰ

দাযিত্ব তেওঁ আনৰ হাতলৈ এৰি নিদিযে। পাৰিজাতৰ দাযিত্ব তেওঁ নিজে ল'ব। বাসৰীকো তেওঁ আনৰ হাতলৈ এৰি দিব নোৱাৰে। বাসৰীৰ দাযিত্বও তেওঁ বাসৰীক বিজ্ঞানে বাসবীক

কিন্তু আপোনাৰ বলিযালি বন্ধ কৰা উচিত আপুনি যি আশা কৰিছে সেই আশা এৰি দিয়া উচিত নহয়, নহয় —বিজয় বৰুৱাই আশা এৰি দিব নোৱাৰে এই আশা লৈযে তেওঁ জীয়াই আছে বাসৰী আৰু পাৰিজাতৰ আশাই তেওঁ জীযাই থকাৰ একমাত্র সম্বল।

এই আশা এৰি দিবলৈ হ'লেই তেওঁৰ মৃত্যু হ'ব তেওঁ আত্মহত্যা কৰিব

নিজৰ অজ্ঞাতেই বৰুৱা বাৰান্দাৰ পৰা কোঠালৈ আহিল। আকৌ জয়শ্ৰীৰ ছবিখন ওলোমাই থোৱা ঠাইডাখৰলৈ চালে। এইবাৰ তেওঁৰ বুকুখন বিষাই যোৱা যেন লাগিল তেওঁ মুখৰ ভিতৰতে বিৰ্ বিৰালে তোমাক মই ভাল পাইছিলোঁ৷ জযশ্ৰী। তুমি থকা হ'লে কিজানি মই ইমানকৈ পাৰিজাতৰ ওচৰলৈ নগ'লোঁহেতেন, এনেদৰে পাৰিজাতৰ কথা নাভাবিলোঁহেতেন। মোৰ বাবে পাৰিজাতৰ কোনো প্ৰযোজন নহ'লহেতেন

সময আগবাঢ়িল। বিজয বৰুৱাই এনেকৈযে কোঠাৰ পৰা বাৰান্দালৈ, বাৰান্দাৰ পৰা কোঠালৈ অহা যোৱা কৰি থাকিল।

বিগত দিনৰ কথাবোৰ আওুলি পাগুলি এবাৰ বৰুৱা আগফালৰ বাৰান্দাখনলৈ আহিল। দূৰলৈ চালে। বেলিযে লহিয়াইছিল বাবে দূৰৰ ফালে চাই বৰুৱাৰ বৰ ভাল লাগিল। গোটেই দিনটো গধুৰ হৈ থকা মনটো যেন ক্ষন্তেকতে পাতলি আহিল। মনটো পাতলি অহাত বৰুৱাই এটা ডাঙৰ বিপদৰ পৰা ৰক্ষা পৰা যেন অনুভৱ কৰিলে।

দূৰৰ পৰা চকু ঘূৰাই আনি বৰুৱাই বৰুৱা ভৱনৰ ফুলনিখনলৈ দৃষ্টি দলিয়ালে। লগে লগে তেওঁ উচপ খাই উঠাদি উঠিল। ফুলনিখনৰ মাজত ইমান ধুনীয়া মাযাবিনীৰ দৰে বাৰু সৌজনী কোন ?

জয়শ্ৰী ? বাসৰী ?? পাৰিজাত ???

বৰুৱাৰ দৃষ্টি জলক তবক লাগিল। তেওঁ চকু দুটা মোহাৰি ল'লে। লৈ আকৌ ফুলনিখনৰ মাজৰ ছোৱালীজনীলৈ চালে। সেইজনীচোন কল্যাণ। তাই তাত কি কৰিছে? তাইক তাত কি লাগে? জয়শ্ৰীৰ আদৰৰ ফুলনিখনৰ মাজত কল্যাণ কিয় থাকিব লাগে? তাইক তাত বৰুৱাই কিয় দেখিব লাগে।

শান্ত হৈ পৰা বৰুৱাৰ মনটো আকৌ অশান্ত হৈ পৰিল। খঙেৰে কল্যাণৰ ফালে চাই তেওঁ বাৰান্দাতে ইফাল সিফাল কৰিবলৈ ধৰিলে। তাইক তাত থাকিবলৈ দিব নোৱাৰি তাই তালৈ ফুলনিখনলৈ এনেই যোৱা নাই তাই জয়শ্ৰীৰ স্মৃতি গছকি পেলাবলৈ গৈছে জয়শ্ৰীৰ স্মৃতি গছকি তাই বৰুৱাক আঘাত দিবলৈ গৈছে। তাইক এতিয়াই তাৰ পৰা বাহিৰ কৰি আনিব লাগে তাইক তাৰ পৰা বাহিৰ কৰি দিব লাগে বাহিৰ কৰি

বৰুৱাই কল্যাণক ফুলনিৰ পৰা টানি উলিয়াই আনিবৰ বাবে ওপৰ মহলাৰ বাৰান্দাৰ পৰা তললৈ জাপ মাৰি দিব খুজিছিল। নিদি তেওঁ দয়াৰামক চিঞৰিলে। দযাৰাম সন্মুখৰ বননিখনতে আছিল। সি ঘূৰি চাই উত্তৰ দিলে—হয দেউতা বুজি পালোঁ। আজি টাযেম মতে চাহ ঢোক নেপাই আপোনাৰ খঙেই উঠিছে। কিন্তু দেউতা কেঁচা এজাৰ থৰি আপোনাক ক'লোঁ নজ্বলেহে নজ্বলে। কল্যাণ আইটিক ক'লোঁ বোলোঁ মই নোৱাৰিছোঁ। তুমি কেনেবাকে পাৰানেকি চোৱাহিচোন। পিছে আইটিযে 'গৈছোঁ ৰ'বা গৈছোঁ ৰ'বা' বুলি ফুলনিৰ পৰা আহিবই পৰা নাই। এস এস টায়েমত চাহ ঢোক গিলিবলৈ নেপালে মোৰেই মূৰটো টিং টিঙাই থাকে। আপোনাৰ নিটিঙাব নে? ৰ'ব ৰ'ব দেউতা। মই যি পাৰোঁ কৰোঁ।

বৰুৱাই দয়াৰামৰ পৰা চকু ঘূৰাই আনিলে।

তেওঁৰ মূৰ টিং টিঙোৱা নাই, তেওঁৰ মূৰ জ্বলি উঠিছে। জ্বলি ছাই হৈ গৈছে।

বৰুৱাই নিজৰ ভুল বুজি পাই দয়াৰামক পুনৰ নিচিঞৰাকৈ

থাকিল। তাক চিএৰি বৰুৱাৰ কামত নাহিব। তাৰ দ্বাৰা কল্যাণক ফুলনিৰ পৰা বাহিৰ কৰি অনাৰ ব্যৱস্থা কৰিলে কথা বিজনৰ কাণত পৰিবগৈ। এই কথা বিজনৰ কাণত পৰিলে সি কি ভূমিকা লৈ বৰুৱাৰ ফালে খেদা মাৰি আহে কোৱা টান। নাই, এই লৈ বৰুৱা বিজনৰ মুখামুখি হ'বলৈ নিবিচাৰে।

কল্যাণক ফুলনিৰ পৰা বাহিৰ কৰি আনিবলৈ বিজয় বৰুৱাই আন এটা কাৰ্যকৰী উপায় বিচাৰিলে। বিচাৰি তেওঁ আকৌ কল্যাণলৈ চালে। চাই চাই বিজয় বৰুৱাৰ দৃষ্টি দেখোন থৰক বৰক লাগি আহিল। কল্যাণৰ ঠাইত ফুলনিখনত তেওঁ বাসৰীক দেখিবলৈ পালে। অলপ পিছতে তাৰ পৰা বাসৰীও নোহোৱা হৈ গ'ল। বাসৰীৰ ঠাইত লযলাস ভাৱে বৰুৱাৰ দৃষ্টিত ধৰা দিলেহি পাৰিজাতে।

বৰুৱাই চকু দুটা মোহাৰি ভালকৈ চালে পাৰিজাত হয়নে নহয় হয় হয়, পাৰিজাতেই হয়। কল্যাণ আৰু বাসৰীৰ সন্মনি সেইজনী পাৰিজাতেই হয়। তেনেহ'লে তেনেহ'লে দয়াৰামক চিএৰাৰ কোনো অৰ্থ নাই। কল্যাণক ফুলনিৰ পৰা বাহিৰ কৰিবলৈ পাৰিজাতক মাতি আনিলেই হ'ল। তেওঁ এতিয়াই গৈ পাৰিজাতক মাতি আনিব।

বৰুৱা খটখটিযেদি যেনে আছিল তেনেদৰেই নামি আহিল।

## ন

পাৰিজাতে বাগৰ সলাই বেৰৰ ফালে মুখ ঘূৰালে। দুগালেদি বাগৰি অহা চকুপানীখিনি মচি ল'লে। চকুৰ পানীৰে গাৰুটোও তিতি গৈছিল। গাৰুটোৰ তিতি যোৱা অংশৰ পৰা গালখন আঁতৰাই আনিলে। আনি পাৰিজাতে বাসৰী নোহোৱা বহল বিচনাখনৰ শূন্য ঠাইডোখৰলৈ চালে। আকৌ দুচকু ফাটি জৰ্ জৰ্ কৰে লোতক বাগৰি আহিল।

ভালেপৰ কান্দি লোৱাৰ পিছত পাৰিজাতে বিচনাখনৰ শূন্য ঠাইডোখৰ খেপিযাই চালে। বাসৰীৰ নিপোটল্ গাটোৰ অৱশেষ কোমলতাখিনিৰ বাহিৰে ইযাত একো নাই। পাৰিজাতে বিচনাখনত মেলি থোৱা হাতখন কোঁচাই আনি নিজৰ বুকুখন এবাৰ খেপিযাই চালে। নাই, পাৰিজাতৰ বুকুতো একো নাই। বাসৰীৰ অবিহনে তেওঁৰ বুকুখন সঁচাকৈযে শূন্য হৈ গ'ল। এটা দ খালৰ দৰে হৈ গ'ল।

এই শূন্যতা, এই খাল পাৰিজাতে নিজেই কৰি লৈছে। এই শূন্যতাৰ বাবে বাসৰীক জগৰীযা কৰি লাভ নাই। আজি দহ দিনৰ আগতে বিজনৰ সহাযত ত্ৰিলোচনৰ লগত বাসৰীৰ বিযা হৈ গ'ল। পাৰিজাতৰ সম্মতি সাপেক্ষে সিহঁতে কৰ্ট মেৰেজ কৰিলে। কৰ্টৰ পৰা ঘূৰি আহি সজল চকুৰে বাসৰীযে কৈছিল,—নহয় মা, মই তোমাক এৰি যাব নোৱাৰোঁ। মই ইমান সোনকালে তোমাক এৰি নাযাওঁ। মোক আৰু দুবছৰ মান সময দিযা মা। মই আৰু দুবছৰমান তোমাৰ লগত থাকোঁ।

কিন্তু এই কথাত পাৰিজাত সম্মত নহ'ল। বৰ নিৰ্মম যেন লাগিলেও পাৰিজাতে বিয়াৰ পিছত এটা দিনো সম্পূৰ্ণকৈ বাসৰীক নিজৰ লগত নাৰাখিলে। গধূলিৰ ভাত সাজ সন্ধ্যাতে খুৱাই পাৰিজাতে বাসৰীক ত্ৰিলোচনৰ লগত পঠাই দিলে।

তেনেকৈ পঠাই দি পাৰিজাতে ভাবিছিল, ভুল হ'লনে কি বাৰু? বাসৱীক তেনেকৈ পঠাই দিব নালাগিছিলনে কি বাৰু? পিছে পাৰিজাতে নিজকে নিজে উত্তৰ দিলে: নাই, ভুল হোৱা নাই।— বিজয় বৰুৱা যি ভূমিকাৰে আগবাঢ়ি আহিছে সেই পৰিপ্ৰেক্ষিতত পাৰিজাতৰ ভুল হোৱা নাই। বিজনৰ সন্দেহ অমূলক নহয়।—বিজয় বৰুৱাই পাৰিজাতৰ লগতে বাসৱীলৈয়ো চকু দিছে। মাকৰ লগতে জীয়েককো তেওঁ এৰি দিবলৈ নিবিচাৰে। মাকৰ লগতে জীয়েকলৈও তেওঁৰ হেঁপাহ জাগিছে।

বিজয় বৰুৱাৰ এয়া অন্যায় হৈছে। কৰে যদি পাৰিজাতকে তেওঁ বলিৰ পাঠা হিচাপে ব্যৱহাৰ কৰক, কিন্তু বাসৱীক কৰিব কিয়? পাৰিজাত জীয়াই থাকোতে বাসৱীক তেওঁ তেনে বিপদৰ মুখলৈ ঠেলা মাৰি দিব নোৱাৰে। বাসৱীক তেওঁ জীয়াই জীয়াই শ্মশানলৈ পঠাব নোৱাৰে। তেওঁ নপঠায়।

বিজয় বৰুৱাই বিকৃত ৰুচিৰ বাবেই হওক বা যি কাৰণেই নহওক বাসৱীকো যে মৰম কৰিবলৈ বিচাৰে সেই প্ৰমাণ পাৰিজাতে নিজেও পাইছিল—

° সেইদিনা আছিল সোমবাৰ।

সন্ধ্যাৰ আগে আগে বাসৱী ত্ৰিলোচনৰ লগত ওলাই গৈছিল। ঘৰখন নিজান হৈ পৰাত, ভিতৰত থাকিবলৈ ভাল নলগাত পাৰিজাত বাহিৰলৈ ওলাই আহিছিল। বাহিৰতে বহি এনেয়ে পদূলিৰ ফালে চাই আছিল।

অলপ পিছতে দেখে লোৰ জপনা মেলি বিজয় বৰুৱা আগবাঢ়ি আহিছে। খোজ অস্বাভাৱিক। বৰুৱাই বাসৱী বুলি চিঞৰিলে। বাসৱীৰ সলনি পাৰিজাত আগবাঢ়ি গ'ল,—তাই অলপ ওলাই গৈছে। মইহে আছোঁ, আহক।

বৰুৱাই অলপ চোকা স্বৰেৰে সুধিলে,—কি ক'লা? এই কাল-সন্ধ্যা ওলাই গৈছে? কাৰ লগত গৈছে?

পাৰিজাতে ত্ৰিলোচনৰ নামটো ক'বলৈ নিবিচাৰিলে। তাৰ নামটো লুকাই ৰাখিবৰ বাবে তেওঁ মিছা কথা এষাৰকে ক'লে,—তাই কাঞ্চনজীক লগত লৈ অলপ বজাৰলৈ গৈছে। আহক বহকহি—

বৰুৱা বাৰান্দালৈ উঠিল। অলপ পৰ টলকা মাৰি ৰ'ল। পিছত অলপ কঁপা আৰু কোমল স্বৰেৰে ক'লে,—বাসৱী নাই যদি নালাগে। তুমি থাকিলেই হ'ব। মই কি জানি তোমাকে বিচাৰি আহিছিলোঁ। অলপ মোৰ লগত ব'লাচোন। মোৰ ফুলনিথনত এনে এটা বস্তু দেখা পোৱা গৈছে—যিটোক তুমি উলিয়াই নানিলে আন কোনেও উলিয়াই আনিব নোৱাৰে।

পাৰিজাতে বৰুৱাৰ চকুলৈ চালে।

—তুমি গ'লেই সকলো বুজিবা। বৰুৱাই ক'লে।

অগত্যা কাঞ্চাটোক ঘৰখন চমজাই দি পাৰিজাত বৰুৱাৰ লগত ওলাই গ'ল। ঘৰ পাই বৰুৱাই পাৰিজাতক ফুলনিথনলৈ যাবলৈ ক'লে। কোৰে তেওঁ ওপৰ মহলাৰ আগফালৰ বাৰান্দালৈ আহিল।

পাৰিজাতে ফুলনিথনৰ ইফালে সিফালে চালে। কিন্তু ক'তো একো নেদেখিলে। নেদেখি বৰুৱাৰ ওচৰলৈ আহিল,—ক'তা টানি উলিয়াই আনিব লগা একো বস্তুৱেই দেখোন আপোনাৰ ফুলনিত দেখিবলৈ নাপালোঁ।

বিজয় বৰুৱাই ঢেক্‌ ঢেকাই হাহিলে। ক'লে,—তুমি মই আহি পোৱাৰ আগতেই তাই ফুলনিৰ পৰা ওলাই আহিল চাগে। আজি অফিচলৈও নগলোঁ জানা? গোটেই দিনটো অশান্তিত কটাই আবেলি আগফালৰ বাৰান্দালৈ আহিলোঁ। মনটো ভাল লাগিল। পিছে হঠাৎ কল্যাণক ফুলনিথনত দেখি মন আকৌ বেয়া লাগি আহিল। তাইক দেখিলেই মোৰ বৰ ভয় লাগি আহে জানা? তাইক দেখিলেই মোৰ তোমালৈ বা বাসৱীলৈ মনত পৰে। তাইৰ সলনি মই তোমাক বা বাসৱীক ফুলনিত বিচাৰোঁ। তুমি যে এতিয়া ফুলনিথনত আছিলা মোৰ ইমান ভাল লাগিছিল

কৈযে বৰুৱাই পাৰিজাতৰ হাতখনত ধৰিলে। দযাৰাম আৰু কল্যাণৰ চকুত ধৰা পৰি যোৱাৰ ভয়ত পাৰিজাতে নিজক বৰুৱাৰ ওচৰৰ পৰা আঁতৰাই আনিব খুজিছিল যদিও নোৱাৰিলে। বৰুৱাই পাৰিজাতক গাৰ ফালে টানি আনিলে। কিন্তু গো'টেই মানুহজনীক বুকুলৈ আনিবলৈ অসমৰ্থ হৈ তেওঁ পাৰিজাতৰ হাতখনকে সাৱটি ধৰিলে। ক'লে,—বাসৰী বা তুমি যদি এইখন ঘৰলৈ নাহা তেনেহ'লে মই মই আৰু নোৱাৰোঁ। তুমি নাহিলে বাসৰীক মোক দিয়া বাসৰীকে :

পাৰিজাতে আকৌ বিচনাখন খেপিয়াই চালে। নাই, বাসৰী আজি আৰু ইযাত নাই। বিজয় বৰুৱাই গ্ৰাস কৰাৰ আগতেই বাসৰীক তেওঁ ত্ৰিলোচনৰ লগত পঠাই দিলে। এতিযা বিজয় বৰুৱাই যদি গ্ৰাস কৰে পাৰিজাতকে কৰক।

দূৰৈৰ কাঁহত নিশা এঘাৰ বজাৰ কোব পৰিল।

পাৰিজাতে চকুৰ পানীখিনি ম'চি ল'লে। নাই, আজি টোপনি ধৰাৰ কোনো আশা নাই। বাহিৰৰ মুকলি বতাহকে অলপ লৈ অহা হওক।

পাৰিজাত বিচনাৰ পৰা লাহেকৈ নামি আহিল।

হিতেন দাসৰ কোঠাৰ ওচৰতে পাৰিজাতৰ বুকুখন চিৰিং কৰি গ'ল। কোঠাটোত কাৰোবাৰ পদধ্বনি শুনা যেন লাগিল। দুৱাৰখন মেলি চালে। কিন্তু একো নাই। বগা বহল বিচনাখন পৰি আছে। বাহিৰৰ ফালে নগৈ পাৰিজাতে বিচনাখনৰ ফালে খোজ আগবঢ়ালে। বিচনাখনৰ ওচৰ পাই পাৰিজাতৰ এনেহে লাগিল যেন বিচনাখন এনেই পৰি থকা নাই। হিতেন দাস নিঃশব্দে বেৰৰ ফালে মুখ দি তাত শুই আছেহি। কাঞ্চনৰ ওচৰৰ পৰা আহি হিতেন যেনে দৰে শুইছিলহি আজিও যেন তেনেদৰেই শুই পৰিছেহি। হিতেনক সেই অৱস্থাত কল্পনা কৰি পাৰিজাতৰ মনে মনে বৰ খং উঠি আহিল। খঙৰ আতিশয্যত বিচনাখনৰ ফালে চাই চাই পাৰিজাতে মনতে

চিঞৰি উঠিল ঃ তুমি মোৰ প্ৰতি অন্যায় কৰিলা হিতেন তুমি কাঞ্চনক উপপত্নী হিচাপে লৈ মোক প্ৰতাৰণা কৰিলা মই মই তোমাৰ ওপৰত প্ৰতিশোধ ল'ম প্ৰতিশোধ প্ৰতি

হঠাতে পাৰিজাতে বিজয় বৰুৱাক বিচনাত ওপৰলৈ মুখ কৰি শুই থকা দেখিবলৈ পালে। তেনেহ'লে এযাই হিতেন দাসৰ ওপৰত প্ৰতিশোধ লোৱাৰ উপযুক্ত সময়নে কি ? বিজয় বৰুৱাৰ বুকুত আশ্ৰয় ল'লেই হিতেনৰ ওপৰত প্ৰতিশোধ লোৱা হ'বনে কি ?

হিতেন দাসৰ অশৰীৰী স্বৰ পাৰিজাতৰ কাণত পৰিল ঃ মই জানো, তুমি যে এদিন মোৰ ওপৰত প্ৰতিশোধ ল'বা মই জানো। কিন্তু অন্যায় অকল ময়েই কৰা নাই, অন্যায তুমিও কৰিলা। বিজয়ৰ মানস ছবি বুকুত সাৱটি তুমিও অন্যায় কৰি গ'লা তুমিও তুমিও

পাৰিজাতে কাণ দুখন হেঁচা মাৰি ধৰিলে। বিচনাখনৰ ওচৰৰ পৰা আঁতৰি আহিল। আৰু এসময়ত বাহিৰৰ ফালৰ পৰা হিতেনৰ কোঠাটোৰ দুৱাৰখন জপাই দিলে।

দুৱাৰখন জপাই দিয়াৰ লগে লগে ভিতৰত আকৌ সেই অশৰীৰী পদধ্বনি বাজি উঠিল। পাৰিজাতৰ ভয় লাগি আহিল। বাহিৰলৈ যোৱা কথা ভাবিছিল যদিও ভয়তে সেই ইচ্ছা ত্যাগ কৰি পাৰিজাত নিজৰ কোঠা পালেহি। বিচনাতে বহি অলপ টলক মাৰি থাকিল।

পদধ্বনি আগফালৰ বাৰান্দাটো শুনিবলৈ পোৱা যেন লাগিল পাৰিজাতৰ। কি কৰিব কি নকৰিব এবাৰ ভাবি চালে। বাহিৰৰ কোঠাত কাঞ্চাটো আৰু কাঞ্চীজনী শুই আছে। সিহঁতক মাত লগাই দিবনে কি ? কিন্তু সিহঁতক মাত লগাই কিবা লাভ হ'বনে ? সিহঁত অতি বেছি ডেৰঘণ্টা বা দুঘণ্টা তেওঁক ৰখিবহি। তাৰ পিছত ? তাৰ পিছতো যদি এই পদধ্বনি শুনিবলৈ পোৱা যায় তেতিয়া পাৰিজাতক কোনে ৰখিবহি ? তেতিয়া পাৰিজাত কাৰ আশ্ৰয়ত থাকিব ?

এৰা। আশ্ৰয় !!—পাৰিজাতক আজি আশ্ৰয় লাগে। পাৰিজাত

আজি এটা আশ্ৰয়ৰ বৰ প্ৰয়োজন হৈ পৰিছে। কিন্তু কোনে তেওঁক আশ্ৰয় দিব ?

আশ্ৰয়ৰ কথা ভবাৰ লগে লগে পাৰিজাতৰ ত্ৰিলোচনলৈ মনত পৰিল। ত্ৰিলোচনে পাৰিজাতক আশ্ৰয় দিব খুজিছিল। ত্ৰিলোচনে পাৰিজাতক সিহঁতৰ ঘৰতে থাকিবলৈ কৈছিল। এইখন ঘৰ কাৰোবাক ভাৰালৈ দিযাৰ প্ৰস্তাৱ আগবঢ়াইছিল। কিন্তু পাৰিজাতে জোৱায়েকৰ সেই প্ৰস্তাৱ ভাল নাপালে। তেওঁলোকৰ ঘৰত লোকৰ টেটুত ওলমি থাকিলৈ আৰু নাযায। তেওঁ ইযাতেই থাকিব।

কিন্তু আজি এই মুহূৰ্তত পাৰিজাতৰ এনেহে লাগিছে যেন তেওঁ ভুলহে কৰিলে। তেওঁ ত্ৰিলোচনৰ প্ৰস্তাৱটো মানি লোৱাই ভাল আছিল। পাৰিজাত ত্ৰিলোচনৰ ঘৰলৈ গুচি যোৱাই ভাল আছিল।

পাৰিজাতৰ মানস দৃষ্টিত ত্ৰিলোচনৰ মুখখন ক্ৰমান্বযে ম্লান হৈ আহিল। তাৰ ঠাইত স্পষ্ট হৈ উঠিল বিজযৰ মুখখন।

বিজয বৰুৱাৰ মুখখন পাৰিজাতৰ চুচকুত ভঁাহি উঠাৰ লগে লগে মনটো অলপ সবল হৈ অহা যেন লাগিল। সবল মনেৰে পাৰিজাতে বাহিৰৰ পদধ্বনিলৈ কাণ দিলে। নাই, একো শুনিবলৈ পোৱা নাই। এৰা। আজি ভালেদিনৰ পৰা পাৰিজাতৰ এনে হৈছে। মাজনিশা সাৰ পাই কেতিযাবা তেওঁৰ বৰ ভাল লাগে। কিন্তু বিজযলৈ মনত পেলাই দিলেই পাৰিজাতৰ মনৰ পৰা সেই ভয নোহোৱা হৈ যায।

কিয বাৰু ?—পাৰিজাতে নিজকে এবাৰ সুধি চালে।

উত্তৰ বিচাৰি পাৰিজাত বিচনাৰ পৰা উঠিল আৰু লাইফ চাইজ গ্লাচখনৰ ওচৰলৈ গ'ল। এবাৰ হেঁপাহ পলুৱাই তেওঁ তাত নিজক চাই ল'লে।

আয়নাখনত নিজক চাই চাই পাৰিজাতে ভাবিলে,—সঁচা সঁচা কথা তেওঁৰ মনটো ভাগৰিলেও গাটো ভাগৰা নাই। বাসন্তীৰ দৰে পাৰিজাতৰো গাটো আটিল হৈ আছে। এইটো গাৰে বিজযক

বিজয় বকৰাৰ লগত পাৰিব একে শাৰীতে বহিব পাৰিব।—একেলগে থাকিব পাৰিব। মাথো ইচ্ছা কৰিলেই হয়।

ইচ্ছা?—ইচ্ছা??

—ইচ্ছা পাৰিজাতৰ নোহোৱা নহয়। ইচ্ছা বিজয়ৰো নোহোৱা নহয়।

তেনেহ'লে তেনেহ'লে বাধা কিহৰ?—বাধা কিহৰ?

সেই দেৱালখন? যিখন দেৱাল বগাই বিজয় এদিন পাৰিজাতৰ ওচৰলৈ আহিব নোৱাৰিলে—সেই দেৱালখন? বোধকৰোঁ বাধা সেই দেৱালখন নহয়। সময়ৰ লগে লগে সেই দেৱালখন নিজে নিজেই জহি খহি গ'ল। আজি আৰু সেইখন দেৱালৰ কথা কোনেও বৰকৈ নাভাবে। আজি আৰু কাৰো মিলনত সেইখন দেৱালে প্ৰবল বাধাৰূপে থিয় দিব নোৱাৰে।

পাৰিজাতে অলপ ভালকৈ নিজকে চাই ল'লে। গাটো নাভাগিলেও বয়স কৈৰ থকা নাই। বয়স বৈ থকা নাই বিজয়ৰো। দেখাত বিজয় বেছিকৈহে বুঢ়া হৈ পৰিছে। পাৰিজাতৰ মোহভংগ নঘটে। পাৰিজাতে সেই কথা জানে। পাৰিজাতৰ নঘটিলেও বয়সৰ বাবে কিছুদিনৰ পিছত যদি বিজয়ৰ মোহভংগ ঘটি যায়? যদি বিজয়ৰ ওচৰত পাৰিজাত আকৌ এবাৰ অপমানিত হ'ব লগা হয়? এইখন ঘৰ এৰি-থৈ যদি আকৌ এইখন ঘৰলৈকে ঘূৰি আহিব লগা হয় গৈ?

পাৰিজাতৰ এটা গল্পৰ কথা মনত পৰিল। দুবছৰ মানৰ আগতে পঢ়া পৰশুৰাম' নামৰ লেখক এজনৰ গল্প। নিজৰ দেহ আৰু যৌৱনেৰে তিনিলোক জয় কৰিবলৈ বিচৰা উৰ্বশীৰ গল্প। গল্পটো এই:

—এদিন উৰ্বশীয়ে ইন্দ্ৰৰ আগত স্বৰ্গ এৰি মৰ্ত্ত্যলৈ যোৱাৰ ইচ্ছা প্ৰকাশ কৰিলে। ইন্দ্ৰই উৰ্বশীৰ প্ৰস্তাৱটো ভাল নাপালে। নাপাই তেওঁ বুজনিৰ সুৰত উৰ্বশীক ক'লে,—ইযাজনো তুমি কি অসুবিধা পালা? উত্তম বাসগৃহ, সুন্দৰ প্ৰমোদ কানন, মহাৰ্ঘ বেশভূষা, প্ৰচুৰ বেতন—

এই সকলোৰ সুবিধাইতো তোমাক দিয়া হৈছে। তেনেহ'লে তুমি কিয় স্বৰ্গ এৰি মৰ্ত্যলৈ যাব লাগে? তুমি নোৱাৰা যাব।

কিন্তু উৰ্বশীয়ে ইন্দ্ৰৰ কোনো কথা নুশুনিলে। মৰ্ত্যলৈ যাবৰ বাবে তাই দৃঢ় সংকল্প। তাই যাবই। মাত্ৰ ইন্দ্ৰৰ অনুমতিৰ বাবেহে ৰৈ আছে।

উৰ্বশীৰ আকোৰ গোজ মনোভাৱৰ কথা শুনি ইন্দ্ৰৰ খং উঠি আহিল। তেওঁ অলপ টান মাতেৰে ক'লে,—স্বৰ্গৰ সকলোৰে চিত্ত জয় কৰিব পাৰিছা বুলি যদি প্ৰমাণ কৰিব পাৰা তেনেহ'লে তোমাক যাবলৈ দিব পাৰোঁ। প্ৰমাণ কৰিব নোৱাৰিলে নাই।

উৰ্বশীয়ে পাৰিছে বুলি অলপ অহংকাৰেৰেই উত্তৰ দিলে।

ইন্দ্ৰ অগ্নিশৰ্মা হৈ পৰিল। তেওঁ ক'লে,—বৰ্তমানে স্বৰ্গত আৰু তিনিজন সিদ্ধ পুৰুষে বিচৰণ কৰিছহি। তুমি তেওঁলোকাৰো চিত্ত জয় কৰি দেখুৱাব লাগিব।

—কোনো কথা নাই। উৰ্বশীয়ে আকৌ অহংকাৰ কৰি ক'লে।

উৰ্বশীৰ পৰীক্ষাৰ দিন স্থিৰ হ'ল। ইন্দ্ৰই নাৰদৰ যোগেদি তিনি সিদ্ধলৈ খবৰ পঠালে। নাৰদে দি যোৱা দিন বাৰ তাৰিখ মতে তিনিসিদ্ধ—কুতুক, পৰ্বত আৰু কৰ্দম মুনি ইন্দ্ৰৰ ৰাজ সভালৈ আহিল। তেওঁলোকক যথা-বিধি অভ্যৰ্থনা কৰি ইন্দ্ৰই ক'লে—হে মহাতেজা তপঃসিদ্ধ জিতেন্দ্ৰিয় মহৰ্ষিত্ৰয়, অপ্সৰা উৰ্বশীয়ে আপোনালোকৰ মনোৰঞ্জনৰ বাবে এটি নৃত্য পৰিবেশন কৰিব। আপোনালোকৰ অনুমতি পালে উৰ্বশীয়ে তেওঁৰ উদ্দেশ্য প্ৰণোদিত সেই নৃত্যটি আৰম্ভ কৰিব পাৰে।

ইন্দ্ৰৰ কথা শুনি মুনিত্ৰয়ৰ মুখপাত্ৰ মহামুনি কুতুকে ক'লে,—অঁ অঁ আৰম্ভ কৰিব লাগে। বিলম্বৰ প্ৰয়োজন কত? ছোৱালীৰ নাচ আমি আগতে দেখা নাই। গতিকে নাচ চাবৰ বাবে আমি উদগ্ৰীৱ। ছোৱালী আহক আৰু নাচক—

লাস্য নৃত্যৰ উপযুক্ত বেশভূষাৰে উৰ্বশীয়ে ইন্দ্ৰৰ ৰাজসভাত প্ৰৱেশ

কৰিলে। সকলোকে কৰযোৰে প্ৰণাম কৰি ক'লে,—হে মহাতেজা দেৱগণ আৰু অগ্নিকল্প ঋষিগণ। মই যি নৃত্য পৰিবেশন কৰিবলৈ লৈছোঁ—এই নৃত্য পৰিবেশনৰ বেলিকা মোৰ দেহ উলংগ হৈ পৰিব। তাত আপোনালোকৰ কিবা আপত্তি আছেনে কি?

কথাষাৰ কৈয়ে উৰ্বশীয়ে কুতুকলৈ চালে। সেয়ে কুতুকে জপৰা মূৰটো লৰাই থচৰ কৰে ক'লে,—থোৱা দেওহে। আপত্তি কিহৰ? যাৱতীয় জীৱ-জন্তুৰ দৰে আমাৰ এই দেহটোও পঞ্চভূতৰ সমষ্টি। আমি নাঙঠ-পাঙঠ এইবোৰক পৰোৱা নকৰোঁ। যেনেদৰেই নহওক, মুঠতে নাচ আৰম্ভ কৰা।

কুতুকৰ পিছত কৰ্দমেও কৈ উঠিল,—অঁ অঁ বিলম্বৰ নাই প্ৰয়োজন।

পুনৰ সবিনয়ে উৰ্বশীয়ে ক'লে,—মোৰ নৃত্য যদি আপোনালোকৰ কুৎসিৎ বা অশ্লীল লাগে তেনেহলে লগে লগে ইংগিত দিব। ইংগিত পালেই তৎক্ষণাত মই নৃত্য বন্ধ কৰিম।

কৈয়ে উৰ্বশীয়ে মণি-মুক্তাখচিত দৃষ্টি বিভ্ৰমকৰ উজ্জ্বল বেশ প্ৰকাশ কৰিলে। কিছুপৰ উদ্দাম নৃত্য পৰিবেশন কৰাৰ পিছত মহামুনি পৰ্বত মহোদয়ৰ হাত ওপৰলৈ উঠিল। তেওঁ চিঞৰি চিঞৰি ক'বলৈ ধৰিলে,—হেৰা উৰ্বশী, বন্ধ কৰা তোমাৰ এই অশালীন নাচ। ভাল লগা নাই।

পৰ্বতৰ কথা শুনি মহামুনি কুতুকে টান মাত দিলে,—ধুৰ্ ৰ দুৰ্মতি। তোমাৰ চিত্ত পীড়া হৈছে যদি চকু মুদি থাকা। নাচাবা। কিন্তু তোমাৰ কথাত উৰ্বশীয়ে নাচ বন্ধ কৰিব কিয়? মই কৈছোঁ নকৰে।

উৰ্বশীয়ে ঠাৰে-চিয়াঁৰে ইন্দ্ৰক জনালে—দেখিলেনে দেৱৰাজ, এটিৰ লেঠা মৰিলেই। আৰু দুটিহে আছে। ৰ'বচোন—

আকৌ নৃত্য আৰম্ভ হ'ল।

উৰ্বশীৰ নৃত্যৰ লয়লাস ক্ৰমান্বয়ে বাঢ়ি আহিল। নৃত্য-দৰ্শক দুই

একৰ মদন পীড়াও নজন্মাকৈ নাথাকিল। এবাৰ উৰ্বশীয়ে তাইৰ দেহৰ উৰ্দ্ধাংশ নৃত্যৰ তালে তালে অনাবৃত্ত কৰি আনিলে। লগে লগে কৰ্দম মুনিয়ে চকু ঢাকি চিঞৰি উঠিল,—দেখিলোঁ দেখিলোঁ। আৰু দেখুৱাৰ নালাগে। ছোৱালীৰ নাচ আৰু নাচাওঁ। তোমাৰ নাচ ইমানতে বন্ধ কৰা উৰ্বশী। তোমাৰ এনে অৰুচিকৰ নাচ চাই আমাৰ তপস্যা ভংগৰ উপক্ৰম হৈছে। অস্ অস্ কি যে বিপদ অস্ অস্

মহামুনি কুতুকে অলপ খঙেৰে কৰ্দমৰ ফালে চালে আৰু তাচ্ছিল্য কৰি কঠুৰা মাতেৰে ক'লে,—কিয় বন্ধ কৰিবহে, কিয় বন্ধ কৰিব? নকৰে বন্ধ। চলি থাকক। ইমানতে যদি তপস্যা ভংগৰ উপক্ৰম হ'ল তেনহ'লে তোমাৰ সেই তপস্যা অৰ্থহীন। তপস্যা কৰাৰ নামত ফাং ফুং কৰি কাল কটাইছা। তুমি হজম কৰিব নোৱাৰিলে উঠি যোৱা।

কৰ্দম উঠি গ'ল। উৰ্বশীয়ে ইংগিতেৰে ইন্দ্ৰক ক'লে, আৰু এটিহে বাকী হওঁতে।

উৰ্বশীয়ে দুগুণ উৎসাহেৰে নৃত্যত মনোনিবেশ কৰিলে। তেওঁৰ নৃত্য-ছন্দৰ ভৰত, নেপুৰৰ ঝন ঝননিত স্বৰ্গৰ মঞ্চ চঞ্চল হৈ উঠিল। ইন্দ্ৰ, নাৰদ আদিৰো চিত্তই লটং পটং কৰিবলৈ ধৰিলে। আনবোৰৰ যে কথাই নাই।

এবাৰত নাচি নাচি উৰ্বশীয়ে দেহৰ সমস্ত আভৰণ আঁতৰলৈ দলিয়াই দিলে।

সভাস্থলীৰ আটাইবোৰ বিস্মিত হ'ল। আটাইবোৰে য'ত বহি আছিল তাতে ছাটি ফুটি কৰিবলৈ ধৰিলে। ইন্দ্ৰৰ অৱস্থা গৈ গৈ যে দুৰৱস্থাত পতিত হ'লগৈ। দুৰৱস্থাৰ মাজতে তেওঁ মহামুনি কুতুকলৈ চালে।

উৱা, এইটো দেখোন এতিয়াও নিৰ্বিকাৰ।—নে এইটো মৰা কাঠ? নে ভাও ধৰিছে? যদি সঁচাকৈয়ে নিৰ্বিকাৰ হৈ থাকে তেনেহ'লে উৰ্বশীৰ অহংকাৰ ধূলিৰ লগত মিহলি হৈ যাব। যদি সঁচাকৈয়ে

যদি

এনেতে হঠাৎ উৰ্বশীয়ে এক প্ৰচণ্ড কামোত্তেজক ভংগীমাত পাষাণ মূৰ্তিৰ দৰে নিশ্চল ভাৱে মহাতপা কুতুকৰ সন্মুখত থিয় দি ৰ'ল। সভাস্থিত দেৱতা, দেৱৰ্ষি, মহৰ্ষিসকলৰ মুখত সাধু সাধু উচ্চাৰণ শুনিবলৈ পোৱা গ'ল। ইফালে সকলোকে অবাক কৰি উৰ্বশীৰ ফালে চাই কুতুকে চিঞৰি উঠিল,—হেৰা উৰ্বশী, বৈ গ'লা কিয়? নাচা-নাচা-নাচা—। নাচি নাচি তোমাৰ যি যত আছে সমস্ত ত্যাগ কৰা। উলংগ দেহটো মোৰ চকুৰ আগত এনেদৰে থিয় কৰি থ'লে কি হ'ব?

দেৱৰ্ষি নাৰদ মহামুনি কুতুকৰ ওচৰতে বহি আছিল। তেওঁ কুতুকক ঠেলা মাৰি দিয়াদি দি ক'লে,—হেৰা বান্ধ, তুমি আকো এইখন কি ধৰণৰ বলিয়ালি আৰম্ভ কৰিলা? আৰু কি ত্যাগ কৰিবলৈ আছেহে? উৰ্বশীয়ে দেখোন যি আছিল সমস্ত ত্যাগ কৰিলে। তোমাৰ সন্মুখতে থিয় হৈ আছে—তুমি দেখা নাই?

কুতুকে অনুসন্ধানীৰ দৰে উৰ্বশীৰ মসৃণ গাটোৰেদি দৃষ্টি বাগৰাই আনিলে আৰু অবাক হোৱাৰ দৰে ভংগী কৰি ক'লে,—হাঁ, কি বুলিলা? সমস্ত ত্যাগ কৰা হ'ল? আৰু ত্যাগ কৰিবলৈ নাই। কিন্তু উৰ্বশীয়ে তেওঁৰ নাৰীত্ব কোন তলকত ত্যাগ কৰিলে? তেওঁৰ নাৰীত্ব ক'ত? উৰ্বশী আছে যদি তোমাৰ নাৰীত্ব মোৰ চকুৰ আগত দাঙি ধৰা।

নাৰদে কুতুকক বিদ্ৰূপ কৰিলে,—হেৰা বান্ধ, তাকো যদি নাজানিলা, জানিলা কি? কিহৰ পুৰুষটোহে তুমি? নাৰীত্ব আছে তেওঁৰ বস্ত্ৰ অলংকাৰত আভৰণত অংগ-প্ৰত্যংগত ভাৱ-ভংগীত আৰু অনুৰাগী পুৰুষৰ চিত্তত। তুমি যে বীতৰাগ! তুমি যে চিত্ত পুৰি থাইছা তুমি নাৰীৰ নাৰীত্ব কি বুজিবা?—নাৰীত্বৰ স্থান কেনেকৈ নিৰ্ণয় কৰিবা?

নাৰদৰ কথা শুনি মহাতপা কুতুকৰ বিচ্ বিচ্ কৰে থং উঠি আহিল। তেওঁ ক্ৰুদ্ধ কণ্ঠে ক'লে,—তেনেহ'লে আমাক প্ৰতাৰণা কৰিবৰ বাবেহে ইয়ালৈ মাতি অনা হৈছিল। উৰ্বশীৰ গাত কি আছে? —সেই চপৰা এচপৰা অন্তঃসাৰ শূন্য মাংসপিণ্ড মাত্ৰ। মৃতদেহ আৰু এই দেহৰ মাজত পাৰ্থক্য নাই। মই ইয়াত একো দেখা নাপালোঁ।

কুতুকে সভাস্থলী ত্যাগ কৰিলে।

উর্বশী এনেদৰে অপমানিত হোৱা দেখি, তাইৰ অহংকাৰ ধূলিৰ লগত মিহলি হৈ যোৱা দেখি মেনকা, মিশ্ৰকেশী, ঘৃতাশ্ৰী প্ৰভৃতি অপ্সৰাসকলে আনন্দত হাত চাপৰি বজালে। সিহঁতে তেনে কৰাত উলংগ অৱস্থাৰে উর্বশীয়ে নতমুখে চকুৰ পানী মচিবলৈ লাগিল। উর্বশীয়ে কন্দা দেখি ইন্দ্ৰই ক'লে,—তুমি কান্দিছা কিয় ? নাকান্দিবা। নিজৰ ভুল শুধৰাই লোৱা। সদায়, সকলোকে তুমি কেতিয়াও জয় কৰিব নোৱাৰা। ময়ো এদিন বৃত্ৰাসুৰৰ হাতত পৰাজয় বৰণ কৰিছিলোঁ।

কান্দি কান্দিয়েই উর্বশীয়ে উত্তৰ দিলে,—কিন্তু এয়া জানো পৰাজয় দেৱৰাজ। মহা-তাপসৰ ভাও লোৱা কুতুক মুনি এটা পুৰুষত্বহীন অপদাৰ্থ, দগ্ধেন্দ্ৰিয় আৰু উন্মাদ। তাক জয় কৰিব নোৱাৰাটো জানো মোৰ পৰাজয় ?

গল্পটোৰ শেষত উর্বশীয়ে কোৱা কথাষাৰ পাৰিজাতে আকৌ এবাৰ ভাবি চালে।

—যদি কুতুকৰ দৰে বিজয় বৰুৱাও পুৰুষত্বহীন হৈ পৰিছে ? যদি অপদাৰ্থ, দগ্ধেন্দ্ৰিয়, উন্মাদ হৈ পৰিছে ? উন্মাদনা শেষ হোৱাৰ পিছতে বিজয়ৰ যদি মোহভংগ ঘটে ? বিজয়েও যদি কুতুকৰ দৰে চিঞৰি কয় ঃ ভুল পাৰিজাত ভুল, সকলো ভুল। মোৰ মোহভংগ ঘটিছে। মই পলমকৈ হলেও বুজি পাইছোঁ।—তোমাৰ এই গাটোত একো নাই। তোমাৰ এই গাটো আৰু এডাল মৰা কাঠ—একেই। একেই ॥ একেই ॥। তোমাক আৰু মোৰ কোনো প্ৰয়োজন নাই। তুমি মোৰ লগত থকাৰ কোনো দৰকাৰ নাই। তুমি গুচি যোৱা। তুমি মোৰ চকুৰ আগৰ পৰা আঁতৰি যোৱা—আঁতৰি যোৱা—

নিজৰ গাটো চুই চাই পাৰিজাতে শীতল শীতল অনুভৱ কৰিলে। ভাৱৰ মাজতে কোনোবা এসময়ত পাৰিজাত লাইফ চাইজ গ্লাচথনৰ ওচৰৰ পৰা আঁতৰি আহিছিল। আকৌ তেওঁ গ্লাচথনৰ ওচৰলৈ গ'ল। হেঁপাহ পলুৱাই নিজক চাই ল'লে। নিজকে চাই চাই পাৰিজাতৰ

ভাল লাগি আছিল। পাৰিজাতে নিজকে উৰ্বশী বুলি ভাবি পেলালে ?

পাৰিজাতেও উৰ্বশীৰ দৰে নিজক বিজয়ৰ সন্মুখত থিয় কৰিবলৈ বিচাৰিলে। তেওঁ নিজকে নিজে ক'লে—বিজয় কুতুক নহয়। বিজয় কুতুক হ'ব নোৱাৰে। বিজয় বিজয়েই। বিজয়ে পাৰিজাতৰ আভৰণ-শূন্য দেহটো চাই নিৰ্বিকাৰ হৈ থাকিব নোৱাৰে। বিজয় নিৰ্বিকাৰ নহয়।

পাৰিজাতে আয়নাখনৰ ওচৰৰ পৰাই কোঠাটোৰ চাৰিও চুক এবাৰ পৰীক্ষা কৰি চাই ল'লে। নাই, বাহিৰৰ পৰা তেওঁক কোনেও দেখা নাই। বাহিৰৰ পৰা তেওঁক কোনেও চাই থকা নাই।

আয়নাখনলৈ চকু ঘূৰাই আনি পাৰিজাতে উন্মাদিনীৰ দৰে নিজৰ বক্ষস্থল উন্মুক্ত কৰিলে। তেনেতে দুটা সৰু শব্দ পাৰিজাতৰ কাণত পৰা যেন লাগিল। পাৰিজাতে ভাবিলে : পৰ্বত আৰু কৰ্দমে তেওঁৰ বক্ষস্থল দেখি লৰৰি পলাইছে। ভাবি পাৰিজাতে হাঁহি দিলে।

এইবাৰ তেওঁ নিজক সম্পূৰ্ণৰূপে উৰ্বশী বুলি ভাবি দেহৰ সমস্ত আভৰণ আঁতৰাই পেলালে আৰু এক মোহনীয় ভংগীত আয়নাখনৰ ওচৰত থিয় হৈ থাকিল। পাৰিজাতে নিজকে আজি নতুন ৰূপত দেখিলে।

সেই সময়তে হিতেন দাসৰ অশৰীৰী স্বৰ পাৰিজাতৰ কাণত বাজি উঠিল : হাঃ হাঃ হাঃ পাৰিজাত!—তোমাক এই অৱস্থাত দেখি কোনোবাই হয়তো উন্মাদ বুলি ক'ব পাৰে। কিন্তু মই নকওঁ। সুস্থ ভাৱেই তুমি তোমাৰ নগ্ন দেহ বিজয়ক উপহাৰ দিবলৈ আগবাঢ়ি গৈছা। কিন্তু মোৰ ক্ষেত্ৰত তুমি কৰিলা কি ? মোক তুমি মোক তুমি

হিতেনৰ কণ্ঠ নোহোৱা হৈ গ'ল।

পাৰিজাতে সম্বিত ঘূৰাই পাই থৰ থেদাকৈ নিজৰ কাপোৰবোৰ পিন্ধি ল'লে। লৈ আয়নাখনৰ ওচৰৰ পৰা আঁতৰি আহিল।

বিচনাখনৰ ওচৰলৈ আহি পাৰিজাতে নিশাৰ গভীৰতা ভালকৈয়ে উপলব্ধি কৰিলে।

পাৰিজাতৰ বৰ ভয় লাগি আহিল।

ঠিক সেই সময়তে পাৰিজাতৰ মনৰ ভয় দূৰ কৰি বিজয় বৰুৱাই বাহিৰত মাত দিলে,—পাৰিজাত, হেৰা পাৰিজাত দুৱাৰখন খোলাচোন। বেগাই বেগাই।

কিন্তু ইমান নিশা? বাসৰীৰ অনুপস্থিতিত?

পাৰিজাতে ভাবিছিল। পিছত সেই ভাব দূৰ কৰি থৈ উন্মাদিনীৰ দৰে হৈ মানুহজনী বাহিৰৰ দুৱাৰৰ ওচৰলৈ ঢাপলি মেলিলে। দুৱাৰখন খুলি দি আকুল ভাবে ক'লে,—আহক।

—আহিছোঁ। কিন্তু তুমি ইমান নিশালৈকে উজাগৰে আছা? তুমি শুব পৰা নাই?

পাৰিজাতে একো নামাতিলে।

বিজয় বৰুৱাই থপক্ কৰে চকী এখনত বহি লৈ ক'লে,—মই জানো, তুমি সদায় উজাগৰেই থাকিব লাগিছা। তুমি শুব পৰা নাই। তুমি শুব নোৱাৰা। শুব পৰা নাই মই নিজেও। মযো উজাগৰেই নিশাৰ পিছত নিশা কটাই দিব লাগিছোঁ। মোৰ চকুৰ পৰাও টোপনি আঁতৰি গৈছে।

পাৰিজাতে বিজয় বৰুৱাৰ চকু-মুখলৈ চালে। মানুহজনক বৰ অস্থিৰ আৰু অস্বাভাৱিক যেন লাগিল। পাৰিজাতৰ মনত সন্দেহ জাগিল কাঞ্চন আৰু ভদ্ৰেশ্বৰ দত্ত বুলি কাঠৰ খুটা দুটাকে গুলিযাই থৈ অহাৰ দৰে কিবা এটা নকৰিব লগা কাম কৰি অহা নাইতো? কল্যাণ বুলি যদি আকৌ বাৰান্দাৰ খুটা এটা ভাঙি থৈ আহিছে? বিজয় বৰুৱাৰ প্ৰসংগটো তল পেলাই পাৰিজাতে সুধিলে,—কিন্তু আপুনি ইমান নিশা কিয আহিব লগা হ'ল বুজি নাপালোঁ। বিজন ঘৰত নাইনে কি?

বৰুৱাই পাৰিজাতৰ কথা শুনি গাটো লৰালে। ক'লে—বিজন ঘৰত থকা বাবেইতো মই নিশা আহিব লগা হ'ল। তাৰ কথা মোক

নক'বা। তাৰ কথা মোৰ আগত মুলিযাবা। সি মোৰ কুলাংগাৰ পুত্ৰ। সি মোক বন্দী কৰি ৰাখিছে। সি মোক বাহিৰলৈ ওলাব নিদিয়ে। সি মোক তোমাৰ ওচৰলৈ আহিব নিদিযে। সি মোক সি মোক জানা —সি ক'ব নোৱাৰাকৈহে মই তোমাৰ ওচৰলৈ আহিছোঁ। সি ক'ব পৰা হ'লে মোক ঘূৰাই নিলেহেতেন। মোক আহিবলৈ নিদিলেহেতেন। সি মোৰ সেই দৈত্যাকৃতি ঘৰটোৰ ভিতৰত বন্দী কৰি থলেহেতেন

সেই ঘৰটো আজিকালি মোৰ সমূলি ভাল নলগা হ'ল। সেই ঘৰটোত মোৰ এক মুহূর্তও থাকিবলৈ মন নোযোৱা হ'ল। মই সেইটো ঘৰ নাবান্ধিলোঁ—যেন মই মোৰ নিজৰ বাবেই এখন কাৰাগাৰ সজালোঁ। মই যেন এটা দাগী কয়দী।

কথা কৈ থাকোতে থাকোতেই হঠাৎ বৰুৱাই খোলা দুৱাৰখনৰ ফালে চাই উচপ খাই উঠিল। তেওঁ আতংকৰ সুৰেৰে ক'লে,—পাৰিজাত দুৱাৰখন মেলি থৈছা কিয়? দুৱাৰখন বন্ধ কৰি দিয়া। বিজন আহিব পাৰে। বিজনে দেখিলে মোৰ সৰ্বনাশ হ'ব। সি মোক ইয়াৰ পৰা ঘূৰাই লৈ যাব। সি মোক ঘূৰাই লৈ গ'লে মই আৰু আহিব নোৱাৰিম।

পাৰিজাতে দুৱাৰখন বন্ধ কৰি দিলে।

তথাপি বিজয় বৰুৱা শান্ত হ'ব নোৱাৰিলে। অশান্ত আৰু অস্থিৰ ভাৱে বৰুৱাই কোঠাটোৰ চাৰিওফালে এবাৰ দৃষ্টি ঘূৰাই আনিলে। পিছত পাৰিজাতৰ ফালে চাই ক'লে,—দুৱাৰখন বন্ধ কৰিলা যদিও মোৰ মনত কিন্তু ভয় লাগি আছে। ইয়াত বহি থাকিলে মই বিজনৰ চকুত পৰা পৰি যাব পাৰোঁ। ইয়াত নাথাকোঁ। ব'লা—ভিতৰলৈ যাওঁ। —তোমাৰ কোঠালৈ যাওঁ।

কৈ কৈ বৰুৱা বহাৰ পৰা উঠিল। পাৰিজাতৰ হাতখনত ধৰিলে। হাতখনত ধৰাৰ লগে লগে পাৰিজাতে ভিতৰলৈ খোজ আগবঢ়াই দিলে। পাৰিজাতৰ খোজবোৰ থৰক বৰক হৈ পৰিল। পাৰিজাতে বৰুৱাৰ গাতে ভৰ দি খোজ পেলাব পাৰেনে কি এবাৰ ভাবি চালে।

ভাবি শেষ কৰাৰ আগতেই পাৰিজাতে হিতেনৰ স্বৰ ভাঁহি অহা শুনিবলৈ পালে ঃ হোঃ হোঃ হোঃ হাঃ হাঃ হাঃ আজি আৰু ফাঁকি দি সাৰিব নোৱাৰা পাৰিজাত। আজি তুমি ধৰা পৰি গৈছা। আজিৰ এই মধুৰ মুহূৰ্তৰ বাবেই গোটেই জীৱন তুমি বৈ আছিলা এইটোৱেই তোমাৰ বাঞ্ছিত মুহূৰ্ত। এই মুহূৰ্তটোৰ বাবেই তুমি মোক ফাঁকি দি গ'লা। তুমি নিজকো ফাঁকি দি গ'লা।

ইফালে বিজয়ৰ কাণত বাজি উঠিল জয়শ্ৰীৰ স্বৰ " এই দৃশ্যটোৰ কথাকে মই সদায় সভয়ে চিন্তা কৰি আছিলোঁ। মই জানিছিলোঁ আপুনি এদিন এনে এটা দৃশ্যত অভিনয় কৰা কথাকে অহৰহ ভাবি আছিল। আজি আপুনি সেই বাঞ্ছিত দৃশ্যত অৱতীৰ্ণ হৈছে। অৱশেষত আপোনাৰ ফাঁকি সকলোৰে চকুত ধৰা পৰিলগৈ—

কোঠাৰ ভিতৰত বৰুৱাই পাৰিজাতৰ হাতখন এৰি দিলে।

পাৰিজাত থিয় হৈ থাকিল।

পাৰিজাতৰ কোঠাত ওলমি থকা হিতেন দাসৰ ছবি এখনত চকু পৰিল বিজয় বৰুৱাৰ। তেওঁ চেঁপা মাতেৰে ক'লে,—এই ফটোখন —ফটোখন ইয়াত কিয় থাকিব লাগে পাৰিজাত? ফটোখন ইয়াৰ পৰা আঁতৰাই নিয়া।

—কিন্তু কিয়?

হিতেন তোমাৰ কোনো নহয়।

হিতেনে তোমাক কোনো দিনে ভাল পোৱা নাছিল !!

হিতেনে তোমাক কোনো দিনে ভাল পাব পৰা নাছিল !!!

বৰুৱাই হিতেনৰ ছবিখন আজুৰি আনিবৰ বাবে আগবাঢ়ি গৈছিল।

পাৰিজাতে বাধা দি ক'লে,—ফটোখন নষ্ট নকৰিব। থাকক তাতে। ছবিৰ সেই মানুহজনক হিতেন বুলি নাভাবিব।

—হিতেন বুলি নাভাবিম? তেনেহ'লে কোন বুলি ভাবিম পাৰিজাত? ছবিখনৰ মানুহটো কি মই নিজেই বুলি ভাবিম?

—নহয়।

—তেনেহ'লে।

—

—কোৱা পাৰিজাত।

—ক'ম।

—কোৱা।

—ক'ম।

—কোৱা। এতিয়াই কোৱা। মোৰ শুনিবলৈ বৰ মন গৈছে।

—কি শুনিবলৈ মন গৈছে আপোনাৰ?

—ফটোখনৰ মানুহটোৰ কথা।

—শুনক। মোৰ এজনী ছোৱালী আছে। তাইৰ নাম বাসৱী। ছবিখনৰ সেই মানুহজনক বাসৱীৰ দেউতাক বুলি ভাৱক। হিতেন দাস হিচাপে মানুহটোৰ অস্তিত্ব পাহৰিলেও বাসৱীৰ দেউতাক হিচাপে মানুহটোৰ অস্তিত্ব মই কেনেকৈ পাহৰিম?—বাসৱীৰ দেউতাকক মই পাহৰিব নোৱাৰোঁ। আৰু আপুনি কোনোদিনে মোৰ বাবে ছবিৰ মানুহ নহয়। আপুনি মোৰ বাস্তৱৰ মানুহ আপুনি মোৰ জীৱনৰ প্ৰথম মানুহ।

বিজয় বৰুৱাই পাৰিজাতলৈ চালে।

ক'লে,—প্ৰথম মানুহ ছবিৰ মানুহ প্ৰথম মানুহ মই হিতেন বাসৱী বাসৱী অ' বাসৱী ক'ত?—বাসৱী? বাসৱীক তুমি ক'লৈ পঠালা? বাসৱীক তুমি মোৰ হাতত নিদিলা কিয়?—মোক নিদিলা কিয়??

পাৰিজাতে এইবাৰ ভৰিৰ আঙুলিলৈ চালে। সৰুকৈ ক'লে,—

—বাসৱী নাই। বাসৱীক ত্ৰিলোচনে লৈ যোৱা কথা আপুনি জানেই।

—বাসৱীৰ সলনি আপোনাৰ বাবে মই আছোঁ।

—পা-ৰি-জা-ত। বৰুৱাই মাতত আবেগ সানিলে।

—সেই বুলি । পাৰিজাতৰ স্বৰ কঁপা হলেও দৃঢ়।

—কোৱা কোৱা পাৰিজাত তুমি কি ক'ব খুজিছা কোৱা।

—আপুনি বিজনৰ কথা ভাবক। কল্যাণৰ কথা ভাবক। নিজৰ বয়সৰ কথা ভাবক। আপোনাৰ যে ঘৰ এখন আছে সেই কথা ভাবক।

—নাই নাই, মই সেইবোৰ একো ভাবিব নোৱাৰোঁ। তোমাৰ বাহিৰে মোৰ মনলৈ একো নাহে, তোমাৰ বাহিৰে মই একোকে নেদেখোঁ। মোৰ কোনো ঘৰ-দুৱাৰ নাই। তোমাৰ কোঠাটোৱেই মোৰ ঘৰ। মই সদায় তোমাৰ কোঠাতে থাকিম। তোমাৰ কোঠাত থাকিলেই মোক কোনেও বিচাৰি নাপায়। আৰু সেই ভাবিয়েই এই মাজনিশা মই তোমাৰ ওচৰলৈ আহিছোঁ। তুমি মোক খেদি নিদিবা পাৰিজাত।

এইবাৰ পাৰিজাতৰ গাটো বৰকৈ কঁপি উঠিল। কিছু সময়ৰ আগতে সম্মুখৰ আয়নাখনত দেখা আভৰণহীন নিজৰ দেহটোলৈ মনত পৰিল। ক্ৰমে ক্ৰমে নিজক পাহৰি গৈ পাৰিজাতে কৈ পেলালে—মই আপোনাক খেদি দিব নোৱাৰোঁ। মই আপোনাক বিচাৰোঁ।

বৰুৱা পাৰিজাতৰ কাষ চাপি আহিল,—তোমাৰ এই কথাষাৰৰ বাবেই মই ৰৈ আছিলোঁ পাৰিজাত। তুমি মোৰ বুকুলৈ আহাঁ—মই তোমাক কিমান যে ভাল পাওঁ

পাৰিজাতে বৰুৱালৈ মূৰ তুলি চালে।

—আহাঁ। বৰুৱাই দুবাহু মেলি দিলে।

পাৰিজাত বৰুৱাৰ দুবাহুৰ মাজলৈ আগবাঢ়িল

বৰুৱাই পাৰিজাতক সাৱটি ধৰি ক'লে,—মই আজি সুখী পাৰিজাত।

—মযো।

—পাৰিজাত।

—বিজয়দাদা

দুৱৈত ফেঁচা এজনীয়ে উৰুলি দিয়া শুনিবলৈ পোৱা গ'ল।

ৰাতি তেতিয়া দোভাগ হৈছিল। সিফালে বিজনে এটা বেয়া সপোন দেখিছিল।

## দহ

বাৰান্দাত বহি বহি বিজনে পদূলিৰ আকাশখনলৈ চাই আছিল। বৰুৱা-ভৱনৰ তলৰ মহলৰ আগফালৰ বাৰান্দাত থকা বিজনৰ বৰুৱা ভৱনৰ ওপৰ মহলৰ পিছ ফালৰ বাৰন্দাখনলৈ, বাৰান্দাৰ পৰা দেখা পোৱা তাল গছ কেইজোপালৈ, তাল গছৰ ফাকেদি দেখা আকাশখনলৈ মনত পৰিল। লগে লগে তাৰ চকুৰ আগত ভাঁহি উঠিল মাকৰ মুখখন।

দীঘল বাঁহ এটাৰ মূৰটো সামান্য ভাৱে ফালি এটা কাল ভৰিৰে গছকি ধৰি আনটো ফাল হাতেৰে সজোৰে উজাৰি দিয়াৰ পিছত গোটা বাঁহটো যেনেদৰে চেৰেক কৰে ফাটি যায়, মাকৰ মুখখন চকুৰ আগত ভাঁহি উঠাৰ লগে লগে বিজনৰ মনটোও তেনেদৰে চেৰেক কৰে ফাটি যোৱা যেন লাগিল। মাক জীয়াই থকা হ'লে কিজানি এই গোটেই ঘটনাবোৰ কেতিয়াও এনেদৰে নঘটিলহেতেন। মাক জীয়াই থকা হলে দেউতাক বিজয় বৰুৱাৰো কিজানি এনে দ্ৰুত গতিৰে মানসিক বিকাৰ নঘটিলহেঁতেন।

এৰা বিজনে দেউতাকৰ মানসিক বিকাৰ ঘটা বুলিয়েই ধৰি লৈছে। নহ'লেনো এই বয়সত নিজৰ ঘৰ দুৱাৰ এৰি লোকৰ ঘৰত, লোকৰ তিৰোতাৰ লগত ছিঃ ছিঃ ভাবিলেই লাজ লাগি অহা কথা।

আৰু বাসৰীৰ মাক?

বাটেদি গৈ থাকোতে বাটৰ কাষত কুকুৰ বা মেকুৰীৰ গেলা শ এটা দেখিলে মুখত যেনেদৰে থু এসোপা জমা হৈ যায়, বাসৰীৰ মাকলৈ মনত পৰাৰ লগে লগে বিজনৰ মুখতো তেনেদৰে থু এসোপা জমা হৈ গ'ল। শ-টো অতিক্ৰম কৰি চৰম বিতৃষ্ণাৰে বাটকৰাই থু সোপা পেলাই দিয়াৰ দৰে একেই বিৰক্তি আৰু বিতৃষ্ণাৰে বিজনে বাৰান্দাৰ সিফালে মুখৰ থু থিনি পেলাই দিলে।—দেউতাক উদ্ভ্ৰান্ত হৈ অহা

বুলি বিজনে অনুমান কৰিছিল যদিও তাৰ শ্ৰদ্ধাৰ পাৰিজাত পেহীও যে তলে তলে এনেদৰে উদভ্ৰান্ত হৈছিল সেই কথা হ'লে সি অলপো অনুমান কৰিব পৰা নাছিল। দেউতাকক স্বাভাৱিক অৱস্থালৈ আনিবৰ বাবে বিজনে তেওঁৰ সহায় লোৱা কথা ভাবি থাকোঁতেই হঠাৎ তেওঁ এনেদৰে তাৰ দেউতাকৰ লগত

বাসৰীৰ মাকৰ সেযা বিকৃত ৰুচি। নহ'লেনো এই বয়সত পৰপুৰুষ এজনক নিজৰ ঘৰত আশ্ৰয় দি, আৰম্ভ কৰি ৰাখি এনেদৰে

—বিজয় বৰুৱা আৰু পাৰিজাত দাসে এইবোৰ ব্যভিচাৰ কৰিছে। তেওঁলোকে বাসৰী আঁতৰি যোৱালৈহে বাট চাই আছিল। তেওঁলোকে ঘৰটো খালী হ'বলৈহে বৈ আছিল। কিন্তু যি কোনো প্ৰকাৰে নহওক—বিজনে এই ব্যভিচাৰ বন্ধ কৰিবই।

দেউতাকে এই ঘৰ-দুৱাৰ এৰি পাৰিজাতৰ ওচৰলৈ যোৱাৰ আজি কুৰি দিনেই হ'ল। সেই যে নিশা পলাই গ'ল—আৰু ঘূৰি অহা নাই। ঘূৰি যে আহিব আশাও কৰিব নোৱাৰি। জহন্নামে গৈছে যাওক বুলি ভাবি আজিলৈকে এই কথাটোৰ প্ৰতি নিৰ্বিকাৰ হৈ থাকি বিজনে নিজৰ কাম কৰি গৈছিল। কিন্তু আজি সি ভাবি চাইছে যে সি এনেদৰে নিৰ্বিকাৰ হৈ থকাটো উচিত হোৱা নাই। এই ব্যভিচাৰৰ কথা মানুহৰ মাজত প্ৰচাৰ হোৱাৰ আগতে সি আগবাঢ়ি গৈ বন্ধ কৰি দিয়া উচিত। প্ৰয়োজন হ'লে সি ত্ৰিলোচন আৰু বাসৰীৰো সহায় ল'ব। সিহঁতেও এইবোৰ সহিবলৈ বৰ টান পাইছে। দয়াৰামে কোৱা মতে বাসৰীয়ে মাকৰ এই নৈতিক অধঃপতনৰ বাবে ঘৰতে আহি বৰ বেয়াকৈ গালি পাৰি গৈছে। গতিকে সহায় বিচাৰিলে সিহঁতে বিজনক নিশ্চয় সহায় কৰিব।

তেনেহ'লে এতিয়াই বাসৰীহঁতক লগ ধৰি অহা হওকনে কি?

বিজনে ভাবিলে। ভাবি সি পদূলিৰ আকাশখনৰ পৰা দৃষ্টি ঘূৰাই আনি ৰান্ধনীশালৰ ফালে চালে। পুৱাৰ চাহ টোপাকয়ে খোৱা হোৱা নাই। দেউতাকে ঘৰ এৰি গৈ বাসৰীৰ মাকৰ লগত থকা দিন

ধৰি দয়াৰাম বাপুটিয়েও কাম-বন কৰিবলৈ এৰি তভক মাৰি থাকিবলৈ লৈছে। পুৰতি নিশাতে শেতেলী এৰি কামত ধৰা বাপুটিয়ে আজিকালি ৰ'দ পকিলেও শেতেলী এৰি নাহে। ইফালে কল্যাণেও আজিকালি গা-পা নোধোৱাকৈ ৰান্ধনীশাললৈ নাযায়। গতিকে পুৱাৰ চাহটোক খাওঁতে খাওঁতেই দুপৰীয়া হ'বৰ হয়।

—দয়াৰাম কাই চাহ-তাহ খাবলৈ পোৱাৰ আশা আছেনে ?

দয়াৰামৰ সলনি কল্যাণে মাত লগালে,—নিছোঁ ৰ'বা। ৰুটি দুখনো খাই যোৱা। ওলাই গ'লে ঘূৰি আহিবলৈ তোমাৰ মনত পৰে জানো ? কত যে টলৌ টলৌ ঘূৰি ফুৰাগৈ। খোৱাৰ ঠিক নাই লোৱাৰ ঠিক নাই

বিজনে নামাতিলে।

মাতি লাভ নাই। এনেদৰে কথা কোৱাৰ সময়ত মাত দিয়া মানে কল্যাণক অধিক কথা কোৱাৰ সুবিধা দিয়া। কল্যাণে আজিকালি তাক বেছি কথা ক'বলৈ লৈছে। সংগঠনৰ কামত দিনক ৰাতি ৰাতিক দিন কৰি ঘূৰি ফুৰা ব্যৱস্থাটো হেনো তাইৰ পছন্দ হোৱা নাই। কাম কৰিব লাগে, কিন্তু সেইবুলি এনেদৰে দেহা মাৰি নহয়। কল্যাণে বিজনক ঘূৰি ফুৰিবলৈ নিদিয়াৰ আন এটা কাৰণ হ'ল বদিৰ। বদিৰক বুজা কঠিন, সি কি মতলব লৈ ঘূৰিছে ক'ব নোৱাৰি। বদিৰৰ মনত কলপুলি এটা কটা যেনে মানুহ এটা কটাও তেনে।

বদিৰৰ কথা মনত পৰাৰ লগে লগে বিজনৰ ৰচিদ মিঞাঁলৈ মনত পৰিল। ইয়াৰ ভিতৰতে মানুহটোৱে দুদিননে তিনিদিন তাক লগ ধৰিবলৈ আহিছিল। কিন্তু এদিনো তাক লগ নাপালে। তথাপি সিদিনা বাটতে লগ পাই ৰচিদে তাক বিচাৰি অহা কাৰণটো ক'লে। হত্যাৰ মোকৰ্দমাখনে হেনো মানুহটোক বৰ অসুবিধাত পেলাইছে। বিজনে অলপ সহায় কৰি দিব লাগে। নেপালী বস্তীৰ সেই হত্যাকাণ্ডটোৰ লগত ৰচিদৰ কোনো সম্পৰ্ক নাই। সাধু বাবাৰ লগত মন্দিৰত কেতিযাবা কেতিয়াবা ভাং খাবলৈ যায় বাবেই সন্দেহবশতঃ পুলিচে

তাক লাটি ঘাটি কৰি মাৰিছে। সত্য সত্য তিনি সত্য—সি হেনো মানুহ মৰাৰ দৰে পাপ কাম কৰিবলৈ যোৱা নাই।

বিজনে ৰচিদ মিঞাক সহায় কৰিব বুলি লগে লগে কৈ নপঠালেও পিছত সি ৰচিদক সহায় কৰা কথাটো ভাবি নোচোৱাকৈ থকা নাই। বিজন আৰু মৃগেন হাজৰিকাৰ বাবে ৰচিদ বৰ ভাল মানুহ, বৰ বিশ্বাসী মানুহ। কিছুমান কামত সি মানুহটোৱে সিহঁতক বেচ সহায কৰি দিছে। বদিৰ ল'ৰাটো জঘন্য হ'লেও বাপেক ৰচিদ সিমান জঘন্য নহয়। অৱশ্যে মদত মুখ দি মাজে মাজে মাৰ-পিট একোখন নকৰাকৈ নাথাকে। উল্লেখিত হত্যাকাণ্ডটোৰ হত্যাকাৰীক ধৰা পেলোৱাৰ ক্ষেত্ৰত বিজনে বিশেষ আশা নকৰিলেও মৃগেন হাজৰিকাই কিন্তু সমূলি আশা এৰা নাই।

ডেকা অধ্যাপক মৃগেন হাজৰিকা।

সেইজন এজন বৰ আচৰিত চৰিত্ৰৰ মানুহ। মৃগেন হাজৰিকাক ডেকা অধ্যাপক বুলি কোৱা হয় যদিও বয়সৰ মাপ-কাঠিৰে তেওঁক চফল ডেকা বুলি ক'ব নোৱাৰি। বয়স প্ৰায় গৈছে গৈযে। কিন্তু এই বয়সতো তেওঁ অবিবাহিত হৈ থকাৰ বাবেই আটায়ে কথাই কথাই তেওঁক ডেকা অধ্যাপক বুলি কয়। তথাকথিত ৰাজনীতিবিদ নহয় যদিও ৰাজনীতিৰ তাত্বিক আৰু ব্যৱহাৰিক দুয়োটা দিশতে মানুহজনৰ সমান দক্ষতা। ৰাজনীতিৰ ক্ষেত্ৰত মানুহজনৰ মন্তব্যবোৰ পিছত ভৱিষ্যত-বাণী মিলাদি মিলি যায। মানুহজনৰ এই এটা আচৰিত গুণ।

মৃগেন হাজৰিকা সৰ্বহাৰাৰ নেতা। তেওঁ নিজেও আছিছে এটা সবহাৰা পৰিয়ালৰ পৰা। দেউতাক এজন অতি দুখীয়া খেতিয়ক। মাত্ৰ দুবিঘা মাটিৰ 'ভূ-স্বামী'। সেই দুবিঘা মাটিকে মূলধন হিচাপে লৈ, লগতে আৰ এডৰা তাৰ এডৰা আধি কৰি মৃগেন হাজৰিকাক স্কুলত পঢ়ালে। স্কুল শেষ কৰি মেধাবী ছাত্ৰ মৃগেনে নিজৰ দায়িত্ব নিজেই লৈ কলেজত নাম লগালে। এম এ পাছ কৰিলে আৰু পিছত অধ্যাপক হ'ল। এতিয়া অধ্যাপনাৰ লগে লগে ৰাজনীতি চৰ্চা কৰাও তেওঁৰ

দৈনিক কৰ্তব্যৰ ভিতৰত পৰিল। সেই বুলি তেওঁ তথাকথিত সুযোগ সন্ধানী ৰাজনীতিক নহয়। তেওঁ বিলাসৰ বাবে, আন কাম কৰিবলৈ নাই ৰাজনীতি নকৰে। মুখৰ বলত তেওঁ নেতা হোৱা নাই। তেওঁ নেতা হৈছে নিজৰ গুণৰ বলত। নিজৰ কামৰ বলত। তেওঁ দগাবাজ মধ্যবিত্তসকলক লৈ, দগাবাজ মধ্যবিত্ত সকলৰ বাবে ৰাজনীতি নকৰে। তেওঁ সমাজৰ একেবাৰে দুৰ্বল শ্ৰেণীৰ মুক্তিৰ বাবেহে, ধনী-দুখীয়াৰ মাজত থকা প্ৰাচীৰখন ভাঙি দিবৰ বাবেহে ৰাজনীতি কৰে। তেওঁ বিপ্লৱী ৰাজনীতিৰ মানুহ।

সেইজন মৃগেন হাজৰিকাই হ'ল বিজনৰ ৰাজনৈতিক গুৰু। বিপ্লৱৰ মন্ত্ৰণা দাতা। তেওঁৰ যোগেদি বিপ্লৱী আৰু সাম্যবাদী ৰাজনীতিত বিশ্বাস স্থাপন হোৱাৰ পিছতে বিজনে লোকৰ তেজমঙহেৰে সজা বিজয় বৰুৱাৰ এই দুমহলীয়া ঘৰটো, সা-সম্পত্তিবোৰ দুখীয়া মানুহৰ মাজত ভগাই দিয়াৰ কথা ভাবিছে। একেখন ঠাইতে কিছুমানে দুমহলীয়া তিনিমহলীয়াত থাকি ৰাজসুখ ভোগ কৰিব আৰু কিছুমানে সামান্য এটা জুপুৰীৰ অভাৱত গছ-তলে বাঁহ-তলে জীৱন কটাব—এই সামাজিক ব্যৱস্থা বিজনে কেতিয়াও সহ্য নকৰে, কৰিব নোৱাৰে। এই ব্যৱস্থাৰ পৰিবৰ্তন ঘটাবই লাগিব। আৰু এই পৰিবৰ্তনৰ আৰম্ভণি বিজনে নিজৰ ঘৰৰ পৰাই সূচনা কৰিব

কথাবোৰ ভাবি থাকোতেই কল্যাণে বিজনক চাহ-ৰুটি দি গ'ল। সি খোৱা আৰম্ভ কৰি আন এটা কথা মনলৈ আনিলে। মৃগেন হাজৰিকাৰে কথা। ভৰ যৌৱনত বিয়া-বাৰু নাপাতি জীৱনৰ বিযলি বেলাত তেওঁ এতিযা ঘৰ-সংসাৰ পাতিবলৈ মন কৰিছে। হাজৰিকাই যিজনী ছোৱালীক বিয়া কৰাব তেওঁকো বিগত যৌৱনাই বুলিব পাৰি পিছে দুযোৰে মাজত কলেজত পঢ়া দিনৰে পৰা ভাল পোৱা-পুই। মাথো শেষৰ ফালে এৰাএৰি হৈছিল। মৃগেন হাজৰিকাৰ সম্পূৰ্ণ আঁতৰি থকাৰে ইচ্ছা আছিল, কিন্তু এই সময়ত ছোৱালীজনীয়ে ককায়েকৰ ঘৰত ভোগা ক্লেশৰ কথা ভাবি, তাই আশ্ৰয়হীন হৈ পৰা যেন দেখি মৃগেন

হাজৰিকাই তেওঁৰ সিদ্ধান্ত সলনি কৰিবলৈ বাধ্য হৈছে। এই বয়সত মৃগেন হাজৰিকাৰ বিয়া—কেনেবা কেনেবা লগা কথা হলেও মানৱীয়তাৰ খাতিৰত তেওঁ এই কেনেবা লগা কথাটোকে কৰাবলৈ লৈছে। ইয়াত আন এটা কথাও নথকা নহয়। মৃগেন হাজৰিকাৰ আৰ্থিক অৱস্থা অত্যন্ত শোচনীয় বাবে বয়সত সেই ছোৱালীজনী বিয়া কৰাব নোৱাৰিলে যদিও সেই গোলাপৰ পাহি যেন ধুনীয়া ছোৱালীজনী নিশ্চয় আন কোনোবাই বিয়া কৰালেহেতেন। কিন্তু সভ্য সমাজৰ মুখা পিন্ধাবোৰে, মৃগেন হাজৰিকাই ভাল পাই বিয়া কৰাম বুলি ভাবিও বিয়া কৰাব নোৱাৰা সেই ধুনীয়া ছোৱালীজনীক বেয়া ব্যৱহাৰ কৰাত, আৰু কথাটো মানুহৰ মাজত বেয়াকৈ প্ৰচাৰ হোৱাত তাইক বিয়া কৰাবলৈ কোনো আগবাঢ়ি নাহিল। এতিয়া যৌৱনৰ শেষ সময়ছোৱাত সেই ছোৱালীজনীক বিয়া কৰাই মৃগেন হাজৰিকাই মুখা পিন্ধাবোৰৰ অন্যায়ৰ প্ৰতিবাদ কৰিবলৈ লৈছে। বিজনে তাৰ বিপ্লৱী গুৰুৰ এই সিদ্ধান্ত বেয়া পোৱা নাই। এয়া তেওঁৰ দুৰ্বলৰ প্ৰতি থকা আন্তৰিকতাৰে পৰিচায়ক।

মৃগেন হাজৰিকাই কলেজত পঢ়ি থাকোতেই ভাল পোৱা আৰু এতিয়া বিয়া কৰাবলৈ লোৱা সেই ছোৱালীজনীয়েই হ'ল ভদ্ৰেশ্বৰ দত্তৰ ভনীযেক। যিজনী ছোৱালীক বিজয় বৰুৱাই ককায়েক নবৌয়েকৰ অনুপস্থিতিত বেয়া ব্যৱহাৰ কৰিবলৈ লৈ অপমানিত হৈছিল।

বিজনে চাহ-ৰুটি খাই শেষ কৰিলে।

কল্যাণ আহি কাপ-প্লেটবোৰ লৈ গ'লহি।

বিজনে আকৌ পদূলিৰ ফালে চালে। কিন্তু এইবাৰ তাৰ দৃষ্টি নীলা আকাশলৈ নগৈ বাস্তৱ জগতখনতে থাকিল। সি পদূলিৰ ফালে থকা গছবোৰৰ আগবোৰলৈ চালে। কুঁহিপাতেৰে পূৰ্ণ হৈ পৰা গছবোৰ চাই তাৰ বৰ ভাল লাগিল।—গছত কুঁহিপাত···তাৰ মানে বসন্তৰ আগমন! প্ৰকৃতিৰ ৰাজ্যত কি হৈছে কি নাই হোৱা বিজনে আজি কেইবা বছৰো খবৰেই লোৱা নাই। সেই বাবেই পদূলিৰ গছবোৰ চাই বিজনৰ বৰ ভাল লাগিছেনে কি? বিয়াৰ প্ৰথম বছৰতে ন-পত্নীক এৰি দুবৈত

চাকৰি কৰিবলৈ যোৱা জনেহে বিৰহৰ জ্বালা ভালদৰে বুজি পোৱাৰ দৰে প্ৰাকৃতিক শোভা কি বিজনেও যেন আজিহে ভালদৰে বুজি পালে। এৰা! বাস্তৱত বিচৰণ নকৰিলে মনৰ কল্পনাৰে আচল উপলব্ধি কৰিব নোৱাৰি। সেই বাবেই বাস্তৱ দৃষ্টিভংগীৰে চালে কল্পনা বিলাসী কবিৰ কবিতাবোৰ একোটাইত ফাঁকি ফাঁকি যেন লাগে।

গছৰ আগৰ পৰা চকু ঘূৰাই আনি বিজনে সন্মুখৰ ফুলনিখনলৈ চালে। এইখন ফুলনিৰ লগত তাৰ মাকৰ স্মৃতি জড়িত হৈ আছে। এই ফুলনিখন মাকে বৰ যত্ন কৰি পাতিছিল। মাকৰ মৃত্যুৰ পিছত ফুলনি খনৰ যত্ন লৈছিল দেউতাকে। এই কেইদিন দেউতাকৰ অনুপস্থিতিত ফুলনিখন এৰাবাৰীৰ দৰে হৈ পৰিছে।

ফুলনিখনলৈ চাই থকাত বিজনৰ চকুৰ আগত মাক জয়শ্ৰীৰ ছবিখন প্ৰকট হৈ আহিল। লগে লগে দেউতাকৰ প্ৰতি খঙত একোনাই হৈ সি ঘপহ কৰে বহাৰ পৰা উঠিল।—আৰু বৈ থকা নাযায়। সি এতিয়াই বাসৰৈ আৰু ত্ৰিলোচনক লগ ধৰি আহিব। এতিযাই দেউতাকক লোকৰ ঘৰৰ পৰা উলিয়াই অনাৰ দিহা কৰিব। দেউতাকৰ প্ৰতি তাৰ কৰ্তব্যও নথকা নহয়। সি তাৰ কৰ্তব্য অৱহেলা কৰা বাবেও দেউতাকে তেনে ভূমিকা ল'ব পাৰে।

খৰ খোজেৰে বিজন বাৰান্দাৰ পৰা চোতাললৈ আহিল। কিন্তু, নিচিন্ত মনেৰে বাটেদি গৈ থকা মানুহজনে বাটৰ ওপৰত বেয়া বিধ বস্তু সিঁচৰিত হৈ থকা দেখিলে খোজ নিদি হঠাৎ বৈ দিয়াৰ দৰে বিজনেও পদূলিৰ ফালে চকু দি খোজ নিদি হঠাৎ বৈ দিলে।

পদূলি মুখত বিশেষ ভংগীত বৈ আছে সৌটো বদিৰ।

বিজনক তেনেদৰে বদিৰৰ ফালে চাই স্থিৰ হৈ বৈ থকা দেখি কল্যাণ বান্ধনীশালৰ পৰা ওলাই আহিল। বিজনক ক'লে—ভিতৰলৈ আহাঁ। তুমি আজি ক'লৈকো ওলাই যাব নালাগে দাদা—

কল্যাণক বিজনৰ ওচৰত দেখি বদিৰৰ বিশেষ ভংগীটো পুৰা-পূৰি ভয় লগা হৈ উঠিল।

বিজনে কঠোৰ ভাবে তাৰ ফালে চাই কল্যাণক ক'লে,—ঠিক আছে। তই বাৰু সন্থহতে ভিতৰলৈ যাচোন। মই বাহিৰলৈ নাযাওঁ, কিন্তু ইয়াক মই অলপ চাওঁ। ই বৰকৈ বাঢ়িছে।

কল্যাণ ভয়ে ভয়ে ভিতৰলৈ গ'ল।

বদিৰৰ হাতত থকা ছুৰীখন বিজনৰ চকুত পৰিল। তাৰো হাতৰ মুঠি কেইটা টান হৈ আহিল। যদি প্ৰয়োজন হয় তেনেহ'লে ইয়াক আজি উচিত শিক্ষা দি পঠাব লাগিব। তাৰ মুখামুখি হৈ উচিত শিক্ষা দিয়া হোৱা নাই বাবেই ইমানখিনিলৈ আগবাঢ়ি আহিব পাৰিছে।

লোৰ জপনাখন মেলি বদিৰ সোমাই আহিল।

কথাছবিৰ খল নায়কৰ ভংগীত সি আকৌ বিজনৰ ফালে চালে। হাতৰ ছুৰীখন লৰচৰ কৰিলে। বিজনে প্ৰথমতে খেদা মাৰি যোৱা কথা ভাবিছিল যদিও নগৈ সি দুখোজ পিছলৈ দি বাৰান্দালৈ আহিল।

এখোজ দুখোজকৈ আগবাঢ়ি আহি আহি বদিৰ বিজনৰ সন্মুখত ৰ'লহি। বিজনে খোজ লৰচৰ নকৰি এক প্ৰচণ্ড দৃষ্টিৰে তাৰ ফালে চাই থাকিল মাত্ৰ।

ভালে পৰৰ পিছত বদিৰে হাতত থকা ছুৰীখন সামৰি লৈ জেপত ভৰাই থলে। দেখি বিজনে কৈ উঠিল,—ছুৰীখন সামৰি থলি যে।

বদিৰে উত্তৰ দিলে,—তই খেদামাৰি যাবি বুলি সন্দেহ আছিল। খেদা মাৰি গ'লে আত্মৰক্ষাৰ বাবে হ'লেও মোক ছুৰীখনৰ দৰকাৰ হ'ল-হেতেন। কিন্তু তই খেদা মাৰি নগ'লি। ইমান পৰে যেতিয়া নেখেদি-লিযেই—আৰু খেদা খেদি নকৰ বুলি ভাবিয়েই ছুৰীখন সামৰি থলোঁ।

—তথাপি, ভদ্ৰলোকৰ ঘৰলৈ তেনেদৰে আহিব নালাগে বুলি তই বুজা উচিত আছিল। তই খালী হাতেৰে অহা হ'লেই মই ভাল পালোঁ-হেতেন। তোৰ হাতত ছুৰীখন দেখিহে মোৰ খং উঠিছিল।

—গুণ্ডা গুণ্ডাই। সি ভদ্ৰলোকৰ ঘৰলৈ যেনেদৰে যাব, অভদ্ৰলোকৰ ঘৰলৈও তেনেদৰেই যাব। তাৰ মনত ভদ্ৰ অভদ্ৰ সকলো সমান। অৱশ্যে কোনোবাই ভাল ব্যৱহাৰ কৰিলে জয় জয়তে সি বেয়া ব্যৱহাৰ

নকৰে। কিন্তু গুণ্ডাক কোনে ভাল ব্যৱহাৰ কৰিব? গুণ্ডাবোৰক হিংস্নক জন্তু বুলি ভবাৰ বাহিৰে কোনেও মানুহে বুলি নাভাবে।

বিজনে বদিৰক ভালদৰে এবাৰ চাই ল'লে। কথাবোৰ সি অন্তৰৰ পৰাই কৈছেনে? যদি অন্তৰৰ পৰা কৈছে তেনেহ'লে সি পশু হৈ যোৱা নাই, সি মানুহ হৈয়ে আছে। ছাঁৎ কৰে কাঞ্চনৰ অসুখৰ দিনা বদিৰে কল্যাণৰ প্ৰতি কৰা ব্যৱহাৰবোৰলৈ মনত পৰিল। বিজনৰ বৰষুণৰ বতৰত গোট খাই থকা পানীখিনি কচুপাত খিলাৰ পৰা পৰি যোৱাৰ পিছত কচু গছজোপা যেনেদৰে জোঁকাৰ খাই উঠে বিজনৰ গাটোও তেনেদৰে জোঁকাৰ খাই উঠিল। সি বদিৰক এটা ভাল মানুহ বুলি ভাবি ল'বলৈ টান পালে। কিজানি, এই ভাল কথাৰ অন্তৰালত তাৰ মনত বেয়া মতলবো থাকিব পাৰে—

বিজনে একো নোকোৱা দেখি ভালে পৰৰ মূৰত বদিৰে ক'লে,—তয়ো চাগে মোক এটা জন্তু বুলিয়েই ভাবিছ?

কি উত্তৰ দিব বিজনে এবাৰ ভাবি চালে। ক'লে—নাই, আন মানুহে ভবাৰ দৰে মই তোক জন্তু বুলি ভবা নাই। কিন্তু ভাল মানুহ বুলিও ভাবিব পৰা নাই। যিহেতু তোৰ পৰা আগতে মই বেয়া মানুহৰ ব্যৱহাৰহে পাই থৈছোঁ।

বদিৰৰ ভাৱান্তৰ ঘটা যেন দেখা গ'ল। সি অলপ কোমল মাতেৰে ক'লে,—তোক তেনেদৰে বেয়া ব্যৱহাৰ কৰাটো মোৰ ভুল হৈছিল। মাফ কৰিবি। কল্যাণকো মই ভালে কেইদিন বেয়া ব্যৱহাৰ কৰিছোঁ। সেই চৰো মোৰ ভুল হৈ গৈছে। তায়ো মোক মাফ কৰিব লাগিব। মই আজি তহঁতৰ ওচৰলৈ মাফ বিচাৰি আহিছোঁ।

বিজনৰ এইবাৰ সঁচাকৈয়ে অবাক হ'বৰ পাল। সি আকৌ এবাৰ বদিৰৰ চকু মুখলৈ চালে। বদিৰে এই কথা অন্তৰ খুলি কৈছেনে কপট ভাব ৰাখি কৈছে? কিন্তু বদিৰৰ চকু-মুখলৈ চাই বিজনে একো বুজিব নোৱাৰিলে। নোৱাৰি অলপ জোখ-মাখ কৰি চাবৰ বাবে ক'লে—আগবেলা মাফ বিচাৰি পিছ বেলা বাটত আগচি ধৰ যদি?

—মোক যদি ভাল মানুহ বুলি ভাব তেনেহ'লে কেতিয়াও নধৰোঁ।

—তোক ক্ষমা কৰিব পাৰিলেও তোক ভাল মানুহ বুলি ভাবিব পৰা নাই। তই যে বেয়া কামবোৰ কৰিবলৈ এৰি ভাল মানুহ হৈছ তাৰ প্ৰমাণ ?

—প্ৰমাণ মই তোৰ আৰু কল্যাণৰ ওচৰলৈ মাফ বিচাৰি অহাটোৱেই।

—সিমানেই যথেষ্ট হোৱা নাই। তই যদি বেয়া কামবোৰ কৰিবলৈ এৰি দিয় তেনেহ'লে সঁচাকৈয়ে তোক মই বন্ধু হিচাপে ল'ম। তই যদি প্ৰকৃততে ভাল মানুহ, বিশ্বাসযোগ্য মানুহ হ'ব খোজ, তেনেহ'লে তোৰ বেয়া অভ্যাসবোৰ এৰিবই লাগিব। আৰু মই আশা কৰিছোঁ বেয়া কামৰ অভ্যাসবোৰ এৰি তই ভাল মানুহ হ'বি, বিশ্বাসযোগ্য মানুহ হ'বি।

বদিৰে তাৰ মাতটো আগতকৈও কোমল কৰি ক'লে, মৃগেন চাৰৰ ওচৰলৈও গৈছিলোঁ। চাৰে তোৰ কথা কৈছে।—মই এটা ভাল কাম কৰিবলৈ লৈছোঁ। তই যদি সেই ভাল কামটো কৰিবলৈ দিয় তেতিয়া হ'লে মোৰ ভাল মানুহ হৈ যোৱাত কোনো আপত্তি নাই। মই আগৰ আটাইবোৰ বেয়া অভ্যাস এৰি দিম। কিন্তু তই যদি মোক সেই কামটো কৰিবলৈ নিদিয় তেনেহ'লে মই কাক কি কৰিম একো ঠিক নাই।

বিজনে বদিৰে কৰিবলৈ লোৱা ভাল কামটোৰ কথা এবাৰ ভাবি চালে। কি ভাল কাম হ'ব পাৰে বাৰু ? বদিৰে কি তাৰ লগত ৰাজনীতি কৰিবলৈ আহিব খুজিছে ?—অসম্ভৱ। বদিৰে কি কিবা চাকৰিৰ ক্ষেত্ৰত তাৰ সহায় বিচাৰি আহিছে ?—হ'ব পাৰে। আৰু সেয়ে যদি হয় বিজনে তাক মনে-প্ৰাণে সহায় কৰিব। সেইকণ সহায়ৰ বাবে যদি এটা বেয়া মানুহ ভাল হৈ যায়—তেনেহ'লে সি সহায় নকৰিব কিয় ?

বিজনে বদিৰক ক'লে,—যদি কিবা ভাল কাম কৰিবলৈ লৈছ

তেনেহ'লে তোক মই সহায় নকৰাৰ কোনো কাৰণ নাই। বাৰু আহচোন, বহি লৈ কথা পাতো।

—নাই, আজি নবহোঁ, আন এদিন বহিম। মই কৰিবলৈ লোৱা কামটোৰ কথাও তোক আজি নকওঁ। আন এদিন ক'ম। ইয়াকে জানি থবি মই ভাল মানুহ হোৱা নোহোৱা কথাটো তোৰ ইচ্ছা অনিচ্ছাৰ ওপৰতে নিৰ্ভৰ কৰিব।

বদিৰ আৰু নৰ'ল। বিজনে কিবা এষাৰ ক'বলৈ পোৱাৰ আগতেই এজন ভদ্ৰ মানুহৰ দৰে খোজ দি সি তাৰ ওচৰৰ পৰা আঁতৰি চৌহদৰ বাহিৰ ওলাই গ'ল। বাহিৰৰ ফালে চাই থাকি বিজন বৰ চিন্তিত হৈ পৰিল। তাতকৈও চিন্তিত হৈ কল্যাণ তাৰ ওচৰ চাপি আহিল, —গুণ্ডাটোৱে কি ভাল কাম কৰিবলৈ লৈছে বাৰু দাদা?

বিজনে কল্যাণক থিতাতে কোনো উত্তৰ দিব নোৱাৰিলে। বদিৰে কি কাম কৰিবলৈ লৈছে সিও ঠিক ধৰিব পৰা নাই। চাকৰিৰ বাবে সহায বিচাৰি নিশ্চয় অহা নাই। অহা হ'লে সেই কথাটো সি সহজেই প্ৰকাশ কৰিব পাৰিলেহেতেন। তেনেহ'লে প্ৰকাশ কৰিব নোৱাৰা ভাল কাম কি থাকিব পাৰে? আনহাতে সেই কামৰ বাবে সি মৃগেন হাজৰিকাকো লগ ধৰাৰ কথা কৈ গ'ল।

'জানো একো বুজিব পৰা নাই' বুলি কৈ বিজনে বাৰান্দাৰ পৰা চোতাললৈ খোজ আগবঢালে। আকৌ তাৰ দেউতাক বিজয় বৰুৱালৈ মনত পৰিল। তাৰ খোজৰ গতি এসময়ত থৰ হৈ আহিল।

গৰম লোহা এডালত অকস্মাতে হাতখন লাগিলে যেনেদৰে এছাৰ মাৰি কোঁচাই আনিব লগা হয়, গেটখন খুলিবৰ বাবে চেঁচা ৰিংটোত হাতখন দি বিজয় বৰুৱাইও হাতখন তেনেদৰে এছাৰ মাৰি কোঁচাই আনিব লগা হ'ল। বাল্য-বন্ধু শ্ৰীকৃষ্ণৰ ঘৰৰ পৰা ঘূৰি অহাৰ পিছত বিপ্ৰ দামোদৰে নিজৰ জুপুৰীটোৰ ঠাইত ৰাজপ্ৰাসাদটো দেখি যেনেদৰে অবাক হৈ চাইছিল, বিজয় বৰুৱাইও আজি পদূলি মুখত বৈ 'বৰুৱা ভৱন'ৰ ফালে ভালে পৰ তেনেদৰে অবাক হৈ চাই থাকিল। চাই চাই

তেওঁ নিজকে নিজে সুধিলে : এইটো তেওঁৰেই ঘৰনে? এই ঘৰটো তেৱেঁই সজাইছিল নে? জীৱনৰ আধাতকৈও বেছিভাগ সময় তেওঁ এইটো ঘৰতে কটাইছিল নে? এই ঘৰটো তেওঁৰ নিজৰ ঘৰ বুলি ক'বলৈ কিবা অধিকাৰ আছেনে? এই কেইদিন হিতেন দাসৰ ঘৰত, পাৰিজাতৰ লগত ভিতৰতে সোমাই থাকি অকস্মাতে আজি বাহিৰলৈ ওলাই আহি বিজয় বৰুৱাই গোটেই পৃথিৱীখনকে নতুনকৈ দেখা যেন লাগিছে। নিজৰ ঘৰটোও তেওঁৰ মনত আজি আনৰ আনৰ লাগিছে। এৰা। কিজানি তেওঁ নিজে আনৰ হৈ যোৱা বাবেই,—পাৰিজাতৰ হৈ যোৱা বাবেই তেওঁ নিজৰ বস্তুবোৰো আনৰ আনৰ লাগিছে।

বিজয় বৰুৱাই নিজকে অলপ চম্ভালি ল'লে।

লোৰ জপনাখন মেলি ধীৰ খোজেৰে তেওঁ সোমাই আহিল। এবাৰ ফুলনিখনলৈ চোৱাৰ কথা ভাবিছিল। কিন্তু নাচালে। চাবলৈ তেওঁৰ যেন সাহসেই নহ'ল। চকু-কাণ মুদি তেওঁ বাৰান্দা পালেগৈ। সেইখিনিতে দযাৰাম বৈ আছিল। কান্দি থকা কেঁচুৱাৰ মুখত মাকে স্তনটো ভৰাই দিলে প্ৰথমতে যেনেকুৱা মোক মোকনি দিয়ে দযাৰামেও প্ৰথমতে সেই কেইটা মোক মোকনিকে দি এবাৰ অতৰ্কিতে আহি বৰুৱাৰ ভৰিত পৰিল আৰু হুক্ হুকাই কান্দি দিলে। বৰুৱাই এবাৰ ইফালে সিফালে আৰু এবাৰ দয়াৰামৰ মুখলৈ চালে। সেই মুহূৰ্তত দয়াৰামক বৰুৱাৰ গজেন্দ্ৰক আক্ৰমণ কৰা গ্ৰাহটো যেনহে লাগিল। বৰুৱাই তাক উফাল মাৰি আঁতৰ কৰিবলৈ চেষ্টা কৰিও বিফল হ'ল। অ' দেউতা অ' বুলি দয়াৰাম তেওঁৰ ভৰিত বৰকৈহে গুলমিল।

—মই মৰা নাই নহয়, জীয়ায়েই আছোঁ। তইনো উলিয়াই দিয়া ছোৱালীৰ দৰে কেলেই এনেখন কৰিছ হয়নে দয়াৰাম?

—হোঃ হোঃ উঃ · মইনো ক'ত উলিয়াই দিয়া ছোৱালীৰ দৰে কৰিলোঁ দেউতা? আপুনিহে উলিয়াই দিয়া ছোৱালীৰ দৰে ঘৰলৈ

নহা হ'ল। কি দৰকাৰ আপোনাৰ ঘৰ-দুৱাৰ এৰি আনৰ ঘৰত তেনেদৰে থাকিবলৈ। মোৰ বৰ ভয় লাগিছে দেউতা··

—ভয় নকৰিবি। চাওঁ, এৰি দে। বৰুৱাই অলপ টান মাতেৰে ক'লে। দয়াৰামে তেওঁৰ ভৰি দুটা এৰি দি পকা মজিয়াতে লেপেটা কাঢ়ি বহি থাকিল।

কঁপা খোজেৰে বৰুৱা ওপৰ মহলালৈ উঠি গ'ল।

বৰুৱাৰ কোঠাটোত তলা লগাই থোৱা আছিল। তেওঁ দুৱাৰৰ ওচৰত বৈ ইফালে সিফালে চাওঁতেই হাতত চাবি কোচা লৈ সেইখিনিত কল্যাণ উপস্থিত। বৰুৱাই অসহায় ভাবে তাইক সুধিলে,—অ' আই কল্যাণ, ককায়েকৰ আছেনে নাই ?

'নাই দেউতা' বুলি অতি সাধাৰণ ভাৱে কৈ কল্যাণে দুৱাৰৰ তলাটো খুলি দুৱাৰখন মেলি দিলে।

ভিতৰলৈ আহি বৰুৱা বিচনাখনতে বহিল। কোঠাটোৰ চিনাকি চিনাকি গোন্ধটো তেওঁৰ নাকত লাগিল। তেওঁ উদাস ভাৱে কোঠাটোৰ চাৰিওফালে এবাৰ চালে। চুক কেইটা'ত মকৰাৰ জাল। টেবুলখনৰ ওপৰত অলাগতীয়াল কাগজকেইখনমান বিশৃংখল অৱস্থাত পৰি আছে। আলনাডালৰ কাপোৰবোৰ বহুত দিনৰ আগতে বিজুলী তাঁৰত লাগি ওলমি থকা বাদুলিৰ দৰে দেখা গৈছে। আলনাৰ কাপোৰৰ তলত বৰুৱাৰ জোতা কেইযোৰ। ধূলি পৰি পৰি সেই কেইযোৰ যে এদিন বিজয় বৰুৱাই পিন্ধা জোতা এই কথা ভাবিবলৈকে টান হৈ পৰিছে। ৰেলৱে প্লেটফৰ্মত লালকাল হৈ টোপনিত পৰি থকা মাক আৰু সন্তানক যেনেকুৱা দেখি আলনাৰ পৰা বাগৰি থকা জোতাপাত আৰু ওচৰতে পৰি থকা বিজয় বৰুৱাৰ পুৰণি মোজা পাতকো ঠিক তেনেকুৱাই দেখা গৈছে। কোঠাটোৰ মজিয়াখনতো ধূলিৰ চামনি। দুটামান মৰা পঁইতাচোৰা পৰি আছে।

বিজয় বৰুৱাৰ অলপ গৰম উঠা যেন লাগিল। চোলাটো

সোলোকাই আলনাভাললৈ দলিমাৰি দিলে। লগে লগে কুন কুনাই মহ এজাক উৰি গ'ল।

ভাগৱত লালকাল দিয়া মানুহৰ দৰে বৰুৱা বিচনাখনত দীঘল হৈ পৰিল। কিন্তু বিচনা চাদৰখনৰ আৰু গাৰুটোৰ কেচেমা কেচেম গোন্ধটোৱে তেওঁক বেছিকৈ আমনি দিবলৈ ধৰিলে। বাগৰটো সলাই তেওঁৰ বৰ খিচ্ খিচ্ খাচ্ খাচ্ লাগিল। অলপ পিছতে তেওঁ গলধনৰ ওচৰত পৰুৱা এটাই পিৰ্ পিৰাই দিয়াৰ উমান পালে। গভীৰ নিশা বেয়া সপোন দেখি জাপ মাৰি উঠাৰ দৰে বৰুৱা জাপ মাৰি উঠি আকৌ আগৰ দৰে বহিল। গাৰু দুটা লৰচৰ কৰি পৰুৱাটো এবাৰ বিচাৰি চালে। কিন্তু নাপালে। নাপাই তেওঁ কল্যাণক চিঞৰিলে,—অ' আই কল্যাণ।

—দেউ তা আ আ

ৰান্ধনীশালৰ পৰা কল্যাণৰ মাতটো প্ৰচণ্ড গতিৰে দৌৰি আহি বিজয় বৰুৱাক খুন্দা মাৰি দিলেহি।

বৰুৱা ঘপহ কৰে বহাৰ পৰা উঠিল। কোঠাটোৰ ভিতৰতে ইফাল সিফাল কৰিবলৈ ধৰিলে। ধূলি ভৰা মজিয়াত বৰুৱাই পিন্ধি থকা জোতাযোৰৰ আঘাত লাগি কেৰেচ্ কেৰেচ্কৈ বৰ কৰ্কশ শব্দ এটা হ'ল। দুপাক মান ইফালে সিফালে ঘূৰাৰ পিছত সেই কৰ্কশ শব্দটো তল পেলাই বৰুৱাই আই অ' কল্যাণ, আই অ' কল্যাণ বুলি বিৰ বিৰাবলৈ ধৰিলে। মানসিক উত্তেজনাত তেওঁৰ গাল-মুখবোৰ ৰঙা পৰি উঠিল। তেওঁ এদিন ভাবিছিল কি আৰু আজি হ'ল কি? এই কোঠাটোৰ তলা-চাবি কাৰ হাতত থাকিব লাগিছিল আৰু আজি কাৰ হাতত থাকিল? বিজনৰ কোঠাৰ পৰা শিৰত সেন্দুৰ লৈ চুচুক চামাককৈ কোন ওলাই আহিব লাগিছিল আৰু আজি সোলোক ঢোলোক মেক্সীটো পিন্ধি কোন ওলাই আহিল। অলপ আগতে মাত দিয়াৰ দৰে দেউতা বুলি লেনীয়াই কোনে মাত দিব লাগিছিল আৰু

আজি কোনে দিছে? কল্যাণ নামৰ এই ছোৱালীজনীৰ লগত তেওঁৰ কি সম্পৰ্ক? এই ছোৱালীজনীনো তেওঁৰ কোন হয়? বাটৰ পৰা বুটলি অনা এই ছোৱালীজনীয়ে কিয় তেওঁক দেউতা বুলি মাতিব লাগে? তেৱেঁই বা কিয় তাইক অ' আই কল্যাণ অ' আই কল্যাণ বুলি মাতিব লাগে? কিয? কিয?—আজি হঠাৎ তেওঁৰ কি হৈ গ'ল। ছোৱালীজনীৰ প্ৰতি তেওঁ আজি কিয় ইমান দৰদী হৈ পৰিব লাগে। অ' আই কল্যাণ বুলি মাতি জীৱনত তেওঁ আকৌ এটা ভুলকে কৰি পেলোৱা নাইনে? হয়, পুনৰ তেওঁ এটা ডাঙৰ ভুল কৰিলে। এটা মহাভুল।

—দেউতা মোক মাতিছিল?

দুৱাৰত কল্যাণৰ মাত শুনি বৰুৱা জ্বৰ ঘামে ঘামি উঠিল। অকস্মাতে ধৰা পৰি যোৱাৰ পিছত নকল কৰা পৰীক্ষাৰ্থীৰ মনৰ যি অৱস্থা হয়, এই মূহূৰ্তত কল্যাণৰ উপস্থিতিত বৰুৱাৰ মনবো সেই একেটা অৱস্থাই হ'ল। তেওঁ পলাবলৈ বাট বিচাৰি নাপায় টেবুলখনৰ পোনে পোনে থকা খিৰিকীখনকে খুলি দিলে। বৰুৱাৰ ভুলেই হ'ল যেন। কিযনো খিৰিকীখন খুলি দিয়াৰ লগে লগে হুৰ হুৰাই দীনদযালৰ অশৰীৰী স্বৰ কোঠাটোৰ ভিতৰলৈ সোমাই আহিল। হোঃ হোঃ হোঃ হাঃ হাঃ হাঃ কি হৈছে চাৰ? জ্বৰ ঘামে ঘামিছে কিয়? জীযেকৰ প্ৰতি বাপেক দৰদী নহৈ কোন হ'ব? বাপেকে জীযেকক অ' আই বুলি নামাতি কোনে মাতিব? এতিয়াও ফাঁকি দিবলৈ কিয যত্ন কৰি আছে চাৰ? আপোনাৰ ভণ্ডামিৰ কথা সকলোৱেই জানি গৈছে সকলোৱেই হাঃ হাঃ হাঃ

ননচেন্স।—বৰুৱাই টানকৈ উচ্চাৰণ কৰিলে।

—কিন্তু মোক গালি পাৰিবলৈ কি হৈছে দেউতা?

বৰুৱাই কল্যাণৰ উপস্থিতি পাহৰি গৈছিল বাবে তাইৰ মাতটো শুনি আকৌ তেওঁ চক খাই উঠাদি উঠিল। তেওঁ কল্যাণক ক'লে,—

হোঁ অ’ তই। হেৰি কৰচোন, মোৰ কোঠাটো, বিচনাখন অলপ জাৰি-জোকাৰি দিব লাগিছিল। দয়াৰামক মাতি দে।

—দেউতা দয়াৰামে চাহ কৰি আছে। চাহ কাপ লৈ এতিয়াই আহিব। আপুনি পিছফালৰ বাৰান্দাতে বহকগৈ। আমি দুয়োটাই লাগি ভাগি কোঠাটো অঁতাওঁ। কোঠাটো মই সদায়েই অঁতাওঁ বুলি ভাবোঁ, কিন্তু বিজন দাদাই নিদিয়ে।

বৰুৱাই কল্যাণৰ চকুলৈ চালে,—কি ক’লি? বিজনে নিদিয়ে? কিন্তু কিয়? মোৰ কোঠাটো পৰিষ্কাৰ কৰিবলৈ ল’লে সি কিয় আপত্তি কৰিব লাগে মই বুজি পোৱা নাই।

আলনাডালৰ কাপোৰবোৰ সামৰিবলৈ লৈ কল্যাণে বৰুৱাৰ ফালে পিঠি দিলে। বৰুৱাই নেদেখাকৈ ওঁঠত হাঁহি এটা বিৰিঙাই লৈ ক’লে,—আপোনাৰ ওপৰত বিজন দাদাৰ খং উঠি আছে। আপুনি আৰু ঘৰ এৰি লোকৰ ঘৰত আছেগৈ। মা বা বৰ-মা থকা হ’লে আপোনাক কিজানি তাতে গালি পাৰি থৈ আহিলগৈহেঁতেন।

ওপৰৰ চিলিংখনেদি খৰ খৰাই নিগনি কেইটামান বগাই গ’ল। বৰুৱাই এবাৰ সভয়ে ওপৰৰ ফালে চাই পিছত খিৰিকীখনেদি দৃষ্টি বাহিৰলৈ দলিযালে। চোতালতে শালিকা দুটা পৰি আছিল। বৰুৱাই চোৱাৰ লগে লগে কুঁইট শব্দটোৰে সিহঁত উৰি গুচি গ’ল। পদূলিৰ গছ কেইজোপাৰ কোনোবা এজোপাত ঢোৰা কাউৰী এজনীযে অমংগল সূচনা কৰি কৰঅকৃক্ কৰি উঠিল। বৰুৱাই নিজৰ বুকুখন খেপিযাই চালে। কল্যাণক কিবা এবাৰ ক’বলৈ যত্ন কৰিলে। কিন্তু আচৰিত, বিজয বৰুৱাৰ ভিতৰৰ পৰা ওলাই অহা মাতটো ডিঙিতে ৰৈ গ’ল। তেওঁ এটা শব্দও উচ্চাৰণ কৰিব নোৱাৰিলে।

—আপুনি পিছফাললৈ যাওক দেউতা।

কল্যাণৰ কণ্ঠত যেন নিৰ্দেশৰ ছাপ। নিঃশব্দে বৰুৱা পিছফালৰ চিনাকি বাৰান্দাখনলৈ আহিল। তেওঁ নিজৰ চকীখনলৈ চালে। কোঠাটো বা কোঠাটোত থকা বস্তুবোৰৰ দৰে চকীখন ভেঁকুৰি থকা

খুজিছিল। এনেতে এটা অত্যন্ত গলগলীয়া স্বৰ বৰুৱাৰ কাণত বাজি উঠাত বাৰান্দাতে তেওঁৰ দৃষ্টি স্থিৰ হৈ ৰ'ল।

সেই স্বৰ সদানন্দ হাজৰিকাৰ।

..কি হৈছে বিজয়? তুমি এইবোৰ কি কৰিবলৈ লৈছা? বিয়া কৰাম বুলি বাৰে বাৰে কথা দিও এদিন তুমি পাৰিজাতক বিয়া নকৰালা পাৰিজাতৰ ওচৰৰ পৰা পলায়ন কৰি ..মোক তিল তিলকৈ হত্যা কৰিলা। মোক, মোৰ ব্যক্তিত্বক, .মোৰ উদাৰতাক চৰম অপমান কৰি .আজি আজি সেইজন বিজয় বৰুৱাই পত্নীৰ অনুপস্থিতিৰ সুযোগ লৈ লগুৱাটোৰ কথা মতেই পাৰিজাতক বিয়া কৰাবলৈ সিদ্ধান্ত কৰিছা? ছিঃ ছিঃ ছিঃ ..তুমি মহা বিশ্বাসঘাটক তুমি মানুহ নামৰ অযোগ্য তুমি পুৰুষ নামৰ অযোগ্য ..তুমি কাপুৰুষ . কা পু ৰু ষ

বিজয় বৰুৱাই সদানন্দ হাজৰিকাৰ অশৰীৰী স্বৰৰ তীক্ষ্নতা সহিব নোৱাৰি নিজৰ কাণ দুখন নিজ হাতেৰেই হেঁচা মাৰি ধৰিলে। এইবাৰ উত্তেজিত ভাৱে বাৰান্দাখনৰ ইটো মূৰৰ পৰা সিটো মূৰলৈ ঘনাই খোজ দি অহাযোৱা কৰিবলৈ ধৰিলে। এই যে মাতবোৰ শুনিছে এইবোৰ তেওঁ এনেই শুনা নাই। এইবোৰ নিশ্চয় অতিভৌতিক কাণ্ডই হ'ব। এই ঘৰটোত চাগে ভূত লম্ভিল।—আটাইবোৰে প্ৰেতাত্মাবোৰ চাগে ইযালৈ চাপি আহিল। এই ঘৰটোত চাগে বৰুৱা আৰু থাকিব নোৱাৰিব। ইযাত তেওঁ এদিনো থকা উচিত নহ'ব। ইয়াত থাকিলে এই প্ৰেতাত্মাবোৰে কোন সময়ত তেওঁৰ ডিঙিত চেঁপা মাৰি ধৰে ক'ব নোৱাৰি। ইয়াতকৈ পাৰিজাতৰ ঘৰটোৱেই তেওঁৰ বাবে নিৰাপদ। সেইটো ঘৰত এইবোৰ অশৰীৰী আত্মাৰ চিঞৰ-বাখৰ একো নাই। তাতে পাৰিজাতৰ সান্নিধ্যত থাকিলে তেওঁৰ মনটো সবল হৈ থাকে েওঁৰ নিজকে বৰ সাহসী সাহসী লাগে

হোঃ হোঃ হাঃ হাঃ ভয় কৰিছে চা-ৰ

হিঃ হিঃ হিঃ পাৰিজাতৰ সান্নিধ্য

তুমি পুৰুষ নামৰ অযোগ্য

...হোঃ হোঃ হাঃ হাঃ···হিঃ হিঃ হিঃ···তু-মি পুৰুষ নামৰ...হোঃ হিঃ হোঃ হিঃ ·

—দয়াৰাম। দ্বিতীয় বাৰ কাণ দুখন হেঁচা মাৰি ধৰি বকুৰাই দয়াৰামক মাতিলে আৰু স্থিৰ হৈ থাকিব নোৱাৰি বাৰান্দাৰ ৰেলিঙতে আউজি বহি পৰিল।

দয়াৰাম আৰু কল্যাণে তেতিয়াও বকুৰাৰ কোঠাটোকে আঁতাই আছিল। পিছে তেওঁৰ মাত শুনি খৰ খৰকৈ দয়াৰাম সেইখিনি পালেহি। বকুৰাৰ অৱস্থা দেখি 'আহাচোন কইলাণ আইটি' বুলি কল্যাণক চিঞৰিলে। কল্যাণো সেইখিনি পালেহি। আহিয়েই তাই 'দেউতা' বুলি কৈ বকুৰাক ধৰিলে। বহুদিনীয়া বেমাৰী মানুহৰ দৰে বকুৰাই ঘন ঘনকৈ উশাহ সলালে।

—কি-বা-হয় দেউতা ফটক্ কৰে? আপুনি মুঠতে ঘৰ এৰি নাযাব।

—দেউতাৰ গাত জ্বৰ আছিলনে কি বাৰু?

বকুৰাই দুৰ্বল দৃষ্টিৰে এবাৰ দয়াৰামলৈ আৰু এবাৰ কল্যাণলৈ চালে। ক'লে,—নাই মোৰ একো হোৱা নাই। মোৰ গাত জ্বৰ-জাৰিও নাই। মই ঘৰ এৰি যামনে নাযাম··(বকুৰাই কাৰোবাৰ কথালৈ কাণ পতাৰ দৰে কাণ পাতিলে। পিছফালে মুৰ ঘুৰাই চালে, পিছফালে কাৰোবাৰ অট্টহাস্য শুনা যেন কৰিলে) .তহঁতে তহঁতে... সেইবোৰ শুনা নাই? এই চিঞৰ বাখৰবোৰৰ মাজত তহঁত কেনেকৈ আছ? নাই, নাই, মই ইয়াত থাকিব নোৱাৰোঁ। মই ইয়াত থাকিলে কোন মুহূৰ্তত ইহঁতে মোৰ ডিঙিত চেপা মাৰি ধৰেহি ঠিক নাই।

বকুৰাই আকৌ কাৰোবাৰ কথালৈ কাণ পতাৰ নিচিনা কৰিলে। এবাৰ কাণত আঙুলি দি চিঞৰি উঠিল,—আৰু নক'বা, আৰু নক'বা জয়শ্ৰী, বন্ধ কৰা। মই ইয়াত থাকিব নোৱাৰা নহয়, তোমালোকেহে মোক ইয়াত থাকিবলৈ নিদিয়া।

—কিন্তু আইদেৱে দেখোন কাহানিবাই পিথপীত চাউল শেষ কৰি সিফলীয়া হৈ গ'ল। আকৌনো আইদেৱে আপোনাৰ লগত কথা-বতৰা

হ'বলৈ আছিল ক'ৰ পৰা ? আপুনি এইখন কিবাহে কৰিবলৈ লৈছে হ'বলা দেউতা।

—নহয় অ' দয়াৰাম। তহঁতেহে শুনা নাই, মই হ'লে শুনিছোঁ। এই ঘৰটোত ভূত লাগিল। জয়শ্ৰী, দীনদয়াল, কাঞ্চন আটাইবোৰে প্ৰেতাত্মাবোৰ আছি ইয়াত লম্ভিলহি।. .সেয়া,· ·সেয়া···সেইটো কাঞ্চনৰ মাত নহয় নে ?—শুনচোন কল্যাণ সেইটো মাৰৰ মাত।···ব'ল ব'ল আমি গোটেইবোৰ পাৰিজাতৰ ঘৰলৈ যাওঁ। ইয়াত,—এই দেও লগা ঘৰটোত কোনো থাকিব নালাগে। প্ৰেতাত্মাবোৰে তহঁতৰো ডিঙি চেপি ধৰিবহি।

—চাওঁ দেউতা উঠক, ঢাৰীপাটিলৈ ব'লক। দয়াৰাম কাই ধৰা, সোৱা, দেউতাক ঢাৰীপাটিলৈ লৈ যাওঁ। এখেতৰ গা ভাল নহয় হ'বলা।

কল্যাণ আৰু দয়াৰামে ধৰা ধৰি কৰি বৰুৱাক ভিতৰলৈ আনিলে। বৰুৱা চিৎ হৈ বিচনাত পৰি দিলে।

—আপোনাৰ ভয় লাগিছেনে কি দেউতা ? বৰুৱাৰ কপালখন পিহি দি কল্যাণে সুধিলে।

—ভয় ? ভয় কিয় লাগিব। নাই লগা অ' আই। বৰুৱাই নিৰ্বিকাৰ ভাৱে ক'লে।

কিন্তু অলপ পিছতে নিৰ্বিকাৰ বৰুৱা অস্থিৰ হৈ পৰিল। 'অ' আই' শব্দ কেইটাই তেওঁৰ মনৰ মাজতে ইফালে সিফালে খুন্দিযা খুন্দি কৰিবলৈ ধৰিলে। এবাৰত শব্দ কেইটা তেওঁৰ ডিঙিয়েদি ওলাই আহিব খুজি আকৌ ঘূৰি গ'ল। শব্দ দুটা ঘূৰি যোৱাত এইবাৰ তেওঁৰ মূৰটো টন টনাই উঠিল। কল্যাণে পিহি আছিল যদিও বৰুৱাৰ মূৰৰ টন টননি কমি নাহি ক্ৰমাৎ বাঢ়িহে গ'ল। তেওঁ বৰকৈ ছাটি ফুটি কৰি উঠিল। বৰুৱাৰ মনত কল্যাণৰ আঙুলি কেইটা একোডাল তপত লো যেনহে লাগিল।

তেওঁ বাগৰ সলালে। বাগৰ সলোৱাৰ লগে লগেই পূৰ্বে জয়শ্ৰীৰ

ফটোখন য'ত ওলোমাই ৰখা হৈছিল সেই অংশটোত বৰুৱাৰ চকু পৰিল। অলপ পিছতে সেই অংশটো কঁপি উঠা যেন লাগিল তেওঁৰ। ...এসময়ত বৰুৱাই তাত কাঞ্চনক দেখিবলৈ পালে।...হিঃ হিঃ হিঃ... মোক ইয়াত দেখি আপুনি আচৰিত হৈছে নহয়নে মালিক বাবু? কিন্তু যিদিনাই আপুনি পিস্তল মাৰি বিজন বাবুৰ চকুৰ আগতে মাকৰ ছবিখন নষ্ট কৰি দিলে সেই দিনাৰ পৰাইতো মই ইয়াত আছোঁ। আপুনি কি ৰকম কৰিছে মালিক বাবু? নাহ্, ভৰ নাই কৰিব। কল্যাণৰ আঙুলিবোৰ বৰ গৰম গৰম লাগিছে নহয়? এই ছোৱালীজনী যদি জয়শ্ৰীয়ে জন্ম দিলেহেতেন .এই ছোৱালীজনী মই...জন্ম দিয়া বাবেই মোক মোক

কাঞ্চন বুলি চিঞৰি মানসিক ভাৰসাম্য ৰক্ষা কৰিব নোৱাৰি বৰুৱা অচেতন হৈ পৰিল।

কল্যাণ আৰু দয়াৰামে ভয়তে চিঞৰ বাখৰ কৰিবলৈ ধৰিলে।

ভয়ত বিতত হৈ এসময়ত কল্যাণে দয়াৰামক পাৰিজাতক মাতি আনিবৰ বাবে পঠাই দিলে। দয়াৰাম যেনে আছিল তেনেদৰেই পাৰিজাতৰ ঘৰলৈ ওলাই গ'ল।

# এঘাৰ

কল্যাণে পিছফালৰ বাৰান্দাৰ ৰেলিংখনত ধৰি এবাৰ তললৈ আৰু এবাৰ ওপৰলৈ চাই চাই তাইৰ জীৱনৰ বিগত দিনবোৰৰ কথা মনত পেলাই আছিল। সেই যে গোটেই গলিটোত জুই লাগিছিল, তাৰ পিছৰ পৰা খোৱা-পিন্ধাৰ ক্ষেত্ৰত বিশেষ সমস্যাৰ সন্মুখীন হ'ব লগা হোৱা নাই। দেউতাকৰ পৰা টকা নি বিজনে সিহঁতক সহায় কৰি আছিল।

কিন্তু সেই সহায় পোৱাৰ আগলৈকে ?

সেই ছোৱা সময়ত যে সিহঁত কেনেকৈ জীয়াই আছিল ভাবিবই নোৱাৰি। সেই ছোৱা সময়ৰ কথা ভাবিলেই কল্যাণৰ কিবা জাৰ লাগি অহাদি আহে।

সিহঁতৰ ঘৰটোৰ শাক-পাচলি কৰিব পৰাকৈ ঠাই এডোখৰ আছিল। মাকে ওচৰৰ মানুহ এটাৰ হতুৱাই কোৰ-কটাৰী মৰাই, নিজেও লাগি-ভাগি লাও-কোমোৰা-জলকীয়া কেই জোপামান কইছিল। শাক-পাচলি নিকিনাকৈ সেই বাৰীখনৰ উৎপাদনেৰে সিহঁত মাক-জীয়েক দুজনীৰ চলি গৈছিল। তাৰ ভিতৰত বাৰেও মাহে লাগি থকা বেঙেনা কেইজোপাৰ কথা কল্যাণৰ আজিও মনত আছে। সেই কেইজোপা বেঙেনাৰ ফচল মাজে মাজে এইখন ঘৰলৈও আহিছিল। মাকে বিজনৰ দেউতাকৰ,—তেতিয়া নিজৰ দেউতাকক চিনিয়েই পোৱা নাছিল, মৰম এৰাব নোৱাৰিয়েই কিজানি মাজে মাজে বেঙেনা গোটা-চেৰেক দিবলৈ আহিছিল।

শাক-পাচলিখিনি বাৰীৰ পৰা পালেও চাউল কেইটা আৰু পিন্ধা কাপোৰ কেইখনৰ বাবে বিশেষ চিন্তা কৰিব লগা হৈছিল। কল্যাণৰ আজি বিনিকি বিনিকি মনত পৰিছে, চাউল কেইটা যোগাৰ কৰিবৰ বাবে মাকে প্ৰথমতে কেইজনমান বাবু জাতীয় মানুহৰ ঘৰত কাঁহী-বাটি ধোৱা

আৰু কাপোৰ-কানি ধোৱা কাম কৰিছিল। পিছলৈ সেই মানুহ কেইজনৰ ঘৰত সেইবোৰ কাম নাইকিয়া হোৱাত মাক কাঞ্চনে উপায়হীন হৈ চুলাইৰ বেপাৰ আৰম্ভ কৰি দিলে। চুলাইৰ কাৰবাৰ আৰম্ভ কৰি দিয়াৰ লগে লগে সিহঁতৰ ঘৰলৈ নানা ধৰণৰ মানুহৰ আহ যাহ হ'বলৈ ধৰিলে। প্ৰথমতে মানুহবোৰৰ ব্যৱহাৰ স্বাভাৱিক আছিল যদিও শেষৰ ফালে মানুহবোৰে কল্যাণৰ মাকক অস্বাভাৱিক আৰু অশালীন ব্যৱহাৰ কৰিবলৈ ধৰিলে। সেই ব্যৱহাৰৰ মাজতো কিন্তু মাকে মানুহবিলাকৰ পৰা গা বচাই আছিল, কাৰো লগত বেয়া কাম নকৰিছিল।

কল্যাণৰ মনত থকাৰ পৰা মাকে বেয়া কাম কৰিছিল দুজন মানুহৰ লগত। তাৰে 'মালিক বাবু' অৰ্থাৎ কল্যাণৰ আচল দেউতাক আৰু আনজন 'হিতেন চেহাৰ'। তেওঁলোকে চুলাই খোৱা নাছিল, সেই সময়ত খাবৰ বাবে দামী মদ লৈ গৈছিল। মালিক বাবু বা হিতেন চেহাৰ সিহঁতৰ ঘৰত উপস্থিত হোৱাৰ লগে লগেই মাকে তাইক পিছ ফালৰ শাক-পাচলিৰ বাৰীলৈ পঠাই দিছিল আৰু তেওঁলোকে সিহঁতৰ ঘৰ নেৰালৈকে তাই পিছ ফালেই থাকিব লগা হৈছিল। শেষৰ ফালে মালিক বাবুৱে সিহঁতৰ ঘৰলৈ অহা-যোৱা কৰাটো কমাই দিছিল, কিন্তু হিতেন চেহাৰে কমোৱা নাছিল। হিতেন চেহাৰৰ আহ্-যাহ্ বাঢ়িছিলহে।

মালিক বাবুৱে আহ্-যাহ্ কমাই দিয়াৰ লগে লগে সিহঁতৰ অভাৱ অলপ বাঢ়িছিল। ওচৰে পাজৰে চুলাইৰ কাৰবাৰ বেছি হোৱাত মাকৰ চুলাইৰ বেপাৰখনো প্ৰায় অচল হৈ পৰিছিল। বাধ্য হৈ মাকে আন আন মানুহৰ লগতো বেয়া কাম আৰম্ভ কৰি দিছিল।

মাকে নিজে বেয়া কাম কৰিলেও কল্যাণক কিন্তু তাৰ ওচৰ সীমাইদিও যাবলৈ নিদিছিল। কল্যাণে নিজেও বেয়া কামবোৰৰ পৰা নিজক বছাই ৰাখিছিল। শেষৰ ফালে অৱশ্যে কল্যাণে নিজক বছাবগৈ নোৱাৰিলেহেতেন, তেনেতে তাইৰ ওচৰত আবিৰ্ভাৱ হ'ল এজন দেৱদূতৰ— বিজনৰ। বিজনৰ অহা-যোৱা আৰম্ভ হোৱাত মদপীবোৰে দেখাদেখিকৈ তাইৰ প্ৰতি চকু দিবলৈ এক প্ৰকাৰ এৰি দিছিল।

সিহঁতৰ তাঁলৈ বিজনৰ অহা-যোৱা আৰম্ভ হোৱাটোও এটা ৰসাল কাহিনী।

··সন্ধ্যা সময়। সেইদিনা সিহঁতৰ ঘৰলৈ আন দিনা নহা নতুন মানুহ এটা আহিছিল। মানুহটো বৰ অসভ্য আছিল। সি অহাত মাক আগবাঢ়ি গ'ল। মাকক দেখি অসভ্যটোৱে চিঞৰি উঠিল,—বুঢ়ী, মই তোক বিচাৰি অহা নাই। তোৰ ঘৰত তাত্‌কা মাল এটা আছে, সেইটোকহে বিচাৰি আহিছোঁ। জীয়েৰক কোনটো বাকচত ভৰাই থৈছ।

মাকে তেতিয়া অসভ্যটোক কৈছিল,—মোৰ ঘৰত কোনো তাত্‌কা মাল নাই। মোৰ ঘৰত অকল মইহে আছোঁ।

তাৰ পিছত মাকে তাইক চাং তলত লুকাই থাকিবলৈ ইংগিত দিছিল আৰু সেইমত তাই লুকাই পৰিছিল।

ইফালে মানুহটোৰ লগত মাক কাঞ্চনৰ ভীষণ তৰ্কা-তৰ্কি আৰম্ভ হৈছিল। এসময়ত মাকক গতামাৰি পেলাই চাং তলত তাইক বিচাৰি পাই টানি উলিয়াই আনিছিল। এবাৰ গুণ্ডাটোৰ হাতৰ পৰা এৰাই কল্যাণ বাটৰ ফালে দৌৰ দিছিল। সি খেদি গৈ তাইক ধৰো ধৰো কৰোতেই কোনোবা ফালৰ পৰা আহি সেইখিনিত বিজন উপস্থিত। উপস্থিত হৈয়েই বিজনে মানুহটোক ঘোচা মাৰি দিলে। ঘোচাটো খাই বিজনলৈ মানুহটোৱে খেদা মাৰি আহিছিল, কিন্তু বিজনক সি চিনি পাই লগে লগে সেও হ'ল আৰু পলাই পত্ৰং দিলে।

—তোমাৰ ঘৰ কোনটো? ঘৰত কোন কোন আছে?

বিজনে কল্যাণক সুধিছিল। কল্যাণে মুখেৰে একো নকৈ বিজনক ঘৰটো দেখুৱাই দিছিল মাত্ৰ। সি ভিতৰলৈ আহি মাক কাঞ্চনৰ লগত ভালে-পৰ মুখামুখি হৈ বৈ আছিল। পিছত কৈছিল,—এইজনী তোমাৰ ছোৱালী কাঞ্চন বাই?

তেতিয়া কল্যাণৰ মাকে কৈছিল,—এৱা বিজন বাবু। কিন্তু তুমি ইয়ালৈ কিয় আহিছা বিজন বাবু? এইখন বৰ বেয়া ঠাই। ইয়ালৈ

তুমি নাহিবা। ইচ্ ইচ্ মালিক বাবুৱে জানিলে মনতে বৰ বেয়া পাব। তুমি যোৱাগৈ—

—কিন্তু তুমি এনেদৰে জীয়াই থাকিব লগা হৈছে বুলি মোক কোৱা নাই কিয় কাঞ্চন বাই? দীনদয়াল থকা হ'লে নিশ্চয় তোমাৰ এনে অৱস্থা নহ'লহেতেন। এতিয়া তোমাক এনে অৱস্থাত পেলাই আমি ৰজা মহাৰজাৰ দৰে থকাটো বৰ ভুল হৈছে। আমাৰ গাড়ীৰ দুৰ্ঘটনাতে সি

—সেইবোৰ কথা বাদ দিয়া বিজন বাবু। আমাৰ এনেকৈয়ে চলি গৈছে। চলি যাব। এইখন বৰ বেয়া ঠাই। যোৱাগৈ—

কিন্তু বিজন সোনকালে গুচি অহা নাছিল। সিহঁতৰ নিৰাপত্তাৰ প্ৰতিশ্ৰুতি দিহে বিজনে সেইদিনা সিহঁতৰ ঘৰ এৰিছিল।

সেই দিনাৰ পৰাই কল্যাণহঁতৰ ঘৰলৈ বিজনৰ সঘন আহ-যাহ আৰম্ভ হৈছিল। সিহঁতক ভাত-কাপোৰ দি সহায় কৰিছিল। প্ৰথমতে কিছুদিন তাইৰ মাকে এইবোৰ ল'বলৈ ইচ্ছা নকৰিছিল, কিন্তু পিছলৈ ইচ্ছা কৰিয়ে এইবোৰ লৈছিল। তথাপি সিহঁতৰ সমস্যাৰ অন্ত হৈছিল বুলি ক'ব নোৱাৰি। বিজনৰ আহ-যাহৰ লগে লগে মাকে বেয়া কামবোৰ সম্পূৰ্ণৰূপে এৰি দিছিল আৰু ঘৰখন উপাৰ্জন শূন্য হৈ পৰিছিল। উপাৰ্জনৰ পথ বন্ধ কৰি দিয়াৰ লগে লগে সমস্যাই ভীষণ ৰূপ লৈছিল। ল'লেও সেইবোৰ কথা সিহঁতে বিজনক সমূলি জানিবলৈ দিয়া নাছিল। শেষৰ ফালে সিহঁতৰ ঘৰলৈ মৃগেন হাজৰিকাও গৈছিল। তেওঁ প্ৰথম প্ৰথম যাবৰ দিনা সিহঁতৰ ঘৰলৈ আন কেইজনমান মানুহো আহিছিল। কল্যাণহঁতক শুই থাকিবলৈ কৈ আগফালৰ কোঠাটোত তেওঁলোকে নিশা নিশা ৰাজনৈতিক গোপন আলোচনা পাতিছিল। চাহ-তামোলৰ যোগান ধৰিছিল ৰচিদ মিঞাই।

কল্যাণে ৰচিদ মিঞাক সৰু কালৰ পৰাই পাইছিল, সৰু কালৰ পৰাই দেখিছিল। মাক কেনিবা গ'লে কল্যাণক ৰচিদৰ ঘৰত থৈ যোৱা কথা তাইৰ আজিও মনত আছে।

ৰচিদে তাইক আৰু মাকক বৰ মৰম কৰিছিল। মাকে চুলাইৰ কাৰবাৰ কৰাৰ সময়ছোৱাত ৰচিদ মিঞাই সকলো যা-যোগাৰ কৰি দিছিল। সিহঁতৰ ঘৰত কোনোবাই কাৰোবাৰ লগত কাজিয়া কৰিবলৈ ল'লে ৰচিদ মিঞাই আঁতৰাই নিছিল।

বেলিংখনত ধৰি থকা কল্যাণৰ হাতৰ মুঠি কেইটা গৰম হৈ আহিল। তাই বেলিংখন এৰি দি বকৰা ভৱনৰ বাৰান্দাখনৰ ইমূৰৰ পৰা সিমূৰলৈ লাহে লাহে অহা যোৱা কৰিবলৈ ধৰিলে। অলপ পিছতে তাইৰ মনটো অতীতমুখী হ'ল—

ৰচিদ মিঞাক সৰু কালৰ পৰা পোৱাৰ দৰে ৰচিদৰ পুতেক বদিৰকো তাই সৰু কালৰ পৰাই পাইছিল। বদিৰ তাইতকৈ কেইবা বছৰো ডাঙৰ। সি সৰু কালৰ পৰাই বৰ গোঙোৰা। যাৰে তাৰে লগত সেই তেতিয়াৰ পৰাই কাজিয়া-পেচাল কৰি ফুৰা তাৰ স্বভাৱ। লগৰীয়াৰ লগত সি মিলিবই নোৱাৰিছিল। বদিৰে তাইক প্ৰথমতে মাত-বোল কৰিলেও ডাঙৰ হোৱাৰ পিছত মাত-বোল কৰিবলৈ এৰি দিছিল। আঁতৰত বৈ ওঁঠ-মুখ চেলেকি একেথৰে চাই থাকিবলৈ ধৰিছিল। সি সেইদৰে চাই থাকিলে তাইৰ বৰ লাজ লাগি গৈছিল।

ডেকা হৈ বদিৰে বৰকৈ মদ খাবলৈ আৰু য'তে ত'তে যাৰে তাৰে লগত কাজিয়া কৰি ফুৰিবলৈ ধৰিছিল। সেই অৱস্থাতেই মাজে মাজে সি কল্যাণৰ ওচৰ চাপিবলৈ যত্ন কৰিছিল। কিন্তু তাই তাক ওচৰ চাপিবলৈ দিয়া নাছিল। মদ-খোৱা আৰু কাজিয়া-পেচাল কৰি ফুৰা বাবে তাই তাক ঘৃণা কৰিছিল। শেষৰ ফালে এই কাৰণেই বদিৰে তাইক চকু পাৰি দেখিব নোৱাৰা হৈছিল। তাইৰ মাংস এদিন নহয় এদিন কুকুৰ শিয়ালক ভগাই দিয়া কথা কৈছিল। মাকৰ অসুখৰ দিনা বদিৰে যিটোহে মূৰ্তি ধৰিছিল—মনত পৰিলে আজিও কল্যাণৰ ভয় লাগি আছে। সেই দিনাৰ পৰাই তাই কিজানি কুকুৰ-শিয়ালবোৰৰ ভোজ হ'লহেঁতেন। বিজন যথা সময়ত গৈ ওলোৱা বাবেহে তাই ৰক্ষা পৰিল।

বদিৰৰ কথা মনত পৰাৰ লগে লগে কল্যাণৰ খোজৰ গতি খৰ হৈ আছিল। তাৰে তাইৰ খং উঠিল।…সি বদলাইছে এতিয়াও তাইৰ আশা এৰি দিয়া নাই।…তাইক ইয়ালৈ লৈ অহা বাবেই বিজনক সিবাৰ মাৰ-পিট কৰিলে।…এইবাৰ আকৌ ঘৰত লাগিছেহি। সিদিনা সেয়া কিবা ভাল কাম কৰা কথা কৈ গৈছে। বেয়া কাম কৰিবলৈ এৰি দিম বুলিছে। পিছে গোমোৰাটোৰ কথাৰ কি ঠিক আছে। গুণ্ডাক কোনে বিশ্বাস কৰিব?

বদিৰে যদি সঁচাকৈয়ে মদ খাবলৈ আৰু বেয়া কাম কৰিবলৈ এৰি দিয়ে?

কল্যাণে নভবাকৈয়ে হঠাৎ প্ৰশ্নটোৱে আহি তাইৰ মূৰত খুন্দা মাৰি গ'ল।

প্ৰশ্নটোৰ অৰ্থ প্ৰথমতে তাই বুজিবই পৰা নাছিল। যেতিয়া প্ৰশ্নটোৰ অৰ্থ আৰু তাৰ পিছৰ কথাখিনি কোনেও বুজাই নিদিয়াকৈয়ে বুজি পালে তেতিয়া, তাইৰ কাণ-মূৰ গোটেইবোৰ একেলগে গৰম হৈ উঠা যেন লাগিল। দূৰৰ আকাশখনলৈ চাই পঠিওৱাত তাই তাত একো নেদেখি বদিৰৰ মুখখন দেখা পালে…ঐ কইলাণ…তোৰ বাবে মই…তোক মই…এইবাৰ কিন্তু মোক খেদি পঠিয়াব নোৱাৰিবি ·

কল্যাণ বাৰান্দাৰ সিটো মূৰ পালেগৈ।

দুহাতেৰে বাৰান্দাৰ খুটা এটা টানকৈ চেঁপি ধৰাৰ পিছতহে কল্যাণৰ নিজকে অলপ স্বাভাৱিক স্বাভাৱিক লাগিল। ধেৎ·· বলিয়াৰ দৰে কি বোৰযে ভাবিছে তাই। কি দৰকাৰ সেই মদপীটোক লৈ এইবোৰ কথা ভৱাৰ

কল্যাণ আন ফালে যাব খুজিছিল। এনেতে সেইখিনিত হেলাই হেফাই দয়াৰাম আহি উপস্থিত,—কইলাণ আইটি, হেৰা কইলাণ আইটি, তুমি ইয়াত বৈ আছাহি। সিফালে—

—সিফালে কি হ'ল দয়াৰাম কাই?

—সিফালে আৰু কি হ'ব? সিফালে সেইডাল আহিছে।

—কোনডাল আহিছে ?

—সেই গুণ্ডাটো। বদিৰ নে কদিৰ সেইডাল।

হঠাৎ বৰ ডাঙৰ শব্দ এটা শুনিলে মানুহৰ বুকু যেনেদৰে কঁপি উঠে, দয়াৰামৰ মুখত বদিৰৰ নামটো শুনি কল্যাণৰ বুকুখনো তেনেদৰে কঁপি উঠিল। 'গুণ্ডাটো বা কি মতলবত আহিছে। বিজন দাদাও ঘৰত নাই নহয়' বুলি তাই খৰ খোজেৰে তললৈ নামি আহিল। বাৰান্দাৰ পৰা পদূলিৰ ফালে চাই দেখে গেটখনতে ধৰি ভিতৰৰ ফালে চাই বদিৰ বৈ আছে।

কল্যাণক বাৰান্দাত দেখাৰ লগে লগেই বদিৰে গেটখন মেলি ভিতৰলৈ সোমাই আহিল। কল্যাণে কি কৰিব কি নকৰিব একো স্থিৰ কৰিব নোৱাৰি দৌৰি আহি বান্ধনীশাল পালেহি।

বদিৰ অলপ পিছতে বৰুৱা ভৱনৰ তলৰ মহলাৰ বাৰান্দাত।

—কি লাগে ? দয়াৰামে অলপ টান মাতেৰে সুধিলে।

—হেঁ। অ' দয়াৰাম কাই। নাই, একো নালাগে। ভালনে তোমাৰ ? বদিৰে মিছিকিয়া হঁাহি এটা মাৰি দয়াৰামক ক'লে।

দয়াৰাম ভিতৰলৈ আহিল। অলপ পিছতে হাতত কুঠাৰখন লৈ আকৌ বাহিৰলৈ ওলাই আহি ক'লে,—তোৰ লগত কথা পাতিবলৈ মোৰ টায়েম নাই। খৰি ছটাচেৰেক ফালিবলৈ আছে। তই নবহ নহয়, যাবিহে হ'বলা।

বদিৰে আকৌ মিছিকিয়াই হঁাহি আগতকৈও কোমল মাতেৰে ক'লে,—নাই মই বহিম বুলিহে আহিছোঁ। তোমাৰ টায়েম নাই যেতিয়া যোৱা। মই ইয়াতে অলপ বহোঁ।

কৈয়ে বদিৰে এটা ভৰি বাৰান্দাত আৰু আনটো ভৰি চোতালত দি ভাগৰুৱা মানুহ বহাদি পথালি হৈ বহিল। দয়াৰামৰ উদ্দেশ্য সিদ্ধি নোহোৱা যেন দেখি খণ্ডত টিকনিডালকে জুবাৰমান জোকাৰি খৰি ফালিবলৈ গুচি গ'ল।

কোনো ধৰণৰ মাতবোল নকৰাকৈ নির্বিকাৰ ভাৱে বদিৰ বহি থাকিল।

সময় বাঢ়ি যোৱাৰ লগে লগে ভিতৰত কল্যাণৰ অস্থিৰতাও বাঢ়ি গ'ল। বাৰান্দাত বহি থকা বদিৰলৈ আঁৰ চকুৰে চাই তাই বাৰে বাৰে বিজনলৈ মনত পেলালে। এই কেইদিন বিজন ঘৰত নায়েই বুলিব পাৰি। মাজ নিশা আছে আৰু পুৱা পোহৰ হ'ল নহ'লতে ওলাই যায়। বিজনৰ অনুপস্থিতিত বদিৰক এতিয়া কোনে মাত-বোল কৰিব?

কল্যাণে?

তাই তেনেদৰে ওলাই গ'লে সি চল'পাই যদি? সি বহাৰ পৰা উঠি নোযোৱা হয় যদি? উঠি যাবলৈ পাহৰে যদি!...এতিয়া সেই বুলি তাক তেনেদৰে বহি থাকিবলৈ দিবনে? নাই, তাক তেনেদৰে বহি থাকিবলৈ সুযোগ দিয়াতকৈ বিজন ঘৰত নাই বুলি কৈ বিদায় দিয়াই ভাল। কিন্তু তাই মাত মতাৰ আগতেই যদি সি পাষনুডই মোক কিন্তু এইবাৰ খেদি পঠাব নোৱাৰিবি ..বুলি কৈ উঠে? ..কথাষাৰ ভবাৰ লগে লগে কল্যাণৰ গাটো ৰম ৰমাই উঠিল। পিছে, চিপ্‌ চিপাই থকা বৰষুণৰ মাজেদি আহি ঘৰ সোমোৱাৰ পিছত হাত-মুখবোৰ ম'চি পেলোৱাৰ দৰে কল্যাণেও এসময়ত গাৰ ৰম ৰমনিটো ম'চি লৈ নিজকে নিজে ক'লে—নোৱাৰে, একেদিনাই সি সিমানখিনিলৈ আগবাঢ়িব নোৱাৰে। আগবাঢ়িলে বুঢ়ীমাকে নিদিমনে কি মজাটো?

মনটো অলপ টানি লৈ কল্যাণ বাৰান্দালৈ ওলাই আহিল আৰু বদিৰক ক'লে,—কিবা দৰকাৰ আছিলনে কি? দাদা এতিয়া ঘৰত নাই। আন এদিন আহিবি।

বদিৰে এক মুহূর্তমান কল্যাণৰ চকু-মুখলৈ চাই থাকি পিছত ক'লে,—দৰকাৰ তেনেদৰে একো নাই। কিয়—বিজন নাথাকিলেও তইতো আছ? তই কিবা ঘৰৰ মানুহ নহৱনে? মই বিজন ঘৰত নাই বুলি জানো।

—জান ৰাজিনো কেলেই আহিছ ?

—তোক লগ পাবলৈকে আহিছোঁ। কথা আছে।

—কথা ? মোৰ লগত ? মোৰ লগত তোৰ কি কথা থাকিব পাৰে ? তোৰ থাকিলেও মোৰ কিন্তু তোৰ লগত কোনো কথা নাই। যাব পাৰ—

কথাখিনি কৈ উছাট মাৰি কল্যাণ ভিতৰলৈ আহিল। তাই তেনে-দৰে অহাত বদিৰে একো নকৈ বেণ্ডাৰ দৰে হাঁহিলে মাত্ৰ।

ইফালে উছাট মাৰি ভিতৰলৈ অহা কল্যাণৰ কিন্তু পানীত হাঁহ নচৰা অৱস্থা। তাইৰ মনত নানান ভাৱৰ হেন্দোলনি। নানান ভাৱৰ খেলি-মেলি। বদিৰক তেনেদৰে কথা কেইষাৰ কৈ তাই ভুল কৰিলেনে কি বাৰু ? উছাট মাৰি নহা হ'লেও হ'লহেতেন নে কি ? ·নাই, ঠিকেই কৰিলে, মদপী এটাক, গুণ্ডা এটাক তেনেদৰে নকৈ কেনেদৰেনো ক'ব ? কোমল মাত দিবলৈ গ'লেই সি চল পাব পাৰে। বদিৰে এবাৰ চল পালে তাইৰ আৰু ৰক্ষা আছেনে ?

কিন্তু গোমোঠা বদিৰৰ মুখখন আজি বৰ ফৰকাল ফৰকাল যেন লাগিল কল্যাণৰ। তাই বদিৰৰ ফৰকাল মুখখন আৰু কোমল মাতটো আকৌ এবাৰ মনত পেলাই চালে।···কিজানি সি আজি বেয়া মতলবত অহাই নাই।· কিন্তু এটা গুণ্ডাৰ, এটা খুনীৰ কি ভাল মতলব থাকিব পাৰে ?· আৰু যে কথা আছে বুলিছিল···তাইৰ লগত তাৰ কি কথা থাকিব পাৰে বাৰু ?—প্ৰেমৰ কথা ?

কল্যাণৰ নিজৰে হাঁহি উঠি গ'ল। তাৰ লগত, এটা বদমাইচৰ লগত তাইৰ প্ৰেমৰ কথা থাকিব পাৰেনে ? তাৰ ফালৰ পৰা থাকিলেও কল্যাণৰ ফালৰ পৰা নাই। কল্যাণক সি কি বুলি ভাবিছে ? কল্যাণ দ পানীৰ মাছ বুলি দি জনা উচিত।

ভাবৰ মাজতে নিজৰ অজ্ঞাতসাৰেই কল্যাণে হী'ভটো জ্বলাই দি চাহৰ কেটলীটো তুলি দিলে। ছেঃ কি-বা কথা আছিল ?—ঘূৰাই, তাক কথাটো সোধা হ'লেই ভাল আছিলনে কি বাৰু ?...প্ৰেমৰ কথা নহৈ

আন কিবা জৰুৰী কথা আছিল যদি ?…বিজনৰ বিষয়ে কিবা কথা আছিনে কি বাৰু ?…নে সঁচাকৈয়ে তাৰ গাত প্ৰেমৰ জ্বৰ উঠিছে ?… আজি সি বৰ মিঠা লগাকৈ কথা কেইষাৰ ক'লে কিন্তু। আৰু কেই-ষাৰমান ক'বলৈ সুযোগ দিয়া হ'লে আৰু অলপ মিঠাকৈ ক'লেহেঁতেন কিজানি।… মিঠাকৈ কথা কোৱাৰ সুযোগ পাই 'তোক মই চাদী কৰাম, ৰাজী আছতো' বুলি কৈ দিয়ে যদি ? তেতিয়া দেখোন তাই তাক চটপ্‌ চটপ্‌ দুই চেন্দেল লগাই দিব লাগিব।…সি যদি সঁচাকৈয়ে বেয়া কামবোৰ কৰিবলৈ এৰি দিছে ? সি যদি সঁচাকৈয়ে ভাল মানুহ হৈছে ? তেতিয়া তাক.. তেতিয়া তেতিয়া…

কল্যাণে আঁৰ চকুৰে বদিৰৰ ফালে চালে।

আগৰ জপৰা চুলিৰ ঠাইত আজি এমুৰ শীতল চুলি। আগৰ চকু কেইটা জুইৰ দৰে ৰঙা হৈ থাকে। আজি চকু কেইটাও সিমান ৰঙা যেন লগা নাই। অৱশ্যে দূৰৰ পৰা কল্যাণে সিমান ভালকৈ ধৰিবও পৰা নাই। তথাপি বদিৰক দেখোন তাইৰ আজি কিবা ভাল লাগি আছিছে। কিন্তু কিয় ?—সি কিবা যাদু তেল ঘঁহি অহা নাইতো ? আহিবও পাৰে—

কল্যাণে বদিৰৰ ফালৰ পৰা চকু ঘূৰাই আনিলে।

বদিৰ বহাৰ পৰা উঠিল।

সি বহাৰ পৰা উঠা দেখি কল্যাণৰ ভাল লাগিল, ৰক্ষা আপদটো যাবগৈ এতিয়া।

কিন্তু তাইৰ ধাৰণা ভুল প্ৰমাণ কৰি বদিৰ গেটৰ ফালে আগবাঢ়ি নগৈ দয়াৰামে য'ত খৰি ফালি আছে সেইখিনি পালেগৈ। পাই দয়া-ৰামক ক'লে,—বুঢ়া মানুহ, তুমিনো ৰাৰু এইফাল কুঠাৰ মাৰিব পাৰিবানে ? চাওঁ দিয়া, মোক দিয়া।

দয়াৰামৰ হাতৰ পৰা কুঠাৰখন বদিৰে নিজৰ হাতলৈ ল'লে। দয়াৰামে এতিয়া কি কৰিব ? কি ক'ব ? মনে মনে অৱশ্যে সি ভালেই পালে, মাৰ মাৰ বোপাই—মানুহৰ বুৰুত মৰাতকৈ কেইঘাপমান খৰি-

ভালতে মাৰ। কিন্তু ফুটাই একো নকৈ ঘাম মʼচি মʼচি ওচৰতে বৈ থাকিল।

এসময়ত খৰি ফলা কাম শেষ কৰি বদিৰ আকৌ আগফালৰ বাৰান্দাৰ আগৰ ঠাইত ৰহিলহি। এইবাৰ সি মানুহটো ৰঙা পৰি আছিছে। ঘামেৰে গোটেই গা ৰৰষুণত তিতাদি তিতি গৈছে। বেচেৰাৰ কমাল এখনো নাই চাগে। সোঁ হাতৰ আঙুলি ভাঁজ কৰি কপালৰ ঘামবোৰ চুঁচিছে আৰু এছাৰ মাৰি দিছে।

এহ দেহি! বদিৰলৈ জুমি চাই, তাৰ অৱস্থাটো দেখি কল্যাণৰ বেয়াই লাগি আছিল। হাততে পানী এঘটি আৰু গামোছা এখন লৈ তাই বদিৰৰ ওচৰ পালেহি,—মুখখন ধুই ল।

বদিৰে মুখেৰে নামাতি কল্যাণৰ কথামতে কাম কৰি গʼল।

কল্যাণে এইবোৰ চাহ লৈ আহিল,—চাহ দিছোঁ খা।

বদিৰে চাহখিনি খালে।

অলপ পিছতে বদিৰ যাবলৈ উঠিল আৰু 'আহোঁ কইলাণ' বুলি কৈ গুচি গʼল।

কল্যাণ ততাতৈয়াকৈ ভিতৰৰ পৰা ওলাই আহিল। শুদা কাপ-প্লেটযোৰ হাতত লৈ তাই বদিৰৰ ফালে চালে। বদিৰক সঁচাকৈয়ে আজি তাইৰ বেলেগ বেলেগ লাগিল। ই যদি সঁচাকৈযে বেলেগ হৈ যায়···ভাল মানুহ হৈ যায়···যদি ই·· যদি য দি··

ৰাতি তেতিয়া দোভাগ।

অকস্মাতে পাৰিজাতে সাৰ পালে। কিয় যে সাৰ পালে নিজেই বুজিব নোৱাৰিলে। সাৰ পায়ে তেওঁ কাণ দুখন সজাগ কৰি নিশাৰ গভীৰতা বুজিবলৈ যত্ন কৰিলে। নিশা গভীৰেই কিজানি, দূৰৈৰ দুই এটা কুকুৰৰ ভৌক্ ভৌক্ আৰু নগৰৰ ফালৰ পৰা অহা কাৰখানাৰ ক্ষীণ শব্দ এটাৰ বাহিৰে পাৰিজাতে একোকে শুনিবলৈ নাপালে।

ভালে পৰ অলস ভাৱে পৰি থাকি এবাৰ পাৰিজাতে বাগৰ সলাবলৈ লৈছিল, তেনেতে জেঠি এটাই কাণৰ ওচৰতে টিক টিক কৰি উঠাত বাগৰ নসলাই তেওঁ বৈ গ'ল।

আগৰ পৰাই বাজি আছিল যদিও জেঠিটোৱে টিক্ টিক্ কৰাৰ পিছতে পাৰিজাতৰ কাণ দুখনত আন এটা কৰ্কশ শব্দই খুন্দা দি গ'ল। তেওঁ ভয় খাই উঠিল। এইটো কিহৰ শব্দ হ'ব পাৰে? বাঘে গোজৰাদি গুজৰিছে যে? এইটো সঁচাকৈয়ে বাঘনে কি বাৰু? বন্ধ দুৱাৰেদি বাঘটোনো আক' ভিতৰলৈ কেনেকৈ সোমাল? নে গধূলিতে দুৱাৰৰ এই পাৰলৈ আহি কেনিবা লুকাই আছিল? বাঘটোক কাণ্ডা-টোৱেও দেখিব নালাগেনে বাৰু! ইও দেখিছোঁ কম বাঘ নহয়। ছেঃ এতিয়া কি কৰা যায়?

পাৰিজাতে চকু কেইটা মেলি দি বাগৰ সলালে।

ধেৎ আচলটো বাঘেই গুজৰি আছে। গোজৰণি আনত নহয়, গোজৰণি তেওঁৰ শেতেলীত,—গাৰ নিচেই কাষত। এৰা! বিজয় এটা বাঘেই। বাঘে আধা খোৱা চিকাৰ এৰি থৈ গৈ পিছত আকৌ খাবলৈ অহাৰ দৰে· বিজয়েও এবাৰ·· আধা খোৱা চিকাৰৰ ওচৰলৈ বাঘ অহাদিয়েই আহিছে।···অৱশ্যে বিজয় গধূলিতে দুৱাৰৰ এই পাৰলৈ আহি কেনিবা লুকাই থকা নাহে, বিজয় আজি প্ৰায় তিনি মাহেই তেওঁৰ লগতে আছে।···কিজানি জীৱনৰ পিছৰখিনি সময় তেওঁৰ লগতে থাকিব।

পাৰিজাতে আলফুলকৈ বিজয়ৰ গা-মূৰেদি হাতখন পিচলাই আনিলে।

·· নাকটোৱে বাঘে গোজৰাদি গুজৰিছে। মানুহটোৰ চাগে·বৰ ভাল টোপনি আহিছে·। মিছামিছি পাৰিজাতৰহে টোপনি নোহোৱা হ'ল।

অলপ পৰ নিঃসাৰ হৈ থাকি পাৰিজাতে আকৌ বাগৰ সলালে। ওপৰ মূ কৰি ওপৰৰ নীলা পোহৰবোৰলৈ চাই চাই পাৰিজাতে বিজয়ৰ কথাকে ভাবি গ'ল—

প্ৰথম বিশ দিন থকাৰ পিছত একৈশ দিনৰ দিনা হঠাৎ বিজয় ককয়াৰ নিজৰ ঘৰলৈ, বিজনলৈ বোলে বৰকৈ মনত পৰিল। পাৰিজাতক ওচৰলৈ মাতি আনি ক'লে,—ঘৰৰ পৰা আহোঁ। ভালে কেইদিন ঘৰখন দেখা নাই। ই বিজন বা ক'ত তলৌ তলৌ ঘূৰি ফুৰিছেগৈ। সন্ধ্যাৰ আগতে আহিম। আজি নাহিলেও কাইলৈ আহিম বুলি নিৰ্ঘাত জানিবা।

বিজয়ৰ কথা শুনি পাৰিজাতে পাতলকৈ হাঁহিলে। ধেমালিৰ চলেৰে ক'লে,—জীৱনত এবাৰ কিন্তু ঘূৰি আহিম বুলি কৈ নাহিল। এইবাৰো কিজানি·

বিজয়ে পাৰিজাতৰ ধেমালি বুজিব নোৱাৰি গম্ভীৰ হৈ ক'লে,—না না, সেই পুৰণি অধ্যায়ৰ আৰু পাত নেমেলিবা। সেই অধ্যায় তুমি সম্পূৰ্ণৰূপে পাহৰি যোৱা পাৰিজাত। মই ঘূৰি আহিমেই।·

কিন্তু কৈ যোৱা মতে বিজয় এইবাৰো ঘূৰি আহিব নোৱাৰিলে।

সেইদিনা অৱশ্যে বিজয় ঘূৰি অহা নহাত বিশেষ গুৰুত্ব নিদি পাৰিজাতে আন কামত ধৰিছিল। কিজানি বিজয়ে ঘৰ এৰি যোৱা আঠৈ ঘণ্টা মানহে হৈছিল, এনেতে ফোপাই জোপাই আহি দয়াৰাম বাপুটি পাৰিজাতৰ ওচৰত উপস্থিত। তাৰ অৱস্থা দেখি তেৱেঁই প্ৰথমতে মাত লগালে,—কি হ'ল বাপুটি—ফোপাই জোপাই আহিছে যে?

—নাহিম নে আই? বৰ ডাঙৰ কথা হ'ল নহয়।

—কি হ'ল কোৱাচোন?

—আপুনি বেগাই ব'লক আই। কইলাণ আইটিয়ে বেগাই মাতিছে। দেউতাৰ অকচ্‌মাতে কি হ'ল জানো—গিয়ানেই নাই। পৰি আছে।

—কি কৈছা? বিজয় জ্ঞানহীন হৈ পৰি আছে?

দয়াৰামে কি উত্তৰ দিয়ে শুনিবলৈ বৈ নাথাকি যেনে আছিল তেনে-

যেতিয়াই পাৰিজাত বিজয়ৰ ঘৰলৈ চাপলি মেলিলে। গৈ পাই দেখে বাপুটিৰ কথা মিছা নহয়। ক'ব পৰা কি হ'ল বুলি সোধাত কল্যাণে ক'লে,—ঘৰটোত বোলে ভূতে লম্ভিছে। দেউতাই মা আৰু জয়শ্ৰী বৰমাৰ চিঞৰ-বাখৰ শুনিবলৈ পোৱা বুলি কৈছে। সেই কাল হৈ যোৱাবোৰৰ ভয়তে তেওঁ জ্ঞান হেৰুৱাইছে।

পাৰিজাতে প্ৰথমতে ডাক্তৰ এজনক খবৰ দিয়াৰ কথা ভাবিছিল। কল্যাণেও সেই মতকে প্ৰকাশ কৰিছিল। কিন্তু পিছত পাৰিজাতেই ডাক্তৰ অনা কথাটোত বাধা দিলে। বিজয়ৰ দুৰ্বল মানসিক অৱস্থাৰ বাবেই যে এনে হৈছে সেই কথা তেওঁ সহজেই বুজি পাইছিল। এনেয়ে নাথাকি পাৰিজাতে বিজয়ৰ চকুৱে-মুখে পানী ছটিয়াই দিলে। কিন্তু কোনো কামত নাহিল। এইবাৰ তেওঁ কল্যাণৰ সহায়ত বিজয়ৰ ভৰিত গৰম সেক দিবলৈ ধৰিলে।

কিছু সময় নেৰা-নেপেৰা যত্নৰ পিছত বিজয়ৰ জ্ঞান ঘূৰি অহা যেন লাগিল। কিন্তু তেওঁ চকু নেমেলিলে। অলপ পৰৰ পিছতে তেওঁ টোপনিত লালকাল দিলে। পাৰিজাতে এতিয়া কি কৰিব? এৰিবৰো নহ'ল ধৰিবৰো নহ'ল। বাপুটি বাপুটিয়েই। কল্যাণৰ হাতত অকলে অকলে মানুহজন এৰি থৈ আহিবলৈও মন যোৱা নাই আৰু বিজয়ৰ কোঠাত সোমাই ৰৈ থাকিবলৈও ভাল লগা নাই। পুতেক বিজনে আহি বা কি মূৰ্তি ধৰেহি? সিদিনা বাসন্তীয়ে ধৰাৰ দৰে উগ্ৰমূৰ্তি ধৰেহি যদি?

তথাপি পাৰিজাত তাতেই থাকি গ'ল। বিজয়ক এৰি আহিব নোৱাৰিলে।

বিজয়ে সাৰ পালে সন্ধ্যাৰ পিছত।

চকু মেলিয়েই পাৰিজাতক দেখি তেওঁৰ মন সম্পূৰ্ণৰূপে স্বাভাৱিক হৈ পৰিল। পাৰিজাতে বিজয়ৰ কপালখন পিহি দি সুধিলে,—এতিয়া গা কেনে পাইছে?

বিজয়ে ম্লান হ'লেও হাঁহি এটা মাৰিলে। ওচৰতে কল্যাণ ৰৈ আছিল যদিও তাইৰ উপস্থিতিক সম্পূৰ্ণৰূপে অৱজ্ঞা কৰাৰ দৰে কৰি

নতুন প্ৰেমিকে ধৰাৰ নিচিনাকৈ বিজয়ে পাৰিজাতৰ হাতখন নিজৰ হাতৰ মুঠিত ধৰি অতি স্বাভাৱিক কণ্ঠেৰে উত্তৰ দিলে,—ভাল, একেবাৰে ভাল। কেনিও ক'তো চিঞৰ-বাখৰ শুনা নাই। তুমি অহাৰ লগে লগে কিজানি প্ৰেতাত্মাবোৰ পলাই পত্ৰং দিলে। কিন্তু তুমি বাৰু আহিলা কেতিয়া? আহিব লাগে বুলি জানিলাই বা কেনেকৈ? তুমি সৰ্বজ্ঞান যেন লাগিছে।

—আপুনি ইমানবোৰ কথা কিয় একেলগে কৈছে? নাই নক'ব। ইমানবোৰ কথা একেলগে কোৱা ভাল নহয়। কাঞ্চনৰ ভয়ত আপোনাৰ জ্ঞান নাইকিয়া হোৱাৰ লগে লগেই বাপুটিয়ে মোক খবৰ দিলে আৰু ময়ো লগে লগেই আহিলোঁ।

একো নকৈ বিজয় বিচনাতে বহিল। পাৰিজাতে ধৰি মেলি দিলে।

ইয়াৰ পিছত চাহৰ পৰ্ব চলিল।

চাহৰ পৰ্ব শেষ কৰি নিশা আঠমান বজাত পাৰিজাত ঘৰলৈ ঘূৰি আহিবলৈ ওলাইছিল। কিন্তু তেওঁ কথাষাৰ কোৱাৰ লগে লগেই বৰুৱাই এক প্ৰকাৰ চিঞৰ-বাখৰ লগাই দিলে,—কিয় যাবা? নোৱাৰা যাব। তুমি গুচি গ'লে প্ৰেতাত্মাবোৰ আকৌ চাপি আহিব। এইখন ঘৰ আজিৰ পৰা তোমাৰ হাতত মই উপহাৰ হিচাপে দিলোঁ। তুমি সদায় ইয়াতে থাকিবা। ছিতেনৰ ঘৰখন বিক্ৰী কৰি দিম। সেইখন ঘৰৰ তোমাৰ আৰু কোনো প্ৰয়োজন নাই। তুমি মোৰ। মোৰ ঘৰখন তোমাৰ—

পাৰিজাতে সামান্য প্ৰতিবাদ কৰিছিল যদিও বিজয়ৰ যুক্তিৰ ওচৰত তেওঁৰ প্ৰতিবাদ নিটিকিল। অগত্যা সেই নিশা পাৰিজাতে বিজয়ৰ ঘৰত থকাৰে সিদ্ধান্ত কৰিলে।

খাই-বৈ বিচনাত উঠালৈকে ঠিকেই আছিল।

বিজয়ে আকৌ গোলমাল লগাই দিলে নিশা বাৰমান বজাত।

পাৰিজাত বিজয়ৰ কোঠাত নাছিল। বিজনৰ কোঠাৰ সিফালে

থকা কল্যাণৰ কোঠাত আছিল। নিশা চিঞৰ-বাখৰ শুনি বিজয়ৰ কোঠালৈ গৈ দেখে মানুহজনে আকৌ অস্বাভাৱিক আচৰণ কৰিছে।

কোন? কোন?—দীনদয়াল? আকৌ আহিছ। কি—কি কৈছ?
কাঞ্চন তই নাহিবি - নাহিবি তুমি মোক মাফ কৰিবা জয়শ্ৰী

কিন্তু পাৰিজাত গৈ বিজয়ৰ বিচনাত বহাৰ কিছু সময়ৰ পিছতে 'তুমি ক'লৈ গৈছিলা—ক'ত আছিলা পাৰিজাত' বুলি বিজয়ে তেওঁক সাৱটি ধৰাৰ পিছতে অৱস্থাৰ সলনি হৈ আহিল। মানুহজনে আকৌ স্বাভাৱিক আচৰণ কৰিবলৈ ধৰিলে। উপায়হীন হৈ পাৰিজাত এইবাৰ বিজয়ৰ কোঠাতে থাকিল। দুয়ো একেখন পালেঙতে শুলে।

বিজয়ে চিঞৰি উঠিছিল যদিও ৰাতিপুৱা পাৰিজাতে তেওঁৰ কোনো কথাকে নুশুনি ঘৰলৈ গুচি আহিল। বিজয়ৰ সমস্ত ব্যাকুলতা আৰু সমস্ত আবেগ অনুভূতিৰ ওপৰত নিজৰ ফালৰ পৰা কেইটামান যুক্তি জাপি দি পাৰিজাতে সেইদিনা ভাবিছিল বিজয়ৰ লগত মিলন হ'লেও তেওঁ বিজয়ৰ বিবাহিতা স্ত্ৰী নহয়। দুয়ো দুখন ঘৰৰ বেলেগ 'মৰ্যাদা-সম্পন্ন ব্যক্তি। বিজয়ৰ ঘৰত বিজয়ৰ কোঠাত দিনে-নিশাই থাকিবলৈ হ'লে পূৰ্বৰ মৰ্যাদাৰ সম্পূৰ্ণ বিলুপ্তি ঘটাব লাগিব। যিহেতু এতিয়াও সিমানখিনি হোৱাগৈ নাই গতিকে—দিনে-নিশাই বিজয়ৰ ঘৰত বিজয়ৰ লগত থাকিব নোৱাৰি।

কিন্তু পাৰিজাত গুচি আহিলে কি হ'ব? পাৰিজাত বিজয়ৰ ঘৰত দিনে-নিশাই নাথাকিলে কি হ'ব? সেইদিনা পাৰিজাত ঘৰ পোৱাৰ অলপ সময়ৰ পিছতে বিজয় স্বয়ং আহি উপস্থিত। আহিয়েই পোনেই পাৰিজাতৰ কোঠাৰ পাৰিজাতৰ বিচনাত দীঘল হৈ পৰিল আৰু ক'লে, —তোমাৰ এই বিচনাখনৰ বাহিৰে মই বোধকৰোঁ আন'কোনো বিচনাতেই আৰু শুব নোৱাৰিম। এই বিচনাখনৰ ওচৰৰ পৰা আঁতৰি গ'লেই আটাই কেইটা প্ৰেতাত্মাই মোক বেৰি ধৰেহি। তুমি মোৰ কথা নুশুনি গুচি আহি কিজানি পদুলিমুখ পাইছিলাহিহে সিফালে

মোৰ ঘৰত সিহঁতৰ খিটখিটনি আৰম্ভ হ'লেই। তুমি ওচৰত নাথাকিলে সিহঁতে মোক সঁচাকৈয়ে মাৰি পেলাব জানা।...আৰু সেই ঘৰটোলৈ... মই আৰু কোনো দিন সেই ঘৰটোলৈ নাযাওঁ।

সেই দিন ধৰি পাৰিজাতৰ কাষত শুই থকা এই মানুহটো সঁচাকৈয়ে ঘৰ মুৰা হোৱা নাই।

পাৰিজাতে আকৌ শুই থকা বিজয়ৰ গাৰ ওপৰেদি হাতখন বুলাই আনিলে। ইমান টোপনিনে? ওচৰতে মানুহজনীয়ে সাৰ পাই আছে—ক'বই নোৱাৰে একেবাৰে।

অভিমান কৰি পাৰিজাতে চকু কেইটা জপাই দিলে।

এইবাৰ তেওঁৰ চকুত তিনিখন মুখ ভাঁহি উঠিল। তিনিখন নতুন মুখ।

প্ৰথমতে এইখন বাসন্তীৰ মুখ। শিৰত সেন্দূৰৰ ৰেখাৰে বাসন্তীৰ মুখখন পাৰিজাতৰ বৰ ভাল লাগিল। কিন্তু ক্ৰমে ক্ৰমে সেই ভাল লগা মুখখনেই এসময়ত তেওঁৰ বেয়া লাগি আহিল। ∙ বাসন্তীৰ মুখখন তেওঁ বৰ বঙা হৈ অহা যেন পালে। এসময়ত তাইৰ শিৰৰ সেন্দূৰৰ ৰেখাটোৰেদি ভমক্ ভমক্ কৈ জুইৰ শিখা ওলাই আহিল।.. পাৰিজাতৰ কাণৰ ওচৰত বাজি উঠিল বাসন্তীৰ সেই স্বৰঃখুৰাদেউক কিয় দিনে নিশাই তোমাৰ ওচৰত ৰাখিব লাগে? খুৰাদেউৰ কি থাকিব'লৈ ঘৰ-দুৱাৰ নাই। পৰপুৰুষ এজনৰ লগত তুমি তেখেত আমাৰ ঘৰত থকা কথাটো বাহিৰত কেনেদৰে ওলাইছে তুমি শুনিব পাৰা .কিন্তু মই শুনিছোঁ। আৰু সেই বাহিৰত ওলোৱাবোৰৰ পৰিণতি স্বৰূপেই . মোৰ ...মোৰ সংসাৰখনত জুই লাগিব ধৰিছে। .ছিঃ ছিঃ মা, দেউতাৰ ঘৰখনত থাকি তেখেতৰ স্মৃতিক ভৰিৰে মোহাৰি এইবোৰ কৰিবলৈ বেয়া লগা নাই? বেয়া লগা নাই? বেয়া লগা

বিচনাতে পাৰিজাতে খৰমৰাই উঠিল।

সেই সুযোগতে তেওঁৰ মানস চকুৰ দৃষ্টিৰ পৰা বাসন্তীৰ মুখখন আঁতৰি পৰিল।

এইবাৰ তেওঁৰ চকুৰ আগত ভাঁহি উঠিল বিজনৰ মুখখন। চাওঁতে চাওঁতে বিজনৰ মুখখন ভয়ংকৰৰ পৰা ভয়ংকৰ হৈ আহিল। আজি কেইদিনমানৰ আগতে বিজয় আৰু বিজনৰ মাজত হোৱা তৰ্কা-তৰ্কিখনৰ প্ৰতিটো কথাই পাৰিজাতৰ কাণৰ ওচৰত বাজি উঠা যেন লাগিল। মই ঘৰ এৰি আহিলোঁ। তাতে তোৰ কি লোকচান হ'ল। মোৰ কি লোকচান হ'ল মানে? মাৰ মৃত্যুৰ সুযোগ লৈ এই ব্যভিচাৰত লিপ্ত হ'বলৈ আপোনাৰ লাজ লগা নাই? আপুনি ভণ্ড, আপনি কামুক, মই কিয় জানো আপোনাৰ পুত্ৰ ৰূপে জন্ম ল'লোঁ!

পুতেক হৈ বাপকক এনে অমাৰ্জিত ভাষাৰে পাৰিজাতে আকৌ এবাৰ খৰমৰাই উঠিল।

এইবাৰ বিজনৰ মুখখনৰ ঠাইত পাৰিজাতে ত্ৰিলোচনৰ মুখখন দেখিবলৈ পালে। ত্ৰিলোচনৰ মুখখন দেখাৰ লগে লগেই বিচনাত বিজয়ৰ কাষতে শুই থকা পাৰিজাতৰ কিবা লাজ লাগি অহাদি আহিল। সময় আগবঢ়াৰ লগে লগে সেই লাজ লাজ ভাৱটোৱেই মানুহজনীক এক অস্বাভাৱিকতাৰ মাজলৈ ঠেলি নিয়াদি লৈ গ'ল। তেওঁৰ কাণত আকৌ বাসন্তী আৰু বিজনৰ কথাবোৰ বাজি উঠা যেন লাগিল। তেওঁৰ মূৰটোও টন টনাবলৈ ধৰিলে। গাটোও গৰম হৈ অহা যেন লাগিল। সেই অস্বাভাৱিকতা সহ্য কৰিব নোৱাৰি পাৰিজাতে আকৌ চকু মেলি দিলে।

চকু মেলাৰ পিছতো সুস্থতা ঘূৰি নহাত পাৰিজাতে এইবাৰ বাগৰ সলালে। এবাগৰ, দুবাগৰ—কেইবা বাগৰো।

তথাপিও ভাল নলগাত পাৰিজাত এইবাৰ বিচনাৰ পৰা উঠি আহিল। এনেতে সেই কোঠাটোৰ বন্ধ দুৱাৰখনৰ ওচৰৰ পৰা কোনোবা এজন আঁতৰি যোৱা যেন লাগিল তেওঁৰ। কোন আহিছিল?· কিয় আঁতৰি গ'ল? খোজকেইটা বৰ চিনাকি চিনাকি লাগিল।—কিন্তু কাৰ খোজ হ'ব পাৰে বাৰু?· ·পাৰিজাতে মনত পেলাবলৈ যত্ন কৰিলে আৰু মনত পৰাৰ লগে লগেই তেওঁ আতংকিত হৈ বিচনাত বহিলাহি।·· এই খোজ

দেখোন বাসৰীৰ দেউতাকৰ। বাসৰীৰ দেউতাক নাই মৰা নে কি ? বাসৰীৰ দেউতাকে মৰাৰ ভাওহে ধৰিছিল নে কি ? তেনেহ'লে পাৰিজাতৰ বিচনাত বিজয় শুই থকা হিতেন নামৰ মানুহটোৱে এইমাত্ৰ দেখি গ'ল ?

এনেতে বিজয় বৰুৱাই বাগৰ সলালে।

পাৰিজাত উচপ খাই উঠিল। নিশা সাৰ পাই এনেদৰে বহি থকা বুলি জানিলে মানুজনে কি ভাবিব ঠিক নাই। সেয়ে তেওঁ ততাতৈয়াকৈ বিচনাত দীঘল হৈ টোপনিৰ ভাও ধৰিলে।

বাগৰ সলাবৰ সময়ত বিজয়ৰ নাকৰ ঘোৰ-ঘোৰণি সাময়িক ভাৱে কমিছিল যদিও সময় আগবাঢ়ি যোৱাৰ লগে লগে ঘোৰ-ঘোৰণিৰ মাত্ৰা আকৌ বাঢ়ি গোজৰণিত পৰিণত হ'ল।

পাৰিজাতে জপাই দিয়া চকু ছুটা আকৌ মেলি লৈ বিজয়লৈ চালে।

এইবাৰ তেওঁ মনটো টানি ধৰি বাস্তৱমুখী হ'বলৈ যত্ন কৰিলে।

ধেৎ, কি ভাৱবোৰ যে মনলৈ আহিছে। কাহানিবাই মৰা মানুহটো আজি আকৌ ক'ৰ পৰা দুৱাৰৰ ওচৰত ওলাবহি ? সৌখন দুৱাৰ দেখোন ভালদৰেই বন্ধ হৈ আছে। জিৰ' পাৱাৰৰ লাইটটোৱেও ঠিক ভাৱেই নীলা পোহৰবোৰ বিকিৰণ কৰিছে। দাপোণখন—সৌখন দেখোন একে ঠাইতে আছে। আলনাডাল,—তেওঁৰ নিজৰ কাপোৰ-কানিবোৰ সকলোবোৰ একে ঠাইতে আছে। তেনেহ'লে তেওঁৰ মনটোহে অস্বাভাৱিক হৈ পৰিছে। তেওঁৰ মনটোৱেহে স্থিৰতা হেৰুৱাইছে। কিন্তু কিয় ? কিয় এনে হৈছে ? কিয় এনে হ'ব লাগে ??

পাৰিজাতৰ কাণৰ ওচৰত জেঠিটোৱে আকৌ টিক্ টিক্ কৰি উঠিল।

তেওঁ ভাবিলে, সেয়া জেঠিটোৰ মাতটোও একেদৰেই আছে। সি বাৰু তেওঁক দেখিছেনে কি ?...তেওঁক দেখিছে যদি তেওঁৰ কাষতে শুই থকা বিজয়কো দেখিছে নহয়। সি বাৰু তেওঁৰ কাষত নাক বজাই শুই থকা মানুহটো বিজয় বুলি নাভাবি হিতেন বুলি ভাবিছেনে

কি? আগতে যে এইখন বিচনাত পাৰিজাতৰ লগত হিতেন শুইছিল। বাসৱী গাভৰু হোৱাৰ পিছতহে সিটো কোঠালৈ গ'ল। ছেঃ, জেঠিটোৱে ভুলকে বুজি থাকিব নহয় এতিয়া! এৰা, তাৰ গাতনো বাৰু দোষ কি —হিতেনেও যে বিজয়ৰ দৰেই নাক বজাই শুইছিল। বিচনা সলাই সিটো কোঠালৈ যোৱাৰ আগদিনা কৈছিল,—বাসৱী ডাঙৰ হৈছে। তাই টোপনি গৈ থাকিলেও তাইৰ ওচৰত এনেদৰে থাকিবলৈ লাজ লাগে দিযাচোন। তাই এইজনী মাজতে শুই আছে। তাইক মাজত লৈ এয়া তোমাৰ হাতখন আৰু মোৰ হাতখন লগ লাগি আছে। আৰু ভৰি চাৰিটা? ই দুটাই সি দুটাক কেনেদৰে বিচাৰি ফুৰিছে চোৱা। বাসৱীৰ বিযাৰ পিছত আমি আকৌ একে লগ হ'ম। মই তোমাক পূৰাপূৰি বুকুৰ মাজত লৈ বিয়াৰ পিছত যেনেদৰে লৈছিলোঁ।

অকস্মাতে বিজয় বৰুৱাই আকৌ এটা ৰাগৰ সলাই সোঁ ভৰিটো ওপৰ মূ-কৈ পৰি থকা পাৰিজাতৰ গাতে তুলি দিলে। অলপ পিছতে বিজযৰ সোঁ হাতখনো পাৰিজাতে নিজৰ গাৰ ওপৰত পালে। এৰা! ঠিকেই পাৰিজাতে যি ভাবিছিল সিয়েই ঠিক বিজয় বাঘেই হয় বাঘে চিকাৰ ধৰাৰ দৰে বিজয়ে তেওঁক সাৱটি ধৰিছে। আগতে হিতেনেও এনেদৰে সাৱটি ধৰিছিল। বাসৱীৰ বিয়াৰ পিছত হিতেনৰ মনৰ আশা মনতে গুচি গ'ল।

তথাপি যে তেওঁক এজন পুৰুষে সাৱটি ধৰি আছে। তথাপি যে তেওঁ এজন পুৰুষৰ বুকুত আশ্ৰয় ল'ব পাৰিছে। যিজন পুৰুষে তেওঁক আজি সাৱটি ধৰিছে সেই জনেইতো পাৰিজাতৰ জীৱনৰ প্ৰথম পুৰুষ আছিল। হিতেনৰ লগত কটোৱা দিনবোৰ পাৰিজাতৰ বাবে এটা অবাঞ্ছিত অধ্যায় হে—

হোঃ হোঃ হোঃ হাঃ হাঃ হাঃ

পাৰিজাতৰ টোপনি টোপনি ভাব এটা হৈছিল। এনেতে অকস্মাতে বাহিৰত তেওঁ কাৰোবাৰ অট্টহাস্য শুনিবলৈ পালে।

সেইটো যে অবাঞ্ছিত অধ্যায় আছিল সেই কথা কাহানিবাই

প্ৰমাণিত হৈ গৈছে পাৰিজাত···কাহানিবাই।· তুমি বৰ্তমানৰ অধ্যায়ক বাবে এই বাঞ্ছিত অধ্যায়টোৰ বাবেই এজন মানুহক হত্যা কৰিছিলা। সেইজনেই হ'লে মই মই হিতেন দাস। · কি হ'ল কঁপিছা? কিয়? তুমি হত্যাকাৰী···তুমি মোক হত্যা কৰিলা...তোমাক আজি মই মোৰ হত্যাৰ অপৰাধত অপৰাধী কৰিলোঁ। হোঃ হোঃ হোঃ হাঃ হাঃ হাঃ

পাৰিজাতে চকু মেলি দিলে।

অট্টহাস্য নোহোৱা হৈ গ'ল। কিন্তু চকু কেইটা জপাই দিয়াৰ লগে লগেই হিঃ হিঃ হিঃ তুমি অকল হিতেনৰে হত্যাকাৰী নে? হিতেনৰ বাহিৰে তুমি আন কাকো হত্যা কৰা নাইনে? কিয তুমি জয়শ্ৰীক অৰ্থাৎ মোকো হত্যা কৰা নাইনে? ময়ো তোমাৰ বাবেই মৃত্যুক সাৱটি ল'লোঁ। তোমাক আজি ময়ো মোৰ হত্যাকাৰী-ৰূপে অভিযুক্ত কৰিলোঁ। তুমি সাৰি যাব নোৱাৰিবা। তোমাক আমি এৰি নিদিওঁ। তুমি তোমাৰ এই অপৰাধৰ শাস্তি ভোগ কৰিবই লাগিব কৰিবই .লাগিব কৰিবই

বি-জ-য় · বুলি পাৰিজাতে সজোৰে চিঞৰ মাৰি দিলে।

বন্ধ কোঠাৰ বায়ুমণ্ডলত শব্দ তৰংগৰ প্ৰচণ্ড ধুমুহাৰ সৃষ্টি হোৱাৰ পিছত বিজয় বৰুৱা প্ৰথমতে উচপ খাই উঠিল। পিছত সাৰ পালে। তেওঁৰ বুকুত পুহ মাহৰ জাৰৰ চেপাত সদ্যজাত গৰু পোৱালি এটা থক্ থক্ কৰে কঁপি থকাৰ দৰে মৰমৰ পাৰিজাতজনী কঁপি আছে। মানুহজনী তেনেই চেঁচা পৰি গৈছে। চেঁচা পৰা গা-মূৰেদি হাতখন বুলাই অনাৰ পিছত বিজয়ৰো বুকুখন কঁপি উঠিল। তেওঁ ব্যস্তভাৱে পাৰিজাতক সুধিলে,—কি হৈছে পাৰিজাত? বেয়া সপোন দেখিলা?

পাৰিজাতে ভয় ভয়ে ক'লে,—সপোন নহয়।

বিজয়ে লাইটটো জ্বলালে,—তেনেহ'লে কি?

পাৰিজাতে ক'লে,—বাসন্তীৰ দেউতাক আৰু জয়শ্ৰীৰ মাত শুনি-ছিলোঁ। মই হেনো তেওঁলোকক হত্যা কৰিলোঁ।

—তুমি? ধেৎ মিছা কথা। তোমাৰ মনৰ দুৰ্বলতা। তুমি ওচৰত থাকিলে সিহঁত যেনেকৈ মোৰ ওচৰলৈ নাহে, মই ওচৰত থাকিলেও তেনেকৈ তোমাৰ ওচৰলৈ সিহঁত আহিব নোৱাৰে। এইখনতো বাগৰিৰ বালি নহয় যে জয়শ্ৰীয়ে আহি তোমাৰ ওচৰৰ পৰা মোক কাঢ়ি লৈ যাব। শুই থাকা।

লাইটটো মুমাই দি বিজয়ে পাৰিজাতক বুকুলৈ টানি আনিলে।

ত্ৰিলোচন ওলাই যোৱাৰ পিছত কেই মুহূৰ্তমানৰ বাবে বাসন্তী স্থিৰ হৈ আছিল। কিন্তু অধিক সময় তাই তেনেদৰে থাকিব নোৱাৰি এবাৰ হুক্ হুক্ কৰে শব্দ কৰি কান্দি দিলে।

বাসন্তীয়ে কন্দা শুনি অজন্তা সিফালৰ পৰা আহি দুৱাৰখনৰ ওচৰ পাইছিলহি, অলপ থমকিও ৰৈছিল, 'কান্দিবলৈ আকৌ কি হৈছে' বুলি ক'বলৈ কোঠালৈও যাব খুজিছিল। কিন্তু তাই নাহিল। একো নামাতিলেও। যি বাটে আহিছিল উছাট মাৰি যোৱাদি সেই বাটে-দিয়েই ঘূৰি গ'ল।

বাসন্তীয়ে তেনেদৰে হুক্ হুক্ কৰে কন্দা শব্দটো ভিতৰৰ ফালে থকা ত্ৰিলোচনৰ মাক ৰবানীৰ কাণতো পৰিলগৈ। ৰবানীয়ে প্ৰথমতে সেইটো আন কিহবাৰ শব্দ বুলিহে ভাবিছিল। পিছে অলপ আগতে ত্ৰিলোচনে কৈ যোৱা কথা কেইটা তেওঁৰ কাণত বাজি উঠাত, চেন্দেল চোঁচৰাই চোঁচৰাই অজন্তা ত্ৰিলোচনহঁতৰ কোঠাৰ ফালে অহাত তেওঁ বুজি পালে যে সেইটো আন একোৰে শব্দ নহয়, সেইটো বাসন্তীৰ কান্দোনৰ শব্দহে। এই অৱস্থাত অকল বাসন্তীয়ে কিয় তেৱোঁ কান্দিলেহেতেন, বা আনেও কান্দিব।

ককায়েক-নবৌৱেকৰ কোঠাৰ ওচৰৰ পৰা গৈ অজন্তা নিজৰ বিচনাত দীঘল হৈ পৰিল। ভাল আপদ সোমাল ঘৰখনত, খোৱা-শোৱা ক'তো সুখ নোহোৱা হৈছে। বাসন্তী সক কালৰ লগৰীয়া বাবে প্ৰথমতে

অজন্তাৰ অলপ বেয়া লাগিছিল। পিছে আজিকালি নলগা হৈছে। হ'বই নহয় তেনেকুৱা, হওক

এইমাত্র বাসন্তীৰ কান্দোন শুনি জয় জয়তে বৰানী বুটীৰো অনুকম্পা জাগিছিল। পিছ মুহূর্ত্তে কিন্তু মনৰ অনুকম্পা জোকাৰ মাৰি আঁতৰ কৰি লৈ বুটীয়ে মনটো কঠোৰ কৰি পেলালে। ভাল আমৰ সঁচ হ'লেহে? এতিয়া কান্দি শুনাবলৈ আহিছে।—এতিয়া কান্দি ৰণ জিকিবলৈ আহিছে। সিহঁতৰ মান-সন্মান নাথাকিব পাৰে, সেই বুলি আনবোৰৰো নাথাকিবনে? নাভাবি নিচিন্তি ত্রিলোচনৰ কথাতে বিয়াখন পাতি দি বৰ ভুল কৰিলে বৰানীযে। পৃথিৱীত তালৈ ছোৱালী নোহোৱা হোৱা নাছিল।

ভালে পৰ হুক্ হুকাই কন্দাৰ পিছত বাসন্তীৰ শোকৰ বোজা কিঞ্চিত হ'লেও পাতলিল। চাদৰখনৰ আগটোৰে তাই চকু দুটা ম'চি ল'লে। লৈ তাই ত্রিলোচনৰ কথা কেইষাৰ মনলৈ আনিলে—সীমা পাৰ হৈ গ'ল আৰু। বাহিৰত মুখ উলিয়াব নোৱাৰা হ'লোঁ। তোমালোকৰ পৰিয়ালটো এনে আবর্জনাৰে পোত গৈ থকা বুলি নাজানিছিলোঁ। জনা হ'লে কেতিয়াও এই বিয়া নহ'লহেতেন। মোৰ ভুল হৈ গ'ল

বাসন্তী পোন হৈ বহিল।

—কিন্তু সেই বুলিযেই ত্রিলোচনে তাইক ইমান আঘাত দি কথা কেইষাৰ ক'ব কিয়?

—মাকৰ নৈতিক স্খলনৰ বাবে তাই জগৰীযা জানো? তাইৰ বাবে ত্রিলোচনে বাহিৰত মুখ উলিযাব নোৱাৰা হোৱা নাই নহয়? তেনেহ'লে ইমান কঠোৰ হ'বলৈ ত্রিলোচনক কোনে উছটাইছে? অজন্তাই? মাকে? অজন্তা আৰু মাক দুয়ো একেলগে?

বাসন্তী উত্তেজিত হৈ পৰিছিল যদিও কোঠাটোতে অলপ ইফাল সিফাল কৰি দিয়াত তাইৰ উত্তেজনাৰ ভালেখিনি উপশম ঘটিল। তাই গোটেই কথাবোৰ এবাৰ সুস্থভাৱে ভাবি চালে। বোধকৰোঁ ত্রিলোচনৰ গাত দোষ নাই। ত্রিলোচনে বাধ্যত পৰিহে চাগে তেনেদৰে কৈছে।

দোষ বাসন্তীৰ মাকৰ। দোষ বিজয় বৰুৱাৰ।

বাসন্তীৰ সংসাৰখন যদি ভাগি থান-বান হৈ যায় তেনেহ'লে দোষৰ বেছি ভাগ বোজা অৱশ্যে তাইৰ মাকেহে বহন কৰিব লাগিব। বিজয় বৰুৱা চেৰাবলিয়া মানুহ। বাসন্তী আৰু ত্ৰিলোচনৰ বিয়াৰ আগতেই তেওঁ বলিয়ালি আৰম্ভ কৰিছিল। মাক নিজে সচেতন হোৱা হ'লে, বিজয় বৰুৱাৰ দৰে মাকেও বলিয়ালি আৰম্ভ নকৰা হ'লে বোধকৰোঁ বিজয় বৰুৱা ইমানখিনিলৈ আগবাঢ়িব নোৱাৰিলেহেঁতেন। বাসন্তী নিজে গৈ এই সম্পৰ্কে মাকক ভালেখিনি কটু কথা কৈ আহিছে। সিফালে বিজনেও আহি দেউতাকক ঠেকেৰা ঠহা দি গৈছেহি। তথাপি কোনো কামত অহা নাই। ক'তো একো নোহোৱাৰ দৰে তেওঁলোক দুয়ো নিৰ্বিকাৰ।

তেওঁলোক মৰা মানুহৰ দৰে ভিতৰতে নিৰ্বিকাৰ হৈ থাকিলেও বাহিৰৰ জীয়া মানুহবোৰ যে নিৰ্বিকাৰ হৈ নাথাকে সেই কথা তেওঁলোকে এবাৰ ভাবি চোৱা উচিত আছিল। বাসন্তীৰ মাক আৰু বিজনৰ দেউতাকৰ এই কেলেংকাৰী লৈ বাহিৰত গোটেই বৌজাল বৌজাল লাগিছে। বাটৰ কাষত দুই এখন ডাঙৰ আখৰৰ কাগজো দেখিবলৈ পোৱা গৈছে।—আৰু এইবোৰকে দেখি শুনি ত্ৰিলোচন অতীষ্ঠ হৈ পৰিছে। হ'বৰ কথাই।

এতিয়া বাসন্তীয়ে কৰে কি? কৰিব পৰা উপায়েই বা তাইৰ হাতত আছে কি?—ভাবি ভাবি বাসন্তী আকৌ বিচনাতে বহি পৰিল।

এনেতে সিফালৰ পৰা বৰানীয়ে কোৱা শুনিবলৈ পোৱা গ'ল—চাওঁ বোৱাৰী, ৰোহ ঘৰটোৰ পৰা ওলাই আহ। এতিয়া কান্দি ৰণ জিকিব নালাগে।

বাসন্তীৰ বুকুখন ঢুক ঢুক কৰে কঁপি উঠিল। শাহুৱেকৰ মুখখন জুইৰ নিচিনা ৰঙা হৈ তাইৰ চকুৰ আগত ভাঁহি উঠিল।—প্ৰথম অৱস্থাত এই কাণ্ড-কাৰখানাবোৰৰ প্ৰতি অজস্তাইহে মন দিছিল, ত্ৰিলোচনৰ মাকে বৰকৈ মন দিয়া নাছিল। কিন্তু কথা এনেদৰে বিয়পিল যে বুঢীও মন দিবলৈ বাধ্য।

—বোলোঁ শুনিছনে ? অ' বোৱাৰী। নে তোৰ মতেইহে মত। কিন্তু এইখন মোৰহে ঘৰ। ইয়াত মোৰ মতেহে চলিব লাগিব। তোৰ মতেৰে নহ'ব।

শাহুৱেকৰ কথা কেইষাৰ শুনি পাগলীৰ দৰে বাসৱীৰ কিবা ।কিবি কিছুমান চিঞৰি দিবলৈ মন গৈছিল। কিন্তু নিদি তাই যেনেদৰে আছিল তেনেদৰেই কোঠাৰ পৰা ওলাই আহি বুঢ়ীৰ মুখামুখি হ'লহি। ৰবানী বুঢ়ীয়ে ৰঙা চকুৰে বাসৱীলৈ চালে।

বাসৱীয়ে তলমূৰ কৰিলে।

শাহুৱেকৰ কঠুৱা মাত বাসৱীৰ কাণত পৰিল,—এতিয়া জলকা লাগি দেখুৱাইছ ? তেৰেনো কি বিশ্বাস আছে! বোলে মাক ভালেহে জীয়েক জাতি।

ভূ-গৰ্ভত ডিনেমাইট ফুটালে পৃথিৱীৰ ওপৰৰ অংশটো যেনেদৰে ফাটি-ছিটি যায় এই মুহূৰ্তত বাসৱীৰ ভৰিৰ তলৰ অংশটোও ঠিক তেনেদৰেই ফাটি-ছিটি যোৱা যেন লাগিল। বিছিন্ন অংশৰ লগত ছিটিকি নপৰাকৈ কোনোমতেহে তাই স্থিৰ হৈ ৰ'ল।

ৰবানী বুঢ়ীৰ মুখত আকৌ শব্দৰ বিস্ফোৰণ ঘটিল,—এতিয়া কি কৰ পিছে ? মাৰে তাত সেইখন কৰি থাকিলে তই যে মোৰ ঘৰত থাকিব নোৱাৰ সেই কথা ঠিক। তই ঘৰলৈ যা। বৰুৱাক উলিযাই পঠাগৈ। নোৱাৰিলে তয়ো নাছিবি—মাৰৰ লগতে—

বাসৱীযে নিজৰ কাণ দুখন নিজেই হেঁচা মাৰি ধৰিলে। কিন্তু মনৰ বল নেহেৰুৱাই অলপ পিছতে তাই শাহুৱেকক সৰুকৈ ক'লে,—মই তেওঁক সুধিব লাগিব।

পোৱালি বিপদত পৰা দেখিলে দূৰত থকা বাঘিণীয়ে যেনেদৰে খেদা মাৰি আহে ৰবানীয়েও বাসৱীলৈ তেনেদৰেই খেদা মাৰি আহিল,—তাক সোধ-পোচ কৰাৰ কোনো দৰকাৰ নাই। সিয়েই মোক এই ব্যৱস্থা ল'বলৈ কৈছে।

—কিন্তু মা—সিফালৰ পৰা অজন্তা ওলাই আহিছিল।

পিছে মাকে তাইক কোনো কথাই ক'বলৈ নিদিলে,—কোনো কিন্তু নাই। মই যি কৈছোঁ সেইমতে কাম কৰিবই লাগিব। মই—মই—

ত্ৰিলোচনৰ মাকৰ পিছৰ কথাখিনি শুনিবলৈ বাসন্তীৰ ধৈৰ্য নহ'ল। তাই থৰক বৰক খোজেৰে সেইখিনিৰ পৰা আঁতৰি আহিল।

## বাৰ

বদিবে ক'লে—ঘৰখনে কি ৰূপ লৈছে দেখা নাইনে? তই গাভৰু মানুহজনী আছ—অলপ তেও ঘৰখন ঘৰমুৱা কৰি থ'ব পাৰ। অ'ই তই মহা ধোদ বুইছ।

কল্যাণে উত্তৰ দিলে,—ধোদ নহওঁ অ'। কাম-বন কৰিবলৈহে একেবাৰে মন নোযোৱা হৈছে। ঘৰখন ঘৰমুৱা কৰিলেনো কি হ'ব? এইখন ঘৰত যে বেছিদিন থাকিবলৈ পাম সেই আশা নাই। বিজন দাদাই ঘৰ-বাৰী গোটেইবোৰ বেচি দিম বুলি কৈছে। দাদা আজিকালি ঘৰলৈ নাহেই বুলিব লাগে। ৰাতি ৰাতি কাম হৈছে বোলে। অলপতে বস্তুৰ দাম বঢ়া, থলুৱাৰ স্বাৰ্থ ৰক্ষা, নিবনুৱাক নিযুক্তি দিয়াৰ দাবীত দীঘল শোভাযাত্ৰা বাহিৰ হ'ব হেনো।—ইফালে দেউতাইওতো ঘৰ এৰিলেই বুলিব লাগে। বাসন্তী বাইদেৱে দুই তিনিদিন বাহিৰ হৈ আহিবলৈ কোৱাটো এই মুৱা হোৱা নাই। অকলে থাকি থাকি মোৰো কিবা আমনি লাগিছেগৈ। ইমান ভাল ঘৰ—

সুবিধা পাই বদিবে এই টিপ্পনী কাটিলে,—সেয়েহে কৈছোঁ, ময়ো আছি লওঁ নহ'লে ইয়ালৈকে।

—তাৰ মানে চপনীয়া চাপিব খুজিছ?

—ধেৎ—ধেৎ—নহয়, তই অকলে থাক কাৰণেহে কৈছোঁ।

—ইস্—হয়নে মোৰ সোণটো। সুবুজিলোনে কিবা।।

বদিৰে বৰুৱা ভৱনৰ বাৰান্দাৰ কাষত বন চিকুণাই আছিল। কল্যাণে বাৰান্দাতে বৈ চাই আছিল। বদিৰৰ ওচৰত থাকিলে আজিকালি তাইৰ ভাল লাগে কাৰণেই তাই বাৰান্দাতে বৈ বৈ তাক চাই থকাৰ কথা ভাবিছিল। কিন্তু কথাৰ পাকে পাকে ক'ৰ পৰা জানো লাজ এসোপা আহি হেঁচা মাৰি ধৰিলেহি, তাই হিঃ হিঃ কৰে হাঁহি দি চঞ্চল খোজেৰে খটখটি বগাই ওপৰ মহললৈ উঠি গ'ল। বদিৰে কোৰখনৰ নালটোত ধৰি কল্যাণ উঠি যোৱা ফালে চাই থাকিল।...

ওপৰ মহলাৰ বাৰান্দালৈ আহি খটখটিৰ ফালে চাই বৈ থকা বদিৰৰ প্ৰতি আকৌ কল্যাণে ক'লে—আও, তই দেখোন মষ্ট অহা বাটটো-লৈকে চাই আছ ?

বদিৰে লাজ পালে। লাজ পাই সি বন চিকুণাবলৈ ধৰিলে। কল্যাণে বন চিকুনাই থকা বদিৰলৈ বৰ হেঁপাহেৰে চাই থাকিল।

বদিৰক তাই বন চিকুণাবলৈ কোৱা নাই। বিজন বা দয়াৰাম বাপুটিয়ে তাক কোনো নিৰ্দেশ দিয়া নাই। সি নিজে নিজেই সেই কাম কৰিছে। আজিকালি যি খৰিডাল ফলা, পানী ভাৰ অনা, দোকানৰ পৰা অহা আদি কামবোৰ কল্যাণে বা বাপুটিয়ে নোকোৱাকৈয়ে কৰে। বদিৰ আগতকৈ বহুত ভাল হৈছে।

আজিকালি সি কল্যাণৰ ওচৰলৈ নিয়মীয়াকৈ আহে। কথাটো দয়াৰামে বিজনৰ কাণতো পেলাইছে। কিন্তু বিজনে বিশেষ একো কোৱা নাই। সি একো নোকোৱা বাবেই বদিৰৰ সাহস বাঢ়িল। বদিৰো কম নহয়, কল্যাণৰ কথা মতেই সি মদ খাবলৈ এৰিলে, মাৰ-পিট কৰিবলৈ এৰিলে, ভাল মানুহৰ দৰে ফুৰা হ'ল, ভাল মানুহৰ দৰে থকা হ'ল। বদিৰে বিজনৰ সহায়ত কৰিবলৈ লোৱা ভাল কামটো হ'ল এইটোৱেই—কল্যাণৰ ওচৰলৈ অহাটোৱেই। বিজনে মাজতে পথালি নিদি ভালেই কৰিলে। দিয়া হ'লে কিজানি বদিৰ এনেকুৱা নহ'লহেঁতেন। সি কিজানি আৰু বেয়া মানুহ হৈ গ'লহেঁতেন।

—তোৰ বাক গৰম উঠা নাইনে ?

বহুত সময় কথা ক'ৰলৈ নোপোৱাত ভাল নলগা কল্যাণে বদিৰক ক'লে।

—আহচোন, বিচনী এখন লৈ ছাটিচেৰেককে মাৰি দেহি।

বদিৰৰ কথাষাৰে কল্যাণৰ মনটোক ভৱিষ্যতৰ সুদূৰ ভৱিষ্যতৰ এটা দিনলৈ আগবঢ়াই লৈ গ'ল। তাই স্বপ্নাবিষ্ট হৈ সেই দিনটোৰ সেই বিশেষ দৃশ্যটো দেখিলে—

বৰ গৰম বতৰ। বদিৰে দিনৰ দিনটো কোনোবা ঠিকাদাৰ এজনৰ লগত কাম কৰি গধূলিৰ আগে আগে ঘৰ পালেহি। মানুহটোৰ চকু-মুখলৈ চাব নোৱাৰা অৱস্থা। গৰম আৰু অত্যধিক পৰিশ্ৰমৰ বাবেই যে এনে হৈছে কল্যাণৰ বুজিবলৈ বাকী নাথাকিল। তাই ততাতৈয়াকৈ চৰবৎ কৰি দিলে। গা ধুবলৈ পানী গোটাই দিলে। খোৱা-বোৱা যঁতালে। খাই-বৈ এসময়ত বদিৰ বিচনালৈ আহিল। বান্ধনীশাল সামৰি অলপ পিছতে কল্যাণো পালেহি। তাই বদিৰৰ কাষতে দীঘল হৈ দিনৰ দিনটো বদিৰৰ গাত লাগি থকা গৰমবোৰ আঁতৰ কৰিবৰ বাবে বিচনীৰ বা দিবলৈ ধৰিলে। বা দি থাকোতে থাকোতে এসময়ত বদিৰ তাইৰ ইমান ওচৰ চাপি আহিল যে তাই আৰু বদিৰ বদিৰ আৰু তাই আৰু সন্তান এটা বৰ গৰম বতৰ—বাপেক-পুতেক দুয়োটাই আজি বৰ কষ্ট পাইছে—কল্যাণে নিজে শুবলৈ এৰি বিচনীৰ বা দি আছে। বা দি আছে—নহলেযে বদিৰে কষ্ট পাব—বদিৰক—সন্তানটোৰ দেউতাকক—দেউতাকক—

—ক'তা বিচনী এখন লৈ নাহিলি যে? নে ভয়তে থৰ লাগিলি?

বদিৰে ক'লে। কল্যাণে তাৰ মাতটোহে শুনিলে, কথাষাৰৰ অৰ্থ বুজি নাপালে। পিচে তাৰ মাতটো শুনি তাইৰ সম্বিত ঘূৰিল। ধেৎ —নিজৰ ওচৰত নিজেই লাজ পাই কল্যাণ সেই ঠাইৰ পৰা আঁতৰি গ'ল।

বদিৰক চাহ একাপ দিয়াৰ মনেৰে কল্যাণ বান্ধনীশালত সোমাই-ছিলহি। এনেতে বাহিৰত বাসন্তীৰ মাত শুনি তাই ওলাই আহিল।

বাসন্তীয়ে কল্যাণ আহি পোৱাৰ আগতে বদিবক ক'লে,—চাওঁ বদিৰ, বিক্সাখনৰ পৰা মোক টোপোলাকেইটা আনি দে ভাই—

বদিৰ বিক্সাৰ পৰা টোপোলা আনিবলৈ গ'ল।

কল্যাণে বাসন্তীক মাত লগালে,—বাইদেউ।

বাসন্তীয়ে প্ৰথমতে একো মাতিব পৰা নাছিল। প্ৰচণ্ড ক্ষোভ আৰু শোকে তাইৰ কণ্ঠ-নলী চেপা মাৰি ধৰিছিল। পিছত নিজকে সংযত কৰি তাই কল্যাণক ক'লে—বিজন দাদা বোধকৰোঁ ঘৰত নাই। ঠিক আছে—ঘৰৰ মানুহ তইতো আছ। মই ইয়াত কেইদিনমান থাকিম কিজানি বুইছ। আলহী হিচাপেই থাকিম দে—

কল্যাণ অলপ আচৰিত হোৱাদি হ'ল। তাই দুখোজমান আগবাঢি আহি ক'লে,—অসুবিধা হৈছে যদি থাকা আৰু'। আলহী আহিলে খেদি দিয়েনে কোনোবাই। কিন্তু ত্ৰিলোচন ডাক্তৰৰ ঘৰনো কিমান দূৰত। সেইখিনিৰ পৰা আহি এইখিনিত আলহী তাকো টালি-টোপোলা লৈ - বা ই দে উ

—সেইবোৰ বহুত কথা। তোক পিছে পৰে ক'ম।

—ঠিক আছে। এতিয়া ভিতৰলৈ আঁহা।

কল্যাণে ভালেখিনি কথা অনুমান কৰি ল'লে। তাই বাসন্তীক ভিতৰলৈ মাতি আনি আলহী থকা কোঠাটো দেখুৱাই দিলে। বিক্সা-ৱালাটোৰ সহায়ত বদিৰেও টোপোলা কেইটা আনি সেইখিনি পোৱালেহি। বাসন্তীয়ে বিক্সাৱালাটোক ভাৰাখিনি দি এবাৰ বদিৰলৈ আৰু এবাৰ কল্যাণলৈ চালে। এতিয়াহে যেন তাইৰ সম্বিত ঘূৰিল—বদিৰৰ দৰে গুণ্ডা মানুহ এটা এইখন ঘৰত কিয়? এদিন এই বদিৰেইতো বিজনৰ সৰ্বনাশ কৰিবলৈ লৈছিল। আজি দেখোন সি বিজনৰ ঘৰতে আহি ভদ্ৰলোক সাজি চোতাল চিকুণাইছেহি? বিজন দাদাই বাৰু এইবোৰ কথা জানেনে? বাসন্তীয়ে এইবাৰ ফুটাই সুধিলে,—তই বদিৰো আজিকালি ইয়াতে থাকনে কি? কেতিয়াৰ পৰা আছ?

বদিৰে প্ৰথমতে সেমেনা সেমেনি কৰিলে। পিছত কল্যাণলৈ চালে। শেষত বাসৰীক ক'লে,—নাই নাথাকোঁ বাইদেউ। কেতিয়াবা কেতিয়াবাহে আহোঁ। বিজন ককাইদেউ ঘৰত নাথাকেই। দয়াৰাম বাপুটিয়েও কিছুমান কাম কৰিব নোৱাৰে। কইলাগৰ মস্কিল হয় বাবে আহোঁ আৰু

—আজিকালি বদিৰ বৰ ভাল মানুহ হ'ল জানা বাইদেউ। মদ এৰিলে, কাজিয়া-পেচাল এৰিলে, পুৰা-পুৰি ভদ্ৰলোক। বিজন দাদাই আকৌ সেইবোৰ কৰিবলৈ লোৱা বুলি জানিলে দিবও নহয় গমছাট্।

কল্যাণে ক'লে। শুনি বাসৰীয়ে চেলাউৰি কোঁচাই হাঁহিব খুজিছিল। পিছে বাহিৰত সেইবোৰ প্ৰকাশ নকৰি সন্তহতে তাই মনে মনে থাকিল। এই প্ৰেম-পীৰিতিবোৰৰ কথা বিজনে জানেনে নাজানে খবৰ কৰি ল'ব লাগিব।

বদিৰ আৰু কল্যাণৰ কথা ভাবি বাসৰীয়ে কেই মুহূৰ্তমান নিজক পাহৰি আছিল। বদিৰ কোঠাটোৰ পৰা ওলাই যোৱাৰ পিছত তাইৰ আকৌ নিজৰ কথা মনত পৰিল। লগে লগে ত্ৰিলোচন আৰু ত্ৰিলোচনৰ মাক তাইৰ চকুৰ আগেদি প্ৰচণ্ড গতিৰে পাৰ হৈ গ'ল। তাইৰ মনটো গধূৰ হৈ পৰিল।

বাসৰী তেনেদৰে গহীন হৈ পৰা দেখি কল্যাণেও আৰু কথা বঢ়াবলৈ চল নাপালে। বাসৰীৰ ওচৰত নিবোকা হৈ থাকি ভাল নলগাত 'বাইদেউ মই চাহকে একাপ আনো ৰ'বা' বুলি কৈ তায়ো কোঠাৰ পৰা ওলাই আহিল। বাসৰীয়ে প্ৰথমতে নালাগে বুলি ক'ব খুজিছিল যদিও শেষত নক'লে। চাহ একাপৰ প্ৰয়োজন বুলি তাই ভালে সময়ৰ আগতেই অনুভৱ কৰিছিল। ভালে সময়ৰ আগতেই কিয়—স'চা কথা ক'বলৈ গ'লে আজি দুদিন আগৰ পৰা। আজি দুদিন বাসৰীয়ে চাহ খোৱা নাই। কালি পুৱাৰ চাহ কাপ খাবলৈ হাতত লৈয়ো শেষত কাপ-প্লেটৰ সৈতে বাহিৰলৈ দলিমাৰি দিব লগা হ'ল। সেই যে পেলাই দিলে—আৰু চাহ মুখত দিয়া নাই

বাসৰীয়ে এব'ৰ ভাবিছিল, চাহ কিয় তাই আৰু ভাতো নাখায়।

তাই নাথায় নাখায়েই মৰি যাব। এনেদৰে যাতনা ভোগাতকৈ মৰি যোৱাই ভাল। ত্রিলোচনে তাইক মাৰি পেলাব নোৱাৰে, মৰিবলৈ হ'লে তাই নিজেই মৰিব লাগিব। তাই খোৱা-বোৱা এৰি মৰি গৈ এই গোটেই ব্যৱস্থাটোৰেই প্রতিবাদ কৰিব। তাই প্রতিবাদ কৰিবই

কিন্তু কেইঘণ্টামানৰ পিছতে বাসৱীয়ে নিজৰ মত সলনি কৰি পেলালে।—তাই নাখাই মৰিব কিয়? তাই মৰি প্রতিবাদ কৰিব, কিয়? তাই খাই-বৈ জীয়াই থাকি প্রতিবাদ কৰিব। তাই জীয়াই থাকি প্রতিবাদ কৰিব। তাই জীয়াই থাকি ত্রিলোচনৰ দৰে কাপুৰুষবোৰৰ ওপৰত প্রতিশোধ ল'ব। গতিকে ত্রিলোচনৰ ঘৰত চাহৰ কাপত মুখ নিদিলেও পোহনীয়া কুকুৰ মেকুৰীক দিয়াৰ দৰে অজন্তাই আনি দিয়া ভাতগাল তাই খাইছিল।

ত্রিলোচনৰ দৰে কাপুৰুষবোৰৰ ওপৰত প্রতিশোধ লবলৈকে বাসৱী জীয়াই থাকিব লাগিব। ত্রিলোচন কাপুৰুষ? তাই এটা কাপুৰুষকে বিয়া কৰাইছিল? ত্রিলোচনৰ মতি গতি আৰু তাৰ বর্তমান ভূমিকা দেখি বাসৱীয়ে সেইদৰে ভাবিবলৈকে বাধ্য হৈছে—পুৰুষ সদায় পুৰুষ হৈয়ে থাকিব লাগে। পুৰুষে কাপুৰুষৰ ভূমিকা লোৱাটো বাসৱীয়ে সমূলি পছন্দ নকৰে।

ত্রিলোচন যে ইমান কাপুৰুষ বাসৱীয়ে ইয়াৰ আগলৈকে ভাবিবই পৰা নাছিল। দেখাত সুশ্রী সুস্থ সবল মানুহটো যে ভিতৰি ভিতৰি ইমান বিশ্রী হ'ব পাৰে, ইমান দুর্বল হ'ব পাৰে তাইনো বাৰু অনুমান কৰিব কেনেকৈ?

বিজয় বৰুৱা বাসৱীৰ মাকৰ লগত থাকে, বা তেওঁলোক দুয়োৰে বিয়া হৈছে। এই কাণ্ডটোৰ সমস্ত দোষৰ বোজা বাসৱীয়ে তাই মূৰৰ ওপৰত জাপি ল'ব লাগে কিয়? ত্রিলোচন আৰু মাকে আহি সেই দোষৰ বোজা তাইৰ মূৰৰ ওপৰত জাপিয়েই বা দিবহি লাগে কিয়? মাক এখোজ আগবাঢ়ি আহিলেও ত্রিলোচনে বাধা নিদিলে কিয়? বাধা দিব নোৱাৰিলে কিয়? বৰং দুয়ো একেলগ হৈ সেই একেটা কথাৰ বাকে

দিনে-নিশাই তাইক এনেদৰে কদৰ্থনা কৰিবলৈ ধৰিলে যে অতীষ্ঠ হৈ তাই পতা সংসাৰ ভাঙি দিবলৈ বাধ্য হ'ল।—মাকৰ প্ৰৰোচনাত পৰি তাইৰ গাত ত্ৰিলোচনে এই প্ৰসংগলৈ হাত উঠোৱাৰ লগে লগে তাই চিৰ দিনৰ বাবে সেইখন ঘৰ এৰি গুচি আহিবলৈ বাধ্য হ'ল।

পদূলিলৈ ওলায়েই বাসন্তী চিন্তাত পৰিল, এতিয়া তাই ক'লৈ যাব? তাই আশ্ৰয় ল'ব পৰা আপোন মানুহ কোন আছে? মাকৰ ওচৰলৈ? —যি গৰাকী মানুহৰ বাবে কেইদিনমানৰ ভিতৰতে তাইৰ সোণৰ সংসাৰখন ভাঙি থান বান হৈ গ'ল—এতিয়া সেই গৰাকী মানুহৰ ওচৰলৈ তাই আশ্ৰয় বিচাৰি যাব? হ'লেইবা মাক। নাযায়, পাৰিজাত নামৰ সেই মানুহজনীৰ ওচৰলৈ, সেই মানুহজনী যিটো ঘৰত থাকে সেই ঘৰটোলৈ তাই নাযায়।

বাসন্তীৰ বিজনলৈ মনত পৰিল। বিজয় বৰুৱা নথকা বৰুৱা ভৱনলৈ মনত পৰিল। কেইদিনমান তাই বিজনৰ ঘৰত থাকিব, বৰুৱা ভৱনত থাকিব। তাৰ পিছত ক'ত থাকিব লাগে সময়ে ক'ব। প্ৰয়োজন হ'লে তাই গছৰ তলত আশ্ৰয় ল'ব।

সেই সিদ্ধান্ত কৰি উঠিয়েই বাসন্তী বৰুৱা ভৱনত উপস্থিত।

এনেতে কল্যাণে চাহ লৈ পালেহি। ভাৱৰ আঁত চিঙি বাসন্তীয়ে কল্যাণলৈ চালে। চাহ কাপ লৈ কেতিয়াবে কল্যাণ সেইখিনি পালেহি তাই ক'বই নোৱাৰে। কল্যাণে বাৰু তাইৰ অৱস্থাটোৰ কথা বুজি পাইছেনে কি? বাসন্তীয়ে ধৰা নপৰিবৰ বাবে কথা আৰম্ভ কৰিলে—, দয়াৰাম বাপু কেনি গ'ল?

—বাপুটি বজাৰলৈ গৈছে। আহিব এতিয়া।

পিছদিনা বিচাৰকৰ মুখামুখি হ'ব লগা দোষীৰ বাবে আগদিনাৰ নিশাটো বৰ চুটি হোৱাৰ নিচিনাকৈ কল্যাণে উত্তৰ দিয়া সময়খিনিও বাসন্তীৰ বাবে বৰ চুটি চুটি লাগিল। তাই পলাবৰ বাবে ইফালে সিফালে সুৰুঙা বিচাৰি আকৌ ক'লে,—বিজন দাদা ঘৰলৈ কিমান সময়ত আহে কিবা ঠিক ঠিকনা আছেনে?

কল্যাণে বাসন্তীৰ মনৰ ভাব বুজিব নোৱাৰাকৈয়ে ক'লে—একো ঠিকনা নাই বাইদেউ। কেতিয়াবা ৰাতিপুৱা ওলাই গৈ দুপৰীয়া খাবৰ পৰতে ঘূৰি আহে। কেতিয়াবা আকৌ মাজ নিশালৈকে নাই। কেতিয়াবা দিনৰ দিনটো লিখা-পঢ়া কৰি ভিতৰতে থাকিব, সন্ধ্যাৰ লগে লগে ওলাই যাব—নিশা নিশা নাই। দেউতাই দাদাৰ নামত কিছু টকা ৰাখিছিল বুলিহে, খৰচ কৰি কৰি সেইখিনি শেষ হৈ গলে যে কি হ'ব ভাবিবই নোৱাৰি। তাতোতকৈও ডাঙৰ কথা, দাদাই এই ঘৰ-মাটি সকলোবোৰ বেচি দিম বুলিছে। ঘৰ-মাটি বেচি পোৱা সকলো টকা পাৰ্টিক দান কৰিব। মই বাৰু তেতিয়া ক'ত থাকিম? আকৌ সেই গলিলৈকে ঘূৰি যাব লাগিব। বদিৰ আগৰ দৰে হৈ থকা হ'লে মোৰ বিপদেই হ'লহেঁতেন বাইদেউ—

কাপ-প্লেটবোৰ লৈ গহীন খোজেৰে কল্যাণ কোঠাৰ পৰা ওলাই গ'ল।

বাসন্তীয়ে তাই যোৱাৰ ফালে চাই প্ৰথমতে বদিৰৰ কথাকে ভাবিলে।

বদিৰ তেনেহ'লে বেয়া মানুহ হৈ থকা নাই? বদিৰে তেনেহ'লে আগৰ বেয়া কামবোৰ কৰিবলৈ এৰি দিছে? কিন্তু বদিৰৰ দৰে নাম থকা জঘন্য মানুহ এটা সঁচাকৈয়ে ভাল মানুহ হৈছেনে? হৈছে যদি তাৰ প্ৰেৰণাৰ উৎস কোনখিনিত? কল্যাণেই কি এই প্ৰেৰণাৰ মূল? নে কল্যাণক পাবৰ বাবেহে বদিৰে ভাল মানুহৰ অভিনয় কৰিবলৈ লৈছে?

বদিৰৰ প্ৰসঙ্গ এৰি বাসন্তীয়ে বিজনৰ কথা ভাবিলে। কি সঁচাকৈয়ে এই ঘৰ-দুৱাৰ বেচি দিব? বিজনে এই ঘৰ-দুৱাৰ বেচি দিলে তাই দেখোন সঁচাকৈয়ে গছ তললৈ ওলাব লাগিব। নে তাই মাকৰ ওচৰলৈ ঘূৰি যাব? নে ত্ৰিলোচনৰ ওচৰলৈ?

বাসন্তীৰ গাটো জিকাৰ খাই উঠিল। নাই নাই, তাই মাক বা ত্ৰিলোচন কাৰো ওচৰলৈ ঘূৰি নাযায়।—লাগে তাই বিজনকে এই

ঘৰ-দুৱাৰ নেবেচিবলৈ ক'ব। অন্ততঃ তাইৰ কিবা এটা সংস্থান নোহোৱালৈকে।

সংস্থান?—তাইৰ নিজৰ সংস্থান?

বাসৱীয়ে এবাৰ ভিতৰলৈ আৰু এবাৰ বাহিৰলৈ চালে।—তাইৰ কি সংস্থান হ'ব? তাই কি চাকৰি কৰিব?

তৰ্ক সভাত যোগ দিয়া ল'ৰাটোৱে হোৱাই নোহোৱাই যুক্তি এসোপা অৱতাৰণা কৰাৰ নিচিনাকৈ বাসৱীয়েও আত্মপক্ষক সমৰ্থন কৰি নানান যুক্তি অৱতাৰণা কৰিবলৈ ধৰিলে। কল্যাণ আৰু তাই দুয়োজনী লগ লাগি বিজনক এই ঘৰ-মাটি বেচিবলৈ নিদিয়ে যদি—অৰ্থাৎ নেবেচিবৰ বাবে নেৰানেপেৰাকৈ ধৰে যদি?—ঘৰ-বাৰী বেচি কি লাভ? পাৰ্টিক চহকী কৰিয়েই বা লাভ কি? বিজনহঁতৰ পাৰ্টিযে কাৰ কি উপকাৰ কৰিছে? কিমানক খাবলৈ ভাত পিন্ধিবলৈ কাপোৰ দিব পাৰিছে? যাৰ বাবে এই পাৰ্টি, যাৰ বাবে তেওঁলোকৰ এই গুপ্ত বিপ্লৱ, আজি অতবছৰে সেইবোৰ মানুহৰ চোন কোনো উপকাৰেই নহ'ল। তেনেহ'লে সেই পাৰ্টিৰ বাবে নিজক শেষ কৰাৰ, নিজৰ ঘৰ-বাৰী বেচাৰ কিবা অৰ্থ আছেনে?

বাসৱীযে মনৰ মাজতে উত্তৰটো ঠিক কৰি পেলালে,—নাই।

নাই শব্দটো মনৰ মাজতে কেইবাবাৰো উচ্চাৰণ কৰাৰ পিছতে বাসৱী বহাৰ পৰা উঠিল। বৰ অশান্তভাৱে কোঠাটোৰ ইফালে সিফালে গৈ এইবাৰ তাই নিজৰ কথা মনত পেলালে।—ত্ৰিলোচনক ভাল লগা দিনৰ পৰা, তাক লৈ সপোন দেখা দিনৰ পৰা তাই কি ভাবি আহিছিল আৰু আজি কি হৈ গ'ল। তাইৰ সংসাৰখন বাৰু কিয় এনে হ'ল? কিয় এনে হৈ গ'ল? কিয? কিয?

নাই শব্দটো বাসৱীৰ মনত এইবাৰ বৰ ঘন ঘনকৈ বাজিবলৈ ধৰিলে।—এই ঘৰ-বাৰীৰ কোনো অৰ্থ নাই।—এই জীৱনৰ কোনো অৰ্থ নাই।—মনে ভৱা সংসাৰৰ কোনো অৰ্থ নাই, নাই, নাই—

কল্যাণ খৰধৰকৈ বাসৱীৰ ওচৰলৈ আহিল,—কিবা কোৱা যেন লাগিল, মোক মাতিছিলনে কি বাইদেউ ?

বাসৱী প্ৰথমতে অপ্ৰস্তুত হ'লেও লগে লগে তাই ভুলটো বুজি পালে। বোধকৰো শেষৰ নাই নাই কেইটা ক'ব নোৱাৰাকৈয়ে তাই শব্দ কৰি উচ্চাৰণ কৰিলে আৰু তাকে শুনি কল্যাণে তাইকে মতা বুলি ধৰি ল'লে। পৰিস্থিতি চম্ভালি লৈ বাসৱীয়ে নিজৰ ওপৰত ঢাকনি দি ক'লে, ই বদিৰ গ'লগৈয়ে নে কি ?

কল্যাণে মিছিক কৰে হাঁহি এটা মাৰি উত্তৰ দিলে,—গ'লগৈ। তোমাক দেখি হেনো তাৰ লাজ লাগি আহিল।

নিজৰ মন পাতলাই বাসৱীয়েও অলপ পাতলকৈ হাঁহি ল'লে। ক'লে,—লাজ লাগি আহিল মানে ? মোৰ আগত লাজ কৰিবলৈ আকৌ ভাৱ হ'ল কি ? মোক কিবা আনদিনা সি দেখা নাইনে ?

—দেখিছে। কিন্তু এতিয়া তাৰ মনত ভাব এটা আছেতো। সেই কাৰণে লাজ লাগিল কিজানি। লাজ নালাগিলেনো গুচি যায়নে ?

বাসৱীয়ে সকলো বুজিও একো নুবুজাৰ দৰে ক'লে—মনত ভাৱ এটা আছে মানে ? গুণ্ডাটোৰ মনতনো আকৌ কি ভাৱ আছে ?

বাসৱীৰ ঔষধে কাম কৰাত কল্যাণে টপৰাই মাত লগালে,— নাই বাইদেউ, বদিৰ আজিকালি বৰ ভাল মানুহ হৈ গ'ল। সি বিয়া কৰোৱাৰ ভাব এটা মনত লৈ আছে। সেই কাৰণে সি ভাল মানুহ হৈছে আৰু কোনো দিনে বেয়া মানুহ নহওঁ বুলি কৈছে।

—ইয়ে হয়নে কি ? তেনেহলে বৰ ভাল কথা। পিছে সি বিয়া কৰোৱাৰ ভাব লৈ যে ইয়ালৈ অহা যোৱা কৰি আছে সেই কথা বিজন দাদাই জানেনে ?

কল্যাণ ক'ব নোৱাৰাকৈয়ে নপৰিব লগা পৰিস্থিতি এটাৰ সমুখত পৰি গ'ল। তাই ভমক কৰে বঙা পৰি উঠিল আৰু জিভাখনৰ আগটো দাঁতেৰে চেঁপি ধৰি ক'লে,—জানে।

কৈয়ে কল্যাণ বাৰান্দালৈ ওলাই আহিল। বাসৱীও সেইখিনিত উপস্থিত।

এসময়ত হুয়োজনীয়েই একেলগে বৰুৱা ভৱনৰ পদূলিৰ ফালে চালে আৰু ঘৃণাত নাক কোঁচাই পেলালে।

পদূলিত সোজন বিজয় বৰুৱা।

—দেউতা আহিছে। কল্যাণে সকৈ ক'লে।

বাসৱীৰ ডিঙিয়েদি থু এসোপা ওলাই আহিব খুজিছিল। পিছে কোনোমতে থুখিনি মুখৰ ভিতৰত ৰাখি তাই কল্যাণক উত্তৰ দিলে,— আহিছে আহক। ব'ল আমি পিছফালে যাওঁ।

সিহঁত পিছফালে আহিল আৰু ইজনীয়ে সিজনীৰ মুখলৈ চাই ৰৈ থাকিল। ইফালে আগফালৰ বাৰান্দাত বৰুৱাৰ মাত শুনিবলৈ পোৱা গ'ল,—অ' দয়াৰাম, দযাৰাম। তই কল্যাণ আছে নে নাই? এই মাত্র তোক বাসৱীকে এইখিনিত দেখিছিলোঁ।—থিতাতে কেনি পলালি? হেৰা বাসৱী, মই তোমালোকক বেয়া পাইছোঁ বুলি ধৰি লৈছা কিয়? মই কিয় বেয়া পাম? অলপো বেয়া পোৱা নাই। মই জানিছিলো।—বিজনে শেষত মত সলনি কৰিবগৈ আৰু তুমি এইখন ঘৰলৈ আহিবাগৈ। ত্রিলোচন কোন ফালৰ পৰা তোমাৰ লায়কৰ হ'ব? সি তোমাক কেনেকৈ বিয়া কৰাব? ডেৰ বছৰ তাৰ লগত তাৰ ঘৰত থাকিলা বুলিয়েই তাৰ লগত তোমাৰ বিয়া হৈ গ'লনে?—মই জানো, বিজনে মোক মিছা কথা নকয়। সি পূৰ্বৰ মত সলনি কৰা বুলি মোক ঠিকেই কৈ আহিছে।— সি বিয়া কৰাম বুলি কোৱা কাৰণেই আজি মই মোৰ এই গোটেই ঘৰ-বাৰী তাৰ নামত উইল কৰি দিছোঁ।

বিজয় বৰুৱাৰ কথা শুনি পিছফালৰ বাৰান্দাত ৰৈ থকা বাসৱী বিস্মিত আৰু আতংকিত। তাই এয়া কি শুনিছে? বিজয় বৰুৱাই এয়া কি কৈছে? তাইক বিয়া কৰাম বুলি কৈ বিজনে দেউতাকৰ পৰা সা-সম্পত্তিবোৰ উইল কৰোৱাই লৈছে? তাই যে আজি এইখন ঘৰলৈ আহিব সেই কথা বিজন আৰু বিজয় বৰুৱাই জানিলেই বা কেনেকৈ?

তাই যে আজি এইখন ঘৰলৈ আহিব সেই কথাৰ কোনো পূৰ্ব সিদ্ধান্ত বা পূৰ্ব প্ৰস্তুতি নাই। সেই সিদ্ধান্ত তাই কিছু সময়ৰ আগতে হঠাৎ লোৱা সিদ্ধান্ত। তেনেহ'লে বিজয় বৰুৱাই এইবোৰ প্ৰলাপহে বকিছেনে কি? যদি আৰু বেছিকৈ প্ৰলাপ বকিবলৈ ধৰে তেনেহ'লে কল্যাণে তাইক কি ভাবিব? কল্যাণৰ ওচৰত তাই বেয়াকৈ লঘু হ'ব নালাগিবনে? কল্যাণৰ দৰে সৰু ছোৱালী এজনীৰ আগত—

বৰুৱা আগফালৰ পৰা আহি পিছফালৰ বাৰান্দা পালেহি। বাসৱীৰ ওচৰত তেওঁ এক প্ৰকাৰ চিঞৰি দিয়াদি দিলে,—এইজনী দেখোন মোৰ বোৱাৰীজনী, মনে মনে ইযাত বৈ আছেহি। লাজ কৰিছানে কি? কিন্তু লাজ কৰিবৰ কি আছে। মইতো কাহানিবাই তোমাক এইখন ঘৰ চমজি ল'বলৈ কৈছিলোঁ।—তুমিহে মিছা মিছি ত্ৰিলোচনৰ লগত থাকিলাগৈ।—ঠিক আছে, কোনো কথা নাই, পলমকৈ হ'লেও যে তুমি মোৰ মনৰ আশা পূৰালা সেযে বহুত।—সি বদজাতে কিন্তু বিয়া কৰাম বুলিহে কৈছিল, তোমাক যে বিয়া কৰালেই—

—হৈছে হৈছে। আপুনি মনে মনে থাকক খুৰাদেউ। আৰু প্ৰলাপ বকিব নালাগে। মই নমৰোঁ মানে আপুনি মোক নেদেখিছোঁ।

বাসৱীযে অতি তীক্ষ্ণ স্বৰেৰে ক'লে। শুনি বিজয বৰুৱাৰ কোব খাই ককাল ভঙা সাপৰ অৱস্থা। তেওঁ বৰ বলেৰে কোৱাদি ক'লে,—কি কৈছা? মই প্ৰলাপ বকিছোঁ?—তুমি নমৰা মানে মই—কিন্তু মনত ৰাখিবা বাসৱী, তুমি মোক বহুবাৰ অপমান কৰিছা। তুমি বাৰে বাৰে অপমান কৰি আছা আৰু মই বাৰে বাৰে সহি আছোঁ। মই মোৰ পাৰিজাতৰ লগত থাকিলোঁ—তুমি তাত লাগিলাগৈ। পাৰিজাত আৰু মোৰ ব্যক্তিগত কথাত হাত দিবলৈ তোমাৰ কোনো অধিকাৰ নাই।—তুমি যদি বিজনক বিয়া নকৰোৱা তেনেহ'লে ইমান দিন ইয়াত আছাহি কিয়? মই মোৰ ঘৰৰ পৰা গৈ পাৰিজাতৰ লগত আছোঁগৈ, তুমি ত্ৰিলোচনৰ লগৰ পৰা আহি বিজনৰ লগত আছাহি। একেই কথা। একেই কথা একেই মিলন একেই

বাসন্তীক মাত মতাৰ সুযোগ নিদি বিজয় বৰুৱা খৰ খোজেৰে ওপৰ মহলালৈ উঠি গ'ল। ইফালে নিজক এটা অতি সংকটজনক অৱস্থাৰ মাজত আৱিষ্কাৰ কৰি অসহায় ভাবে বাসন্তীয়ে হুৰ্ হুক্ কৰে, কান্দি দিলে। 'দেউতাই শেষ কথাখিনি অনুমানৰ ওপৰত কৈ গ'ল। তুমি সেই বাবে বেজাৰ নকৰিবা' বুলি কল্যাণে সান্ত্বনা দিছিল। কিন্তু সেই সান্ত্বনাৰে কোনো কামত নাহিল। বাসন্তীয়ে কান্দোন সামৰিব নোৱাৰিলে।

সিফালে বিজয় বৰুৱা ওপৰ মহলাৰ পিছফালৰ বাৰান্দা পালেগৈ। তেওঁৰ ইচ্ছা আছিল সেই পুৰণি চকীখনত বহিবৰ। নিজৰ স্বত্ব ত্যাগ কৰি বিজনৰ নামত দি দিয়া ঘৰটোত আলহী হিচাপে অলপ জিৰাবৰ। কিন্তু তেওঁৰ ইচ্ছা মতে বহিব বা জিৰাব নোৱাৰিলে। তেওঁ বাৰান্দাখনত খোজ দিয়াৰ লগে লগেই মূল ঘৰটোৰ পৰা সেইখন যেন বিচ্ছিন্ন হৈ আহিল। মুহূৰ্ততে বিজয় বৰুৱাই নিজক এখন বিশাল সাগৰৰ মাজত ভাঁহি ফুৰা এখন সৰু নাৱত আবিষ্কাৰ কৰিলে। জলক তৰক চকুৰে তাল গছ কেইজোপালৈ চোৱাৰ লগে লগেই গছ কেইজোপাই যেন বৰ ঘৃণাৰে সিফালে মুখ ঘূৰালে। তেওঁৰ দৃষ্টি ভাল নাপায়েই গছ কেই-জোপাৰ মাজেদি দেখা পোৱা নীলা আকাশখনেও নীলাবোৰ ঢাকি গাৰ ওপৰত বগা আৰু ক'লা মিহলি আন এটা প্ৰলেপ সানি ল'লে। বিজয় বৰুৱাই সেইফালৰ পৰা চকু ঘূৰাই আনি বাৰান্দাখনলৈ চোৱাৰ লগে লগেই তেওঁৰ কাণত অশৰীৰি জয়শ্ৰীৰ তীব্ৰ কণ্ঠ বাজি উঠিল—

হিঃ হিঃ হিঃ হিঃ—

হাঃ হাঃ হিঃ হিঃ হিঃ হিঃ—

আপুনি. আপুনি বিজয় বৰুৱা নামৰ ভণ্ড কামুক জন আহিল নহয় ?

কিন্তু কিয় আহিছে ?

কি গৰজত আহিছে ?

আপোনাৰ ইয়াত কোনো প্ৰয়োজন নাই।

··ওলাই যাওক—এই মুহূৰ্ত্ততে আপুনি এই ঘৰ এৰি ওলাই যাওক। আপুনি নামি যাওক। ওলাই যাওক। নামি·· ওলাই ওলাই ··

জয়শ্ৰীৰ পিছতে বৰুৱাই কাঞ্চনৰ কণ্ঠস্বৰ শুনিবলৈ পালে।

কাঞ্চনৰ পিছত দীনদয়ালৰ।

শেষত সদানন্দ হাজৰিকাৰ প্ৰচণ্ড স্বৰ শুনা যেন লগাৰ লগে লগে বৰুৱা যিমান ঘৰকৈ ওপৰলৈ গৈছিল তাতকৈ দুগুণ খৰকৈ তললৈ নামি আহিল। বাসন্তীয়ে কান্দি থকা দেখি তেওঁ সেইখিনিত উপস্থিত হ'লহি, —কি, তুমি দেখোন কান্দিছা? মোক কিবা বেয়া পালা? নাপাবা আই নাপাবা। এই ঘৰ-দুৱাৰ আটাইবোৰ তোমাৰ। তুমি সুখী হোৱা, বিজন সুখী হওক।

বিজয় বৰুৱাক বাধা দি বাসন্তীয়ে চিঞৰি উঠিল,

—আঁপুনি মনে মনে থাকক খুৰাদেউ। মই ডাঃ ত্ৰিলোচন বৰাৰ বিবাহিতা স্ত্ৰী। সেই কথা আপুনি পাহৰি গৈছে কিয়? মই বিজনক বিয়া কৰাবৰ বাবে ইয়ালৈ অহা নাই। বিজন আৰু মোৰ কোনো প্ৰকাৰে মিলন হোৱা নাই। মই মাত্ৰ কিছু সময়ৰ আগতেহে এইখিনি পাইছোঁহি। আপুনি বাৰে বাৰে একেটা ভুলকে কৰি আছে কিয়?

বাসন্তীৰ কথা শুনি বিজয় বৰুৱাই উচপ খাই উঠাদি উঠি ক'লে,

—কি মই ভুল কৰিছোঁ? · মই বাৰে বাৰে একেটা ভুলকে কৰি আছোঁ?—ঠিক—ঠিক আছে, মই বাৰু ভুলেই কৰিছোঁ। মই সদায় ভুলেই কৰি আহিছোঁ।—কটনত পঢ়ি থাকোতেও মই ভুল কৰিছিলোঁ, —জয়শ্ৰীক বিয়া কৰিও মই ভুল কৰিছিলোঁ, ভদ্ৰেশ্বৰ দত্তক জেল দিও মই ভুল কৰিলোঁ। মোৰ ভুল হৈ গ'ল মোৰ জীৱনটো ভুলৰ সমষ্টি ভুল ..ভুল...চাৰিওফালে ভুল .প্ৰতি খোজতে ভুল

কৈ কৈ বৰুৱা পদুলিৰ ফালে আগবাঢ়িল।

# তেৰ

গলিৰ মাজত থকা, ভাগি ছিগি যোৱা, কল্যাণহঁতৰ সেই পুৰণি ঘৰটো আকৌ সজোৱা হৈছে। বিজনে সজাইছে। বাসৱীহঁতে' কৈ আছে যদিও, বাসৱীৰ শিকনি মতে কল্যাণ জেলুক লগাদি লাগি আছে যদিও বিজনে 'বকুৱা ভৱন'টো বিক্ৰী কৰাৰ সিদ্ধান্ত এতিয়াও সলনি কৰা নাই। সিদ্ধান্ত একেবাৰে খাটাং বুলিও ক'ব নোৱাৰি। ঘৰটো বেচি সি আকাশৰ পৰা তললৈ নামি আহিব হয়, কিন্তু কেনোবা এজনক যে সিয়েই তাৰ মূৰত ভৰি থৈ মাটিৰ পৰা আকাশলৈ উঠি যোৱাৰ সুবিধা দিব লাগিব। বকুৱাভৱনটো কোনে কিনিবলৈ আহিব? কোনোবা এজনক বকুৱা ভৱনটো কিনিবলৈ সুবিধা দিয়া মানে আৰু শত্ৰুক নিজৰ কলিজাৰ ওপৰত থিয় হ'বলৈ দিয়া। সমাজৰ আৰু এজন শত্ৰু বঢোৱা। বিজনৰ শত্ৰু বঢাবলৈ মন নাই। সেইটো আদৰ্শও নহয়। আৰ চি চি বোৰ ধূলিৰ লগত মিহলি কৰি দি তাত কিছুমান ঘৰ সাজি দিয়াটোহে তাৰ উদ্দেশ্য। সমাজৰ শত্ৰুবোৰক এফালৰ পৰা শেষ কৰি নিয়াটোহে তাৰ বা তাৰ পাৰ্টিৰ উদ্দেশ্য। তথাপি পাৰ্টিৰ অৰ্থনৈতিক অৱস্থাৰ বাবে যদি ঘৰটো শেষত বেচি দিবগৈ লগা হয়—তেতিয়া বিজন পিছ পৰি নাথাকিব। সেয়ে হ'লে কল্যাণহঁত থাকিবৰ বাবে ঘৰ এটাৰ নিশ্চয় প্ৰয়োজন হ'ব। পিছত খৰ ধৰ কৰাতকৈ এতিয়াৰ পৰাই সেই ছোৱা সময়ৰ বাবে প্ৰস্তুত হৈ থকা ভাল। কল্যাণহঁত মানে আজিকালি অকল কল্যাণ আৰু বাসৱী নহয়। কল্যাণ আৰু বাসৱীৰ লগত বিজনৰ ঘৰত আজিকালি দময়ন্তীও থাকে। দময়ন্তী হ'ল ভদ্ৰেশ্বৰ দত্তৰ ভনীয়েক, বৰ্তমান মৃগেন হাজৰিকাৰ পৰিবাৰ। বিয়াৰ ছমাহনে সাতমাহৰ পিছতে পাৰ্টিৰ স্বাৰ্থৰ খাটিৰত মৃগেন হাজৰিকাই পলাতক জীৱন সাৱটি ল'ব লগা হয়। হাজৰিকাৰ নৱ-বিবাহিতা স্ত্ৰীৰ দায়িত্ব প্ৰথমতে পাৰ্টিয়েই লৈছিল। কিন্তু পাৰ্টিৰ

অৰ্থনৈতিক অৱস্থা টনকিয়াল নহয় বাবে আৰু এতিয়াও বিজনৰ নামত থকা বিজয় বৰুৱাৰ অবৈধ উপাৰ্জনৰ ধনবোৰ শেষ হোৱাগৈ নাই বাবে সি তাৰ অতি শ্ৰদ্ধাৰ দময়ন্তী নবৌক নিজৰ দায়িত্বলৈ লৈ আছিল। গতিকে কল্যাণ আৰু বাসৱীৰ কথা বাদ দি দময়ন্তীৰ বাবে হ'লেও সময়ত আন এটা ঘৰৰ প্ৰয়োজন হ'বগৈ পাৰে। মৃগেন হাজৰিকাৰতো নিজৰ ঘৰ বুলিবলৈ নায়েই। তেওঁ সদায় ভাৰা ঘৰতেই আছিল।

বাসৱীয়ে বিজনক বৰুৱা ভৱনটো নেবেচিবলৈ কোৱা কথাটোত প্ৰথমতে নিজৰ স্বাৰ্থ জড়িত আছিল যদিও আজিকালি সেই কথাটোত তাইৰ কোনো স্বাৰ্থ নাই। কল্যাণৰ বাবেহে তাই সেই কথাটো কৈ আছে বা কথাটোত লাগি আছে। জীৱনৰ এছোৱা সময় কল্যাণ বোকাতেই থাকিল। আকৌনো বোকালৈ ঘূৰি যাব লাগে কিয়? ঘৰটো আছে যেতিয়া তাই এই ঘৰটোতে থাকক। অন্ততঃ কিছু দিন শুকান ঠাইত থাকক। তাতে বদিৰৰ লগত কল্যাণৰ বিয়া খাটাং হৈ আছে। বাসৱী আৰু বিজনেই খাটাং কৰিছে। বিয়াৰ পিছতনো বদিৰে কল্যাণক কলৈ লৈ যাব? তাৰতো ঘৰ বুলিবলৈ নাই। বদিৰ অৱশ্যে বৰ্তমান কাৰখানাৰ মজদুৰ হৈছে। সেই জোৰতে ঘৰ এটা ভাৰা কৰি বিয়াৰ পিছত কল্যাণক তালৈকে লৈ যোৱা কথা কৈছে। বাসৱীয়ে কিন্তু ব্যৱস্থাটো পছন্দ কৰা নাই। বদিৰে কল্যাণক লৈ গ'লে বিজনে খুব সোনকালেই ঘৰটো বিক্ৰী কৰি পেলাব। তেতিয়া দেখোন বিজনৰ নিজা বুলিবলৈ একোৱেই নাথাকিব। বিজনৰ নিজা বুলিবলৈ একোকে নাথাকক, বিজনৰ ঘৰ এটা নোহোৱা হওক,—এই কথা আনে সহিব পাৰিলেও অন্ততঃ বাসৱীয়ে সহিব নোৱাৰে। বাসৱীয়ে বিজন সৰ্বহাৰা হোৱাটো নিবিচাৰে।

বাসৱী বাৰু বিজনৰ ঘৰত সদায় থাকিবনে কি।

এই প্ৰশ্নটো মাক পাৰিজাতেও আহি বাসৱীক কৰিছিলহি। তাই এইখন ঘৰলৈ অহাৰ প্ৰথম দিনাই, বিজয় বৰুৱাই 'ভুল...ভুল চাৰিও-ফালে ভুল...প্ৰতি খোজতে ভুল' বুলি কৈ কৈ ওলাই যোৱাৰ দুঘণ্টা

মানৰ পিছতে কাঞ্চাটোক লগত লৈ বাসন্তীৰ মাক ওলালহি। প্ৰথমতে কিয় গুচি আহিলি, ত্ৰিলোচনে কিয় পঠায় দিলে, শহুৰ ভমকত ঘূৰি নাযাওঁ বুলি কৈছনে সঁচাকৈয়ে ঘূৰি নাযাৱ, এনেদৰে ঘৰ এৰি আহিব লগা হোৱাকৈনো কি লাগিলি, আদি কথাবোৰ স্বাভাৱিক ভাবেই সুধিছিল। কিন্তু বাসন্তীয়ে যেতিয়া অলপ চোকা ভাষাৰে গোটেই কথাবোৰ কৈ দিলে আৰু মাকৰ বাবেই তাইৰ সংসাৰখন ভাঙি যোৱা বুলি অভিযোগ আনিলে তেতিয়া মানুহজনী অস্বাভাৱিক হৈ পৰিল। বাসন্তীৰ কথা শুনি ভালেপৰ স্থিৰ হৈ অপলক নেত্ৰে চাই থকাৰ পিছত দাৰুণ শোকত এবাৰ মানুহজনীয়ে কান্দি উঠিল আৰু পিছত সৰু ল'ৰা-ছোৱালীয়ে মাটিত বাগৰি বাগৰি কন্দাৰ দৰে বাগৰি বাগৰি কান্দিবলৈ ধৰিলে। কান্দি কান্দি ভাগৰি পৰি প্ৰায় মাজ নিশাহে পাৰিজাত ঘৰলৈ ঘূৰি গৈছিল।

ইয়াৰ পিছতো মাক বাসন্তীৰ ওচৰলৈ আহিছিল। কেইবাদিনো আহিছিল। ত্ৰিলোচনে খা-খবৰ লৈছিলনে কি বুলি সুধিছিল। আকৌ ত্ৰিলোচনৰ ঘৰলৈ ঘূৰি যাবৰ বাবে বুজনি দিছিল। কৈছিল,—লাও হাজাৰ হলেও পাতৰ তলত। অৰ্থাৎ তিৰোতা সদায় পুৰুষৰ অধীনত। পুৰুষৰ ওচৰত তিৰোতা মাতব্বৰ হৈ থকা অনুচিত। ত্ৰিলোচনে খা-খবৰ নকৰিলে বুলিয়েই তই ঘৰলৈ ঘূৰি নোযোৱাকৈ থাকিবিনে? থকাটো ভাল নহয়।

কিন্তু বাসন্তীয়ে মাকৰ কথাৰ প্ৰতি বিশেষ সঁহাৰি নজনোৱাত তেওঁ নীৰৱ হৈ পৰিছিল। যি বাটে আহিছিল সেই বাটেই ঘূৰি গৈছিল।

একেবাৰে শেষৰ বাৰত মাক আহিয়েই কোনো পাতনি নেমেলাকৈ বাসন্তীক ক'লে,—সি যেতিয়া কোনো ধৰণৰ খা-খবৰ এটা কৰিবলৈ নাহিল আৰু তয়ো যেতিয়া আজি অতদিনে ঘূৰি নগ'লি, এতিয়া আৰু সেইখন ঘৰলৈ ঘূৰি যাব নালাগে। তোক মই ইয়াতো থাকিবলৈ নিদিওঁ। ব'ল, তোৰ আগৰ ঘৰলৈ ঘূৰি ব'ল।—দেউতাকৰ ঘৰলৈ

ঘূৰি ব'ল। আমি আকৌ আগৰ দৰে থাকিম। আমি আকৌ একেখন বিচনাতে শুম।

কিন্তু মাকৰ কোনো কথাকে বাসৰীয়ে নুশুনিলে।

তথাপি মাক পাৰিজাতে নানান যুক্তি অৱতাৰণা কৰি বাসৰীৰ লগত নেৰানেপেৰাকৈ লাগি থাকিল। বাসৰী তেতিয়াও অলৰ অচৰ। মুঠতে তাই মাকৰ লগলৈ আৰু ঘূৰি নাযায়। যিখন ঘৰত বিজয় বৰুৱা আছে সেইখন ঘৰত তাই নাথাকে। মাকে নিজৰ কথা ভাবক।... বিজয় বৰুৱাৰ লগত কেনেকৈ মধুৰ-ৰজনী কটাব পাৰে সেই কথা ভাবক। তাইৰ কথা মাকে ভাবিব নালাগে। তাইৰ কথা তাই নিজে ভাবিব। তাই আৰু আনৰ ইচ্ছামতে কাম নকৰে, নিজৰ ইচ্ছামতেহে কৰিব—

মাক অতীষ্ঠ হৈ উঠিল। ক্ৰমে ক্ৰমে মানুহজনীৰ মনোভাৱো সলনি হৈ আহিল। এইবাৰ বাসৰীৰ চৰিত্ৰৰ ওপৰতে তেওঁ সন্দেহ প্ৰকাশ কৰিলে। তেওঁ নিজক চম্ভালিব নোৱাৰি কৈ দিলে,—কি ঠিক, তই কিজানি ত্ৰিলোচনক ইচ্ছা কৰিয়ে এৰি থৈ আহিছ। তোৰ কিজানি কিবা বেলেগ মতলব আছে। তই তই.. কি বিজনৰ ঘৰত সদায়ে থাকিবি? তই কি বিজনৰ ঘৰত সদায় থাকিম বুলি আহিছ? তেনেহ'লে মোক দোষ দিছ কিয়?

বাসৰীয়ে শেঁতা হাঁহি এটা মৰাৰ বাহিৰে মাকক একোকে নক'লে।

একো নক'লে এই বাবেই যে মাকৰ সেই প্ৰশ্নৰ উত্তৰ বাসৰীয়ে ইতিমধ্যে নিজৰ লগতে মীমাংসা কৰি ঠিক কৰি পেলাইছিল।

তাই বিজনৰ ঘৰত সদায় নাথাকে।

কিন্তু ভৱিষ্যতে নাথাকিবৰ বাবেই সম্প্ৰতি কিছুদিন থকাৰ প্ৰয়োজন হৈছে। মাকৰ সন্দেহো সিমান অমূলক বুলি ক'ব নোৱাৰি, বাসৰীয়ে বিজনৰ লগত বিজনৰ ঘৰত সদায় থকা কথা ভবা নাই যদিও তাৰ প্ৰতি যে তাই অলপ বেছিকৈ আকৰ্ষণ অনুভৱ কৰিছে সেই কথা হ'লে ঠিক। কিন্তু মাকে সন্দেহ কৰাৰ দৰে বিজন মানুহটোৰ প্ৰতি

তাই আকৰ্ষিত হোৱা নাই, তাই আকৰ্ষিত হৈছে বিজনৰ বিপ্লৱী আদৰ্শৰ প্ৰতি। সিহঁতৰ বিপ্লৱী দলটোৰ প্ৰতি। বৰুৱা ভৱনৰ দৰে এটা আটক-ধুনীয়া ঘৰৰ, বেংকত জমা থকা এটা শকত অংকৰ, সৰুৰে পৰা ব্যৱহাৰ কৰা 'ডানলপিল'ৰ কোমল বিচনাৰ মায়া ত্যাগ কৰি গাঁৱে গাঁৱে অলিয়ে গলিয়ে ফুৰি মানুহৰ মনত বিপ্লৱৰ মন্ত্ৰ দি ফুৰা, ধানখেৰ আৰু ফুটা বস্তা পৰা বিচনাত সুখৰ নিশা কটাবলৈ লোৱা, নাখাই-নবৈ মানুহক সেৱা কৰি ফুৰা—বিপ্লৱী বিজনৰ যি আদৰ্শ সেই আদৰ্শৰ প্ৰতি বাসন্তীয়ে নিজে ক'ব নোৱাৰাকৈয়ে আকৰ্ষিত হৈ পৰিল। এতিয়া তাই ঠিক কৰিছে যে তাই খুব সোনকালেই বিজনৰ বিপ্লৱী দলত যোগদান কৰিব। তাই দলৰ কৰ্মী হ'ব : সমাজৰ দুৰ্বল অংশটোৰ মুক্তিৰ বাবে বাসন্তীয়ে নিজক উছৰ্গা কৰিব। ইতিমধ্যে তাই বিজনৰ কিতাপ-পত্ৰবোৰ মেলি চাইছে। ক্ৰমে ক্ৰমে তাই বুজি আহিছে যে, সাতচল্লিশ চনত ভাৰতবৰ্ষই স্বাধীনতা পালে যদিও সেই স্বাধীনতা আচলতে ভাৰতৰ ধনীবোৰেহে পালে। সৰ্বহাৰাবোৰৰ তেতিয়া যি অৱস্থা আজিও সেই একে অৱস্থা। পাৰ্থক্য ইমানেই যে তেতিয়া তেওঁলোকৰ ওপৰত বিদেশীয়ে প্ৰভুত্ব বিস্তাৰ কৰিছিল আৰু এতিয়া দেশীয় লোকে প্ৰভুত্ব বিস্তাৰ কৰিছে। দেখা যায় সাতচল্লিশ চনৰ পিছৰ পৰা ভাৰতৰ ধনীবোৰ অধিক ধনী হৈ গৈছে আৰু দুখীয়াবোৰ অধিক দুখীয়া হৈ আহিছে। গতিকে যিদিনালৈকে ধনী আৰু দুখীয়াৰ সামাজিক আৰু অৰ্থনৈতিক অৱস্থাৰ মাজত সমতা স্থাপন নহয় সেই দিনালৈকে প্ৰকৃতাৰ্থত ভাৰতে স্বাধীনতা পালে বুলি ক'ব নোৱাৰি।—ইংৰাজবিলাকক ভাৰতৰ পৰা খেদিবৰ সময়ত যেনেদৰে সমাজৰ সকলো স্তৰকে চুই যোৱা আন্দোলন হৈছিল ( স্বাধীনতা আন্দোলন বোলাতকৈ সেই আন্দোলনক ক্ষমতা হস্তান্তৰ আন্দোলন বুলিহে কোৱা ভাল ), এতিয়া সমাজৰ সকলো স্তৰকে চুই যোৱা এটা আন্দোলনৰ প্ৰয়োজন হৈছে। অৱশ্যে এই আন্দোলনৰ ধৰণ কৰণ পূৰ্বৰ আন্দোলনৰ ধৰণ কৰণতকৈ বহুত বেলেগ হ'ব। পূৰ্বৰ আন্দোলনৰ সময়ত যেনেদৰে চহৰ-নগৰ সকলোতে দলদোপ্ হৈছিল এতিয়াও তেনেদৰেই দলদোপ্ হ'ব

লাগিব। শোষণ-প্ৰবঞ্চনাৰ পৰা মুক্তি পাবলৈ এতিয়াও বিপ্লৱৰ নামত সৰ্বসাধাৰণ জনতাই দিক্ বিদিক্ পাহৰি 'যাব লাগিব। এই সময়ত দেশীয় প্ৰভুসকলৰ লগত প্ৰচণ্ড সংঘৰ্ষৰ সম্ভাৱনা। গতিকে সৰ্বসাধাৰণ ৰাইজ সেই সংঘৰ্ষৰ বাবেও প্ৰস্তুত হ'ব লাগিব।—ইংৰাজ খেদাৰ সময়ত আন্দোলন চলাবলৈ কংগ্ৰেছক যেনেকৈ উপযুক্ত দল বুলি ভবা হৈছিল, বৰ্তমান সমতা স্থাপনৰ আন্দোলন চলাবলৈ বাসন্ত্ৰীয়ে বিজনহঁতৰ বিপ্লৱী দলটোকে উপযুক্ত বুলি ভাবে। পূৰ্বৰ বৃটিছ খেদা আন্দোলন দালাল-বোৰেও চলাব পাৰিছিল, এতিয়াৰ আন্দোলনত কিন্তু দালালৰ কোনো স্থান নহ'ব। প্ৰয়োজন হ'লে বৰ্তমান সময়ত দালালবোৰক অপহৰণ কৰি স্থানান্তৰহে কৰা হ'ব। দুদিনৰ বাবে ওকালতি ত্যাগ কৰি দহ দিন স্বৰ্গসুখ ভোগ কৰা 'দেশভক্ত' বৰ্তমান আমাক নালাগে। 'দেশভক্ত'-বোৰ আন্দোলনৰ প্ৰতিবন্ধকহে হয়।

বাসন্ত্ৰীয়ে তাইৰ মনৰ ভাব আৰু কিতাপ পঢ়ি বুজি পোৱা কথাবোৰ বিজনৰ আগত কৈছিল।

বিজনে বাসন্ত্ৰীৰ কথাৰ প্ৰতি বিশেষ মন-কাণ দিয়া নাছিল। সি তাইৰ কথা শুনি প্ৰথমতে হাঁহিছিল। কিন্তু কেইদিনমান কথাবোৰ আলোচনা-বিলোচনা কৰাৰ পিছত বাসন্ত্ৰীৰ মনত সঁচাকৈয়ে বিপ্লৱী চেতনা জাগৰিত হোৱা বুলি যেতিয়া বিজনে বুজি পালে তেতিয়া তাইৰ প্ৰতিটো কথাকে সি মনোযোগেৰে শুনিবলৈ ধৰিলে, তাই অধিক কথা বুজাই দিবলৈ যত্ন কৰিলে।

কথা প্ৰসঙ্গত এদিন বিজনে সিহঁতৰ দলৰ প্ৰকাশন ব্যৱস্থাৰ দুৰ্বলতাৰ কথা আৰু ছপাযন্ত্ৰৰ সকলো কামত হাত দিব পৰা কৰ্মীৰ অভাৱৰ কথা কৈছিল। কথাষাৰ বাসন্ত্ৰীৰ মনত লাগি গ'ল। সেয়ে বৰ্তমান তাই নগৰৰ উন্নত ধৰণৰ ছপাখানা এটাৰ লগত সম্পৰ্ক স্থাপন কৰি ছপাখানাৰ কামবোৰ শিকাৰ মনেৰে অহা-যোৱা কৰি আছে। ছপাখানাৰ সকলোবিধ কামৰ জ্ঞান যেতিয়াই আয়ত্ত হ'ব তেতিয়াই বাসন্ত্ৰীয়ে বিজনহঁতক সহায় কৰিবৰ বাবে ওলাই যাব। আৰু সেই দিনাৰ পৰাই এই বকুৱা ভৱনটোৰ বাসন্ত্ৰীৰ বাবে প্ৰয়োজন নোহোৱা হ'ব। সেই দিন সমাগত

বাসন্তীক বিপ্লৱৰ মন্ত্ৰ দিয়াৰ আগে আগে বিজনে ত্ৰিলোচনক লগ ধৰিছিল। বাসন্তী আৰু ত্ৰিলোচনৰ মাজৰ বিৰোধ, ৰং-ৰাগ বিজনে সাময়িক বুলি ভাবিছিল। বিয়াৰ দুবছৰ তিনি বছৰৰ ভিতৰত, মিলনৰ বাবে বাউল হৈ থকা প্ৰচণ্ড যৌনাকৰ্ষণ শীতল হোৱাৰ পিছত সাধাৰণতে প্ৰত্যেক দম্পতীৰে মত বিৰোধ ঘটে। তেনেদৰে পিঠিয়া-পিঠি ভাৱে কিছুদিন চলি যোৱাৰ পিছত আকৌ ঠিক হৈ যায়। কিন্তু ত্ৰিলোচনক লগ ধৰাৰ পিছত বিজনে বুজি পালে যে বাসন্তী আৰু ত্ৰিলোচনৰ বিৰোধ সাধাৰণ পিঠিয়া-পিঠি নহয়। ত্ৰিলোচনে বাসন্তীৰ নৈতিক চৰিত্ৰক বৰ বেযাকৈ সন্দেহ কৰিবলৈ লৈছে। আনহতে বাসন্তীয়েও পুৰুষ হিচাপে ত্ৰিলোচনক বৰ তলত স্থান দিছে। বিজনে নানান যুক্তিৰে ভালেবোৰ কথা ত্ৰিলোচনৰ আগত কৈছিল যদিও কোনো কামত নাহিল। ঠিক সেইখিনি কথাকে ঘৰত সি বাসন্তীৰ আগতো কৈছিল। তাইৰ আগতকৈয়ো বিজনে একো ভাল ফলাফল নাপালে। দুফালে দুযোটা অচল অটল। মাকৰ প্ৰৰোচনাত পৰি ত্ৰিলোচন দ্বিতায় বিবাহৰ বাবে আগবাঢ়িছে। এই কথা জনাৰ পিছত পুনৰ মিলনৰ কোনো সম্ভাৱনা নেদেখিহে বিজনে বাসন্তীক তাৰ দলত ল'বলৈ সম্মত হৈছে। অৱশেষত বাসন্তী যদি তাৰ বিপ্লৱৰ বন্ধু হয় হওক। অৰ্থহীন ভাৱে বাসন্তীৰ চৰিত্ৰত সন্দেহ কৰি থকা ত্ৰিলোচনেও বুজি পাওক যে সি যি অনুমান কৰিছিল সেযা ভুল। বাসন্তী আৰু বিজনৰ মাজত বন্ধুত্বৰহে আকৰ্ষণ আছে, প্ৰেমৰ আকৰ্ষণ নাই।

বিজয় আৰু পাৰিজাতৰ দাম্পত্য জীৱন মোটা-মুটি ভাৱে সুখেৰেই চলিছে বুলি ক'ব পাৰি। বিজয় বৰুৱাৰ অফিচ-তফিচ নাই, চাকৰি ইস্তফা দিলে। অফিচ এৰি দিযাত তেওঁৰ এটাই সুবিধা হ'ল—হিতেন দাসৰ চৌহদৰ পৰা আৰু বাহিৰলৈ ওলাই যাব নালাগে। দয়াৰাম আজিকালি বৰুৱাৰ লগতে থাকে। গতিকে বজাৰ-সমাৰৰ সকলো দায়িত্ব তাৰ। দয়াৰাম বৰুৱাৰ লগলৈ যোৱাৰ লগে লগে হিতেন দাসৰ দিনৰ পৰা থকা নেপালী পৰিয়ালটোক বিদায় দিয়া হ'ল।

বৰুৱাৰ স্বাস্থ্যৰ বিশেষ পৰিবৰ্তন নহ'লেও আজি কিছুদিনৰ পৰা পাৰিজাতৰ স্বাস্থ্যৰ পৰিবৰ্তন দেখা গৈছে। মানুহজনী সময়তকৈ আগতেই বুঢ়ী হৈ আহিছে। দুৰ্বল হৈ পৰিছে। বিজয়ৰ আগত মনৰ দুৰ্বলতা প্ৰকাশ নকৰিলেও মানুহজনী অন্তৰ্দাহত ভুগিছে। বাসন্তীৰ সংসাৰ ভগাৰ বেদনাই তেওঁক বেছি পুৰিছে। এই গোটেই কথাটো প্ৰথমতে তেওঁ বৰ সাধাৰণ ভাৱে লৈছিল। কিন্তু ফিৰিঙতিৰ পৰা যে খাণ্ডৱদাহ হ'ব তেওঁ ভাবিবই পৰা নাছিল। শেষত বাসন্তীয়ে বিজনৰ বিপ্লৱী দলত যোগ দিয়া বুলি জানি পাৰিজাত বেছি চিন্তিত হৈছে।

বিজয় বৰুৱা কিন্তু নিৰ্বিকাৰ।

বাসন্তী আৰু ত্ৰিলোচনৰ বিচ্ছেদৰ কথাই, বিজনৰ নামত তেওঁৰ ঘৰ-দুৱাৰবোৰ উইল কৰি দিয়া কথাই বা সমাজত হোৱা বু বু বা বা বোৰে বিজয় বৰুৱাৰ মনত কোনো ধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব পৰা নাই। বাসন্তী ত্ৰিলোচনৰ ওচৰৰ পৰা গুচি অহা কথাটোত বিজয় বৰং আনন্দিতহে হৈছে। তেওঁতো ইতিমধ্যে বিজন আৰু বাসন্তীৰ বিয়া হৈ যোৱা বুলিয়েই ধৰি লৈছে। নিশা বিজনৰ গাৰ কাষতে বাসন্তী শুই থকা দৃশ্য কল্পনা কৰি বৰুৱাই আজিকালি আদিম তৃপ্তি অনুভৱ কৰিবলৈ লৈছে। পাৰিজাতক নিজৰ ওচৰত পালেই বৰুৱাই বিজনৰ ওচৰত বাসন্তী থকা দৃশ্যটো দেখে। আৰু তেতিয়াই তেওঁ নিজক পৃথিৱীৰ সকলোতকৈ সুখী মানুহজন বুলি ভাবে।

কল্যাণৰ লগত বিয়াৰ খাটাং বন্দৱস্ত হৈ যোৱাৰ পিছত বদিৰো বৰ গহীন গম্ভীৰটো হৈ পৰিল। এজনী ছোৱালীৰ প্ৰেমে যে বদিৰৰ দৰে দাগী গুণ্ডা এটাক এনেদৰে শান্ত-শিষ্ট কৰি পেলাব পাৰিব সেই কথা কল্পনাৰো অতীত আছিল। আজিকালি সি কল্যাণৰ ওচৰলৈ আহে যদিও বেছি সময় চেল বেলাই নাথাকে। আন্তৰিকতাৰে দুই-এষাৰ পাতে আৰু গুচি যায়। আগতে বদিৰে কল্যাণক ভোগৰ আহিলাৰে উপচি থকা এজনী ছোৱালী বুলি ভাবিছিল। সি তেতিয়া তাইৰ মনলৈ চকু দিয়া নাছিল, একমাত্ৰ তাইৰ বগা বগা গাটোৰ প্ৰতিহে চকু দিছিল।

এতিয়া পিছে কল্যাণৰ গা-টোতকৈ তাইৰ মনটোৰ প্ৰতিহে তাৰ চকু বেছি। এতিয়া সি-তাইৰ গা-টো পোৱা কথা ধৰকৈ ভবা নাই, মনটো পাই থকা কথাহে ভাবিছে। বদিৰ আজিকালি বৰ ব্যস্ত মানুহ। দিনে-নিশাই তাৰ পৰিশ্ৰম। কাৰখানাতো অতিৰিক্ত সময়ৰ কাম কৰে।

কাৰখানাত মজদুৰ হোৱা দুমাহ নে তিনিমাহৰ পিছতে বদিৰে ভাৰা-ঘৰ এটা লৈ, যিটো ঘৰলৈ কল্যাণক লৈ যোৱা কথা সি বাসন্তীক কৈছিল, বেলেগে থাকিবলৈ আৰম্ভ কৰিছিল। পুতেকৰ এই ব্যৱস্থা বাপেক ৰচিদ মিঞাই ভাল নাপালে হবলা। এদিন বুঢ়া গৈ পুতেকক ধৰি-বান্ধি অনাৰ দৰে নিজৰ ঘৰলৈ লৈ আহিল। 'ন-ছোৱালী'ৰ বাবে ঠাই নহ'ব বুলি ভাবি ৰচিদ মিঞাই পুতেকক ঘৰ-দুৱাৰ আহল বহল কৰাৰ পৰামৰ্শ দিলে। পুতেকে বাপেকৰ পৰামৰ্শ মানি বৰ্তমানে সেইফালে অলপ চকু দিছে।

বদিৰৰ লগত বিয়াৰ বন্দৱস্ত খাটাং হৈ যোৱাৰ পিছত কল্যাণ বৰ ৰাংঢালীজনী হৈ পৰিল। এদিন চৰম ভাৱে ঘৃণা কৰা মানুহটোৰ প্ৰতি যে এদিন এনেদৰে আকৰ্ষিত হ'বগৈ, আনে ভাবক নাভাৱক— সেই কথা কল্যাণে নিজেই ভবা নাছিল। কি ই যে হৈ গ'ল। এই ক্ষেত্ৰত বাসন্তীৰ ওচৰত তাই কৃতজ্ঞ। বাসন্তীয়ে খৰ খেদা নকৰা হ'লে ইমান সোনকালে হয়তো বদিৰৰ লগত তাইৰ বিয়াখন খাটাং হৈ লগ'লহেতেন। এতিয়া, বিয়াৰ পিছত বদিৰে তাইক আকৌ গলিৰ ঘৰলৈ লৈ যোৱা কথা কৈছে। বদিৰৰ আটাইবোৰ আটাইবোৰ ব্যৱস্থা পছন্দ কৰিলেও এই ব্যৱস্থাটো কল্যাণে সমূলি পছন্দ কৰা নাই। গলিতেই তাইৰ জন্ম। গতিকে গলিৰ প্ৰতি তাইৰ মনত কোনো ধৰণৰ ঘৃণা নাই। মাথো 'দুমহলীয়া'ৰ এই আৰামী জীৱনৰ প্ৰতি তাইৰ মোহ জন্মিছে। তাতে ককায়েকৰ ঘৰত ঠাইৰ কোনো অভাৱ হোৱা নাই। কোনোবা দিনা নবৌয়েক এজনী আহিলেও এই হেনটো ঘৰত সিহঁতৰ বাবে ঠাইৰ অভাৱ নহ'ব। ইফালে তাই বদিৰৰ ঘৰলৈ ওলাই গ'লেই ককা-

মেকে ঘৰটো বিক্ৰী কৰি দিব পাৰে। বদিবৰ প্ৰতি কল্যাণৰ আকৰ্ষণ প্ৰবল হৈ আছিলেও ককায়েক বিজনলৈও তাইৰ হেঁপাহ নজন্মাকৈ থকা নাই। হঠাৎ ককায়েকক এৰি যোৱা কথা তাই ভাবিবই নোৱাৰেচোন। তাই বদিবৰ ঘৰলৈ গুচি গ'লে বিজনৰ খোৱা-লোৱাৰ চাগে একেবাৰে ঠিকনা নোহোৱা হ'ব। এতিয়া দুদিনৰ মূৰত ঘৰলৈ আছিছে, তেতিয়া চাগে দহ দিনৰ মূৰতো নাহিব। বাসৱীৰ হাততো কল্যাণে বিজনৰ দায়িত্ব সম্পূৰ্ণ ৰূপে এৰি যাবলৈ ভাল পোৱা নাই। বাসৱীয়ে কি ভাবিছে কি চিন্তিছে কল্যাণে বুজি পোৱা সাধ্যাতীত। খুব সোনকালেই বৰুৱা ভৱন এৰি যোৱাৰ কথা কয়, কিন্তু ক'লৈ যাব সেই কথা হ'লে নকয়। ত্ৰিলোচনৰ নাম শুনিলেই থু পেলাই দিয়ে। কয়,—ত্ৰিলোচনৰ দৰে দুৰ্বল পুৰুষ জীয়াই থকাই অনুচিত। স্বামী হৈ, ৰাক্ষসী স্বৰূপ মাকজনীৰ কবলৰ পৰা পত্নীক ৰক্ষা কৰিব নোৱাৰা বা ৰক্ষা কৰিবলৈ নহা, আহিব নোৱাৰা ত্ৰিলোচনক পুৰুষ বুলি কোৱা নাযায়। দুৰ্ভাগ্য বশতঃহে তেনে এটা কাপুৰুষৰ লগত তাইৰ জীৱনটো সাঙোৰ খাই পৰিল। এতিয়া তেনে এটা কাপুৰুষৰ হাতৰ পৰা মুক্ত হৈ আছি বাসৱীয়ে নিজক সুখী হোৱা বুলিহে ভাবিছে।

দেখুৱাই হাঁহি মাতি আছে যদিও বৰুৱা ভৱনলৈ আহিবৰ দিন ধৰি দময়ন্তী মানসিক ভাৱে বৰ অসুখী হৈ পৰিছে। বিয়াৰ কেইমাহ মানৰ পিছতে মৃগেন হাজৰিকা পলাতক হৈ গ'ল, সেই বাবে দময়ন্তীৰ মনত কোনো ক্ষোভ নাই, কোনো খেদ নাই, কোনো দুখ নাই। লগ পোৱাৰ দিনৰ পৰাই মৃগেনৰ বিপ্লৱী আদৰ্শক দময়ন্তীয়ে শ্ৰদ্ধা কৰি আছিছে। বিপ্লৱ কৰিবলৈ গ'লে বা মানুহক সেৱা কৰিবলৈ গ'লে এনেদৰে নিজৰ সকলো সুখ সুবিধা ত্যাগ কৰিব লগা হয়েই। বিজনকো দময়ন্তীৰ বেয়া লগা নাই। বিজন উপযুক্ত গুৰুৰ উপযুক্ত শিষ্য। অৱশ্যে বিয়াৰ কেইমাহমানৰ আগৰ পৰাহে দময়ন্তীয়ে বিজনক লগ পাইছে। আগেয়ে পৰিচয় আছিল যদিও ঘনিষ্ঠতা নাছিল। বিজনক ঘনিষ্ঠ ভাৱে পোৱাৰ আগলৈকে দময়ন্তীয়ে তাক ঘৃণাহে কৰিছিল। সেই বাপেকৰ সেই

পুতেকক নিশ্চয় দময়ন্তীয়ে ঘৃণাই কৰিব লাগিব। পিছে এতিয়াহে দময়ন্তীয়ে বুজি উঠিল—বিজন ঘৃণাৰ ঊৰ্দ্ধত। বিজয় বৰুৱাৰ সম্পূৰ্ণ বিপৰীত।

মৃগেন হাজৰিকাক যৌৱনৰ প্ৰাৰম্ভতে পৰা ভাল পালেও এসময়ত মিলনৰ প্ৰবল বাসনা জাগিছিল যদিও শেষৰ ফালে দময়ন্তীয়ে মিলনৰ আশা, বিয়াৰ আশা, সংসাৰৰ আশা সমূলি এৰি দিছিল। জীৱনৰ ভৰ সময়খিনিত সমাজৰ শ্লেষ আৰু অৱহেলা সহি সহি হঠাৎ মৃগেন হাজৰিকাৰ পৰা বিয়াৰ প্ৰস্তাৱ পাই তেওঁ পানীত পৰা মানুহে বামলৈ উঠিবৰ দিহা পোৱাদি পালে। আগৰ আশা, আগৰ চেঁপি থুন্দি ৰখা বাসনা আকৌ জাগি উঠিল। ৰাজনীতি কৰি কৰি নিজক শেষ কৰি পেলোৱা মানুহটোৰ গতি এটা লাগক বুলি ভাবি দময়ন্তীয়ে খৰখেদাকৈ মৃগেনৰ লগত বিয়া হৈ গুচি আহিল। আহিয়েই এতিয়া এই ঘৰটোত থাকিব লগা হোৱাত, বিজয় বৰুৱা নামৰ সকলোতকৈ নীচ মানুহটোৱে সজোৱা এই ঘৰটোত আশ্ৰয় ল'ব লগা হোৱাত দময়ন্তীয়ে তীব্ৰ মানসিক অশান্তি ভোগ কৰিব লগা হৈছে। এই ঘৰটোতো বিজয় বৰুৱাই ইটা-বালিৰে সজোৱা নাই, এইটো দময়ন্তীৰ ককাযেকৰ—ভদ্ৰেশ্বৰ দত্তৰ তেজ-মঙহেৰে সজাই থৈছে। এতিয়া দময়ন্তী সেইটো ঘৰতে থাকিব লগা হোৱাতো সঁচাকৈয়ে দুৰ্ভাগ্যজনক।

মাজে মাজে দময়ন্তীয়ে আকৌ ককাযেক ভদ্ৰেশ্বৰ দত্তৰ ঘৰলৈ ঘূৰি যোৱাৰ কথা ভাবে। কিন্তু বিজনে শুনিলে বেযা পাব বুলি ভাবিয়েই তেওঁ কাৰো আগতে সেই কথা ব্যক্ত কৰা নাই। তাতে ঘৰলৈ ঘূৰি যোৱা মানেই আকৌ ককায়েকৰ বোজা স্বৰূপ হোৱা। ককায়েক ভদ্ৰেশ্বৰ দত্তৰ কথা মনত পৰিলেই দময়ন্তীৰ দুচকুৰেদি লোতক বাগৰি আহে। বিজয় বৰুৱাৰ বাবেই তেওঁ আৰু তেওঁৰ পৰিয়ালটোৱে কম কষ্ট পালেনে? আৰু কষ্ট দিব নোৱাৰি

বিজয় বৰুৱাই এটা সপোন দেখিছিল—

ৰুকৰা জুৰনৰ ওপৰ মহলৰ আগফালৰ বাৰান্দাত তেওঁবাহি আছিল। তেওঁৰ গাৰ কাষতে বৈ বিজনে তাৰ আদৰ্শৰ লগত মিলা কিবা কিবি কথা কৈ আছিল। সাংস্কৃতিক অনুষ্ঠান চাবলৈ যোৱা মানুহবোৰে উদ্বোধকৰ মহামূল্যবান কথাবোৰৰ প্ৰতি কাণ নিদিয়াৰ দৰে বিজয় ৰুকৱাইও বিজনৰ কথাবোৰৰ প্ৰতি কাণ দিয়া নাছিল। তথাপি গাৰ কাষতে বৈ কৈ থকা বাবে কাণ নিদিলেও কিছুমান কথা তেওঁৰ কাণত পৰিছিল।

তাৰে কিছুমান এনে ধৰণৰ—

আজিৰ সমাজত মানুহ পাবলৈ নোহোৱা হৈছে। বিশেষকৈ বিবেকবান মানুহৰ অভাব বৰকৈ অনুভৱ হৈছে। মানুহ ক্ৰমান্বয়ে নেজ আৰু শিং নথকা জন্তুলৈ ৰূপান্তৰিত হৈছে। নেজ আৰু শিং গোষ্ঠীটোৱে সততা কি, দয়া কি, চৰিত্ৰ কি, নৈতিকতা কি সকলো পাহৰি গৈছে। হাবিত জন্তুৱে জন্তুৰ ৰক্ত বিচাৰি ঘূৰি ফুৰাৰ দৰে নেজ আৰু শিং নথকা গোষ্ঠীটোৱে পৰস্পৰে পৰস্পৰৰ ৰক্ত অহৰহ বিচাৰি ফুৰা দেখা গৈছে। ইহঁতক 'জ্ঞান' দি 'মানুহ' কৰিবলৈ বিবেকবানসকল দলে বলে ওলাই আহিবৰ হ'ল।

মৃগেন হাজৰিকাহঁতৰ মাজত ৰাজনৈতিক সংঘাত আৰম্ভ হৈছে। আদৰ্শৰ বাবে মতবিৰোধ ঘটিছে। সিহঁতৰ মাজৰে এদলে কৈছে—বিপ্লৱৰ কথাহে ক'ব লাগে, বিপ্লৱৰ বাবে মানুহবোৰক উছটনিহে দি থাকিব লাগে। কিন্তু বিপ্লৱৰ সূচনা বা সংঘটিত কৰোৱাব নালাগে। বিপ্লৱটো যাতে সদায় ভবিষ্যতলৈ হয় তাৰ বাবেহে সততে যত্ন কৰিব লাগে। ভবিষ্যত-লৈ হ'ব লগা বিপ্লৱটো যদি এতিয়াই হৈ যায় তেতিয়া হ'লে তেওঁলোক কেনেকৈ চলিব? কথা বেছিবলৈ যে আৰু সুযোগেই নোহোৱা হ'ব। —নাই, নাই, এনে এটা ভয়াবহ অৱস্থাৰ সন্মুখলৈ তেওঁলোক বুৰ্বকৰ দৰে নিজকে লৈ যাব নোৱাৰে।

মৃগেন হাজৰিকাকে ধৰি আন এটা দলৰ মতে—বিপ্লৱৰ আহিলা বেছি পেট প্ৰবৰ্ত্তাবলৈ অহা তোমালোক দালালবোৰ জহন্নামে যোৱা। তোমালোকৰ কাৰচাজি ধৰা পৰি গৈছে। তোমালোকক বাদ দি আমি

আন এটা বিপ্লৱী দল গঠন কৰিম। আমি বিপ্লৱ সংঘটিত কৰি সমাজৰ বৈষম্য দূৰ কৰিমেই—। ন্যায়ৰ পৰা পিচলি পৰা জনক আমি খাই পেলাম। ক্ষমা নকৰোঁ।

বিজয় বৰুৱাই বিজনৰ কথাবোৰ হঠাৎ একেবাৰে মুশুনা নিচিনা হ'ল। তেওঁ বৰুৱা ভৱনৰ পদূলিত দৈত্যাকৃতিৰ মানুহ এটা দেখিবলৈ পালে। তেওঁ ভয়তে কঁপিবলৈ ধৰিলে। বিজনক বন্দুকটো আনিবলৈ ক'লে।কিন্তু বিজন নিৰ্বিকাৰ। দৈত্যাকৃতিৰ মানুহটো দেখি সি অলপো ভয় খোৱা নাই। মিচ্ মিচ্কৈ হাঁহিছে। উপায়হীন হৈ বৰুৱাই নিজেই বন্দুকটো অনাৰ কথা ভাবিলে। কিন্তু তেওঁ বহাৰ পৰা উঠিব নোৱাৰে। দৈত্যাকৃতি মানুহটোৰ অট্টহাস্য তেওঁৰ কাণত পৰিল। লগে লগে বৰুৱাই বুজি পালে যে তেওঁ বন্দুক আনিবলৈ যোৱাৰ, বহাৰ পৰা থিয় হোৱাৰ কোনো উপায় নাই। তেওঁক কোনোবাই, বোধকৰো দৈত্যাকৃতিৰ বদমাইচ্‌টোৱেই, চকীখনৰ লগত আঁতি আঁতি বান্ধি থৈছে।

আকৌ দৈত্যাকৃতিৰ মানুহটোৱে অট্টহাস্য কৰি উঠিল।

বিজয় বৰুৱাই ভালদৰে তাৰ ফালে চালে। প্ৰথমতে দীনদয়ালৰ চেহেৰাৰ লগত তাৰ কিছু মিল থকা যেন লাগিল। অলপ পিছতে দৈত্যাকৃতি মানুহটোক সদানন্দ হাজৰিকাৰ নিচিনা দেখা যেন লাগিল বিজয় বৰুৱাৰ। চাওঁতে চাওঁতে এইবাৰ সি ভদ্ৰেশ্বৰ দত্তৰ ৰূপ ল'লে। তোক—মই গুলীয়াই মাৰিম ৰাচকেল। বৰুৱাই চিঞৰিলে। লগে লগে ভদ্ৰেশ্বৰ দত্ত মৃগেন হাজৰিকা হ'ল। বৰুৱাই আকৌ চিঞৰিলে—তোকো মই গুলীয়াই মাৰিম।

মৃগেন হাজৰিকা নিৰ্বিকাৰ।

অলপ পিছতে দেখা গ'ল মৃগেনে বৰ বহলকৈ মুখখন মেলি দিছে। ইফালে আতংকত বৰুৱাই চিৎকাৰ কৰি উঠিল। মৃগেন হাজৰিকাৰ দলটোৰ কথাবাৰ তেওঁৰ মনত পৰিল। ন্যায়ৰ পৰা পিচলি পৰা জনক আমি খাই পেলাম। ক্ষমা নকৰোঁ· মৃগেন বৰুৱাকো খাবনে কি?··· বৰুৱাইতো জীৱনত ন্যায় কি চিনিয়েই নাপালে। ·তেনেহ'লে তেনে-হ'লে মৃগেনহঁতে···মৃগেনে· ·তেওঁক ক্ষমা নকৰে? ·

মৃগেনে মুখখন আৰু ডাঙৰকৈ মেলি দিলে।

ডাঙৰৰ পৰা ডাঙৰ হৈ অহা মৃগেনৰ মুখৰ পৰা দেৱী মূৰ্ত্তি এটা ওলাই আহিল। অলপ পিছতে আৰু এটা। মূৰ্ত্তি দুটা ওচৰ চাপি অহাত বৰুৱাই সভক্তিৰে প্ৰণাম জনালে। প্ৰণামৰ শেষত তেওঁ মূৰ তুলি দেখে তাৰে এটা মূৰ্ত্তি কাঞ্চনৰ আৰু আনটো মূৰ্ত্তি জয়শ্ৰীৰ। 'তহঁত মৰিছিলি নহয়? এতিয়া মৰাৰ পিছতো মোৰ পৰা সেৱা ল'বলৈ আহিছনে?' বৰুৱাই অলপ টান মাতেৰে ক'লে বৰুৱাৰ মাত শুনি খিল্‌খিলাই হাঁহি দেৱী ৰূপ লোৱা কাঞ্চন আৰু জয়শ্ৰীয়ে ওপৰলৈ চালে। লগে লগে শূন্যৰ পৰা আৰু এটা দেৱী মূৰ্ত্তি নামি আহিল। বৰুৱাই দেখিলে—সেইজনী পাৰিজাত। 'পাৰিজাত? তুমি ইহঁতৰ লগত? কিন্তু কিয়?'

পাৰিজাতৰূপী মূৰ্ত্তিটোৱে খিল্‌খিলাই হাঁহিলে। ক'লে,—

এৰা, ডাঙৰীয়া। মই এওঁলোকৰ লগত। কিয়নো আমি তিনিওজনী আপোনাৰ ভোগৰ, সামগ্ৰী। আমাক আপুনি আপোনাৰ সুখ-সুবিধাৰ বাবে ব্যৱহাৰ কৰিছিল। এজনীৰ প্ৰতি আকৰ্ষিত হৈ ইজনীক হত্যা কৰি কৰি আপুনি আমাক—তিনিওজনীকে হত্যা কৰিলে। আপুনি আমাক ভোগৰ সামগ্ৰী হিচাপে ব্যৱহাৰ নকৰা হ'লে আমি কিজানি আৰু কিছুদিন জীয়াই থাকিলোহেঁতেন। এতিয়া আমি তিনিজনী বাই ভনী হিঃ হিঃ হিঃ ।

বিজয় বৰুৱাই প্ৰতিবাদ কৰি কিবা এটা ক'ব খুজিছিল। কিন্তু তেওঁ মুখ মেলাৰ আগতেই মূৰ্ত্তিকেইটা হঠাৎ নোহোৱা হৈ গ'ল।

মৃগেন হাজৰিকাই পদূলিত আকৌ অট্টহাস্য কৰি উঠিল।

বৰুৱাই মূৰ তুলি চাই দেখে এইবাৰ মৃগেনৰ মুখৰ পৰা এটাৰ পিছত এটাকৈ অলেখ কালিমূৰ্ত্তি ওলাই আহিছে আৰু আটাইবোৰ মূৰ্ত্তি বৰুৱা ভৱনৰ সন্মুখত পিয়াপি দি ফুৰিছে। 'মৃগেন তই ইহঁতক তৎক্ষণাত ইয়াৰ পৰা লৈ যা'—বৰুৱাই ক'লে। কিন্তু মৃগেনে তেওঁৰ কথা নুশুনিলে। এনেতে বৃহৎ এটা কালিমূৰ্ত্তিয়ে প্ৰচণ্ড গতিৰে খেদা মাৰি আহি বৰুৱাৰ গাৰ কাষত বৈ থকা বিজনক গিলি পেলালে। এইবাৰ 'মূৰ্ত্তিটোৱে

বৰুৱাৰ ফালে খেদি আহিল। বৰুৱা বহি থকা ভাগেই ওপৰৰ বাৰান্দাৰ পৰা তললৈ জাপ মাৰি দিলে। কিন্তু তেওঁ মাটিত নপৰি শূন্যতে বাগি দি দি কালিমূৰ্ত্তিটোৰ পৰা ৰক্ষা পৰি থাকিল।

বৰুৱাই সাৰ পালে।

চকু নেমেলাকৈ, হাত-ভৰিবোৰ লৰ চৰ নকৰাকৈ বৰুৱাই সপোনটোৰ শেষৰ কথাখিনি ভাবি চালে। ঠিকেই সেই কথাটো শুনিবৰ পৰা তেওঁৰ যি মানসিক সংঘাত আৰম্ভ হৈছে সেই সংঘাতৰ পৰিণতি স্বৰূপেই এই সপোনটো দেখিলে। এই মানসিক সংঘাতটো বৰ অপ্ৰত্যাশিত। সংঘাতৰ বীজ কঢ়িযাই অনা সেই কথাকেইটা, কথাকেইটা হ'ল দয়াৰামৰ মুখৰ 'কিহত কি খন হৈছে ক'ব পৰা নাই হ'লে দেউতা। মুঠতে তিৰোতাৰ ৰাইজ্য। মই নকৈছিলোঁনে—বোলোঁ। মিৰগেনে ভদেচৰৰ ভনীয়েকৰ লগত বিয়া পতা হয়। পিছত পৰমান নাপালেনে? পুলিচৰ ভয়ত মিৰগেন হেনো ঘৰ এৰি পলাল। তাৰ ঘৈণীয়েক, অৰ্থাৎ ভদেচৰৰ ভনীয়েকক আনি আমাৰ বিজন বোপাই নিজৰ ঘৰত ৰাখিছেহি। মই নিজে নেদেখিলোনে?' বৰুৱাৰ বাবে এই কেইষাৰ কথা নহয়, একোটাহঁত বোমা। তাৰ এই কথা কেইষাৰলৈ মনত পৰিলেই বৰুৱাৰ তেজবোৰ গোট মাৰি যাবৰ উপক্ৰম হয়। মৃগেনে ভদ্ৰেশ্বৰ দত্তৰ ভনীয়েকক বিয়া কৰাইছে কৰাওক। তাত বৰুৱাৰ কোনো আপত্তি নাই, থাকিবও নোৱাৰে। কিন্তু মৃগেনে বিয়া কৰাই অনা ভদ্ৰেশ্বৰৰ ভনীয়েকক তেওঁৰ 'বৰুৱা ভৱন' ত ঠাই দিব লাগে কিয়? থাকিবলৈ ঘৰ নহ'লে মৃগেনে বিয়া কৰাব নালাগিছিল। বৰুৱা ভৱনলৈ আহি দময়ন্তী নামৰ সেই ছোৱালীজনীয়ে এতিয়া বিজনৰ ওপৰত প্ৰতিশোধ নল'বনে? যদি বাসবীক বাহিৰ কৰি দি তায়েই উঠি ৰজা বহি ৰজা হয়? যদি বিজনৰ নাকত ধৰি চাকত ঘূৰাই বৰুৱাই তাৰ নামত দিয়া টকা-পইচাবোৰ হাত কৰি লয়? কাঞ্চন-কল্যাণক নিজৰ ঘৰত ঠাই দি প্ৰথম ভুলটো কৰাৰ পিছত দময়ন্তীক ঠাইদি এইটো দ্বিতীয় ভুল কৰিলে। কি দৰকাৰ আছিল লোকৰ তিৰোতা এজনীক এনেকৈ নিজৰ

ঘৰলৈ মাতি আনি ঠাই দিয়াৰ ।··

দময়ন্তীক বৰুৱা ভৱনৰ পৰা খেদি পঠিয়াবলৈ যাবৰ বাবে বিজয় বৰুৱাই কেইবাদিনো চিপিয়াইছে। কিন্তু যাব পৰা নাই। যাওঁ বুলি ওলাই গৈয়ো বাটৰ পৰা ঘূৰি আহিব লগা হয়। দময়ন্তীক বৰুৱাই আজি অনেক বছৰ দেখা নাই। নেদেখিলেও এদিন দেখা সেই ৰঙা মুখখন, সেই জুইৰ দৰে চকু দুটা তেওঁৰ সদায় দেখি থকা যেন লাগে। সপোনত দেখা মৃগেনৰ মুখৰ পৰা ওলোৱা সেই কালিমূৰ্ত্তিটো বিজনক গিলি খোৱা কালিমূৰ্ত্তিটো· সেইটোৱেই তেনেহ'লে ভদ্ৰেশ্বৰ দত্তৰ ভনীয়েক ? ভদ্ৰেশ্বৰ দত্তৰ ভনীয়েকে সঁচাকৈয়ে বিজনৰ অনিষ্ট কৰিছেনে কি বাৰু ? যদি কৰিছে যদি কৰিছে যদি কৰিছে যদি যদি

বিজয় বৰুৱাই চকু মেলিলে।

বাগৰ সলাই, পাৰিজাতক গাৰ ফালে চপাই আনিবলৈ লৈ দেখে পালেংখনৰ তেওঁৰ কাষৰ ঠাইখিনি খালী। আপুনি আমাক ভোগৰ আহিলা হিচাপে ব্যৱহাৰ নকৰা হ'লে আমি কিজানি আৰু কিছুদিন জীয়াই থাকিলোঁহেতেন বুলি দেৱী ৰূপে পাৰিজাতে সপোনত কোৱা কথাষাৰ বৰুৱাই আকৌ শুনিবলৈ পোৱা যেন লাগিল। তেওঁ খৰ মৰাই উঠি মাত দিলে—'পা-ৰি-জা-ত'। গৰম বতৰত মুভিং টেবুল ফেনৰ বতাহ ছাটিযে মুহূৰ্তৰ বাবে গাটো শঁাত পেলাই যোৱাৰ পিছত বতাহ ছাটি ঘূৰি অহালৈ যি উৎকণ্ঠাৰে মানুহ বৈ থাকে, একেই অধীৰ উৎকণ্ঠাৰে পাৰিজাতৰ মাতটো শুনিবৰ বাবে বৰুৱা বৈ থাকিল। কিন্তু নিজৰ মাতটোৰ প্ৰতিধ্বনি ঘূৰাই শুনাৰ বাহিৰে তেওঁ আন কোনো সাৰি-শব্দ শুনিবলৈ নাপালে।

—পাৰিজাত। বৰুৱাই অলপ ডাঙৰকৈ মাতিলে।

নাই, পাৰিজাতে এইবাৰো নামাতিলে।

বেড্ চুইচ্‌টো অন কৰি বৰুৱা বিচনাৰ পৰা নামিল। নামিয়েই তেওঁ গধূলি পৰিপাটি হৈ থকা কোঠাটো বৰ বিশৃংখল দেখিলে। আলনাৰ কাপোৰ-কানিবোৰ যেনিয়ে তেনিয়ে পৰি আছে। বাৰুচ

কেইটা খুলি কাগজ-পত্ৰবোৰো কঠিয়া সিঁচাদি সিঁচি থোৱা হৈছে। দেখি বৰুৱাৰ বৰ বিৰক্তি লাগিল। তেওঁ অলপ টানকৈ মাতিলে,—হেৰ' পাৰিজাত ?

নাই, পাৰিজাতৰ কোনো মাত নাই।

বৰুৱা এইবাৰ মেলা দুৱাৰেদি পাৰিজাত পাৰিজাতকৈ চিঞৰি বাহিৰ ওলাই আহিল। আথলৰ ফালে চালে, নাই। পায়খানালৈ গৈছে বুলি - সেই ফালেও চালে পায়খানাৰ দুৱাৰত বাহিৰৰ ফালৰ পৰা খিলি লগাই থোৱা আছে। বৰুৱা বাথৰুম পালেহি। পাৰিজাত তাতো নাই। মুকলিৰ বতাহ বিচাৰি পিছফালৰ বাৰান্দাত আছেগৈনে কি বাৰু ? বৰুৱা পিছফালৰ বাৰান্দালৈ আহিল,—হেৰা পাৰিজাত

বিজয় বৰুৱাৰ মূৰটো ঘূৰাই যোৱা যেন লাগিল। এই মাজনিশাখননো পাৰিজাত ক'লৈ যাব পাৰে ? তেওঁক নোকোৱাকৈ যাবই বা লাগে কিয় ? কিহৰ বাবে তেওঁৰ ওপৰত খং ? খং উঠিব লগা কিবা হৈছিল যদি ক'ব লাগিছিল। কিন্তু একো নকৈ অভিমান কৰি কাপোৰ-কানি কাগজ-পত্ৰবোৰ এনেদৰে দলিয়াই পেলাই দোভাগ নিশা—হেৰা,-হেৰা,-হেৰা ·

হিতেন দাসৰ কোঠাটোৰ ওচৰত উপস্থিত হ'লগৈ বিজয় বৰুৱা। দুৱাৰখন খোলা। বিচনাৰ ওপৰত সৌখন কিহৰ কাগজ ? বৰুৱাই কাগজখন বুটলি ললেগৈ —

তোমাৰ প্ৰতি মই বৰ অন্যায় কৰিলোঁ। প্ৰথম প্ৰেমৰ স্বাদ এৰিব নোৱাৰি তোমাৰ প্ৰতি মই বৰ অন্যায় কৰিলোঁ। মোক ক্ষমা কৰিবা হিতেন। বিবেকৰ দংশন মই আৰু সহিব নোৱাৰা হৈছোঁ। বিজয়ৰ লগত পতা নতুন সংসাৰৰ পৰিণতি স্বৰূপে মই আজি·· মই আজি তুমি ক্ষমা নকৰিলে মোৰ পৰলোকতো শান্তি নহ'ব হিতেন'···

বিজয় বৰুৱা কেই মুহূৰ্তমান স্থিৰ হৈ ৰ'ল। · তেনেহ'লে···তেওঁ পাৰিজাতৰ ওচৰলৈ অহাটোও অন্যায়েই হ'লগৈ? তেনেহ'লে প্ৰথম প্ৰেমৰ স্বাদ এৰিব নোৱাৰি তেওঁও জয়শ্ৰীৰ প্ৰতি অন্যায়হে কৰিলে ?···নহয়, নহয়, তেওঁ অন্যায় কৰা নাই। পাৰিজাতেও অন্যায় কৰা নাই। ষ'লৈকে

নাযাওক—পাৰিজাতক তেওঁ ঘূৰাই আনিবই। পাৰিজাতিৰ অভিমান তেওঁ ভাঙিবই। ..

খৰ খোজেৰে বৰুৱা বাহিৰৰ ফালে আহি আগফালৰ দুৱাৰখন মেলিলেহি। বাৰান্দাৰ লাইটটো জ্বলাই দি নিজৰ চকু ঢাকি বৰুৱাই আতংকত চিঞৰি উঠিল,—তুমি এয়া কি কৰিলা পাৰিজাত? মই জীয়াই থাকোতে তুমি কিয় আত্মহত্যা কৰিলা? উঃ উঃ উঃ

চকুৰ পৰা হাত আঁতৰ কৰি বৰুৱাই স্থিৰ দৃষ্টিৰে কিছুপৰ পাৰিজাতৰ ওলমি থকা শ-টোলৈ চালে। কিছু সময়ৰ আগতে দেখা সপোনটোৰ প্ৰথম ছোৱাৰ তাৎপৰ্য তেওঁৰ এতিয়াহে বুজি পোৱা যেন লাগিল।

ক্ৰমে ক্ৰমে বৰুৱাৰ স্থিৰ দৃষ্টি কঁপিবলৈ ধৰিলে। তেওঁৰ দৃষ্টি কঁপিব ধৰাৰ লগে লগে ওলমি থকা পাৰিজাতৰ শ-টোও কঁপি উঠিল আৰু এবাৰত তেওঁৰ চকুৰ আগতে শ-টো চক্ৰাকাৰে ঘূৰিবলৈ ধৰিলে। ঘূৰি ঘূৰি চাৰ্কাচৰ ছোৱালীজনী এবাৰত বৈ দিয়াৰ দৰে পাৰিজাতৰ শ-টোও বৈ দিলে। 'এজনীৰ প্ৰতি আকৰ্ষিত হৈ ইজনীক হত্যা কৰি কৰি আপুনি আমাক—তিনিওজনীকে' কথাষাৰ কাণত বজাৰ লগে লগে বৰুৱাই চিঞৰি উঠিল,—নাই নাই, তোমালোকক মই হত্যা কৰা নাই, তোমালোকে আত্মহত্যাহে কৰিছা মই হত্যাকাৰী নহওঁ মই হত্যা কৰা নাই মোক আইনৰ কবলত নেপেলাবা মোক জেল নিদিবা নিদিবা

তাৰ পিছত বৰুৱা যেনে আছিল তেনেদৰেই পদূলিৰ ফালে দৌৰি আহিল। তেওঁ পাৰিজাতৰ শ-টোৰ কোনো ব্যৱস্থা নকৰিলে।

চাৰিওফালে ডুপৰ নিশাৰ নিৰৱতা।

খোজ কাঢ অহা বাটটো এটা অজগৰ সাপ যেন লাগিল বিজয় বৰুৱাৰ।

ভয়ত তেওঁ কঁপিবলৈ ধৰিলে। তেওঁৰ এনেহে লাগিল যেন বিজনৰ ওচৰ পালেই তেওঁ বাছি যাব ·তেওঁৰ নিজৰ কোঠাৰ ভিতৰত সোমাবগৈ পাৰিলেই আইন, আত্মা, প্ৰেতাত্মা সকলোৰে কবলৰ পৰা ৰক্ষা

পৰিব তেওঁ যিমান সোনকালে বিজনক লগ পাব পাৰে বিজনৰ বাহিৰে এই বিপদৰ পৰা ৰক্ষা কৰিবলৈ তেওঁৰ যে আন কোনো নাই বিজন বি-জ-ন

বৰুৱা ভৱনৰ পদূলিত বিজয় বৰুৱাই বৰ বেছিকৈ ভাগৰ লগা যেন পালে। ৰবকৈ কোঁপনি উঠাত তেওঁ লোৰ জপনাখনতে ধৰি খন্তেক ৰ'ল। আন্ধাৰৰ মাজত হিমালয় সদৃশ হৈ থিয় দি থকা ঘৰটোলৈ চালে। চায়েই তেওঁ চক খাই উঠিল। ওপৰ মহলাৰ বাৰান্দাত সোজনী আউল বাউল চুলিৰে কোন থিয় হৈ আছে? মানুহ নে ভূত? নে পিশাচ। ডাইনী নে যোগিনী? এইজনীয়ে কেতিয়াৰ পৰা তেওঁৰ ঘৰত বাহ ল'লেহি? এইজনী ইয়ালৈ ক'ৰ পৰা আহিল? উৱা, তাই দেখোন একে থৰে বৰুৱালৈকে চাই আছে? তাই তেনেদৰে চাই থকাৰ উদ্দেশ্য কি?

সেইটো জয়শ্ৰীৰ প্ৰেতাত্মা? ওঁহো, জয়শ্ৰীৰ চেহেৰাৰ লগত তাইৰ মিল নাই। কাঞ্চন? নাই, কাঞ্চনৰ চেহেৰাৰ লগতো তাইৰ চেহেৰাৰ মিল নাই। তাই পাৰিজাত নে কি? পাৰিজাতলৈ মনত পৰাৰ লগে লগে বৰুৱাৰ সৰ্বশৰীৰ আকৌ কঁপি উঠিল। পাৰিজাত পাৰিজাত মৰি ভূতি হৈ তেনেহ'লে পাৰিজাতৰ প্ৰেতাত্মাই আহি তেওঁক ·· পাৰিজাতৰ ·

চাওঁতে চাওঁতে ওপৰ মহলাৰ বাৰান্দাৰ পৰা ডাইনী জনী অদৃশ্য হৈ গ'ল।

বিজয় বৰুৱাই সাহস কৰি জপনাখন মেলিলে।

পিছে বৰুৱা চৌহদৰ ভিতৰলৈ অহাৰ অলপ পিছতে ওপৰৰ বাৰান্দাত আগৰ জনীৰ লগতে আৰু এজনী ডাইনীৰ আবিৰ্ভাৱ হ'ল। দুয়োজনী ডাইনীৰ হাঁহিৰ খিলনি এটা বৰুৱাৰ কাণত পৰা যেন লাগিল। এইবাৰ তেওঁ চোতালত শত সহস্ৰ কালিমূৰ্ত্তিৰ আবিৰ্ভাৱ হোৱা দেখিলে। সিহঁতৰ মাজে মাজে ঘূৰি ফুৰিছে তিনিটা দেৱীমূৰ্ত্তি।

বিতত বিচূৰ্ত্তি হোৱা বৰুৱাৰ মূৰ আচন্দ্ৰাই কৰি আহিল। তেওঁ অজ্ঞান হৈ খিতাতে পৰি দিলে।

# চৈধ্য

বকথা, বৰহোলা আৰু বৰপথাৰ অঞ্চলৰ তিনিজন বিখ্যাত জমিদাৰ একে দিনাই নিখোজ হোৱা বাতৰিটোৱে গোটেই ৰাজ্যখনতে চাঞ্চল্যৰ সৃষ্টি কৰিছে। সেই একে দিনাই তিনিচুকীয়া আৰু গুৱাহাটীৰ দুজন পুঁজিপতিয়ে চোৰাংভাৱে ৰপ্তানি কৰিবলৈ লোৱা কেইবাশ কুইণ্টল চাউল ৰখিয়া ষ্টেচনৰ পৰা লুট কৰি আনি নলবাৰী, বৰপেটা আৰু মাজুলীৰ বানবিধ্বস্ত অঞ্চলৰ ৰাইজৰ মাজত বিতৰণ কৰি দিয়া বাতৰিটোৱে অধিক চাঞ্চল্যৰ সৃষ্টি কৰিছে। ..

এই চাঞ্চল্যকৰ ঘটনাবোৰ ঘটি যোৱাৰ পোন্ধৰ দিনৰ পিছত এদিন মাজনিশা।

মাজে মাজে নিশাচৰ প্ৰাণীৰ চিঞৰ আৰু কেঁচু-কুমতিৰ ঐক্যতান। আউসীৰ ভয়লগা আন্ধাৰ। সেই আন্ধাৰ ফালি, উৰি ফুৰা জোনাকীৰ পোহৰৰ সহাযত গোপন আবাসৰ ফালে গৈ আছে দুটা প্ৰাণী। অদম্য সাহসী দুখিনি যৌৱন। ভূত-প্ৰেত-পিশাচৰ বাবে সিহঁতৰ মনত কোনো ভয় নাই। গৈ থকা পথটোৰ দুয়ো কাষে থকা গাওঁবাসী ৰাইজৰ বাবে। ভয় মাথো নিঃশব্দে বগাই ফুৰা সাপ কেইটালৈ। ভয় মাথো হাবিৰ পৰা ওলাই অহা হিংস্ৰক জন্তু কেইটালৈ। আৰু ভয় কৰে সেই মানুহ কেইটালৈ, ৰাজ্যৰ পুলিচ বাহিনীটোলৈ।

কিয়নো ওপৰত উল্লেখ কৰা ঘটনাবোৰৰ বাবে ৰাজ্য চৰকাৰে মৃগেন হাজৰিকাই ভৰ বিপ্লৱী দলটোকে সন্দেহ কৰিছে। ৰাজ্যখনৰ একমাত্ৰ ৰাজনৈতিক দল,—যিটোৱে হিংসাত্মক কাৰ্য কৰাৰ পুৰা মাত্ৰাই সম্ভাৱনা আছে বা পূৰ্বে এইবোৰ কাম কৰাৰ নজীৰ ৰাখি গৈছে। চৰকাৰে ভবা মতে ৰাজ্যৰ যি কোনো ৰাজনৈতিক দলতকৈ এই দলটো, মৃগেন হাজৰিকাৰ নেতৃত্বত থকা মানুহবোৰ বেছি উগ্ৰ। মেহনতি জনতাৰ,

সৰ্বহাৰা অংশৰ মুক্তিৰ নামত ইহঁতে কৰিব নোৱাৰা কাম একো নাই। ইহঁতে একে ৰাতিৰ ভিতৰতে ধনী-দুখীয়া সকলোকে সমান কৰিবলৈ বিচাৰে। সঘনে সন্ত্ৰাসৰ সৃষ্টি কৰি থকা এই দলটোক সম্পূৰ্ণৰূপে নিঃশেষ কৰা নহয় মানে ৰাজ্য চৰকাৰৰ চকুত টোপনি নাই। গতিকে ৰাজ্যৰ সকলোবোৰ পুলিচ আৰু চোৰাংচোৱাক লগাই দিয়া হৈছে ইহঁতক ধৰিবলৈ, ইহঁতৰ ঘাটিবোৰৰ খবৰ আনিবলৈ।

সেয়ে আগনিশাৰ গোপন সংগঠনৰ পিছত বিজন আৰু বাসন্তীৰ গোপন ঘাটিলৈ আন্ধাৰৰ মাজে মাজে প্ৰত্যাগমন।

বিজনৰ কাষে কাষে বাসন্তী।

বাসন্তীৰ মন বৰ অৱসাদ গ্ৰস্ত হৈছে। তাইৰ বৰ ভাগৰ লাগিছে। তাইৰ ভাগৰুৱা মন আন্ধাৰৰ মাজে মাজে দৌৰ মাৰিছে ঘৰলৈ, দেউতাক হিতেন দাসে সাজি থৈ যোৱা ঘৰটোৰ দুৱাৰত ওলমি থকা তলাটোৰ ওচৰলৈ।

মাক পাৰিজাতে আত্মহত্যা কৰা দুমাহৰ পিছত সেই যে ঘৰ-বাৰীৰ মোহ এৰি সমাজৰ সৰ্বহাৰা অংশটোৰ মুক্তিৰ বাবে আন্দোলন কৰিবলৈ ওলাই আহিল—আৰু ঘৰমুৱা হোৱা নাই। আজি এবছৰ তাই এই পথত। বিজনৰ লগত। তাৰ গাৰ কাষে কাষে। এই গোটেই বছৰটোত এবাৰৰ বাবে হ'লেও বাসন্তীৰ ঘৰলৈ মনত পৰা নাছিল। আজিহে তাইৰ মনত পৰিছে। অৱসাদৰ ফাকে ফাকে আজি বহুত কথাই তাইৰ মনলৈ আহিছে।

যিদিনা মাকে আত্মহত্যা কৰিছিল সেইদিনা গোটেই নিশা কিয় জানো তাইৰ টোপনি নহৈছিল। বিচনাতে ইকাটি সিকাটি কৰি আছিল। ত্ৰিলোচনৰ কাপুৰুষালিৰ কথা ভাবিছিল। ত্ৰিলোচনৰ কাপুৰুষালিৰ লগত বিজনৰ সাহস আৰু দৃঢ়তাৰ কথা মনে মনে তুলনা কৰি চাইছিল।

দময়ন্তীয়ে পিছত কোৱা মতে তেওঁৰো হেনো সেইদিনা টোপনি হোৱা নাছিল। ছাটি ফুটি কৰি কৰি মাজ নিশা তেওঁ আগফালৰ

বাৰান্দালৈ ওলাই গৈছিল। নিশাৰ জোনাকী চাই চাই শীতল বতাহ লৈ তেওঁ তাত আউল বাউল চুলিবে বৈ আছিল। এনেতে বৰুৱা-জনৰ পদূলিত অকস্মাতে তেওঁ কোনোবা এজন মানুহৰ উপস্থিতি অনুমান কৰিলে। এই মাজ নিশা পদূলিত কোন হ'ব পাৰে? চোৰ-ডকাইত নে আন কিবা? কি অভিসন্ধিৰে মাজনিশা মানুহজন ইয়ালৈ আহিছে? আজিহে আহিছে নে সদায়েই আহে? মানুহজনে গেটখনতে ধৰি স্থিৰ দৃষ্টিৰে তেওঁৰ ফালে ভালে পৰ চাই থকা দেখি দময়ন্তীৰ সন্দেহ বাঢ়িল। মানুহজনক তেওঁ মানুহ বুলি নাভাবি আন কিবা বুলিহে ভাবি ল'লে।

দৌৰ মাৰি দময়ন্তী বাসন্তীৰ ওচৰলৈ আহিল। তাইতো সাৰ পায়ে আছিল। দময়ন্তীয়ে মাত দিয়াৰ লগে লগে তাই উঠি আহিল। দুয়ো আগফালৰ বাৰান্দা পালেহি। পদূলিৰ ফালে চাই দেখে মানুহজন জপনা মেলি ভিতৰ সোমাই আহিছে।

সিহঁতে চাই থাকোঁতেই মানুহজন কেইখোজ মান আগলৈ আহিল আৰু কিহবাই তেওঁক খেদি অহাৰ দৰে আশ্চৰ্যজনক ভাৱে ইফালে সিফালে চাই থৰক বৰক খোজ দি অৱশেষত লুটি খাই পৰিল।

বাসন্তীয়ে মানুহজন চিনি পালে। সেইজন বিজয় বৰুৱা।

ভাগ্য ভাল বিজন সেইদিনা ঘৰতে আছিল। বাসন্তীহঁতে তাক মাত দিয়াৰ লগে লগে সি ধহ্‌মহাই উঠিল। তিনিও বিজয় বৰুৱাৰ ওচৰ পালেগৈ। পাই দেখে মানুহজন জ্ঞানহীন হৈ পৰি আছে। তেওঁক ধৰি মেলি ভিতৰলৈ লৈ অহা হ'ল। কিছু সময়ৰ পিছত বৰুৱাই চেতন পাই উঠিল। তেওঁ চকু মেলি চোৱাত বিজনে মাত লগালে।

বিজনৰ মাত শুনাৰ লগে লগে অস্বাভাৱিক ভাৱে বৰুৱাই কৈ উঠিল,—মই ক'ত আছোঁ বিজন? মোক মোৰ নিজৰ কোঠালৈ লৈ ব'ল আৰু তই মোৰ ওচৰতে বহি থাক।· মই তেওঁক একো কৰা নাই,···তেওঁ আত্মহত্যা কৰাৰ বহু সময়ৰ পিছতহে মই কথাটো গম পাওঁ। ·মোৰ ক্ষমতা নাপাই বিচাৰি আহিছে ..মই আগতে ক'ব পৰা

হ'লে তেওঁ কেতিয়াও তেনেদৰে বাবান্দাত ওলমি মৰিবলৈ নিদিলেঁহেঁতেন।...তেওঁ তেনেদৰে মৰাৰ পিছত এতিয়া তই মোৰ ওচৰৰ পৰা আঁতৰি নাযাবি। তই আঁতৰি গ'লে তেওঁ মোক কি কৰে ঠিক নাই। তই মোক ধৰ ..।

বিজনে একো নক'লে। নকৈ দেউতাকক নিজৰ কোঠালৈ লৈ গ'ল। নিজৰ কোঠালৈ গৈ কিছুপৰ তলকা মাৰি থকাৰ পিছত বিজয় বৰুৱাই এইবাৰ অস্বাভাৱিক আচৰণ প্ৰকাশ কৰিবলৈ ধৰিলে। এবাৰ ক'লে,—চা চা বিজয়, সৌৱা তোৰ মাৰ আহিছে। জয়শ্ৰী আহিছে।

অলপ পিছতে আকৌ ক'লে,—সৌজনী কাঞ্চন।

আকৌ এবাৰ কৈ উঠিল,—সৌৱা, পাৰিজাত আহিছে। তুমি ওলমি থকাৰ পৰা কেনেকৈ আহিলা? তোমাক ই দয়াৰামে নমাই দিলে হ'বলা?

দেউতাকে তেনেখন কৰা দেখি বিজন প্ৰথমতে চিন্তিত হৈ পৰিছিল। পিছত চিন্তা কৰিবলৈ এৰি দেউতাকক টোপনি অহা পিল এটা খুৱাই দিলে। বৰুৱা গভীৰ টোপনিত পৰিল।

অলপ পিছতে পোহৰ হ'ল। পোহৰ হোৱাৰ লগে লগে ভয়ত কঁপি কঁপি দয়াৰাম ওলালহি। দয়াৰামৰ পৰাই বিজনহঁতে পাৰিজাতে আত্মহত্যা কৰাৰ খাটাং খবৰটো পালে। বাসন্তী গ'ল। মাকৰ শ-টো চালে। কিন্তু তাই নাকান্দিলে।

আজি বহুত দিনৰ মূৰত বিজনৰ কাষে কাষে গোপন বাসলৈ আহি থকা বাসন্তীৰ মাকলৈ মনত পৰি কান্দি দিবলৈ মন গ'ল। কিজানি সৰুৰে পৰা তাই ত্ৰিলোচনক ভাল পাই তাক বিয়া নকৰোৱা হ'লে বা বিয়া কৰোৱাৰ পিছত তাৰ লগত বিচ্ছেদ নঘটা হ'লে, কিজানি তাই বিজনৰ ঘৰলৈ নগৈ সেইখন ঘৰলৈকে ঘূৰি যোৱা হ'লে মাক এনেদৰে হয়তো আওমৰণেৰে মৰিব লগা নহ'লহেঁতেন। কিন্তু যি হ'ব লগা আছিল হৈ গ'ল।

বিপদৰ সম্ভাৱনা দেখি হঠাৎ বৈ দিয়াৰ দৰে সন্মুখৰ আন্ধাৰবোৰলৈ

তীক্ষ্ণ দৃষ্টিৰে চাই বিজন বৈ গ'ল। বাসৱী তাৰ বাওঁ হাতখন নিজৰ হাতৰ মুঠিলৈ আনি ফুচ্ ফুচাই ক'লে,—কি হ'ল বিজন দাদা ?

বিজনে সোঁ হাতখনেৰে সন্মুখৰ আন্ধাৰবোৰলৈ দেখুৱাই ক'লে,—সন্মুখৰ ফালৰ পৰা টিমিক ঢামাক পোহৰ এটা আগবাঢ়ি অহা যেন লাগিছে। চোৱাচোন বাৰু—

বাসৱীয়ে চালে। হয়, টিমিক ঢামাক পোহৰ এটা তায়ো অহা যেন পালে। পোহৰ এটা অহা মানে কোনোবা আহি থকা।

বিজনে ক'লে,—আমি যে এই অঞ্চলত গোপন ঘাটি পাতিছোঁহি সেই কথা সিহঁতে গম পাইছে বোধকৰোঁ। গতিকে আমাক বিচাৰি অহা সেয়া সিহঁতৰ মানুহেই হ'ব লাগিব। জমিদাৰ তিনিজন ধৰি অনা বুলি চৰকাৰে আমাকেই সন্দেহ কৰিছে। ঘটনাৰ লগে লগে আমাৰ দলৰ বিধায়ক কেইজন গ্ৰেপ্তাৰ কৰা কথাটোৱে তাৰেই সূচনা কৰে। কিন্তু এই কামবোৰ যে আমি কৰা নাই, আমাৰ পৰা দল এৰা দিয়া উগ্ৰ বিপ্লৱীবোৰে, সশস্ত্ৰ সংগ্ৰামত বিশ্বাস কৰাবোৰেহে যে কৰিছে সেই কথা চৰকাৰক এতিয়া কোনে বুজাই ক'ব ? আহা, বৰ্তমানে আমি মানুহ কেইটাক বাট এৰি দিওঁ।

বাসৱীক লৈ বিজন সৰু আলিটোৰেদি পথাৰলৈ নামিল। আহিন মাহৰ পথাৰ। লুকাবৰ সুবিধা আছিল। সিহঁত লুকাই থাকিল।

পোহৰ ছাটি পাৰহৈ গ'ল।

বিজনে ঠিকেই অনুমান কৰিছিল, তিনিজন পুলিচ। পথাৰখন আহিনৰ নহৈ ফাগুনৰ হোৱা হ'লে বিপদেই আছিল।

সিহঁতে আকৌ খোজ আগবঢ়ালে।

বাসৱীৰ সোঁ ভৰিটোৰ আঠুৰ তলতে খজুৱাইছিল। তাই থমকি বৈ হাতখন দি চাই বুজি পালে এটা জোক। প্ৰথমতে বাসৱীৰ গাটো জিকাৰ খাই উঠিছিল। কিন্তু পিছ মুহূৰ্ততে তাই মনটো টানি ধৰিলে। এইটো অতি সামান্য কথা। তাই যিটো বিপদ সংকুল পথত ভৰি

দিছে সেই পথত এইবোৰ খুবেই স্বাভাৱিক। তাই জোকটো একৰাই আনি দূৰলৈ এছাৰ মাৰি দিলে।

নগৰৰ পৰা কেইবা মাইলো দূৰত এখন আওহতীয়া গাওঁ। গাওঁখনৰ ভিতৰতে আওহতীয়া চুকটোৰ এঘৰ মানুহে দয়া কৰি বিজনহঁতক চ'ৰা ঘৰটো দি দিছে। তাতে বিজনৰ দলৰ কুৰিজন মানুহৰ গোপন বাস। সেই কুৰিজন মানুহৰ নায়ক বিজন নিজে। তাৰ ওপৰত এটা বৃহৎ এলেকাৰ সংগঠনৰ ভাৰ। দিনটো, বিশেষকৈ আগনিশাটো সেই কুৰিজন মানুহ দিহা দিহি গৈ বিভিন্ন বেশেৰে গাওঁবিলাকত আৰু সেই এলেকাত থকা বাগান কেইখনত সোমাই পৰে আৰু জনগণক বিপ্লৱৰ মন্ত্ৰ দি মাজনিশা গোপন ঘাটিলৈ উভতে। কোনোবা উভতিবৰ অসুবিধা হ'লে য'তে ৰাতি ত'তে কাটি হয়। অহাবোৰে যি পায় তাকে পেটত দি পৰি যায়। প্ৰয়োজন হ'লে পৰি যোৱাত বাদ দি গভীৰ আলো চনাত মনোনিবেশ কৰে। চৰকাৰ পক্ষই বা নিৰাপদ দূৰত্বৰ পৰা বিপ্লৱৰ শ্লʼগান দিয়া বুদ্ধিজীৱিসকলে অনাহকতে বিজনহঁতক উগ্ৰপন্থী বুলি ভাবে, অসমথনক সিহঁতে দ্বিতীয় এখন নক্সালবাৰী পাতিবলৈ লোৱা বুলি সন্দেহ কৰে। অতীজতে সিহঁতে তেনে সশস্ত্ৰ আন্দোলনৰ আঁচনি লৈছিল যদিও বৰ্তমানে দল এৰা সকলৰ বাহিৰে বাকীসকলে সেই আঁচনি ত্যাগ কৰিছে। বৰ্তমানে বিজনহঁতে সমাজৰ সামাজিক আৰু অৰ্থনৈতিক গাঁঠনিৰ পৰিবৰ্তনৰ বাবে মন-কাণ দিছে। চৰকাৰ পৰিবৰ্তন হ'লেই ৰাষ্ট্ৰজীৱনলৈ সমতা আহিব বুলি সিহঁতে ভবা নাই। জয় জয়তে মানুহৰ মনৰ পৰিবৰ্তন নহ'লে এই সকলোবোৰ অৰ্থহীন। সিহঁতে এটা সৰ্বাত্মক সাংস্কৃতিক বিপ্লৱ বিচাৰিছে। আৰু তাৰ বাবেই দিনক ৰাতি ৰাতিক দিন কৰি সিহঁতে মানুহৰ মনবোৰ প্ৰস্তুত কৰি আনিছে।

বাসৱী আৰু বিজন গৈ গৈ সিহঁতৰ গোপন বাস পালেগৈ। বাসৱীৰ খোজবোৰ থৰক বৰক। তাইতকৈও থৰক বৰক হৈছে বিজনৰ। পুৱাৰ পৰা নিশালৈকে পৰিশ্ৰম হৈছে। পৰিশ্ৰম অনুসৰি জিৰণি ল'ব পৰা নাই। সেয়ে আজি সি জিৰণি লোৱাৰ কথা ভাবিছে।

পুৱালৈ আৰু বেছি সময় নাই। গতিকে খোৱাৰ যোগাৰ আছিল যদিও বিজনে সেইকালে মন নিদি ধান খেৰৰ বিচনাত দীঘল হৈ পৰিল। বাসৱীকো শুই থাকিবলৈ ক'লে।

আজি কেম্পলৈ চৈধ্যজন সংগঠকহে ঘূৰি আহিছে। আটাইবোৰেই লালকাল টোপনিত। বাসৱীৰ ঠাইত শুই থকা তাইৰ লগৰীয়াজনীক সজোৰে ঠেলা মাৰি দিয়াতো তাই কোনো কেট-কূট নকৰিলে। পৰি দিয়াৰ লগে লগে বিজনৰো নাক বাজিবলৈ ধৰিলে।

যত্ন কৰিও ঠাই উলিয়াব নোৱাৰি অৱশেষত বাসৱীয়ে শোৱাৰ চিন্তা বাদ দিলে। তাইৰ লগৰীয়াজনীও চাগে কমটো ভাগৰত আহি মৰা মানুহ পৰাদি পৰি আছেহি নে ?

বাসৱী উঠি আহিল।

হাৰিকেনটোৰ ফিটাডাল বঢ়াই দি তাই টোপনিত লালকাল দি থকা সংগঠক কেইজনক চালে। চকু কোটৰগত হ'লেও আটাইকেইজন ডেকা মানুহ। নিজৰ সৰ্বস্ব ত্যাগ কৰি মানুহৰ সেৱাৰ বাবে ওলাই আহিছে। শুকান মুখ, অথচ প্ৰতিজনৰে মুখত বাসৱীয়ে দেখিবলৈ পাইছে এক গভীৰ দৃঢ়তাৰ দীপ্তি। কোনোবাজনৰ মূৰটো গৰুৰ পৰা খহি পৰিছে, বাসৱীয়ে তেওঁৰ মূৰটো পোনাই দিলে। কোনোবাজনৰ ভৰি এটা কোনোবাজনৰ গাৰ ওপৰত, এজনৰো খবৰ নাই।—বাসৱীয়ে ভৰিটো পোনাই দিলে।

এইবোৰকে কৰি কৰি বাসৱীয়ে নিজৰ অসুবিধাৰ কথা, নিজৰ ভাগৰৰ কথা, নিজৰ টোপনিৰ কথা একেবাৰেই পাহৰি গ'ল। সেই মুহূৰ্তত নিজকে তাই ফ্লৰেন্স নাইটিংগেল বুলিহে ভাবি ল'লে। তাই যেন নিজৰ অজ্ঞাতে আহি এক সৈন্য বাহিনীৰ ছাউনিতহে সোমাই পৰিলহি, মানুহৰ মুক্তিৰ বাবে যুঁজ কৰি আহত হোৱা সৈন্য বাহিনী। তাই যেন নাইটিংগেলতকৈও মহা দায়িত্বহে পালন কৰিছে। তাইৰ এই সেৱা কেইজনমান সৈন্যৰ বাবে কৰা সেৱা নহয়, তাইৰ এই সেৱা সমগ্ৰ দেশৰ বাবে কৰা সেৱা ··

প্ৰতিজন কৰ্মীৰ প্ৰতি প্ৰয়োজনীয় সেৱা আগবঢাই এসময়ত বাসৱী বিজনৰ ওচৰ পালেহি। সদায়ে দেখি থকা বিজনক আজি তাইৰ নতুনকৈ দেখা যেন লাগিল।—আজি তাইৰ প্ৰথম বাৰৰ বাবে দেখা যেন লাগিল। বিজনৰ মুখখনলৈ বাসৱীয়ে স্থিৰ দৃষ্টিৰে চাই থাকিবলৈ ধৰিলে।

বাসৱীয়ে হাতত থকা হাৰিকেনটোৰ কথা পাহৰি গ'ল। কোঠাটো যে পোহৰ হৈ আছে, সেই পোহৰ যে বাসৱীৰ হাতত থকা হাৰিকেনটোৰ পৰা বিকীৰিত হৈছে—সেই কথা বাসৱীৰ মনলৈ নাহিলেই। কোঠাটো পোহৰাই পেলোৱা এই পোহৰ যেন বিজনৰ মুখৰ পৰাহে বিকীৰিত হৈছে। বিজন উঠি গ'লেই যেন কোঠাটো আন্ধাৰ হৈ পৰিব।

এজন পুৰুষৰ মুখ যে ইমান দীপ্তিমান হ'ব পাৰে বাসৱীয়ে জীৱনত এই প্ৰথম বাৰ বুজি পালে।

যদি পৃথিৱীখনৰ প্ৰতিজন যুৱকেই বিজনৰ দৰে হ'লহেতেন। · যদি পৃথিৱীৰ প্ৰতিজন যুৱকৰ মুখত বিজনৰ এই দীপ্তি থাকিলহেতেন।

নিজৰ সন্তানটো পাটীৰ পৰা বাগৰি গৈ মাটিত পৰি থকা দেখিলে মাক যেনেদৰে বাউল হৈ পৰে, বিজনৰ মুখলৈ চাই থকা বাসৱীকো এটা মুহূৰ্তত সেই বাউল ভাৱটোৱে জোকাৰ মাৰি গ'ল। তাই হাৰিকেনটো থৈ, গাৰু নোহোৱা বাবে অকল ধানখেৰৰ ওপৰত পৰি থকা বিজনৰ-মূৰটো ততাতৈয়াকৈ দুহাতেৰে তুলি ধৰিলে। গাৰু এটা ক'ৰবাত পোৱা হ'লে—

ক'ৰবাত পোৱা গ'লহেতেন যদিও বাসৱীয়ে গাৰু এটা বিচাৰি নগ'ল। তাই বিজনৰ মূৰৰ শিতানত বহি তাৰ মূৰটো আলফুলকৈ কোলাত তুলি ল'লে। লগে লগে জীৱনৰ চৰম সাৰ্থকতা উপলব্ধি হোৱা যেন লাগিল।

বিজনৰ কপালত হাত দি বাসৱীয়ে তাৰ গ্লানি দূৰ কৰিবলৈ যত্ন কৰিলে। তাৰ মুখখন চাই চাই এক অপূৰ্ব তৃপ্তিত তাই শিহৰিত হ'ল। তাই হাতৰ আঙুলি কেইটা বিজনৰ চুলিৰ মাজত আলফুলকৈ ভৰাই

দিলে। বাসৱীৰ এনেহে লাগিল যেন আজি ৰাতি ঘূপুৰাওক ৰাতিটো যিমান সম্ভৱ সিমান দীঘল হৈ যাওক। যেন কোনেও সাৰ নাপাওক। কোনেও যেন বাসৱীক এই তৃপ্তিৰ পৰা বঞ্চিত নকৰক।

পানী-পাছৰ মাৰলিটোৱেদি খৰ খৰাই নিগনি এটা বগাই গ'ল।

খৰখৰনিটোৱে বাসৱীৰ চেতনাত আঘাত কৰিলে। তাইৰ বাৰু ভুল হৈছেনে কি ? বিজনৰ মূৰটো কোলাত তুলি লৈ তৃপ্তিৰ মাদকতাত মত্ত হৈ থকাটো তাইৰ বাৰু ভুল হৈছেনে কি ? সদায় ছাঁৰ দৰে বিজনৰ গাতে লাগি ফুৰিলেও আজিৰ দৰে কাহানিও বাসৱী দুৰ্বল হৈ পৰা নাছিল। বিজনৰ চকু-মুখলৈ চাই কোনো দিনে তাই আজিৰ দৰে তৃপ্তি পোৱা নাছিল। আজি তাইৰ কি হৈছে ? মানুহৰ মুক্তিৰ বাবে ওলাই আহি তাই আজি কিয় ব্যক্তি-জীৱনৰ, নাৰী-জীৱনৰ মুক্তিৰ কথা ভাবিছে ? বিজনক ৰাজনৈতিক জীৱনৰ সহকৰ্মী বুলি নাভাবি আজি হঠাৎ তাই তাক কিয় পুৰুষ বুলি ভাবিছে ? এয়া অন্যায় হোৱা নাইনে ? এয়া তাইৰ অপৰাধ হোৱা নাইনে ? বিজনৰ ৰাজনৈতিক জীৱনৰ প্ৰতিহে তাই আকৰ্ষিত হৈছিল, তাইতো কোনো দিনে তাৰ ব্যক্তিগত জীৱনৰ প্ৰতি আকৰ্ষিত হোৱা নাছিল। তেনেহ'লে তাইৰ আজি কি হৈছে ? কিয় এনে হৈছে ? বিজয় বৰুৱাৰ আগত প্ৰকাশ কৰা সেই দৃঢ়তা আজি কেনি গ'ল ? তেতিয়া কি হাতত ত্ৰিলোচন থকা বাবে বিজনৰ প্ৰতি সেই অৱহেলা ? আৰু আজি ত্ৰিলোচন হাতৰ পৰা সাৰি গ'ল বাবে এই দুৰ্বলতা ?

নাই নহয়, বাসৱী ইমান স্বাৰ্থপৰ নহয়। ত্ৰিলোচন ওচৰত বা হাতত নথকা বাবেই তাই বিজনক ত্ৰিলোচনৰ ঠাইত বহুৱাবলৈ যাব কিয় ? তাই নিজৰ বাবে বা বিজনৰ বাবে এই বিপদ সংকুল পথলৈ ওলাই অহা নাই। তাই আহিছে জনগণৰ বাবে, তাই আহিছে সৰ্বহাৰাৰ মুক্তিৰ বাবে।

এইবাৰ বিজনৰ মূৰত দিবৰ বাবে গাৰু এটা বিচাৰি বাসৱীয়ে ইফালে সিফালে চালে।

কিন্তু তাইৰ দৃষ্টিত গাৰু এটা ধৰা পৰাৰ আগতেই তাইৰ ভিতৰৰ বাসৱীজনীয়ে নিয়ন্ত্ৰণৰ সীমাৰ বাহিৰলৈ গৈ চিঞৰি উঠিল,—

তোৰ কি হৈছে বাসৱী ? চেতন তথা কৃত্ৰিম মনৰ দোহাই দি তই তোৰ অৱচেতন মনৰ কথা পাহৰি গৈছ কিয় ? তোৰ অৱচেতন মনত ত্ৰিলোচন নামৰ কোনো পুৰুষ নাই, তোৰ অৱচেতন মনত সদায় বিজন বিৰাজমান। ত্ৰিলোচন আহি তোৰ অৱচেতন মনত বিজনৰ প্ৰতি থকা বাসনাহে পূৰণ কৰিছিলিহি মাত্ৰ। অৱচেতন মনৰ তাড়নাতে তই এদিন বিজনহঁতৰ ৰান্ধনী ঘৰ পৰিস্কাৰ কৰিবলৈ গৈ গৃহনীৰ ভূমিকাত অৱতীৰ্ণ হৈছিলিগৈ। অৱচেতন মনক নিয়ন্ত্ৰণ কৰিব নোৱাৰিয়েই তই বিজনৰ পিছে পিছে ইয়ালৈ আহিছ। ইয়াত কোনো ৰাজনৈতিক আদৰ্শ জড়িত নহয়, ইযাত কোনো জনতা বা সৰ্বহাৰা জড়িত নহয়। ইয়াত এইবোৰ একো নাই, ইযাত তোৰ অৱচেতন মন আৰু বিজনহে আছে। ফু মাৰি দে তোৰ ৰাজনৈতিক আদৰ্শ। সবাৰ উপৰি তই এজনী নাৰী।—তই এজনী তেজ-মঙহৰ নাৰী। পাহৰি নাযাবি, অৱচেতন মনত বিজনৰ প্ৰতি যি আকৰ্ষণ, এই আকৰ্ষণ সম্পূৰ্ণ তোৰ নিজা নহয়। এই আকৰ্ষণ তোৰ গালৈ পাৰিজাতৰ গাৰ পৰা সংক্ৰমিত হৈছে। পাৰিজাত নামৰ সেই মানুহজনীৰ বিজয় নামৰ মানুহটোৰ লগত মিলনৰ যি বাসনা · সিয়েই তোৰ গালৈ সংক্ৰমিত হৈছে। তই পাৰিজাতৰ ছোৱালী, বিজন বিজয়ৰ ল'ৰা। তহঁতৰ মিলন প্ৰকৃতিৰ দাবী। তহঁতে এই দাবী উপেক্ষা কৰিব নোৱাৰ নোৱাৰ

বাসৱীয়ে বিজনৰ মূৰটো কোলাৰ পৰা নমাই ধানখেৰৰ ওপৰত থৈ পাৰিম পাৰিম বুলি মৃদু ভাৱে প্ৰতিবাদ কৰি উঠিছিল।

কিন্তু তাইৰ ভিতৰৰ মানুহজনীয়ে আকৌ প্ৰচণ্ড ভাৱে 'তই মানুহ তই নাৰী এয়াহে তোৰ আচল পৰিচয় বিজন আৰু তোৰ মিলন প্ৰকৃতিৰ দাবী তহঁতে এই দাবী উপেক্ষা কৰিব নোৱাৰ নোৱাৰ· ·' বুলি চিঞৰিবলৈ ধৰাত বাসৱীয়ে বিজনৰ মূৰটো আকৌ কোলাত তুলি ল'লে। প্ৰথমতে তাই বিজনৰ চুলিৰ মাজেদিহে আঙুলি বুলাইছিল,

এইবাৰ তাই বিজনৰ গোটেই মুখ-মণ্ডলকে এক অপূৰ্ব তৃপ্তিৰে পিহি দিবলৈ ধৰিলে।

বাসন্তীৰ উৎপাত সহিব নোৱাৰি বিজনে সাৰ পালে। সি খক মকৈ মাত দিলে, কোন?

বাসন্তীয়ে বুকুৰ কোমলতাৰে বিজনৰ চকু মুখ হেঁচি ধৰি বৰ আকুলতাৰে ক'লে মইহে বিজন দাদা। মই। মই বা-স-ন্তী··

নাওজান, বোকাজান, বাগিজান, জপৰাজান, দেওপানী, চিলনীজান আদি অঞ্চলত সংগঠনৰ কাম আছিল। এই অঞ্চলবোৰ যোৰহাট জিলা আৰু কাৰবি আংলং জিলাৰ ভিতৰত। এইবোৰ অঞ্চলত এফালেদি সৰু পথাৰৰ ফালৰ পৰা সোমাব পাৰি আনফালে গোলাঘাটৰ পৰাও পোনে পোনে আহিব পাৰি। বিজনহঁতে গোলাঘাটৰ ফালৰ পৰা গৈ বৰপথাৰ অঞ্চলৰ গাতে লাগি থকা চিলনীজানতে প্ৰথম ঘাটি পাতিছিল গৈ। পিছে পুলিচৰ চৰে সেই ঘাটিৰ কথা গম পোৱা বুলি অনুমান কৰি সিহঁত জপৰাজানৰ ভিতৰুৱা অঞ্চললৈ সোমাল। হাবিতলীয়া অঞ্চল। গোপনীয়তা ৰক্ষাৰ সুবিধা। ধনশিৰি নৈখন পাৰ হৈ সৰুপথাৰ অঞ্চলৰ লগতো সঘন যোগাযোগ ৰাখিব পাৰি।

সেই সৰুপথাৰলৈকে পলাতক নেতা মৃগেন হাজৰিকা আহিছিল। ধনশিৰি পাৰ হৈ এক বন পথেৰে বিজন আৰু বাসন্তীয়ে তেওঁক দেখা কৰিবলৈ গৈছিল।

জয় জয়তে মৃগেন হাজৰিকাই সিহঁতক অলপ ঘৰুৱা খবৰ দিলে।

এদিন বমৰেড এজনৰ পৰা বাসন্তীৰ মাকে আত্মহত্যা কৰা আৰু তেওঁ আত্মহত্যা কৰাৰ পিছৰে পৰা বিজনৰ দেউতাকে মানসিক অসুখত ভোগা কথাটো তেওঁ গম পাইছিল বাবে বিজনৰ দেউতাকক লৈ দময়ন্তীৰ কলৰ-জপৰথন হ'ব ভাবি এদিন নিশা হাজৰিকা বৰুৱা ভৱন ওলালগৈ। দময়ন্তীৰ পৰা তেওঁ সবিশেষ শুনি পাঁচ দিন তাত আত্মগোপন কৰি থাকিব লগা হ'ল।

বিজয় বৰুৱাৰ অৱস্থা ভাল নহয়। মানুহজন সম্পূৰ্ণৰূপে ভ্ৰান্ত হৈছে বুলি ক'ব পাৰি। বিজনে যি জন ডাক্তৰৰ হাতত দেউতাকৰ চিকিৎসাৰ দায়িত্ব দি আহিছিল তেওঁৰ চিকিৎসাৰে কোনো সুফল পোৱা নাই। এই লৈ দময়ন্তী আৰু কল্যাণ বৰ চিন্তিত। মৃগেন হাজৰিকাই পৰিচয় গোপন কৰি ডাক্তৰৰ লগত কথা-বতৰা হ'ল। ডাক্তৰৰ পৰামৰ্শ ক্ৰমে বৰুৱাক তেজপুৰৰ মানসিক চিকিৎসালয়লৈ পঠাই দিয়া হ'ল। চিকিৎসাৰ সকলো ব্যৱস্থা মৃগেন হাজৰিকাই নিজে গৈ কৰি আহিল।

ইতিমধ্যে আৰু এটা সমস্যাই গা দেখা দিছিল।

সেই সমস্যা হ'ল বাসন্তীৰ মাকৰ ঘৰখনক লৈ। কোনোবা দুৰ্বৃত্তই দুদিনো তলা ভাঙিবলৈ যত্ন কৰিছিল। ৰচিদ মিঞাৰ তৎপৰতাৰ বাবেহে ৰক্ষা পৰিল। মৃগেন হাজৰিকাৰ কোনো ধৰণৰ কৰ্তৃত্ব নাই যদিও বিজনে আপত্তি নকৰিব ভাবি, ৰচিদ মিঞাৰ লগত কথাবোৰ আলোচনা কৰি বদিৰ আৰু কল্যাণৰ বিয়াখন সেই কেইদিনৰ ভিতৰতে পাতি দিয়া হ'ল আৰু বাসন্তীৰ মাকৰ ঘৰখন সিহঁত দুটাকে চমজাই দিয়া হ'ল। পূৰ্বে নেপালী পৰিয়ালটো থকা ঘৰটোতে এতিয়া বদিৰ আৰু কল্যাণ আছে। দুৰ্বৃত্তৰ পৰা আৰু কোনো ভয় নাই।

মদ খোৱা আৰু জুৱা খেলাৰ অভ্যাস নোহোৱা হৈ গৈছে যদিও বদিৰে মাৰ-পিট্ কৰিবলৈ একেবাৰে এৰি দিয়া নাই। সি কাৰখানাৰ ইউনিয়নত লাগিছে। ইফালে কাৰখানাৰ মালিকে ইউনিয়ন ভাঙিবৰ বাবে আন আন কৌশলৰ লগতে ভেবোনীয়া গুণ্ডাৰ আমদানি কৰিছে। সেই গুণ্ডাবোৰক ঠাণ্ডা কৰি ৰাখিবৰ বাবেই হেনো বদিৰে আগৰ বেয়া অভ্যাসবিলাকৰ ভিতৰত মাৰ-পিটৰ অভ্যাসটো ৰাখিব লগা হৈছে। ইতিমধ্যে দুই তিনিটামানক ঠাণ্ডাও কৰিছে হেনো।

কল্যাণ বদিৰৰ লগলৈ অহাত দময়ন্তীৰ ভৱিষ্যত অসুবিধাৰ সম্ভাৱনাই দেখা দিছিল। পিছে ৰচিদ মিঞাই সকলো কৰাৰ দায়িত্ব লৈ অসুবিধাৰ সম্ভাৱনাবোৰ নোহোৱা কৰি দিলে। লগত দয়াৰাম আছেই। ৰচিদৰ মতে মৃগেন বেছি দিন সেই ঠাইত থকা উচিত নহয়।

পুলিচবোৰে পিয়াপি দি ফুৰিছে। ইতিমধ্যে মৃগেন আৰু বিজনক বিচাৰি সিহঁত কেইধা দিনো আহিছিল। পিছে ৰচিদ মিঞাইহে সিহঁতক ঘূৰাই পঠাইছে। ৰচিদে এবাৰ মিছা কথাও ক'ব লগা হ'ল। পুলিচবোৰে মৃগেন হাজৰিকাই বিয়া কৰাইছেন কি, দময়ন্তীযেই তেওঁৰ পৰিবাৰ নে কি বুলি সুধিছিল। ৰচিদে একে আষাৰে নহয় বুলি ক'লে। এই লৈ সিহঁত ভদ্ৰেশ্বৰ দত্তৰ ঘৰলৈও গৈছিল। দত্তইও বিজনৰ দদায়েক এজনৰ লগতহে দময়ন্তীৰ বিয়া হোৱা বুলি কৈ আসৈ মাতিলে।

খবৰটো ভাল লগা নহয় যদিও বাসন্তীৰ মনৰ দৃঢ়তাৰ কথা জানি প্ৰসংগক্ৰমে মৃগেন হাজৰিকাই ত্ৰিলোচনৰ খবৰো সদৰি কৰিলে। তাৰ দ্বিতীয় বিবাহ ইতিমধ্যে সমাপন হৈ গৈছে। ছোৱালীৰ ঘৰলৈ ত্ৰিলোচনৰ বোলে আগৰে পৰা আহ যাহ আছিল।

এইবাৰ মৃগেন হাজৰিকাই ঘৰুৱা খবৰ সামৰি বিজনহঁতৰ ফালৰ পৰা সংগঠনৰ খবৰ ল'লে।

বিজনৰ পৰা খবৰ লোৱাৰ পিছত হাজৰিকাই ব্যক্তিগত ভাৱ-চিন্তাৰ কথা প্ৰকাশ কৰিলে। প্ৰতিজন ৰাজনৈতিক সংগঠকেই বিশ্ব ৰাজনীতিৰ গতি-প্ৰকৃতি চোকা দৃষ্টিৰে নিৰীক্ষণ কৰি থকা ভাল। কোনো কোনো দেশত সমাজতন্ত্ৰৰ নামত ধনতন্ত্ৰৰ আমদানি হোৱা কথাটো সদৰি হোৱা নাই যদিও ৰাজনীতি সচেতন ব্যক্তিৰ চকুত কথাটো একেবাৰে ধৰা পৰা নাই বুলিও ক'ব নোৱাৰি। তথাপি সেইবোৰ দেশত সাধাৰণ ভাৱে ৰাজনীতি আছে। ৰাজনীতি নাই আমাৰ দেশত। গণতন্ত্ৰৰ নাম কৈ নিৰ্বাচন পাতিলেই ৰাজনীতি নাথাকে। আমি শূন্যত ওলমি আছোঁ। আমি এই অৱস্থাটোৰ অৱসান ঘটাবই লাগিব।

সময়ত মৃগেন হাজৰিকাৰ ওচৰৰ পৰা বিজনহঁতে বিদায় ল'লে।

মৃগেন হাজৰিকাৰ ওচৰৰ পৰা বিদায় লৈ সৰুপথাৰ-জপৰাজানৰ বন পথত বিজন আৰু বাসন্তীয়ে যেতিয়া খোজ দিয়ে তেতিয়া পশ্চিম

আকাশত মুনিচুনিৰ বেলি দেখা পোৱা গৈছিল। ওপৰৰ আকাশত খৰ মুৱা চৰাইজাকে গা দেখা দিছিল। ধনশিৰিৰ ঘাটত তেতিয়া মানুহৰ ভিৰ বাঢ়িছিল।...

ভিৰৰ লগতে ঘাট পাৰ হৈ বিজনহঁতে খোজৰ গতি খৰ কৰি আনিছিল। কিন্তু হঠাৎ খোজ ৰখাই ৰৈ দিব লগা হ'ল। বিজনৰ বুকুখন চিৰিং কৰি উঠিল। বাসন্তীকে তাৰ কাষ চাপি আহি চেঁপা মাতেৰে ক'লে,—এতিয়া পিছে কি হ'ব বিজন দাদা? খেদি আহে যদি

বিজনে লুং লুঙীয়া হাবি বাটটো ভেটি স্থিৰ দৃষ্টিৰে সিহঁতলৈ চাই ৰৈ থকা হাতীটোলৈ চালে। আজি কেইদিনমানৰ আগৰ পৰা দেওপানী আৰু চিলনীজান অঞ্চলত বনৰীয়া হাতী এটাই আতংকৰ সৃষ্টি কৰি ফুৰিছে। যদি সেই হাতীটোৱেই এইটো হয় তেনেহলে সি খেদি আহিবই। যদি খেদি আহে যদি খেদি আহে

নিজৰ অজ্ঞাতেই বিজনে বাসন্তীক একেবাৰে গাৰ কাষলৈ চপাই আনিলে।

হঠাৎ গজৰাজ আক্ৰমণৰ বাবে সাজু হ'ল।

বিজনহঁতে ইবোৰ সিবোৰ চিন্তা বাদ দি পিছলৈ ঘূৰি ভিৰাই লৰ মাৰিলে। সিহঁতে যিমানে দৌৰিলে হাতীটোৱেও সিমানে খেদি আহিল। হাতীটোৱে যেতিয়া খেদিবলৈ এৰি ঘূৰি গ'ল বাসন্তীৰ তেতিয়া মাত-বোল বন্ধ হ'বৰ উপক্ৰম। 'মই আৰু নোৱাৰোঁ বিজন দাদা' বুলি তাই হাবিৰ মাজতে বহি পৰিল। অলপ পিছতে তাই পানী খাবলৈ বিচাৰিলে। এতিয়া হাবিৰ মাজত ক'ত পানী পোৱা যায়? বিজন বিবুধিত পৰিল।

কোনো উপায় নেদেখি বিজনে বাসন্তীক পিঠিত তুলি ল'লে। সি ধনশিৰীৰৰ পাৰলৈ ঘূৰিল। আগবাঢ়িব নোৱাৰি। হাতীটোৱে যে সিহঁতক বাট এৰি দিব আশা নাই।

সকপথাৰলৈ যোৱা ঘাটৰ পৰা কিছু পশ্চিমত বিজনে বাসন্তীক পিঠিৰ

পৰা নমালে। নৈৰ পৰা পানী খাবলৈ দিলে। পানী-তুনী খাই তাই কিছু সুস্থ হ'ল। হ'লেও জপৰাজানলৈ অন্য পথেদি খোজ কাঢিব পৰা শক্তি তেতিয়া তাইৰ গাত নাছিল। সিহঁতে এতিয়া ক'ত আশ্ৰয় ল'ব সেই কথা চিন্তা কৰিলে। সিহঁত য'ত বৈছিলহি সেই ফালেদিয়েই আগৰ গোলাঘাটৰ পৰা ডিফুলৈ যাব পৰা পকা আলিবাটটো আছিল। পিছে তাৰে কিছু অংশ ধনশিৰীয়ে খহাই নিযাত জপৰাজানৰ ফালে নতুন বাটটো কৰা হ'ল। কোনো কোনো ঠাইত পুৰণি আলিটোৰ অৱশেষ এতিয়াও বৰ্তমান। সেই অৱশেষৰ কাষতে কিছু পশ্চিমলৈ কেইঘৰমান কাৰ্বি মানুহ থকাৰ কথা বিজনৰ মনত পৰিল। লগে লগে ৰাতিটো তাৰে কোনোবা এঘৰত কটাবৰ বাবে সি স্থিৰ কৰি পেলালে। বাসন্তীক কথাটো কোৱাত তায়ো মান্তি হ'ল।

সন্ধ্যাৰ পিছত সিহঁতে সেইখিনি পাই দেখে যে তাত কাৰ্বি মানুহ কেইঘৰ নাই। চুলিৰ আগত জীউ বান্ধি সিহঁত আৰু অলপ আগবাঢি গ'ল। এইবাৰ সিহঁতৰ মুখলৈ পানী আহিল, কাৰ্বি এঘৰ আছে।

এঘৰ ঠিক নহয়—এজন মানুহহে।

বিজন আগবাঢি গৈ মানুহজনক আদ্যোপান্ত বিৱৰি ক'লে। মানুহজনে সিহঁতৰ বিপদৰ কথাত পতিয়ন গ'ল। তেওঁ ঠাইহে দিব পাৰিব, শুবলৈ কিন্তু ঢাৰী-পাটী একো দিব নোৱাৰে। খাবও লাগিব বনৰীয়া আলু। চাউল-চকুৰ ব্যৱস্থা তেওঁৰ নাই। অকল তেওঁৰেই নাইনে? মানুহজনে কোৱা মতে সেই অঞ্চলৰ হাবিৰ মাজে মাজে বাস কৰা বহুতো কাৰ্বি লোকৰে আজি কেইবামাহো ধৰি চাউল-পাতৰ ব্যৱস্থা নাই। চাউল পাতৰ ঠাই লৈছে বনৰীয়া আলুৱে।

বিজনহঁতে খোৱা-শোৱা বাদ দি অকল ঠাই ডোখৰহে বিচাৰিলে।

কাৰ্বি লোকজনে বিজনহঁতক আলহী হিচাপে আদৰিবলৈ পাই ভালেই পালে। কেৰাহিখনৰ উতলি থকা পানীখিনিত বনৰীয়া আলু এগাল পেলাই দি তেওঁ বিজন আৰু বাসন্তীৰ লগত কথা আৰম্ভ কৰিলে।

বিজনহঁতক দেখি আজি বহুত দিনৰ মূৰত তেওঁৰ মানুহ দেখাৰ সৌভাগ্য ঘটিল হেনো। হাবিৰ আলু খাই, হাবিৰ মাজত থাকি থাকি তেওঁলোকো হাবিৰ জন্তু-জানোৱাৰৰ দৰেই হৈ গৈছে। নৈখন পাৰ হ'লেই সেইখন সৰুপথাৰ। কিন্তু হ'লে কি হ'ব? নগৰৰ মানুহে হাবিত বাস কৰা তেওঁলোকৰ খবৰ লৈ জগৰ লগাবলৈ আহিবনে? হাবিৰ পৰা মুকলিলৈ ওলাবলৈ তেওঁলোকে যত্ন কৰিও বিফল হৈছে। হাবিত তেওঁলোকৰ বাবে আলু কেইটা আছে, মুকলিত তেওঁলোকৰ বাবে একো নাই।

যি কেইঘৰ মানুহক লগ পাব বুলি বিজনহঁত আহিছিল সেই কেইঘৰৰ খবৰ লোৱাত মানুহজনে জনালে যে, অকল সেই কেইঘৰেই নহয়, এই অঞ্চলৰ গোটেইখিনি মানুহেই যোৱা বছৰ এই ঠাই এৰি বালিপথাৰৰ পূবৰ পাহাৰ অঞ্চললৈ উঠি গ'ল। এই অঞ্চলৰ বনৰীয়া আলুবোৰ খাই খাই শেষ হ'ল যেতিয়া আন আলু থকা ঠাইলৈ যাবই লাগিব। সেই ঠাইত খাই খাই শেষ হ'লে আকৌ আন কোনোবা ঠাইলৈ। এই দৰেইতো চলি থাকিব লগা হৈছে। মুকলিত থকা মানুহবোৰে হাবিত থকা মানুহৰ দুখ কি বুজিব?

বনৰীয়া আলুখিনি ইতিমধ্যে সিজি উঠিছিল। মানুহজনে জুই-কুৰাৰ ওপৰৰ পৰা কেৰাহিখন নমাই আনিলে। চেঁচা হ'বৰ বাবে অলপ আতৰলৈ থৈ জুইকুৰাৰ ওপৰত খৰি কেইডালমান জাপি দিলে। খৰি কেইডাল পাই জুইকুৰা দপ্ দপকৈ জ্বলি উঠিল। জুইকুৰা জ্বলি উঠাত ঘৰটোৰ ভিতৰখনৰ চাৰিও চুক দেখা পোৱা গ'ল। বিজনহঁতে তেতিয়াহে বুজি পালে যে পোহৰৰ বাবে জুই-কুৰাৰ বাহিৰে আন কোনো বেলেগ ব্যৱস্থা নাই। এৰা, হাবিৰ মানুহকনো পোহৰৰ কি প্ৰয়োজন! এওঁলোকে মনৰ পোহৰেৰেই সকলোকে দেখা পায়।...

সিজা আলুখিনি তিনি ভাগ কৰি এভাগ নিজে লৈ দুভাগ বিজন আৰু বাসৱীলৈ আগবঢ়াই দিলে। সিহঁতে খাবলৈ লৈ, দুই এটা খাই

বৈ গ'ল যদিও মানুহজনে অতি তৃপ্তিৰে আটাই-কেইটা আলু খাই শেষ কৰিলে।

—তুমি এই ভাগো খোৱা ককাই। আমাৰ এভাগেই হ'ব। ভোকৰ বেছি নাই। নিজৰ ভাগটো মানুহজনলৈ আগবঢ়াই দি বাসৱীয়ে ক'লে।

মানুহজনে কোনো ধৰণৰ প্ৰতিক্ৰিয়া প্ৰকাশ নকৰি বাসৱীৰ ভাগটো ওচৰ চপাই নি গো-গ্ৰাসে গিলি পেলালে।

সময়ত মানুহজন নিৰ্বিকাৰ চিত্তে মাটিতে শুই পৰিল। বিজনহঁতক ক'লে,—কাপোৰ কানি একো নাই মিতা। মাটিতেই শো।

কথাবাৰ কোৱাৰ অলপ সময়ৰ পিছতে মানুহজনৰ নাক বাজি উঠিল।

বিজন উঠি গৈ জুইকুৰাৰ ওপৰত আকৌ খৰি কেইডালমান জাপি দিলে।

চাৰিওফালৰ পৰা আন্ধাৰে হেঁচি আনিব ধৰা কোঠাটো আকৌ পোহৰ-হৈ পৰিল।

বিজনে এইবাৰ একখণ্ড জড় পদাৰ্থৰ দৰে পৰি থকা মানুহজনলৈ চালে। খাবলৈ নাপাই শুকাই হাড়-ছাল ওলোৱা বাবে মানুহজনৰ বয়স কোনোমতে অনুমান কৰিব নোৱাৰি। দাড়ি-চুলি বাঢ়ি মানুহজন দেখাত কিম্ভূত কিমাকাৰ হৈছে। মুকলিৰ পৰা অহা সভ্য মানুহে দেখিলে ভয়েই কৰিব। আজি বিপদত পৰি ইযাত আশ্ৰয় নোলোৱা হ'লে বা ল'ব লগা নোহোৱা হ'লে সিহঁতবো কিজানি ভয়েই লাগিল-হেতেন। কিন্তু কিয় এনে হৈছে? কিয় এই মানুহজন এনে ভয়লগা অৱস্থাত পৰিছেগৈ? কিয়?

—এই মানুহবোৰৰ কোনোবা দিনা মুক্তি হব'নে? দিনক ৰাতি ৰাতিক দিন কৰা সিহঁতৰ এই সংগ্ৰামে এই মানুহবোৰক এনে অৱস্থাৰ পৰা ওপৰলৈ নিব পাৰিবনে?

.. অকস্মাতে বিজনৰ গাত বাসৱীয়ে খুন্দা মাৰি দিযাত তাৰ ভাৱত যতি পৰিল। সি তাইৰ ফালে ঘূৰি চালে। তাই বহি থকা ঠাইতে টোপনিয়াবলৈ আৰম্ভ কৰিছে। হাতীৰ খেদাত প্ৰাণটাকি দৌৰিব

লগা হোৱাত তাইৰ বৰ ভাগৰ লাগিছিল আৰু সেই ভাগৰতে এতিয়া এনেদৰে টোপনিয়াব লগা হৈছে।—বাসৱীৰ কোমল মুখখনলৈ চাই বিজনৰ বেয়া লাগি আছিল। ছোৱালীজনীক বিচনাৰ নামত কাপোৰ এখনে গাৰু এটাই যোগাৰ কৰি দিব পৰা হ'লে বৰ ভাল আছিল। কিন্তু এতিয়া সেই ছুটা বস্তু ক'ত পোৱা যাব ?

বিজনৰ কৰঙণটোকে গাৰু হিচাপে ব্যৱহাৰ কৰি শুদা মাটিৰ ওপৰতে বাসৱী শুই পৰিল।...বিজনে এবাৰ কাষৰ মানুহজনলৈ আৰু এবাৰ বাসৱীলৈ চালে। পিছত নিজকো সাঙুৰি মানুহজনৰ ফালে চাই মনতে ক'বলৈ ধৰিলে—

তুমি যি অৱস্থাত জীয়াই আছা আমিও আজি সেই একে অৱস্থাতে জীয়াই আছোঁ ককাই। তোমালোকক সহানুভূতি জনাবৰ বাবে নহয়, প্ৰয়োজনৰ তাগিদাত আমি এই জীৱন স্বেচ্ছাই গ্ৰহণ কৰিছোঁ। কিন্তু তোমালোকৰ এই জীৱন স্বেচ্ছাকৃত নহয়।তোমালোকক আমাৰ দেশৰ সামাজিক গাঁঠনিয়ে, আমাৰ দেশৰ ধনতান্ত্ৰিক শাসন ব্যৱস্থাই এই অৱস্থালৈ ঠেলি দিছে। আমি তোমালোকক উদ্ধাৰ কৰিমেই। চোৱাচোন ককাই, মোৰ কৰঙনটোকে গাৰু হিচাপে লৈ এই ছোৱালীজনী কেনেকৈ শুই আছে ? সুসজ্জিত কোঠাৰ কোমল বিচনাৰ পৰা এই ছোৱালীজনী এনেই নামি আহি তোমাৰ ঘৰৰ মাটিত পৰি আছেহি বুলি নাভাবিবা। এই এটা মহৎ উদ্দেশ্য লৈহে আহিছে। এই সাম্যবাদ বিচাৰি আহিছে ধনী আৰু ছুখীয়া সম্প্ৰদায ছুটা নোহোৱা কৰিবলৈ আহিছে।

এৰা, বাসৱীজনীৰ বৰ কষ্ট হৈছে। বিজনৰ বাসৱীহঁতৰ ঘৰলৈ মনত পৰিল। —দেউতাকৰ মৃত্যুৰ পিছত মাক-জীয়েক ছুয়ো সুখেৰেই আছিল। বিজনৰ দেউতাকেহে তাইক বোৱাৰী হিচাপে পাবলৈ খৰ-ধৰ কৰাত গোটেইখন ওলট পালট হৈ গ'ল। ত্ৰিলোচনৰ লগত বাসৱীৰ বিয়াখন পাতি নিদিয়া হ'লেই ভাল আছিল। তেতিয়া এৰা এৰিও নহ'লহেতেন। আৰু বাসৱীও তাৰ লগত আহি এনেদৰে জীয়াতু

তুলিব নালাগিলহেতেন !···এৰা, বাসৰীজনীৰ সঁচাকৈয়ে বৰ কষ্ট হৈছে। ক'ত সেই বহল কোমল তুলি ·আৰু ক'ত এই শুকান মাটি ? দেহি নিজৰ অজ্ঞাতেই বিজনে বাসৰীৰ গাল-মুখ পিহি দিলে।

বাসৰীজনী এই কেইদিন অলপ খীণাইছেও। অৱশ্যে মুখৰ কমনীয়তা অলপো ম্লান হোৱা নাই। দিনক দিনে যেন ধুনীয়াহে হৈ আহিছে। · বাসৰী কিয় ধুনীয়া হৈছে বাৰু ? ছোৱালীবোৰ খীণালেই ধুনীয়া হয়নে কি বাৰু ? সিহঁতৰ কি লাভ হয় ? লাভ চাগে এটাই হয়, সিহঁতে পুৰুষবোৰক সোনকালে আকৰ্ষণ কৰিব পাৰে। যেনেকৈ বাসৰীয়ে তাক কৰিছে।

বিজনৰ লগত বাসৰী নামৰ এই ছোৱালীজনীয়ে দিনে নিশাই এনেদৰে কষ্ট কৰি ফুৰিলে তাইৰ মুখৰ কমনীয়তা নোহোৱা হৈ যাবনে কি বাৰু ? যায় যদি ? তেনেহ'লে বাসৰীক বুজাই বঢাই ঘৰলৈকে ঘূৰাই পঠিয়াবনে কি ? কিন্তু তাই ঘূৰি যাব জানো ? সিদিনা বাহিৰলৈ ওলাব নালাগে বুলি কোৱাৰ লগে লগে যেনে দৰেহে ওফোন্দ পাতিলে ! বিজনৰ মনত পৰিলে হাঁহিয়েই উঠি আহে। কিহৰ আকৰ্ষণত বাৰু বাসৰীয়ে ৰাজনৈতিক পলাতকৰ এই ভয় লগা পথ বাছি ল'লে ? বিপ্লৱী ৰাজনীতি কৰিবলৈকে জানো বাসৰীয়ে ত্ৰিলোচনক এৰি আহিল ? যদি সেয়ে হয় তেনেহলে তাই তাৰ লগে লগে ফুৰিবলৈ বিচাৰে কিয় ? কিবা এটা ক'লেই ওফোন্দ পাতে কিয় ?

তাৰ কৰঙনটোকে গাৰু হিচাপে লৈ শুই থকা বাসৰীয়ে ডিঙিত দুখ পোৱা যেন অনুমান হ'ল বিজনৰ। সি ভাল দৰে লেপেটা কাঢি বহি তাইৰ মূৰটো তাৰ কোলাত তুলি ল'লে। এইবাৰ সি আলফুলকৈ তাইৰ গোটেই মূৰটোকে পিহি দিবলৈ ধৰিলে। তুমি মিছাকৈয়ে কষ্ট ভোগ কৰিবলৈ আহিলা বাসৰী। তুমি নহা হ'লেও, তুমি আছি নাৰী বাহিনীটো গঠন নকৰাহি হ'লেও আমাৰ দলৰ কাম চলি থাকিলহেতেন। ত্ৰিলোচনক এৰি বাৰু আহিলা আহিলা—তুমি মোৰ ঘৰতে থাকিব পাৰিলাহেতেন। দময়ন্তী বৌৱে তোমাক ঘৰ এৰি নাহিবৰ বাবে

ইমানকৈ কৈছিল···তুমি মোৰ কথা শুনিলানে বাক· তুমি কিয় আহিলা বাসন্তী ? কিয় আহিলা ?

···এনেতে বিজনৰ কাণত মাকৰ অশৰীৰী স্বৰ বাজি উঠা যেন লাগিল।

·· তোৰো বৰ কষ্ট হৈছে বিজন। · তোক মই দুখীয়াক সহায় কৰিবলৈ কৈছিলোঁ। হয়, কিন্তু তেওঁলোকক সহায় কৰিবলৈ আহি তই যে এনেদৰে কষ্ট ভোগ কৰিবিহি মই ভাবিবই পৰা নাছিলোঁ।···তই আৰু কষ্ট নকৰিবি। তোৰ কষ্ট সহিব নোৱাৰিয়েই বাসন্তী তোৰ লগত গুচি আহিছে। তাই তোৰ কষ্টৰ সমভাগী হ'ব খুজিছে। তই তাইক লৈ ঘূৰি যা। তই তাইক লৈ ঘূৰি যা তাইক লৈ তাইক...

ভূমিকম্পত পৃথিৱী কঁপাৰ দৰে বিজনৰ গাটো কঁপি উঠিল। সি দিক্‌ভ্ৰান্তৰ দৰে ইফালে সিফালে চালে। কিন্তু ক'ত কি দেখিব ? সিফালে গৃহস্থজন মৰা কাঠ পৰাদি পৰি আছে। ঘৰটো পোহৰাই থকা জুইকুৰা নুমাই পানী-ছাই হৈছে। ক'তো একোৰে অস্তিত্ব উপলব্ধি কৰিব নোৱাৰি। মাথো কোলাত থকা বাসন্তীৰ অস্তিত্বহে উপলব্ধি কৰিব পাৰি। মাথো বাসন্তীৰহে মাথো বাসন্তী বা-স-ন্তী—

বিজন আকৌ কঁপি উঠিল।

.নাই নাই, নহয়, নহয়, বাসন্তী তাৰ কোনো নহয়। বাসন্তী তাৰ ৰাজনৈতিক সহকৰ্মী বাসন্তী তাৰ ৰাজনৈতিক বন্ধু ..তাৰ বাহিৰে তাই তাৰ কোনো নহয়। তাৰ প্ৰতি বাসন্তীৰ মনত দুৰ্বলতা থাকিব পাৰে. . কিন্তু তাৰ মনত বাসন্তীৰ প্ৰতি কোনো দুৰ্বলতা নাই।...তাৰ সত্বাত বাসন্তীৰ অস্তিত্বৰ উপলব্ধি। মিছা মিছা মিছা। বাসন্তীক লৈ সি ঘৰলৈ ঘূৰি নাযায়। সি বাসন্তীকহে ঘৰলৈ ঘূৰাই পঠাব।·· তাই তাক ছলনা কৰিবলৈ আহিছে। তাই তাৰ ৰাজনৈতিক আদৰ্শ নষ্ট কৰিবলৈ আহিছে ··তাই তাক পথভ্ৰষ্ট কৰিবলৈ আহিছে। তাই তাক · বাসন্তীয়ে···বিজনক···

বিজনে বাসন্তীৰ মূৰটো কোলাৰ পৰা নমাই দিলে।

লগে লগে বিজনৰ ভিতৰৰ মানুহটোৱে কৈ উঠিল—

...ছিঃ ছিঃ তই এইয়া কি কৰিছ বিজন? একনী কোমলাংগী নাৰীৰ প্ৰতি এনেদৰে নিৰ্দয় হোৱাটো তোৰ বৰ অন্যায় হৈছে। বাসন্তীৰ মুখটো কোমলৰ পৰা নমাই দিয়াত তাই কষ্ট পোৱা নাইনে? চাচোন চা, ভাল দৰে চা। বাসন্তীয়ে এদিন অৱচেতন মনৰ কথা উপেক্ষা কৰি চেতন মনৰ কথা যেনেদৰে বেছিকৈ ভাবিছিল, তয়ো আজি তোৰ অৱচেতন মনক উপেক্ষা কৰি চেতন মনৰ কথাকে বেছিকৈ ভাবিছ।· · কিন্তু অৱচেতন মনৰ ওচৰত তই এদিন পৰাজয় বৰণ কৰিবই লাগিব।·· তোৰ অৱচেতন মনে সদায় বাসন্তীকে বিচাৰি ফুৰিছে।· তই বাসন্তীক ভাল পাৱ। তোৰ গালে এই ভালপোৱা সংক্ৰমণ হৈছে বিজয় বৰুৱাৰ পৰা—তোৰ দেউতাৰৰ পৰা। বিজয় বৰুৱাৰ মনত পাৰিবাৰিক ভাল পোৱাৰ বাসনা বহু পৰিমাণে অপূৰণ হৈ ৰ'ল, তোৰ মাধ্যমেদিয়েই সেই বাসনা পূৰ হ'ব লাগিব। এয়া প্ৰকৃতিৰ দাবী, মানুহৰ অৱচেতন মনৰ দাবী।– চাচোন চা, তোৰ বাবেই আহি বাসন্তীজনী কেনেদৰে মাটিত পৰি আছেহি। তাইৰ বৰ কষ্ট হৈছে। তাইৰ মুখটো তুলি ধৰ· · তাইৰ· মুখটো

· ধৰ· ধৰ· ধৰ·· ধৰ

যন্ত্ৰৰ দৰে বিজনে বাসন্তীৰ মুখটো তুলি ধৰিলে।

এক অদ্ভুত শব্দেৰে মাটিত পৰি টোপনিত লালকাল দি থকা কাৰ্বি মানুহজনে বাগৰ সলালে। লগে লগে বিজনৰ চেতন মনটোৱে সাৰ পাই উঠিল—

...নাই,· নাই,—তোৰ দৰে এটা বিপ্লৱী যুৱকৰ বাবে...এইবোৰ অলপো শোভনীয় হোৱা নাই।...সৰ্বহাৰাৰ বাবে জীৱনৰ সৰ্বস্ব ত্যাগ কৰি ওলাই আহি এতিয়া ইমান দুৰ্বল হ'লে কেনেকৈ হ'ব?...এইবোৰ কৰিবলৈ গ'লে তোৰ কৰ্তব্যত বাধা নপৰিবনে? তই মানসিক সুস্থতা নোহোৱা যুৱকৰ দৰে কথাবোৰ ভাবিছ কিয়? তেনেদৰে ভাবিলে নহ'ব নহ'ব

আকৌ ভিতৰৰ বিজনটোৱে চিঞৰি উঠিল—

ফাঁকি নিদিবি ফাঁকি দিবলৈ যত্ন নকৰিবি। · তোৰ সকলো পৰিচয় মিছা। তই যে তেজ মঙহৰ এজন সক্ষম যুৱক সেই পৰিচয়হে সঁচা। সক্ষম যুৱক বিজনৰ ওচৰত ৰাজনৈতিক আদৰ্শ, সৰ্বহাৰাৰ বাবে ত্যাগ সংযম···এইবোৰ অৰ্থহীন।..,তই ভণ্ডামি নকৰিবি।...সুগেন হাজৰিকাই অবচেতন মনৰ ওচৰত কেনেদৰে পৰাজয় বৰণ কৰিলে দেখা নাই?...দময়ন্তীয়ে তেওঁৰ কৰ্তব্য সম্পাদনত বাধা দিছেনে কি?...সুগেন হাজৰিকাই ভণ্ডামি কৰা নাই। তয়ো নকৰিবি। তই বাসন্তীক ভাল পাওঁ বুলি ক...

...ক...ক...ক...ক. .ক...

কোলাত থকা বাসন্তীৰ মুখটো বিজনে অস্বাভাৱিক ভাৱে মোহাৰি দিলে।

বাসন্তীয়ে সাৰ পাই ক'ল,—কি হৈছে বিজন দাদা?

বিজনে আকুল ভাৱে ক'লে,—একো হোৱা নাই বাসন্তী। তুমি নিশ্চিন্ত মনেৰে শুই থাকা।...মই তোমাক মৰম কৰিছোঁ।...মৰমহে কৰিছোঁ। ম...ৰ...ম হে...

## পোহৰ

ছুবৈৰ কাঁহত নিশা বাৰ বজাৰ সংকেত পৰিল।

বিজয় বৰুৱাই চকু দুটা মেলি দিলে। চেষ্টাৰ দ্বাৰা টোপনি নহয়। টোপনিৰ বাবে যিমানে চেষ্টা কৰা যায় সিমানে টোপনিয়ে লগ এৰা দিয়ে। বিজয় বৰুৱাই ন বজাৰ পৰা বাৰ বজালৈ সম্পূর্ণ তিনি ঘণ্টা সময় সেই একেটা চেষ্টাকে কৰি আছিল। কিন্তু কোনো কামত নাহিল। অৱশেষত তেওঁ চকু দুটা মেলি দিলে।

তাৰ আগে আগে তেওঁ পুৰণি কথাবোৰ ভাবিছিল। জয়শ্ৰীলৈ মনত পেলাইছিল। কাঞ্চনৰ কথা মনত পেলাইছিল। পাৰিজাতৰ লগত কটোৱা দিনকেইটাৰ কথা মনত পেলাইছিল।..আগতে এইবোৰ কথা মনলৈ আনিলেই তেওঁৰ কি হৈ যায় জানো—চাৰিওফালে প্ৰেতাত্মাবোৰৰ চিঞৰ বাখৰ শুনিবলৈ পোৱা যেন লাগে। আজিকালি পিছে তেওঁ সেইবোৰ মুগুনা হৈছে। সামান্য ভাৱে গাটো লৰাই এই মুহূৰ্তটো বিজয় বৰুৱাই কাণ দুখন সজাগ কৰিলে—কিজানি আগতে শুনা সেই চিঞৰ বাখৰ আৰু অট্টহাস্যবোৰ শুনিবলৈ পায়েই। নাই, তেওঁ একো শুনা নাই। চাৰিও ফালে নিজম—নিতাল। নিশাৰ স্বাভাৱিক পৰিবেশ।

বিজয় বৰুৱা বিচনাতে বহিল।

...তেনেহ'লে মৃগেন হাজৰিকাই তেওঁৰ বৰ উপকাৰ কৰিলে? মৃগেনে আহি তেওঁক তেজপুৰলৈ লৈ নোযোৱা হ'লে, তেজপুৰত তেওঁ দুবছৰ থাকি ঠিক মতে মানসিক চিকিৎসা লৈ নহা হ'লে আজি হয়তো এইবোৰ কথা ভাবিবলৈ, টোপনিৰ বাবে তিনিঘণ্টীয়া চেষ্টা কৰিবলৈ জীয়ায়েই নাথাকিলহেতেন।..তেজপুৰৰ পৰা ঘূৰি আহিবৰ আজি প্ৰায় চাৰিমাহ হ'ল। এই চাৰি মাহে তেওঁৰ দেহৰ বা মনৰ কোনো অস্বভাৱিকতা পৰিলক্ষিত হোৱা নাই। মাত্ৰ যোৱা আঠ দহ দিন তেওঁৰ টোপনিৰ

মাত্রা কমি গৈছে। কেতিয়াবা টোপনিৰ কাৰণে চেষ্টা কৰিব লাগে। কেতিয়াবা মাজনিশা হঠাৎ সাৰ পাই যায়। কেতিয়াবা আকৌ গোটেই নিশা বৰ ঘনাই ঘনাই সাৰ পাই থাকে। কিয় এনে হৈছে? এয়া কি মানসিক অসুস্থতাৰ পূৰ্বৰ লক্ষণ?

জয়শ্ৰীৰ ছবিখন যি ঠাইত আছিল আঠুৱাখন দাঙি বিজয় বৰুৱাই বেৰখনৰ সেই ঠাই ডোখৰলৈ চালে। নাই, তাত একো নাই। বেৰখন কঁপা নাই। জয়শ্ৰী বা কাঞ্চন আগতে অহাৰ দৰে কোনো তালৈ অহা নাই।

মনত সাহস পাই বৰুৱা বিচনাৰ পৰা নামিল। দুৱাৰখন মেলি দিলে। শীতল বতাহ এছাটিয়ে তেওঁক স্পৰ্শ কৰি গ'ল। আঃ বাহিৰখন ইমান ভালনে? কোঠাৰ ভিতৰতহে কিবা গা-মূৰ গোটেইবোৰ জ্বলি যোৱা যেন লাগে।

বৰুৱা আগফালৰ ছাদলৈ আহিল।

তলৰ বাৰান্দাত থকা লাইটটোৱে অনাবিল ভাৱে পোহৰ ছটিয়াইছে। সেই পোহৰত বৰুৱা ভৱনৰ সন্মুখৰ ফুলনিখন বৰ মনোৰম হৈ জিলিকি উঠিছে। নিশাৰ মৃদু বতাহ ছাটিয়ে ফুলবোৰ মৃদু ভাৱে জোকাৰি যোৱাত সৌন্দৰ্য অধিক বৃদ্ধি হৈছে। বিজয় বৰুৱাই দৃষ্টি তীক্ষ্ণ কৰিলে। ফুলনিখনত তেওঁ কাৰোবাক দেখিছেনে কি বাৰু? জয়শ্ৰীক . পাৰিজাতক বাসৱীক

বাসৱীক বা-স-ৱী-ক বা-স-ৱী...

বাসৱী বাসৱী বুলি বৰুৱাই বিৰ বিৰাই উঠিল। বৰুৱাৰ বুকুখনো বিষাই যোৱা যেন লাগিল। সেই মুহূৰ্তত তেওঁ আন সকলোৰে কথা বাদ দি বাসৱীৰ কথাকে ভাবিবলৈ ধৰিলে।. ছোৱালীজনী ক'ত আছেগৈ বাৰু? সঁচাকৈয়ে কি তাই বিজনৰ লগত আছেগৈ?··· সিহঁতৰ কি বিয়া হৈ গৈছে? বিয়া হৈ গৈছে যদি বাসৱী ঘৰলৈ ঘূৰি নাহে কিয়? বিজনেই বা তাইক ঘৰত থৈ যোৱাহি নাই কিয়? সি বাৰু তাইক ক'ত তলৌ তলৌ লৈ ঘূৰি ফুৰিছেগৈ?

বিজন আৰু বাসন্তীৰ অবিহনে বৰুৱাই বৰ অসহায় অনুভৱ কৰিলে। ল'ৰা ছোৱালীহাল আজি তেওঁৰ লগত থকা হ'লে...বৰ ভাল লাগিলহেতেন বৰ ভাল। কিন্তু দোষ যে তেওঁৰেই। তেওঁ পাৰিজাতৰ লগলৈ নগৈ গাৰ বলেৰে হ'লেও বিজন আৰু বাসন্তীৰ বিয়াখন পাতি দিব লাগিছিল। ত্ৰিলোচনটোৱে মিছা-মিছি তাইক লৈ গৈ. বৰুৱাই জানে, বাসন্তীয়ে বিজনৰ বাদে কাকোৱেই—কোনো ত্ৰিলোচনকেই ভাল পাব নোৱাৰে। তেওঁলৈ পৰিজাত যি টান, বিজনলৈও বাসন্তীৰ একেই টান। তাই মুখেৰে ত্ৰিলোচনক ভাল পাওঁ বুলিলেই হ'লনে? ভালেই যদি পায় তেনেহলে তাৰ লগত থাকিব নোৱাৰিলি কিয়? এতিয়া পিছে বিজনৰ লগে লগে ফুৰিছেগৈ কিয়?..আৰু ই বিজনেও মুখতহে ফকীৰটো হৈ দেখুৱায়। সিও আচলতে তাইকে ভাল পায়। ভাল যদি নাপায়েই, মনত যদি দুৰ্বলতা নায়েই এতিয়া বাপেৰক এৰি, নিজৰ ঘৰ-বাৰী এৰি তাইক লৈ বনে-জংঘলে ফুৰিছেগৈ কিয়?

বিজয় বৰুৱাই কেইখোজমান ইফালে সিফালে চালে।

.বনে-জংঘলে ফুৰি বিজন-বাসন্তীয়ে একো ভুল কৰা নাই। ঘৰত একেলগে থকাৰ অসুবিধা হ'লে মানুহ তেনেদৰে বনে জংঘলে যাবই।... মানুহ সভ্যতাৰ জখলাত দোপত দোপে যিমানেই উঠক লাগিলে, মানুহ মানুহেই।—মানুহে আদিমতাক কেতিয়াও উপেক্ষা কৰিব নোৱাৰে। মানুহ আদিমতাৰ দাস। বিজন-বাসন্তীয়ে মানৱ-প্ৰকৃতিৰ সেই দাসত্বকে স্বীকাৰ কৰি লৈছে। যেনেকৈ লৈছিল বিজয় বৰুৱাই নিজে।... আদিম মনটোৱে চেঁপি থকাৰ বাবেইতো তেওঁ পাৰিজাতৰ ঘৰলৈ ঘৰ-সংসাৰ সকলো এৰি ঢাপলি মেলিছিল।..বিজন বাসন্তীয়েও ইটোৱে সিটোৰ ওচৰলৈ তেনেদৰেই ঢাপলি মেলাটো স্বাভাৱিক। আমাৰ অপূৰণ হৈ থকা বাসনাই সিহঁতৰ যোগেদি পূৰ্ণতা লাভ কৰিবই।

এতিয়া ল'ৰা-ছোৱালী দুটাক ক'ত বিচাৰি পোৱা যাব? সিহঁতক কেনেকৈ ঘৰলৈ ঘূৰাই অনা যাব?

...বিজয় বৰুৱাই পদূলিলৈ চালে।—সিহঁত সোমাই অহা হ'লে...

অলিখন লৈ আগে আগে বাসন্তী...তাইৰ পিছতে বিজন...বৰুৱাৰ ওচৰ পাই বাসন্তীয়ে সেৱা এটা কৰা হ'লে···তেওঁ এনেদৰে মুখত কাণ্ড ফুৰাই... বিজয় বৰুৱাই শূন্যতে হাতখন বাসন্তীৰ মুখত ফুৰাই দিয়া নিচিনা কৰি কৈ উঠিল সুখী হোৱা আই .

নিশাৰ আন্ধাৰবোৰ কঁপি উঠিল।

বৰুৱাই নিজৰ মাতটো নিজে শুনি চক খোৱাদি খালে। তেওঁ এইবোৰ কি কৰিছে? তেওঁ এইবোৰ কি কৰিছে? তেওঁ কি আকৌ মানসিক ভাৱে ক্ৰমে ক্ৰমে দুৰ্বল হৈ আহিছে? নাই, নাই, তেওঁ দুৰ্বল হোৱা হ'লে নিশ্চয় জয়শ্ৰীহঁতৰ চিএৰ-বাখৰবোৰ শুনিলেতেন। তেওঁৰ একো হোৱা নাই

বৰুৱাই আগফালৰ বাৰান্দাখনৰ পৰা শুচি আহিল।

তেওঁৰ তললৈ নামিবলৈ মন গ'ল। বহুত দিনৰ মূৰত সন্মুখৰ চোতালখনত, চোতালখনৰ কাষতে থকা ফুলনিখনত ফুৰিবলৈ মন গ'ল। ফুলনিখন চাগে হাবিৰে পৰিপূৰ্ণ হৈ পৰিছে। জয়শ্ৰীৰ আদৰৰ ফুলনিখন তেওঁ তেনেদৰে অনাদৰ কৰাটো বৰ অন্যায় হৈছে। তেওঁ আকৌ ফুলনিখন সজাই পৰাই তুলিব।

কিন্তু ডাউন ষ্টেয়াৰৰ ওচৰৰ পৰা তললৈ চাই হঠাৎ বিজয় বৰুৱাই খোজ বখাই দিব লগা হ'ল। পোনে পোনে দেখা পোৱা কোঠাটোৰ পৰা ডাউন ষ্টেয়াৰৰ ওচৰতে ফেট তুলি বৈ সৌ বিয়াগোস সাপডালে তেওঁলৈকে চাই থকা নাইনে? তেওঁ তললৈ নামিবলৈ ল'লেই সেই কোঠাটোৰ পৰা ওলাই আহি এই সাপডালে এনেদৰে বাট ভেটি ধৰেহি কিয়?

বৰুৱাৰ দৃষ্টি কঁপি উঠিল। চাওঁতে চাওঁতে সাপডালে এজনী নাৰী ৰূপ ল'লে। সেইজনী আন কোনো নহয়, সেইজনী পোনে পোনে দেখা পোৱা কোঠাটোত থকা দময়ন্তী।

বৰুৱা একে কোবে আহি পিছফালৰ বাৰান্দা পালেহি। কেইখোজমান ইফাল সিফাল কৰাৰ পিছত তেওঁ বুজি পালে যে তেওঁৰ সৰ্ব-

শৰীৰ কঁপি উঠিছে। সিমানেই নে? বৰুৱাৰ গৰমো উঠিছে। কপালত বিন্দু বিন্দু ঘামৰ কণাও দেখিবলৈ পোৱা গৈছে। উপায়হীন হৈ বৰুৱাই পিছফালে থকা সদায় বহা চকীখনতে বহি দিলে।

আজি চাৰি মাহে বৰুৱাৰ এই এটাই মাত্ৰ অশান্তি। মনত নপৰিলে একো নাই বা দময়ন্তীক নেদেখিলেও একো নাই। কিন্তু মনত পৰিলে বা দময়ন্তীক দেখিলেই তেওঁৰ এই অৱস্থা হয়। তললৈ নামিবলৈ ল'লেই তেওঁ সেই সাপডাল আৰু অলপ পিছতে সেই ডালৰ ঠাইত দময়ন্তীক দেখে। লগে লগে তেওঁৰ এই অৱস্থা হয়।

যিজনী দময়ন্তীয়ে এদিন বৰুৱাৰ গালত ছেন্দেল বহুৱাই চূড়ান্ত ভাৱে অপমান কৰিছিল ভাগ্যৰ কি বিড়ম্বনা, আজি সেইজনী দময়ন্তীৰ হাততে বৰুৱাৰ সমস্ত দায়িত্ব। এই আহল বহল ঘৰখনত আজিকালি তিনিটা প্ৰাণী থাকে, দযাৰাম, দময়ন্তী আৰু বৰুৱা নিজে। দয়াৰাম বুঢ়া হৈছে। কামৰ নামত সি আজিকালি একো কৰিব নোৱাৰে। বুঢ়া হ'ল বিজয় বৰুৱাও। গতিকে তেওঁৰ দ্বাৰাও কোনো কাম নহয়। এতিয়া ঘৰখনৰ সকলো কাম দময়ন্তীৰ ওপৰত। বৰুৱাক চাহ কাপ দময়ন্তীয়েই দিব লাগে। গা ধুবৰ বাবে গৰম পানীখিনি পিন্ধা কাপোৰ কেইটা দময়ন্তীয়ে যোগাৰ কৰি নিদিলে দিওঁতা আন নাই।

দময়ন্তীয়ে চাহ কাপ দিবলৈ আহোতে বৰুৱাই তলমূৰ কৰি দিয়ে।

চাহ কাপ দি তাই যেতিয়া ঘূৰি যায়—বৰুৱাই মূৰ ওপৰলৈ আনে।

চাহখিনি খাবলৈ লৈ তাৰ মাজতে বৰুৱাই সেই দৃশ্যটো দেখে।... হাতত বটাটো লৈ ভদ্ৰেশ্বৰ দত্তৰ জনীয়েক ভিতৰৰ পৰা ওলাই আহিছে। ঘৰত কোনো নাই বুলি জানি বৰুৱাই তাইৰ হাতখনত ধৰিছে। তাই প্ৰথমতে টনা আজোৰা কৰি পিছত বাছিবৰ উপায় নেদেখি ভৰিৰ ছেন্দেলপাত হাতত লৈ সৰ্বশক্তি প্ৰয়োগ কৰি

বৰুৱা ভৱনৰ পিছফালৰ বাৰান্দাৰ পুৱণি চকীখনত বহি থকা বিজয় বৰুৱা সজোৰে খৰ মৰাই উঠিল।

তেওঁ বহাৰ পৰা উঠিল। আৰু সহিব নোৱাৰি। এতিয়াই

তেওঁ দময়ন্তীক এইখন ঘৰৰ পৰা ওলাই যাবলৈ ক'ব। এতিয়াই তেওঁ দময়ন্তীক এইখন ঘৰৰ পৰা বাহিৰ কৰি দিব।...তেওঁ কোনো মৃগেনলৈ ভয় নকৰে তেওঁ কোনো বিজনলৈ ভয় নকৰে এশটা মৃগেন আহক হাজাৰটা বিজন আহক.. তথাপি তেওঁ আজি

বৰুৱা ডাউন ষ্টেয়াৰৰ ওচৰ পালেগৈ। তললৈ চালে। নাই সাপডাল তাত নাই। দময়ন্তীকো তাত দেখা পোৱা নগ'ল। তেনেহ'লে নিশ্চিন্ত মনেৰে তেওঁ এতিয়া তললৈ নামি যাব পাৰে।· কিন্তু · দময়ন্তীক যদি এৰা, দময়ন্তীক এতিয়াই এখইন ঘৰৰ পৰা বাহিৰ কৰি দিলে প্ৰথম বিপদটো তেওঁৰেই হ'ব। ৰাতিপুৱাৰ চাহকাপ · গৰম পানীখিনি নাই নাই, সামান্য সুবিধা আদায়ৰ বিনিময়ত তেওঁ এনেদৰে মানসিক অশান্তি এনেদৰে আঘাত সহি থাকিব নোৱাৰে। বৰুৱাই ইয়াৰ প্ৰতিকাৰ কৰিবই কৰিবই

তেওঁ তললৈ নামি আহিল।

দময়ন্তী শুই থকা কোঠাটোৰ সন্মুখত বৈ তেওঁ অনুমান কৰিলে যে তেওঁ ঘামিছে। গোটেই গা ঘামেৰে টেপ টেপীয়া হৈ গৈছে। যাওক, টেপ টেপীয়া হোৱাহে নেলাগে ঘামতে, তেওঁ সিজি যাওক। তথাপি তথাপি...

বিজয় বৰুৱাই খটখটাই দিবলৈ বুলি হাতখন আগবঢ়াই নি দুৱাৰখন এনেয়ে এবাৰ চুই চালে। দময়ন্তীক এতিয়া কি বুলি ক'ব? পোনে পোনে ওলাই যা বুলি ক'লে ভাল হ'ব জানো? এই গভীৰ নিশা আছি তাইৰ দুৱাৰত টোকা দিলে তাই বেলেগ ভাবি লয় যদি? বৰুৱাই মাত মাতিবলৈ পোৱাৰ আগতেই দময়ন্তীয়ে চিঞৰি উঠে যদি কি লাগে? —এই গভীৰ নিশা অপোনাক ইয়াত কি লাগে। আপুনি আকৌ আহিছেনে? মৰিবলৈ আৰু আছে কেইদিন? এতিয়াও, এই বুঢ়া বয়সতো আপুনি তিৰোতাৰ লোভ এৰিব পৰা নাইনে? আপুনি লম্পট ... কামুক অপোনাক আজিও তাহানিৰ দৰে··

বৰুৱা দুৱাৰখনৰ ওচৰৰ পৰা ভালে কেইখোজ পিছলৈ আহিল।

দুৱাৰখনৰ কালে চাই থাকিব নোৱাৰি তেওঁ আন্ধাৰৰ কালে মুখ ঘূৰালে। তেওঁ খটখটিয়েদি আকৌ ওপৰ মহলা পালেহি। নিজৰ কোঠালৈ আহি, বিচনাত বহি গভীৰ ভাৱে ভাবিবলৈ ধৰিলে·· দময়ন্তীক ছিতেনৰ ঘৰটোলৈ পঠাই দি কল্যাণক ইয়ালৈ অনা যায় যদি? বোধকৰোঁ বেয়া নহ'ব।· ·কিন্তু কল্যাণ অকলে আহিব জানো? কল্যাণৰ লগত যে বন্দিবো আহিব। বদিৰ—বদিৰ—বদিৰ—ৰচিদ মিঞাৰ ল'ৰা বদিৰ। এটা মদপী,...এটা খুনী ··সমাজে অৱহেলা কৰা ঠাইৰ···গলিৰ বদিৰ। তাক তেওঁ স্বজ্ঞানে, সুস্থ শৰীৰে নিজৰ ঘৰত ঠাই দিব? · কল্যাণ তেওঁৰ ছোৱালী। সেই সূত্ৰে বদিৰ তেওঁৰ জোৱায়েক। ছিঃ ছিঃ ছিঃ·· ৰচিদ মিঞাৰ পুতেকক তেওঁ জোৱাই হিচাপে ল'ব লাগিব? নাই, নাই, নোৱাৰে, বিজয় বৰুৱাই সেই কাম কৰিব নোৱাৰে। নকৰে। কল্যাণ আজি বদিৰৰ ঘৈনীয়েক, কল্যাণৰ সেৱা তেওঁ গ্ৰহণ নকৰে। তাই য'ত আছে তাতে থাকক।

তেনেহ'লে কি উপায়েৰে তেওঁ দময়ন্তীৰ কবলৰ পৰা ৰক্ষা পৰিব পাৰিব?

বিজয় বৰুৱাই উপায় এটা পালে।

উপায় হ'ল—এইখন ঘৰলৈ বাসন্তীক ঘূৰাই আনিব লাগিব। বোৱাৰী হিচাপেই হওক বা এনেয়েই হওক। বাসন্তীক ঘূৰাই আনি দময়ন্তীয়ে কৰা গোটেইবোৰ কাম তাইক কৰিবলৈ দিব লাগিব। কিন্তু বাসন্তীক ক'ত পোৱা যাব?

পদূলিৰ ফালে কাৰোবাৰ গুণ গুণণি এটা শুনিবলৈ পোৱা যেন লাগিল বৰুৱাৰ। তেওঁ কাণ দুখন সজাগ কৰিলে। বিজন আৰু বাসন্তীয়েই আহি পদূলিত গুণ গুণাইছেহি বা! সঁচাকৈয়ে·· সঁচাকৈয়ে যদি

বৰুৱা বহাৰ পহাৰ পৰা উঠি খিৰিকীখন মেলি পদূলিৰ ফালে চালে। নাই, একো নাই। কোনো অহা নাই। গুণ গুণণি পদূলিত হোৱা নাই—গুণ গুণণি তেওঁৰ মনৰ মাজতহে হৈছে।

· বাসন্তীক ঘূৰাই পোৱা আশা এৰি বৰুৱা আকৌ বিচনাতে বহিলছি। ভালেপৰ বহি থকাৰ পিছত আত্মসমৰ্পণ শব্দটোৱে তেওঁৰ মনৰ মাজত খুন্দা মাৰি গ'ল।

—তাৰ মানে দময়ন্তীৰ ওচৰত আত্মসমৰ্পণ !!

বিজয় বৰুৱাৰ গাত বিজুলীৰ আঘাত লাগিল।

ভালে দিনৰ মূৰত তেওঁ কোঠাৰ নীলাভ পোহৰৰ মাজত বিজনক দেখিবলৈ পালে। মই বৰ ভাল পাম দেউতা, আপুনি দময়ন্তী বৌৰ ওচৰত আত্মাসমৰ্পণ কৰে তেনেহ'লে মই বৰ ভাল পাম দেউতা।·· আপুনি আপোনাৰ এদিনৰ ভুলৰ বাবে আজি তেওঁৰ ওচৰত ক্ষমা বিচৰা উচিত। তেতিয়াহে আপোনাৰ চৰিত্ৰৰ মহত্ব প্ৰকাশ পাব। ধন আৰু পদৱীৰ গৰ্বত নাৰীত্বক অপমান কৰি ফুৰা আপোনাৰ গাটো নিকা হ'ব।·· আপুনি এতিয়াই যাওক দেউতা আপুনি দময়ন্তী বৌৰ ওচৰলৈ এতিয়াই যাওক এতিয়াই . এ তি…য়া·· ই ·

বৰুৱা বহাৰ পৰা উঠিল। লগে লগে তেওঁৰ সন্মুখত, নীলাভ পোহৰৰ মাজত বৈ থকা বিজন নোহোৱা হ'ল। তেওঁ খিৰিকীখনৰ ওচৰলৈ গৈ পদূলিৰ ফালে চালে। ..গছৰ আন্ধাৰবোৰৰ মাজত সৌখন কাৰ মুখ? পাৰিজাতৰ দেউতাক সদানন্দ হাজৰিকাৰ নহয়নে?

গভীৰ নিশা উজাগৰে থাকি ভাবিছা বিজয়? জীৱনৰ আগ-ছোৱাত পাৰিজাতৰ প্ৰতি তুমি যি অন্যায় কৰিলা, তাইৰ প্ৰতি অন্যায় কৰি তুমি মোক যি আঘাত দিলা আজি তুমি সেই আঘাতৰে প্ৰতিঘাত পাইছা। দোষত দণ্ড আছেই। তুমি এতিয়াই দময়ন্তীৰ ওচৰলৈ যোৱা। নাৰীক অপমান কৰা বাবে ক্ষমা বিচাৰাগৈ। তুমি যোৱা তুমি যোৱা যো-ৱা :

বিজয় বৰুৱাই সজোৰে খিৰিকীখন বন্ধ কৰি দিলে। দি তেওঁ পিছফালৰ বাৰান্দা পালেহি।· যদি দময়ন্তীয়ে তেওঁক ক্ষমা নকৰে? যদি দময়ন্তীয়ে তেওঁক দ্বিতীয়বাৰ অপমান কৰে? বোধকৰোঁ তেনেকুৱা নহ'ব। বোধকৰোঁ দময়ন্তীয়ে তেওঁক আকৌ অপমান নকৰিব। এৰা,

তেওঁ দময়ন্তীৰ ওচৰত ক্ষমা খোজাই ভাল হ'ব।…তেওঁ আজি দময়ন্তীৰ ওচৰত আত্মসমৰ্পণ কৰাই ভাল হ'ব। ..আত্মসমৰ্পণ আৰু প্ৰায়শ্চিত্ত… প্ৰায়শ্চিত্ত ভৰিত ধৰি ধৰি...ভ .ৰি . ত

বিজয় বৰুৱা তললৈ নামি আহিল।

দময়ন্তীৰ কোঠাৰ সন্মুখত ৰ'ল। আকৌ দুৱাৰখন চুই দিলে।… ধন আৰু পদৱীৰ গৰ্বত নাৰীত্বক অপমান কৰি ফুৰা আপোনাৰ গাটো নিকা হ'ব…নিকা· ·নিকা·· বিজয় বৰুৱাই কঁপা হাতেৰে দুৱাৰত ঢকা দিলে আৰু চিঞৰিলে,—হেৰা দময়ন্তী দময়ন্তী উঠাচোন· উঠ

দময়ন্তীয়ে সাৰ পালে,—কোন ? কি লাগে ?

—মই বৰুৱা। উঠাচোন—উঠা—উঠা—উঠা—

দময়ন্তীয়ে দুৱাৰ খুলিলে,—ইমান নিশা· কি হৈছে নো ?

—একো হোৱা দময়ন্তী, একো হোৱা নাই। মই তোমাৰ ওচৰলৈ আহিছোঁ—মোক তুমি ক্ষমা·কৰা মোক তুমি ক্ষমা কৰা মোক তুমি ক্ষমা নকৰিলে নহ'ব তোমাৰ প্ৰতি মই বৰ অন্যায় কৰিলোঁ। মোৰ দোষ হৈছে মোক ক্ষমা কৰা জয়শ্ৰীক মই ক্ষমা খুজিব নোৱাৰিলোঁ, কাঞ্চনৰ ওচৰত নোৱাৰিলোঁ, মই পাৰিজাতৰ ওচৰতো ক্ষমা খুজিব নোৱাৰিলোঁ। মই তোমাৰ ওচৰত সকলোৰে হৈ ক্ষমা খুজিছোঁ। মোক মোক

বিজয় বৰুৱাই হাত দুখন দময়ন্তীৰ ভৰিৰ ফালে নিলে। দময়ন্তীয়ে বৰুৱাৰ হাত দুখন থাপ মাৰি ধৰিলে,—ছিঃ নাপায। আপুনি বুঢা মানুহ মোৰ ভৰিত ধৰিব নাপায়। সেইবোৰ পুৰণি কথা বাদ দিয়ক। ব'লক আপুনি শুবলৈ ব'লক—

—মই শুব পৰা নাই দময়ন্তী মই আৰু শুব নোৱাৰিম · তুমি মোক ক্ষমা নকৰিলে মই বোধকৰোঁ কোনো দিনে শুব নোৱাৰিম। মো·· ক

—বাৰু হ'ব। আপুনি ওপৰলৈ ব'লক।

বৰুৱাই স্থিৰ দৃষ্টিৰে ভালে পৰ দময়ন্তীৰ চকুলৈ চালে।—তুমি মোক

ক্ষমা কৰিলা যেতিয়া· মই আজি নোশোওঁ।.. আজিৰ পৰা মৃগেন মোৰ ডাঙৰ ল'ৰা। তুমি মোৰ ডাঙৰ বোৱাৰী .তোমাক মই আজিৰ পৰা বোৱাৰী হিচাপে ল'লোঁ।.. আহাঁ শহুৰ-বোৱাৰী বাহিৰলৈ যাওঁ... অলপ ফুৰোঁ। অলপ মুকলি বতাহ লওঁ · আহাঁ—

পৰম আন্তৰিকতাৰে কথাখিনি কৈ বৰুৱাই চোতালৰ ফালে খোজ দিব ধৰিছিল। কিন্তু আধা আন্ধাৰ আধা পোহৰত কোনোবা দুটা ৰৈ থকা দেখি তেওঁ খোজ নিদি টান মাতেৰে সুধিলে,—কোন? কোন তহঁত?

পাতল আন্ধাৰৰ মাজৰ পৰা বিজন আগবাঢ়ি আহিল,—আমিহে। বাসৱী আৰু মই। আপুনি দময়ন্তী বৌক মাত দিয়াৰ ঠিক লগে লগে আমি এইখিনিত উপস্থিত হৈছোঁহি। আপুনি বৌৰ ওচৰত ক্ষমা বিচাৰি নিজৰ মহত্বৰ পৰিচয় দিলে। বৌক আপুনি ডাঙৰ বোৱাৰী হিচাপে গ্ৰহণ কৰাত আমি বৰ ভাল পালোঁ। আজিৰ দৰে এটা দিনত এক বিশেষ মুহূৰ্তত মই বাসৱীক,—আপোনাৰ সৰু বোৱাৰীয়েকক ঘৰত থৈ যাবলৈ আহিলোঁ। মোৰেই কিবা সৌভাগ্য। দেউতাক সম্মান জনোৱা বাসৱী।

বাসৱীয়ে ওৰণিখন লৈ বিজয় বৰুৱাক সেৱা কৰিলে।

অতৰ্কিতে দময়ন্তীও বৰুৱাৰ ভৰিত পৰিল।

বৰুৱাই দুয়োজনীকে সাৱটি ধৰিলে। ক'লে,—জীৱনৰ এছোৱা সময়ত মই যেনিবা এটা বেয়া সপোন দেখিছিলোঁ। সপোনৰ শেষত আজি মই সাৰ পালোঁ। আজি মই বাস্তৱলৈ ঘূৰি আহিলোঁ।

বোৱাৰীয়েকহঁতক লৈ আপুনি থাকক। মই থাকিব নোৱাৰিম। মোৰ কাম শেষ হোৱা নাই। জনতাৰ মুক্তিৰ বাবে আমি কাম আৰম্ভ কৰিছোঁহে।

বিজয় বৰুৱাই কিবা এটা কবলৈ পোৱাৰ আগতেই বিজন সিফালে আন্ধাৰৰ লগত মিলি গ'ল।

———

এই লেখকৰ প্ৰকাশিত কিতাপবোৰ ,

- গল্প চয়নিকা  গল্প
- অশ্লীল স্কেচ্
- এজনী ছোৱালীৰ ছবি
- কাকবন্ধ্যা
- কালৰাত্ৰি
- চাৰিটা নতুন নক্ষত্ৰ
- পত্নুমী নবৌ  উপন্যাস
- গোলাপী বাইদেউ
- স্নেহলতা
- বৰ্ষণ মুখৰ বিয়লি
- মন পৰাজয়ৰ পাৰত
- চিনাকি বাটৰ কাঁইট
- তেজ আৰু মগুহ
- মনত মেঘৰ ৰং
- নগ্ন নক্সা
- বিভা বৈৰী
- পৰশ পাথৰ
- মেগমা গহ্বৰ
- নোৱনি ঘৰ
- মন নদীৰ গতি
- দুৰণিৰ তৰা
- অসিপত্ৰ
- জোনাক নদী পাহাৰ
- উপকণ্ঠ নগৰৰ ছবি
- বলুকাত বিয়লি বেলা
- ধূপ আৰু ধূনা